# কহিনুৰ

**হীৰক জয়ন্তী সমাৰোহ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ**

**জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়**


জাঁজী-জামুগুৰি, শিৱসাগৰ-৭৮৫৬৮৩

**২৫ আৰু ২৬ জুলাই, ২০২৪ চন**


স ম্পা দ ক

**ড° মানজিৎ গগৈ • ৰাজীৱ দত্ত**

**KOHINOOR :** A Souvenir published on the occasion of Diamond Jubilee Celebration of Jhanji Hemnath Sarma College, Sivasagar on 25th & 26th July, 2024 edited by Dr. Manjit Gogoi & Rajib Dutta and published by the Organizing Committee printed at Binayak Offset, Sivasagar. Rs.: 400/- only.




## স ম্পা দ না  স মি তি

| | | |
|---|---|---|
| **সভাপতি** | ঃ | ভৱানী কুমাৰ বৰুৱা |
| **উপ সভাপতি** | ঃ | ড° অনুপমা মহন্ত |
| **যুটীয়া সম্পাদক** | ঃ | ড° মানজিৎ গগৈ<br>ৰাজীৱ দত্ত |
| **পদেন সদস্য** | ঃ | ড° অনিল কুমাৰ গগৈ<br>হিমাদ্ৰি জ্যোতি দত্ত |
| **সদস্য** | ঃ | বীণা বৰুৱা<br>প্ৰতাপ কুমাৰ বৰুৱা<br>ড° ৰঞ্জিত কুমাৰ বৰুৱা<br>মঞ্জুমালা শৰ্মা<br>বিকাশ চলিহা<br>ড° বসন্ত সন্দিকৈ<br>ড° পৰাগ ৰাজখোৱা<br>ইন্দ্ৰসেন বড়ো<br>ড° মণ্টু কুমাৰ বড়া<br>ড° প্ৰিয়ংকা হাজৰিকা<br>ৰাতুল বড়া<br>দেৱজিৎ নেওগ |

**প্ৰকাশ কাল ঃ**
২৫ জুলাই, ২০২৪

**বেটুপাত ঃ**
ড° মণ্টু কুমাৰ বড়া, পলাশ বুঢ়াগোহাঁই

**বৰঙণি ঃ**
৪০০ (চাৰিশ) টকা মাত্ৰ

**মুদ্ৰণ ঃ**
বিনায়ক অফছেট, শিৱসাগৰ

# উৎসৰ্গা



যাৰ প্ৰাণত আছিল  জাঁজী অঞ্চলক আগবঢ়াই নিয়াৰ
দুৰ্বাৰ হেঁপাহ, যাৰ দুচকুত তগবগাই আছিল
অঞ্চলটোৰ ক্ৰীড়াৰ  ভৱিষ্যত—
সেইগৰাকী
মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ,
সুদক্ষ খেলুৱৈ, ক্ৰীড়া সংগঠক
**অজয় বৰাদেৰ** পবিত্ৰ স্মৃতিত
***কহিনুৰ***
উৎসৰ্গা কৰা হ'ল।

*সম্পাদনা সমিতি,* **কহিনুৰ**

# শ্ৰদ্ধাঞ্জলি



**প্ৰয়াত হেমনাথ শৰ্মা**
(১৮৮২-১৯৫১)

যি গৰাকী প্ৰাজ্ঞ পুৰুষ, ঋষিতুল্য শিক্ষক, বৰেণ্য বিদ্বানৰ নামেৰে
জাঁজী অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ নামকৰণ কৰা হৈছে —
সেই গৰাকী পুৰোধা ব্যক্তিক
হীৰক জয়ন্তী সমাৰোহ আয়োজনৰ মাহেন্দ্ৰ ক্ষণত
গভীৰ শ্ৰদ্ধাৰে সুৱৰিছোঁ।

*সম্পাদনা সমিতি,* **কহিনুৰ**

सर्बानंद सोणोवाल
**SARBANANDA SONOWAL**

SAGARMALA
PORT-LED PROSPERITY

सत्यमेव जयते

पत्तन, पोत परिवहन और जलमार्ग मंत्री
भारत सरकार
**Minister of Ports, Shipping and Waterways**
**Government of India**




## শুভেচ্ছাবাণী

শিক্ষানুষ্ঠানসমূহ জ্ঞানৰ পৱিত্ৰ মন্দিৰস্বৰূপ। শিক্ষানুষ্ঠানসমূহতে গঢ় লৈ উঠে ভৱিষ্যতৰ মানৱ সম্পদ। মই জানিবলৈ পাই সুখী হৈছো যে ঐতিহাসিক শিৱসাগৰ জিলাৰ জাঁজী-জামুগুৰিস্থিত একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে এক বৰ্ণিল পৰিক্ৰমাৰে গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষত পদাপৰ্ণ কৰিলে। মহাবিদ্যালয়খনৰ জ্ঞানৰ বন্তিগছিৰ উজ্জ্বল পোহৰত ইতিমধ্যে বহুতো শিক্ষাৰ্থীয়ে নিজৰ জীৱন পোহৰাই তুলিছে। এই সুদীৰ্ঘ সময়ৰ গতিপ্ৰবাহৰ স্মৃতি সুঁৱৰি নতুন সময়ৰ নতুন পৰিকল্পনাৰে মহাবিদ্যালয়খনক গতিশীল কৰাৰ উদ্দেশ্যে অহা ২৫ আৰু ২৬ জুলাই, ২০২৪ তাৰিখে হীৰক জয়ন্তী সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহৰ স্মৃতি সজীৱ কৰি ৰখাৰ মানসেৰে এখনি স্মাৰক গ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো অতি প্ৰশংসনীয় কাম। এই স্মাৰক গ্ৰন্থখনিয়ে মহাবিদ্যালয়খনৰ বৰ্ণিল ইতিহাস প্ৰতিফলিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতাক এক অনন্য মাত্ৰা প্ৰদান কৰিব বুলি মই আশাবাদী। এই সুযোগতে সেইসকল স্বনামধন্য ব্যক্তি আৰু শিক্ষাগুৰুক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ, যাৰ অক্লান্ত প্ৰচেষ্টাই মহাবিদ্যালয়খনৰ শৈক্ষিক ভেটি গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই বিশেষ ক্ষণত মহাবিদ্যালয়খনৰ প্ৰাক্তন আৰু বৰ্তমানৰ সকলো ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সংশ্লিষ্ট সকলোকে মোৰ আন্তৰিক শুভকামনা জনাইছোঁ। সদৌশেষত হীৰক জয়ন্তী সমাৰোহৰ সকলো কাৰ্যসুচীৰ সৰ্বাংগীন সফলতা কামনা কৰিলোঁ।

নতুন দিল্লী
১৩ জুলাই, ২০২৪

(সৰ্বানন্দ সোণোৱাল)


**Room No. 201, Transport Bhawan, 1, Sansad Marg, New Delhi - 110001 Ph. : 011-23717422, 23717423, 23717424 (O),23356709 (F)**
**E-mail : minister-shipping@gov.in; Website : www.shipmin.gov.in**

ৰণোজ পেগু
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



## শুভেচ্ছাবাণী

শিৱসাগৰ জিলাৰ জাঁজী-জামুগুৰিৰ ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰিবলৈ ওলোৱাৰ বিষয়ে জানিব পাৰি সুখী হৈছোঁ। এই অনুষ্ঠানক এখনি স্মাৰকগ্ৰন্থ প্ৰকাশেৰে যুগমীয়া কৰিবলৈ মনস্থ কৰাটো অতি প্ৰশংসনীয় কথা।

শিৱসাগৰ জিলাৰ শৈক্ষিক ক্ষেত্ৰখনলৈ অসামান্য অৱদান আগবঢ়াই হীৰক জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় পৰিয়াললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। ১৯৬৪ চনত বহুকেইগৰাকী বিদ্যানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত স্থাপিত মহাবিদ্যালয়খনে ৰাইজৰ আশীৰ্বাদত দীৰ্ঘ শৈক্ষিক পৰিক্ৰমা অতিক্ৰম কৰি আজি জিলাখনৰ এখন প্ৰাজ্ঞ শিক্ষানুষ্ঠানত পৰিণত হৈছে। ঐতিহ্যপূৰ্ণ শিক্ষানুষ্ঠানখনে আধুনিক বিশ্বৰ শিক্ষাগত পৰিৱেশৰ দ্ৰুত পৰিৱৰ্তন তথা বিকাশৰ সৈতে সামঞ্জস্য ৰাখি নৱ চিন্তা আৰু নৱ উদ্যমেৰে বিশ্বাভিমুখী শৈক্ষিক যাত্ৰাপথত অগ্ৰসৰ হওক, গৌৰৱময় হীৰক জয়ন্তী বৰ্ষৰ শুভক্ষণত আমাৰ এয়াই একান্ত কামনা।

মই স্মাৰকগ্ৰন্থ সম্পাদনা সমিতিৰ প্ৰয়াসৰ শলাগ লৈছোঁ আৰু আশা ৰাখিছোঁ স্মাৰকগ্ৰন্থখনে জাঁজী-জামুগুৰিৰ শৈক্ষিক ঐতিহ্য মননশীল ৰূপত উদ্ভাসিত কৰিব আৰু পাঠক সমাজৰ সমাদৰ লাভ কৰিব। শিক্ষানুষ্ঠানখনৰ গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষ সমাৰোহৰ সফলতাৰ আশাৰে বিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিৰেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি- সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭



## শুভেচ্ছাবাৰ্তা

১৯৬৪ খ্ৰীষ্টাব্দত শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰি অঞ্চলত উচ্চ শিক্ষাৰ বাটকটীয়া অনুষ্ঠান 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়'খনে গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষত উপনীত হোৱাটোৱে শিক্ষা জগতখনলৈ এক আনন্দৰ বতৰা কঢ়িয়াই আনিছে। শিক্ষাৰ্থীসকলক কলা আৰু বাণিজ্য দুয়োটা শাখাতে জ্ঞান-শিক্ষাৰে উপযুক্ত নাগৰিক ৰূপে গঢ়ি তুলি মহাবিদ্যালয়খনে সামাজিক, সাংস্কৃতিক, নৈতিক, আৰ্থ-সামাজিক, জীৱন-জীৱিকা আদি সৰ্বদিশত আগবঢ়োৱা অৰিহণা অনস্বীকাৰ্য। জ্ঞানৰ আলোকেৰে সমগ্ৰ অঞ্চলটোকেই জিলিকাই তুলিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে অহা ২৫ আৰু ২৬ জুলাই, ২০২৪ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা কাৰ্য নিশ্চিতভাৱে আদৰণীয়।

হীৰক জয়ন্তী সমাৰোহৰ সৈতে সংগতি ৰাখি আয়োজক সমিতিয়ে এখন 'স্মাৰকগ্ৰন্থ' প্ৰকাশৰ বাবে লোৱা পদক্ষেপ প্ৰশংসনীয় আৰু শলাগিবলগীয়া। স্মাৰকগ্ৰন্থখনে মহাবিদ্যালয়খনৰ ষাঠী বছৰীয়া পৰিক্ৰমা, শৈক্ষিক দিশ, মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত দেখুওৱা পাৰদৰ্শিতা তথা লক্ষ্য আৰু উদ্দেশ্যক বিকশিত কৰি তোলাৰ অৱকাশ আছে। তদুপৰি ন-পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষকগোট, অভিভাৱক তথা অঞ্চলটোৰ গণ্য-মান্য ব্যক্তিৰ স্মৃতিনিগৰিত শব্দশিল্পই স্মাৰকগ্ৰন্থখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিব বুলি আশা ৰাখিছোঁ।

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহে সকলোকে নতুন উৎসাহ, উদ্দীপনা, কৰ্মস্পৃহা, বিদ্যা-শিক্ষা দান আৰু গ্ৰহণৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ কামনাৰে সকলোলৈকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছাৰে,-

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

৩১ আহাৰ, ১৪৩১ ভাস্কৰাব্দ
১৬ জুলাই, ২০২৪ খ্ৰীঃ

বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেছ ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com

## আমি সেইসকলৰ ওচৰত কৃতজ্ঞ

- যিসকল শুভানুধ্যায়ী, ভৱিষ্যত দ্ৰষ্টাৰ ত্যাগ আৰু প্ৰেৰণাত এই শিক্ষানুষ্ঠানৰ বীজ ৰোপণ হ'ল।
- যিসকল স্থানীয় ব্যক্তি, শুভচিন্তক, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ অৱদানে মহাবিদ্যালয়ৰ গতি প্ৰৱাহত শকতি যোগালে ।
- যিসকল সদাশয় ব্যক্তিয়ে অনুষ্ঠানটিৰ প্ৰতি আন্তৰিকতা দেখুৱাই তেখেতসকলৰ লেখনিৰে কহিনুৰৰ পৃষ্ঠা সমৃদ্ধ কৰিলে আৰু যি কেইগৰাকী মহান ব্যক্তিয়ে শুভ বাৰ্তা প্ৰেৰণ কৰি আমাক উৎসাহিত কৰিলে।
- যিসকল ব্যক্তিয়ে কায়িক, মানসিক আৰু আৰ্থিক সহযোগিতাৰে সমাৰোহৰ সফলতাত অৰিহণা আগবঢ়ালে।
- সমাৰোহ আয়োজক সমিতিৰ সন্মানীয় সভাপতি মহোদয় প্ৰমুখ্যে সকলো সদস্য-সদস্যা।
- বিশেষভাৱে, সমাৰোহৰ স্মৃতি যুগমীয়া কৰাৰ হকে আমি হাতত লোৱা স্মৃতিগ্ৰন্থ প্ৰকাশৰ পৰিকল্পনাক স্ব-ইচ্ছাৰে আৰ্থিক বৰঙণি সহ পাঠকৰ হাতলৈ তুলি দিয়াত সঁহাৰি জনোৱা প্ৰয়াত অজয় বৰাদেৰৰ পৰিয়ালবৰ্গ।
- সুন্দৰ ছপা-বন্ধাৰ ব্যৱস্থাৰে কম সময়তে স্মৃতিগ্ৰন্থখন প্ৰকাশৰ ব্যৱস্থা কৰা বিনায়ক অফছেট পৰিয়াল।

*সম্পাদনা সমিতি,* **কহিনুৰ**

# সম্পাদকীয়

## হীৰক সুষমা

অ' ৰঙামুৰা অ' ৰঙামুৰা
চোতাল পালেহি মান
জামুগুৰি চাপৰিত গিৰ্জনি মাৰিছে
চিঞৰত ফালিছে কাণ।।

প্ৰসিদ্ধ সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাদেৰৰ প্ৰতীকী কবিতা 'ৰঙামুৰা বীৰ'ৰ জীৱন গাঁথাৰে উজ্জীৱিত ঐতিহাসিক জাঁজী-জামুগুৰি চাপৰি। মানৰ আক্ৰমণত স্বদেশ-স্বজাতিৰ হকে প্ৰাণাহুতি দিয়া গগৈ সেনাপতি সহ অসমীয়া ডেকাৰ ৰক্তৰে ৰঞ্জিত ৰঙাজানৰ পাৰৰ ইতিহাসৰ বহু উত্থান-পতন, ৰূপ-কথাৰে সমৃদ্ধ এয়া জামুগুৰি চাপৰি । নগা পৰ্বতৰ পৰা বৰলুইতৰ বুকুৰ মাজলৈ চিৰপ্ৰৱাহিত এক সুদীৰ্ঘ পৰিযোজনাৰ পথ জাঁজী নৈ। আহোম স্বৰ্গদেউসকলে নাম দিছিল নামজিন অৰ্থাৎ বোকা পানীৰ নদী। চিৰপ্ৰৱাহিত অন্তঃসলিলা এখন নদীৰ বুকুত সোমাই থাকে ইতিহাসৰ বহুতো সমল, অলিখিত ৰূপকথাৰ কাহিনী। জাঁজী শব্দটো দেখাত 'জাঁজ' শব্দৰ পৰা উদ্ভৱ হোৱা যেন লাগে; কিন্তু প্ৰকৃততে ই তাই আহোম ভাষাৰ 'জাঁ' আৰু 'জী' শব্দ লগ লাগি গঠিত হৈছে । 'জাঁ- ঔষধ বা দৰৱ, জী- ভঁৰাল, অৰ্থাৎ ঔষধৰ ভঁৰাল। কালক্ৰমত আহোম স্বৰ্গদেউসকলে জাঁজী নৈৰ পানীক বৈজ্ঞানিক বিশ্লেষণ কৰি তাত ঔষধি গুণ পোৱাৰ বাবে সেই নৈৰ নাম ৰাখিলে 'জাঁজী- অৰ্থাৎ ঔষধৰ ভঁৰাল। জাঁজী-জামুগুৰি চাপৰি কেৱল ৰঙামুৰা বীৰ খ্যাত বুৰঞ্জীৰ পৰশ নহয়। এই অঞ্চল শতাব্দী প্ৰাচীন উচ্চ শিক্ষা, সাহিত্য-সংস্কৃতিৰে সমৃদ্ধ উচ্ছল প্ৰাণকেন্দ্ৰ।

স্বাধীনতাৰ চাৰি দশকৰ পূৰ্বে জাঁজীত ১৯০৭ চনত প্ৰতিষ্ঠা হোৱা জাঁজী হাইস্কুলৰ তিনিজনকৈ প্ৰাক্তন ছাত্ৰ, প্ৰসিদ্ধ সাহিত্যিক ড° সত্যেন্দ্ৰনাথ শৰ্মা, তীৰ্থনাথ শৰ্মা, চন্দ্ৰপ্ৰসাদ শইকীয়া, বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক, বৰেণ্য সাহিত্যিক ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা আৰু প্ৰাক্তন সহকাৰী শিক্ষক, বুৰঞ্জীবিদ বেণুধৰ শৰ্মাই অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰি অসমৰ ইতিহাসত বিদ্যালয়ৰ লগতে জাঁজী অঞ্চলৰ খ্যাতি ৰাখি থৈ গৈছে।

জাঁজী নৈৰ পাৰৰ ঐতিহাসিত জামুগুৰি চাপৰিত ১৯৬৪ চনত উচ্চ শিক্ষাৰ এক যজ্ঞৰ সূচনা হয়। যাৰ চিন অপৰিমেয় ইচ্ছা শক্তিৰ অধিকাৰী, কৰ্মযোগী, জাঁজী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, আধুনিক জাঁজীৰ নিৰ্মাতা, ঋষিতুল্য শিক্ষক হেমনাথ শৰ্মাদেৰৰ পবিত্ৰ স্মৃতিত উৎসৰ্গিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়। অৱশ্যে স্বাধীনতাৰ চাৰি দশকৰ পূৰ্বেই জাঁজীত মাধ্যমিক শিক্ষাৰ সূচনা হৈছিল। ১৯০৭ চনত

প্ৰতিষ্ঠা হৈছিল জাঁজী ল'ৰা হাইস্কুল (সম্প্ৰতি জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়)। ১৯৫৮ চনৰ ২৬ অক্টোবৰত অনুষ্ঠিত হোৱা জাঁজী হাইস্কুলৰ সোণালী জয়ন্তী সমাৰোহত লোৱা প্ৰস্তাৱ (প্ৰস্তাৱক ঃ খগেশ্বৰ বৰঠাকুৰ, সমৰ্থক ঃ অমৰ শৰ্মা) অনুসৰি জাঁজী অঞ্চলত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ আগবাঢ়ি অহাৰ ফলশ্ৰুতিত জাঁজীত উচ্চ শিক্ষাৰ বাট প্ৰশস্ত হ'ল।

১৯৬২ চনত জাঁজী উন্নয়ন সমিতি নামৰ এটি সংগঠনৰ জন্ম হয়। ১৯৬৩ চনৰ ২৬ নবেম্বৰত জাঁজী উন্নয়ন সমিতিৰ উদ্যোগত জাঁজী পাব্লিক হলত সদৌ জাঁজী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ৰাইজৰ মাজত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। মাখন চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত জাঁজীত ১৯৬৪ চনৰ শিক্ষাবৰ্ষৰ পৰাই কলা-বিজ্ঞান আৰু বাণিজ্য শাখাযুক্ত এখন মহাবিদ্যালয় স্থাপন কৰিবৰ বাবে এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এয়াই ইতিহাস।

যিকোনো এটা অনুষ্ঠান গঢ় লৈ উঠাত স্থানীয় ৰাইজৰ অপৰিসীম ত্যাগ, কষ্ট নিহিত হৈ থাকে। ষাঠি বছৰীয়া জাঁজীৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মহাবিদ্যালয়খনিৰ বৌদ্ধিক যাত্ৰাত অঞ্চলটোৰ বহুজন মহোৎমহীয়ান ব্যক্তি, সমাজকৰ্মী আৰু প্ৰতিষ্ঠাকালৰ বৰেণ্য ব্যক্তি আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। আজিৰ পৰা ৫৯ বছৰ পূৰ্বে যিসকল বিদ্বান ব্যক্তিয়ে জাঁজীত উচ্চ শিক্ষাৰ বীজ ৰোপণ কৰি আমাৰ মাজৰ পৰা আঁতৰি গ'ল সেই সকলো খ্যাত-অখ্যাত ব্যক্তিলৈ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহ আয়োজনৰ মাহেন্দ্ৰ ক্ষণত গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে কৃতজ্ঞতা জনাইছোঁ সেইসকললৈ যিসকলে কায়িক, মানসিকভাৱে এই জ্ঞান মন্দিৰৰ অক্ষয় বন্তিগছি জ্বলাই অঞ্চলটোক জ্ঞান -শিক্ষাৰে গৰিমামণ্ডিত কৰি তুলিছে।

**৬০ বছৰীয়া বৰ্ণাঢ্য যাত্ৰা ঃ**

১৯৬৪ চনৰ ২৫ জুলাইত প্ৰতিষ্ঠা লাভ কৰা জাঁজী অঞ্চলৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে সুদীৰ্ঘ ৬০ বছৰে বৃহত্তৰ জাঁজী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল সামৰি বিদ্যায়তনিক যাত্ৰাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। অসমৰ অন্যতম উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হোৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে এই বৃহত্তৰ অঞ্চলটোত শিক্ষাদানৰ সমান্তৰালভাৱে ইয়াৰ আৰ্থ-সামাজিক দায়বদ্ধতাৰে প্ৰতিশ্ৰুতি বহন কৰি অঞ্চলটোৰ হকে কাৰ্য সম্পাদনতাত একাত্ম হ'ব লাগে। শতবৰ্ষ অভিমুখী এই যাত্ৰাত আমাৰ সকলোৰে চিন্তা- নৈতিক আৰু আধ্যাত্মিক চেতনাক উজ্জীৱিত কৰি ৰাইজৰ সপোন আৰু আকাংক্ষাক সাকাৰ ৰূপ দিবলৈ মহাবিদ্যালয়খন প্ৰাণৱন্ত হৈ উঠক। আমাৰ আশা-এই সুদূৰপ্ৰসাৰী যাত্ৰাত শুভাকাংক্ষী ৰাইজ, অভিভাৱক, প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলো আন্তৰিক সাহচৰ্যৰে চামিল হ'ব। নিজৰ প্ৰজ্ঞা আৰু সাধনাৰে এই মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন শিক্ষাৰ্থী আৰু শিক্ষকে শিক্ষা, সাহিত্য-সংস্কৃতি, ৰাজনৈতিক ক্ষেত্ৰকে ধৰি আন আন ক্ষেত্ৰসমূহত নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ উপৰিও মহাবিদ্যালয়ৰ নাম উজ্বলাই তুলিবলৈ সক্ষম হৈছে। সেইসকলৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্যামকানু মহন্তই সৰ্বভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষা (আই.এ.এচ.)ত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ৰ নাম উজ্বলাই তোলাৰ লগতে তিনিগৰাকী মেধাৱী ছাত্ৰ অসম অসামৰিক সেৱা (এ.চি.এচ)ৰ পৰীক্ষাত উত্তীৰ্ণ হৈ অতিৰিক্ত উপায়ুক্ত পদত অধিষ্ঠিত হৈছিল। লগতে ৰাজ্য আৰু দেশৰ বিভিন্ন প্ৰান্তত বিভিন্ন উচ্চ পদৱীত অধিষ্ঠিত হোৱাৰ উপৰি একাধিক প্ৰাক্তন শিক্ষাৰ্থী বিশ্ববিদ্যালয়ৰ

অধ্যাপক, মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্বত নিয়োজিত হৈ আছে। মহাবিদ্যালয়খনৰ ৪২ গৰাকী প্ৰাক্তন শিক্ষাৰ্থীয়ে ড'’ৰেট ডিগ্ৰী লাভ কৰাটো অন্যতম সফলতাৰ দিশ। উল্লেখনীয় যে এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, আঞ্চলিকতাবাদৰ ধ্বজাবাহক প্ৰয়াত ছাত্ৰনেতা **সিংহ যুৰক** ললিত চন্দ্ৰ ৰাজখোৱাই অসম বিধান সভাত পৰিবহন মন্ত্ৰীৰ দৰে গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ নজিৰ আছে। আনহাতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন অধ্যাপক জ্যোতিপ্ৰসাদ গগৈয়ে অসম কলেজ শিক্ষক সংস্থাৰ দুবাৰকৈ সভাপতি (বিনা প্ৰতিদ্বন্দ্বিতাৰে)ৰ পদত আৰু দুবাৰকৈ সম্পাদকৰ পদত অধিষ্ঠিত হৈছিল। ইয়াৰোপৰি তেখেত অল ইণ্ডিয়া ফেডাৰেছন অৱ ইউনিৰ্ভাছিটি এণ্ড কলেজ টিচাৰ্চ অৰগেনাইজেচনৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপেও সেৱা আগবঢ়াই মহাবিদ্যালয়ৰ নাম উজ্বলাই তুলিছিল। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ৰঞ্জিত গগৈ সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতিৰ পদত অধিষ্ঠিত হোৱাটো অতি গৌৰৱৰ কথা। ইয়াৰ লগতে সাহিত্য, সাংবাদিকতা, ক্ৰীড়া, সমাজসেৱা, ব্যৱসায় আদি ক্ষেত্ৰসমূহত পূৰ্বৰে পৰা বৰ্তমানলৈকে এই মহাবিদ্যালয়ৰ কেইবা সহস্ৰাধিক শিক্ষাৰ্থীয়ে নিজকে প্ৰতিষ্ঠা কৰি তুলিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন অধ্যাপক-অধ্যাপিকাইও নিজৰ নিৰলস সাধনাৰে মহাবিদ্যালয়খনি উজ্জীৱিত কৰি তুলিছিল। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত শিৱনাথ শৰ্মা ছাৰ এজন বৰেণ্য শিক্ষাবিদেই নহয় গভীৰ চিন্তা উদ্বেগকাৰী সুবক্তা হিচাপে সমগ্ৰ ৰাজ্যখনতে পৰিচিত আছিল। প্ৰায় ২৭ বছৰ কাল মহাবিদ্যালয়খনিক সন্মুখৰ পৰা নেতৃত্ব দি এটি গতি প্ৰদান কৰা শৰ্মা ছাৰে ১৯৯৯ চনত ভাৰতৰ শ্ৰেষ্ঠ নাগৰিক বঁটা আৰু ২০০১-০২ বৰ্ষত সহস্ৰাব্দৰ শিক্ষাবিদ হিচাপে ৰাষ্ট্ৰীয় গৌৰৱ বঁটা লাভ কৰাটো মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱৰ বিষয়। ইয়াৰোপৰি ৰামায়ণ, মহাভাৰত, শ্ৰীমদ্ভাগৱত, পুৰাণভিত্তিক প্ৰায় ৫০ খন মাতৃভাষাৰ নাট ৰচনা কৰি শৰ্মা ছাৰে আন এক খ্যাতি ৰাখি থৈ গৈছে। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা, অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা, প্ৰয়াত চিত্ৰলতা ফুকন বাইদেউ অসমৰ সাহিত্য জগতৰ এটি চিৰ পৰিচিত নাম। অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ বঁটা, অসম লেখিকা সংস্থাৰ প্ৰবীণা শইকীয়া বঁটা, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ মূলা গাভৰু বঁটাপ্ৰাপক সু-সাহিত্যিক চিত্ৰলতা ফুকন বাইদেউ এগৰাকী দক্ষ সংগঠক, মানৱ দৰদী সমাজ কৰ্মী আছিল। ওৰেটো জীৱন সমাজৰ নিঃস্বজনৰ কাৰণে নিজক উৎসৰ্গা কৰা বাইদেউৱে অসম লেখিকা সংস্থাৰ সভাপতিৰ পদ অলংকৃত কৰিছিল। এখন শিশু উপন্যাসকে ধৰি পাঁচখনকৈ জনপ্ৰিয় উপন্যাস, চাৰিখন গল্পপুথি, এখন কবিতাপুথি, এখন আত্মজীৱনী আৰু তিনিখন নাটকেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ইয়াৰোপৰি মহাবিদ্যালয়খনিত অসমীয়া বিভাগৰ অধ্যাপক অসমৰ সত্ৰীয়া নৃত্যৰ প্ৰথমগৰাকী গৱেষক প্ৰয়াত ড° জগন্নাথ মহন্ত ছাৰে সংগীত নাটক একাডেমীৰ সদস্যৰ পদ অলংকৃত কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছিল। অসম সত্ৰীয়া সংগীত মহাবিদ্যালয় (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত) ৰ প্ৰথম গৰাকী অধ্যক্ষ ৰূপে সেৱা আগবঢ়োৱা ড° মহন্ত ছাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলাৰ অতিথি অধ্যাপক হিচাপেও সেৱা আগবঢ়াইছিল। সত্ৰীয়া নৃত্য শাস্ত্ৰ, সত্ৰীয়া নৃত্য কথা, সত্ৰীয়া নৃত্যৰ দুটি মলোৱা- পাদু আৰু শাস্ত্ৰ, সত্ৰীয়া নৃত্য- গীত-বাদ্যৰ হাতপুথি আদি উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰা ড° মহন্ত ছাৰে কান্তিৰাম হাজৰিকা, জগদ্ধাত্ৰী হৰমোহন, চন্দ্ৰকান্ত হীৰপ্ৰভা, নৃত্য প্ৰভাকৰ, নৃত্য ৰত্ন বঁটাৰে সন্মানীত হৈছিল।

ইয়াৰোপৰি মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন অধ্যাপক, সংস্কৃত পণ্ডিত, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, আমগুৰি বাঁন্ধৈয়ে প্ৰদান কৰা ৰঙামুৱা বীৰ খ্যাত বঁটাৰে সন্মানীত ড° কৃষ্ণকান্ত সন্দিকৈ ছাৰে বিহু বিষয়ক বহু অনাতাঁৰ সংগীতালেখ্য ৰচনা আৰু পৰিচালনাৰে অসম মানসত বিহু সংস্কৃতিক এক সুকীয়া ৰূপত পৰিচয় কৰাই নিজৰ লগতে মহাবিদ্যালয়খনত খ্যাতি ৰাখি থৈ গৈছে । ছাৰে ২০০৬-০৭ বৰ্ষত দূৰদৰ্শন কেন্দ্ৰ, ডিব্ৰুগড় বাৰ্ষিক বঁটা হিচাপে লোকসঙ্গীত মাধুৰী বঁটা, ২০১৪ চনত অসম সাংস্কৃতিক মহাসভাৰ জীৱনজোৰা সাংস্কৃতিক সাধক বঁটা আৰু ২০১০ চনত টীয়ক কলিয়াপানীস্থিত আউনীআটী সত্ৰৰ পৰা দিহানামৰ ওজা উপাধি লাভ কৰাৰ লগতে স্বৰ্ণ পদকেৰে মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছিল। একালৰ সংস্কৃত বিভাগৰ অধ্যাপক, কাকজান মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ, কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থৰ লেখক ড° অকন চন্দ্ৰ শইকীয়া ছাৰ অসম চৰকাৰৰ সাহিত্যিক পেন্সনেৰে সন্মানিত হোৱাটোও মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কথা । মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক প্ৰয়াত কীৰ্তি দত্ত ছাৰে অসম বিধান সভাত আমগুৰি সমষ্টিক প্ৰতিনিধিত্ব কৰি নিজৰ দক্ষতা প্ৰতিপন্ন কৰি থৈ গৈছে। অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক যতীন বৰা ছাৰে সাহিত্য-সমালোচনা সম্পৰ্কীয় কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনাৰে নিজৰ অধ্যয়ন আৰু চিন্তাৰ চিহ্ন ৰাখি থৈ গৈছে। উল্লেখ্য যে প্ৰতিকুল পৰিৱেশকো আওকাণ কৰি নিজৰ সাধনা আৰু কৰ্মদক্ষতাৰে এইসকল স্বনামধন্য শিক্ষাবিদে অধ্যাপনাৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বৰ মৰ্যদা ৰক্ষা কৰি অন্যান্য ক্ষেত্ৰটো নিজৰ প্ৰতিভা-পাৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিছিল। বৰ্তমান সময়ত মহাবিদ্যালয়ৰ শিক্ষাৰ্থী-শিক্ষকসকলৰ মাজতো উল্লিখিত মনোভাববোৰ গঢ় লৈ উঠাতো সকলোৰে মনে প্ৰাণে কামনা কৰে।

**পৰিশেষত** ঃ একাংশ সমাজ সচেতন ব্যক্তিয়ে মহাবিদ্যালয়সমূহৰ লগতে উচ্চ শিক্ষা প্ৰদান কৰা একাংশ শিক্ষানুষ্ঠানক কেৱল নিবনুৱা উৎপাদন কৰা কেন্দ্ৰ বুলি অভিহিত কৰাৰ সময়ত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (এন.ই.পি.-২০২০) ত অন্তৰ্ভূক্ত পাঠ্যক্ৰম সমূহে ছাত্ৰ-ছাত্ৰীসকলৰ মনত ক্ষণিকৰ বাবে হ'লেও জীৱন-জীৱিকাৰ এটি ৰেঙণি জিলিকাই তোলাটো শুভ লক্ষণ বুলি ধাৰণা হৈছে।

এনে এক অভিনিবেশনী মননেৰে আমাৰ পূৰ্বজসকলে এনে শিক্ষানুষ্ঠানৰ পৰিকল্পনা কৰাই নহয় ইয়াৰ এটি বীজ ৰোপণেৰে এজোপা বটবৃক্ষৰ প্ৰচ্ছায়াৰে এটি বৃহৎ অঞ্চলৰ শিক্ষানুৰাগীক আচ্ছাদন দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। যাৰ ফলশ্ৰুতিত এই মহৎ অনুষ্ঠানটো গঢ় লৈ উঠি জাঁজী আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চলটোক উচ্চ শিক্ষাৰে মহীয়ান কৰিছে। অতি সম্প্ৰতি শিক্ষাৰ সংজ্ঞা সলনি হৈছে। পাঠ্যক্ৰমৰ সঘন সালসলনি আৰু শিক্ষিত নিবনুৱাৰ উৰ্দ্ধমুখী মাত্ৰা এতিয়া সময় প্ৰৱাহৰ সচকিত বিষয়। উত্তৰ পুৰুষৰ স্বপ্নময় ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি কৰা এনেবোৰ প্ৰসংগ আৰু ব্যৱস্থাপনা কিমান সুদূৰপ্ৰসাৰী সেয়া লক্ষণীয়।

শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ এই মহণ্ডা দিনত ৬০ বছৰীয়া এটি দীঘলীয়া যাত্ৰা অন্ত পেলাই মহাবিদ্যালয়খনিয়ে পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিও বৰ্তমানৰ প্ৰতিযোগিতামূলক সময়ৰ প্ৰত্যাহ্বান সন্মুখত লৈ অনুষ্ঠানটোক লগতে শিক্ষাৰ্থীসকলকো ন-ন উদ্যমেৰে সমৃদ্ধ কৰিব পাৰিলেহে উচ্চ শিক্ষাৰ ধাৰণা আৰু মান বাস্তৱিকতে ৰক্ষিত হ'ব। হীৰক জয়ন্তীৰ এই শুভ ক্ষণত এয়াই আমাৰ আশা আৰু গভীৰ প্ৰত্যাশা।

**ড° মানজিত গগৈ**
**ৰাজীৱ দত্ত**

# সূচীপত্ৰ


| | | | |
|---|---|---|---|
| ↖ | সোণালী জয়ন্তীৰ পৰা হীৰক জয়ন্তীলৈ | **ড° মানজিৎ গগৈ** | ১৭ |
| ↖ | সামাজিক মূল্যবোধ ৰক্ষাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা | **ড° পীতাম্বৰ দেৱগোস্বামী** | ৩০ |
| ↖ | মেঘদূত— বন্দী-হৃদয়ৰ বিশ্বভ্ৰমণ | **ড° মুকুল হাজৰিকা** | ৩৬ |
| ↖ | উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত উদ্যমিতা আৰু উদ্যোগীকৰণ পৰিৱেশ তন্ত্ৰৰ প্ৰয়োজনীয়তা | **ড° পাৰ্থ প্ৰতিম বৰুৱা** | ৪০ |
| ↖ | ছশ বছৰীয়া আহোম ৰাজত্বকালৰ শিক্ষা ব্যৱস্থা ঃ এক চমু অৱলোকন | **ড° পৰাগ ৰাজখোৱা** | ৪৪ |
| ↖ | সুন্দৰ মন | **ড° অনিল শইকীয়া** | ৫৪ |
| ↖ | শিল সলোৱা মন্ত্ৰ | **ড° জ্যোতি প্ৰসাদ শইকীয়া** | ৫৯ |
| ↖ | তাহানিৰ দুলাল ককাইটি আৰু আজিৰ প্ৰেকটিছ্ প্ৰফেচাৰ | **ড°সৌমাৰজ্যোতি মহন্ত** | ৬৪ |
| ↖ | অৰ্থনৈতিক জাতীয়তাবাদেহে সমৃদ্ধিশালী কৰিব অসমীয়াৰ ভৱিষ্যত | **অৰুণ বৰুৱা** | ৬৮ |
| ↖ | গ্ৰন্থাগাৰ, সমাজ আৰু ইটো-সিটো | **ড° নীলাক্ষী শৰ্মা** | ৭২ |
| ↖ | শিক্ষানুষ্ঠানত জীৱন কৌশল শিক্ষাৰ প্ৰয়োজনীয়তা | **ড° অনন্ত তামুলী** | ৭৬ |
| ↖ | জাঁজীত নাটক, সংগীত আৰু সাহিত্য চৰ্চা ঃ অতীতৰ পৰা বৰ্তমানলৈ | **বীণা বৰুৱা** | ৮১ |
| ↖ | উজনি অসমৰ গ্ৰামাঞ্চলৰ নাৰী শিক্ষাৰ সমস্যা আৰু দৃশ্যপট | **দেৱজিৎ নেওগ** | ৯৬ |
| ↖ | ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু সংস্কৃত | **ৰাজীৱ শৰ্মা** | ১০০ |
| ↖ | Celebrating Gandhi: His Life, Legacy and Enduring Impact | **Umakanta Hazarika** | ১০৬ |
| ↖ | From Chalkboards to Chromebooks : The Changing Landscape of Education | **Robina Chetri** | ১১৪ |

**মহাবিদ্যালয়ৰ ভিতৰ চ'ৰা**


- 'নাক'ৰ (NAAC) মূল্যাঙ্কনত আমাৰ মহাবিদ্যালয় — **বিদ্যাধৰ বৰুৱা** ১২৫
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট — **ড° বসন্ত সন্দিকৈ** ১৩২
- A Column from NCC Wing — **Rabisankar Gogoi** ১৩৯
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ ঃ এক চমু আভাস — **নৱনীতা বৰা** ১৪১
- অৰ্থনীতি বিভাগ — **মিনতি গগৈ বৰুৱা** ১৪৮
- শিক্ষাতত্ত্ব বিভাগৰ এক চমু অৱলোকন জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় — **ননী ৰাজখোৱা** ১৫৪
- Through the Pages of Time : The Journey of the Department of English, Jhanji Hemnath Sarma College — **Sima Nath** ১৫৭
- ভূগোল বিভাগ — **মধুস্মিতা বৰুৱা** ১৬৩
- বুৰঞ্জী বিভাগ — **ছাজিদুল হক বৰবৰা** ১৬৫
- ৰাজনীতি বিজ্ঞান বিভাগ — **মনোৰিমা ভাগৱতী** ১৬৯
- সংস্কৃত বিভাগ ঃ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে — **ৰাজীৱ শৰ্মা** ১৭১
- সমাজতত্ত্ব বিভাগ — **ড° সান্ত্বনা দত্ত** ১৮৩
- COMMERCE STREAM — **Bidisha Sharma** ১৮৫
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ পৰিক্ৰমা — **ঋতুৰাজ বৰকাকতি** ১৯০
- A Tribute to My Father : The Professor Who Taught Us Life's Greatest Lessons — **Bornali Borah** ১৯২
- দেউতাৰ আদৰ্শ — **বৰ্ষা বৰা শইকীয়া** ১৯৬
- হীৰক জয়ন্তীৰ অনুভৱ — **তুৰাৰাম খনিকৰ** ১৯৮
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আলোকত উচ্চ শিক্ষাঃ এক অৱলোকন — **ড° অনিল কুমাৰ গগৈ** ২০১
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত মোৰ শিক্ষাগুৰুসকলৰ সান্নিধ্যৰ সুবাস — **ড° অনুপমা মহন্ত** ২০৬

- স্মৃতি-কোঠাত জাঁজী কলেজ আৰু প্ৰতিষ্ঠা কালৰ শিক্ষকসকল
  **গোপাল বৰুৱা** ২১৮
- সোঁৱৰণি— মোৰ ছাত্ৰী নিবাসৰ **মিনতি গগৈ বৰুৱা** ২২৯
- মোৰ অনুভৱৰ ডেউকাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়
  **ছায়া নাথ** ২৩৩

<u>কবিতা</u>

- জয়ন্তী সম্ভাৰ **সঞ্জীৱ কুমাৰ দত্ত** ২৩৫
- স্মৃতিৰ সীমনাত **প্ৰতাপ কুমাৰ বৰুৱা** ২৩৬
- কবিতা **মৌচুম বুঢ়াগোহাঁই** ২৩৮

<u>মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী আৰু সোণালী জয়ন্তী স্মৃতিগ্ৰন্থত প্ৰকাশিত নিৰ্বাচিত লেখাৰ সংগ্ৰহ...</u>

- যুগে যুগে শিক্ষা (Education Through Ages)
  **ৰজনীকান্ত গোস্বামী** ২৪০
- শিক্ষা, মূল্যবোধ, প্ৰত্যয় আৰু প্ৰত্যাশা ঃ এক চিন্তন
  **ড° সুখ বৰুৱা** ২৬০
- জাঁজীৰ সংস্কৃত চৰ্চাৰ সোণ সাৰুৱা ক্ষেত্ৰখনৰ সীৰলুৰ সন্ধানত
  **ড° অৰুণ চন্দ্ৰ শইকীয়া** ২৬৭
- ইতিহাসৰ বাটেদি ঃ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়
  **শিৱনাথ শৰ্মা** ২৭৯
- জাঁজীৰ সোঁৱৰণত **ধ্বনিকবি ড° বিনন্দ চন্দ্ৰ বৰুৱা** ২৮৯
- জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় প্ৰতিষ্ঠা আৰু প্ৰথমগৰাকী অধ্যক্ষ
  প্ৰয়াত যদুনাথ শৰ্মা সিদ্ধান্ত **হৰেন বৰুৱা** ২৯৫
- ইতিহাসৰ দৃশ্যপটত জাঁজী **খগেন গগৈ** ৩০২
- সৃষ্টিৰ বৰ্ণিল জীৱন পথিক চিত্ৰলতা ফুকন
  **যোগেশ কিশোৰ ফুকন** ৩১০
- যি তিনিজন সহকৰ্মীক আমি হেৰুৱালোঁ **ভৱানী কুমাৰ বৰুৱা** ৩১৫
- স্মৃতিচাৰণ-১ **যদুনাথ শৰ্মা সিদ্ধান্ত** ৩১৮
- স্মৃতিচাৰণ-২ **উমেশ চন্দ্ৰ ঠাকুৰ** ৩২০
- স্মৃতিচাৰণ-৩ **চিত্ৰলতা ফুকন** ৩২৬
- পৰিশিষ্ট ৩৩২




# *Discipline is Education*

... যি মূলমন্ত্ৰক সাৰোগত কৰি
জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় পৰিয়াল
আগবাঢ়িছে অসীমলৈ।

**অধ্যক্ষ মেজৰ পৰা..**

# সোণালী জয়ন্তীৰ পৰা হীৰক জয়ন্তীলৈ

পুৰণি শিৱসাগৰ জিলা আৰু বৰ্তমান শিৱসাগৰ আৰু যোৰহাট জিলাৰ সংগমস্থলী জাঁজীনৈৰ ইপাৰ সিপাৰ। ইয়াৰে শিৱসাগৰৰ জাঁজী-জামুগুৰিৰ এমুঠি শিক্ষানুৰাগী আৰু দূৰদৰ্শী ব্যক্তিৰ চিন্তাৰ ফচল আছিল জাঁজী কলেজ। কিছুদিন পাছত ইয়াৰ নামকৰণ কৰা হ'ল জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়। মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা শুভ সময় আছিল ১৯৪৬ চনৰ ২৫ জুলাই তাৰিখ। বহুতো জল্পনা-কল্পনা কৰি প্ৰতিষ্ঠাৰ পাছতে মূল চালিকা শক্তি পৰিচালনা সমিতি গঠন কৰি শিক্ষক নিযুক্তিৰ চিন্তা-চৰ্চা আগত ৰাখি প্ৰথমে এজনক স্বনামধন্য আসনত উপবিষ্ট কৰোৱা হ'ল। সময় আগবাঢ়িল। এটাৰ পাছত আন এটাকৈ নতুন নতুন সংযোজন ঘটাবলৈ ৰাইজ পৰিচালনা সমিতি আৰু অধ্যক্ষই দিনে-নিশাই চিন্তা-চৰ্চা অব্যাহত ৰাখিলে। এদিন শৈক্ষিক ভৱন নিৰ্মাণ হ'ল, চাৰিও কাষৰ ৰাইজৰ দান-বৰঙণিৰে শিক্ষক নিয়োগ কৰা হ'ল। ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিবলৈ দৌৰি আহিল। জ্ঞানৰ দীপালিৰে উদ্ভাসিত হৈ জীৱন গঢ়িবলৈ। শিক্ষকসকলেও চেষ্টা অব্যাহত ৰাখি জ্ঞান, প্ৰজ্ঞা আৰু সত্য কি তাক বুজোৱাৰ মানসেৰে নিজৰ ছাত্ৰ-ছাত্ৰীক জিলিকাই তোলাৰ প্ৰতিযোগিতাত নামি পৰিল আৰু সময়ৰ সোঁতত এজন দুজনকৈ জিলিকি উঠিবলৈ সক্ষম হ'ল। তেওঁলোকৰ সন্তান সন্ততিৰ সাফল্যত ৰাইজে মানসিক প্ৰশান্তি লাভ কৰিবলৈ ধৰিলে। কালক্ৰমত মহাবিদ্যালয়খন এদিন অৰ্দ্ধচৰকাৰী হোৱাৰ দিশে অগ্ৰসৰ হ'ল। পৰিচালনা সমিতিত চৰকাৰী বিষয়া মনোনীত কৰি কেতবোৰ নীতি নিয়মৰ আধাৰত মহাবিদ্যালয়খন পৰিচালিত হয়। এনেদৰেই মহাবিদ্যালয়খন আগবাঢ়ি গ'ল, নামভৰ্তি কৰিলে এচাম শিক্ষাৰ প্ৰতি ধাউতি থকা ছাত্ৰ-ছাত্ৰীয়ে আৰু এই ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়ালে তেওঁলোকৰ পিতৃ-মাতৃয়ে। মহাবিদ্যালয়খনিৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণেও অভিভাৱক অভিভাৱিকাসকলে যিমান পাৰে সিমান আৰ্থিক অথবা কায়িকভাৱে সহযোগিতা আগবঢ়াই গ'ল। অৱশ্যে কেতিয়াবা তাৰ মাজতো দুৰ্দিন নোহোৱা নহয়। আচলতে এখন মহাবিদ্যালয়ৰ ক্ষেত্ৰত কেৱল এটা দিশত গুৰুত্ব দি থাকিলে মহাবিদ্যালয়খন বৰ্ত্তমান বৰ্তি থকা টান। চৰকাৰী অনুমোদন পোৱাৰ পিছত চৰকাৰৰ বিধি অনুসৰি কামবোৰ নহ'লে প্ৰকৃত ফল পোৱাত পলম হয়। এই ক্ষেত্ৰত আবেগ অনুভূতিৰ পৰা কিছু আঁতৰি যাবলগা হয়। সময়ে সময়ে উচ্চ শিক্ষা ক্ষেত্ৰখনত হোৱা পৰিৱৰ্তনসমূহৰ লগত সহাৱস্থান কৰিব নোৱাৰিলেও কেতবোৰ অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। এই সকলোবোৰ সামৰি মহাবিদ্যালয়খনে ১৯৮৯ চনত ৰূপালী জয়ন্তী সমাৰোহ উদ্‌যাপন কৰি ৰাইজৰ সহানুভূতি

বুটলিবলৈ সক্ষম হ'ল। সময় বাগৰাৰ লগে লগে পৰিৱৰ্তিত সমাজ ব্যৱস্থাত একাংশ ব্যক্তিৰ সলনি আন একাংশ জড়িত হৈ পৰে। প্ৰতি বছৰে আগমন ঘটে শ শ ছাত্ৰ-ছাত্ৰীৰ। ভৱিষ্যতৰ সোণালী সপোন ৰচনা কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সপোন বাস্তৱায়িত কৰি একো একোগৰাকী প্ৰতিষ্ঠিত ব্যক্তি হিচাপে পৰিগণিত হ'ল। কোনোবা যদি ভাল শিক্ষক আন কোনোবা আকৌ ভাল গায়ক, আনকোনোবা আকৌ ভাল খেলুৱৈ। তাৰে আন এজন ভাল খেতিয়ক হোৱাৰ লগতে এজন ভাল ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। জাঁজী-জামুগুৰি অঞ্চলত ১৯৬৪ চনত মহাবিদ্যালয় স্থাপনৰ আগেয়ে কিন্তু ভালেসংখ্যক সামাজিক আৰু শৈক্ষিক অনুষ্ঠান ঠন ধৰি উঠিছিল আৰু এই অনুষ্ঠান বিলাকে গতিশীলতা লাভ কৰিছিল মহাবিদ্যালয়খনত নিযুক্তি লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগত। জাঁজীৰ ফুটবল খেল, নাট্য সমাজ, লাচিত মেলা ইত্যাদি ইয়াৰ উদাহৰণ।

মহাবিদ্যালয়খনেও নিজৰ গুণগত মানদণ্ড পৰীক্ষা কৰিবৰ বাবে সময়ৰ লগত খোজ মিলাই NAACৰ প্ৰথম Cycle ৰ বাবে আবেদন কৰিবলৈ প্ৰস্তুত হ'ল। সকলো শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীয়ে অতি উৎসাহেৰে হেঁপাহৰ মহাবিদ্যালয়খনে ভাল এটা গ্ৰেড লাভ কৰক বুলি সহযোগিতা আগবঢ়ালো। অৱশেষত NAACৰ Head Officeৰ পৰা পত্ৰ প্ৰেৰণ কৰা হ'ল কোন কোন ব্যক্তি মহাবিদ্যালয়খনৰ মূল্যাংকণৰ বাবে আহিব। তেওঁলোকৰ ভিতৰত দুগৰাকী পুৰুষ আৰু এগৰাকী মহিলা সদস্য। তেওঁলোক হৈছে—

1. Anand Dev Mukhupadhyay, Chairman, Former V.C. Vidyasagar University, West Bengal.

2. D.N. Sansanwal, Member, Director and Dean, Institute of Educations Devi Ahalya University, Indore.

3. P.S. Vietor S.J. Member, Principal, St. Joseph's College, Darjeeling.

তেওঁলোকে নিজৰ কাম সামৰে। ভাৰপ্ৰাপ্ত অধ্যক্ষ ভৱানী কুমাৰ বৰুৱা ছাৰৰ হাতত কেইটামান Suggestion দি এটা বন্ধ খাম অৰ্পন কৰি উভতি গ'ল। কিছুদিনৰ পাছত ফলাফল আহিল মহাবিদ্যালয়খনে $C^{++}$ গ্ৰেড লাভ কৰিবলৈ সক্ষম হ'ল।

সেই সময়ত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈ গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰা হৈছিল বুলি অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মুখৰ পৰা শুনিবলৈ পোৱা যায়। তাৰোপৰি সেই সময়ত কম্পিউটাৰ জনা বা চলোৱা মানুহ সীমিত আছিল। আজিৰ দৰে এই কামবোৰ কৰিব পৰা মানুহো বৰ বেছি নাছিল। সেই সময়ত মহাবিদ্যালয়ত মাত্ৰ এটাহে কম্পিউটাৰ আছিল বুলি জানিবলৈ পাইছিলো।

সময় বাগৰাৰ লগে লগে মহাবিদ্যালয়খনৰ বিভিন্ন দিশত পৰিৱৰ্তন সমূহ আহিবলৈ ধৰিলে। পুৰণি অধ্যক্ষ, শিক্ষক তথা কাৰ্যালয়ৰ কৰ্মচাৰীসকলে অৱসৰ গ্ৰহণ কৰিলে নতুন নতুন শিক্ষক-কৰ্মচাৰীসকলে যোগদান কৰিলে। মহাবিদ্যালয়ত সংযোজিত হ'বলৈ ধৰিলে এটাৰ পাছত আন এটা বিভাগ। এই গতানুগতিকতাৰ মাজতে ময়ো অসমৰ এখন পুৰণি উচ্চ শিক্ষাৰ অনুষ্ঠান গড়গাঁও

মহাবিদ্যালয়ৰৰ পৰা আহি ২০১২ চনত অধ্যক্ষ হিচাপে যোগদান কৰিলোহি। যোগদান কৰাৰ পাছত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু সেই সময়ৰ কৰ্মৰত শিক্ষক-কৰ্মচাৰীসকলৰ লগত আলোচনা কৰি মহাবিদ্যালয়খনক দ্বিতীয়বাৰৰ বাবে NAACৰ দ্বাৰা মূল্যাংকন কৰা আৰু ২০১৪ চনত সোণালী জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰাৰ মানসেৰে চিন্তা-চৰ্চা আৰম্ভ কৰিলো। সকলোৰে সহমতত এখন ৰাজহুৱা সভাত আহ্বান কৰা হ'ল। ৰাজহুৱা সভা ভালেকেইটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। ব্যতিক্ৰম এইখিনিতে যে ২০১৪ চনৰ ২৭ ছেপ্তেম্বৰৰ পৰা ২৯ ছেপ্তেম্বৰলৈকে তিনিওটি দিনত যথেষ্টসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বিভিন্ন কাৰ্যসূচীত উপস্থিত আছিল। তেওঁলোকৰ সহায়-সহযোগেই আছিল আমাৰ মূলধন। আমি কেইজনমান শিক্ষক আৰু স্থানীয় ব্যক্তিৰ সহযোগত অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক গৈ লগ কৰিছিলো আৰু তেওঁলোকৰ পৰা দান বৰঙনিও সংগ্ৰহ কৰিছিলো। সোণালী জয়ন্তী সমাৰোহৰ সভাপতি আছিল প্ৰয়াত অঞ্জন দত্ত ডাঙৰীয়া তেওঁৰ পৰামৰ্শমতেই আমি আগবাঢ়িছিলো কিন্তু পৰিতাপৰ কথা তেওঁ এই অনুষ্ঠানভাগিত বেছিকৈ উৎসাহ জগাব নোৱাৰিলে। তেওঁৰ দায়িত্বখিনি পালন কৰিলে। সেই সময়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰয়াত ড° গিয়াছুদ্দিন আহমদদেৱে।

পতাকা উত্তোলন কাৰ্যসূচীৰ পাছতে স্মৃতি তৰ্পন অনুষ্ঠানটিত তৰ্পক হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল ৰাজহ চক্ৰ বিষয়া যোৰহাটৰ। শ্ৰীযুত উৎপল দলে ডাঙৰীয়াক আৰু তেওঁ উপস্থিত থাকি আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰিছিল।

সেইদিনাই সম্বৰ্ধনা আৰু স্মৃতিগ্ৰন্থ উন্মোচনৰ এক কাৰ্যসূচী ৰখা হৈছিল। আমাৰ সোণালী জয়ন্তী সমাৰোহৰ স্মৃতিগ্ৰন্থখনি উন্মোচন কৰিছিল সেই সময়ৰ অসম সাহিত্য সভাৰ সভাপতি ইমৰান শ্বাহদেৱে। মহাবিদ্যালয়ৰ ভালেকেইটা নৱনিৰ্মিত ভৱনৰ দুৱাৰ মুকলি কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ পৰিদৰ্শক ড° ৰূপম শইকীয়াদেৱে "যুৱ সৱলীকৰণ ঃ সমস্যা আৰু প্ৰত্যাহ্বান" শীৰ্ষক আলোচনা চক্ৰখনি সঞ্চালনা কৰিছিল যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিজয় শৰ্মাদেৱে আৰু অংশগ্ৰহণ কৰিছিল বিশিষ্ট অতিথি হিচাপে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱা আৰু ড° ৰূপম শইকীয়াই উপস্থিত থাকি বক্তব্য আগবঢ়াইছিল।

দুগৰাকী আলোচক হিচাপে উপস্থিত থকা আমন্ত্ৰিত ব্যক্তি আছিল ড° ৰাজীৱ সন্দিকৈ সহযোগী অধ্যাপক বুৰঞ্জী বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ড° জ্যোতিপ্ৰসাদ শইকীয়া, সহযোগী অধ্যাপক সমাজতত্ব বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

সেইদিনা সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল চলচিত্ৰ জগতৰ পৰিচিত এগৰাকী শিল্পী শ্ৰীযুতা চেতনা দাস ডাঙৰীয়ানীক। আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি তেওঁ আমাৰ অনুষ্ঠানটি ৰসাল কৰি তোলাৰ উপৰিও আমি দিয়া দায়িত্ব পালন কৰি সকলোকে আমোদ দিছিল। ২৮-০৯-২০১৪ তাৰিখৰ পুৱা ৯ বজাৰ পৰাই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পঞ্জীয়ন আৰম্ভ হৈছিল। পুৱা বেলাতেই অনুষ্ঠিত হৈছিল প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ মুকলি

সভা। এই সভাখন সঞ্চালনা কৰিছিল বৰ্তমান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল কুমাৰ গগৈদেৱে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অন্তৰংগ আলাপ কৰাৰ লগতে এক বিচিত্ৰানুষ্ঠানতো অংশ গ্ৰহণ কৰি সফল কৰি তুলিছিল। সেইদিনা সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল, অধ্যক্ষ তথা শিল্পী ড° অনিল শইকীয়াদেৱক। তেওঁ গীত-মাতে অনুষ্ঠানটি জীপাল কৰি তোলাৰ লগতে সকলোকে মানসিক আনন্দ দিয়াত কৃতকাৰ্যতা লাভ কৰিছিল। শেষৰ দিনা অৰ্থাৎ ২৯-০৯-২০১৪ তাৰিখে পুৱা সকলো এক উখন-মাখল পৰিৱেশত লগ হ'লো। কাৰ্যসূচী আছিল বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা। এই বিশেষ কাৰ্যসূচী উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনাইছিলো শ্ৰীযুত কামাখ্যা প্ৰসাদ তাছা, সাংসদ যোৰহাট লোকসভা সমষ্টি। তেখেতে যথাসময়ত আহি উপস্থিত হৈ আমাৰ কাৰ্যসূচীভাগ ৰূপায়ন কৰি আমাক কৃতাৰ্থ কৰিছিল। সেইদিনা দুপৰীয়া এখন মুকলি সভা অনুষ্ঠিত হৈছিল সেই সভাখনতো বিধায়ক অঞ্জন দত্তদেৱ উপস্থিত নাছিল। সভাখন পৰিচালনা কৰিছিল কাৰ্যকৰী সভাপতি ড° গিয়াছুদ্দিন আহমদদেৱে। এই সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত আছিল যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত কামাখ্যা প্ৰসাদ তাছা। এই সভাতেই বিশেষ সম্বৰ্ধনা কাৰ্যসূচীত কেইজনমান উল্লেখযোগ্য ব্যক্তিক আমন্ত্ৰণ জনাই সন্মান যঁচা হৈছিল সেইসকলৰ ভিতৰত শ্ৰীযুত শিৱনাথ শৰ্মা, শ্ৰীযুত নবীন গগৈ আৰু শ্ৰীযুত ৰোযেশ্বৰ বৰুৱা। সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি ড° বলেন্দ্ৰ কুমাৰ দাসদেৱে তেখেত অসম কলেজ শিক্ষক সংস্থাৰ অধ্যক্ষ পৰিষদৰ সভাপতি হোৱাৰ লগতে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল। লগতে উপস্থিত আছিল অসম কলেজ শিক্ষক সংস্থাৰ সভাপতি শ্ৰীযুত ৰাণা কুমাৰ চাংমাইদেৱ। অৱশ্যে তেওঁ আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰও আছিল। আমাৰ সৌভাগ্য ঘটিছিল আৰু আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি এই অন্তিমখন মুকলি সভাত উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। আৰু সেইদিনাৰ অন্তিম সভাখনৰ সামৰণি পৰিছিল মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত বিৰেশ্বৰ নেওগদেৱৰ শলাগৰ শৰাইৰে। সেইদিনাৰ অন্তিম কাৰ্যসূচীত সন্ধিয়া আমগুৰিৰ পূবেৰুণ শিল্পী সমাজৰ উদ্যোগত 'গজকেতু বধ' ভাওনাৰ প্ৰদৰ্শন কৰা হৈছিল। এই কাৰ্যসূচীত যথেষ্ট স্থানীয় লোকৰ উপস্থিতি দেখা গৈছিল।

ভাওনাৰ অন্তত ৰাতি প্ৰায় ১১-১০ মান বজাত মই, স্থানীয় মহাবিদ্যালয়ৰ শুভাকাংক্ষী ব্যক্তি শ্ৰীযুত ৰাজেন গগৈদেৱ আৰু মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কৰ্মচাৰী শ্ৰীযুত প্ৰভাত শইকীয়াদেৱে পতাকা সম্বৰণ কাৰ্যসূচী সমাপন কৰাৰ পাছতে মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ কাৰ্যসূচীৰ যৱনিকা পৰিছিল।

ইয়াৰ পাছতে ২০১৫ চনৰ জানুৱাৰী মাহত মহাবিদ্যালয়ৰ IQACৰ Co-ordinator শ্ৰীযুক্তা মামণি বৰগোহাঁই বাইদেউ আৰু আমি বহি ভালকৈ চিন্তা-চৰ্চা কৰি NAACৰ পৰিদৰ্শনৰ কথাটো ঠিৰাং কৰি SSR লিখাৰ কথা চিন্তা চৰ্চা কৰিলো। আমাৰ সেই সময়ত এটা ডাঙৰ সমস্যা হৈছিল যে প্ৰথম NAAC Assesmentৰ পাছত ২০১২ চনলৈকে Annual Report upload কৰা নাছিল সেয়ে আমি প্ৰথমে ২০০৬ চনৰ পৰা ২০১১ চনলৈ আৰু পৰৱৰ্তী পৰ্যায়ত ২০১১ চনৰ পৰা ২০১৪

চনলৈ Annual Report খিনি জাৰি-জোকাৰি গোটোৱা হ'ল। আমি বহুত অসুবিধাৰ সন্মুখীন হৈছিলো কিন্তু ধৈৰ্য্য ধৰি কামখিনি কৰাত আমি সফলভাৱে upload কৰিব পাৰিছিলো। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ছাগিদুল হক বৰবৰাইও বিশেষভাৱে SSR আৰু AQAR প্ৰস্তুত কৰাত সহায় কৰিছিল। আমাৰ শিক্ষকসকলে কাম কৰে কিন্তু তাৰ ৰেকৰ্ড নৰখাৰ বাবে বাৰে বাৰে একেবোৰ বস্তু বিছাৰি জাননী জাৰি কৰিবলগীয়া হৈছিল। মহাবিদ্যালয় ভগ্নপ্ৰায় শ্ৰেণীকোঠা সীমিত Computer facility আদি আমাৰ বাবে সেই সময়ত প্ৰত্যাহ্বান আছিল তথাপি আমাৰ দুৰ্বলতাখিনি বাদ দি আমাৰ যিখিনি ব্যৱস্থা আছে সেইখিনিকে সম্বল হিচাপে লৈ আমি Assessmentৰ কামখিনিত আগবাঢ়িলো। এটা সময়ত SSR সম্পূৰ্ণ কৰি NAACৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰা হ'ল। এই SSRখনৰ সম্পূৰ্ণ ডি.টি.পি. কৰিছিল মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ অস্থায়ী কৰ্মচাৰী মণ্টু শইকীয়াই। SSR ৰিপৰ্ট জমা দিয়াৰ কিছুদিন পাছতে আমালৈ এখন চিঠি আহিল। আমি প্ৰয়োজনীয় পুঁজি জমা দিব লাগে আৰু এই কামখিনি কৰোঁতে আমি পৰিচালনা সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰিছিলো। আমাৰ সৌভাগ্য আছিল সেই পৰিচালনা সমিতিখনৰ সভাপতি আছিল পুৰুজিৎ মহন্ত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দ্বাৰা মনোনীত সদস্য আছিল ড° প্ৰকাশ কটকী, অধ্যক্ষ শিৱসাগৰ মহাবিদ্যালয় আৰু ড° অনিল কুমাৰ গগৈ এই মহাবিদ্যালয়ৰে ২০১২ চনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ।

আমি সকলোখিনি সুচাৰুৰূপে কৰাৰ পাছত আমালৈ NAACৰ কাৰ্যালয়ৰ পৰা এটা ফোন আহিছিল যে আপোনাৰ কলেজত ভিজিট দিবৰ বাবে ইতিমধ্যে সদস্যসকল সাজু হৈছে, গতিকে আপুনি তেওঁলোক থকা-খোৱাৰ সুবিধাৰ বাবে হোটেলকে আদি কৰি ব্যৱস্থাখিনি কৰিব লাগে। ভাগে ভাগে বিভিন্নজনক দায়িত্ব অৰ্পন কৰা হ'ল। সকলোৱে নিজৰ নিজৰ দায়িত্ব পালন কৰি সেই দিনটোৰ বাবে বাট চাই ৰ'লো। ইতিমধ্যে দুদিনৰ আগত আকৌ ফোন আহিছিল কোন ক'ত নামিবহি। ডিব্ৰুগড় আৰু যোৰহাট। শিক্ষকসকলৰ বাহনতে আমি তেওঁলোকক যোৰহাটৰ Erlgray হোটেলত ৰখাৰ ব্যৱস্থা কৰা হ'ল। Peer teamৰ Chaiman আছিল Dr Hemixa Rao, Gujrat, Co-ordinator Dr. T. Siddaiah, Bangaluru, আৰু Member হিচাপে আছিল Dr Maitry Bardhan Roy, Kolkata। সন্ধিয়া আমি গৈ তেওঁলোকক লগ কৰিলো আৰু কিবা অসুবিধা পালে আমাক জনাবলৈ ক'লো। তেওঁলোকে তিনিওটা কক্ষত Heater ৰ ব্যৱস্থা কৰিবলৈ কৈছিল। সেই মৰ্মে আমি তিনিটা Heater কিনি তেওঁলোকৰ কক্ষত দি আহিলো।

জানুৱাৰী মাহ। যথেষ্ট ঠাণ্ডা পৰিছিল। তাৰ লগতে পুৱা প্ৰায় ৭.৩০ মান বজালৈকে কুঁৱলী পৰি আছিল। কিন্তু হঠাতে ক'ৰপৰানো জানো এজাক ডাঙৰ বৰষুণ আহিল ধৰিবই নোৱাৰিলো। Peer teamক আদৰিবলৈ ৰৈ থকা NCC আৰু Scout Guide-ৰ ল'ৰা-ছোৱালীকেইটা তিতি-বুৰি অৱস্থা নোহোৱা হ'ল। তেওঁলোকক আদৰণি জনোৱা আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাত পোনে পোনে অধ্যক্ষৰ কক্ষলৈ তেওঁলোকক লৈ অনা হ'ল তাতে মই মোৰ Presentationটো দিলো। তাৰ পাছত IQAC আৰু Conference কক্ষত বিভাগীয় মুৰব্বীসকলে কৰা Powerpoint presentation চাই বিভাগসমূহ পৰিদৰ্শন কৰিলে। দুপৰীয়া আহাৰ গ্ৰহণ পৰিচালনা সমিতিৰ সদস্যসকলৰ লগত থকা কাৰ্যসূচীত

ড° অনিল কুমাৰ গগৈ, ড° প্ৰকাশ কটকী আৰু মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক ড° ৰূপম শইকীয়া উপস্থিত আছিল। বহুবাৰ ফোন কৰাৰ পাছতো পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত পুৰুজিৎ মহন্ত ডাঙৰীয়া আহি উপস্থিত নহ'ল। কিয় নাহিল তাৰ উত্তৰ আজিও নোলাল। আহাৰ গ্ৰহণৰ পাছত তেওঁলোকে মহাবিদ্যালয়ৰ গাৰ্লছ হোষ্টেল পৰিদৰ্শন কৰাৰ লগতে তাৰ সমীপতে থকা ক্ষুদ্ৰ চাহ খেতিয়কৰ আৰ্হি হিচাপে গঢ়ি তোলা চাহ বাগিচা আৰু অগৰু বাগানখনো পৰিদৰ্শন কৰিলে। প্ৰায় ৩-৩০ মান বজাত তেওঁলোকে শিৱদ'ললৈ বুলি ৰাওনা হ'ল। সন্ধিয়া মোক হোটেললৈ মাতি পঠোৱা হ'ল। ৰাতি প্ৰায় ১-২০ মান বজালৈকে মণ্টু শইকীয়া, মামণি বাইদেউ আৰু ছাগিদুল হক বৰবৰাই প্ৰস্তুত কৰা ৰিপৰ্টৰ বাবে বাট চালো। এটা সময়ত সমন্বয়কে দিয়া ৰিপৰ্টটো কিছু শুধৰণি কৰি ফাইনেল কৰিলো। বৰবৰা আৰু মামণি বাইদেউ গ'লগৈ, তেতিয়া সময় ২-১৫ মান হৈছিল। মণ্টু শইকীয়া আৰু মই একেখন বিছনাতে শুই পৰিলো। পুৱা ৪-১৫ মানত উঠি যোৰহাটৰ বাইপাছত চাহৰ দোকান বিচাৰি ক'তো নাপালো।

ৰাতিপুৱা প্ৰায় ৬-৪৫ বজাত মহাবিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰী আহি মহাবিদ্যালয়ৰ আলোচনা কক্ষত উপস্থিত হ'লহি। ছাগিদুল হক বৰবৰা আৰু ননী ৰাজখোৱাই তেওঁলোকক হোটেলৰ পৰা যথা সময়ত লৈ আনিছিল। Exit meeting আৰম্ভ হ'ল। তেওঁলোকক অধ্যক্ষৰ ফালৰ পৰা কৃতজ্ঞতা আৰু শলাগৰ শৰাই আগবঢ়াই ধন্যবাদ জ্ঞাপন কৰা হ'ল।

Peer teamৰ Chairmanএ মহাবিদ্যালয়ৰ পিছৰ পৰ্যায়ৰ Assessment কৰাৰ আগেয়ে কৰিবলগা কিছু পৰামৰ্শ আগবঢ়াই মহাবিদ্যালয়খনৰ উন্নতি কামনা কৰি বক্তৃতা প্ৰদান কৰিলে। সমন্বয়ক চুবেব ডাঙৰীয়াই মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ Co-operative Society খনৰ সম্পৰ্কে খুউব ভাল মন্তব্য দিয়াৰ উপৰিও NAAC-ৰ শাখাটো আৰু ষ্ট্ৰং কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰী অনুপাতে কম্পিউটাৰৰ সংখ্যা বঢ়াবলৈ পৰামৰ্শ আগবঢ়ায়। সভাৰ শেষত তেওঁলোকে এটা বন্ধ খামৰ ভিতৰত সম্পূৰ্ণ ৰিপৰ্টটো লিখি আমাৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পন কৰে। সভা ভংগৰ পাছত সকলোৰে পুৱাৰ আহাৰ গ্ৰহণ কৰিলো একেলগে তেওঁলোকৰ সৈতে। মই তেওঁলোকক তেতিয়া সুধিছিলো RUSAৰ অন্তৰ্ভুক্তি হ'ব পৰাকৈ আমি Score এটা পামনে। তেতিয়া Chairmanএ নিশ্চয় বুলি কৈ এটা হাঁহি মাৰিছিল। তেওঁলোকক বিদায় দিলো। এদিন ৰিজাল্ট আহিল। আমি 2.50 score পালো মাত্ৰ .01 ৰ বাবে $B^+$ নাপালো। হয়তো পৰিচালনা সমিতিৰ সভাপতি উপস্থিত থকা হ'লে সেই নম্বৰটো পালো হেঁতেন। যি কি নহওক পৰৱৰ্তী পৰ্যায়ত আমি RUSA ত অন্তৰ্ভুক্ত হ'লো আৰু আন্তঃগাঁঠনি উন্নয়নৰ বাবে চৰকাৰী পুঁজি পাবলৈ সক্ষম হ'লো। মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নত হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকললৈ বিভিন্ন সুবিধা আগবঢ়াব পৰাকৈ কিছু যত্ন কৰি এটা জিম আৰু তিনিটা কম্পিউটাৰ কক্ষ স্থাপন কৰা হৈছে। তাৰোপৰি চাৰিবছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম আৰম্ভ হোৱা পূৰ্বে চলি থকা CBCS পদ্ধতিটো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট ভাল ফলাফল দেখুৱাই আহিছে। এই ক্ষেত্ৰত প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষকৰ নিৰলস প্ৰচেষ্টাতহে এইয়া সম্ভৱ হৈছে। অসমীয়া বিভাগৰ উদ্যোগত এটি সংগ্ৰহালয়ও স্থাপন কৰা হ'ল।

মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মান উন্নত কৰিবৰ বাবে দুটা অত্যন্ত জৰুৰী কেন্দ্ৰ মুকলি কৰা হৈছিল। ইয়াৰে প্ৰথমটো হৈছে "ভাষা বিজ্ঞান গৱেষণা কোষ"। ইয়াৰ সমন্বয়ক অসমীয়া বিভাগৰ সহযোগী অধ্যাপক জীৱমণি নাথ আৰু আনটো হৈছে "সমাজ বিজ্ঞান গৱেষণা কোষ"ৰ সমন্বয়ক ড° শান্তনা দত্ত। এই কোষ দুটা গঠন কৰা হয় ২০১৬ চনত। তেতিয়াৰে পৰা দুয়োজন সমন্বয়কে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গৱেষণাৰ পৰিৱেশ সৃষ্টি কৰি আগুৱাই নিয়াত সফল হৈছে। দুয়োটা কোষৰ সহযোগত মহাবিদ্যালয়ে কেইবাখনো কৰ্মশালা অনুষ্ঠিত কৰাৰ লগতে ৰাজ্যিক আৰু জিলা পৰ্যায়ত কেতবোৰ গৱেষণা পত্ৰ প্ৰকাশ আৰু প্ৰস্তুতৰ লগত সংগতি ৰাখি প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। আটাইতকৈ ডাঙৰ কথাটো হৈছে এই সময়ছোৱাৰ ভিতৰত অৰ্থাৎ ২০১৬ চনৰ ২০২৪ চনলৈকে কেইবাটাও বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ সুবিধা লাভ কৰিব পৰাকৈ নিজক প্ৰস্তুত কৰিব পাৰিছে। ইয়াৰ ভিতৰত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, বেনাৰস হিন্দু বিশ্ববিদ্যালয়, যাদৱপুৰ বিশ্ববিদ্যালয়, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় ইত্যাদি।

ক'ভিড মহামাৰিৰ সময়তো এই দুয়োটা কোষে অনলাইন যোগে বিভিন্ন কাৰ্যসুচীৰে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশত সহায় কৰি আহিছে। ড° সান্ত্বনা দত্তৰ তত্ত্বাৱধানত সমাজ বিজ্ঞান গৱেষণা কোষৰ অধীনত প্ৰথমবাৰৰ বাবে মাইনৰ ৰিচাৰ্চ প্ৰজেক্টৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলৰ পৰা আবেদন বিচৰা হৈছিল। আমাৰে ছাত্ৰী উদিষ্ণা শৰ্মাই যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা এম.এ. পাছ কৰাৰ পাছত আবেদন জনাইছিল আৰু প্ৰকল্পটো সম্পূৰ্ণ কৰিছিল।

খেলা-ধূলাৰ ক্ষেত্ৰত বা কলা-সংস্কৃতিৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কেইজনমান শিক্ষকৰ সহযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্গত যুৱ মহোৎসৱত ভালেকেইটা প্ৰতিযোগিতাত সোণৰ, ৰূপৰ আৰু ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হয়।

ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিবৰ বাবে ২০২১ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ মাজত পুৰুষ আৰু মহিলা উভয়ৰে আন্ত মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৩৫খন মহাবিদ্যালয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ২০২২ চনত মহাবিদ্যালয়ত অনুৰূপ আন্ত মহাবিদ্যালয় কাবাদী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় (পুৰুষ আৰু মহিলাৰ) এই প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৩৮খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

গান্ধী অধ্যয়ন কেন্দ্ৰ আৰু শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ নামেৰে মহাবিদ্যালয়ৰ দুটি অধ্যয়ন কেন্দ্ৰ ২০১৩ চনতে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদনত স্থাপন কৰা হয়। এই কেন্দ্ৰ দুটিয়ে ছাত্ৰ-ছাত্ৰীসকল আধ্যাত্মিক আৰু যোগ শিক্ষা দিয়াত সহায় কৰি আহিছে। তাৰোপৰি গান্ধী অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত প্ৰতিবছৰে ৭ দিনীয়াকৈ একোটা কৰ্মশালা অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ অনুষ্ঠিত কৰি অহা হৈছে। এই কৰ্মশালা বিলাকত বিশেষ ব্যক্তিক বক্তৃতা প্ৰদান কৰিবৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালয় পৰিয়াল সফল হৈছিল। বৰ্তমান

এই কেন্দ্ৰ দুটিৰ সঞ্চালিকা হিচাপে গান্ধী অধ্যয়ন কেন্দ্ৰৰ দায়িত্ব মনোৰিমা ভাগৱতী, মুৰব্বী অধ্যাপিকা ৰাজনীতি বিজ্ঞান আৰু শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ দায়িত্বত ননী ৰাজখোৱা, মুৰব্বী অধ্যাপিকা শিক্ষাতত্ব বিভাগৰ অৰ্পন কৰা হৈছে।

২০১৫ চনৰ পৰা NAACৰ তৃতীয় চক্ৰ সম্পূৰ্ণ কৰিবৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছিল মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ সহযোগী অধ্যাপক শ্ৰীযুত বিদ্যাধৰ বৰুৱাদেৱক। তেখেতে দায়িত্বভাৰ লৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি প্ৰত্যাহ্বানৰ সন্মুখীন হৈও সেই কামখিনি সম্পাদনাত সফল হৈছিল। আটাইতকৈ ডাঙৰ কথাটো হৈছে ২০১৬ চনৰ পৰা প্ৰতিবছৰে AQAR submit ৰ প্ৰক্ৰিয়াটো সলনি হৈছিল। তাৰোপৰি কভিড-১৯ ৰ মহামাৰিয়ে যেন সকলোখিনি ক্ৰিয়া-কলাপ স্থবিৰ কৰি তুলিছিল তথাপিতো তেখেতে চেষ্টা এৰি দিয়া নাছিল। কভিডৰ পাছতে তৎপৰ হৈছিল আৰু এখনৰ পাছত আন এখন সভা অনুষ্ঠিত কৰিছিল বিভিন্ন কোষৰ। আমাকো নিৰ্দেশ দিছিল কি কি কৰিব লাগিব। ২০১৮ চনৰ অক্টোবৰ মাহত আমাৰ পৰিচালনা সমিতিৰ নতুনকৈ পৰৱৰ্তী সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিলে আমাৰ মহাবিদ্যালয়ৰে একালৰ অসমীয়া বিভাগৰ মুৰব্বী, ভাৰপ্ৰাপ্ত অধ্যক্ষ সকলোৰে পৰিচিত শ্ৰদ্ধাৰ শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰে। ছাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত পৰিচালনা সমিতিখনে যেন দুগুণ উৎসাহেৰে কামবোৰ কৰাত অৰিহণা যোগালে। IQACৰ সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰাত অসুবিধা নহ'ল। ছাৰৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছতে প্ৰায় ১১ গৰাকী নতুন শিক্ষকক নিযুক্তি দিয়া হয়। লগতে কাৰ্যালয়ৰ তৃতীয় শ্ৰেণীৰ তিনিগৰাকী আৰু চতুৰ্থ বৰ্গৰ দুগৰাকীক নিযুক্তি দিয়া হৈছিল। মহাবিদ্যালয়ৰ আন্তঃগাঁঠনি উন্নয়নৰ ক্ষেত্ৰতো তেখেতে সদায় সু-পৰামৰ্শ আগবঢ়াইছিল। যাৰবাবে ২০২১ চনৰ পৰা কভিডৰ পাছতে বিভিন্ন পৰিকল্পনাৰে আমি নতুন নতুন কাৰ্যসূচী ৰূপায়ন কৰিব পাৰিছিলো। এইখিনিতে উল্লেখ কৰিব পাৰি মহামাৰিৰ আগেয়ে এটি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে অসমীয়া বিভাগৰ সোণালী জয়ন্তী অনুষ্ঠানটি অনুষ্ঠিত কৰিব লাগে। সেয়ে ক'ভিড মহামাৰীৰ পাছতে ২০২২ চনত অসমীয়া বিভাগৰ সোণালী জয়ন্তী অনুষ্ঠানটি সফলতাৰে উদযাপন কৰা হয়। NAACৰ তৃতীয় চক্ৰৰ কাৰণে মহাবিদ্যালয়খনৰ বিভিন্ন দিশত সম্প্ৰসাৰিত ৰূপত কামবোৰ কৰোতে সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে সহযোগিতা আগবঢ়াইছিল। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১৪ টাকৈ চাৰ্টিফিকেট ক'ৰ্চৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন লাভ কৰা হৈছিল। ইয়াৰ ভিতৰত কাঠফুলাৰ খেতি, কেঁচু খেতি, টি-নাৰ্চাৰী, এল.ই.ডি. বাল্ব প্ৰস্তুতকৰণকে ইত্যাদি।

NAACৰ পৰিদৰ্শনত সফলতা অৰ্জনৰ বাবে প্ৰয়োজনীয় বুজাবুজি যি চুক্তি উচ্চ শিক্ষা অনুষ্ঠান অথবা কাৰিকৰী প্ৰতিষ্ঠানৰ অথবা স্বেচ্ছাসেৱী অনুষ্ঠানৰ প্ৰয়োজন। সেই ক্ষেত্ৰত মহাবিদ্যালয় পিছপৰি ৰোৱা নাছিল। প্ৰায় ১২খন এনেধৰণৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ সৈতে বুজা-বুজি চুক্তি কৰি কাৰ্য পৰিচালনা কৰি থকা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য প্ৰতিষ্ঠানসমূহ হৈছে তেজপুৰ বিশ্ববিদ্যালয়, ৰাজীৱ গান্ধী কো-অপাৰেটিভ বিশ্ববিদ্যালয়, ইউ.এছ.টি.এম. শ্বিলং এমট্ৰনৰ লগতে গ্ৰেচীয়াৰ টেকন'লজি, স্বেচ্ছাসেৱী অনুষ্ঠান 'জাপি' শিৱসাগৰ, কৃষক ন্যাস, গৌৰীসাগৰ, অৰণ্যম ক্ষেত্ৰ গেলেকী ইত্যাদি।

মহাবিদ্যালয়ে সম্প্ৰসাৰিত কাৰ্য হিচাপে গেলেকীৰ সংৰক্ষিত বনাঞ্চলত কেইবালানিও কাৰ্য সম্পাদন কৰাৰ লগতে এক বৃহৎ এলেকাত গছপুলি ৰুই অৰণ্যখন সম্প্ৰসাৰিত হোৱাত চৰকাৰী ব্যৱস্থাক সহায় কৰি আহিছে। মহাবিদ্যালয়ে উন্নত ভাৰত অভিযানৰ জৰিয়তে চৌপাশৰ পাঁচখন ঠাই সামৰি বিভিন্ন ধৰণৰ জৰীপ কাৰ্য সম্পাদিত কৰাৰ লগতে গছপুলি ৰোপন আৰু পুৰণি কীৰ্তিচিহ্ন সংৰক্ষণৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। সময়ে সময়ে বিভিন্ন ধৰণৰ চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি স্বাস্থ্য সম্পৰ্কীয় কিছু কথা গাঁওসমূহত গৈ সজাগতা সৃষ্টি কৰা হৈছে। অৱশ্যে এই ক্ষেত্ৰত NAAC আৰু NSS গোটৰ সদস্যসকলে বিশেষভাৱে সক্ৰিয়তাৰে অংশ গ্ৰহণ কৰি ৰাইজৰ মাজত সোমাই পৰে। এই ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগোৱা শিক্ষক ড° বসন্ত সন্দিকৈ, উপেন দাস আৰু নৱনিযুক্ত শিক্ষক ৰবিশংকৰ গগৈ সঁচাকৈ ধন্যবাদৰ পাত্ৰ।

বিগত সময়ছোৱাত মহাবিদ্যালয়ে নিজা প্ৰচেষ্টা তথা গান্ধী অধ্যয়ন কেন্দ্ৰৰ সহযোগত চাৰিখন ৰাষ্ট্ৰীয় পৰ্যায়ত কৰ্মশালা পাতিবলৈ সক্ষম হয়। তাৰোপৰি NAACৰ অৰ্থ সাহাৰ্যৰে Administrative and Academic Audit শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰিবলৈ সক্ষম হয়। এই কৰ্মশালাও অসমৰ বিভিন্ন প্ৰান্তৰ গুৱাহাটীকে আদি কৰি প্ৰায় ৩৫জন অধ্যক্ষই অংশগ্ৰহণ কৰিছিল। এই কৰ্মশালাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ HRDCৰ সঞ্চালক ড° যোগেন কলিতাদেৱ সমল ব্যক্তি হিচাপে উপস্থিত আছিল। এই কৰ্মশালাত অসম কলেজ অধ্যক্ষ পৰিষদৰ সম্পাদক ড° চৈতন্য বৰ্মন ডাঙৰীয়া অধ্যক্ষ, বি বৰুৱা মহাবিদ্যালয়ৰ উপস্থিত আছিল। ২০১৮ চনত মহাবিদ্যালয়ে নিজা প্ৰচেষ্টাত এখনি আন্ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। ২০১৮ চনৰ ৩০-০৪-২০১৮ আৰু ০১-০৫-২০১৮ তাৰিখে। এই আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰখনিৰ মূল বিষয় বস্তু আছিল Socio-Cultural Assimilation in North-East India and Southeast এই আলোচনা সত্ৰখনি অনুষ্ঠিত কৰা হৈছিল মহাবিদ্যালয়ৰ IQAC ৰ উদ্যোগত। এই আলোচনাসত্ৰখনৰ মূল উৎসাহজনক বিষয়টি হৈছে বিভিন্ন ৰাষ্ট্ৰৰ চীন, জাপান, বেংকক, ভিয়েটনাম ইত্যাদিৰ গৱেষকে তেওঁলোকৰ গৱেষণা পত্ৰ পাঠ কৰা।

এই চেমিনাৰখনত মুঠ ৪৪৬ খন গৱেষণা পত্ৰ পাঠ কৰা হৈছিল। গৱেষকসকলে তেওঁলোকৰ মতামত দাঙি ধৰি শেষৰ কাৰ্যসূচীত প্ৰস্তাৱ গ্ৰহণ কৰিছিল। এই আলোচনা সত্ৰখন আছিল জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বাবে এক turning point।

পৰৱৰ্তী পৰ্যায়ত Teaching learning evalution গান্ধীজীৰ আদৰ্শ আৰু পৰিৱেশ আদি বিভিন্ন বিষয়ত আলোচনা সত্ৰ অনুষ্ঠিত হয়। যোৱা ২০২৩ চনত ড° সান্ত্বনা দত্তৰ তত্ত্বাৱধানত এখনি মহিলা সবলীকৰণৰ ওপৰত আলোচনাসত্ৰ অনুষ্ঠিত হয়। Capacity building and personality development, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অনুদানেৰে। ইয়াৰ মাজতে তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত এখন সাত দিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শিক্ষকসকলৰ বাবে Teaching learnign evalution বিষয় সম্বলিত এই কৰ্মশালাত প্ৰায় ১৫৫ জন বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষকে অংশগ্ৰহণ কৰি সফল

কৰি তুলিছিল। এই ক্ষেত্ৰত IQAC ৰ নতুনকৈ দায়িত্ব অৰ্পন কৰা ড° ৰাজীৱ গগৈ আৰু ড° সান্ত্বনা দত্ত ধন্যবাদৰ পাত্ৰ।

মহাবিদ্যালয়ৰ সৌভাগ্য নতুনকৈ নিযুক্তি লাভ কৰা প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়েই কম্পিউটাৰ শিক্ষাত পাৰ্গত হোৱা বাবে SSR প্ৰস্তুত কৰাত যথেষ্ট সুবিধা হৈছিল। মহাবিদ্যালয়ৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান গৱেষণা পত্ৰ প্ৰকাশ কৰা শিক্ষকৰ সংখ্যা সীমিত হোৱাত এইসকল শিক্ষকৰ যোগদানে বিগত সময়ছোৱাত প্ৰকাশ কৰা ৩৮খনৰ পৰিৱৰ্তে প্ৰায় ১২৩ খন প্ৰকাশ কৰি গৱেষণাৰ বিষয়টি যথেষ্ট ওপৰলৈ লৈ যাবলৈ সক্ষম হ'ল। SSR প্ৰস্তুত কৰোতে দিনে-নিশাই মহাবিদ্যালয়ৰ হৈ কাম কৰিছিল এইসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে— ড° ৰাজীৱ গগৈ, ড° মণ্টু কুমাৰ বৰা, নিৰ্মালী বৰকাকটী, বিদিশা শৰ্মা, ড° মৃদুস্মিতা দেৱী, মৃণাল বৰুৱা, চান্দনি সোণোৱাল, ৰাতুল বড়া, গ্ৰন্থাগাৰিক ঋতুৰাজ বৰকাকতি, ৰবিশংকৰ গগৈ আৰু ৰবিনা চেত্ৰী। বিশেষভাৱে উল্লেখযোগ্য এইসকল নতুন শিক্ষক-শিক্ষয়িত্ৰীক বিভিন্ন দিশত অনুপ্ৰাণিত কৰা IQAC ৰ সমন্বয়ক বিদ্যাধৰ বৰুৱা, ড° বসন্ত সন্দিকৈ, জীৱমণি নাথ, উপেন চন্দ্ৰ দাস, ড° সান্ত্বনা দত্ত, তীৰ্থ বৰুৱা আৰু ড° ৰাজীৱ গগৈ বিশেষভাৱে উল্লেখযোগ্য। SSR প্ৰস্তুত কৰোঁতে প্ৰত্যেক বিভাগৰ মুৰব্বী অধ্যাপকসকলে প্ৰয়োজনীয় নথি যেতিয়াই বিচৰা হৈছিল তেতিয়াই যোগান ধৰিছিল।

মূল লক্ষ্যত উপনীত হ'বলৈ অনুপ্ৰাণিত কৰা বুৰঞ্জী বিভাগৰ মুৰব্বী মঃ ছাগিদুল হক বৰবৰা, অসমীয়া বিভাগৰ মুৰব্বী নৱনীতা বৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা মনোৰিমা ভাগৱতী, অৰ্থনীতি বিভাগৰ অধ্যাপিকা মিনতি গগৈ, শিক্ষাতত্ব বিভাগৰ ননী ৰাজখোৱা সমাজতত্ব বিভাগৰ ড° বিৰিঞ্চি কুমাৰ বৰা, সংস্কৃত বিভাগৰ ৰাজীৱ শৰ্মা এইসকলে সকলো দিশতে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে নিজৰ নিজৰ বিভাগসমূহ আটকধুনীয়াকৈ সজাই-পৰাই লৈছিল নিজৰ জেপৰ ধন খৰচ কৰি। সকলোৱে বিভাগীয় Powerpoint presentation সমূহো খুব সুন্দৰকৈ প্ৰস্তুত কৰিছিল।

এই সময়ছোৱাৰ ভিতৰত আমাৰ শিক্ষকসকলে দিনে-নিশাই কাম কৰোঁতে ক'ৰবাত ক'ৰবাত হয়তো অনিশ্চাসত্বেও সৰুসুৰা ভুল থাকি গৈছিল। একাংশ সহযোগিতা আগবঢ়াব নোখোজা শিক্ষকে এই বিষয়বোৰত নজৰ দি আছিল বুলি প্ৰমাণিত হৈছিল। পৰিদৰ্শনকাৰী দলটো যেতিয়া আমাৰ মহাবিদ্যালয়লৈ আহিছিল, মহাবিদ্যালয়ৰ উন্নতি বা ভাল গ্ৰেড তেওঁলোকৰ বাবে অসহনীয় আছিল। সেয়ে পৰিদৰ্শন কৰিবলৈ অহা আগে আগে আমি উমান পাইছিলো। আটাইতকৈ ডাঙৰ কথাটো হৈছে তেওঁলোকে পৰিদৰ্শনৰ বাবে অহা দলটোক শুদ্ধকৈ একো কথা ক'ব পৰা নাছিল। কেৱল মহাবিদ্যালয়খনৰ গ্ৰেডৰ ক্ষেত্ৰত আঘাত হানিবলৈ সক্ষম হ'ল। যিটো কথাই ফলাফলৰ সময়ত মহাবিদ্যালয়খনে পাবলগা গ্ৰেডৰ পৰা বঞ্চিত হ'ল। তেওঁলোকৰ মনৰ আশা পূৰণ হ'ল।

মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলক যেতিয়াই যি বিচৰা হৈছিল তেতিয়াই তেওঁলোকে প্ৰদান কৰি সহায় কৰিছিল আবুল কাছিম, জিতেন্দ্ৰ চন্দ্ৰ বৰা, ইন্দ্ৰ দাস, মণ্টু শইকীয়া, ৰূপজ্যোতি বৰুৱা, দেৱজিৎ নেওগ ইয়াৰ বাবে ধন্যবাদৰ পাত্ৰ। তেওঁলোকে বিগত সাতটা বছৰে CA Audit

কৰোৱাৰ পৰা শেষান্ত পৰীক্ষাৰ ফলাফললৈকে সকলো তথ্য যোগান ধৰিছিল।

এই সময়ছোৱাৰ ভিতৰতে ২০১৮ চনত স্থানীয় বিধায়ক শ্ৰীযুত প্ৰদীপ হাজৰিকাদেৱে তেখেতৰ এলেকা উন্নয়ন পুঁজিৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা পৰিচালিত সংগ্ৰাহালয়টিৰ উন্নয়নৰ বাবে ২,০০.০০০/- টকা অনুদান আগবঢ়াইছিল। তেখেতলৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলো। বিগত ২০২২ চনত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈদেৱে তেখেতৰ এলেকাৰ উন্নয়ন পুঁজিৰ পৰা ১০,০০০০০/- (দহ লাখ) টকাৰ অনুদান আগবঢ়াইছিল। এই ধনৰাশিয়ে মহাবিদ্যালয়ৰ সমাজতত্ব বিভাগৰ দুটা আৰ.চি.চি. কোঠা নিৰ্মাণ কৰা হয়। তেখেতলৈও মহাবিদ্যালয় পৰিয়ালে ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ সন্মুখভাগৰ পথছোৱা ব্লক পৰাৰ ক্ষেত্ৰত সহায় কৰা হিৰুজ দত্ত ডাঙৰীয়াৰ লগতে পঞ্চায়তৰ সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো।

বিগত সময়ছোৱাত মহাবিদ্যালয়ৰ দূৰশিক্ষা বিভাগৰ দ্বাৰা পৰিচালিত তিনিটা কেন্দ্ৰ তিনিখন বিশ্ববিদ্যালয়ৰ অধীনত তিনিজন সমন্বয়কৰ তত্ত্বাৱধানত সুন্দৰভাৱে চলি আছে। বিশেষভাৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ DODLকেন্দ্ৰৰ সমন্বয়ক শ্ৰীযুত ইন্দ্ৰসেন বড়ো, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰৰ ড° সান্ত্বনা দত্ত আৰু আজি কিছুদিন আগেয়ে বুজাবুজি চুক্তিত সাক্ষৰ কৰি তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ এটি দূৰ শিক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰটিৰ সমন্বয়কৰ দায়িত্ব অৰ্পন কৰা হৈছে ড° বসন্ত সন্দিকৈ ডাঙৰীয়াক।

মহাবিদ্যালয়ৰ এই দূৰশিক্ষাৰ কেন্দ্ৰ কেইটাৰ জৰিয়তে প্ৰায় ১২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি উচ্চ শিক্ষা গ্ৰহণত সহায়ক হৈছে। তাৰোপৰি PMKVYৰ জৰিয়তে স্থানীয় নিবনুৱা যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ দিহা কৰা হৈছে।

তৃতীয়বাৰ NAACৰ মূল্যায়নৰ মুখামুখী হওঁতে যাতে অসুবিধা নহয়, তাৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰীৰ মঞ্চখন চৰকাৰী পঞ্জীয়নৰ বাবে আলোচনা কৰা হয়, তেওঁলোকৰ সভানেত্ৰী ড° অনুপমা মহন্ত বাইদেউ আৰু সাধাৰণ সম্পাদক ড° ৰাজীৱ গগৈৰ সৈতে। তেওঁলোকে সভা আহ্বান কৰি বিষয়টি তেওঁলোকৰ মাজত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰে। যোৱা ২০২২ চনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চখন Society Registration Act 1860 অধীনত পঞ্জীয়ন কৰা হয়। এই মঞ্চখনে প্ৰতিটো সময়তে মহাবিদ্যালয়খনক সহায় আৰু সহযোগিতা আগবঢ়াই আহিছে। প্ৰতি বছৰ ২৪ ডিচেম্বৰ তাৰিখে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সভা অনুষ্ঠিত কৰি অহা হৈছে।

তাৰোপৰি আমি দুটাকৈ Academic আৰু Administrative Audit কৰি নিজৰ দুৰ্বলতাখিনি বিচাৰি চাইছিলো। সেইখিনি তেওঁলোকে উল্লেখ কৰিছিল আৰু আমি যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছিলো। ইয়াৰ লগে লগে Green Audit, Energy Audit, Gender Audit, Library Audit আদি সকলোখিনি সামৰি লোৱা হৈছিল।

এইবাৰ NAACৰ মূল্যাংকনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সুন্দৰভাৱে সহযোগিতা আগবঢ়াই সফল হোৱাত অংশগ্ৰহণ কৰিছিল। যেতিয়াই তেওঁলোকৰ উপস্থিতি বিচৰা

হৈছিল তেতিয়াই তেওঁলোক আহি মহাবিদ্যালয়ত উপস্থিত হৈছিলহি।

মহাবিদ্যালয়ৰ NCC ৰ Cadet সকলে বিশেষভাৱে কৰ্তব্য পালন কৰিছিল। চৌহদ পৰিষ্কাৰকৈ ৰখাৰ ক্ষেত্ৰত NSS ৰ সদস্যসকলে বিশেষ ভূমিকা পালন কৰিছিল। স্কাউট আৰু গাইডৰ সমন্বয়কদ্বয় ড° জেউতি বৰুৱা আৰু শ্ৰীযুত তীৰ্থ বৰুৱাদেৱে ছাত্ৰ-ছাত্ৰীসকলে শৃংখলাবদ্ধভাৱে নিয়াৰিকৈ নিমন্ত্ৰিত অতিথিসকলক শুশ্ৰূষা আৰু সেৱা আগবঢ়াইছিল।

মূল্যাংকণৰ বাকী সকলোখিনি সমন্বয়ক বিদ্যাধৰ বৰুৱাদেৱে দাঙি ধৰিছে। অৱশেষত আমাৰ মহাবিদ্যালয়ে কৰা অপ্ৰাণ চেষ্টাত আমি Peer teamৰ মুখামুখী হৈ মূল্যাংকণ কৰিলো আৰু এইবাৰ তৃীতয় চক্ৰত আমি CGPA-2.67 পাবলৈ সক্ষম হ'লো।

ইয়াৰ পৰৱৰ্তী অধ্যায়ত মহাবিদ্যালয়ৰ হীকৰ জয়ন্তী সমাৰোহৰ আয়োজন কৰি ২০২৩ চনৰ ২৫ জুলাইৰ পৰা বৰ্ষজোৰা এক কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ অংশ হিচাপে তৰ্ক প্ৰতিযোগিতা, কৰ্মশালা, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে স্থানীয় স্বেচ্ছাসেৱী অনুষ্ঠান কৃষক ন্যাসৰ সহযোগত এই বছৰৰ ৫ জুন দিৱসটি উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানটিত বক্তৃতা প্ৰদান কৰে বৰ্ষাৰণ্য গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড° প্ৰশান্ত হাজৰিকাদেৱে।

এই বিশেষ বৰ্ষটিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট ভাল ফলাফল দেখুৱাই মহাবিদ্যালয় তথা সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এইবাৰ উচ্চতৰ মাধ্যমিক ফলাফলত শতকৰা ৯২ শতাংশ কলা শাখাৰ আৰু ১০০ শতাংশ বাণিজ্য শাখাৰ। স্নাতক পৰ্যায়ত কলা শাখাত শতকৰা ৮৪.৬ শতাংশ আৰু বাণিজ্য বিভাগত ৯২.৪ শতাংশ। মহাবিদ্যালয়ৰ তৰফে সামৰণি অনুষ্ঠানটি উদযাপন সম্পৰ্কে আলোচনা কৰিবৰ কাৰণে এখনি ৰাজহুৱা সভা আহ্বান কৰে ২৩-০৫-২০২৪ তাৰিখে সেই সভাতেই ২৫ আৰু ২৬ জুলাই ২০২৪ তাৰিখে দুদিনীয়াকৈ হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত দিয়ে।

শ্ৰীযুত ভৱানী কুমাৰ বৰুৱাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত এখন কৰ্ণধাৰ সমিতি আৰু বিভিন্ন কাৰ্য সম্পাদন কৰিবৰ বাবে কেইখনমান উপ-সমিতি গঠন কৰি দিয়া হয়। ড° অনিল গগৈদেৱক সভাপতি, শ্ৰীযুত হিমাদ্ৰিজ্যোতি দত্তদেৱক কাৰ্যকৰী সভাপতিৰ দায়িত্ব অৰ্পন কৰি আমাক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পন কৰিছিল।

সাধাৰণ সম্পাদক হিচাপে পোনপ্ৰথমে সদৌটিকে তেওঁলোকৰ সহায় আৰু সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

স্মৃতিগ্ৰন্থখনৰ দায়িত্ব স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিক অৰ্পন কৰাৰ পাছত আমি সম্পাদকদ্বয় মই আৰু জাঁজী প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক শ্ৰীযুত ৰাজীৱ দত্তই সমিতিৰ সদস্যসকলক লগ হৈ স্মৃতিগ্ৰন্থখনিৰ নামকৰণ 'কহিনুৰ' ঠিৰাং কৰাৰ পাছত স্মৃতিগ্ৰন্থখনৰ বাবে লেখা বিচাৰি যোগাযোগ কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিলো। এই ক্ষেত্ৰত স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি শ্ৰীযুত ভবানী কুমাৰ বৰুৱা ছাৰৰ লগত আলোচনা কৰি ১৯৮৯ চনত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থৰ পৰা কিছু লেখা আৰু ২০১৪ চনত পালন কৰা সোণালী

জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ পৰা কিছু প্ৰবন্ধ এই হীৰক জয়ন্তী সমাৰোহত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থত সন্নিৱিষ্ট কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেইমৰ্মে কেইটিমান প্ৰবন্ধ পুনৰ মুদ্ৰণ কৰি প্ৰকাশ কৰা হয়। স্মৃতিগ্ৰন্থখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত উপ-সমিতিৰ প্ৰত্যেকজন সদস্যই সক্ৰিয় অংশগ্ৰহণ কৰি এখন সুন্দৰ স্মৃতিগ্ৰন্থ 'কহিনুৰ' প্ৰস্তুত কৰাত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়ায়। শ্ৰদ্ধাৰ ভৱানী কুমাৰ বৰুৱা ছাৰ, ড° অনিল কুমাৰ গগৈ, হিমাদ্ৰিজ্যোতি দত্ত, প্ৰতাপ বৰুৱা, বিকাশ চলিহা, বীণা বৰুৱা আৰু মঞ্জুমালা শৰ্মা বাইদেউ, ড° ৰণজিৎ বৰুৱা, ড° পৰাগ ৰাজখোৱাৰ লগতে মহাবিদ্যালয়ৰ কৰ্মৰত ড° বসন্ত সন্দিকৈ ইন্দ্ৰসেন বড়ো, ড° মণ্টু কুমাৰ বড়া, ড° প্ৰিয়ংকা হাজৰীকা, ৰাতুল বৰা আৰু দেৱজিৎ নেওগৰ সহায়ৰ শলাগ যাঁচিছো।

স্মৃতিগ্ৰন্থখনি প্ৰকাশৰ এক গুৰু দায়িত্ব বহন কৰি প্ৰয়োজনীয় অৰ্থ প্ৰদান কৰি আমাক সহায় কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰয়াত অজয় বৰাৰ পত্নী শ্ৰীযুতা শান্তি বৰা আৰু তেওঁৰ দুগৰাকী সুযোগ্যা কন্যা শ্ৰীমতী বৰ্ষা বৰা শইকীয়া আৰু শ্ৰীমতী বৰ্ণালী বৰা দত্ত সহিতে এই পৰিয়ালটিয়ে মহাবিদ্যালয়ৰ এই গৌৰৱউজ্জ্বল হীৰক জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা স্মৃতিগ্ৰন্থখনিৰ প্ৰকাশৰ সিংহভাগ ব্যয়বহন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে যি নিদৰ্শন দাঙি ধৰিলে তাৰবাবে মহাবিদ্যালয় পৰিয়াল তথা সম্পাদনা সমিতিৰ তৰফৰ পৰা বিশেষভাৱে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই অঞ্চলৰ সৰবৰহী তথা সমাজ সচেতন ব্যক্তি শ্ৰীযুত নীল শইকীয়া আৰু তেওঁৰ পৰিয়ালৰ বদান্যতাক ধন্যবাদ আৰু সন্মান যাঁচিছো। হীৰক জয়ন্তী অনুষ্ঠানটি সফল হোৱাৰ ক্ষেত্ৰত মানসিক, দৈহিক আৰু আৰ্থিকভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানভাগিৰ বাবে প্ৰয়োজনীয় সিংহভাগ ধন দুটা দিনৰ দৰমহা প্ৰদানেৰে সহায় কৰাত চিৰকৃতজ্ঞ হৈ ৰ'লো। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, কৰ্মচাৰী সকলেও আৰ্থিকভাৱে সহায় আগবঢ়োৱাত সকলোকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ আৰ্থিক সহযোগিতাৰ বাবও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শুভাকাংক্ষী ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ সহানুভূতিত মহাবিদ্যালয়খনে এটা গতি লাভ কৰিবলৈ সক্ষম হৈছে। অনাগত দিনতো আপোনালোকৰ সহযোগিতা কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। সকলোকে ভগৱানে কুশলে ৰাখক।

এনেধৰণৰ কাম কৰিবলৈ যাওঁতে ক'ৰবাত নহয় ক'ৰবাত হয়তো ভুল হৈ যোৱাটো স্বাভাৱিক। অনিচ্ছা আৰু অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

**ড° মানজিৎ গগৈ**

অধ্যক্ষ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

# সামাজিক মূল্যবোধ ৰক্ষাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা

**ড° পীতাম্বৰ দেৱগোস্বামী**

এখন সমাজ শৃংখলিতভাৱে জীয়াই থাকিবলৈ উপযুক্ত বাতাবৰণ আৰু শুদ্ধ মানসিকতাৰ প্ৰয়োজন। মানৱৰ সুস্থ চিন্তাধাৰইহে সমাজৰ প্ৰগতি কঢ়িয়াই আনিব পাৰে। মানৱ মনৰ চিন্তা বা মনোকামনা ব্যাপক। আদিম ভাৰতীয় মানৱ সমাজৰ লক্ষ্য আছিল "বসুধৈৱ কুটুম্বকম্", "বহুজন হিতায় বহুজন সুখায়" আদৰ্শ।

সৰ্ব্বে ভৱন্তু সুখিনঃ সৰ্বসন্তু নিৰাময়ঃ
সৰ্বে ভদ্ৰানি পশ্যন্তু মা কশ্চিদ দুঃখ ভাগ ভৱেৎ

অৰ্থাৎ সকলোৱেই সুখেৰে থাওক, সকলোৱেই নিৰাময় শৰীৰ লাভ কৰক; সকলোৱে শান্তিৰে থাওক। কেতিয়াও কোনো মুহূৰ্ততে কাৰো দুখ নাথাকক। এয়ে আছিল মানৱৰ আকাংক্ষা। আকৌ ৰাতিপুৱা নিদ্ৰা ত্যাগ কৰিয়েই আমাক তাৰেই কামনা কৰিবলৈ কোৱা হৈছে—

নত্বে বাহং কাময়ে ৰাজ্যং নস্বৰ্গং নপুনৰ্ভবম্
কাময়ে দুঃখ তপ্তানাং প্ৰাণীনামৰ্তি নাশনম্

অৰ্থাৎ মই ৰাজ্য কামনা নকৰোঁ, পুনৰ জন্মগ্ৰহণ কৰাও কামনা নকৰোঁ, কামনা কৰোঁ মাত্ৰ অহৰ্নিশে যি প্ৰাণীয়ে দুখত ভুগি আছে সেই প্ৰাণীবিলাকৰ দুখ যেন আঁতৰি যায়।

এনে একীকৰণ শান্তি-সম্প্ৰীতি আৰু সৰ্ব্বজনীন হিত চিন্তাৰ অৰ্থে ঋগবেদে এনে আদৰ্শ আমাৰ আগত দাঙি ধৰিছিল।

সং গচ্ছধং সংবদধ্বং সংবো মনাংসি জানতাম্
দেৱা ভাগং পূৰ্ব্বে সংজানানা উপাসতে
সমানো মন্ত্ৰঃ সমিতি সমানি সমানং মনঃ সহচিত্তমেষাম্
সমানং মন্ত্ৰমভিমন্ত্ৰয়ে বঃ সমানেনবো হবিষা হহোমি—
সমানীৱ আকূতিঃ সমানা হৃদয়ানিবঃ
সমানমস্তু ৱেমনো যথা বঃ সু সহামতি।।

অৰ্থাৎ হে’ শ্ৰোতৃবৃন্দ তোমালোক সকলো সুযুক্ত হোৱা, এক বাক্য এক বাক্য উচ্চাৰণ কৰা, তোমালোকৰ মনসমূহ পৰস্পৰ সমভাৱে বিজ্ঞাত হওক। পূৰ্ব্বে দেৱতাসকলে যেনেদৰে ঐক্যমতত উপনীত হৈ যজ্ঞৰ ভাগ গ্ৰহণ কৰিছিল, তেনেদৰে তোমালোকো সন্মিলিত হৈ নিজৰ প্ৰকৃত ভোগ্য সামগ্ৰীৰ আস্বাদ লোৱা। তোমালোকৰ স্তুতি সমান হওক, প্ৰাপ্তি সমান হওক, তোমালোকৰ মন-চিত্ত-লক্ষ্য একীভূত হওক, তোমালোকৰ সংকল্প সমান হওক, হৃদয় সমান হওক, মন সমান হওক, তোমালোকৰ ঐক্য স্থায়ী হওক।

ঋক বেদৰ এই শ্ৰেষ্ঠ উক্তি তথ্য দিব্য উপদেশসমূহৰ কোনো এটাই আজিৰ সমাজত নোহোৱা হৈছে। সাম্য-মৈত্ৰী-অহিংসা, বিশ্বাস, ভাতৃত্ববোধ, ক্ষমা আদি গুণবোৰ অন্তৰ্হিত হৈ লোভ, ঈৰ্ষা, হিংসা, কৰ্চুট, কপট, সম্প্ৰদায়িকতা আদি অমানৱীয় তত্ত্ববোৰ প্ৰকট হৈ উঠিছে। পিতা-পুত্ৰ, পতি-পত্নী, ভাতৃ-ভগ্নী সম্বন্ধবোৰ এৰা-ধৰাৰ মাজেৰে তেজৰ সোঁতত চলি আহিলেও বাস্তৱ ক্ষেত্ৰত তাৰ প্ৰকৃত সম্বন্ধৰ অৱক্ষয় ঘটিছে। বাক্য সংযম, ব্যৱহাৰ, সন্মান-স্নেহ-শ্ৰদ্ধাৰ বিপৰীত প্ৰতিফলন ঘটাই সামাজিক মূল্য নিচিহ্ন কৰা হৈছে। জ্যেষ্ঠজনৰ সন্মুখত অৱনমিত মস্তকৰ পৰিৱৰ্তে উন্নত মস্তকৰে তৰ্কৰ অৱতাৰণা কৰি সামাজিক অনুশাসন ভঙ্গ কৰা হৈছে। সমাজৰ বান্ধোন শিথিল হৈছে। কেৱল পাৰিবাৰিক ভাৱনাতেই সকলো আবদ্ধ সৰুবৰ ভেদহীন। এনে ধৰণৰ মানসিকতা আজি সমাজখনৰ চাৰিওফালে পৰিদৃশ্যমান হৈছে। যুৱ মানসিকতাত এনে প্ৰৱণতাই সিংহভাগ দখল কৰিছে। আজি যেন বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আহি পৰিছে কিহে এনে মানসিকতাত ইন্ধন যোগাইছে? বৈদেশিক সংস্কৃতিৰ পৰম্পৰা, বিদেশীৰ বৰপীৰা দখল ইয়াৰ অন্যতম কাৰণ। পাশ্চাত্য শিক্ষা, পশ্চিমীয়া আৰ্হি, সস্তীয়া জীৱন প্ৰণালীয়ে আমাৰ সমাজ সংস্কৃতিক ৰঘুমলাৰ দৰে আগুৰি ধৰিলে। ইয়াৰ লগতে বস্তুবাদী চিন্তা আৰু ঐহিক সুখৰ প্ৰতি অত্যধিক গুৰুত্ব থকা কথাও জড়িত হৈ আছে। পাশ্চাত্য আৰু প্ৰাচ্যক্সৃকৃতিৰ মাজত যথেষ্ট পাৰ্থক্য আছে। প্ৰাচ্য সংস্কৃতি অৰ্থাৎ ভাৰতীয় সংস্কৃতিত মানুহে প্ৰকৃতিৰ লগত সম্পৰ্ক ৰাখি অন্তঃদৃষ্টিৰে ভগৱৎ আৰাধনা কৰিব পাৰে, নিজৰ সকলো কৰ্ম সাধনা সম্ভৱ কৰি তুলিব পাৰে। এনে পৰিৱেশৰ লগত প্ৰাচ্য সংস্কৃতিৰ মানুহে আত্মীয়তা স্থাপন কৰি উৎসাহ সহযোগিতা পাই কাৰ্য ক্ষেত্ৰত আগবাঢ়িব পাৰে। পাশ্চাত্য সংস্কৃতিত কিন্তু প্ৰকৃতিৰ এনে পৰিৱেশ পূৰ্ণভাৱে পোৱা নাযায়। তাত প্ৰকৃতিৰ পৰিৱেশ সংকুচিত, যাৰ কাৰণে পাশ্চাত্য লোকসকলে ঘৰতে থাকি অন্তঃদৃষ্টিৰে কৰ্মসাধনা সম্পন্ন কৰিব নোৱাৰে। তেওঁলোক বাহিৰলৈ ওলাই আহি মানুহৰ সঙ্গ বিচাৰি সেই পৰিৱেশ নতুনকৈ সৃষ্টি কৰি ল’ব পৰা নাই। তেওঁলোক আত্মতৃপ্তিৰ সোৱাদ বিচাৰি আধ্যাত্মিক তত্ত্ব লাভৰ বাবে ভাৰতীয় আদৰ্শৰ কাষ চাপিছে। বহুতো পাশ্চাত্য ধৰ্মীলোকে হিন্দু ধৰ্ম গ্ৰহণ কৰি ভাৰতীয় সংস্কৃতিক জীৱনৰ পথ স্বৰূপে বাছি লৈছে। কিন্তু ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা ভাৰতীয় জনসাধাৰণে বহিঃসংস্কৃতি ল’বলৈ ঢাপলি মেলিছে। ইয়াৰ ফলত আমাৰ কেনে দশা হ’ব পাৰে তাৰ কথা নিশ্চয় সহজে সকলোৰে অনুমেয় হ’ব।

বৰ্তমানে অবাঞ্ছনীয় মাত্ৰাধিক দূৰদৰ্শনৰ সোৱাদ, অবান্তৰ কিছু হিন্দী চিনেমাৰ প্ৰচলন আৰু ইয়াৰ অনুকৰণ ইয়াৰ এটা প্ৰধান কাৰণ। এইবিলাকৰ যোগেদি মুকলিভাৱে যৌন ভাৱ, অশ্লীল তথা

নগ্ন চিত্র পৰিয়াল তথা সমাজত প্ৰদৰ্শিত হোৱাৰ ফলত এনে মানসিকতাত প্ৰবল শক্তি যোগাইছে। বাস্তৱবাদী বিজ্ঞানৰ অৱদানেৰে পুষ্ট এটা যুগত উপনীত হোৱা হৈছে যেতিয়া এই বিজ্ঞানৰ অৱদানসমূহ আমি অস্বীকাৰ কৰিব নোৱাৰোঁ। ইয়াৰ গুণগত আপেক্ষিক বিচাৰ নিশ্চয় আছে। সেয়ে ভাল-বেয়া মিশ্ৰিত গুণ সমূহৰ পৰা আমি ভাল অংশহে বাছি আনি আমাৰ ব্যৱহাৰিক জীৱনত প্ৰয়োগ ঘটাব লাগিব।

কৌশলগতভাৱে বেয়াখিনি আঁতৰাই ৰাখিবলৈ যত্ন কৰিব লাগিব। যিদৰে হাঁহে গাখীৰ আৰু পানীৰ মিশ্ৰণৰ পৰা কেৱল গাখীৰভাগহে গ্ৰহণ কৰে তৎসদৃশ। উচ্ছৃংখল তথা আৱেগভৰা যুৱ মানসিকতা নিয়ন্ত্ৰণ কৰিবৰ বাবে একমাত্ৰ পথ ধৰ্মক আশ্ৰয় কৰা আৰু আধ্যাত্মিক চিন্তা মনত পোষণ কৰি লোৱা।

এই ধৰ্ম হ'ল শৃংখলাবদ্ধ জীৱন প্ৰণালী। সুস্থ বিবেক-বুদ্ধি তথা বৌদ্ধিক বিকাশেহে মানৱৰ বৈশিষ্ট্য প্ৰদান কৰে, লগতে আন প্ৰাণীসমূহৰ পৰা পৃথকতা আনে। এনে বৈশিষ্ট্য তথা পাৰ্থক্য প্ৰদান কৰাৰ মূলতে আছে ধৰ্মীয় চিন্তাধাৰা। যাৰ ব্যাখ্যা ধৰ্মশাস্ত্ৰই এইদৰে দিছে—

আহাৰ নিদ্ৰা ভয় মৈথুনঞ্চ
সামান্য মেতদ্ পশুভি নৰানাম্
ধৰ্মোহি তেষাম্ অধিকো বিশেষা
ধৰ্মেন হীনা পশুভি সমান।

এই ধৰ্মতেই আমাৰ মনুষ্য জীৱনৰ মোক্ষ সাধন হোৱাৰ ব্যৱস্থা আছে। ঈশ্বৰমুখী ভাৱনাৰে শৰীৰ আৰু আত্মাৰ উৎকৰ্ষ সাধন কৰা কথা য'ত জড়িত হৈ আছে তাকেই আধ্যাত্মিক শিক্ষা বুলিব পাৰি। আন প্ৰকাৰে যি বিদ্যাই পঞ্চ ভৌতিক দেহক পঞ্চ ৰিপুৰ পৰা মুক্ত কৰি স্থিতপ্ৰজ্ঞ প্ৰদান কৰে, ব্ৰহ্মতত্বৰ সন্ধান দিয়ে তাকেই আধ্যাত্মিক বিদ্যা বোলা হয়। আধ্যাত্মিক শিক্ষা বা ধৰ্মৰ অন্তৰ্ভুক্ত নৈতিক গুণসমূহে সামাজিক মূল্যৰ স্থিতি নিৰ্ণয় কৰে। নৈতিক গুণত কৰ্ষিত নহ'লে আধ্যাত্মিক শিক্ষাৰ মূলবীজ অংকুৰিত হ'ব নোৱাৰে। এনে আৱশ্যকীয় নিৰ্দিষ্ট নৈতিক গুণসমূহৰ কথা মনুসংহিতাত এইদৰে উল্লেখ কৰিছে। এই গুণসমূহেই ধৰ্মৰ লক্ষণো স্পষ্টকৈ দেখুৱাই দিছে।

ধৃতি ক্ষমা দমো অস্তেয়ং শৌচম্ ইন্দ্ৰিয় নিগ্ৰহঃ
ধীৰ্বিদ্যা সত্যম্ অক্ৰোধো দশকং ধৰ্ম্ম লক্ষণম্।

এই দহটা গুণৰ চমু ব্যাখ্যা দিবলৈ যত্ন কৰা হৈছে।

১। ধৃতি ঃ বিপদ বা যিকোনো সমস্যাপূৰ্ণ পৰিস্থিতি উদ্ভৱ হ'লে ধৈৰ্য্য ধৰা, অসংযত ভাৱাৱেগ দমন কৰা।

২। ক্ষমা ঃ সহনশীল অৱস্থা গ্ৰহণ কৰা। ক্ষমা সুলভ দৃষ্টি বা মনোভাৱ প্ৰদৰ্শন কৰা।

৩। দমো ঃ আত্ম সংযম, য'ত শিষ্টাচাৰৰ কথা জড়িত হৈ আছে। এনে শিষ্টাচাৰ বাক্য, বচন আৰু ব্যৱহাৰৰ যোগেদি ৰক্ষা কৰা যায়। যেনে— "আত্মাৱৎ সৰ্ব্বভূতেষু, মাতৃৱৎ পৰদাৰেষু" এনে মনোভাৱ শিষ্টাচাৰ ৰক্ষাৰ মুখ্য কথা।

৪। অস্তেয় ঃ চুৰ নকৰা, অত্যধিক প্ৰয়োজন থাকিলেও অসৎ লোভ সম্বৰণ কৰা। অন্যায় কাৰ্যৰে আনক মানসিকভাৱে তাপ দি নিজৰ কোনো উন্নতি সাধিব নোৱাৰি।

৫। শৌচম্ ঃ পৱিত্ৰতা ৰক্ষা কৰা। যথা নিয়মে মলমূত্ৰ ত্যাগ, স্নান লেপন, মাৰ্জন আদি নিত্য আচৰণীয় ক্ৰিয়াসমূহ পালন কৰা, যাৰ যোগেদি দৈহিক আৰু মানসিক পৰিশুদ্ধি লাভ কৰিব পৰা যায়।

৬। ইন্দ্ৰিয় নিগ্ৰহ ঃ সমস্ত বহিঃইন্দ্ৰিয়ক বশ কৰি ৰখা। প্ৰয়োজন মতে ইন্দ্ৰিয়সমূহক প্ৰয়োগ ঘটোৱা। মাত্ৰ বিগৰ্হিত ইন্দ্ৰিয় সুখ প্ৰত্যাহাৰ কৰা। নীতি বিগৰ্হিত ইন্দ্ৰিয়সুখ আকাঙ্খাই মানুহক উন্মাদিত কৰে, বিবেক বুদ্ধি হ্ৰাস ঘটোৱা। যাৰ ফলত প্ৰকৃত চিন্তাধাৰাৰ প্ৰতিফলন তিৰুহিত হয়।

৭। ধী ঃ সৎ বুদ্ধি, সংযমতা আৰু নিয়মিত আচৰণৰ যোগেদি সৎ বুদ্ধি লাভ কৰিব পাৰি। সৎ বুদ্ধিৰে নিজৰ তথা সামাজিক বিকাশ সম্ভৱ হৈ উঠে। সৎ বুদ্ধিৰ যোগেদি নিজক আৰু আনকো সাম্ভাব্য বিপদৰ পৰা ৰক্ষা কৰিব পৰা যায়।

৮। বিদ্যা ঃ প্ৰকৃত বিদ্যা, যি বিদ্যাত নৈতিক আৰু আধ্যাত্মিক শিক্ষা জড়িত হৈ আছে যি বিদ্যাই মানৱ মনৰ স্ফুৰণ ঘটাব পাৰে।

৯। সত্যম্ ঃ সঁচা কথা কোৱা, যথাৰ্থ ভাষণ দিয়া। সত্যই প্ৰকৃত জীৱন গঢ়িব পাৰে। সত্যই ব্ৰহ্মতত্বৰ সন্ধান দিয়ে।

১০। অক্ৰোধ ঃ ক্ৰোধশূন্য হোৱা, কাৰো প্ৰতি হিংসা দ্বেষভাৱ প্ৰদৰ্শন নকৰা। সকলোৰে প্ৰতি দয়া-স্নেহ ভাৱ দেখুওৱা মানৱ চৰিত্ৰৰ মূল কথা।

এনে মানসিকতাৰ গঢ় দিবলৈ বৰ্তমান বৃত্তিমুখী শিক্ষাতে কেৱল গুৰুত্ব নিদি নৈতিক, আধ্যাত্মিক চিন্তা জড়িত হৈ থকা শিক্ষা ব্যৱস্থাত মনোযোগ দিব লাগিব। তাৰ বাবে বাধ্যতামূলকভাৱে সংস্কৃত শিক্ষাৰ প্ৰচলন অতীৱ প্ৰয়োজনীয় দিশ। ইয়াৰ লগতে গুৰুমুখী শাৰীৰিক শ্ৰমযুক্ত শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। সংস্কৃতিৰ অন্তৰ্ভুক্ত খাদ্যাখাদ্য চাল-চলন, আচাৰ-ব্যৱহাৰ, পোছাকৈ-পৰিচ্ছেদ আৰু সুকুমাৰ কলাসমূহৰ চৰ্চা আৰু অনুশীলনৰ জৰিয়তে নিজস্ব সাংস্কৃতিক জীৱন গঢ় দিয়াৰ উপৰিও সামাজিক মূল্য ৰক্ষা কৰা সম্ভৱ হৈ উঠে। ইয়াৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া সময় আহি পৰিছে।

নৈতিক তথা আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হ'বলৈ হ'লে সত্বগুণৰ ওপৰত আশ্ৰয় কৰিব লাগিব। সত্বগুণৰ জৰিয়তে মানৱ মনৰ প্ৰকৃত স্ফুৰণ ঘটে। সত্বগুণেহে গধুৰ চিন্তাভাৱৰ উদ্ৰেক কৰি সুস্থ বিবেক বুদ্ধি আৰু হিত-অহিত বিচাৰৰ বাট মুকলি কৰি দিব পাৰে। যি সত্বগুণক আশ্ৰয় কৰিলে জ্ঞান জন্মে। ইয়াৰ সুন্দৰ প্ৰমাণ গীতা শাস্ত্ৰই এইদৰে দিছে।

সত্বাৎ সংজায়তে জ্ঞানম্ ৰজসো লোভো এবচ
প্ৰসাদ মোহো তমসো ভৱতো অজ্ঞানম্ এবচ।

খাদ্যাখাদ্য, বাক্য-ব্যৱহাৰ, চাল-চলন, পিন্ধন-উৰণ সকলোতে সাত্বিক ভাৱ থাকিব লাগিব যিয়ে সত্বগুণ আনি দিয়াত সহায় কৰে। ইয়াৰ ভিতৰত খাদ্যই যে মানুহৰ স্বভাৱ পৰিৱৰ্তন কৰিব পাৰে তাৰ এটি উদাহৰণ দাঙি ধৰা হ'ল। বাঘ আৰু হাতী। এটা বাঘৰ ওচৰলৈ মানুহ সহজে যাব

নোৱাৰে, কাৰণ বাঘে অনবৰতে মাংস খাই সেয়ে সি হিংসুক হৈ পৰে, আনহাতে একেখন হাবিতে থকা এটা মদমত্ত হাতীক মানুহে বশ কৰি ঘৰচীয়া কৰিব পাৰে, ইয়াৰ মূল কাৰণ হাতীয়ে বনৰ তৰু-তৃণ খাই জীয়াই থাকে। ইয়াৰ বাবে কেৱল যুৱক-যুৱতীসকল আগবাঢ়ি আহিলেই নহ'ব। অভিভাৱকসকল প্ৰথমতে সতৰ্ক হ'ব লাগিব। সন্তান ভূমিষ্ঠ কৰাৰ আগতে অভিভাৱক বা পিতৃ-মাতৃয়ে সাত্বিকতা অৱলম্বন কৰিব লাগিব।

ৰসাদ্ ৰক্তোতো মাংসো মাংসাদ্মেদো প্ৰজায়তে
মেদসো অস্থিতো মজ্জা ততো শুক্ৰ সম্ভৱ।

এই সপ্ত ধাতুৰ যোগেদি পিতৃ-মাতৃয়ে সন্তান জন্ম দিয়ে যেতিয়া তেওঁলোকৰ সপ্ত ধাতুও সাত্বিকতাৰে নিৰ্মিত হ'ব লাগিব। এইখিনিতে উল্লেখ কৰা হৈছে বৈবাহিক সম্বন্ধ ঘটোৱাৰ কথা। আজি অতি লক্ষ্য কৰিবলগা গুৰুত্বপূৰ্ণ দিশ হ'ল অনৈতিক বিবাহেৰে উৎপাদিত সন্তানৰ বিষময় ভৱিষ্যত পৰিণতি। আজি ডাক্তৰী ব্যৱস্থাত তেজৰ গ্ৰুপ মিলাই ৰোগীক তেজ দি সুস্থ কৰা কথাই এনে বিচাৰৰ প্ৰমাণ দাঙি ধৰে। সেয়েহে আগৰ ঋষিমুনিসকলে নিৰ্দ্ধাৰণ কৰি যোৱা বিবাহৰ সম্বন্ধবোৰ অতি যুক্তিসন্মত আৰু বাস্তৱ ফলদায়ক দিশ।

নৈতিক শিক্ষাৰে শিক্ষিত হৈ আধ্যাত্মিক শিক্ষাত অনুপ্ৰাণিত হ'বলৈ কোমল বয়সতে ইয়াৰ অভ্যাস কৰিব লাগিব। এই আধ্যাত্মিক ভাৱনাৰ অভ্যাস সৰুকালতে আনিবৰ বাবে প্ৰহ্লাদে দৈত্য শিশুসকলক যি উপদেশ দিছিল সি আছিল আমাৰ সকলোৰে বাবে অনুকৰণীয়া পথ য'ত এক বাস্তৱ যুক্তি সন্নিৱিষ্ট হৈ আছে।

মনুষ্যৰ আয়ু শত বৰিষ সংখ্যাত।
অৰ্দ্ধেক বিফলে যায় জানিবা নিদ্ৰাত।।
বিংশতি বৰিষ জানা যায় ওমলন্তে।
নেয় দশ বৰিষ ধনক উপাৰ্জন্তে।।
বৃদ্ধ কালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য সাধিবাক নাহিকে শকতি।।
হেন জানি শিশু সব এৰা আন কৰ্ম্ম।
ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম্ম।।

(কীৰ্ত্তন)

এই ভাগৱত ধৰ্ম্মনো কি? ইয়াৰ বিষয়ে ভক্তিৰত্নাৱলীত এইদৰে পোৱা যায়—

তপ জপ যজ্ঞ দান ব্ৰত সদাচাৰ।
ধন জন গৃহ পুত্ৰ ভাৰ্যা আপোনাৰ।।
সমস্তকে শুদ্ধ ভাবে অৰ্পিবা কৃষ্ণত।
ইয়াকে বোলয় মহাধৰ্ম্ম ভাগৱত।।

অৰ্থাৎ এই ভাগৱত ধৰ্ম হ'ল ঈশ্বৰমুখী চিন্তা আৰু নিজৰ কৰ্তব্য পালন কৰাৰ ক্ষেত্ৰত ভগৱন্তৰ চৰণত আত্মসমৰ্পন, আশ্ৰয় গ্ৰহণ। সেয়ে বিবেক-বুদ্ধিৰে ঢুকি পোৱা কালতেই সদাচাৰী জীৱন-যাপনেৰে পৰমব্ৰহ্মৰ আশ্ৰয় ল'ব লাগে। মনৰ স্থিৰতা আনিবলৈ আৰু নিয়ম-নীতিৰে সদাচাৰী জীৱন পালন কৰিবলৈ অষ্টাঙ্গ যোগৰ আশ্ৰয় ল'ব লাগিব। সংযম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান, ধাৰণা, সমাধি ইয়াকেই অষ্টাঙ্গ বুলি কোৱা হয়।

কেৱল বুদ্ধি-বৃত্তিৰ পৰিচালনাৰে ঈশ্বৰ জ্ঞান হ'ব নোৱাৰে। অনুভূতি শক্তি আৰু বিশ্বাসেহে ঈশ্বৰ জ্ঞানৰ মূল ভিত্তি। সৰু কালতেই তেনে অভ্যাসৰ চেষ্টা কৰিলে সময়ত উপলব্ধি আৰু বিশ্বাস দৃঢ় হয়। শুদ্ধ বিচাৰ-বিশ্লেষণৰ ক্ষমতা জন্মে। সেয়ে ধৰ্মীয় চিন্তা তথা আধ্যাত্মিক শিক্ষা মনুষ্য জীৱনৰ অতি আৱশ্যকীয় কথা। মনুষ্য জীৱনত সৰ্বপ্ৰথম লাগতিয়াল বস্তু কি? এই সন্দৰ্ভত আমাৰ গান্ধী বাপুৱে এইদৰে কৈছিল— "A proper religious spirit is the greatest and most immediate need." আকৌ কৈছে— It is not really a graps by the brain but it is a heart grasp. ইয়াক মস্তিষ্কৰে গ্ৰহণ কৰিলেই নহ'ব, আন্তৰিকতাৰে গ্ৰহণ কৰিব লাগিব। আমাৰ বিশ্বাস আধ্যাত্মিক তথা ধৰ্মীয় শিক্ষাৰ প্ৰয়োজনীয় বাতাবৰণ ঘৰখনত, গাঁওখনত, স্কুল-কলেজত সৃষ্টি কৰিব পাৰিলে আৰু আন্তৰিকতাৰে ইয়াক গ্ৰহণ কৰি প্ৰয়োগিক তথা বাস্তৱ প্ৰতিফলন ঘটালেই যুৱ-মানসিকতাৰ উত্তৰণ ঘটিব। লগে লগে ক্ষয়িষ্ণু সামাজিক মূল্যবোধৰ গৰাখহনীয়া ৰোধ হ'ব। ইয়াৰ বাবে কেৱল যুৱক-যুৱতীয়েই ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়েই নহয় ধৰ্মানুষ্ঠানৰ মুৰব্বী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, বুদ্ধিজীৱী সকলোৱেই বাস্তৱ পদক্ষেপ লৈ সতৰ্কতাৰে আগবাঢ়ি আহিব লাগিব। সেয়ে হৈ উঠিলে আমাৰ সামাজিক সমস্যাৰাজি সমাধা কৰিবলৈ আমি সকলোৱেই সমৰ্থ হ'ব পাৰিম।

।। জয়তু গোবিন্দ।।

❖❖❖

*লেখক শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য্য*

# মেঘদূত— বন্দী-হৃদয়ৰ বিশ্বভ্ৰমণ

ড° মুকুল হাজৰিকা

> ... মেঘমন্দ্ৰ শ্লোক
> বিশ্বের বিরহী যত সকলের শোক
> রাখিয়াছে আপন আঁধার স্তরে স্তরে
> সঘনসংগীতমাঝে পুঞ্জীভূত করে।
> — রবীন্দ্রনাথ

ভাৰতীয় সাহিত্যৰ প্ৰাথমিক জ্ঞান থকা যিকোনো লোকেই বোধ কৰোঁ কালিদাসৰ নাম নুশুনাকৈ থকা নাই। কালিদাস মহাকবি। ইংৰাজৰ বাবে শ্বেক্সপিয়েৰ যেনে, ভাৰতীয় মানুহৰ বাবে কালিদাসো তেনে। কালিদাস কাব্যিক প্ৰতিভাৰে, ভাবৰ গভীৰতাৰে বিশ্বকবি। বৰ্ণনাৰ চাতুৰ্য আৰু ৰচনাৰ মাধুৰ্য বিষয়ত কালিদাসৰ প্ৰতিদ্বন্দ্বী নাই।

কালিদাসে একাধিক নাটক আৰু কাব্য ৰচনাৰে ভাৰতীয় সাহিত্য চহকী কৰি থৈ গৈছে। কবি হিচাপে কালিদাসৰ স্থান নিৰ্ণয় কৰি কোৱা হৈছে এইদৰে যে, এবাৰ কবিসকলৰ সংখ্যা গণিবলৈ লৈ প্ৰথমজন কবি হিচাপে কালিদাসকে কনিষ্ঠ আঙুলিত ধৰা হৈছিল। তাৰ পাছতে তেওঁৰে তুলনীয় কোনো কবিৰ নাম নোলাল। তেতিয়া ক'বলগীয়া হ'ল সঁচাকৈয়ে দ্বিতীয়টো আঙুলিৰ নাম 'অনামিকা' অতি সাৰ্থক হৈছে— "অদ্যাপি তত্তুল্য কৱেৰভাবাদ্ অনামিকা সাৰ্থৱতী বভূৱ।"

কালিদাসৰ এখন অতি জনপ্ৰিয় কাব্য হৈছে মেঘদূত। এইখন এখন খণ্ডকাব্য। শ্লোকৰ সংখ্যাও কম। মেঘদূতৰ যাৱতীয় পুথি তুলনা কৰিলে মুঠ প্ৰায় ১৩০ টা শ্লোক পোৱা যায়। কিন্তু তাৰ ভালেকেইটা শ্লোক প্ৰক্ষিপ্ত বুলি গৃহীত হৈছে। বিখ্যাত টীকাকাৰ মল্লিনাথে ১২০ টা শ্লোকহে কালিদাসৰ বুলি গ্ৰহণ কৰিছে। কোনোৱে ১০৩ টাহে কালিদাস ৰচিত বুলি ভাবে। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰে মল্লিনাথক অনুসৰণ কৰিও ১১৫ টা (পূৰ্বমেঘত ৬৩ টা আৰু উত্তৰমেঘত ৫২ টা) শ্লোকহে কালিদাসৰ বুলি গ্ৰহণ কৰিছে। বিপ্ৰলম্ভ শৃংগাৰ ৰসৰ কাব্য মেঘদূতৰ আৱেদন সেই প্ৰাচীন কালৰপৰা আধুনিক কাল পৰ্যন্ত পৰিব্যাপ্ত। মেঘদূত আকাৰত সৰু, অন্ততঃ সংস্কৃত কাব্য হিচাপে; সেয়ে কাব্যখন একে বহনতে পঢ়ি অঁটাব পাৰি। এই ব্যস্ততাৰ যুগতো বাৰে বাৰে পাঠ কৰাও সম্ভৱ। কবিৰ ৰঘুবংশক বিষয়বস্তুৰ ব্যাপ্তিৰ গুণত কালিদাসৰ শ্ৰেষ্ঠ ৰচনা বুলি গণ্য কৰা হয়। মেঘদূতৰ এগৰাকী খ্যাতিমান বাংলা অনুবাদক বুদ্ধদেব বসুৱে লিখিছে যে কবিয়ে যদি মেঘদূত নিলিখিলেহেঁতেন, তেতিয়া হ'লে আজি পৰ্যন্ত ভাৰতবৰ্ষত কালিদাসৰ নাম মুখে মুখে উচ্চাৰিত নহ'লহেঁতেন। এটা দিশৰপৰা চালে মেঘদূত কোনো উপন্যাসৰ দৰেই। ইয়াত যেন আধুনিক

উপন্যাসৰ কাহিনীবিহীন কথাবস্তুৰ উপাদান ছন্দোবদ্ধ ৰূপত মিহলি হৈ আছে। কাহিনী বুলিবলৈ একো নাই; কিন্তু যিকণ আছে তাৰ পৰিণতি গ্ৰন্থৰ আৰম্ভতে কৈ দিয়া হ'লেই। কিন্তু কবিয়ে আমাক সমস্ত কাব্যখন জুৰি ধৰি ৰাখিলে একমাত্ৰ শিল্পৰ চাতুৰ্যেৰে।

কাব্যখন দেশে-বিদেশে বিভিন্ন ভাষালৈ অনূদিত হোৱাটোৱেই কাব্যখনৰ জনপ্ৰিয়তাৰ পৰিচায়ক। ১৮১৩ খ্ৰীষ্টাব্দত হ'ৰেছ উইলছনে ইংৰাজীলৈ কাব্যখন অনুবাদ কৰাৰপৰা আজি পৰ্যন্ত অনেক ভাষাত এই কাব্যৰ অনুবাদ হৈছে। ১৯১৯ খ্ৰীষ্টাব্দত কুমুদেশ্বৰ বৰঠাকুৰে কৰা অনুবাদতে আৰম্ভ হোৱা 'অসমীয়া মেঘদূত'ৰ এতিয়ালৈকে এটি শতাধিক বছৰীয়া পৰিক্ৰমা। পৃথিবীৰ শ্ৰেষ্ঠ ৰচনামাত্ৰেই অনুবাদৰ মুখাপেক্ষী। অনুবাদৰ মাধ্যমেৰেই ভাবনাৰ বিশ্বায়ন ঘটে। সংস্কৃতৰ দৰে ক্লাছিক ভাষাৰ লেখকৰ সম্পৰ্কে এই কথা অধিক প্ৰযোজ্য। এই প্ৰসংগত বুদ্ধদেব বসুৱে লিখিছে যে লেখকজন প্ৰাচীন বুলি তেওঁক বেদীত বহুৱাই যদি কেৱল পূজা কৰি থকা যায় তেতিয়াতো তেওঁক মৃত্যুদণ্ডৰ আজ্ঞা দিয়া হ'ল। তেওঁক বচাই ৰাখিবলৈ হ'লে আমাৰ সৈতে একে শাৰীতে বহুৱাই আমাৰেই ভাষাৰে কথা কোৱাব লাগিব।

মেঘদূত আৰু মাঘ কবিৰ শিশুপালবধ কাব্য পঢ়িয়ে বয়স গ'ল (মেঘে মাঘে গতং ৱয়ঃ) বুলি মন্তব্য দিয়া এই মেঘদূত কাব্যখনতনো কি আছে? যক্ষৰাজ কুবেৰে মানস সৰোবৰৰ পদুম ফুল ৰক্ষাৰ দায়িত্ব দিছিল এজন যক্ষক। কিন্তু যক্ষই পত্নীৰ প্ৰেমত আসক্ত হৈ কৰ্তব্যত হেমাহি কৰিলে। সেয়ে যক্ষৰাজে তেওঁক প্ৰিয়াৰপৰা আঁতৰাই ৰামসীতাৰ চৰণৰ স্পৰ্শেৰে পবিত্ৰ ৰামগিৰি পৰ্বতলৈ পঠাই দিলে। বিৰহবেদনাৰে আক্ৰান্ত যক্ষই আহাৰ মাহৰ প্ৰথম দিনত (কোনোৰ মতে আহাৰৰ শেষৰ দিনত) আকাশত মেঘ দেখি কাতৰ হৈ পৰে আৰু সেই মেঘকে দূত ৰূপে গ্ৰহণ কৰি কৈলাসৰ অলকানগৰীত থকা তেওঁৰ প্ৰিয়ালৈ বাৰ্তা পঠালে। বিষয়বস্তু হিচাপে কাব্যখন ইমানেই। এই এমুঠিমান শ্লোকৰ মাজেদি মানৱীয় প্ৰেম প্ৰকাশ পোৱাৰ লগতে বিচিত্ৰ প্ৰাকৃতিক বৰ্ণনাৰো পয়োভৰ হৈছে। সকলো সাহিত্য-সুষমাৰ সমাহাৰেৰে মেঘদূত সৰ্বকালৰ সাহিত্য-ৰসিকৰ বাবে সমাদৃত কাব্য। তাৰ উপৰি মেঘদূতত বিন্ধ্যৰপৰা হিমালয়লৈ এই বিশাল ভূখণ্ডৰ পুংখানুপুংখ ভৌগোলিক বিৱৰণ পোৱা যায়। ৰবীন্দ্ৰনাথে মেঘদূতৰ মাজেদি বিশ্বৰ গতিয়ে নৃত্য কৰিছে বুলি উল্লেখ কৰিছে। কবিৰ কল্পনাই আমাক যেন মেঘৰ লগতে অলকাপুৰীলৈকে লৈ যায়। তদুপৰি কাব্যখনৰ মাজে মাজে এনে কিছু শ্লোকাংশ আছে যিবোৰৰ আবেদন বিশ্বজনীন আৰু আধুনিক জীৱনতো প্ৰাসংগিক। 'মদন পীড়িতে নুবুজে একোকে জড় চেতনৰ ভেদৰ কথা' (কামাৰ্তা হি প্ৰকৃতিকৃপণাশ্চেতনাচেতনেষু), 'বিফলতা শ্ৰেষ্ঠ, কৰি যাজ্ঞা উত্তমত- সফল হোৱাও নীচ অধমৰ সমীপত' (যাজ্ঞা মোঘা ৱৰমধিগুণে নাধমে লব্ধকামা), 'অন্তঃসাৰ শূন্য লোকে নাপাই মৰ্য্যাদা, পূৰ্ণতাহে সকলোৰে গৌৰৱৰ হেতু' (ৰিক্তঃ সৰ্ব্বো ভৱতি হি লঘুঃ পূৰ্ণতা গৌৰৱায়), 'আৰ্দ্ৰ হৈ থাকে যাৰ সদায় অন্তৰ, সেইজন সঁচাকৈয়ে চেনেহ চিতৰ' (প্ৰায়ঃ সৰ্ব্বো ভৱতি কৰুণাবৃত্তিৰাৰ্দ্ৰান্তৰাত্মা) ইত্যাদি।

কালিদাসে কোন-কাহানিবাতে কাব্যখন লিখিলে; তথাপি ইয়াৰ বিষয়বস্তু আধুনিক যুগৰ বাবেও প্ৰাসংগিক হৈ আছে। বিৰহ-ব্যথা কাব্যখনৰ

অন্তঃস্ৰোত। এই বিৰহ-ব্যথা আধুনিক মানুহৰো বিৰহ-ব্যথা। মানুহ সৌন্দৰ্যময় অতীতৰপৰা ক্ৰমে বিচ্ছিন্ন হৈ গৈ আছে। সেইদৰে আধুনিক কালত মানুহে অনেকৰ মাজত থাকিও অকলশৰীয়া অনুভৱ কৰে— যেন একোটা নিৰ্জন দ্বীপ। কাব্যপাঠৰ মূল লক্ষ্য হৈছে ৰসলাভ, এক অপাৰ্থিৱ আনন্দপ্ৰাপ্তি। মেঘদূতৰ জনপ্ৰিয়তাৰ অন্তৰালত উল্লিখিত দিশবোৰো সন্নিবিষ্ট হৈ আছে।

মেঘদূতৰ ভাবৰূপৰ লগত ধ্বনিৰূপৰ অপূৰ্ব মিলন ঘটিছে। কাব্যখনৰ সকলো শ্লোক মন্দাক্ৰান্তা ছন্দত ৰচিত। মন্দাক্ৰান্তাৰ গতিয়েই যেন মেঘৰ গতি। আলংকাৰিকে কৈছে, বাৰিষাৰ সময়ত প্ৰবাসত কটোৱা কষ্টৰ বিৱৰণ দিবৰ কাৰণে মন্দাক্ৰান্তা ছন্দই উপযুক্ত (প্ৰাবৃট্ প্ৰৱাসব্যসনে মন্দাক্ৰান্তা ৱিৰাজতে)। মন্দাক্ৰান্তা ছন্দও মেঘদূতৰ জনপ্ৰিয়তাৰ অন্য কাৰণ। সাধাৰণতে সংস্কৃত কবিয়ে এখন কাব্যত বিবিধ ছন্দৰ শ্লোক সন্নিবিষ্ট কৰে। কালিদাসে এই কাব্যত সকলো শ্লোক এটা মাত্ৰ ছন্দত ৰচনা কৰি ছন্দৰ প্ৰাণ সম্বন্ধে সূক্ষ্ম বোধৰ প্ৰমাণ দিছে।

বিশিষ্ট লেখক ড° মহেন্দ্ৰ বৰাই কৈছে যে সেইজন ভাৰতীয় সাহিত্যৰ ছাত্ৰ ক্ষমাৰ অযোগ্য যদিহে তেওঁ মেঘদূত পঢ়া নাই। সংস্কৃত ভাষাতে কাব্যখন পঢ়িব পাৰিলে পাঠকে আচল মাধুৰ্য লাভ কৰিব। সংস্কৃত কাব্যৰ ৰসাস্বাদন বৰ সহজসাধ্য নহয়। ইয়াৰ বাবে লাগিব জটিল ব্যাকৰণৰ জ্ঞান, অলংকাৰশাস্ত্ৰৰ ৰীতি-নীতিৰ লগত পৰিচিতি। সন্ধিসিদ্ধ আৰু দীঘলীয়া সমাসবদ্ধ শব্দৰ আউল ভাঙি অৰ্থ উদ্ধাৰৰ কামত ব্ৰতী হ'ব লগা হয়। কিন্তু আজিৰ সাধাৰণ শিক্ষিত পাঠকে ন্যূনতম সংস্কৃত ব্যাকৰণ জানিও যিখন সংস্কৃত কাব্য উপভোগ কৰিব পাৰে সেইখন হৈছে মেঘদূত। সেই কাৰণে পৃথিবীৰ প্ৰায় সকলো ভাষাতে এই কাব্যখনৰ অনুবাদ প্ৰচুৰ। সংস্কৃতত পঢ়িব নোৱাৰিলেও অন্য ভাষাৰ যোগেদিও ৰসাস্বাদন সম্ভৱ হ'ব পাৰে। আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত হিন্দী আৰু বাংলাতেই সৰ্বাধিক সংস্কৰণ। (এই তথ্য ড° থানেশ্বৰ শৰ্মাৰ।) বাংলাত ৪৫ টি অনুবাদৰ উল্লেখ কৰা হৈছে ১৯৯১ চন পৰ্যন্ত। অসমীয়াতো গদ্য-পদ্য উভয় মাধ্যমতে একাধিক অনুবাদ আছে।

১৯১৯ খ্ৰীষ্টাব্দতে কুমুদেশ্বৰ বৰঠাকুৰৰ মেঘদূত প্ৰকাশ হৈছিল গোৱালপাৰাৰপৰা, অনুবাদকে নিজেই প্ৰকাশ কৰিছিল। ১৯৪০ চনত প্ৰকাশিত যোৰহাটৰ কৰুণাধৰ বৰুৱাৰ মেঘদূতৰ দ্বিতীয় তাঙৰণ ১৯৪৭ চনত প্ৰকাশ পাইছিল। দ্বিতীয় মহাসমৰৰ এই মহঙা কালত গ্ৰন্থখনৰ দ্বিতীয় প্ৰকাশ তাৎপৰ্যপূৰ্ণ কথা। ই নিঃসন্দেহে মেঘদূতৰ জনপ্ৰিয়তাৰ কথাকে সূচায়। তাৰ উপৰি কৰুণাধৰ বৰুৱাৰ অনুবাদ ইমান সাবলীল যে অনুবাদ যেনেই নালাগে। পৰৱৰ্তী কালতো ভালেকেইখন মেঘদূত প্ৰকাশ পাইছে— ডিম্বেশ্বৰ নেওগৰ ১৯৪২ চনত, ডম্বৰুধৰ শৰ্মাৰ গদ্যানুবাদ ১৯৬৯ ত, মহেন্দ্ৰনাথ ভট্টাচাৰ্যৰ ১৯৭৪ ত, বলদেৱ শৰ্মাৰ ১৯৯২ ত, গৌৰীদত্ত শৰ্মাৰ গদ্যানুবাদ ১৯৯৯ ত, কেশদা মহন্তৰ ২০০০ ত (এইখন আক্ষৰিক গদ্যানুবাদ), ড° থানেশ্বৰ শৰ্মাৰ গদ্যানুবাদ ২০১৪ ত, কৌস্তুভমণি শইকীয়া দত্তৰ ২০২০ ত (এইখন মুক্তক ছন্দত অনূদিত) আৰু সুৰেন্দ্ৰনাৰায়ণ গোস্বামীৰ ২০২৩ ত। এই ৰচনাসমূহো মেঘদূতৰ জনপ্ৰিয়তাৰে নামান্তৰ।

ওপৰত লিখা তালিকাৰ সাতটি অনুবাদেই কাব্যানুবাদ। মেঘদূতৰ মন্দাক্ৰান্তা অসমীয়া ছন্দৰ উপযোগী নহয়। চাৰি চৰণ বা পাদযুক্ত মন্দাক্ৰান্তা

ছন্দৰ প্ৰতিটো চৰণ তিনিটা পৰ্বত বিভক্ত, এতেকে প্ৰতি পৰ্বৰ শেষত যতি বিধেয়। প্ৰতি চৰণত সোতৰটাকৈ অক্ষৰ থাকে (সপ্তদশাক্ষৰাবৃত্তি)। কিন্তু অসমীয়া উচ্চাৰণত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ প্ৰভেদ নাই। সেই দেখি সংস্কৃতৰ হ্ৰস্ব-দীৰ্ঘৰ নিয়ম মানি অসমীয়াত এই ছন্দৰ প্ৰয়াস কেৱল বিলাসমাত্ৰ। সেয়ে ডিম্বেশ্বৰ নেওগৰ বাদে আন অনুবাদকসকলে স্বাভাৱিকতে এনে প্ৰয়াস কৰা নাই। ডিম্বেশ্বৰ নেওগে ২৩ আখৰীয়া অক্ষৰবৃত্ত এটাকে মন্দাক্ৰান্তা বুলি ধৰি লৈ তেওঁৰ মেঘদূত 'মন্দাক্ৰান্তা পদ ভাঙনি' বুলি নিজেই উল্লেখ কৰিছে। কিন্তু নেওগৰ অনুবাদত মন্দাক্ৰান্তাৰ অনুসৰণ অনুপস্থিত।

কবিগুৰুৰ ভাষাৰেই আৰম্ভ, কবিগুৰুৰ ভাষাৰেই সামৰোঁ।

আজ সে তোমার আপন সৃষ্টি
বিশ্বের কাছে উৎসর্গ-করা।

### কিঞ্চিৎ ব্যক্তিগত

মেঘদূত মোৰ কোনো শ্ৰেণীতেই পাঠ্যপুথি নাছিল। আমাৰ কলেজ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সংস্কৃতৰ সন্মান শ্ৰেণীৰ আমি ৬ জন ছাত্ৰ-ছাত্ৰী আছিলোঁ শুভাৰম্ভৰ বছৰত। সেই বছৰতে কলেজত অনুষ্ঠিত এখন আলোচনা সভাত শিক্ষকৰ লগতে দুজন নে তিনিজন ছাত্ৰকো ভাগ ল'বলৈ দিয়া হৈছিল। অপঁইতা ছাত্ৰ হ'লেও মোকো অনুগৃহীত কৰা হৈছিল— মোক মেঘদূতৰ বিষয়ে ক'বলৈ দিয়া হৈছিল। কৰুণাধৰ বৰুৱাৰ মেঘদূতৰ সহায়তেই মই প্ৰথম কালিদাসৰ মেঘদূতৰ ওচৰ চাপিছিলোঁ। ওহি বালকেৰ কেলি। মেঘদূত মোৰ এতিয়াও অপৰিহাৰ্য পাঠ্য। তেতিয়াৰ গাঁৱত দেখা এটা দৃশ্যই মেঘদূতলৈ মনত পেলায়— সৈন্যবাহিনীত কাম কৰা সৈনিকে এমাহ-ডেৰমাহৰ ছুটী লৈ আহি বিয়া পাতি পত্নীক ঘৰতে এৰি থৈ সুদূৰলৈ গুছি যায়, এবছৰৰ বাবে। দীপালী বৰঠাকুৰৰ কণ্ঠত 'চেনাই মই যাওঁ দেই' শুনিলেও মেঘদূতলৈ মনত পৰে। ড° ভূপেন হাজৰিকাৰ 'এটুকুৰা আলসুৱা মেঘ ভাহি যায়, মোৰো বনহংসই বাট হেৰুৱাই...' গীতটোৰ কথা কোৱা বাহুল্য মাত্ৰ। সৌ সিদিনা জ্ঞানপীঠ পোৱা নীলমণি ফুকনৰ 'হংসধ্বনি শুনিছোঁ' কবিতাত পোৱা যায়—

'কালিদাসৰ সৈতে চৰ্মন্বতী
নদীত নামিছোঁ
ৰক্তাক্ত ছায়া মূৰ্তিবোৰে
শৰীৰ ধাৰণ কৰিছে।'— তেতিয়াও পূৰ্বমেঘৰ সেই শ্লোকাংশ মনলৈ আহে, "স্ৰোতোমূৰ্ত্যা ভুবি পৰিণতাং ৰন্তিদেৱস্য কীৰ্তিম্।।" দশপুৰৰ ৰজা ৰন্তিদেৱে গোমেধ কৰিছিল, সেই তেতিয়া বধ কৰা গৰুৰ ছালৰপৰা ৰক্ত নিজৰি চৰ্মণ্বতি নদীৰ সৃষ্টি হৈছিল।

কালিদাসৰ মেঘদূত সেয়ে প্ৰাচীন হৈয়ো আধুনিক, এয়ে চিৰন্তন। ❖❖❖

---

*লেখক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা যোৰহাট বাল্য ভৱনৰ অৱসৰপ্ৰাপ্ত শিক্ষক*

# উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত উদ্যমিতা আৰু উদ্যোগীকৰণ পৰিৱেশ তন্ত্ৰৰ প্ৰয়োজনীয়তা

ড° পাৰ্থ প্ৰতিম বৰুৱা

আমি এতিয়া ২০২০ চনৰ পৰা উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত শিক্ষাৰ আৰ্হি সলনি কৰাৰ এক সন্ধিক্ষণত আছোঁ। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এই প্ৰতিষ্ঠানসমূহত শিক্ষাদান আৰু গৱেষণাৰ ওপৰত এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ গৈ আছে। যদি আমি উচ্চ শিক্ষাৰ প্ৰাক ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বৰ্ণনা অনুসৰি যাওঁ, আমি দেখো যে প্ৰচলিত শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীসকলক এনে এক জ্ঞান আৰু দক্ষতা প্ৰদান কৰে যি তেওঁলোকৰ বাবে এক লাভজনক নিযুক্তি বিচাৰি উলিওৱাত সহায়ক হৈছিল- সেয়া চৰকাৰী খণ্ডতে হওঁক বা ব্যক্তিগত খণ্ডতে হওঁক। সেয়েহে এজন শিক্ষক হিচাপে, আমাৰ মনোযোগ সদায় সেই দিশবোৰ ৰক্ষা কৰাত আছিল যি আমাৰ শিক্ষাৰ্থীসকলক এক আৰামদায়ক পদত চাকৰি পোৱাত সহায় কৰিব পাৰে। কিন্তু, যদি আমি ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০-ৰ পিছৰ পৰিস্থিতিটো লক্ষ্য কৰোঁ, নতুন নীতিয়ে এফালে শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে শিক্ষাক উদ্যোগকেন্দ্ৰিক কৰাৰ উপৰিও জীৱনজোৰা শিক্ষাৰ বাবে এক নতুন সম্ভাৱনাৰ সৃষ্টি কৰাৰ কথাত মনোযোগ দিবলৈ বিছাৰিছে। এতিয়া প্ৰশ্নটো হ'ল এইটো কেনেকৈ সম্ভৱ হ'ব পাৰে?

এনে এক অভিনৱ কামৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ব আমাৰ প্ৰতিষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ মাজত প্ৰয়োজনীয় এক উদ্যোগী ও উদ্যমী মানসিকতা বিকশিত কৰিবলৈ এক অত্যাৱশ্যকীয় উদ্যমিতা তথা উদ্যোগকেন্দ্ৰিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলা। দেখা গৈছে যে, নতুন শিক্ষা নীতিত প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি উচ্চ বিদ্যালয় আৰু স্নাতকোত্তৰ পৰ্যায় বা ইয়াৰ ওপৰৰ সকলো স্তৰলৈকে উদ্যোগী শিক্ষাৰ প্ৰচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।লগতে, ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০-য়ে আমাক প্ৰত্যাহ্বানবোৰৰ মোকাবিলা কৰাৰ কিছুমান উপায়ো প্ৰদান কৰিছে। যেনে—

**১।** পাঠ্যক্ৰম সংস্কাৰ আৰু ডিজাইনিং ঃ শেহতীয়া শিক্ষা নীতিয়ে যুৱ প্ৰজন্মৰ হিতৰ বাবে দেশৰ পৰিস্থিতি বুজি পাঠ্যক্ৰমত এলানী গুৰুত্বপূৰ্ণ তথা অভিনৱ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰ পৰামৰ্শ দিছে। সেয়েহে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে এতিয়া তেওঁলোকৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত পাঠ্যক্ৰম আৰু

কাৰ্যসূচীবোৰত বাধ্যতামূলক অংশ হিচাপে যিকোনো বৃত্তিমূলকৰ পৰা ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰিছে। সেয়েহে, শিক্ষাৰ্থীসকলক মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত উদ্যোগী ও উদয়মী দক্ষতা বৃদ্ধিৰ পাঠ্যক্ৰমৰ জৰিয়তে অভিজ্ঞতামূলক শিক্ষাৰ বাবে উৎসাহিত কৰিব লাগিব আৰু যিকোনো সৰুৰ পৰা ডাঙৰ উদ্যোগৰ দ্বাৰা আগবঢ়োৱা ইণ্টাৰ্নশ্বিপ আৰু এপ্ৰেণ্টিছশ্বিপ আঁচনিত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব লাগিব যাতে ছাত্ৰ-ছাত্ৰীসকলে উদ্যমিতা বা উদ্যোগী দক্ষতাৰ ওপৰত জ্ঞান অৰ্জন কৰি ভৱিষ্যতে নিজৰ পথ বাছি ল'ব পাৰে।

২। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-ত বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত শিকা, মূল্যাংকন, পৰিকল্পনা, প্ৰশাসন আদিৰ সহায়ৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত বিনামূলীয়া পৰামৰ্শ আদান-প্ৰদানৰ বাবে এক ৰাষ্ট্ৰীয় শৈক্ষিক প্ৰযুক্তি মঞ্চ নামেৰে এক স্বায়ত্তশাসিত সংস্থা স্থাপনৰ পৰিকল্পনা কৰা হৈছে। এই মঞ্চখন সমগ্ৰ দেশৰ শিক্ষাৰ্থী, শিক্ষক আৰু শিক্ষাবিদসকলৰ বাবে উপযুক্ত হ'ব আৰু তেওঁলোকৰ নিজ নিজ প্ৰতিষ্ঠানত উদ্যোগী শিক্ষাৰ প্ৰচাৰৰ বাবে তেওঁলোকৰ অভিজ্ঞতা, অন্তৰ্দৃষ্টি আৰু সৰ্বশ্ৰেষ্ঠ পদ্ধতিবোৰৰ আদান-প্ৰদানৰ সুযোগ প্ৰদান কৰিব।

৩। ষ্টাৰ্ট আপৰ বাবে প্ৰয়োজনীয় পৰীক্ষাগাৰৰ সুবিধা আৰু নেটৱৰ্কৰ জৰিয়তে শিক্ষাৰ্থী আৰু শৈক্ষিক উদ্যোগীসকলক প্ৰৱেশাধিকাৰ প্ৰদান কৰিবলৈ বা কিছুমানে চিন্তা কৰিলে নতুন উদ্যোগ আৰম্ভ কৰাৰ বাবে কিছুমান ইনকিউবেচন কেন্দ্ৰ সৃষ্টি আৰু স্থাপন কৰা। চৰকাৰৰ অন্তৰ্ভুক্তি আৰু কিছু পৰিমাণে ডাঙৰ উদ্যোগৰ পৰা লাভ কৰা সমৰ্থন এনে সুবিধা সৃষ্টিৰ বাবে লাভজনক হ'ব পাৰে, যিহেতু আজিৰ পৰিস্থিতিত, এজন উদীয়মান উদ্যোগীৰ বাবে ইনকিউবেচন কেন্দ্ৰৰ সংস্পৰ্শলৈ অহাটো মূলতঃ প্ৰয়োজনীয়।

৪। যিহেতু উদ্ভাৱনী ধাৰণা আৰু উদ্ভাৱনী মূলক ধাৰণা প্ৰয়োগকে ধৰি সকলো ধৰণৰ বিকাশৰ বাবে বিত্ত এক অনাৱশ্যকীয় উপাদান, চৰকাৰে কেৱল উদীয়মান শিক্ষাৰ্থীক তেওঁলোকৰ কেৱল শিক্ষা সম্পূৰ্ণ হোৱাৰ পিছত নহয়, যুৱ প্ৰতিভাক সজ্জিত কৰা প্ৰতিষ্ঠানসমূহক বিত্তীয় সাহায্য প্ৰদান কৰিবলৈ আগবাঢ়ি আহিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। লগতে, চৰকাৰে উচ্চাকাংক্ষী উদ্যোগীসকলক কম সূতৰ ঋণ, অনুদান আৰু অন্যান্য বিত্তীয় সাহায্য আগবঢ়াব।

এতিয়া আমি উত্তৰ-পূব ভাৰতলৈ আহিব পাৰোঁ। ভাৰতৰ উত্তৰ-পূব অঞ্চলত বিভিন্ন ক্ষেত্ৰত যথেষ্ট উদ্যোগী সম্ভাৱনা আছে আৰু দেখা গৈছে যে এনে সম্ভাৱনাবোৰ এতিয়াও কেৱল পৰম্পৰাগত কৃষকসকলৰ দ্বাৰাই নহয়, যুৱক-যুৱতীসকলেও অনুসন্ধান আৰু সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা নাই।

চেৰিকালচাৰ হৈছে এক কৃষি আধাৰিত শ্ৰমিক অন্তৰ্ভুক্ত আৰু শ্ৰম কেন্দ্ৰীক উদ্যোগ, যি গাঁও আৰু নগৰ/চহৰবোৰত নিযুক্তিৰ সুযোগ সৃষ্টি কৰাৰ পৰ্যাপ্ত সুযোগ প্ৰদান কৰিব পাৰে যাৰ ফলত অঞ্চলটোৰ উদ্যোগীসকলৰ অৰ্থনৈতিক উন্নতি হ'ব পাৰে। উত্তৰ-পূব ভাৰতৰ এই অঞ্চলৰ সৌহাদ্যপূৰ্ণ জলবায়ুৰ পৰিস্থিতিয়ে ৰেচমসূতা আধাৰিত ক্ষুদ্ৰ উদ্যোগ যেনে পাট, এৰি, টচ আৰু মুগাৰ বিকাশৰ বাবে অপৰিসীম সম্ভাৱনাৰ জন্ম দিছে। উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে ওচৰৰ সাম্ভাব্য মানৱ সম্পদ ব্যৱহাৰ কৰি অঞ্চলটোক কম সময়ৰ

ভিতৰতে এক চেৰিকালচাৰ কেন্দ্ৰ কৰি তুলিব পাৰে। এই সকলোবোৰ ৰেচমসূতাই ইতিমধ্যে ৰাজ্যখনলৈ সুনাম অৰ্জন কৰিছে। আমি এই অভিযানটো আগবঢ়াবলৈ এক বিশেষ কৰ্মশক্তি সৃষ্টি কৰিব লাগিব য'ত আমাৰ মহাবিদ্যালয়সমূহে সক্ৰিয় অংশগ্ৰহণ কৰিব পাৰে।

এই অঞ্চলটো হৈছে কৃষি-উদ্যান শস্যৰ পৰ্যাপ্ত উৎপাদক, যেনে নাচপতি, প্লাম, নৰা বগৰী, নেমু, অমিতা, কল, মধুৰিআম, আম, লিচু, আনাৰস আৰু কঁঠাল ইত্যাদি। এই সকলোবোৰ ফলৰ ৰপ্তানিৰ প্ৰচুৰ সম্ভাৱনা আৰু মূল্য সংযোজনৰ সম্ভাৱনা আছে। এইটো এনে এটা ক্ষেত্ৰ য'ত অঞ্চলটোৰ উদ্যোগীসকলৰ বাবে খাদ্য প্ৰস্তুত কৰণ পৰা প্ৰক্ৰিয়াকৰণ পৰ্যন্ত গোট আৰম্ভ কৰাৰ উচ্চ সম্ভাৱনা আছে। বনৌষধি, গছ আৰু অঞ্চলটোৰ কিছুমান ঘাঁহ য'ত নিউট্ৰেচুটিকেল আৰু ফাৰ্মাচিউটিকেল সম্ভাৱনা আছে, অদূৰ ভৱিষ্যতে ব্যৱসায় এটা সম্প্ৰসাৰিত কৰাৰ বাবে ই এক ভাল উৎস হ'ব পাৰে। উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে গৱেষণাৰ জৰিয়তে ইয়াৰ পৰা লাভালাভ প্ৰাপ্ত কৰিবলৈ চেষ্টা কৰিব পাৰে।

ফুলৰ খেতি আন এক ক্ষেত্ৰ য'ত সম্ভাৱনা পৰ্যাপ্ত আছে। উপযুক্ত কৃষি জলবায়ুৰ পৰিস্থিতিৰ সৈতে কটা ফুল, অলংকাৰিক উদ্ভিদ, ফুলৰ গছ, ফুলৰ গুটি, বনছাই, বীজ আৰু উদ্ভিদৰ বিকাশৰ বাবে ভাল পৰিসৰ আছে। অৰ্কিডৰ কটা ফুলৰ চাহিদা যোৱা কিছু বছৰত বহুগুণে বৃদ্ধি পাইছে। উচ্চ শিক্ষানুষ্ঠানসমূহে পেকেজিং পদ্ধতি আৰু চপোৱাৰ পিছৰ প্ৰযুক্তিও বিকশিত কৰিবলৈ গৱেষণা কৰাৰ কথা ভাবিব পাৰে যাতে এই সামগ্ৰীসমূহ সহজে বজাৰলৈ প্ৰেৰণ কৰিব পৰা যায়।

অসমৰ মছলা আন এটা লাভজনক উপাদান যিবোৰক মূল্য সংযোজিত সামগ্ৰীলৈ ৰূপান্তৰিত কৰি বজাৰ মূল্য বৃদ্ধি কৰিব পাৰি। এতিয়ালৈকে মাত্ৰ এমুঠিমান মানুহহে এই খণ্ডত নিয়োজিত হৈ আছে।

ক্ষুদ্ৰ পৰিসৰ আৰু কুটিৰ উদ্যোগ আন এটা ক্ষেত্ৰ য'ত এটা উচ্চ শিক্ষা প্ৰতিষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে দক্ষ পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰিব পাৰে। নাৰ্চাৰী, হাইড্ৰ'পনিক্স বাগিচা, সৰু জৈৱিক বাগিচা, আচাৰ প্ৰস্তুত কৰা, ফলৰ ৰস বনোৱা, হস্ততাঁত আৰু হস্তশিল্পৰ ডিজাইনিং আদি কিছুমান সৰু সৰু আয়ৰ উদ্যোগ যিবোৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ হস্তক্ষেপৰ জৰিয়তে সম্প্ৰসাৰণ কৰিব পাৰি। এই সকলোবোৰ ক্ষেত্ৰ শ্ৰমমুখী আৰু এইবোৰে নিয়োগৰ বিশাল সুযোগ প্ৰদান কৰাৰ সম্ভাৱনা আছে।

চহকী জৈৱ বৈচিত্ৰ্যৰ বাবে অসমত ইক'টুৰিজিমৰ বহু সম্ভাৱনা দেখা গৈছে যিয়ে ইতিমধ্যে ৰাজ্যৰ কিছু অংশত এটা গতি লাভ কৰিছে। স্থানীয় ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে উচ্চ শিক্ষানুষ্ঠানসমূহে সামান্য বা কম অন্বেষণ কৰা অঞ্চলসমূহ সামৰি ল'ব পাৰে। একেদৰে ঔষধি উদ্ভিদৰ বিশাল ভঁৰালৰ সৈতে ৰাজ্যখনলৈ চিকিৎসা পৰ্যটকক আকৰ্ষণ কৰিবলৈ থলুৱা প্ৰাকৃতিক চিকিৎসা ব্যৱস্থা সম্প্ৰসাৰণ কৰিব পাৰি।

উত্তৰ-পূব অঞ্চল উদ্ভিদৰ পৰা নিষ্কাশন কৰা অত্যাৱশ্যকীয় আৰু সুগন্ধি যৌগসমূহৰ বাবেও বিখ্যাত যিয়ে সঠিকভাৱে নিৰ্দেশনা দিলে উদীয়মান উদ্যোগীসকলক আকৰ্ষণ কৰিব পাৰে। ছাইট্ৰনেলা, নেমু ঘাঁহ, কমলাৰ বাকলি, আদা আৰু বহুতো আৱশ্যকীয় তেলৰ বাবে যথেষ্ট সম্ভাৱনা থকা সামগ্ৰী উপলব্ধ যদিও এতিয়াও

এইবোৰৰ বাণিজ্যিকভাৱে ব্যৱহাৰ হোৱা নাই। বেত আৰু বাঁহৰ সামগ্ৰী, পৰম্পৰাগত চাদৰ, কাপোৰ, মাফলাৰ আৰু টুপী আদিৰ সৌন্দৰ্য্যই ইতিমধ্যে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত সমাদৰ লাভ কৰিছে।

এইবোৰ মাত্ৰ কেইটামান উদাহৰণহে। এই সকলোবোৰ ক্ষেত্ৰতে উদ্যোগ ল'বলৈ উদ্যমী লোকৰ প্ৰয়োজন হ'ব, সেয়েহে উচ্চ শিক্ষানুষ্ঠানসমূহে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ব্যৱসায় আৰম্ভ কৰিবলৈ উৎসাহিত কৰিব পাৰে। যিহেতু বজাৰ শৃংখলৰ অভাৱ, কাৰ্য্যকৰী ধাৰণাৰ অভাৱ, ব্যৱসায় সম্পৰ্কীয় কাৰিকৰী জ্ঞানৰ অভাৱৰ লগতে কাৰিকৰী আৰু পৰিচালনা দক্ষতাৰ অভাৱৰ বাবে অঞ্চলটোত ব্যৱসায়িক উদ্যোগৰ ক্ষমতা কম হোৱা দেখা যায় যদিও, এই সকলোবোৰেই আঁতৰাব পৰা বাধা। উচ্চ শিক্ষানুষ্ঠানসমূহে সেয়েহে উদ্যমিতা ও উদ্যোগীকৰণৰ পৰিৱেশ তন্ত্ৰ সৃষ্টিৰ বাবে আগবাঢ়ি আহিব লাগে যাতে এজন উদীয়মান উদ্যোগীয়ে উৎপাদন সম্পৰ্কীয় শিক্ষাৰ পৰা বেংকিং আৰু বিপণনলৈকে শিকি নিজৰ সপোন পূৰণ কৰিব পাৰে।

আমাৰ অঞ্চলত অৰ্ধপ্ৰশিক্ষিত, ইংৰাজী, হিন্দীৰ কথন ক্ষমতা থকা, শক্তিশালী উদ্ভাৱনী প্ৰতিভা থকা যুৱক-যুৱতী আছে। তেওঁলোকৰ যুৱকাল এটা সুবিধা হ'লেও তেওঁলোকৰ অনভিজ্ঞতা আৰু প্ৰশিক্ষণৰ অভাৱ এটা ডাঙৰ অসুবিধা। আমি যদিও দেখিছোঁ, যুৱক-যুৱতীসকলৰ দ্ৰুতগতিত আগবাঢ়ি যোৱাৰ প্ৰবল ইচ্ছা থাকে, আমাৰ শিক্ষা ব্যৱস্থাই আগতে তথ্য সন্ধান কৰিবলৈ, সংগঠিত আৰু সমালোচনাত্মক বিশ্লেষণ কৰিবলৈ শিকোৱা নাছিল। যিহেতু নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ য়ে তথ্য খণ্ড, বজাৰ জৰীপ, মূল্য সংযোজন আৰু জনসাধাৰণৰ ধাৰণাত পৰিৱৰ্তন আনিব বিচাৰিছে, সেয়েহে আমাৰ কৰ্তব্য হৈছে যুৱক-যুৱতীসকলক উৎসাহিত কৰি পথ প্ৰদৰ্শন কৰাৰ লগতে সৃষ্টিশীল আৰু কাৰ্যক্ষমভাৱে সমস্যা সমাধানৰ বাবে প্ৰশিক্ষণ দিয়া যাতে উত্তৰ-পূবৰ সকলো যুৱক-যুৱতী লাভৱান হ'ব পাৰে আৰু এটা উন্নত অৱস্থাৰ দিশে আগবাঢ়িব পাৰে।

❖❖❖

*লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সঞ্চালক*

# ছশ বছৰীয়া আহোম ৰাজত্বকালৰ শিক্ষা ব্যৱস্থা ঃ এক চমু অৱলোকন

**ড° পৰাগ ৰাজখোৱা**

**আৰম্ভণি ঃ**

ছশ বছৰীয়া আহোম ৰাজত্বকালৰ শিক্ষা ব্যৱস্থাই অসমীয়া সমাজ জীৱনত সদায়েই এক সমৃদ্ধ ইতিহাস বহন কৰে। যদিওবা দৈনন্দিন জীৱনত টাই ভাষা ব্যৱহাৰ কৰা নহয়, তথাপিতো ইয়াৰ বাবে বৃহত্তৰ অসমীয়া সমাজ সদায় গৌৰৱান্বিত। আহোম শাসন ব্যৱস্থাৰ সময়ত অৰ্থাৎ ১২২৮-১৮২৬ খ্ৰীষ্টপূৰ্বৰ সময়ত প্ৰচলিত শিক্ষা প্ৰণালীয়ে প্ৰশাসন, যুদ্ধ আৰু ধৰ্মীয় আচৰণৰ বাবে প্ৰয়োজনীয় ব্যৱহাৰিক দক্ষতাৰ ওপৰত গুৰুত্ব দিছিল। অসমীয়াত্ব আৰু হিন্দু ধৰ্মৰ উত্থানৰ লগে লগে শিক্ষা ব্যৱস্থাৰ সলনি হ'ল, কিন্তু টাই হিন্দু ভাষা আৰু সাংস্কৃতিক জ্ঞান পুনৰুজ্জীৱিত কৰাৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহ শুভ লক্ষণ।

আজিৰ আলোচনাত আহোমসকলৰ সময়ত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ আলোকপাত কৰিবলৈ চেষ্টা কৰা হৈছে। তলত এনে কিছু দিশ আলোচনা কৰা হৈছে ঃ

**আহোম শিক্ষা ব্যৱস্থাৰ মূল দিশসমূহ ঃ**

আহোমসকলে তেওঁলোকৰ মাতৃভূমিৰ পৰা অসমলৈ আহোঁতে তেওঁলোকৰ নিজস্ব জাতি-সংস্কৃতি বিষয়ক কিছুমান আনুষংগিক গ্ৰন্থ লৈ আহিছিল। এইসমূহৰ ভিতৰত পূজাৰ হাতপুথি, জ্যোতিষীয় গ্ৰন্থ, বৰ্ণনা আৰু ৰোমাঞ্চ সম্পৰ্কীয় গ্ৰন্থ অন্তৰ্ভুক্ত আছিল। তেওঁলোকে নিজৰ গৃহভূমিৰ পৰম্পৰা আৰু সংস্কৃতি বজাই ৰাখিছিল। নিজৰ ভাষা আৰু সাহিত্যক বৰ্তাই ৰাখিবলৈ আৰু বিকশিত কৰিবলৈ প্ৰাৰম্ভিক পৰ্যায়ত তেওঁলোকে চেষ্টা কৰিছিল। তেওঁলোকে ৰামায়ণৰ কাহিনীটো আহোম ভাষালৈ অনুবাদ কৰিছিল। শব্দকোষ (Lexicons) সমূহ আহোম ভাষাৰ পৰা অসমীয়া ভাষালৈ আৰু অসমীয়াৰ পৰা আহোম ভাষালৈ সম্পাদনা কৰিছিল। মিন-মাংগা-ফুৰা-লানা (Min-Mang-Phura-Lana) হৈছে তেওঁলোকৰ সৰ্বশ্ৰেষ্ঠ কাম। এটা সৰল কাহিনীৰ ৰূপৰে ই আহোমসকলৰ শুভবাৰ্তাৰ বিশদ বিৱৰণ দিয়ে। আহোমসকলে বিভিন্ন বিষয়ৰ ওপৰত পাণ্ডুলিপি প্ৰস্তুত কৰিছিল। ৰাজপৰিয়ালৰ সদস্য আৰু অভিজাতসকলে ইতিহাস শিকাটো অপৰিহাৰ্য বুলি গণ্য কৰা হৈছিল আৰু পুৰোহিতসকলে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ শাস্ত্ৰ আৰু বুৰঞ্জীৰ শিক্ষা প্ৰদানৰ পৰম্পৰা অব্যাহত ৰাখিছিল।

**প্ৰাথমিক শিক্ষা ঃ**

আহোম শাসকসকলে আহোম ভাষাৰ জৰিয়তে প্ৰাথমিক শিক্ষা আহৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল আৰু তেওঁলোকে আহোম ভাষা শিকোৱাৰ বাবে পণ্ডিতসকলক নিয়োগ কৰিছিল। আহোমৰ শিক্ষাৰ সন্দৰ্ভত এন.কে. বসুৱে লিখিছিল যে- "ৰাজ্যখনৰ সেৱাৰ বাবে মুখ্য পণ্ডিতক ৭০০০ পুৰা ভূমি আৰু ২০ জন পৰিচাৰক দিয়া হৈছিল। পালি-পণ্ডিত বা অধীনস্থ পণ্ডিতসকলকো ৬ পুৰা ভূমি আৰু প্ৰত্যেককে দুজন পাইকৰ অনুমতি দিয়া হৈছিল। আহোম ভাষাৰ শিক্ষা, বুৰঞ্জী অধ্যয়নৰ প্ৰচাৰ আৰু আহোম ভাষাত কিতাপ লিখা আৰু সেইবোৰৰ সংৰক্ষণ আদি বিষয়ৰ দায়িত্ব চিৰিংফুকন আৰু বৰ চিৰিং বৰুৱা নামেৰে দুজন বিষয়াৰ হাতত অৰ্পন কৰা হৈছিল। আহোম বৰ্ণমালা শিকাৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়া আৰু শেষত আহোম ধৰ্মীয় ধাৰণা আৰু বুৰঞ্জী অধ্যয়নলৈ যোৱাৰ আগতে ব্যাকৰণ শিকিব আৰু মনত ৰাখিবলগীয়া হৈছিল। প্ৰায় সকলো সন্মানীয় আহোম পুত্ৰ আৰু বিশেষকৈ আহোম পুৰোহিত শ্ৰেণীৰ দেওধাই, মহন আৰু বাইলুঙৰ পুত্ৰসকলক আহোম ভাষাত প্ৰশিক্ষণ দিয়া হৈছিল।"

**ইতিহাসৰ শিক্ষা ঃ**

টাই-আহোম শিক্ষা ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হৈছে ইতিহাস শিক্ষাৰ ওপৰত দিয়া বিশেষ গুৰুত্ব। অভিজাত আহোমসকলৰ বাবে বুৰঞ্জী জ্ঞানক অত্যাৱশ্যকীয় বুলি গণ্য কৰা হৈছিল। বুৰঞ্জী লিখা আৰু সংৰক্ষণ কৰাটো ৰাজপৰিয়াল আৰু অভিজাত শ্ৰেণীৰ প্ৰতিজন আহোমৰ এক পৱিত্ৰ কৰ্তব্য বুলি গণ্য কৰা হৈছিল। যিহেতু ভাষাৰ জ্ঞান অবিহনে ইতিহাস শিকা সম্ভৱ নাছিল, সেয়েহে ভাষা অধ্যয়নকো এক পৱিত্ৰ কৰ্তব্য বুলি গণ্য কৰা হৈছিল। আহোম বিবাহ অনুষ্ঠানৰ সময়ত বুৰঞ্জী পাঠ কৰাৰ প্ৰথা আছিল।

দৰাচলতে, প্ৰাৰম্ভিক পৰ্যায়ত আহোম ৰজাসকলে আহোম ভাষাক ৰাজসভা, সংস্কৃতি আৰু বুৰঞ্জীৰ ভাষা হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল আৰু বুৰঞ্জী আৰু অন্যান্য ৰাজসভাৰ নথিপত্ৰসমূহ আহোম ভাষাতে প্ৰথমে লিখিছিল। কিন্তু বিষয়বোৰ বিদেশী ভাষাটোৰ দ্বাৰা বুজিব পৰা নগ'ল। সেয়েহে, আহোম আৰু অসমীয়া দুয়োটা ভাষাতে বুৰঞ্জী লিখাৰ প্ৰথা বিকশিত হৈছিল। সময়ৰ লগে লগে যেতিয়া শাসকসকলে অসমীয়া ভাষা গ্ৰহণ কৰিছিল, এই প্ৰথা আঁতৰাই বুৰঞ্জী কেৱল অসমীয়া ভাষাতহে লিখা হৈছিল। আহোমসকলৰ বুৰঞ্জী শিক্ষাৰ সম্পৰ্কে জি.এ. গ্ৰিয়াৰছনে লিখিছিল যে "অসমীয়া লোকসকল তেওঁলোকৰ জাতীয়, সাহিত্যক লৈ গৌৰৱান্বিত। ঐতিহাসিক কামবোৰ অসংখ্য আৰু বৃহৎ। এজন অসমীয়া ভদ্ৰলোকৰ বাবে বুৰঞ্জীৰ জ্ঞান অপৰিহাৰ্য যোগ্যতা আছিল।"

**মহিলা শিক্ষা ঃ**

আহোম শাসনকালত মহিলাৰ শিক্ষা অতি সীমিত আছিল। তথাপিতো আহোম যুগত শিক্ষিত আৰু জ্ঞানী মহিলাৰ উদাহৰণ কিছু কিছু পোৱা যায়। এওঁলোকৰ ভিতৰত অন্যতম হৈছে চৌচিং কুঁৱৰী। তেওঁৱেই গড়গাঁৱৰ 'গড়' গঢ়ি তোলাৰ পৰামৰ্শ দিছিল। তেওঁৰ পৰামৰ্শ অনুসৰি বৰপাত্ৰ গোহাঁইৰ পদ সৃষ্টি কৰা হৈছিল। বুৰঞ্জীসমূহত কোৱা হৈছে যে গুণগত মান আৰু

সৌন্দৰ্য দুয়োটাতে তেওঁৰ শ্ৰেষ্ঠত্ব আছিল আৰু তেওঁ পুত্ৰসকলৰ সহায়ত আহোম ভাষা লিখিব পাৰিছিল। কিছুমান আহোম ৰাণী আৰু ৰাজকুমাৰীয়ে দেশৰ প্ৰশাসন কলাত অসাধাৰণ দক্ষতা অৰ্জন কৰিছিল। শিৱসিংহৰ তিনিগৰাকী ৰাণীয়ে ইয়াৰ উদাহৰণ বহন কৰিছে। অসমৰ ইতিহাসত ফুলেশ্বৰী কুঁৱৰীৰ নাম সোণালী আখৰেৰে লিখা আছে। কিয়নো তেওঁ ৰাজধানীত মহিলাৰ সূঁতা কটা আৰু কাপোৰ বোৱাৰ বাবে এখন বিদ্যালয় স্থাপন কৰা প্ৰথম গৰাকী মহিলা। ৰাণী অম্বিকা আৰু প্ৰমোদ কুঁৱৰীয়ে সাহিত্যৰ সৃষ্টিশীলতাক উৎসাহিত কৰি শিক্ষাৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। বৃত্তিমূলক শিক্ষাৰ ক্ষেত্ৰত আহোম যুগৰ মহিলাসকলৰ অৱদান স্মৰণীয়। বয়ন কলা শিকাটো প্ৰতিগৰাকী অসমীয়া মহিলাৰ এক পৱিত্ৰ কৰ্তব্য বুলি গণ্য কৰা হৈছিল আৰু এনে জ্ঞানৰ অভাৱক অযোগ্যতা বুলি গণ্য কৰা হৈছিল। ইয়াৰ ফলত বয়নৰ জ্ঞান প্ৰায় প্ৰতিঘৰ পৰিয়ালতে বিদ্যমান আছিল আৰু এক অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বাগৰি গৈছিল।

**কাৰিকৰী শিক্ষা ঃ**

আনুষ্ঠানিক টাই আহোম শিক্ষা ব্যৱস্থা মুষ্টিমেয় লোকৰ মাজতে সীমাবদ্ধ আছিল। অৱশ্যে জনসাধাৰণৰ শিক্ষাৰ এক বিশাল অনানুষ্ঠানিক খণ্ড আছিল য'ত কলা আৰু কাৰুশিল্প পৰম্পৰাগত দক্ষতা প্ৰজন্মৰ পৰা প্ৰজন্মলৈ হস্তান্তৰ কৰা হৈছিল। মোমাই তামুলী বৰবৰুৱাই প্ৰতাপ সিংহৰ ৰাজত্বকালত গাঁওবোৰ পুনৰ সংগঠিত কৰিছিল আৰু কুমাৰ, কমাৰ, সোণ কামৰ, ৰূপ কামৰ আদিৰ বাবে পৃথক পৃথক শ্ৰেণী স্থাপন কৰিছিল। ইয়াৰ ফলত এই কলাৰ জ্ঞান বংশগত হৈ পৰিছিল। এন.কে.বসুৱে কোৱাৰ দৰে বিভিন্ন ধৰণৰ খেল বা পাইকৰ ব্যৱস্থা যেনে— জাপিসজীয়া, জাঠিপতীয়া, ধেনুচোঁচা, শিলাকুটি, খনিকৰ ইত্যাদিৰ জৰিয়তেও সংশ্লিষ্ট পাইকৰ সদস্য আৰু তেওঁলোকৰ উত্তৰাধিকাৰীসকলৰ মাজত বংশগতভাৱে বিভিন্ন কুটীৰ উদ্যোগত পেছাদাৰী দক্ষতা গঢ়ি তুলিছিল। চাংৰুং ফুকন স্থাপত্য কামৰ দায়িত্বত আছিল। উদাহৰণস্বৰূপে মন্দিৰ, ৰাজপ্ৰসাদ, মৈদাম (সমাধিস্থল), দলং আদিৰ পৰিকল্পনা আৰু নিৰ্মাণৰ দায়িত্ব এওঁলোকৰ আছিল। শিল্পীসকলৰ যোগ্যতা আৰু দক্ষতাৰ বাবে কিতাপৰ জ্ঞানৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল, যোগ্যতা, কাম আৰু অনুশীলনৰ জৰিয়তে আহৰণ কৰা জ্ঞান আৰু কৌশল ওপৰতহে গুৰুত্ব দিয়া হৈছিল।

**আধ্যাত্মিক শিক্ষা ঃ**

আহোম ৰজাসকলে আধ্যাত্মিক শিক্ষাৰ গুৰুত্ব বুজি পাইছিল। পুৰোহিতসকলক নৈতিকতা আৰু ধৰ্মৰ শিক্ষা প্ৰদান কৰিবলৈ উৎসাহিত কৰা হৈছিল। দেওধাই, মহন আৰু বাইলুঙে আহোম আচৰণ বিধি প্ৰচাৰ কৰিছিল। ৰজা কমলেশ্বৰ সিংহৰ মাতৃয়ে নৈতিক নিয়মাৱলী জ্ঞান আৰু অনুশীলন সহজ কৰি তুলিবলৈ বাগীশ (Bagis) নামৰ এজন ব্ৰাহ্মণ কবিৰ 'হিতোপদেশ' অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। আহোম শাসকসকলে ৰাজ্যত আধ্যাত্মিক শিক্ষাৰ প্ৰচাৰৰ বাবে সংস্কৃত শিক্ষা আৰু বৈষ্ণৱ সত্ৰসমূহৰ পৃষ্ঠপোষকতা কৰিছিল।

**সাধাৰণ লোকৰ শিক্ষা ঃ**

টাই আহোম শিক্ষা ব্যৱস্থাত আনুষ্ঠানিক শিক্ষা নির্বাচিত কিছুলোকৰ মাজতে সীমাবদ্ধ আছিল। শিক্ষাৰ প্ৰধান অনানুষ্ঠানিক সংস্থাসমূহৰ ভিতৰত নামঘৰ, ভৱন, নৃত্য, সংগীত, চিত্ৰকলা, কলা, স্থাপত্য, ভাস্কৰ্য, লোক-সাহিত্য, লোক-সংগীত, লোক-নৃত্য, ডাকৰ বচন, প্ৰবাদ, খেল ব্যৱস্থা, কুটীৰ উদ্যোগ আদি জনপ্ৰিয় য'ত আছিল এই পৰম্পৰা টাই-আহোম ব্যৱস্থাৰ বাহিৰেও অব্যাহত আছিল।

শৰাইঘাটৰ যুদ্ধৰ পূৰ্বে ৰজা চক্ৰধ্বজ সিংহ সশস্ত্ৰ বাহিনীৰ বাবে প্ৰস্তুতিমূলক প্ৰশিক্ষণৰ বাবে স্থাপন কৰা প্ৰশিক্ষণ শিবিৰত উপস্থিত আছিল আৰু ব্যক্তিগতভাৱে প্ৰশিক্ষণৰ তত্ত্বাৱধান আৰু নিৰ্দেশনা দিছিল। এইটো আহোমৰ দিনত সেনা জোৱানসকলৰ বিস্তৃত প্ৰশিক্ষণ ব্যৱস্থাৰ এক উদাহৰণ। হিলৈধাৰী কোঁৱৰসকলক বন্দুক চালনা, বৰটোপ আৰু বন্দুক-পাউডাৰ আৰু গোলা-বাৰুদ ব্যৱহাৰৰ প্ৰশিক্ষণ দিয়া হৈছিল।

এগৰাকী সম্ভ্ৰান্ত আহোম চমুৱাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কাম আছিল দেশৰ প্ৰতিৰক্ষাৰ বাবে যুদ্ধলৈ যোৱা। যুদ্ধত দক্ষতা প্ৰদৰ্শনৰ পিছত ৰাজকীয় স্বীকৃতিৰ চিন স্বৰূপে ভূমি আৰু কাৰ্যালয় অনুদানৰ ৰূপত পুৰস্কাৰ দিয়া হৈছিল। এই ৰাজকীয় অনুশীলনে আহোম যুৱক-যুৱতীসকলক তৰোৱাল চলোৱা আৰু যাঠী চলোৱাত দক্ষতা অৰ্জন কৰিবলৈ এক বৃহৎ প্ৰেৰণা হিচাপে কাম কৰিছিল আৰু আনুষ্ঠানিক সামৰিক একাডেমীৰ সুবিধা অবিহনেও প্ৰতিটো ঘৰ একোটা প্ৰশিক্ষণ কেন্দ্ৰত পৰিণত হৈছিল। ৰাজ পৰিয়ালৰ যুৱকসকলে সামৰিক প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক আছিল। দৰাচলতে, আহোম প্ৰশাসনিক ব্যৱস্থাত এনে কোনো শাখা নাছিল, যি সম্পূৰ্ণৰূপে অসামৰিক আছিল। সকলো বিষয়া আৰু 'পাইক' যুদ্ধলৈ যাবলৈ বাধ্য আছিল আৰু সেয়েহে তেওঁলোকে সামৰিক প্ৰশিক্ষণৰ এটা পাঠ্যক্ৰমৰ মাজেৰে পাৰ হ'ব লগা হৈছিল আৰু দেশৰ বাবে যুদ্ধ কৰিবলৈ সদায় সাজু হৈ থাকিবলগীয়া হৈছিল।

গেৰিলা যুদ্ধত আহোমসকলৰ অনন্য দক্ষতা আছিল। এই যুদ্ধৰ কৌশল হিচাপে তেওঁলোকে ৰাতিৰ অন্ধকাৰত দুৰ্গবোৰৰ পৰা ওলাই আহি হঠাতে শত্ৰুৰ ওপৰত আক্ৰমণ কৰিছিল। শত্ৰুসৈন্য পিছুৱাই যোৱাৰ লগে লগে তেওঁলোকক আঘাত কৰা। এই কৌশলসমূহৰ জৰিয়তে তেওঁলোকে মীৰজুমলাৰ সেনাৰ কাৰ্যকলাপ প্ৰায় নিষ্ক্ৰিয় কৰাত সফল হৈছিল।

চুকাফাই চুতীয়া, মৰাণ, বৰাহী, নগা আৰু কছাৰী ৰাজ্যসমূহলৈ কেইবাটাও অভিযান চলাইছিল। উত্তৰ, দক্ষিণ আৰু পূবৰ পাহাৰীয়া চুবুৰীয়াৰ বিৰুদ্ধে অবিৰত যুদ্ধৰ নীতিয়েও আহোম সামৰিক সংগঠনৰ দক্ষতাৰ বিষয়ে উচ্চস্তৰীয় বতৰা দিয়ে।

আহোম সেনাৰ মূল শক্তি পিছলৈ বলপূৰ্বক বন্দী আৰু নতুন নিযুক্তিৰ জৰিয়তে শক্তিশালী কৰা হৈছিল। এই বিশাল সেনাবাহিনী নাগৰিক সেনাৰ প্ৰকৃতিৰ নাছিল। এওঁলোকৰ ৰজাই যথাযথভাৱে পাৰিতোষিক প্ৰদান কৰা এক নিয়মীয়া স্থায়ী সেনা আছিল। নগদ ধন পৰিশোধৰ পৰিমাণ সীমিত আছিল যাৰবাবে হয়তো মাটি বা শ্ৰমিক পাৰিশ্ৰমিক দিয়া হৈছিল।

আহোমসকলে তেওঁলোকৰ যুদ্ধ আৰু বিজয়ত আৰু সীমান্ত ৰক্ষা কৰাৰ কামত সামন্তবাদী নাগৰিক সেনাৰ সেৱা আগবঢ়াইছিল। ভূঁঞা আৰু

অন্যান্য প্ৰধানসকলৰ দ্বাৰা যোগান ধৰা সৈন্যদলে সম্ভৱতঃ সামন্তবাদী দায়বদ্ধতাৰ ভিত্তিত কাম কৰিছিল। আহোম-সামন্তবাদী নাগৰিক সেনা ব্যৱস্থা আৰু মোগলৰ পৰা মূল ধাৰণাটো লাভ কৰিছিল যাৰ সৈতে তেওঁলোকে ৰাজনৈতিক সম্পৰ্ক বজাই ৰাখিছিল।

পদাতিক বাহিনী, অশ্বাৰোহী বাহিনী, হাতী, নৌ-বাহিনী, গোলন্দাজ বাহিনী আৰু চোৰাংচোৱাৰে গঠিত আহোম সেনা সম্পূৰ্ণ পৰিপূৰক।

পদাতিক বাহিনী আছিল আহোম সামৰিক ব্যৱস্থাৰ মেৰুদণ্ড। স্থানীয় ইতিবৃত্তসমূহে আহোম যুগত পদাতিক বাহিনীৰ গুৰুত্ব প্ৰতিফলিত কৰে। দৰাচলতে শুকান বা সেমেকা বতৰতে অস্ত্ৰ-শস্ত্ৰ আৰু সামৰিক অনুশীলন হাতত লোৱাৰ ক্ষেত্ৰত পদাতিক বিশেষজ্ঞৰ উৎকৃষ্টতাৰ ওপৰত আহোম শাসকসকলৰ শক্তি নিৰ্ভৰ কৰিছিল। সাধাৰণতে পাৰ্চী লেখকসকলে আহোম পদাতিক সৈনিকসকলৰ মহান কাৰিকৰী দক্ষতা আৰু সাধাৰণ উৎকৃষ্টতাৰ সাক্ষ্য দিয়ে। 'ফাথিয়া-ই-ইব্ৰিয়া'ত উল্লেখ কৰা হৈছে যে তেওঁলোকৰ অতি কম সংখ্যক সৈন্যই প্ৰায়ে যুদ্ধত হাজাৰ হাজাৰ চেকমেট কৰে। সেয়েহে আলামোয়াৰ-নামাহে এনেদৰে কয় যে তেওঁলোকৰ ভিতৰত এজনেই দহজন মুছলমান সৈনিকৰ বাবে অধিক আছিল। আহোম সেনাবাহিনীত বিষয়াসকল শ্ৰেণীবিভাজনৰ নিয়ম আছিল। পাইকসকলক বৰা আৰু হাজৰিকাসকলে তত্ত্বাবধান কৰিছিল। তেওঁলোকক বৰুৱা, ৰাজখোৱা আৰু ফুকনৰ দৰে উচ্চ সামৰিক বিষয়াসকলে নেতৃত্ব দিছিল। ফুকনসকল আছিল ৬০০, ৰাজখোৱাসকল ৩০০০, বৰুৱাসকল ২০০০, হাজৰিকাসকল ১০০০ আৰু বৰাসকলৰ ২০ জন সৈনিকৰ সেনাপতি আছিল। আহোম সেনাৰ অশ্বাৰোহী বাহিনীয়ে আহোম শাসনকালত মূল ভূমিকা পালন কৰিছিল। ৰাজকুমাৰ চুকাফাৰ মূল সেনাবাহিনীত ৩০০ টা ঘোঁৰা থকাৰ কথাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰি।

আহোমসকলে ভূটানৰ পৰা ঘোঁৰা আমদানি কৰিছিল। যুদ্ধত আহোম অশ্বাৰোহীবাহিনীৰ বিশেষ কাম আছিল অনুশীলনৰ তত্ত্বাৱধান, ইয়াৰ পক্ষসমূহৰ সুৰক্ষা, প্ৰথম আক্ৰমণ, সেনাৰ গতিবিধি সলনি কৰা, অনুসৰণ কৰা আদি। আহোম সেনাৰ বাবে ঘোঁৰা ইমান প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ আছিল যে তেওঁলোকৰ নিযুক্তি আৰু সঠিক প্ৰশিক্ষণৰ চোৱাচিতা কৰিবলৈ চৰকাৰৰ এটা বিভাগ আছিল। ঘোঁৰাবৰুৱা ঘোঁৰাৰ দায়িত্বত আছিল আৰু ঘোঁৰাৰ হিচাপ-নিকাচ ৰাখিবলগা হৈছিল। ঘোঁৰাবোৰক তেওঁলোকৰ প্ৰজাতি, বয়স, ৰং আৰু আকাৰ অনুসৰি শ্ৰেণীবদ্ধ কৰা হৈছিল। যুদ্ধত আহোম অশ্বাৰোহী বাহিনীৰ নেতৃত্ব দিয়টোও ঘোঁৰাবৰুৱাৰ কৰ্তব্য আছিল।

অশ্বাৰোহীসকলৰ পিছত হাতী বাহিনীয়ে আহোম সামৰিক ব্যৱস্থাত বিশিষ্ট স্থান দখল কৰিছিল। অক্লান্ত বিজয় আৰু সম্প্ৰসাৰণ হাতীৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল আছিল। পথবিহীন স্থানত কাম কৰাৰ বাবে সন্মুখৰ শাৰীত হাতী ব্যৱহাৰ কৰা হৈছিল। এইবোৰ নদী পাৰ হোৱাৰ বাবে প্লাংকবোৰ সুৰক্ষিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। দুৰ্গম স্থানবোৰত প্ৰৱেশ কৰা, প্ৰাচীৰ, দুৱাৰ, টাৱাৰ আৰু সেইবোৰৰ ওপৰত থকা কোঠবোৰ ধ্বংস কৰা আৰু ধন-সম্পদ কঢ়িয়াই নিয়াৰ বাবে ইয়াক ব্যৱহাৰ কৰা হৈছিল। এই কাৰণবোৰৰ বাবে ৰাজকুমাৰ চুকাফাৰ সৈন্যবাহিনীৰ নেতৃত্ব দিছিল হাতীৰ এটা দলে। যুদ্ধ বাহিনী

হিচাপে হাতীৰ প্ৰশিক্ষণ আৰু দক্ষতা যুদ্ধ কাৰ্যালয়ৰ এটা বিশেষ শাখাই চোৱাচিতা কৰিছিল। এই বিভাগৰ দায়িত্বত আছিল হাতীবৰুৱা নামৰ এজন বিষয়ায়। তেওঁৰ অধীনস্থ নিয়মীয়া কৰ্মচাৰীসকলে ৰাজ্যখনৰ বাবে পৰ্যাপ্ত হাতী বাহিনী গঢ়ি তোলাৰ বাবে প্ৰয়োজনীয় কৰ্তব্য আৰু কাৰ্যকলাপত অংশগ্ৰহণ কৰিছিল।

শান্তি আৰু যুদ্ধৰ সময়ত গুপ্তচৰ মোতায়েন কৰাটো আহোম সেনাৰ এক নিয়মীয়া অভ্যাস আছিল। চোৰাংচোৱাসকলে সামৰিক ব্যৱস্থাত এক অপৰিহাৰ্য অংশগ্ৰহণ কৰিছিল। সামৰিক সামৰ্থৰ ওপৰত ভিত্তি কৰিয়ে আহোম শাসনৰ শক্তি নিৰ্ভৰ কৰিছিল।

যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰবোৰ আছিল তৰোৱাল, যাঠি, কুঠাৰ, গদা, ড্ৰেগাৰ, ধনু, আৰু কাঁড় আদি এই সমূহৰ দ্বাৰা আহোম সৈন্যসকলক যুদ্ধক্ষেত্ৰত দৃঢ়ভাৱে থিয় হ'বলৈ প্ৰশিক্ষণ দিয়া হৈছিল। সংখ্যাগত শক্তিৰ উপৰি আহোমসকলৰ শাৰীৰিক শক্তি, সাহস আৰু সহনশীলতা আছিল সামৰিক শ্ৰেষ্ঠতাৰ কিছুমান নিৰ্ণায়ক। ইয়াৰ উৎকৃষ্টতা সম্পূৰ্ণ প্ৰশিক্ষণৰ পিছত নিশ্চিতভাৱে লাভ কৰা হৈছিল।

আহোম সেনা সংগঠনে কঠোৰ অনুশাসন পালন কৰিছিল। এইটো পাৰ্চী বুৰঞ্জীবিদ চিহাবুদ্দিন তালিছৰ পৰা জানিব পৰা গৈছিল যি উল্লেখ কৰিছিল যে যুদ্ধক্ষেত্ৰত যিকোনো অভিযোগৰ বাবে সৈনিকসকলৰ মূৰ কাটি দিয়া হয়।

আহোম সামৰিক সংগঠনৰ মূল আকৰ্ষণীয় বৈশিষ্ট্য আছিল সেনা চিকিৎসা সেৱাৰ ব্যৱস্থা। চিকিৎসক বা বেজবৰুৱাই কম্পাউণ্ডৰসকলৰ সৈতে সেনাবাহিনীত অংশগ্ৰহণ কৰিছিল। এই চিকিৎসকসকলক ঔষধ আৰু অস্ত্ৰোপচাৰৰ সঁজুলি প্ৰদান কৰা হৈছিল। তাত পশু চিকিৎসকো আছিল। তেওঁলোকৰ কৰ্তব্য কেৱল ঘোঁৰা, হাতী আৰু অন্যান্য জীৱ-জন্তুৰ ৰোগ নিৰাময় কৰাতেই সীমাবদ্ধ নাছিল, তেঁওলোকৰ শাৰীৰিক বিকাশ যাতে বাধাগ্ৰস্ত নহয় সেইয়া চোৱা চিতা কৰাৰ দায়িত্বতো তেওঁলোক আছিল।

অসমীয়া সৈনিকসকল বিভিন্ন কাৰ্যকলাপৰ মুৰব্বী আছিল। তেওঁ কৃষক আৰু ঘৰৰ গৰাকী হিচাপেও কাম কৰিছিল। সীমা বেৰ নিৰ্মাণ, নৌকা চালনা, সাঁতোৰ, খনন আৰু গৃহ নিৰ্মাণ এজন অসমীয়া কৃষকৰ স্বাভাৱিক বৃত্তি আছিল আৰু এই বৈচিত্ৰপূৰ্ণ জ্ঞানে তেওঁৰ সামৰিক কেৰিয়াৰৰ ওপৰত প্ৰভাৱ পেলাইছিল। এই বহুমুখিতাই অম্বৰৰ মোগল সেনাপতি ৰজা ৰামসিংহক হতবাক কৰিছিল।

এজন মুছলমান ইতিহাসবিদ মহম্মদ কাজিমে স্বীকাৰ কৰিছিল যে অসমৰ ৰজাসকলে উচ্চাকাংক্ষা নিয়ন্ত্ৰণ কৰিছিল আৰু হিন্দুস্তানৰ আটাইতকৈ বিজয়ী ৰাজকুমাৰসকলৰ বিজয় নিয়ন্ত্ৰণ কৰিছিল, তেওঁলোকৰ বিৰুদ্ধে যুদ্ধৰ সমাধানেই বিশ্বৰ বিজয়ী বুলি অভিহিত কৰা নায়কসকলৰ প্ৰৱেশক আচৰিত কৰি তুলিছিল।

আহোম শাসনকালৰ অসমৰ সশস্ত্ৰ বাহিনীয়ে বিশ্বাসঘাতকতা কৰাৰ দৰে উচ্চ পৰ্যায়ৰ সামৰিক দক্ষতা সামৰিক প্ৰশিক্ষণৰ এক দক্ষ ব্যৱস্থা অবিহনে লাভ কৰিব পৰা নাযায়। কিন্তু উৎসৰ অভাৱৰ বাবে সেই প্ৰশিক্ষণ ব্যৱস্থা আৰু সশস্ত্ৰ বাহিনীৰ প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ বিষয়ে অতি কমহে জানিব পৰা যায়। সেয়েহে ইয়াৰ বাবে বুদ্ধিদীপ্ত অনুমান আৰু যৌক্তিক অনুমানৰ ওপৰত সৰ্বাধিক নিৰ্ভৰ কৰিবলগীয়া হয়।

**নৌ-বাহিনীৰ প্ৰশিক্ষণ ঃ**

বহুতো শিলালিপিত আহোম যুগৰ ৰাজকীয় নৌ-বাহিনীৰ বিষয়ে উল্লেখ আছে। ইয়াৰ ভিতৰত বিশেষ উল্লেখ হ'ল কামৰূপৰ সুস্থিতা বৰ্মন আৰু পৰৱৰ্তী গুপ্ত ৰজা মহাসেনা গুপ্তৰ মাজত সংঘটিত এক নৌযুদ্ধৰ কথা উল্লেখ কৰা হৈছে। নিধনপুৰ গ্ৰাণ্টত এটা নৌযুদ্ধৰ কথাও উল্লেখ কৰা হৈছে যিটো সম্ভৱতঃ ভাস্কৰবৰ্মন আৰু বংগৰ ৰজা শশাংকৰ মাজত সংঘটিত হৈছিল। কামৌলি গ্ৰাণ্টত এক গৌৰৱোজ্জ্বল নৌ বিজয় লিপিবদ্ধ কৰা হৈছে যিটো বৈদ্যেদেৱে গংগাৰ মুখৰ ওচৰৰ দক্ষিণ ভাঙ্গাৰ শত্ৰুৰ ওপৰত জয়লাভ কৰিছিল।

হিউৱেনছাঙৰ বিৱৰণে নৌবাহিনীৰ কাৰ্যকলাপৰ ওপৰত কিছু আলোকপাত কৰে। ভাস্কৰবৰ্মনৰ ওচৰত ৩০,০০০ খন জাহাজৰ এটা ফ্লোটিলা আছিল। হিউৱেনছাঙৰ সৈতে বিচ্ছেদ হ'বলৈ অস্বীকাৰ কৰি হৰ্যক জড়িত কৰাত ৰজা আতংকিত হৈ পৰিছিল। তাৰ পিছত আইনৰ মুৰব্বীৰ সৈতে যাত্ৰা আৰম্ভ কৰি তেওঁলোকে একেলগে গঙ্গা পাৰ হৈ শিলাদিত্য ৰজা বাস কৰা স্থানত উপস্থিত হৈছিল। যেতিয়া ভাস্কৰবৰ্মন কামৰূপৰ পৰা কি-চু-হো-কি-লো (কাজুৰগিৰা, ৰাজমহল) দেশত উপস্থিত হৈছিল, তেতিয়া তেওঁ তাত এক আলোচনা অনুষ্ঠিত কৰিছিল আৰু প্ৰথমে কিছুমান লোকক গংগাৰ উত্তৰ পাৰৰ ওপৰত ভ্ৰমণৰ এক পেভিলিয়ন নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিছিল, আৰু তাৰ পিছত এটা নিৰ্দিষ্ট দিনত তেওঁ নদী পাৰ হৈ পেভিলিয়নলৈ আহি তাত 'মাষ্টাৰ অৱ দ্য ল' স্থাপন কৰিছিল, তাৰ পিছত তেওঁ তেওঁৰ মন্ত্ৰীসকলৰ সৈতে নদীৰ উত্তৰ পাৰত শিলাদিত্য ৰজাক সাক্ষাৎ কৰিবলৈ গৈছিল। যেতিয়া হৰ্যই তেওঁলোকৰ প্ৰয়াগত উপহাৰ গ্ৰহণ কৰিবলৈ আহ্বান কৰিছিল তেতিয়া সংকীৰ্ণ স্থানত শিলাদিত্য ৰজা আৰু কুমাৰ ৰজা (ভাস্কৰ বৰ্মণ)ৰ সামৰিক অনুগামীসকলে জাহাজত বহিছিল আৰু ধ্ৰুৱভট্ট ৰজাৰ পৰিচাৰকে তেওঁলোকৰ হাতীসমূহত আৰোহণ কৰিছিল আৰু এনেদৰে এক প্ৰভাৱশালী ক্ৰমৰ ব্যৱস্থা কৰিছিল। তেওঁলোকে নিৰ্ধাৰিত বিধানসভাৰ স্থানলৈ আগবাঢ়ি গৈছিল। ভাস্কৰবৰ্মনৰ নাওবোৰে কেৱল গঙ্গাত যাত্ৰা কৰাই নহয়, দক্ষিণ সাগৰত প্ৰৱেশ কৰাটোও স্পষ্ট হৈছিল।

বনমালাৰ শিলালিপিত ৰাজধানী চহৰ হাৰুপেশ্বৰৰ ওচৰত নদীৰ দুয়ো পাৰত বান্ধি থোৱা ৰাজকীয় জাহাজসমূহৰ এক সুন্দৰ বৰ্ণনা দিয়া হৈছে। নাওবোৰ ভালদৰে খোদিত কৰা হৈছিল আৰু সেইবোৰৰ চলাচল দ্ৰুত আৰু দ্ৰুততৰ কৰিবলৈ বিভিন্ন সঁজুলি প্ৰদান কৰা হৈছিল। তেওঁলোকৰ দায়িত্বত থকা বিষয়াসকল আছিল হৰন্ধকা, জাহাজবন্ধা স্থান ৰখাৰ বাবে দায়বদ্ধ বিষয়া, আৰু নৌ-ৰাজ জাকা, যি হৰ্যৰাজাৰ শিলালিপিত পোৱা যায়। ইয়াৰ অৰ্থ হ'ল এক শ্ৰেণীৰ বিষয়া যি পাৰৰ পৰা ৰছীৰ জৰিয়তে নাওবোৰ বান্ধি দিয়াৰ বাবে দায়বদ্ধ আছিল।

আহোমসকলৰ অধীনত অসমৰ নৌশক্তিয়ে সমৃদ্ধি লাভ কৰিছিল। যিসকলে কেইবাটাও নৌ-সংঘৰ্ষত মোগল সেনাবাহিনীৰ বাবে সম্পূৰ্ণ দুৰ্যোগ কঢ়িয়াই আনিছিল। ছিহাবুদ্দিনে অসমৰ নাওসমূহৰ বিষয়ে ওপৰত কয় যে জনসাধাৰণে তেওঁলোকৰ বেছিভাগ নাও কাঠেৰে নিৰ্মাণ কৰে আৰু এনে জাহাজবোৰ সেইবোৰ যিমানেই গধুৰভাৱে বোজা নিদিয়ক কিয় পানীত ডুব নাযায়। তদুপৰি এই বিৱৰণত মুছলমান ইতিহাসবিদসকলে পিছৰ সময়ত আহোম আৰু

কোঁচ ৰজাসকলে বজাই ৰখা নৌশক্তি সম্পৰ্কে আমাৰ ওচৰত বিস্তৃত সামগ্ৰী এৰি গৈছে।

অসমীয়া নৌবাহিনীয়ে আহোম শাসকসকলৰ অধীনত দক্ষতাৰ এক উচ্চস্তৰৰ স্থান লাভ কৰিছিল। তেওঁলোকৰ এক দক্ষ নৌবাহিনী আছিল যিটো তেওঁলোকৰ বিশেষকৈ মুছলমান আক্ৰমণকাৰীসকলৰ সৈতে হোৱা নৌ-সংঘৰ্ষৰ প্ৰসংগৰ দ্বাৰা প্ৰমাণিত হয়। কলিয়াবৰ আৰু শৰাইঘাটত সংঘটিত হোৱা নৌ যুদ্ধসমূহ সঁচাকৈয়ে স্মৰণীয়। যদিও প্ৰথম সংঘৰ্ষত আহোমসকল পৰাজিত হৈছিল, তেওঁলোকে সাহসিকতাৰে যুদ্ধ কৰিছিল। কিন্তু শৰাইঘাটত অসমীয়া যুদ্ধজাহাজে মোগল নৌ বাহিনীক পৰাস্ত কৰিছিল। যুদ্ধৰ শেষত আনকি মহান ৰামসিংহও বীৰত্ব আৰু দক্ষতা বা তেওঁৰ দুৰ্ভগীয়া বিৰোধীক স্বীকাৰ কৰিব লগা হৈছিল। তেওঁ কৈছিল যে প্ৰতিজন অসমীয়া সৈন্যই যুদ্ধৰ নাও চলোৱা, কাঁড় চলোৱা আৰু ভাৰতৰ আন কোনো প্ৰান্তত দেখা নোপোৱা বন্দুক আৰু কামান চলোৱাত দক্ষ।

গড়গাঁও আৰু গুৱাহাটীৰ নৌবাহিনীৰ দলটো আটাইতকৈ শক্তিশালী আছিল য'ত কেইবাটাও নাওশাল বা নৌ প্ৰতিষ্ঠান আছিল য'ত অসংখ্য নাও আছিল আৰু নৌ-যুদ্ধৰ প্ৰশিক্ষণ দিয়া হৈছিল। প্ৰাথমিক প্ৰশিক্ষণৰ বাবেই শৰাইঘাটৰ নৌযুদ্ধত বিজয় সম্ভৱ হৈছিল।

**চিকিৎসা বিজ্ঞানৰ প্ৰশিক্ষণ ঃ**

চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ বাবে আহোম যুগ উল্লেখযোগ্য। বহুতো 'বেজ' আছিল যিসকলক ৰজাই মাটি, পৰিচাৰক আদিৰ অনুদানৰ দ্বাৰা বেতন দিছিল। এই বেজসমূহে ৰাজপ্ৰসাদৰ লগতে বিষয়াসমূহৰ ঘৰতো ৰোগীসকলক চিকিৎসা কৰিব পাৰিছিল। চিকিৎসাৰ বাবে ভেষজ ঔষধ, ৰাসায়নিক পদাৰ্থ, তন্ত্ৰ-মন্ত্ৰ ব্যৱহাৰ কৰা হৈছিল আৰু ঔষধ প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ কেৱল বেজ বা ওজাৰ বাসভৱনতহে লাভ কৰিব পৰা গৈছিল। যিসকলে চিকিৎসা বিজ্ঞানৰ প্ৰতি আগ্ৰহী আছিল তেওঁলোকে চিকিৎসা বিজ্ঞান শিকাৰ বাবে 'বেজ'ৰ ওচৰলৈ যাবলগীয়া হৈছিল আৰু ইয়াৰ বাবে অধিক মাচুল পৰিশোধ কৰিবলগীয়া হৈছিল। প্ৰথম অৱস্থাত শিক্ষাৰ্থীসকলে জংঘল আৰু জোপোহাৰ পৰা কেনেকৈ ঔষধি বনৌষধি চিনাক্ত আৰু সংগ্ৰহ কৰিব লাগে সেই বিষয়ে শিকিব লগা হৈছিল। তাৰ পিছত তেওঁলোকক কেনেদৰে একত্ৰিত কৰি ঔষধ প্ৰস্তুত কৰিব লাগে সেই বিষয়ে শিকোৱা হৈছিল। অৱশেষত শিক্ষাৰ্থীসকলক বিভিন্ন ৰোগ চিনাক্তকৰণৰ প্ৰশিক্ষণ দিয়া হৈছিল। প্ৰশিক্ষণ দীৰ্ঘদিন ধৰি অব্যাহত আছিল যাৰ সময়ছোৱাত শিক্ষাৰ্থীয়ে চিকিৎসা বিষয়ক গৱেষণা পত্ৰসমূহ পঢ়িবলগা হৈছিল আৰু বিষয়টোত দক্ষতা অৰ্জন কৰিবলগা হৈছিল। সেই সময়ছোৱাত চিকিৎসা বিজ্ঞান ভালদৰে বিকশিত হৈছিল বুলি সেই সময়ৰ অসংখ্য চিকিৎসা গ্ৰন্থৰ পৰা অনুমান কৰিব পাৰি। কেৱল অতি বিশ্বাসযোগ্য বেজসকলহে ৰাজপৰিয়ালৰ সৈতে জড়িত আছিল। বেজবৰুৱা ৰাজকীয় চিকিৎসক আছিল।

**পশু চিকিৎসা বিজ্ঞানৰ প্ৰশিক্ষণ ঃ**

মধ্যযুগত সেনাবাহিনীত বৃহৎ সংখ্যক ঘোঁৰা আৰু হাতী আছিল। সেনাবাহিনীৰ দক্ষতা বজাই ৰখাৰ বাবে এইবোৰ অপৰিহাৰ্য আছিল। এই জীৱ-জন্তুবোৰৰ যত্ন লোৱাটো সামৰিক প্ৰশাসনৰ গুৰুত্বপূৰ্ণ অংশ আছিল। যুদ্ধত

তেওঁলোকৰ সেৱাৰ ব্যৱহাৰৰ বাবে এই জীৱ-জন্তুবোৰৰ চিকিৎসা সেৱা আৰু সঠিক চিকিসা অত্যাৱশ্যকীয় আছিল। ঘোঁৰা আৰু হাতীৰ ৰোগ আৰু সেইবোৰৰ যত্নৰ ওপৰত বিশেষ কিতাপ লিখা হৈছিল।

মহাভাৰতত নকুল আৰু সহদেৱ জীৱ-জন্তুৰ চিকিৎসাৰ দক্ষতা থকা বুলি উল্লেখ আছে আৰু কৌটিল্যই সেনাবাহিনীত ঘোঁৰা চিকিৎসক আৰু হাতী চিকিৎসক নিয়োগৰ পৰামৰ্শ দিয়ে। কিন্তু আহোম যুগত পশুচিকিৎসা বিজ্ঞান অধ্যয়ন কৰা বিশেষ প্ৰতিষ্ঠানৰ অস্তিত্বৰ কোনো তথ্য সুলভ নহয়। অৱশ্যে এইটো স্পষ্ট যে পশু চিকিৎসকসকলক প্ৰশিক্ষণ দিয়াৰ বাবে কিছুমান ব্যৱস্থা কৰা হৈছিল। সম্ভৱত যিসকল ইতিমধ্যে দক্ষ চিকিৎসক আছিল তেওঁলোকৰ সৈতে শিক্ষানবীশ ভূমিকাত অৱতীৰ্ণ কৰোৱাই এই প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল।

এছ.কে. ভূঞাই তেওঁৰ গ্ৰন্থ "লাচিত বৰফুকন এণ্ড হিজ টাইমছ" নামৰ গ্ৰন্থখনত কৈছে যে হাতী, ঘোঁৰা আৰু শেন আদিৰ বিভিন্ন ৰোগৰ বাবে বৈজ্ঞানিকভাৱে চিকিৎসা কৰা হৈছিল। শেন, হাতী (হস্তবিদ্যাৰ্ণৱ) আৰু ঘোঁৰাৰ (ঘোঁৰানিদান) ৰোগৰ চিকিৎসা সম্পৰ্কীয় গ্ৰন্থসমূহ এই সন্দৰ্ভত আলোকিত কৰা হৈছে।

**আহোম শিক্ষা ব্যৱস্থাৰ প্ৰাসংগিকতা ঃ**

সাম্প্ৰতিক সময়ৰ দৰে সু-সংবদ্ধ নহ'লেও আহোম শিক্ষা ব্যৱস্থাৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। অসমীয়া সংস্কৃতিৰ পৰিচয় আৰু ঐতিহ্য বহনকাৰী হিচাপে আহোম ভাষা আৰু ঐতিহাসিক জ্ঞানভাণ্ডাৰ সদায় অনন্য। আহোমসকলৰ এই অনন্য অৱদান আয়ত্ব কৰিব পাৰিলে গৌৰৱৰ অনুভূতি বৃদ্ধি কৰিব পৰা যায়। ই নিশ্চয়কৈ যুৱ প্ৰজন্ম আৰু তেওঁলোকৰ ঐতিহ্যৰ ব্যৱধান দূৰ কৰাত সহায় কৰিব পাৰিব। স্বাভাৱিকতেই অসম আৰু উত্তৰ-পূব ভাৰতক গঢ় দিয়াত অসমে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আহোমসকলৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিলে প্ৰশাসনিক পদ্ধতি, যুদ্ধকৌশল আৰু সেই সময়ৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰাৰ ওপৰত জ্ঞান আয়ত্ব কৰিব পৰা যায়। এনে জ্ঞানে আঞ্চলিক ইতিহাসৰ বুজাবুজি সমৃদ্ধ কৰে। একেদৰে টাই আহোম ভাষা টাই ভাষা পৰিয়ালৰ অন্তৰ্গত আৰু ইয়াৰ ভিতৰত থাই (Thai) ও সোমাই আছে। টাই ভাষা শিকাটোৱে দক্ষিণ-পূব এছিয়াৰ অন্যান্য ভাষা আৰু সংস্কৃতিৰ সৈতে সম্পৰ্ক অন্বেষণ কৰাৰ দুৱাৰ মুকলি কৰিব পাৰে।

সম্প্ৰতি টাই আহোম ভাষা পুনৰ্জ্জীৱীত কৰাৰ বাবে এক বৰ্ধিত আন্দোলন চলি আছে। এই ঐতিহাসিক পদ্ধতি অধ্যয়ন কৰিলে পৰম্পৰাগত শিক্ষাদান পদ্ধতি আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা সমলসমূহৰ ওপৰত অন্তৰ্দৃষ্টি প্ৰদান কৰিব পৰা যাব।

অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে আহোম ভাষাৰ বিলুপ্ত স্থিতিয়ে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। টাই আহোম শিক্ষাক শিক্ষাৰ মূলসুঁতিৰ পাঠ্যক্ৰমত একত্ৰিত কৰাৰ বাবে সৃষ্টিশীল দৃষ্টিভংগী অতি প্ৰয়োজন।

**সামৰণি ঃ**

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ত বৃত্তিমূলক শিক্ষাৰ পুনৰ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এনে প্ৰেক্ষাপটত অসমীয়া আৰ্থ সামাজিক অৱস্থাৰ লগত খাপখোৱাকৈ আহোম শিক্ষা ব্যৱস্থাৰ

বৃত্তিমুখী শিক্ষা প্ৰণালীক পুনৰ সংঘবদ্ধ কৰাটো অতি প্ৰাসংগিক। আহোম শাসন ব্যৱস্থাত সেই সময়ৰ আৰ্থ-সামাজিক অৱস্থা আৰু ব্যক্তিৰ দক্ষতা অনুসৰি প্ৰদান কৰা বৃত্তিমূলক শিক্ষাই তেওঁলোকক দক্ষ, সাহসী, প্ৰসিদ্ধ ৰূপে গঢ়ি উঠাত সহায় কৰিছিল। দেশৰ জনসাধাৰণক তেওঁলোকৰ অভিক্ষমতা অনুসৰি শিক্ষা প্ৰদান বা শিক্ষা লাভৰ সুবিধা প্ৰদান কৰাটো শাসকপক্ষৰ দায়িত্ব। তেতিয়াহে মানৱ সম্পদৰ সঠিক ব্যৱহাৰ সম্ভৱ হ'ব। আহোমসকলৰ পৰা সেই কথা আজিৰ প্ৰশাসকসকলে শিকাটো অতি আৱশ্যকীয়।

*(প্ৰবন্ধটোৰ বিষয়বস্তুৰ বৰ্ণনাৰ প্ৰাসংগিক প্ৰেক্ষাপট অনুসৰি কিছুমান ইংৰাজী শব্দ ব্যৱহাৰ কৰা হৈছে।)*

**সহায়ক গ্ৰন্থ ও কৃতজ্ঞতা ঃ**


1. Talukdar, B. (1992) : History of Education in Assam during Medieval Period 1228 to 1826 A.D. Ph.D. Disseration, Gauhati University.
2. Hazarika, J. (2020) : Education System in Mediaval Assam. International Journal of All Research Education and Scientific Methods, 8(12) PP-1151-1154


❖❖❖

*লেখক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা শিৱসাগৰ বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক*

# সুন্দৰ মন

ড° অনিল শইকীয়া

(এক)

'কেনে আছা, ভালনে?'

ধুনীয়া, ধুনীয়াকৈ আছো।

সদায় তেনেকৈয়ে কওঁ। সাংঘাতিক ব্যস্ত থাকিলে বেলেগ কথা। এবাৰ দুলীয়াজানত ফণীন্দ্ৰ দেৱ চৌধুৰীৰ লগত কথা-বাৰ্তা অনুষ্ঠান এটিত খুউব ফূৰ্তি কৰি ৰাজহুৱা কথা-বাৰ্তা পাতিছিলোঁ। কথাৰ মাজে মাজে আমাৰ স্ফূৰ্তিৰ মাত্ৰাও বাঢ়ি গৈছিল। 'ৰসময়' হে পৰিছিল অনুষ্ঠান, দেৱ চৌধুৰীয়ে ৰসাল ৰসাল, ধুনীয়া ধুনীয়া কথা কৈছে। মাজতে অসম গেছ কোম্পানীৰ অজয় ভট্টাচাৰ্যই আমাক সুধিলে বোলে— 'আপুনি কি শক্তিত বলিয়ান হৈ অনুষ্ঠান এটিক ইমান জীপাল কৰি ৰাখিব পাৰিছে ইয়াৰ গুপুত ৰহস্য কি?'

'ৰহস্য একো নাই। ধুনীয়াকৈ কথাবোৰ ভাবোঁ, মনটো অনবৰত ধুনীয়াকৈ ৰাখো, চিকুণকৈ ৰাখো, ফৰকালকৈ ৰাখো, আমাৰ সকলোৰে ভাল হ'ব বুলি ভাবো আৰু.... আৰু মনটো পুৰাৰ পৰা ৰাতি বিচনাত পৰালৈকে এগৰাকী যোড়শী সুন্দৰীকৈ একলাখ গুণ সুন্দৰ কৰি ৰাখো।'

এইযে ক'লো- 'মনটো সুন্দৰ কৰি ৰাখো', লগে লগে দেখিলো দৰ্শক-শ্ৰোতাৰ মুখমণ্ডলতো ইয়াৰ সুন্দৰ আভা প্ৰতিফলিত হৈছে।

(দুই)

কথাবোৰ সুন্দৰকৈ ভাবিলেই সম্পদ। আমাৰ প্ৰবচনত আছে- 'সহিলে সম্পদ, নসহিলে বিপদ' এই সহা নসহাৰ তাত্ত্বিক কথাবোৰ খুচৰিলে বা বিশ্লেষণ কৰিলে অনেক কথা ওলাব। আমি সিমানবোৰলৈ যাব খোজা নাই। আমি ঘৰুৱা ঘৰুৱা লগা কথা কিছুমান পাগুলিব খুজিছোঁ। এইযে আমাৰ ঘৰ, কাৰ্যালয়, কাম কৰাৰ ঠাই, এইযে ছাত্ৰ-ছাত্ৰীৰ স্কুল-কলেজ, ইউনিভাৰচিটি, এইযে প্ৰেম, প্ৰেমৰ- প্ৰস্তাৱ, দাম্পত্য জীৱন, সামাজিক জীৱন, মেল-মিটিং, বজাৰ, হোটেল, বাচষ্টেণ্ড, ৰে'ল-জাহাজ, উৰাজাহাজ আদি কিমান ঠাইত যে আমি কিমান বাৰ্তালাপ কৰোঁ, কিমান মত-বিনময় কৰোঁ, কিমান উত্তৰা-উত্তৰি কৰোঁ, কিমানযে কথা শিকো, কিমান যে কথা আমাৰ পৰা আনে শিকে, কিমান যে আমি উপকৃত হওঁ, কিমান যে আমি ঠগ খাওঁ, কিমান যে ৰঙিয়াল হওঁ, কিমান যে হাঁহো, আৰু কেতিয়াবা? কেতিয়াবা কি হয়, কেতিয়াবা দেখোন কিছুমান কথাত আমাৰ অন্তৰাত্মা জিকাৰ খাই উঠে। মনত দুখ পাওঁ, ক'ৰবাত কেতিয়াবা আউল লাগে, মনটো ভাগি পৰে। মনলৈ অনেক ভাৱ আহে। এনেকৈ ক'ম, এনেকৈ ক'লেহে মানুহে ভাল পায়, এনেকৈ

কৰিম এনেকৈ কৰিলেহে ভাল। কেতিয়াবা যে ভাবোঁ- 'মানুহজনে মোক কিয় এনেকৈ ক'লে' ,....এইযে মনলৈ ভাববোৰ আহিল, আহি আহিয়ে মনত বহুতো দুঃচিন্তা বাঁহ ল'লে, এইখিনিয়ে হ'ল জীৱনৰ ঋণাত্মক কথা, নিগেটিভ কথা। এই নিগেটিভ কথাখিনিকে সুন্দৰকৈ ভাবিলে এনেকুৱা হ'ব 'সেইটোনো কি কথা, ক'লে ক'লে আৰু। মোৰটো একো মাটি-বাৰী নাযায়। অথবা 'অ' মোৰ কথাটো তেওঁ মিছাকৈয়ে ভুল বুলি প্ৰমাণ কৰিলে যেনিবা, কিনো ক্ষতি হ'ল। এইবোৰটো আমাৰ ঘৰুৱা কথাহে। মেডিকেল পঢ়া ভালনে, ইঞ্জিনিয়াৰ পঢ়া ভাল তাকে লৈ তৰ্ক কৰিব লাগেনে? ডাক্তৰ পঢ়া আৰু উকিল পঢ়া একেই, দুয়োজনে স্বাধীনভাৱে কাম কৰিব পাৰে... তেওঁ বাৰু মোৰ কথাটো মানি নললে, তৰ্ক কৰিলে'। এনেধৰণৰ তৰ্কৰ শেষত তেওঁ যেনিবা জিকিলেই, তেওঁ প্ৰমাণ কৰিব পাৰিলে যে ডাক্তৰ পঢ়া উকিল পঢ়াতকৈ ভাল। সেইবুলিয়ে মোৰ মনটো ভাল কৰি নাৰাখিমনে? মোৰ ইমান ধুনীয়া মনটো সেই সাধাৰণ কথাটোৰ বাবেই অলপ সময়ৰ বাবে বিচলিত হ'বলৈ দিমনে? নিদিওঁ। কেতিয়াও নিদিওঁ। মই দৃঢ় সংকল্প। মোৰ মনটো মই ধুনীয়াকৈ ৰাখিম। সুন্দৰকৈ ৰাখিম। সুন্দৰ সুন্দৰ কথা ভাবিম। যদি আমাৰ মনত কেনোবাই দুখ দিছে সেই দুখখিনি এক 'সুখ'ৰ অভিজ্ঞাতলৈ ৰূপান্তৰ কৰিম। জীৱনলৈ যদি কেতিয়াবা হেঙাৰ আহিছে ভূপেন হাজৰিকাই ভবাৰ দৰে আমিও ভাবিম। 'হেঙাৰেই কৰে মোক মিঠা উপকাৰ।' হেঙাৰো হ'ব পাৰে উপকাৰ। সমালোচনাও কৰিব পাৰে আমাক। সমালোচনাই আমাক উন্নতহে কৰিব আৰু সংঘাতে আমাক প্ৰগতিৰ নতুন পথহে দেখুৱাব। এনেকৈ ভাবিছিল ভূপেন হাজৰিকাই। অকল সেয়েই নহয়। তেওঁৰ জীৱনলৈ অহা প্ৰতিটো সংঘাত, প্ৰতিটো উপহাস, প্ৰতিটো সমালোচনাক 'মিঠা উপকাৰ' হিচাবে গ্ৰহণ কৰি সৃষ্টিশীল কৰ্মলৈ ৰূপান্তৰ কৰিছিল। সেইকাৰণেই বোধহয় কোনোবা দাৰ্শনিকে অনুভৱ কৰিছিল যে, আশাবাদী মানুহক সৌভাগ্যই আৰু নিৰাশাবাদী মানুহক দুৰ্ভাগ্যই লগ ধৰে।'

আকৌ আগৰ কথালৈ ঘূৰি আহোঁ। আমি ঘৰুৱা কথা-বাৰ্তা, চিন্তা-চৰ্চাত মনটো সুন্দৰ কৰি ৰখাৰ কথা কৈছিলোঁ। ভাতৰ টেবুলত বহি, 'বাহ্ বৰ সুন্দৰ হৈছে' বুলি, কাৰোবাৰ চ'ৰাঘৰত বহি সৰু সৰু মাতেৰে সকলোৰে লগত ধুনীয়াকৈ কথা পাতি, আনে কোৱা কথা মনোযোগেৰে শুনি, সহমত প্ৰকাশ কৰি, আনে ভুল কথা ক'লেও, 'এনেকৈয়ো হ'ব পাৰে নেকি'? বুলি ধুনীয়াকৈ ক'ব পাৰিলে, ধুনীয়া এটি পৰিৱেশৰ সৃষ্টি হয়। প্ৰত্যেক মানুহৰে মনৰ ভিতৰত পখিলাৰ পাখিৰ দৰে লাহি আৰু মিহি, ফুলৰ দৰে কোমল কিছুমান অঞ্চল থাকে। আমাৰ হৃদয়ৰ পৰা নিগৰি অহা সুমিষ্ট বচন আৰু একান্ত আন্তৰিকতাৰে কৰা সম্বোধন আৰু কথোপকথনে আনৰ অন্তৰত আনন্দ প্ৰদান কৰিব পাৰে আৰু সেই নিৰ্দোষ আনন্দত উৎফুল্লিত হৈ তেওঁ আপোনাৰ প্ৰতি মোৰ প্ৰতি যি সৌজন্য প্ৰকাশ কৰিব তাতেই সৃষ্টি হ'ব আনন্দৰ এক শব্দহীন উৎসৰ।

কেতিয়াবা আক' কিছুমান কথাত আমাৰ মন ভাগি পৰে। কাৰণ সমাজত আনৰ অহিত চিন্তা কৰা কিছুমান মানুহ আছে। যি আনৰ শ্ৰীবৃদ্ধি অকনো সহ্য কৰিব নোৱাৰে। তেনে কিছুমান মানুহে অতি চতুৰালি কৰি কাৰোবাক (প্ৰথম পক্ষ) মানসিক অশান্তি দিব খোজে।তেওঁলোকে তেনে কৰিবৰ বাবে তৃতীয় পক্ষক উচতনি দিয়ে।

তৃতীয় পক্ষক এনেদৰে উচতাব যে আমুকে আপোনাৰ কথা অতি জঘণ্যভাবে কৈ ফুৰিছে। বচ্ ,তেতিয়াই তৃতীয় পক্ষই প্ৰথম পক্ষক বিনাদোষতে কটু কথা শুনাব। তেতিয়া বাৰু কাৰ মনত দুখ নালাগিব। ইয়াত কিন্তু অবোধ তৃতীয় পক্ষৰ কোনো দোষ নাই। আচল দোষীজন দ্বিতীয় পক্ষ। এনেকুৱা দ্বিতীয় পক্ষ আৰু তৃতীয় পক্ষ সমাজত ভৰি আছে। ইয়াৰ পৰা মহা মহা মনীষাইও পৰিত্ৰান পোৱা নাই। ধৈৰ্য, সহ্য আৰু সাৰধানতাই ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ সাধাৰণ উপায়। কাৰণ কোন সঁচা কোন মিছা প্ৰমান কৰিবলৈ আমাৰ বহুত সময় লাগিব। এই সন্দৰ্ভত নৱকান্ত বৰুৱাৰ এটি কবিতাৰ প্ৰথম শাৰী দুটিমান মনলৈ আহিছে-

তোমালোকৰ কথাৰ উত্তৰৰ বাবে নহয় মোৰ কথা।

মোৰ কথা আছে মাত্ৰ ক'বলৈ।<br>
কোৱাটোৰেই কথা- সেইটোকে মই কওঁ।<br>
কথাৰে লুকুৱা- তোমালোকৰ কথাবোৰৰ<br>
যুৱলী মই কান্ধত নলওঁ,<br>
তোমালোকৰ কাৰো প্ৰতিদ্বন্দী মই নহওঁ।

মোৰ অনেক কাম কৰিবলৈ আছে। তোমালোকৰ কথাৰ উত্তৰ দিবলৈ সময় নষ্ট কৰিব নোৱাৰো। তোমালোকৰ কথাবোৰৰ বোজা মই কান্ধত নলওঁ। কাৰণ জীৱন মহা মূল্যবান।

জীৱনটো এটি সপোন, পূৰ্ণ কৰা। জীৱনটো এক উৎসৱ, উদ্‌যাপন কৰা। জীৱনটো এক তীৰ্থস্থান, পুণ্য কৰা। জীৱনটো এটি সোণালী নদীৰ ঘাট, নৌকা বিলাস কৰা। জীৱনটো নানান নজনা কথাৰ এক আধ্যাত্মিক অতৃপ্তি, জ্ঞান অৰ্জন কৰা। জীৱনটো এটি মধুৰ গান, শ্ৰৱণ কৰা। আৰু এইযে শব্দবোৰ অত্যাচাৰ, উৎপীড়ন, অবিচাৰ, অন্যায়, শোষণ, লাঞ্ছনা.... এইবোৰ শব্দৰ 'আঁৰত থকা শক্তি' আৰু 'জীৱনটো সুন্দৰ' কৰাৰ মাজত সদায় এটা চিৰকলীয়া বিৰোধ। কিন্তু যিজন মানুহ সুন্দৰ মনৰ অধিকাৰী তেওঁ আনক শোষণ-নিষ্পেষণ কৰাৰ দৰে আচহুৱা কথাবোৰ ভাবিবই নোৱাৰে। সুন্দৰ মনৰ গৰাকীজনে ভাবে সেই দুখন হাতহে শ্ৰেষ্ঠ, যি মাটিত পৰি থকা মানুহ এজনক আলফুলে তুলি আনি প্ৰতিপাল কৰি মুখত মাত ফুটাব পাৰে, বুকুৰ মাজেদি গুলী এটা সৰকাই কাৰোবাক তেজেৰে ৰাঙলি কৰাজনকৈ, মৃত্যুৰ মুখৰ পৰা মানুহক ৰক্ষা কৰিব পৰাজনহে প্ৰকৃত বীৰ আৰু প্ৰকৃত আনন্দ তেনেকৈহে আহিব পাৰে। আহিব পাৰে নহয়- 'আহিবই'। এইযে প্ৰতিহিংসা, চাইলম-তোক, ক'ত সাৰিবি তই.. এই শব্দবোৰৰ মাজত, কথাবোৰৰ মাজত, সুন্দৰ মনৰ প্ৰতিফলন নঘটে। বৰঞ্চ তেনেধৰণৰ অশুভ চিন্তাই জীৱনৰ উন্নতিৰ অন্তৰাই হ'ব পাৰে। যিবোৰ বিৰোধৰ পৰা সমাজৰ কোনো উপকাৰ নহয়, যিবোৰ বিৰোধে কেৱল ব্যক্তিগত আক্ৰোশ জন্মাই, যিবোৰ বিৰোধ আৰু জেদা-জেদিয়ে কেৱল নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে, সেইবোৰত সুন্দৰ মনৰ প্ৰতিফলিত নহয়। মানুহৰ শ্ৰেষ্ঠত্ব কৰ্মৰ দ্বাৰাহে প্ৰতিপন্ন হয়। সুন্দৰ মন এটিৰ দৰ্শন হ'ল 'বিৰোধ নহয় বুজাবুজি', 'আদালত নহয় আপোনভাৱে বুজাবুজি, মিটমাট, মিলামিছা, আপোচ'। 'দম্ভ-অহংকাৰ নহয়, মিঠা হাঁহি'। আমাক যদি কোনোবাই অহেতুক অন্যায় কৰিছে, আমাৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে, অকাৰণে মনোকষ্ট দিছে । তেন্তে যিমানখিনিলৈকে পাৰি সহ্য কৰা উচিত। কাৰণ অন্যায়-অবিচাৰৰো সীমা আছে, পাপৰো বিচাৰ আছে, অহংকাৰৰো পতন আছে আৰু একেবাৰে শেষত জীৱনৰো মৰণ আছে। এনেবোৰ সন্ধিক্ষণত

মাৰ্টিন গাস্কিলে কি কয় এবাৰ অনুভৱ কৰোচোন- ‘কোনাবাই যদি আপোনাৰ বিশ্বাস ভঙ্গ কৰে তেনেহ’লে তেওঁক ক্ষমা কৰি দিব, কিন্তু তেওঁৰ নামটো সদায় মনত ৰাখিব।’(অনুবাদ -আমিনুৰ ৰহমানঃ মাৰ্টিন গাস্কিলৰ নিৰ্বাচিত ৰচনাৰ আধাৰত ৰচিত ‘আত্ম-প্ৰকাশৰ যাদুকৰী শক্তি’ গ্ৰন্থতঃ ৰেখা প্ৰকাশন,গুৱাহাটী পৃষ্ঠা-৪৮) শ্ৰীকৃষ্ণই কিন্তু চেদিৰাজ শিশুপালক এশ বাৰলৈ ক্ষমা কৰিছিল। মাৰ্টিন গাস্কিলৰ অনুভৱৰ আৰু এটি উদ্ধৃতি এটি দিব খুজিছোঁ- ‘সৰু ল’ৰা ছোৱালীয়ে সৰল ভাবে সকলোকে বিশ্বাস কৰে। সিহঁতে কাকো সন্দেহ নকৰে। কোনো কথাতে সন্দেহ নকৰে। আমি বাৰু সিহঁতৰ নিচিনা হ’ব নোৱাৰোনে? সিহঁতৰ দৰে মনত এটা সৰল বিশ্বাস গঢ়ি তুলিব নোৱাৰোনে? নিজৰ ভিতৰত এটি শিশুৰ প্ৰতিপালন কৰক। তেনে কৰিব পাৰিলে আপুনি নিজৰ ওপৰত আস্থা অৰ্জন কৰিব পাৰিব। সেই আস্থাই আপোনাৰ মনৰ পৰা ক্ষতিকাৰক সন্দেহ আঁতৰ কৰি দিব। নিজৰ মাজত বিশ্বাসৰ শক্তিক জগাই তুলিবলৈ এই কথাবোৰ নিয়মিত ভাৱে আওৰাব ঃ মই এজন ভাল মানুহ। মই সকলোৰে ভাল হোৱাটো কামনা কৰোঁ।এইবোৰ আওৰাই থকাৰ লগতে তাত বিশ্বাস অৰ্জন কৰাৰ চেষ্টা কৰিব। এনেদৰে কৰাৰ ফলত এটা সময়ত আপোনাৰ এনে লাগিব যে,আনেও তেনেদৰে ভাবে। কাৰণ, মানুহৰ প্ৰতি আপোনাৰ এটা ভাল ধাৰণা গঢ়ি উঠিব।’ (অনুবাদ -আমিনুৰ ৰহমানঃ উল্লিখিত গ্ৰন্থঃ পৃষ্ঠা-৪৭-৪৮)

নাপালোঁ বুলি নহয় বুলি দুখত ভাগি পৰিলো , এয়াই জীৱনৰ চৰম দুৰ্দশা বুলি ধৰিলোঁ আৰু অৱশেষত মনত সন্তোলিত কৰিব নোৱাৰি আত্মহত্যাৰ পথ বাচি ল’লোঁ। সুন্দৰ মনৰ অধিকাৰী এজনে এনে কথা ভাবিবই নোৱাৰে। পুনৰ মাৰ্টিন গাস্কিলৰ গুৰুত্বপূৰ্ণ কথা এষাৰ মনত পৰিছে- তেওঁ কৈছে যে- ‘কোনা ব্যৰ্থতাই চিৰস্থায়ী নহয়। মানুহ একাধিকবাৰ ব্যৰ্থ হ’ব পাৰে। তাৰ বাবে কেতিয়াও হতাশ হ’ব নালাগে, থমকি ৰ’ব নালাগে। হতাশাক প্ৰত্যাহ্বান হিচাবে লৈ নতুন উদ্যমেৰে নতুন পৰিকল্পনা কৰিব লাগে। মাৰ্টিন গাস্কিলে কেইবাগৰাকী অসাধাৰণ ব্যক্তিৰ উদাহৰণেৰে ব্যৰ্থতাৰ পৰা পৰিত্ৰাণ পোৱাৰ পথ দেখুৱাইছে । তেওঁ জেমছ্ হিলৰ উদাহৰণ দি কৈছে- জেমছ্ হিলে পূবৰ পৰা পশ্চিমলৈ ৰেল পথ নিৰ্মাণ কৰিবলৈ প্ৰয়োজনীয় ধন গোটাব পৰা নাছিল। সেইবুলি তেওঁ হতাশ হোৱা নাছিল। তেওঁ বহি থকা নাছিল। ধন গোটাবলৈ তেওঁ অহোপুৰুসাৰ্থ কৰিছিল আৰু সফল হৈছিল। মাৰ্টিন গাস্কিলে পুনৰ মটৰ গাড়ী নিৰ্মাতা হেন্‌ৰি ফোৰ্ডৰ কথা কৈছে। প্ৰথম অৱস্থাত মটৰগাড়ীৰ ব্যৱসায়ত হেন্‌ৰি ফোৰ্ড সফল হ’ব পৰা নাছিল , কিন্তু পাচত নতুন পৰিকল্পনাৰে গাড়ী নিৰ্মাণ কৰি আমেৰিকাৰ এজন প্ৰচুৰ ধনী ব্যক্তি হৈ পৰিছিল। (অনুবাদ - আমিনুৰ ৰহমানঃ উল্লিখিত গ্ৰন্থঃ পৃষ্ঠা- ৪৩-৪৪)

সুন্দৰ মনৰ অধিকাৰীজনে প্ৰত্যেককে সুন্দৰ দেখে। প্ৰত্যেকজন মানুহক সুন্দৰ দেখে, প্ৰত্যেকটি পেছাক সুন্দৰ দেখে, প্ৰত্যেকটো বিষয়বস্তুক সুন্দৰ দেখে। (সেইবুলি অন্যায়-অত্যাচাৰক সুন্দৰ নেদেখে, সেইখিনিক বাৰণ কৰি সুন্দৰ পৃথিৱী গঢ়াৰ প্ৰচেষ্টা কৰে।) সেইকাৰণে সুন্দৰ মনৰ মানুহ এজনে ডাক্তৰ পঢ়াকো যিমান গুৰুত্ব দিয়ে ওকালতি পঢ়াকো সিমানেই গুৰুত্ব দিয়ে। সেইদৰে তেওঁ কলা বিভাগৰ ছাত্ৰ-ছাত্ৰীক যিমান গুৰুত্ব দিয়ে, বিজ্ঞান বা বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীকো সমান গুৰুত্ব দিয়ে। তেওঁ কেতিয়াও ‘তুমি ইঞ্জিনীয়াৰ পঢ়িবই লাগিব বা ডাক্তৰ পঢ়িবই

লাগিব বা ডক্টৰেট ডিগ্ৰী কৰিব লাগিবই বুলি কাকো জোৰ নকৰে’।

‘হ’ব মোৰ পোনাকণ, তুমি যি ভালপোৱা তাকে পঢ়া। ভালকৈ পঢ়া, পৰীক্ষাত পাছ্ কৰিবৰ বাবে, প্ৰথম বিভাগ পাবৰ বাবে বা ষ্টেণ্ড কৰিবৰ বাবে পঢ়িব নালাগে। তুমি কথাবোৰ জানিবৰ বাবে পঢ়া , কথাবোৰ শিকি বৰ বাবে পঢ়া। পৰীক্ষাৰ ফলাফলে তোমালৈ সুনাম আনিব সঁচা, পিছে তুমি যেতিয়া জগতখনক জানিবা, জীৱনটোক জানিবা, জগতৰ লগত জীৱনৰে মিতালী পাতিব জানিবা, তেতিয়া দেখিবা পৃথিৱীখন তোমাৰ আপোন হৈ পৰিছে। তেতিয়া তোমাৰ পৰা কথা শিকিবলৈ তোমাৰ ওচৰলৈ পৃথিৱীৰ মানুহ আহিব। এই যে পৃথিৱীখন ধুনীয়া, পৃথৰীখন সুন্দৰ, পৃথিৱীখনত অনেক মানুহে অনেক কষ্ট কৰি নানান বস্তু আৱিস্কাৰ কৰি, উদ্ভাৱন কৰি পৃথিবীখন আৰু সুন্দৰ কৰিছে। তেওঁলোকৰ কথা ভাবা। তুমিও পাৰিবা ডাক্তৰ পঢ়িব। আসন নাপালা। কথাটো সিমান গুৰুত্বপূৰ্ণ নহয়। তুমি ইচ্ছা কৰিলে অধ্যয়ন কৰিলে ডাক্তৰৰ বাবে প্ৰয়োজন হোৱা বস্তুবোৰ উদ্ভাৱন কৰিব পাৰিবা । ঔষধ উদ্ভাৱন কৰিব পাৰিবা, কলিজা সাল-সলনি কৰা প্ৰযুক্তি উদ্বাৱন কৰিব পাৰিবা। পকেটত লৈ ফুৰাব পৰা টেলিভিশ্বন যন্ত্ৰ প্ৰস্তুত কৰিব পাৰিবা। নবেল বঁটা, ভাৰত ৰত্ন সন্মান ইত্যাদিৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। অন্যান্য বহুত কাম কৰিব পাৰিবা। আত্মহত্যা...., তুমি ইমান অসুন্দৰ কথা কেনেকৈ ভাবিলা।

সুন্দৰ মনৰ গৰাকীজনে মানুহক ৰঙত আটোল-টোল কৰিব পাৰে। জীৱনক নানান ৰঙেৰে সজাই তুলিব পাৰে। পৃথিৱীখন সুন্দৰ কৰিব পাৰে। আৰু জীৱনটোক মহীয়ান কৰিব পাৰে সুন্দৰ কথাৰে, সুন্দৰ হাঁহিৰে।

❖❖❖

---

*লেখক বিশিষ্ট গৱেষক-লোকসংস্কৃতিবিদ তথা মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ*

# শিল সলোৱা মন্ত্ৰ

ড° জ্যোতি প্ৰসাদ শইকীয়া

সমগ্ৰ ভাৰতবৰ্ষত সৰ্বত্ৰে চৰ্চিত বিষয়সমূহৰ ভিতৰত অন্যতম হৈছে নতুন শিক্ষা নীতি। অসমতো সকলো স্তৰতে এই শিক্ষানীতিৰ সন্দৰ্ভতে আলোচনা-প্ৰতিআলোচনা অব্যাহত আছে। নতুন শিক্ষানীতি প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মোৰ মনৰ পৰিৱৰ্তন হয় নেকি? যদি হয় ক'ৰ পৰা আৰু কেনেকৈ হয়। ব্যক্তিগতভাৱে মই শিক্ষাক মাথো মূল বা কলেজৰ লগতে জড়িত কৰিব নিবিচাৰোঁ। কোনোদিন স্কুল বা কলেজলৈ নোযোৱা মানুহো শিক্ষিত হ'ব পাৰে, অৰ্থাৎ তেওঁৰো শিক্ষা থাকিব পাৰে। তেন্তে শিক্ষা কি? স্কুল বা কলেজলৈ গ'লেহে আমি শিক্ষা গ্ৰহণ কৰিব পাৰো নেকি? প্ৰখ্যাত গণিতজ্ঞ শকুন্তলা দেৱীৰ এষাৰ বৰ তাৎপৰ্যপূৰ্ণ কথা কৈছিল। তেখেতে কৈছিল— Educationis not just about going to school and getting a degree. It is about widening your knowledge and abstobing the truth about life. তথাপি আকৌ মনলৈ আহে এই জ্ঞান কি? জীৱনৰ সত্য কি? তথাকথিত জ্ঞানী মানুহৰ সংজ্ঞা আমি জানো। বিভিন্ন গ্ৰন্থ, কাকত, আলোচনীৰ জ্ঞানৰ সংজ্ঞা পঢ়াৰ লগতো বিভিন্ন মাধ্যমত জ্ঞান সন্দৰ্ভত গভীৰ আলোচনা কৰাও শুনিছোঁ। কিন্তু জ্ঞানৰ লগত শিক্ষাৰ সম্পৰ্ক কি? শিক্ষা গ্ৰহণ কৰিলে মানুহ জ্ঞানী হয়। জ্ঞানৰ জৰিয়তে মানুহ ক্ষমতাশালী হয়। জ্ঞানৰ বাবেই মানুহৰ বুদ্ধিদীপ্ত মনৰ গৰাকী হয়। কথাবোৰ যথেষ্ট চিন্তাকৰ্ষক। সহজতে ইয়াৰ লগত জড়িত প্ৰশ্নবোৰৰো উত্তৰ বিচাৰি পোৱা নাযায়। ধৰাহওঁক এজন মানুহে কলেজ-বিশ্ববিদ্যালয়ত আনুষ্ঠানিকভাৱে পঢ়া-শুনা কৰি শিক্ষিত হয়, ভালেমান ডিগ্ৰীও লাভ কৰে, তেখেত বাস্তৱিকতে শিক্ষিত হ'বনে, যদি সমাজ জীৱনৰ সৌন্দৰ্যৰ মহত্ব অনুধাৱন কৰিব নোৱাৰে। আকৌ শিক্ষানুষ্ঠানত যি জ্ঞান আয়ত্ব কৰিলে, যদি সেই জ্ঞান বাস্তৱ জীৱনত প্ৰয়োগ কৰিব নোৱাৰে, তেন্তে তেনে জ্ঞানৰ মূল্য থাকিবনে? ৰাচিয়াৰ প্ৰখ্যাত সাহিত্যিক তথা গল্পকাৰ এণ্টন চেখভেও মই ভবাৰ দৰেই উল্লেখ কৰিছিল, Knowledge is of no value untess you put it into practice। কেতিয়াবা ভাবো, সঁচাকৈ জ্ঞান বাৰু ক্ষমতা নে? জ্ঞানৰ প্ৰয়োগ নোহোৱাৰ পৰ্যন্তি ই আন্তঃসাৰ শূন্য। অপ্ৰয়োগ জ্ঞানৰ কোনো মূল্য নাই। বহুতে আনুষ্ঠানিকভাৱে ডিগ্ৰীপ্ৰাপ্তসকলকে জ্ঞানী বুলি বিবেচনা কৰে। ই শুদ্ধ নহয়। পৰীক্ষাত এশ শতাংশ লাভ কৰা সকলক যদি একমাত্ৰ জ্ঞানী মানুহ বুলি বিবেচনা কৰা হয়, তেন্তে ই সমাজৰ বাবে বৰ বিপদজনক। বহুতে তথ্য সমৃদ্ধ লোককে

জ্ঞানী বুলি কোৱাৰ লগতে ধৰ্ম-শাস্ত্ৰৰ শ্লোক বা সাহিত্যতত্ত্ব সলসলিয়াকৈ মুখস্থ মাতিব পৰাজনকে জ্ঞানী মানুহ বুলি ক'ব বিচাৰে। ইও বিপদজনক। তথ্য কেতিয়াও জ্ঞান হ'ব নোৱাৰে। দৈনন্দিন জীৱনৰ অভিজ্ঞতাই মানুহক জ্ঞান-বোধৰ অধিকাৰী কৰিব পাৰে।

প্ৰখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনেও উল্লেখ কৰিছে— তথ্যবোৰ জ্ঞান নহয়। জ্ঞানৰ একমাত্ৰ উৎসই হৈছে অভিজ্ঞতা। সেয়ে বোধ আয়ত্ব কৰিবলৈ আমাক অভিজ্ঞতাৰ প্ৰয়োজন। জ্ঞান আয়ত্ব যে কেৱল স্কুল বা কলেজতহে হ'ব পাৰে, মই মানি ল'বলৈ অসুবিধা পাওঁ। মই এটা সৰু উদাহৰণ দাঙি ধৰিব বিচাৰোঁ। নব্বৈ দশকৰ শেষৰ ফালৰ ঘটনা। এখন গাঁৱত পোন প্ৰথমবাৰৰ বাবে এটা পথ পকী কৰা হ'ল। পথটো পকীকৰাৰ দুটা দিনৰ পাছতে এজন ব্যক্তিয়ে গাড়ীৰ খিৰিকীয়েদি পথৰ ওপৰতে তামোলৰ পিক পেলোৱা মানুহজন এখন কলেজৰ অধ্যাপক আৰু পিকখিনি পানীৰে মচি পথটো চাফা কৰা মানুহজন এজন তথাকথিত চহা মানুহ। মানুহজনে কোনোদিন স্কুল-কলেজত পঢ়া নাছিল। এতিয়া প্ৰশ্ন হ'ল— কোন জ্ঞানী আৰু কোন শিক্ষিত? কলেজত শিক্ষা দিবৰ বাবে নিযুক্তি পোৱাজনেই দেখোন শিক্ষিত নহয়। যাৰ নিজৰে শিক্ষা নাই, তেখেতে আনক কি শিক্ষা দিব? সেয়ে মনে মনে ভাবো, আমি বাৰু শিক্ষাৰ প্ৰকৃত সংজ্ঞাটোকে নিৰূপণ কৰিব পৰা নাই নেকি? নতুন শিক্ষা নীতিয়ে 'শিক্ষা'ৰ প্ৰকৃত সংজ্ঞাটো বুজাবৰ বাবে সমৰ্থ হ'বনে? এইটোৱেই এতিয়া ডাঙৰ প্ৰশ্ন।

মই বিশ্বাস কৰো Education আৰু Qualified ৰ মাজত পাৰ্থক্য আছে। এজন ব্যক্তি স্কুল-কলেজত আনুষ্ঠানিকভাৱে পঢ়া শুনা কৰি কিবা এটা পদ বা কৰ্মৰ বাবে উপযুক্ত হ'ব পাৰে, কিন্তু সমাজজীৱনৰ প্ৰমূল্যৰ প্ৰতি অনুগত্য প্ৰকাশ কৰিব পৰাকৈ সক্ষম নহ'বও পাৰে। আমাৰ সমাজ ব্যৱস্থাটোত শিক্ষা আৰু দক্ষতাৰ প্ৰসংগত বহুত কথাই আলোচনা কৰাৰ প্ৰয়োজন আছে। ডিগ্ৰী প্ৰাপ্তিৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰী কলেজ-বিশ্ববিদ্যালয়লৈ যায়, শ্ৰেণীকোঠাত উপস্থিত থাকে পৰীক্ষা দিয়ে, সকলোবোৰেই শিক্ষিত হিচাপে পৰৱৰ্তী সময়ত বসবাস কৰিছেনে? বাস্তৱিকতে আমাৰ দেশৰ সমাজত দায়িত্ব প্ৰদান কৰিবৰ বাবে যিবোৰ পদ সৃষ্টি কৰা হয়, সেই পদত উপযুক্ত ব্যক্তি নিযুক্তি দিয়াৰ ক্ষেত্ৰত বহু সময়ত নিয়োগ কৰ্তাসকল সফল হ'ব নোৱাৰে। যিসকলক নিযুক্তি দিয়া হয়, সেইসকলৰ এচামৰ যদি দক্ষতা আছে, তেন্তে সামাজিক চেতনাৰ অভাৱ। অন্য এচামৰ সামাজিক চেতনা আছে কিন্তু দক্ষতাৰ অভাৱ দেখা যায়। অৰ্থাৎ বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাই দক্ষতাৰ লগতে সমাজ জীৱনৰ বাবে প্ৰাসংগিক চিন্তা-চেতনাৰ উত্তৰণৰ প্ৰকৃত শিক্ষা দিয়াত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তদুপৰি শিক্ষানুষ্ঠানত লাভ কৰা জ্ঞানৰ লগতে সমান্তৰালকৈ দক্ষতা বিকাশৰ ক্ষেত্ৰটো ব্যৱস্থাটো সফল হ'ব পৰা নাই। ইয়াৰ বাবে চৰকাৰক অথবা নীতি নিৰ্মাণ কৰা সকলকে দোষাৰোপ কৰিলে নহ'ব। সামগ্ৰিকভাৱে ইয়াৰ দায়িত্ব সকলোৰে ল'ব লাগিব। শিক্ষকৰ কৰ্মস্পৃহা, সততা, দৃষ্টিভংগীৰ ওপৰতে শিক্ষাৰ সফলতা বা বিফলতা নিৰ্ভৰ কৰে। পথৰ ওপৰত বা য'তে ত'তে তামোলৰ পিক পেলোৱা অধ্যাপকজনৰ দৰে সামাজিক চেতনাৰ অভাৱ হ'লে শিক্ষাদান, শিক্ষাগ্ৰহণৰ দৰে সংস্কৃতি অপসংস্কৃতিলৈ ধাৱমান নিশ্চিত ভাৱে হ'ব। বহু ক্ষেত্ৰত নীতিবোৰ ঠিকেই থাকে মাথো নীতিবোৰৰ লগত সংপৃক্ত হৈ থকা

চিন্তা-চেতনাবোৰ বুজিব লগীয়া সকলে বুজি পোৱা উচিত।

কলেজ এখনৰ অধ্যক্ষ হ'বৰ বাবে কিয়নো পি.এইচ.ডি. ডিগ্ৰীৰ প্ৰয়োজন অথবা বিশ্ববিদ্যালয় এখনৰ উপাচাৰ্য হ'বৰ বাবে কিয় দহ বছৰ কাল অধ্যাপক (Professor) হোৱাৰ অভিজ্ঞতাৰ দৰকাৰ, সেই বিষয়ে উপলব্ধি কৰিব লাগিব। যদি পি.এইচ.ডি. ডিগ্ৰী প্ৰাপ্তিজনৰ বৈজ্ঞানিক মানসিকতাৰ অভাৱৰ লগতে কলেজখনত গৱেষণা প্ৰসূত চিন্তা-চেতনা উন্মেষণৰ পৰিৱেশ সৃষ্টি কৰিব নোৱাৰে, তেন্তে দহটা পি.এইচ.ডি. ডিগ্ৰী লাভ কৰা ব্যক্তিক অধ্যক্ষ পদত নিযুক্তি দিলেও জানো লাভ হ'ব? একেদৰে সামাজিক চেতনাৰ লগতে Critically পৰ্যালোচনা আৰু পৰ্যবেক্ষণ কৰিব নোৱাৰা দহবছৰ অধ্যাপকৰ অভিজ্ঞতাপুষ্ট থকা ব্যক্তি উপাচাৰ্য হ'লে জানো সমাজৰ উপকাৰ হ'ব? এচামে শিক্ষানুষ্ঠানবোৰক বজাৰলৈ ৰূপান্তৰ কৰাৰো চেষ্টা কৰে। হকে বিহকে ডিগ্ৰী বিক্ৰী কৰি ধন উপাৰ্জন কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। এনেধৰণৰ উপাচাৰ্যই গুণগত শিক্ষাতকৈ কিমান উপাৰ্জন কৰিলে, সেই বিষয়তহে গুৰুত্ব দিব। কিন্তু শিক্ষা যেতিয়া পণ্যলৈ ৰূপান্তৰ হ'ব, সমাজত পথভ্ৰষ্ট মানুহৰ সংখ্যা বৃদ্ধি পাব। সৰ্বত্ৰে অপৰাধ প্ৰৱণতাৰ হাৰ দ্ৰুত গতিত বাঢ়িব।

শিক্ষানুষ্ঠানবোৰে যদি সামাজিকীকৰণৰ প্ৰকৃত এজেণ্ট হ'ব নোৱাৰে, কেৱল দক্ষতা বৃদ্ধিৰ কাৰখানা কৰিলেও নহ'ব, কেৱল দক্ষতা বৃদ্ধিৰ জ্ঞানৰ সমন্বয়ত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰিব লাগিব। এনে প্ৰসংগতে নতুন শিক্ষানীতি ২০২০ ৰ সমৰ্থন কৰো। এই নীতিৰ সম্পৰ্কে যিসকলে ভালদৰে অধ্যয়ন কৰিছে, তেখেতসকলে উপলব্ধি কৰিব পাৰে যে, জ্ঞান (Knowledge) আৰু দক্ষতা (Skill) সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰিব লাগিব। তদুপৰি দক্ষতা যেনেদৰে ব্যৱহাৰ কৰিব লাগিব, ঠিক একেদৰে জ্ঞানৰ প্ৰয়োগো শুদ্ধভাৱে কৰাৰ প্ৰয়োজন। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে সঠিকভাৱে চিন্তাৰ উত্তৰণ ঘটাব লাগিব। কিন্তু উত্তৰণৰ গতিৰ সন্দৰ্ভত সচেতন হোৱা উচিত। ব্যক্তিগত উত্তৰণৰ লগতে সমাজৰো উত্তৰণ ঘটাব পাৰিব লাগিব। সমাজৰ সামগ্ৰিক উন্নয়ন আৰু ভাৰসাম্যতাৰ লগতে এটা পৰিশীলিত ৰূপ নিৰ্মাণৰ বাবেই শিক্ষাৰ প্ৰয়োজন। ব্যক্তিক বিশেষ বিশেষ ক্ষেত্ৰত দক্ষতাৰ কিয় প্ৰয়োজন? সফলতাৰে মানুহৰ প্ৰয়োজনীয় কৰ্ম অথবা সৃষ্টি বাবেহে। আমি যি সৃষ্টি কৰো, মানুহ আৰু প্ৰকৃতিৰ কল্যাণৰ বাবে। সেয়ে এজন চিকিৎসকলৰ চিকিৎসাৰ ক্ষেত্ৰখনত দক্ষতা থকাৰ লগতে মানুহৰ সমাজ আৰু মানৱীয় জীৱনৰ মহত্বৰ বিষয়ো জ্ঞান থকাৰ উচিত। মন্ত্ৰী, বিধায়ক, আমোলা বিষয়া, চিকিৎসক অভিযন্তা, অধ্যাপক, আৰক্ষী-কৰ্মচাৰী যিয়েই নহওক, সকলো 'সেৱা' (Service)ৰ লগত জড়িত আৰু এই 'সেৱা' মানুহৰ সামগ্ৰিক কল্যাণৰ বাবে প্ৰয়োজন। এই সত্য আমি সকলোৱে আন্তৰিকতাৰে অনুধাৱন কৰা উচিত।

বহুতে হয়তো ভাবিব বা ক'বলৈ বিছাৰিব যে, অতি সাম্প্ৰতিক সময়ত আমাক কাৰিকৰী (technical) শিক্ষাহে লাগে। নিবনুৱা সমস্যা দূৰ কৰিবৰ বাবে আমাৰ কলেজ বা বিশ্ববিদ্যালয়সমূহে কাৰিকৰী শিক্ষা প্ৰদান কৰিব লাগে। প্ৰথম ভাত তাৰ পিছতহে মাত। কিন্তু ভাত খাই জীয়াই থকা মানুহজনে মানৱীয় চেতনাক উলাই কৰিলে মানুহ আৰু অন্য জীৱৰ মাজত একোৱেই পাৰ্থক্য নাথাকিব। নিশ্চিতভাৱে সাম্প্ৰতিক সময়ত দক্ষতা বিকাশৰ বাবে পাঠ্যপুথি যুগুত কৰাৰ লগতে মান

বিশিষ্ট প্ৰশিক্ষণ প্ৰদান কৰিব লাগে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে সৃষ্টিশীল কৰ্মৰ বাবে অনুপ্ৰাণিত কৰাৰ লগতে উপযুক্ত কৰিব লাগিব। কিন্তু এই দক্ষতা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলেই পৰৱৰ্তী সময়ত সামাজিক দায়বদ্ধতাৰে নিজৰ লগতে আনৰো উপকাৰ কৰিব লাগিব। সেয়ে জ্ঞান আৰু দক্ষতাৰ সমন্বয়ত শিক্ষাৰ আধাৰ নিৰ্মাণ কৰিব লাগিব। 'শিক্ষা'ৰ প্ৰকৃত সংজ্ঞাত জ্ঞান আৰু দক্ষতা প্ৰয়োগৰ প্ৰৱণতাই গুৰুত্ব পোৱা উচিত। কলেজ বা বিশ্ববিদ্যালয় শিক্ষাই কেৱল কিবা এটা তথাকথিত 'চাকৰি'ৰ বাবে Qualified তথা উপযুক্ত হিচাপে গঢ় দিলেই নহ'ব। কলেজৰ অধ্যাপকৰ দৰে দায়িত্বপূৰ্ণ চাকৰি কৰি ৰাজহুৱা স্থান লেতেৰা কৰিলে তেনে ব্যক্তিক শিক্ষিত বুলি স্বীকৃতি দিলে নহ'ব। যি বিষয়ৰ জ্ঞানকে আয়ত্ব নকৰক লাগে, সেই বিষয়টোত দক্ষতা থকাৰ লগতে বিষয়টো গহ্বৰত লিপিত খাই থকা চেতনাকো অনুধাৱন কৰিব পাৰিব লাগিব। তেতিয়াহে শিক্ষাৰ সংজ্ঞা বুজি পাব।

এতিয়া সৰ্বত্ৰে নতুন শিক্ষানীতিৰ সন্দৰ্ভত আলোচনা কৰাৰ সময়তে প্ৰতিজন শিক্ষকৰ দায়িত্ব বৃদ্ধি পোৱা সত্যটোও স্বীকাৰ কৰিব লাগিব। কিন্তু শিক্ষকৰ 'দায়িত্ব' কি? এই 'দায়িত্ব'ৰ সংজ্ঞা কেনেদৰে উপস্থাপন কৰা হ'ব? এই দায়িত্ব নিজেই স্বতঃস্ফুটভাৱে পালন কৰিব নে, অন্য লোকে দায়িত্ব নিৰ্দ্ধৰণ কৰিব? কথাখিনি গুৰুত্বপূৰ্ণ নহয়, তাৎপৰ্যপূৰ্ণ। ব্যক্তিভাৱে দায়িত্ব নিৰ্দ্ধাৰণ কৰা শক্তিৰ প্ৰসংগত সিদ্ধান্ত ল'ব নোৱৰাৰ বাবেই বহু সময়ত আমি শিক্ষা ব্যৱস্থাটোকে বিকৃত কৰিছোঁ। শিক্ষানুষ্ঠানবোৰত আমি ছাত্ৰ-ছাত্ৰীক কি ধৰণৰ শিক্ষা দিম? নম্বৰ বৃদ্ধিৰ প্ৰশিক্ষণ নে দক্ষতা বৃদ্ধিৰ কৌশল? চৰকাৰে শিক্ষকসকলক সিদ্ধান্ত ল'বলৈ দিয়াটোৱেই উচিত। পৃথিৱীত শিক্ষকৰ বাদে অন্য কোনেও সামগ্ৰিকভাৱে শিক্ষাৰ উত্তৰণ ঘটাব নোৱাৰে। সেয়ে শিক্ষকৰ গুণ গৰিমা সমাজৰ বাবে অতি প্ৰয়োজনীয়। গুণ নথকা শিক্ষক সমাজৰ বাবে বিপদজনক। সকলো মানুহ শিক্ষকৰ দৰে বৃত্তিৰ বাবে উপযুক্ত হ'ব নোৱাৰে। সেয়ে শিক্ষক নিযুক্তি মাথো স্বচ্ছ হ'লে নহ'ব, এই স্বচ্চতাৰ লগতে বাচনি প্ৰক্ৰিয়াও শুদ্ধ হ'ব লাগিব। মাথো নম্বৰেই একমাত্ৰ শিক্ষকৰ বাবে যোগ্যতা হ'ব নোৱাৰিব। পৃথিৱীখন Critically পৰ্যবেক্ষণ, পৰ্যালোচনা আৰু প্ৰণাম কৰিব পাৰিব লাগিব। প্ৰণাম কৰাজনই বা প্ৰণাম কৰিব পৰাজনেই জ্ঞানী লোক যি বিষয় বিশ্লেষণ কৰি সমস্যা সমাধান কৰাত সফল হ'ব পাৰে।

নতুন শিক্ষা নীতি ২০২০ৰ প্ৰসংগত শিক্ষকসকলেও নিজৰ গতানুগতিক ভূমিকা পৰিৱৰ্তন কৰিব লাগিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে সামগ্ৰিক বিকাশৰ বাবে সাম্প্ৰতিক শিক্ষকসকলে দায়িত্ব গ্ৰহণ কৰা উচিত। ইংৰাজীত সততে all round development meanshuge with heart, high with mind and great with Karma। কিন্তু অন্তৰ আত্মাৰ পৰিশীলিত ৰূপটো গঢ় দিবৰ বাবে সাম্প্ৰতিক ভোগবাদী আৰু প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত সমাজ ব্যৱস্থাত কি ধৰণেৰে শিক্ষা প্ৰদান কৰিব লাগিব, সেই সিদ্ধান্ত কোনে প্ৰদান কৰিব? একেদৰে এটা শক্তিশালী মনৰ অধিকাৰী কৰাত ছাত্ৰ-ছাত্ৰীক কি শিক্ষাৰ প্ৰয়োজন? কোনবোৰ কামক মহান হিচাপে বিবেচিত কৰিব পৰা যাব? এনেবোৰ প্ৰশ্নৰ উত্তৰ কোনে দিব? শিক্ষকৰ বাবে এইবোৰো প্ৰত্যাহ্বান। এনে প্ৰত্যাহ্বান শিক্ষকসকলে সন্মুখীন হৈছে অথবা নিশ্চিতভাৱে হ'ব। মহাত্মা গান্ধীয়েও শৰীৰ, মন আৰু আত্মাৰ ভাৰসাম্যতাৰ

বিষয়ে উল্লেখ কৰিছে। আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলক শৰীৰ আৰু মনৰ বিকাশৰ জৰিয়তে সমাজত কৰ্ম কৰি জীয়াই থকাৰ দক্ষতা বৃদ্ধি কৰিব লাগিব। সমাজৰ পৰা সকলো স্তৰৰ পৰা দুৰ্নীতি অন্ত হ'লেহে শিক্ষা ব্যৱস্থাটো স্বচ্ছ আৰু ফলপ্ৰসূ কৰিব পৰা যাব। এটা পৰিস্কাৰ মনৰ মানুহ শিক্ষাদান, শিক্ষা গ্ৰহণ, সংস্কৃতিৰ লগত জড়িত হোৱাতো উচিত।

স্বচ্ছ মনৰ অবিহনে সমাজত কোনো ছাত্ৰ-ছাত্ৰীকে শিক্ষিত কৰিব পৰা নাযাব। শিক্ষানুষ্ঠানবোৰৰ ব্যাহিক ৰূপ-সৌন্দৰ্য উচ্চমানৰ হ'লেই নহ'ব, অন্তভাগৰ সংস্কৃতিৰ উত্তৰণ ঘটিব লাগিব। শিক্ষাৰ উত্তৰণৰ প্ৰসংগত নাভাবিবলগীয়া বহু কথা ভবাৰ সময় সমাগত। গুৰুত্ব নিদিয়া বহু দিশ গুৰুত্ব দিব লাগিব। প্ৰয়োজনত ছাত্ৰ-ছাত্ৰীসকলক শিল ভঙাৰ লগতে শিল গলাবলৈ শিকাব লাগিব। শিলো গলিব। শিল গলোৱাৰ জ্ঞানো আমাক লাগে। নতুন জ্ঞান। পৃথিৱীত জটিল তথা কঠিন বুলি কোনো বিষয় নাই। সূক্ষ্মভাৱে পৰ্যালোচনা কৰিলে নিতৌ নতুন জ্ঞান নিৰ্মাণ কৰিব পৰা যায়। পায়-নাপায়, উচিত-অনুচিত, পাপ-পূণ্য আদি কথাবোৰ পুনৰ পৰ্যালোচনা কৰিব লাগিব। বুদ্ধিদীপ্ততাৰ বাবে নিজৰ চিন্তা প্ৰক্ৰিয়া শুদ্ধভাৱে উত্তৰণ ঘটোৱাটো উচিত। নিজৰ সম্পৰ্কেও সচেতন হৈ স্ব-মূল্যাংকণ নকৰিলে কেৱল নম্বৰ প্ৰাপক তথাকথিত শিক্ষিত হ'লে নহ'ব, সৃষ্টি কৰিব লাগিব। কথাবোৰ সকলোৱে বুজিব লাগিব। শিল গলোৱাৰ বাবে সকলোৱে প্ৰস্তুতি চলাব লাগিব। নতুন শিক্ষানীতি মাথো 'নতুন' হ'লেই নহ'ব, নতুনৰ লগত সংপৃক্ত জ্ঞানৰ সম্ভেদ কৰাৰ প্ৰয়োজন। কবি বৈশালী চুতীয়াৰ ভাষাত — শিল কোমল হ'লে/গলাব পাৰি/শিল কঠিন হ'লে/ভাঙিব পাৰি।

❖❖❖

---

*লেখক প্ৰাধ্যাপক, সমাজতত্ত্ব বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়*

# তাহানিৰ দুলাল ককাইটি আৰু আজিৰ প্ৰেকটিছ্ প্ৰফেচাৰ

**ড° সৌমাৰজ্যোতি মহন্ত**

’৮০ ৰ দশকত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ বাবে ‘কৰ্ম অভিজ্ঞতা’ নামৰ এক বিষয় পাঠ্যক্ৰমত অৰ্ন্তভুক্ত কৰা হৈছিল। অৱশ্যে বাকী বিষয় যেনে ইংৰাজী, অংক, বিজ্ঞান আদি বিষয়সমূহৰ দৰে কৰ্ম অভিজ্ঞতা-ৰ লিখিত পৰীক্ষা নাছিল। কিছু কিছু বিদ্যালয়ত কৰ্ম অভিজ্ঞতা বিষয়ৰ বাবে কেতবোৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণ দিয়া হৈছিল যদিও প্ৰায়বোৰ বিদ্যালয়তে কৰ্ম অভিজ্ঞতা-ৰ নামত শিক্ষাৰ্থীয়ে লাভ কৰা অভিজ্ঞতা আছিল এক প্ৰকাৰ শূণ্য। হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুস্থিত হোৱাৰ পূৰ্বেই শিক্ষাৰ্থীয়ে বিছনী, খৰাহীকে ধৰি সেই সময়ত দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা হস্ত নিৰ্মিত সামগ্ৰী বিদ্যালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষক জমা দি তাৰ বিপৰীতে কৰ্ম অভিজ্ঞতা বিষয়ত নম্বৰ লাভ কৰিছিল। কোনে কিমান নম্বৰ পাব সেয়া নিৰ্ভৰ কৰিছিল বিদ্যালয়ৰ প্ৰধান শিক্ষক বা বিষয়টোৰ বাবে দায়িত্ব ন্যস্ত কৰা শিক্ষক জনৰ ওপৰত। উল্লেখযোগ্য সেইসময়ত ভাল ফলাফল হ’ব বুলি বিদ্যালয়ে ভবা ছাত্ৰ-ছাত্ৰী সকলে কৰ্ম অভিজ্ঞতাতো অধিক নম্বৰ পোৱাটো নিশ্চিত আছিল আৰু এই বিষয়টোত কাচিৎহে কেনোবা উত্তীৰ্ণ নোহোৱাকৈ আছিল। গ্ৰামাঞ্চলৰ পৰা অহা বহু ছাত্ৰই কৃষি কৰ্ম, পশুপালনকে ধৰি অন্যান্য কামত পৰম্পৰাগতভাৱে জড়িত থকাৰ সুবাদত কৰ্ম অভিজ্ঞতা-ত সন্নিবিষ্ট হোৱা প্ৰেকটিকেল সমূহ তেওঁলোকৰ বাবে কঠিন নাছিল যদিও এচামৰ বাবে কাঠী-কামিৰ কাম অসম্ভৱ আছিল। গ্ৰামাঞ্চলত ডাঙৰ দীঘল হোৱাৰ বাবে গ্ৰাম্য জীৱনৰ লগতে কৃষি কৰ্মৰ সৈতে পৰিচিত আছিলো যদিও বিছনী, খৰাহী, পাচি, জাপি নিৰ্মাণ কৰিব পৰাকৈ দক্ষতা আহৰণ কৰিব পৰা নাছিলো। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফলৰ আশাৰে অৰ্থাৎ কৰ্ম অভিজ্ঞতা-ৰ নম্বৰ কেইটা যাতে ভালদৰে লাভ কৰো সেয়েহে কাষ চাপিছিলো আমাৰ কোঁৱৰপুৰ পানীতোলা গাঁৱৰ দক্ষ কৃষক, হস্ত শিল্প-কৰ্মত অতি পাকৈত দুলাল ককাইটি (দুলাল কেওঁট)-ৰ ওচৰত। ককাইটি কেৱল কৃষি, পশুপালন আদি কৰ্মতে যে দক্ষ আছিল এনে নহয়, গাঁৱৰ নামঘৰৰ দায়িত্ব পালন কৰাৰ পৰা ভাওনাৰ গায়ন-বায়ন, অভিনয় সকলোতে তেওঁ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি সকলোৰে আস্থাভাজন হৈছিল। অৱশ্যে সেই সময়ত গাওঁখনত কৰ্মসংস্কৃতিৰ বিকাশ, সংস্কৃতি চৰ্চা, আধ্যাত্মিকতাৰ উৎকৰ্ষ সাধন আদিৰ ক্ষেত্ৰত সামগ্ৰিকভাৱে নেতৃত্ব

প্ৰদান কৰিছিল সামাজিকভাৱে অতি দায়বদ্ধ প্ৰয়াত শিক্ষক তিলেশ্বৰ কেওঁট, আনন্দ কেওঁট আদি ব্যক্তিসকলে। কৰ্ম অভিজ্ঞতা বিষয়ৰ বাবে প্ৰয়োজনীয় নম্বৰ আহৰণ কৰাৰ উদ্দেশ্যে দুলাল ককাইটি-ৰ ওচৰলৈ গৈ সেই সময়তে অৰ্থাৎ ছাত্ৰ জীৱনৰ কোমল বয়সতে মনলৈ আহিছিল এই সকল ব্যক্তিৰ যোগেদি আনুষ্ঠানিকভাৱে বিদ্যালয়সমূহত কৃষি কৰ্মকে ধৰি হস্ত শিল্প আদিৰ প্ৰশিক্ষণ দিয়াৰ সুবিধা কৰিলে কৰ্ম অভিজ্ঞতা বিষয়টোৰ মূল উদ্দেশ্য বাস্তবায়িত হ'লহেঁতেন। '৮০-ৰ দশকৰ সেই সময়ৰ পৰা বৰ্তমানলৈকে বহু যুগ পাৰ হৈ গ'ল। সেই দিনৰ পৰা আজিৰ দিনলৈ কেইবাটাও শিক্ষানীতি, শিক্ষা আয়োগে, বহু শিক্ষা প্ৰকল্প-আঁচনি শিক্ষা বিভাগত প্ৰয়োগ কৰা হ'ল যদিও তাহানি দিনতে কৰ্ম অভিজ্ঞতা বিষয়ৰ যোগেদি যি লক্ষ্য স্থিৰ কৰা হৈছিল সেয়া আজিও ফলৱৰ্তী নহ'ল। আনুষ্ঠানিক শিক্ষা বিশেষ নথকাকৈ মেট্ৰিকৰ দেওনা পাৰ হ'ব নোৱাৰা দুলাল ককাইটিয়ে অলপতে শতায়ু বৰ্ষ গৰকাৰ পূৰ্বে জীৱন নাটৰ সামৰণি মাৰিলে যদিও কৃষি কৰ্ম, শৈক্ষিক কৰ্ম, সামাজিক কৰ্ম সকলোতে দক্ষতাৰ প্ৰমাণ দি নিজৰ আটাইকেইটা সন্তানক স্ব-নিৰ্ভৰশীল কৰি তুলি সমাজৰ বাবে এক নিদৰ্শন দাঙি ধৰিলে। দুলাল ককাইটি-ৰ দৰে ব্যক্তি অসমৰ বিভিন্ন প্ৰান্তত আজিও বহুজন আছে অথচ তেওঁলোকৰ দক্ষতা, প্ৰতিভা-ক আমি আজিৰ প্ৰজন্মক স্কীলড কৰি তোলাৰ বাবে প্ৰয়োগ কৰিছোনে, সেয়া প্ৰশ্নৰ বিষয়। গ্ৰাম্য জীৱনৰ সৈতে জড়িত বহু যুৱক-যুৱতীয়ে যুগ যুগান্তৰ ধৰি চলা আৰ্থ-সামাজিক ব্যৱস্থাটোৰে সংপৃক্ত হৈ থকাৰ বাবে কৃষি, পশুপালন আৰু হস্তশিল্প আদিৰ সৈতে পৰিচিত যদিও ক্ৰমান্বয়ে বিভিন্ন কাৰণত গ্ৰামাঞ্চলৰ যুৱক-যুৱতীয়েও লাহে লাহে ইয়ালৈ পিঠি দিছে। ফলত এনে বহু অঞ্চলত ছন্ন পৰি আছে বিপুল সম্ভাৱনা থকা শষ্য শ্যামলা পথাৰ সমূহ। অৱশ্যে আধুনিক তথ্য-প্ৰযুক্তিয়ে বহু নতুন সম্ভাৱনা কঢ়িয়াই আনিছে আৰু ইয়াৰ সৈতে বহু যুৱক-যুৱতীয়ে জড়িত হৈ আত্মনিৰ্ভৰ হোৱাৰ চেষ্টা কৰাটো আশাৰ বতৰা যদিও কৃষি প্ৰধান ৰাজ্য অসমৰ বাবে ইয়াৰ পৰা নতুন চামৰ বিছিন্নতা এক উদ্বিগ্নতাৰ বিষয়।

তেনে এক সন্ধিক্ষণত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ প্ৰয়োগৰ লগে লগে কৃষি, পশুপালন, মৎস্য-পালনকে ধৰি বিভিন্ন ক্ষেত্ৰত নিজা কৰ্ম আৰু অভিজ্ঞতাৰ যোগেদি স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰা ব্যক্তি সকলক কলেজ, বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানত প্ৰেকটিছ্ প্ৰফেচাৰ হিচাপে নিযুক্তি দিয়াৰ সিদ্ধান্তই এক নতুন পথৰ সন্ধান দিব। আজিৰ যুগৰ নতুন প্ৰজন্মক দক্ষ কৰি তোলাৰ বাবে শিকাৰু (Learner) সকলে নিজকে নিয়োগ সৃষ্টি কৰোতা (Employer) হিচাপে আৰু নিয়োগ সৃষ্টি কৰোতা সকলেও পৰিবেশ, পৰিস্থিতিক সূক্ষ্মভাৱে অধ্যয়ন কৰি নিজকে শিকাৰু ৰূপে ভবাৰ পৰিবেশ সূচনা কৰিব লাগিব। এনে দিশক উপলব্ধি কৰি ইউ জি. চি. য়ে উদ্যোগিক আৰু বিভিন্ন ব্যৱসায়-বাণিজ্য খণ্ডৰ অভিজ্ঞ ব্যক্তিসকলৰ অভিজ্ঞতা, জ্ঞান, দক্ষতাক শ্ৰেণীকোঠালৈ আনি ছাত্ৰ সমাজক ইয়াৰ সুফল লাভ কৰাৰ বাবে এক সুযোগ সৃষ্টি কৰিছে। কাজেই এই লক্ষ্য বাস্তাৱায়িত হ'লে উদ্যোগ আৰু সমাজৰ এক পোনপটীয়া সম্পৰ্ক সৃষ্টি হোৱাৰ লগতে উভয়ে উপকৃত হ'ব। ইউ জি চি-য়ে প্ৰেকটিছ্ প্ৰফেচাৰ-ৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নিৰ্দেশনাত লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে —

১) পাঠ্যক্ৰমৰ বিষয়বস্তু এনেদৰে প্ৰস্তুত কৰা হ'ব

যে ইয়াৰ যোগেদি উদ্যোগ, সমাজ উভয়ৰে লক্ষ্য সমূহ পূৰণ হ'ব আৰু উচ্চ শিক্ষানুষ্ঠান সমূহে অভিজ্ঞ উদ্যোগিক বিশেষজ্ঞ সমূহৰ সৈতে যুটীয়া গৱেষণা আৰু পৰামৰ্শ সেৱা (Consultancy service) সম্পৰ্কিত কাম কৰি পৰস্পৰ উপকৃত হ'ব। ২) আভিযান্ত্ৰিক, বিজ্ঞান, প্ৰযুক্তি, উদ্যমিতা, পৰিচালনা, চাৰ্টাড একাউণ্টটেনচি (CA), বাণিজ্য, সমাজ বিজ্ঞান, কলা, মিডিয়া, সাহিত্য, শিল্পকলা, পঞ্চায়তীৰাজ, গ্ৰামোন্নয়ন, জলসম্পদ, কৃষি-পশুপালন, সেনা-বাহিনী, ক্ৰীড়া, সংগীত, ন্যায় সেৱা, সেউজ অৰ্থনীতি, পৰিবেশ সুৰক্ষা, পৌৰ প্ৰশাসন, নাৰী বিকাশ, জন সেৱা, জন প্ৰশাসনৰ অভিজ্ঞ লোকসকল উচ্চ শিক্ষানুষ্ঠানৰ সৈতে পোনপটীয়া ভাৱে যুক্ত হৈ পৰিব।

৩) এনে বিভিন্ন ক্ষেত্ৰৰ ব্যক্তি সকল আনুষ্ঠানিকভাৱে উচ্চ শিক্ষানুষ্ঠানৰ সৈতে জড়িত হোৱাৰ সুবাদত শিক্ষাৰ্থী সকলে অভিজ্ঞতালব্ধ শিক্ষা (Experience learning), গৱেষণা, প্ৰশিক্ষণ, দক্ষতা, উদ্যমিতাৰ প্ৰসাৰণৰ ক্ষেত্ৰত নতুন সুযোগ লাভ কৰিব।

প্ৰেকটিছ প্ৰফেচাৰৰ বাবে নিৰ্বাচনৰ ক্ষেত্ৰত উপৰিউক্ত বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা সকলক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু সংশ্লিষ্ট ব্যক্তি সকল নিজৰ ক্ষেত্ৰখনত কমেও ১৫ বছৰ কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। সচৰাচৰ কলেজ-বিশ্ববিদ্যালয়ত অধ্যপনাৰ বাবে প্ৰয়োজনীয় কোনো ডিগ্ৰী, পাব্লিকেশ্যন, ডক্টৰেট ডিগ্ৰী আদি প্ৰেকটিছ প্ৰফেচাৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সংশ্লিষ্ট বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত, শিক্ষানুষ্ঠানৰ নীতি অনুসৰি নতুন পাঠ্যক্ৰম প্ৰস্তুত, শিক্ষণৰ ব্যৱস্থা, শিক্ষাৰ্থীৰ উদ্ভাৱনী চিন্তা-উদ্যমিতাৰ প্ৰকল্প প্ৰস্তুত আৰু ইয়াৰ বাবে প্ৰয়োজনীয় মেণ্টৰশ্বিপ, উদ্যোগ-শিক্ষাবিদৰ যৌথ সহযোগিতা, কৰ্মশালা, চেমিনাৰ, প্ৰশিক্ষণ শিবিৰ আয়োজন, গৱেষণা প্ৰকল্প-পৰামৰ্শদাতা সেৱাৰ ক্ষেত্ৰত নিয়মীয়াকৈ নিযুক্তি অধ্যাপক সকলক জড়িতকৰণ আদি দায়িত্ব সমূহ ন্যস্ত হ'ব প্ৰেকটিছ প্ৰফেচাৰৰ ওপৰত। এই সকল বিভিন্ন উদ্যোগৰ দ্বাৰা অনুমোদিত পুঁজিৰ দ্বাৰা নিয়োজিত হ'ব পাৰে (funded by Industries), উচ্চ শিক্ষানুষ্ঠানৰ নিজা পুঁজিৰ পৰা নিযুক্ত হ'ব পাৰে বা এচামে নিজৰ সেৱা বিনামূলীয়াকৈ শিক্ষানুষ্ঠানৰ প্ৰতি আগবঢ়াব পাৰে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহে নিজৰ প্ৰয়োজনীয়তাৰ ভিত্তিত অংশকালীন ভাৱে /পূৰ্ণ সময়ৰ বাবে, দুয়োপক্ষৰ বুজাবুজিৰ ভিত্তি প্ৰেকটিছ প্ৰফেচাৰৰ পাৰিতোষিক নিৰ্ধাৰণ কৰিব পাৰে। উচ্চ শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ৰ মুৰব্বী আৰু বিশেষজ্ঞ সদস্যৰ দ্বাৰা গঠিত সমিতিয়ে প্ৰেকটিছ প্ৰফেচাৰৰ অৰ্হতাৰ ভিত্তিত প্ৰথমে এবছৰৰ বাবে নিযুক্তি দিয়ে আৰু শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তাৰ ভিত্তিত সৰ্বাধিক তিনি বছৰৰ বাবে নিযুক্তি দিব পাৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ প্ৰয়োগৰ যোগেদি দেশৰ শৈক্ষিক ব্যৱস্থাটোৰ আমূল পৰিৱৰ্তন অনাৰ লগতে ইয়াৰ যোগেদি ভৱিষ্যত দিনৰ এখন সমৃদ্ধিশালী ভাৰতৰো কল্পনা কৰা হৈছে। আত্মনিৰ্ভৰ ভাৰত গঠন কৰাটো নতুন শিক্ষানীতিৰ এক মূল উদ্দেশ্য। সেই মৰ্মে স্কুলীয়া শিক্ষাৰ বিভিন্ন স্তৰত পৰ্যায়ক্ৰমে শিকাৰুসকলক আখৰ শিক্ষা, সংখ্যা গণনা, ভাষা, অঙ্ক, বিজ্ঞান, সমাজ অধ্যয়ন, কডিঙ, দক্ষতা বিকাশৰ শিক্ষা আদিত গুৰুত্ব প্ৰদান কৰা হৈছে। এক শক্তিশালী মানৱ সম্পদ গঢ়াৰ ভেটি ৰোপিত হয় স্কুলীয়া শিক্ষাৰ যোগেদি। পূৰ্বেও দেশত বিভিন্ন সময়ত প্ৰয়োগ হোৱা শিক্ষানীতি, প্ৰকল্প-আঁচনি, আয়োগ আদিৰ যোগেদিও বিভিন্ন

স্তৰত শিক্ষা ব্যৱস্থাত পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰা হৈছিল যদিও নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ যোগেদি শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষা ব্যৱস্থাটোক অধিক গাঢ় কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। সম্প্ৰতি বৰ্ধিত শিক্ষিত নিবনুৱাই এক ভয়ংকৰ সমস্যা সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত দেশৰ কোটি কোটি শিক্ষাৰ্থীৰ ভৱিষ্যত নিৰূপিত কৰাৰ বাবে শিক্ষা ব্যৱস্থাটোৰ সৈতে সমাজ তথা উদ্যোগ, বাণিজ্য-ব্যৱসায়, কৃষি-পশুপালন, পৰিবেশ-সুৰক্ষা আদি পোনপটীয়াকৈ সংযুক্ত হোৱাটো প্ৰয়োজন। নতুন তথ্য-প্ৰযুক্তি, বিজ্ঞানৰ অভাৱনীয় বিকাশে বহু নতুন সুযোগ আৰু প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। দেশৰ সমাজ ব্যৱস্থা তথা বাণিজ্য-উদ্যোগ এটা দিশে আৰু শিক্ষা ব্যৱস্থাই কেৱল তথাকথিত ডিগ্ৰিধাৰী উৎপাদন কৰা এক অনুষ্ঠান ৰূপে আন এটা দিশে ধাৱমান হৈ থাকিলে কোটি কোটি ভাৰতীয়ৰ সুৰক্ষিত ভৱিষ্যতৰ দিশটো সুদূৰ পৰাহত হ'ব। নাক, এন আই আৰ এফ আদি উচ্চ শিক্ষানুষ্ঠানৰ মূল্যায়নৰ সৈতে জড়িত অনুষ্ঠান সমূহে পূৰ্বৰে পৰা এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কলেজ, বিশ্ববিদ্যালয়ত মূল্যায়নৰ সময়ত শিক্ষানুষ্ঠানসমূহৰ সৈতে সমাজ, উদ্যোগ-বাণিজ্যৰ সম্পৰ্ক, কনচালটেন্সি আদি বিষয়ত যথেষ্ট নম্বৰ নিৰ্ধাৰণ কৰে যদিও এই ক্ষেত্ৰত কোনো আনুষ্ঠানিক বাধ্যবাধকতা নথকাৰ বাবে এই দিশটো অধিকাংশ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত সীমিত পৰ্যায়তে আৱদ্ধ আছিল। কিন্তু ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰ প্ৰয়োগৰ পিছত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত শিক্ষাৰ্থীয়ে কোনো উদ্যোগ, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত এপ্ৰেণ্টিছিপ, ইণ্টাৰনিশ্চিপ আদি কৰাটো বাধ্যতামূলক কৰা হৈছে লগতে এই শিক্ষা ব্যৱস্থাত সংযোজিত হৈছে দক্ষতা কেন্দ্ৰিক পাঠ্যক্ৰম, মূল্যবোধৰ পাঠ্যক্ৰম ইত্যাদি যিয়ে শিক্ষাৰ্থীৰ দক্ষতা, ব্যক্তিত্ব বিকাশ, মানসিকতাৰ উত্তৰণৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা পালন কৰিব। বৰ্তমান সময়ৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বিষয় হৈছে চাকৰিৰ মানসিকতাতকৈ উদ্যোগী, ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত হোৱাৰ এক মানসিকতা সৃষ্টিৰ। এই ক্ষেত্ৰত গতিশীলতা প্ৰদান কৰিব পাৰিলে অসমৰ দৰে ৰাজ্যতো নিয়োগ বিচৰাতকৈ (Job seekers) নিয়োগ সৃষ্টি কৰোঁতা (Job givers) ৰ সংখ্যা বৃদ্ধি পাব, যি ভৱিষ্যতে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত ইন্ধন যোগাব।

নতুন শিক্ষা ব্যৱস্থাৰ আলম লৈ বৰ্তমান দেশৰ শিক্ষা ব্যৱস্থাত প্ৰেকটিছ প্ৰফেচাৰ নিয়োগৰ সিদ্ধান্ত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিব পাৰি। অসমৰ দৰে ৰাজ্যত এই লেখাৰ আৰম্ভণিতে উল্লেখ কৰা দুলাল ককাইটি (৺ দুলাল কেওট) ৰ দৰে ব্যক্তি ইমূৰৰ পৰা সিমূৰলৈকে আছে। উপেন্দ্ৰ ৰাভা, কৌশিক বৰুৱা, মুকুট ডেকা, ক্ষীৰোদ শৰ্ম্মা, গোবিন্দ ডেকা, দেৱজিত চাংমাই, দেৱব্ৰত ৰাভা, সত্যেন মহন্ত, ৰাজীৱ শৰ্ম্মা, অমিয় ৰয়, বিকাশ ভৰালী, নীলম দত্ত, পুষ্পধৰ দাস, যোগেশ দেউৰী, ডেভিদ গগৈ, ভাস্কৰ শইকীয়া আদি বহু ব্যক্তিয়ে বিভিন্ন ক্ষেত্ৰত উজ্বলি উঠি নিজৰ দক্ষতাক প্ৰতীয়মান কৰিছে। যাদৱ পায়েং, ৰীমা দাস, শ্যামকানু মহন্ত আদি বিভিন্ন ক্ষেত্ৰত প্ৰতিভাৰ পৰিচয় দি ব্যক্তিসকলৰ অভিজ্ঞতাক বহু শিক্ষানুষ্ঠানে ব্যৱহাৰ কৰিছে যদিও প্ৰেকটিছ প্ৰফেচাৰৰ দৰে পদৰ যোগেদি তেওঁলোকৰ অভিজ্ঞতাক শিক্ষাৰ্থীয়ে শিকিবলৈ সুযোগ পালে তেওঁলোক বহু পৰিমাণে উপকৃত হ'ব আৰু শিক্ষানুষ্ঠানখনৰো লাভ হ'ব। পূৰ্বে শিক্ষা ব্যৱস্থাৰ প্ৰয়োগ হোৱা কৰ্ম অভিজ্ঞতা নামৰ বিষয়টো এক বুমেৰাঙত পৰিণত হৈছিল। কিন্তু প্ৰেকটিছ প্ৰফেচাৰে এই ক্ষেত্ৰত বহু নতুনত্ব আনিব পাৰিব বুলি ভবাৰ স্থল আছে।❖❖❖

---

*লেখক অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ*

# অৰ্থনৈতিক জাতীয়তাবাদেহে সমৃদ্ধিশালী কৰিব অসমীয়াৰ ভৱিষ্যত

**অৰুণ বৰুৱা**

এটা জাতি তেতিয়া শক্তিশালী হয় যেতিয়া জাতিটোৰ সন্মুখত স্পষ্ট কৰ্মমুখী বাস্তৱ পৰিকল্পনা পৰি থাকে। কাৰণ উপযুক্ত আৰ্থ-ৰাজনৈতিক ব্যৱস্থাৰ মাধ্যমেৰেহে মানৱ সম্পদৰ সঠিক ব্যৱহাৰ সম্ভৱ। কৰ্মমুখী আঁচনিৰ অভাৱত যদি জাতিটোৰ শিক্ষিত নতুন প্ৰজন্মৰ অধিকসংখ্যকেই কৰ্মহীন নাইবা কৰ্মবিমুখ হৈ কটাব লাগে তেনে জাতিৰ ভৱিষ্যত কেতিয়াও উজ্জ্বল বুলি আশা কৰিব নোৱাৰি। মানৱ সম্পদৰ সঠিক ব্যৱহাৰৰ অবিহনে বিশ্বৰ কোনো জাতিয়ে কেতিয়াও উন্নত জাতিৰ মৰ্যাদালৈ অগ্ৰসৰ হোৱা নাই। তেওঁলোকে ইয়াৰ কাৰণে দীৰ্ঘম্যাদি অৰ্থনৈতিক কৰ্মমুখী পৰিকল্পনা তৈয়াৰ কৰিছে। কিন্তু দুৰ্ভাগ্যৰ বিষয়টা হ'ল অসমত আজিও তেনে এটা পটভূমি গঢ় লৈয়ে নুঠিল।

শেহতীয়াকৈ অসমত কৰ্মসংস্কৃতিৰ পৰিৱেশ নোহোৱা দৰে হৈ আহিছে। সেয়ে ৰাজ্যখনৰ বেছিভাগ যুৱপ্ৰজন্মই বছৰটোৰ অধিক সময় উৎসৱ-অনুষ্ঠানৰ মাজতে বিলীন কৰি দিবলৈ লোৱা যেন অনুভৱ হয়। চাকৰি-বাকৰি, খেতি-বাটি, ব্যৱসায়-বাণিজ্য কৰিবলৈ নাইয়ে যেতিয়া বিকল্প হিচাপে প্ৰতিটো জাতি-জনগোষ্ঠীৰ বুকুতে থুনুকা জাতীয় প্ৰেমেৰে শতাধিক সংগঠনে জন্ম লাভ কৰিছে। এই সংগঠনসমূহে সহজে সমাজত নিজৰ অৱস্থিতি নাইবা শক্তি প্ৰমাণ কৰিবলৈ বাছি লয়, হয় উৎসৱ-অনুষ্ঠান নহয় ৰাজপথৰ আন্দোলন। দুয়োটা অনুষ্ঠান চলাই নিবৰ বাবে যি পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হয় তাক চান্দাৰ মাধ্যমেৰে বিভিন্ন উৎসৰপৰা সহজে সংগ্ৰহ কৰা হয়। মূলত ইয়াৰ কাৰণে পুঁজিপতি বহিৰাগত বণিয়াগোষ্ঠী আৰু অবৈধ ধনৰ গৰাকীসকল আছেই যেতিয়া বিশেষ চিন্তা কৰিবলগীয়া নাথাকে। তেওঁলোকে উপাৰ্জনৰ এটা অংশ নিয়মীয়াকৈ চান্দাৰ বাবে যোগাৰ কৰি ৰাখেই। অৱশ্যে ইয়াৰ বাবে তেওঁলোকৰ অলপো লোকচান নহয়, কিয়নো অসমৰ বিশাল ব্যৱসায়ী ক্ষেত্ৰখন সম্পূৰ্ণৰূপে আগৰেপৰা বহিৰাগত বণিয়াৰ দখলত। তেওঁলোকে ৰাতিটোৰ ভিতৰতে বস্তুৰ দুগুণ দাম বঢ়াই চান্দাৰ বাবে দিয়া ধন সংগ্ৰহ কৰি লয়। এই ক্ষেত্ৰত জাতীয় সংগঠনবোৰৰ মুখ চান্দাই বন্ধ কৰি ৰাখে। তদুপৰি ব্যৱসায়ীসকলে কৰ ফাকিৰ জৰিয়তে অতিৰিক্তভাৱে যিবোৰ ব্যৱসায় চলাই থাকে সংগঠনৰ শীৰ্ষ পৰ্যায়ৰ নেতাসকলে মালিকপক্ষৰ লগত চান্দাৰ জৰিয়তে গোপন বুজাবুজি এটা কৰি

লয়। ইয়াৰ ফলত দুয়োপক্ষৰে লাভ হয়। লোকচান হয় কেৱল ৰাইজ আৰু চৰকাৰৰ ৰাজকোষৰ। আনহাতে ৰাজপথৰ আন্দোলনৰ বাবে যিহেতু ভাল ইছ্ছু লাগে আৰু সকলো সময়তে সেই সুবিধা নাথাকে গতিকে বাকী সময়খিনিত বিভিন্ন উৎসৱ-অনুষ্ঠান আয়োজনেৰে ধুনীয়াকৈ পাৰ হৈ যায়। অসমত ১২ মাহেই পালন কৰিবলগীয়াকৈ অজস্ৰ উৎসৱ আছে। সিমানটো যদি উৎসৱৰ অভাৱ হয় তেন্তে ঠাই এখনক কেন্দ্ৰ কৰিও বিভিন্ন উৎসৱ আয়োজন কৰিব পাৰিযেনে— দিচাং উৎসৱ, ব্ৰহ্মপুত্ৰ উৎসৱ, কজিৰঙা মহোৎসৱ, চৰাইদেউ মহোৎসৱ, ধেমাজি উৎসৱ ইত্যাদি। তদুপৰি শেহতীয়াকৈ আমদানিকৃত ভালেকেইটা উৎসৱে অসমীয়া জনজীৱনত খোপনি পুতিলৈ সক্ষম হৈছে। আনৰ সংস্কৃতি সহজে আদৰি ল'ব পৰা গুণ অসমীয়াৰ আছেই। অৱশ্যে এইক্ষেত্ৰত কোলাৰটো এৰি বোকাৰটো আদৰাৰ স্বভাৱৰ কাৰণে নিজৰ কিছুমান ঐতিহ্যপূৰ্ণ সংস্কৃতিক এলাগী কৰি অহাটো মনকৰিবলগীয়া। গতিকে অসমত উৎসৱ পাতিবৰ বাবে চান্দাৰো অভাৱ নাই আৰু উৎসৱৰো কমি নাই। সেইদৰে আয়োজক সংগঠনৰো অভাৱ নাই। যাৰ পৰিণতিত অসমত বানপানী মাহকেইটা বাদ দি বাকী সময়চোৱাত ধাৰাবাহিককৈ বিভিন্ন উৎসৱ-অনুষ্ঠান চলি থকে। প্ৰচাৰৰ বাবে টিভি চেনেলকেইটা আছেই আৰু সাংস্কৃতিক সন্ধিয়া শুৱনি কৰিবলৈ শেহতীয়াকৈ অসমত গায়কৰ সংখ্যাও নিচেই ক'ম নহয়। ইয়াৰ মাধ্যমেৰে অসমীয়াই দৰাচলতে জীৱনটো উপভোগৰ পৰিৱেশ এটা তৈয়াৰ কৰি লৈছে সঁচা, কিন্তু জীৱনটো উদযাপনৰ কলা নিজৰ ভূমিতে পাহৰি পেলাইছে।

চান্দামুখী দৃষ্টিভংগী আৰু অত্যাধিক উৎসৱপ্ৰীতি মানসিকতাই এসময়ৰ স্বাৱলম্বী অসমীয়া জাতিটোক সম্পূৰ্ণৰূপে পৰনিৰ্ভৰশীল জাতিত পৰিণত কৰিলে। জাতি এটাৰ ঐতিহ্যপূৰ্ণ সাংস্কৃতিক পৰম্পৰাক জীয়াই ৰাখিবলৈ বা প্ৰচাৰ-প্ৰসাৰ কৰিবলৈ উৎসৱ-অনুষ্ঠান আমাক লাগিবই কিন্তু অত্যাধিক উৎসৱমুখিতাই জাতি এটাৰ ধ্বংসৰ পথো প্ৰসস্ত কৰে। এসময়ত অসমীয়াই নিমখৰ বাহিৰে সকলো বস্তুকে নিজে উৎপাদন কৰি লৈছিল কিন্তু আজি নিত্য প্ৰয়োজনীয় সকলো বস্তুকে বাহিৰৰ পৰা আমদানি কৰিব লাগে। এয়া অসমীয়াৰ উত্তৰণ নে অধোগতি সেয়া সহজে অনুমেয়। আনকি উৎসৱ পাতিবৰ বাবে জাতীয় স্বকীয় স্বাভিমানৰ প্ৰতীক গামোচাখনো বাহিৰৰ পৰা আমদানি কৰিব লাগে। ইয়াত আমি প্ৰয়োজনীয় গামোচাখনো উৎপাদন কৰি ল'বলৈ সক্ষম হোৱা নাই। সেইদৰে শৰাই, ফুল, জাপি আদি প্ৰায়বোৰ প্ৰয়োজনীয় সামগ্ৰীয়ে জোৰা মাৰিবৰ বাবে বাহিৰৰপৰা আনিব লাগে। ইয়াৰ বাবে দৰকাৰী ক্ষুদ্ৰ উদ্যোগো অসমত আজিলৈকে গঢ়ি নুঠিল।

অসমত জাতীয় দল-সংগঠনৰ সংখ্যা দেধাৰ হ'ল কিন্তু স্বদেশ আৰু স্বজাতিৰ প্ৰেমেৰে উদ্বোদ্ধ দল আৰু নেতা নোহোৱা হ'ল। এতিয়া যেন দেশপ্ৰেম আৰু সহজলভ্য জাতীয়তাবাদ নেতাৰ সভা সমিতিৰ কৃত্ৰিম ভাষণত নাইবা ৰাজপথত শিৰ ফুলাই চিঞৰা 'ইন ক্লাব জিন্দাবাদ' ধ্বনিৰ মাজতহে বৈছেগৈ। নেতাৰ কথা আৰু পোছাকত জাতীয়তাবাদৰ ঢৌ কিন্তু কৰ্ম আৰু চিন্তাত তাৰ সম্পূৰ্ণ ওলোটা খৰ। দিনত জাতীয় প্ৰেমেৰে আৱেগিক ভাষণ দিয়া নেতাই ৰাতি হ'লে সুযোগ পালেই জাতিটোক চুৰী মৰাৰ

আখৰা কৰে। ব্যক্তিগত উত্তৰণৰ জখলা বনাবলৈ নেতাই কৃত্ৰিম জাতীয়তাবাদ আৰু তৰল দেশপ্ৰেম জেপত ভৰাই লৈ ফুৰে। তেওঁলোকৰ ধাৰণাত জাতীয়তাবাদ এতিয়া ব্যক্তিগত উত্তৰণৰ সকলোতকৈ লাভজনক বেহা। ইয়াৰ বাবে উত্তেজক কৃত্ৰিম ভাষণেই একমাত্ৰ মূলধন। দক্ষতা হিচাপে বহুবক্তী আৰু অৰ্হতা হিচাপে আৱেগিক ভাষণেৰে ৰাইজক মোহাবিষ্ট কৰিব পাৰিব লাগিব। ইয়াৰ মাধ্যমেৰে ভৱিষ্যতে ৰাজনৈতিক নেতা হোৱাৰ সপোনো সহজে ফলপ্ৰসু কৰিব পাৰি। দলীয় টিকেট নিশ্চয়তাৰে জাতীয়তাবাদী মঞ্চ ত্যাগ কৰি পোনে পোনে ৰাজনৈতিক দলৰ সদস্য আৰু পৰৱৰ্তী সময়ত মন্ত্ৰী, বিধায়ক আৰু সাংসদ হোৱাৰ পথ সুগম হৈ পৰে। অৱশ্যে ইয়াতো আপত্তি কৰিবলগীয়া একো নাথাকিলেহেঁতেন যদিহে জাতীয়তাবাদী মঞ্চত কোৱা কথাবোৰ ৰাজনৈতিক মঞ্চতো স্বদেশ আৰু স্বজাতিৰ স্বাৰ্থত সমস্যাবোৰ সমাধান কৰিবলৈ দায়বদ্ধতা দেখুৱালেহেঁতেন। কিন্তু বাস্তৱত অসমীয়াই সেই স্বদেশ প্ৰেম বিগত চাৰিটা দশকত এজনো নেতাৰ মাজত দেখিবলৈ নাপালে। সুদীৰ্ঘ সময়ৰ জাতীয়তাবাদে অসমক আচলতে কৰ্মবিমুখ, উৎসৱপ্ৰিয় আৰু আন্দোলনমুখি জাতিত পৰিণত কৰিলে। কৰ্মসংস্কৃতিৰ পৰিকাঠামো একেবাৰে ভাঙি পেলালে। গণতান্ত্ৰিক ব্যৱস্থাত আন্দোলনৰো প্ৰয়োজনীতা আছে। ইয়াক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু সেয়া যদি এক শ্ৰেণী নেতাৰ বাবে লাভজনক ব্যৱসায়ত পৰিণত হয়। তাতকৈ বিড়ম্বনা কি হ'ব পাৰে এটা জাতিৰ বাবে? তদুপৰি যিসকলে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে ৰাজপথত আন্দোলন গঢ়ি তোলা হৈছে তেওঁলোক এসময়ত জাতীয়তাবাদী শিবিৰক সন্মুখৰপৰা নেতৃত্ব দিয়া বিয়াগোম নেতা আছিল। তেওঁলোকেও এদিন এই সমস্যাবোৰৰ বিৰুদ্ধে ৰাজপথত আন্দোলন কৰিছিল। ডিঙিৰ শিৰ ফুলাই ভাষণ দি ৰাইজক উত্তেজিত কৰি তুলিছিল। তেওঁলোকৰ কথাত আশ্বস্ত হৈ ৰাইজে পৰম আস্থাৰে ৰাজনৈতিক ক্ষমতা অৰ্পণ কৰাৰ পাছত তেওঁলোকৰ পূৰ্বৰ সুৰ সলনি হ'ল। ক্ষমতাত থাকি তেওঁলোকে পালন কৰা জাতীয় স্বাৰ্থ বিৰোধী ভূমিকাৰ বাবে একে শিবিৰৰ জুনিয়ৰসকলে অগ্ৰজৰ পথকে অনুসৰণ কৰি ৰাজপথত আন্দোলন গঢ়ি তুলিছে। বন্ধ, অনশন, বজ্ৰনিনাদ আদি অনেক নামেৰে প্ৰতিবাদ হৈছে। এনেকৈ আন্দোলন এক গতানুগতিক পৰম্পৰাত পৰিণত হৈছে অসমত। যাৰ পৰিণতিত জাতিটোৰ ভৱিষ্যত বহুতো দিশৰ পৰা প্ৰত্যাহ্বানমূলক হৈ উঠিছে। জাতীয়তাবাদ এটা জাতিৰ স্বাভিমানী সম্পদ, কিন্তু যেতিয়া জাতীয়তাবাদী নেতাৰ হাততেই ই তৰল হৈ পৰে তাতকৈ দুৰ্ভাগ্য জাতি এটাৰ বাবে কি হ'ব পাৰে!

এনে পৰম্পৰাৰ পৰা নতুন প্ৰজন্ম মুক্ত হ'ব লাগিব। বাস্তৱত কৰ্মমুখী চিন্তাৰে অৰ্থনৈতিক জাতীয়তাবাদ তেওঁলোকে নিৰ্মাণ কৰিব পাৰিব লাগিব। যোগ্যতা আৰু দক্ষতাৰে অৰ্থনৈতিক জাতীয়তাবাদ গঢ়ি সমৃদ্ধিশালী জাতি নিৰ্মাণৰ দায়বদ্ধ খনিকৰ হ'ব পাৰিব লাগিব। ইয়াৰ কাৰণে সু-নেতৃত্ব আৰু সু-পৰিকল্পনা উভয়ৰে প্ৰয়োজন হ'ব। সেয়ে তেওঁলোকে নেতা নিৰ্মাণৰ বেলিকাও সুবিধাবাদী জাতীয়তাবাদক চিনাক্ত কৰি দক্ষতা, বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতাক প্ৰাধান্য দিব লাগিব। জাতিটোক পুনৰ সমৃদ্ধিশালী কৰাৰ স্বাৰ্থতে প্ৰচলিত ব্যৱস্থাৰ আমোল পৰিৱৰ্তন প্ৰয়োজন হৈছে। সকলো স্তৰৰ নেতাৰ কৃত্ৰিম ভাষণ বহুত শুনিলো, বহুত দেখিলো। এতিয়া আমাক গুণগত

এক বাস্তৱিক পৰিৱৰ্তন লাগে। যোগাত্মক দৃষ্টিভংগীৰে কৰ্মমুখী সঁচা পৰিকল্পনা লাগে। কৰ্মসংস্কৃতিক মৰ্যাদাৰে গ্ৰহণ কৰিবপৰা এক অৰ্থনৈতিক জাতীয় জাগৰণৰ প্ৰয়োজন হৈছে অসমত। ইয়াৰ বাবে সৎ, ন্যায়নিষ্ঠ আৰু দূৰদৰ্শী এজন নেতা লাগে যিয়ে আৰ্থ-ৰাজনৈতিক জাতীয়তাবাদ প্ৰতিষ্ঠাৰে অসমীয়া জাতিসত্তাৰ ভৱিষ্যত শংকামুক্ত কৰি তুলিব।

অসমৰ অৰ্থনৈতিক ক্ষেত্ৰখনৰ বাবে অৰ্থনৈতিক চেতনাসৰ্বস্ব জাতীয়তাবাদৰ প্ৰয়োজনীয়তাহে সাম্প্ৰতিক সময়ত অধিক হৈ পৰিছে। চিপাহী বিদ্ৰোহৰ পৰাই ৰাজনৈতিক জাতীয়তাবাদৰ আৱেগেৰে মানুহে দেশখনৰ বাবে কি কি কৰিছে সেয়া আমি প্ৰত্যেকে দেখি আহিছো। দেশৰ অৰ্থনৈতিক বিকাশ আৰু অগ্ৰগতিৰ বাবে জাতীয়তাবাদৰ চিন্তা-চেতনা অৰ্থনীতি কেন্দ্ৰিক হোৱাৰ সময় আহি পৰিছে। কৃষিপ্ৰধান ৰাজ্যহিচাপে চিনাকি দিওঁতে দিওঁতে উদ্যোগৰ দিশত শূন্যৰ ঘৰতে আছো। সাম্প্ৰতিক সময়ত উদ্যোগিক আন্দোলন এটাৰহে আৱশ্যক অসমত। কিন্তু দুৰ্ভাগ্যৰ বিষয়টো হ'ল নতুন উদ্যোগ গঢ়াৰ নামত আন্দোলন হোৱাটো দূৰৰে কথা অসমত চৰকাৰৰ অধীনত যিকেইটা উদ্যোগ আছিল সিও এতিয়া হয় বন্ধ হৈছে, নহয় ব্যক্তিগতখণ্ডত নিলাম হৈছে। এসময়ত মৰাপাটৰ কল, চেনি কল, সূতাৰ কল আৰু অৱশেষত কাগজৰ কল দুটাৰো মৃত্যুৰ সংকেট বাজিল। অসমৰ চাহ নিগমৰ অধিনস্থ চাহ বাগানসমূহৰ দুৰ্দশা দেখিলেই পুতৌ উপজাৰ অৱস্থা। চৰকাৰৰ সঠিক নীতিৰ অভাৱত ক্ষুদ্ৰ চাহ খেতিয়কৰ অৱস্থা পানীত হাঁহ নচৰালেখীয়া হৈছে। এখন এখনকৈ তৈল ক্ষেত্ৰ চৰকাৰে হয় বন্ধক দিছে নহয় নিলামৰ সিদ্ধান্ত লৈছে। কৃষিজীৱী দেশ হিচাপে চিহ্নিত অসমত এতিয়া খেতি কৰিবলৈ মানুহৰ অভাৱ। ভাৰতৰ অন্যান্য উদ্যোগী ৰাজ্যসমূহত মজদুৰি কৰিবলৈ অসমৰ পৰা হাজাৰ হাজাৰ মানুহে ঢাপলি মেলিছে। সৰু সৰু বিষয়তে জাতীয়তাবাদৰ আৱেগ ঢালি জাতীয় সংগঠনসমূহে ৰাজপথ কঁপাই তোলে। কিন্তু কিয় সেই আৱেগেৰে অসমৰ এটাও উদ্যোগ বচাব পৰা নাই।

আহক সুবিধাবাদী নেতাৰ কৃত্ৰিম দেশপ্ৰেমৰ পৰা জাতিটোক মুক্ত কৰি সমৃদ্ধিৰ সোণসেৰীয়া বাটেৰে কৰ্মমুখী অৰ্থনৈতিক জাতীয় চেতনাৰে আগুৱাই নিওঁ বিশ্বৰ শক্তিশালী জাতিবোৰৰ একে শাৰীলৈ। নতুন প্ৰজন্ম এই যাত্ৰাৰ বলিষ্ঠ অংশীদাৰ হওঁক।

❖❖❖

---

*লেখক মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক*

# গ্ৰন্থাগাৰ, সমাজ আৰু ইটো-সিটো

ড° নীলাক্ষী শৰ্মা

বহুদিন আগতেই আমেৰিকান লেখক চিডনী শ্বেলডনৰ বিশয়ে পঢ়ি থাকোতে তেওঁ কোৱা বাক্য এষাৰি মনত ৰৈ গৈছিল। খুউব সম্ভৱ গ্ৰন্থাগাৰৰ লগত জড়িত বাবেই কথাষাৰ পিছলৈ মোৰ বৰ পচন্দৰো হৈ পৰিছিল। তেওঁৰ কথাষাৰৰ সাৰাংশ এনেধৰণৰ, 'কল্পনা কৰিবলৈ মানুহক যি ইন্ধন লাগে, সেই ইন্ধন গ্ৰন্থাগাৰবোৰে সঞ্চিত কৰে। গ্ৰন্থাগাৰে আমাৰ বাবে একোখন খিৰিকী মুকলি কৰে, যিখন খিৰিকীৰে আমি পৃথিৱীখন চাই বুজি লৈ জীৱনৰ অন্বেষণ আৰু প্ৰাপ্তিৰ বাবে অনুপ্ৰেৰণা ল'ব পাৰে। ই আমাৰ জীৱনৰ মানদণ্ড উন্নত কৰাত সহায়ক হয়।' কথাষাৰ নিজৰ জীৱনৰ লগত বহুবাৰ জুকিয়াই চাইছোঁ, ছাত্ৰ হিচাপেও আৰু এগৰাকী গ্ৰন্থাগাৰিক হিচাপেও।

২০০২-২০০৩ চনত মানত আমাৰ ঘৰত এটা বেটাৰীচালিত টেলিভিছন আছিল যদিও পিছলৈ সেইটো বেয়া হোৱাত ঘৰত টেলিভিছন নোহোৱা হৈছিল। তাৰ মুখ্য কাৰণ হ'ল, ২০১০ চনলৈ আমাৰ গাঁৱত বিদ্যুতৰ সংযোগেই হোৱা নাছিল। গতিকে ঠাণ্ডা বা গৰমৰ বন্ধত যেতিয়াই বৰ্ডিং স্কুলৰ পৰা ঘৰলৈ আহোঁ, মোৰ মনোৰঞ্জনৰ প্ৰধান উৎস কেইটা আছিল, ভাইটিৰ সান্নিধ্য, ৰেডিঅ'টো, বাতৰি কাকত আৰু দেউতাই আনি দিয়া জিলা গ্ৰন্থাগাৰৰ কিতাপ কেইখন। গতিকে কোনো সন্দেহবিহীনভাৱে মই ক'ব পাৰোঁ যে সেই সময়ত পঢ়া কিতাপখিনিয়ে মোৰ মনটোক কাল্পনিক, কৌতুহলী আৰু সপোনপিয়াসী কৰি তুলিছিল। যাৰ বাবে পিছলৈ বিদ্যালয়ৰ গ্ৰন্থাগাৰটোলৈ বিশেষ আকৰ্ষণ অনুভৱ কৰিছিলো আৰু সেইবাবেই হয়তো গো-গ্ৰাসে গিলি গৈছিলো চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি, মামনি ৰয়ছম গোস্বামী, নিৰুপমা বৰগোহাঞি, ৰীতা চৌধুৰী, ৰংবং তেৰাং, অনুৰাধা শৰ্মা পূজাৰী, কাঞ্চন বৰুৱা, ৰঞ্জু হাজৰিকা, জে কে ৰোলিং, ডেল কাৰ্ণেগীৰ দৰে আন বহুতো লেখকৰ কিতাপ। মোৰ মনত পৰে ২০০৭-২০০৮ চনৰ পৰাই ছন্দ মিলাই দুই এটা বাক্য (কবিতা বুলি কোৱাৰ ধৃষ্টতা নাই) লিখি কেতিয়াবা লগৰবোৰক দেখুৱাইছিলো। নিজৰ অভিজ্ঞতাখিনিৰ মাজেৰে মই এইটো ক'ব বিচাৰিছোঁ যে কিতাপৰ পাতৰ পৰা ছবিবোৰ, চৰিত্ৰবোৰ তুলি আনি নিজৰ মনত সিহঁতক তুলি-তালি ডাঙৰ দীঘল কৰি বাহিৰা বহীৰ পিছফালৰ পাতত সিহঁতক সজোৱাৰ যি প্ৰয়াস, সেই প্ৰয়াস কিন্তু গ্ৰন্থাগাৰ বা অন্য ঠাইৰ পৰা কিতাপ, আলোচনী, বাতৰি কাকত আদিৰ পৰাহে অনুপ্ৰাণিত আছিল। সেইবাবেই এতিয়া কলেজৰ গ্ৰন্থাগাৰটোত বহি আপোন মনে কিতাপ পঢ়ি থকা শিক্ষাৰ্থীসকলৰ লগত বিভিন্ন বিষয়ত কথা পাতি, তেওঁলোকৰ

অনুভৱী মনটোৰ বুজ ল'ব খোজোঁ। কথা-বতৰাৰ বা বিভিন্ন অনুষ্ঠানৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলক কিতাপ পঢ়াৰ দিশে আগ্ৰহী কৰিবলৈ চেষ্টা কৰো।

গ্ৰন্থাগাৰৰ ব্যৱহাৰ, কিতাপ পঢ়াৰ আনন্দ, ইয়াৰ লাভালাভ সম্বন্ধে ছাত্ৰ-ছাত্ৰীসকলক প্ৰায়েই জনাবলৈ এইকাৰণেই ভালপাওঁ, কাৰণ আজি সমাজত প্ৰত্যাহ্বান বহুত। তাৰে মাজত প্ৰযুক্তিৰ অত্যাধিক ব্যৱহাৰ, প্ৰতিযোগিতামূলক কৰ্ম সংস্কৃতি, শৈক্ষিক বোজা, সামাজিক মাধ্যমৰ চাপ, সামাজিক বিচ্ছিন্নতা ইত্যাদি উল্লেখযোগ্য। যাৰ ফলস্বৰূপে সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ মাজত হতাশা, চাপ, একাকীত্ববোধ, আৱেগহীন, আত্মহত্যাৰ প্ৰৱণতা, কৰ্তব্য বিমুখিতা, প্ৰযুক্তিৰ প্ৰতি আসক্তি আৰু নিৰ্ভৰশীলতা আৰু বিভিন্ন শাৰীৰিক-মানসিক-আবেগিক ৰোগ দেখা যায়। ২০২২ চনত চিটি ইউনিৰ্ভাচিটি অফ নিউয়কৰ ডিপাৰ্টমেণ্ট অফ এপিডেমিঅ'লজী এণ্ড বায়োষ্টিটিষ্টিকচৰ বিজ্ঞানী ৰেনি ডি গুডউইন আৰু তেওঁৰ সহযোগীসকলৰ এক সমীক্ষাত প্ৰকাশ পাইছিল যে ২০১৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত ১২-১৭ বয়সৰ নাগৰিকৰ মাজত ১২.৭%, ১৮-২৫ বয়সৰ নাগৰিকৰ মাজত ১০.৩% আৰু ২৬-৩৪ বয়সৰ নাগৰিকৰ মাজত ৭.৫% নাগৰিক হতাশাগ্ৰস্ততাৰ চিকাৰ হৈছিল, যি ২০২০ চনলৈ ক্ৰমে ১৬.৯%, ১৭.২% আৰু ৯.৯% লৈ বৃদ্ধি পাইছে। আনহাতে ২০২১-২০২২ চনত ডেলয়েট জৰীপত (Deloitt Survey) প্ৰকাশ পোৱা মতে যোৱা কেইবছৰত ভাৰতৰ প্ৰায় ৮০% কৰ্মচাৰীয়ে মানসিক স্বাস্থ্যৰ সমস্যাৰ সন্মুখীন হৈছে তাৰে ৫৯% লোকৰ দুখ, আগ্ৰহৰ অভাৱ, ভাগৰ মনোযোগৰ সমস্যা, দুৰ্বলতা, সিদ্ধান্ত লোৱাত অপৰিপক্কতা ইত্যাদি হতাশাৰ লক্ষণ হিচাপে প্ৰমাণিত হৈছে। আনহাতে ২০২১ চনৰ ইউনিচেফৰ এক সমীক্ষাত প্ৰকাশ পাইছে যে ভাৰতৰ ১৫-২৪ বছৰ বয়সৰ প্ৰায় ১৪% লোক সঘনাই হতাশাগ্ৰস্ত হয়। ২০১৫ চনত প্ৰকাশিত বিশ্ব স্বাস্থ্য সংস্থাৰ প্ৰতিবেদনৰ মতেও ২০১৫-১৬ চনৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য সমীক্ষাই প্ৰায় ১৪% ভাৰতীয় প্ৰাপ্তবয়স্কৰ মানসিক স্বাস্থ্যৰ সজাগতাৰ প্ৰয়োজনীয়তা কথা উল্লেখ কৰিছে। আশ্চৰ্যজনকভাৱে আকৌ ইনষ্টিটিউট ফৰ মিউজিয়াম এণ্ড লাইব্ৰেৰী চাৰ্ভিচেছৰ পাব্লিক লাইব্ৰেৰী জৰীপ (পি.এল.এচ) ২০১৯ ৰ তথ্য মতে যোৱা এটা দশকত আমেৰিকান লোকসকলৰ মাজত গ্ৰন্থাগাৰৰ ব্যৱহাৰ শোচনীয়ভাৱে হ্ৰাস পাইছে। সমীক্ষামতে ২০০৯ চনত আমেৰিকানসকলে প্ৰতি বছৰে গড়ে ৫-৪ বাৰকৈ গ্ৰন্থাগাৰলৈ গৈছিল যি ২০১৯ চনলৈ ৩.৯% লৈ হ্ৰাস পাইছে। ঠিক তেনেদৰেই ভাৰতবৰ্ষতো পুথিভঁৰালৰ ব্যৱহাৰ কমি আহিছে, যাৰ কাৰণ হিচাপে প্ৰযুক্তিৰ অত্যধিক ব্যৱহাৰ, ইণ্টাৰনেটত তথ্যৰ সহজ উপলব্ধতা, ৰাজহুৱা পুথিভঁৰালৰ দুৰ্বল আন্তঃগাঁথনি, পুথিভঁৰালৰ দূৰত্ব, ব্যস্ততা ইত্যাদি হিচাপে বিভিন্ন সমীক্ষাই প্ৰকাশ কৰিছে। যিটো অত্যন্তই দুখজনক তথ্য ভয়াবহ।

উল্লেখিত দুয়োখন দেশৰ বিভিন্ন সমীক্ষাৰ তথ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি মই ভাবিবলৈ বাধ্য হৈছোঁ যে গ্ৰন্থাগাৰৰ ব্যৱহাৰ, কিতাপ পঢ়াৰ অভ্যাসৰ লগত বাৰু হতাশা, আত্মহত্যা আদিৰ দৰে ভয়াবহ ব্যাধিসমূহৰ কিবা সম্পৰ্ক আছে নেকি? যদি আছে আৰু চিডনী শ্বেলডনে কোৱাৰ দৰে গ্ৰন্থাগাৰে যদি আমাৰ বাবে একোখনকৈ খিৰিকী মুকলি কৰে, তেনেহ'লে আমি পৃথিৱীখনক চাবলৈ, জীৱনক বুজিবলৈ, ইতিবাচকতাক আকোঁৱালিলৈ, নেতিবাচকতা এৰিবলৈ এই

খিৰিকীখন ব্যৱহাৰ নকৰো কিয়? যদি এটা গ্ৰন্থাগাৰে জীৱনটো সুন্দৰ কৰে, সেই সুযোগ আমি জীৱনটোক নিদিও কিয়? প্ৰশ্নটোৰ উত্তৰত এতিয়া হয়তো আমি ক'ম, 'ইণ্টাৰনেটত ইমানবোৰ তথ্য সহজতে উপলব্ধ, গ্ৰন্থাগাৰলৈ কিয় যাব লাগে? তাৰ কাৰণো এই প্ৰশ্নটোতেই লুকাই আছে। 'ইমানবোৰ তথ্য'ৰ মাজত 'শুদ্ধ আৰু সত্য তথ্য' বিচাৰি উলিয়াবলৈয়ো গ্ৰন্থাগাৰলৈ যাব লাগে। নৰৱেৰ লেখক জন বিঙে কৈছিল, 'ইমানবোৰ তথ্যৰ মাজত গ্ৰন্থাগাৰ এটাৰ প্ৰয়োজন সিমানেই যিমান বহু কেইটা ৰাস্তাৰ মাজত ৰোডমেপ এখনৰ'। তেওঁৰ সুৰতেই সুৰ মিলাই ময়ো ক'ব বিচাৰিছোঁ গুগল হৈছে দিল্লীৰ সৰোজিনী বজাৰখনৰ দৰে, কিবা এটা কীৱৰ্ড টিপিলে ওলাই অহা ৱেবচাইটবোৰ হৈছে সৰোজিনীৰ। বিভিন্ন দোকানবোৰৰ দৰে। এতিয়া 'কোনখন দোকানৰ পৰা আপোনাৰ প্ৰয়োজনীয় শাৰীখন কিনিম' বুলি ভাবি দোধোৰ-মোধোৰ হৈ থকাৰ দৰে 'কোনটো ৱেবচাইটৰ তথ্য শুদ্ধ, কোনটো ব্লগৰ তথ্য অশুদ্ধ' ভাবি থকা অৱস্থাত গ্ৰন্থাগাৰত থকা কিতাপ, আলোচনী, বাতৰি কাকত, বিভিন্ন ইলেক্ট্ৰনিক মাধ্যমৰ তথ্য তাত কৰ্মৰত গ্ৰন্থাগাৰিকসকল আপোনাৰ সহায়ক হ'ব পাৰে।

আমেৰিকান লাইব্ৰেৰী এছ'চিয়েচনৰ প্ৰাক্তন সভাপতি মাইকেল গৰ্মানে তেখেতৰ 'ভুল পথ আৰু সঠিক পথ' শীৰ্ষক প্ৰবন্ধটোত লিখা কথাখিনিৰ সাৰাংশ এনেধৰণৰ, '১৯৬০ ৰ পৰা ১৯৮০ চনৰ সময়ছোৱাত গ্ৰন্থাগাৰিকসকলে কম্পিউটাৰ আধাৰিত তথ্য প্ৰযুক্তি আৰু বৈজ্ঞানিক ব্যৱস্থাপনাক অত্যাধিক গুৰুত্ব প্ৰদান কৰি এক ভুল পথ বাচি লৈছিল। ইয়াৰ প্ৰতি অত্যাধিক আকৰ্ষণৰ ফলত ই গ্ৰন্থাগাৰৰ ওপৰত আধিপত্য বিস্তাৰ কৰি ল'লে, যিয়ে গ্ৰন্থাগাৰৰ প্ৰকৃত মূল্যবোধ আৰু লক্ষ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। গ্ৰন্থাগাৰ হৈছে এক বিশাল পৰিসৰৰ সাংস্কৃতিক প্ৰতিষ্ঠান, য'ত তথ্যৰ সলনি জ্ঞানক প্ৰাধান দিয়া হয়।' তেওঁ লগতে এয়াও কয় যে, 'গ্ৰন্থাগাৰিকসকলৰ হাতত এই ভুলৰ এক বিকল্প পথ এতিয়াও আছে। তাৰ বাবে গ্ৰন্থাগাৰিকসকলে তথ্য আৰু যোগাযোগ প্ৰযুক্তিকেই পুথিভঁৰাল বুলি ব্যৱহাৰ নকৰি, পুথিভঁৰালৰ সেৱাসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ সঁজুলি হিচাপেহে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিব লাগিব।'

অৱশেষত তেওঁৰ ভাষাৰেই সমাজৰ সকলো শ্ৰেণীৰ অংশীদাৰকেই এটি আহ্বান জনাই লিখনিটো সামৰিব বিচাৰিছোঁ। বিগত কিছু দশকতত আমি এটা ভুল পথ বাচি ল'লো। জ্ঞানৰ সলনি তথ্যক প্ৰাধান্য দি পুথিভঁৰালৰৰ সলনি ইণ্টাৰনেটক প্ৰাধান্য দি, মূল্যবোধৰ সলনি প্ৰাচুৰ্য্যতাক প্ৰাধান্য দি। কিন্তু আমাৰ হাতত এতিয়াও এটা বিকল্প আছে, শুদ্ধ পথত ভৰি থোৱাৰ। বস্তুবাদ, যান্ত্ৰিকতাৰ পৰা আঁতৰি আহি, জ্ঞানৰ গৰিমাৰ পৰিসৰ বৃদ্ধি কৰাৰ। এইটো চিৰন্তন সত্য যে শিকাৰ গত্যন্তৰ নাই। মানৱ সভ্যতা তেতিয়ালৈ বৰ্তি থাকিব, যেতিয়ালৈকে মানুহে শিকি থাকিব। তথ্য বিস্ফোৰণৰ এই সন্ধিক্ষণত বিভ্ৰান্তিকৰ তথ্যৰ সাগৰত উটি-ভাঁহি নাযায় প্ৰকৃত জ্ঞান আহৰণৰ সংগ্ৰামখনত গ্ৰন্থাগাৰ একোটা আমাৰ বিশ্বাসী পথ-প্ৰদৰ্শক হৈ উঠিব পাৰে যদিহে আমি শুদ্ধ পথটি বাচি ল'বলৈ প্ৰতিজ্ঞাবদ্ধ হওঁ। আশা কৰোঁ, যোৱা ২০২৪ত অসমৰ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা গুৱাহাটী জিলা গ্ৰন্থাগাৰটোৰ উন্নীতকৰণৰ ৫১ কোটিটকীয়া প্ৰকল্পটোৱে নিশ্চয় তেনেকুৱা এক ইতিবাচক বাৰ্তাই লৈ আহিছে।

## সহায়ক তথ্য পঞ্জী


- The State of the World's Children 2021; on My Promoting, protecting, and caring fo children's mental health BY UNICEF
- Mental health and well-being in the workplace, 2021 by Deloitte
- Trends in U.S. Depression Prevalence From 2015 to 2020 : The Widening Treatment Gap by Rence D. Goodwin, Lisa C. Dierker, Melody Wu, Sandro Galea, Christina W. Hoven, and Andrea H. Weinberger.
- The wrong path and the right path : The role of lobraries in access to, and preservation of, culture herritage by Michal Gorman
- The Public Library Survey (PLS), 2019 by Institute of Museum and Library Services.


❖❖❖


*লেখিকা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, দেউধৰ, কাৰ্বিআংলঙৰ গ্ৰন্থাগাৰিক*

# শিক্ষানুষ্ঠানত জীৱন কৌশল শিক্ষাৰ প্ৰয়োজনীয়তা

**ড° অনন্ত তামুলী**

বিশ্বায়ন বা গোলকীকৰণৰ ফলশ্ৰুতিত সম্প্ৰতি পৃথিৱীখনৰ স্থান আৰু সময় চুটি হৈ পৰিছে। বিশ্বখন এখন সৰু ঠাইত পৰিণত হৈছে। অৰ্থাৎ সমগ্ৰ বিশ্বখনক এখন গাঁৱলৈ অথবা গ্ল'বেল ভিলেজত পৰিণত কৰাৰ পিছত পৃথিৱীৰ সকলো ঠাইৰ আটাইতকৈ উৎকৃষ্ট দ্ৰব্য-সামগ্ৰী, সেৱা-সুবিধা আদি সহজে উপলব্ধ হৈছে। একেদৰে শিক্ষাৰ ক্ষেত্ৰখনতো এই পৰিৱৰ্তন আৰু সুবিধাসমূহ চকুত লগাকৈ দেখা পোৱা গৈছে। অৰ্থাৎ শিক্ষাও হৈছে এনে এটি উৎপাদন যিটো বিভিন্ন দেশৰ মাজত বাণিজ্যিক অদান-প্ৰদানৰ নিচিনাকৈ উপলব্ধ হ'বলৈ ধৰিছে। শৈক্ষিক বজাৰখনত একচেতীয়া আৰু একাধিকাৰসদৃশ প্ৰতিযোগী বজাৰৰ দৰে ব্যৱসায় চলিব ধৰিছে।

দেশৰ ভিতৰত অথবা ঘৰতে থাকিও বিশ্বমানৰ শিক্ষানুষ্ঠানত পঢ়াৰ সুবিধা লাভ কৰাৰ পিছতো যেন আমাৰ দেশৰ আনুষ্ঠানিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ আশা আকাংক্ষা পূৰণ কৰিব পৰা নাই। ছাত্ৰ-ছাত্ৰীৰ মাজত অপৰাধ প্ৰৱণতা ক্ৰমাৎ বৃদ্ধি হৈছে। আত্মহত্যা, হতাশগ্ৰস্ততা, মানসিক চাপ, মানসিক বিকাৰগ্ৰস্ততা আদি সমস্যাই ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত ক'ৰবাত নহয় ক'ৰবাত হেঙাৰ হিচাপে থিয় দিছে। আজিৰ প্ৰতিযোগীতামূলক পৃথিৱীখনত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন গঢ়াৰ ফৰ্মুলাও যেন সলনি হ'ব ধৰিছে। পিতৃ-মাতৃ সকলৰো নিজৰ সন্তানক লৈ অলেখ সপোন আৰু প্ৰত্যাশা। সন্তানে একেসময়তে পঢ়া-শুনাত পাৰ্গত হোৱাৰ উপৰি খেলা-ধূলা, গীত, নৃত্য আদি সকলোতে সমানে পাৰ্গত কৰাৰ হেঁপাহ অধিকাংশ পিতৃ-মাতৃৰ ক্ষেত্ৰতে পৰিলক্ষিত হয়। ফলস্বৰূপে সন্তানৰ ওপৰত মানসিক চাপ ইমানেই বাঢ়ে যে শেষত গৈ জীৱন অসহনীয় হৈ পৰে আৰু একাংশৰ পিতৃ-মাতৃয়ে ক'ব নোৱাৰাকৈয়ে সন্তানৰ জীৱন গঢ়াৰ ৰথ ওলোটাকৈহে ঘূৰিবলৈ ধৰে। অৰ্থাৎ এচাম সন্তানে মানসিক চাপ সহিব নোৱাৰি আত্মহত্যাৰ পথ বাচি লয়। বহুতেই আকৌ ড্ৰাগছত আসক্ত হৈ নিজৰ লগতে আনৰ জীৱন দুৰ্বিষহ কৰি তোলে। গতিকে জীৱন গঢ়াৰ প্ৰকৃত শিক্ষাৰ দৌৰত যাবলৈ হ'লে শিক্ষানুষ্ঠান, শিক্ষক আৰু অভিভাৱক সকলোৱেই 'জীৱন কৌশল শিক্ষাৰ' উপায় সমূহ আয়ত্ব কৰিব পাৰিব লাগিব। জীৱন কৌশল শিক্ষা (Life Skill) হৈছে সম্প্ৰতি সকলো শিক্ষানুষ্ঠানৰ বাবে পাঠ্যক্ৰমৰ শিক্ষাতকৈয়ো বেছি গুৰুত্বপূৰ্ণ হৈ পৰিছে। সেয়ে বৰ্তমান শিক্ষানুষ্ঠানৰ সাধাৰণ পাঠ্যক্ৰমৰ লগতে সহ পাঠ্যক্ৰম হিচাপে 'জীৱন কৌশল শিক্ষাক' অন্তভুৰ্ক্ত কৰা হৈছে।

জীৱন কৌশল শিক্ষা (Life Skill) হৈছে ছাত্ৰ-ছাত্ৰীয়ে জীৱনৰ প্ৰতি যিকোনো মুহূৰ্তত আহি পৰা যিকোনো জটিল পৰিস্থিতি মোকাবিলা কৰিব পৰা কৌশল আহৰণৰ শিক্ষা। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীক আত্মবিশ্বাসী আৰু সাহসী কৰি তোলে। Life Skills is one such type of education in which skills are developed to make the students efficient in such a way that he/she can make decision in odd situation by his/her ability and intelligence .Under this education the students develops the ability to discharge his/her life approriately and to organize the activities related to life in a systematic manner.

WHOয়ে জীৱন কৌশল শিক্ষাৰ সংজ্ঞা দিছে এনেদেৰে- "Life Skills as the abilities for adoptive and positive behaviour that enable individuals to deal effectively with the demands and challanges of everyday life."

UNICEFৰ সংজ্ঞা অনুসৰি "Life Skills as a behaviour change or behaviour development approach designed to address a balance of three areas. knowledge. attitude and skills."

বিশ্বৰ তিনিটা গুৰুত্বপূৰ্ণ সংস্থা যেনে- UNICEF, UNESCO আৰু WHOয়ে কেইবাটাও জীৱন কৌশলৰ কথা উল্লেখ কৰিছে। সেইকেইটা হৈছে-

১। আত্ম সচেতনতা (Self Awareness) ঃ আত্মসচেতনতা কৌশলৰ দ্বাৰা এজন ব্যক্তিয়ে তেওঁৰ গাত অন্তৰ্নিহিত হৈ থকা সক্ষমতা আৰু আচৰণৰ উমান পায়। আত্মসচেতনতাই ব্যক্তি গৰাকীক যিকোনো পৰিস্থিতি মোকাবিলা কৰিবলৈ আৰু সুষ্ঠ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সক্ষম কৰি তোলে।

২। সহৃদয়তা আৰু সহানুভূতি (Empathy and Sympathy) ঃ সহৃদয়তা আৰু সহানুভূতিশীল কৌশলৰ দ্বাৰা ব্যক্তি এজনে অন্য ব্যক্তিৰ বিষয়ে সঠিক উপলব্ধি আৰু অনুভৱশীল কৰি তোলে। মানুহৰ প্ৰকৃত আৱেগ সুস্থভাৱে পৰিচালিত হ'বলৈ হ'লে সহৃদয়তা আৰু সহানুভূতি থাকিব লাগিব।

৩। সমস্যা সমাধান (Problem Solving) ঃ সমস্যা সমাধান কৌশল আহৰণৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে জীৱনলৈ অহা সকলো সমস্যাক প্ৰকৃতৰূপত উদঘাটন আৰু অনুধাৱন কৰা, সমস্যাৰ মূল্যায়ন আৰু সমাধানৰ সুত্ৰ নিজেই উলিয়াব পৰা সক্ষমতা লাভ কৰে। দৈনন্দিন উদ্ভৱ হোৱা সমস্যাক নিজে নিজে সমাধান কৰিব পৰা ক্ষমতাই জীৱন সফল কৰাৰ অন্যতম চাবিকাঠি।

৪। সিদ্ধান্ত গ্ৰহণ (Decision Making) ঃ প্ৰত্যেকেই জীৱনত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। সঠিক সিদ্ধান্ত গ্ৰহণৰ অবিহনে জীৱনৰ আশা-প্ৰত্যাশাবোৰ পূৰণ কৰিব পৰা নেযায়। সেয়ে জীৱন কৌশল শিক্ষাত সিদ্ধান্ত গ্ৰহণ এক দৰকাৰী কৌশল হিচাপে গণ্য কৰা হয়। সঠিক সময়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিলেহে যিকোনো সমস্যাৰ যথাযথ সমাধান পাব পাৰি।

৫। চিন্তন কৌশল (Thinking Skills) ঃ চিন্তন কৌশলো জীৱনৰ বাবে অতি আৱশ্যক। এই চিন্তন কৌশল সাধাৰণতে চাৰি প্ৰকাৰৰ।

(ক) বিশ্লেষণাত্মক চিন্তন (Analytical Thinking) ঃ বিশ্লেষণাত্মক চিন্তনৰ জৰিয়তে কোনো এটা সমস্যাক পুংখানুপুংখ ভাৱে বিচাৰ

কৰি সমাধানৰ বাবে আগুৱাই নিব পৰা ক্ষমতা আহৰণ কৰে।

পৰস্পৰৰ বিপৰীতমুখী চিন্তন (Divergent Thinking) ঃ এই চিন্তন কৌশলৰ দ্বাৰা ব্যক্তিয়ে জীৱনত যুঁজিব লগা সমস্যা আৰু জটিল পৰিস্থিতি সমূহৰ পৰাই তাৰ সমাধানৰ পথ উলিয়াবৰ বাবে ক্ষমতা লাভ কৰে।

(খ) সৃজনশীল চিন্তন (Creative Thinking) ঃ মানুহৰ সৃজনীশীল চিন্তাধাৰা অতি আৱশ্যকীয় জীৱন কৌশল হিচাপে গণ্য কৰা হয়। নতুনত্বৰ সন্ধান কৰাটো জীৱনৰ এক লক্ষ্য হ'ব লাগে। এই লক্ষ্যত উপনীত হ'বলৈ সৃজনশীল চিন্তাধাৰা লাগিব। এনে চিন্তাধাৰাই মগজুৰ বিকাশ ঘটায় আৰু জীৱনত কিবা নহয় কিবা সৃষ্টি কৰাত ঈন্ধন যোগায়।

(গ) যুক্তিপূৰ্ণ চিন্তন (Critical Thinking) ঃ যুক্তিপূৰ্ণ অথবা সমালোচনাত্মক চিন্তন সৃজনীশীল চিন্তনৰ বিপৰীত। অৰ্থাৎ এই কৌশলৰ দ্বাৰা কৃত্ৰিম সত্য আৰু প্ৰকৃত সত্যৰ মাজৰ প্ৰভেদ, বিচাৰ আৰু মতামতৰ মাজৰ প্ৰভেদ অনুধাৱন কৰিবলৈ সক্ষম কৰি তোলে। যুক্তিপূৰ্ণ চিন্তাধাৰাৰ যোগেদি ব্যক্তিয়ে বিশ্বাস প্ৰতিষ্ঠা কৰিব পাৰে আৰু ভুল-শুদ্ধ বিচাৰ কৰিব পাৰে ।

(ঘ) সফল সংযোগ (Effective Communication)ঃ সঠিক সংযোগ স্থাপনৰ অবিহনে কোনো ব্যক্তিয়ে নিজৰ থকাখিনি আনৰ ওচৰত প্ৰকাশ কৰিব নোৱাৰে। নিজৰ চিন্তাধাৰাখিনি আনক দিবলৈ অথবা আনৰ পৰা ল'বলৈ হ'লে সঠিক যোগাযোগ স্থাপন, কথা-বাৰ্তা সম্পন্ন কৰিব পৰা জীৱন কৌশল শিক্ষাৰ অতি প্ৰয়োজন।

(ঙ) আন্তঃব্যক্তি কৌশল (Interpersonal Skills) ঃ আন্তঃব্যক্তি কৌশলে বিভিন্ন ব্যক্তিৰ মাজত পাৰস্পৰিক ক্ৰিয়াসমূহক নিৰ্দ্দেশ কৰে। এগৰাকী ব্যক্তিয়ে সামাজিক ভাৱে সম্পৰ্ক প্ৰতিষ্ঠা কৰিবলৈ এই কৌশলৰ আৱশ্যক হয়। এই কৌশলে ব্যক্তিৰ যুক্তিপূৰ্ণ চিন্তন আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। সংযোগ স্থাপনৰ কৌশল কাৰ্যক্ষম কৰাৰ উপৰি যিকোনো বিষয়ত শুনাৰ সক্ৰিয়তা বৃদ্ধিৰ লগতে নেতৃত্বৰ দক্ষতা বঢ়ায়।

(চ) সমালোচনা গ্ৰহণ (Accepting Criticism Skill) ঃ সমালোচনা গ্ৰহণ কৰিব পৰা কৌশলো জীৱন কৌশল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। গঠনমূলক সমালোচনা গ্ৰহণ কৰিব পৰা গুণ নেথাকিলে জীৱনত কোনো ব্যক্তিয়ে আৱেগক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। আনৰ গঠনমূলক সমালোচনাই নিজৰ ভুল শুদ্ধৰাই সত্যৰ পথত অগ্ৰসৰ হ'বলৈ শিকায়।

(ছ) চাপ মোকাবিলা (Coping with Stress) ঃ সকলোৰে জীৱনৰ বিভিন্ন সময়ত অনেক চাপ আহে। এই মানসিক চাপে ব্যক্তিক হতাশগ্ৰস্ত কৰে আৰু সুস্থ সিদ্ধান্ত গ্ৰহণত বাধাৰ প্ৰাচীৰ হৈ পৰে। মানসিক চাপ নিয়ন্ত্ৰণ কৰা আৰু মোকাবিলা কৰাৰ কৌশলে ব্যক্তিৰ হতাশগ্ৰস্ততা নাইকিয়া কৰি সমস্যাৰ মুখামুখি হ'বলৈ সাহস দিয়ে আৰু আত্মবিশ্বাসেৰে কৰ্মত নিয়োগ হ'বলৈ প্ৰেৰণা যোগায়।

(জ) আৱেগৰ মোকাবিলা (Coping with Emotion) ঃ ব্যক্তিৰ জীৱনৰ আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে আৱেগক নিয়ন্ত্ৰণ কৰিব নোৱাৰাটো। আৱেগৰ বশৱৰ্ত্তী হৈ বহু সময়ত ব্যক্তিয়ে কিছুমান নকৰিবলগীয়া কাম কৰি পেলায়। জীৱনত সৰহখিনি কাম সঠিক পথত গৈ থকাৰ পিছতো খন্তেকীয়া আৱেগে সকলো ধুলিসাৎ কৰি পেলাব পাৰে। গতিকে আৱেগক নিয়ন্ত্ৰণ কৰা

আৰু ইয়াৰ সৈতে মোকাবিলা কৰিব পৰা কৌশল সকলোৰে বাবে অতি আৱশ্যক।

**শ্ৰেণীকোঠাত জীৱন কৌশল শিক্ষা ঃ**

শ্ৰেণীকোঠাত জীৱন কৌশল শিক্ষাৰ ওপৰত এতিয়ালৈকে বিভিন্নস্তৰত গৱেষণা চলি আছে। একাংশই ক'ব বিচাৰে পাঠ্যক্ৰমৰ লগতে এই কৌশলসমূহ অন্তৰ্ভুক্ত হৈ আছে আৰু ছাত্ৰ-ছাত্ৰীয়ে ইয়াক আয়ত্ব কৰিব পাৰিলেই হ'ব। আন একাংশই ক'ব বিচাৰে জীৱন কৌশল শিক্ষাৰ পাঠ্যক্ৰম সুকীয়াকৈ শ্ৰেণীকোঠাৰ সহ পাঠ্যক্ৰম হিচাবে থাকিব লাগে। ইতিমধ্যে শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত জীৱন কৌশল শিক্ষাৰ পাঠ সন্নিৱিষ্ট কৰা হৈছে। একাংশ উচ্চ শিক্ষানুষ্ঠানত জীৱন কৌশল শিক্ষাৰ পাঠ্যক্ৰম যুগুতাই সহপাঠ্যক্ৰম হিচাবে ছাত্ৰ-ছাত্ৰীৰ বাবে আগবঢ়াই দিছে। মুঠৰ ওপৰত জীৱনৰ বিভিন্ন স্তৰত বিভিন্ন জীৱন কৌশল শিক্ষাৰ প্ৰয়োজনীয়তা আছে। বিশেষকৈ কৈশোৰ কালছোৱাৰ ধুমুহা আৰু উৎপীড়নৰ পৰা ৰক্ষা পাবলৈ হ'লে এই কৌশলসমূহে যথেষ্ট সহায় কৰে। অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ বাবে অধ্যয়নৰ কৌশল জনা যিদৰে দৰকাৰ, একেদৰে এটি পৰিয়াল পৰিচালনাৰ বাবে ঘৰৰ মুৰব্বী গৰাকীক সময় পৰিচালনা, টকা-পইচাৰ পৰিচালনা আদি বহুবোৰ কৌশলৰ প্ৰয়োজন। গ্ৰাহক-বিক্ৰেতা দৰদাম কৰাৰ কৌশল, চাকৰি কৰা লোকৰ বাবে কৰ্মৰ কৌশল, ব্যৱসায়ী এজনৰ বাবে ব্যৱসায়ৰ কৌশল, ৰাজনীতিকৰ বাবে নেতৃত্বৰ কৌশল, শিক্ষক এজনৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু শ্ৰেণীকোঠাৰ পৰিচালনা কৰা কৌশল আদি দৰকাৰ। এই সকলোখিনি হয়তো সাধাৰণ শ্ৰেণীকোঠাৰ পাঠ্যক্ৰমত আয়ত্ব কৰাৰ সুবিধা নেথাকিবও পাৰে। গতিকে জীৱন কৌশল শিক্ষাৰ পাঠ্যক্ৰম সুকীয়া আৰু সহ পাঠ্যক্ৰম হোৱাটোৱেই শ্ৰেয়।

বৰ্তমান ব্যক্তিৰ আত্মকেন্দ্ৰিকতাই সামাজিক পৰিকাঠামোটোকে গ্ৰাস কৰি পেলাইছে। ব্যক্তিৰ মাজত খং-ৰাগ, হিংসা, ঈৰ্ষা, অহংকাৰ আদি ক্ৰমাৎ বৃদ্ধি পাইছে। অন্যহাতে মৰম-চেনেহ, দয়া-ক্ষমা আদি গুণবোৰ হ্ৰাস পাই আহিছে। একাংশ ছাত্ৰ-ছাত্ৰী অথবা যুৱচামৰ মজত অভব্য আচৰণ, জেদ ভাৱ, উশৃঙ্খলতা, অনুশাসন ভংগ কৰা, পঢ়া-শুনাৰ প্ৰতি অমনযোগিতা ক্ৰমাৎ বৃদ্ধি পাইছে। এনে হোৱাৰ বহুবোৰ কাৰক আছে। স্বাভাৱিকতে পূৰ্বৰ যৌথ পৰিয়ালৰ ঠাইত বৰ্তমানৰ একক আৰু সৰু পৰিয়াল ব্যৱস্থা, পিতৃ-মাতৃৰ কৰ্ম ব্যস্ততা আদিৰ ফলত সৰু অৱস্থাৰ পৰাই সন্তানে শিকিবলগীয়া সামাজিকীকৰণ নিশিকে। দিনটোৰ সৰহখিনি সময় অকলশৰে পাৰ কৰিবলগীয়া সন্তানে শেষ লগৰীয়া হিচাবে ফেচবুক, ৱাটচ'এপ, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমসমূহকে বাচি লৈ প্ৰয়োজনতকৈ অতিৰিক্ত ব্যৱহাৰ কৰে। আকৌ শ্ৰেণী কোঠাৰ ক্লাছ, টিউচন ক্লাছ, ঘৰুৱা কৰ্ম, প্ৰজেক্ট, গোট পৰীক্ষা, চুড়ান্ত পৰীক্ষা আদিৰ হেঁচাত একাংশ ছাত্ৰ-ছাত্ৰী এক প্ৰকাৰ ভাবুক হৈ পৰে। এই ক্ষেত্ৰত মাক দেউতাকৰ গভীৰ প্ৰত্যাশা থাকে। সাতে সোতৰে মিলি সন্তানে নিজৰ লগৰীয়াৰ লগত খেলা-ধূলা কৰা আৰু কথা-বতৰাৰ আদান প্ৰদান কৰিবলৈ সুযোগ নেপায়। ফলত আত্মকেন্দ্ৰিক স্বভাৱ গঢ় লৈ উঠে আৰু 'আমি', 'আমাৰ' আদি সামূহিক ধাৰণাবোৰ একপ্ৰকাৰ নথকাৰ দৰে হৈ পৰে আৰু একাংশ ল'ৰা-ছোৱালী ক'ব নোৱাৰকৈয়ে নিচাত্মিকাবোধৰ গ্ৰাসত সোমাই পৰেগৈ। গতিকে সন্তানে নিজৰ জীৱনটোক উপলব্ধি কৰি নিজৰ ক্ষমতাৰ সৎ ব্যৱহাৰৰ যোগেদি কেনেকৈ সুখী

জীৱন যাপনৰ বাবে নিজক প্ৰস্তুত কৰিব পাৰে তাক পদ্ধতিগত ভাৱে শিক্ষা দিয়াটো পিতৃ-মাতৃ, শিক্ষক- শিক্ষয়িত্ৰী আৰু শিক্ষানুষ্ঠানৰ দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। সন্তানক অনুভৱী আৰু সৃজনশীল কৰি গঢ়ি তুলিব লাগিব। ড° এ.পি.জে. আব্দুল কালামে কৈছিল- "মানৱ মনৰ সৃজনীশক্তি আৰু কল্পনা সদায় কম্পিউটাৰতকৈ শ্ৰেষ্ঠ। সৃজনীশীলতা উৎপত্তি হয় সুন্দৰ মনৰ পৰা। সুন্দৰ মন সৃজনীশক্তিৰ উৎস। সৃজনী শক্তিয়ে চিন্তা-চেতনাক ৰঙীন চিত্ৰ, গল্প আৰু কবিতালৈ ৰূপান্তৰিত কৰে"। এই সৃজনীশক্তিৰ বাবে সন্তানসকলৰ মনটো সুন্দৰকৈ গঢ়ি তুলিবলৈ হ'লে জীৱন কৌশল শিক্ষাৰ দ্বাৰাহে সম্ভৱ হৈ উঠিব। সৃজনীশক্তিয়ে মানুহৰ মনৰ হতাশা আঁতৰাই উত্তৰণৰ বাটত প্ৰেৰণা যোগাব পাৰে।

শিক্ষানুষ্ঠানসমূহ কেৱল উৰ্ধতন কৰ্তৃপক্ষই প্ৰচলন কৰা পাঠ্যক্ৰম, পৰীক্ষা, মূল্যায়ন আদি চলোৱা কাৰখানা হ'লেই নহ'ব। পাঠ্যক্ৰমৰ শ্ৰেণীকোঠাৰ উপৰি বিভিন্ন দিৱস, উৎসৱ-পাৰ্বন, মহান মহান ব্যক্তি সকলৰ জন্ম আৰু মৃত্যু দিৱস, খেলা- ধূলা, সংগীত চৰ্চা, নাটক আদিৰ নিয়মীয়া অনুশীলনৰ বাবে সময় উলিয়াব লাগিব। এইবোৰৰ নিয়মীয়া চৰ্চাই ছাত্ৰ-ছাত্ৰীৰ জীৱন কৌশল শিক্ষা আয়ত্ব কৰাত এশ শতাংশ সহায়ক হ'ব। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ সকলো প্ৰকাৰৰ সমস্যা বিনাদ্বিধাই আলোচনা কৰি সমাধানৰ পথ দিব পৰাকৈ এটা পৰামৰ্শদান কেন্দ্ৰ শিক্ষানুষ্ঠানত থকাটো অতি জৰুৰী। কেৱল আই.এচ. /এ.চি.এচ, ডাক্তৰ, ইঞ্জিনীয়াৰ হোৱাৰ ট্ৰিপচ শিকোৱা কেৰিয়াৰ পৰামৰ্শদাতা কোষ থাকিলেই নহ'ব। এই কোষে সীমিত ছাত্ৰ-ছাত্ৰীক আই.এচ/এ.চি.এচ হ'বলৈ সক্ষম কৰিলেও সুন্দৰ জীৱন গঢ়াৰ কৌশল আয়ত্ব কৰাত সফল নহ'ব। সম্প্ৰতি অপৰাধ, ড্ৰাগছ, হত্যা, লুণ্ঠন, ধৰ্ষণ, নিৰ্যাতন, আত্মহত্যা আৰু নেতিবাচক সামাজিক মাধ্যমৰ জগতত ধনাত্মক খবৰ একেবাৰেই নগন্য হৈ পৰিছে। খবৰ কাগজখন তুলি ল'লে, টি.ভি.টো মুকলি কৰিলে নিজৰ ঘৰখনৰ কোঠাটো নেতিবাচক খবৰে কুলষিত কৰি পেলোৱাৰ সময়ত সন্তানৰ মানসিক স্বাস্থ্য সবল কৰিবলৈ হ'লে সকলোৰে জীৱন কৌশল শিক্ষাৰ ওপৰত গুৰুত্ব দিবই লাগিব। মনত ৰাখিব লাগিব- Life without Education is a Life without Opportunity।

❖❖❖

*লেখক যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক*

# জাঁজীত নাটক, সংগীত আৰু সাহিত্য চৰ্চা ঃ অতীতৰ পৰা বৰ্তমানলৈ

**বীণা বৰুৱা**

অসম সাহিত্য সভাৰ পাঁচজনকৈ সভাপতি তথা বহুকেইজন বিশিষ্ট ব্যক্তিৰ পদৰেণু পুষ্ট জাঁজী হ'ল নানা জাতি-উপজাতিৰ সাংস্কৃতিক মিলনভূমি। জাঁজী নৈক কেন্দ্ৰ কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ আশে-পাশে বিস্তৃত হৈ থকা এই বৃহত্তৰ অঞ্চলটোৰ সাংস্কৃতিক ইতিহাসো সেইবাবেই হয়তো অতিশয় প্ৰাচীন আৰু বৈভৱপূৰ্ণ। বিশেষকৈ নাটক আৰু সংগীত চৰ্চাৰ ক্ষেত্ৰত গ্ৰাম্যাঞ্চলৰ এই ঠাইখনে উচ্চস্তৰীয় ঐতিহ্যৰ দাবী কৰিব পাৰে।

প্ৰাচীন ভাৰতবৰ্ষ তথা অসমত ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰি যেনেদৰে নাট আৰু অভিনয়ৰ জন্ম হৈছিল জাঁজীতো নাট্যাভিনয়ৰ জন্ম হৈছিল এক ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰিয়েই। ১৮৯২ চনত কেশৱ চন্দ্ৰ বৰুৱা, নিৰঞ্জন ভট্টাচাৰ্য, লক্ষেশ্বৰ বৰুৱা আৰু নবীন চন্দ্ৰ বৰঠাকুৰৰ উদ্যোগত প্ৰতিষ্ঠা হৈছিল জাঁজী হৰি কীৰ্তন নামৰ এটি ধৰ্মীয় অনুষ্ঠান আৰু ইয়াৰ গাতে আঁউজি ১৮৯৫ চনত জন্ম হৈছিল 'জাঁজী নাট্য সমাজ'ৰ । জাঁজী নৈৰ পাৰৰ ৰঙাদৈয়া ঘাটৰ কাষত এডোখৰ মুকলি ঠাইত অস্থায়ী মঞ্চ সাজি কৰা নাট অভিনয়ৰ লগত জড়িত আছিল মৰাণ গাঁৱৰ উদ্যোগী যুৱক মেজেৰ বৰুৱাৰ নেতৃত্বত গঢ় লৈ উঠা এটি 'চোকোৰা গান'ৰ দল। এই অনুষ্ঠানটোৱে জাঁজীত নাট্যাভিনয়ৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগোৱাৰ কথা জনা যায়। এই অস্থায়ী মঞ্চত অভিনয় কৰা প্ৰথম নাটকখন আছিল ঁকেশৱ চন্দ্ৰ বৰুৱাদেৱে ৰচনা কৰা 'কৃষ্ণ কঙালিনী' আৰু অভিনয়ৰ দিনটো আছিল শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথি। ইয়াৰ পিছত ঁদেৱেশ্বৰ বৰঠাকুৰদেৱৰ ৰচিত নাটক কতৃবীৰ্জাৰ্জুন (১৮৯৬), বেৰেংবাজী (১৮৯৭), কুমাৰ হৰণ (১৯০৩) আৰু কংসবধ নাটকখন ১৯০৫ চনত এই অস্থায়ী মঞ্চত অভিনীত কৰা হয়। পৰৱৰ্তী সময়ত ১৯১০-১২ চনলৈ জয়মতী, ডিব্ৰুগড়ৰ পূৰ্ণকান্ত বৰাৰ ৰচিত হৰিচন্দ্ৰ আৰু কেশৱচন্দ্ৰ বৰুৱা ৰচিত ৰাথোৰ শিৰাজী নামৰ এখন নাটক অভিনয় কৰাৰ প্ৰমাণ পোৱা যায়। সম্ভৱতঃ এই সময়ছোৱাতে এই অস্থায়ী মঞ্চ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষলৈ (বৰ্তমান স্থান) তুলি নিয়া হয় আৰু এই নতুন স্থানত ডম্বৰুধৰ খাউণ্ড, হেমনাথ শৰ্মা, পৰমানন্দ বৰুৱা, হিতেশ্বৰ বৰঠাকুৰ আদি কেইজনমান সমাজকৰ্মীৰ প্ৰচেষ্টাত এটি স্থায়ী ৰঙ্গমঞ্চ আৰু হল ঘৰ নিৰ্মাণ হৈ উঠে। এই স্থায়ী মঞ্চটি নিৰ্মাণ হৈ উঠাৰ লগে লগে জাঁজীবাসী ৰাইজৰ মাজত নাট্যাভিনয়ৰ বতাহ জাক ভালকৈ ববলৈ আৰম্ভ কৰে। ১৯২৪ চন মানলৈকে ইয়াত পাৰ্থ পৰাজয়, কনৌজ কুঁৱৰী, দেৱলা দেৱী, সুধনা

সংহাৰ আদি নাটক সফলতাৰে অভিনয় কৰা হয়। এই দশকটোত অভিনয় কৰা অভিনেতাসকল আছিল ঁহৰ কুমাৰ বৰুৱা, লোকধৰ বৰুৱা, হিতেশ্বৰ বৰঠাকুৰ, দ্বাৰীক পূজাৰী, ডম্বৰু কটকী, কালী প্ৰসাদ পূজাৰী, সুকোমল গগৈ, ভ্ৰমৰ চন্দ্ৰ শইকীয়া, বেদনাথ ভট্টাচাৰ্য, কেশৰ চন্দ্ৰ বৰুৱা, মথুৰা লাহন, দীননাথ আচাৰ্য, হেমনাথ শৰ্মা, দেবেশ্বৰ বৰঠাকুৰ, ভবানী চৰণ বৰুৱা আদি।

ইয়াৰ পাছৰ দুটা দশকত এই মঞ্চত মঞ্চস্থ হোৱা দুখন উল্লেখযোগ্য নাটক আছিল ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাদেৱৰ ৰচিত শৰাইঘাট (১৯৩৪) আৰু পাৰ্থ সাৰথি। কবিজনাৰ ৰচিত 'টি-টি হেই' আৰু 'বেঙেনাৰ ৰহস্য' নামৰ আন দুখন ব্যঙ্গাত্মক নাটকো অভিনীত হৈছিল এই সময়ছোৱাতেই। ইয়াৰ বাহিৰেও বুদ্ধদেৱ, লক্ষ্মণ বৰ্জন, নীলাম্বৰ, নগাকোঁৱৰ, নৰকাসুৰ, শোণিতকুঁৱৰী, ক্ষত্ৰিয় কলংক, ৰক্ষকুমাৰ, বৈদেহী বিয়োগ, কুকুৰী কণাৰ আঠমঙলা, লৱ-কুশ, ভাগ্য পৰীক্ষা, অশ্ৰুনদী, কালাপাহাৰ, এটা চুৰট, কণৌজ কুঁৱৰী, কুৰুসন্ধ্যা, শকুনিৰ প্ৰতিশোধ, চিৰাজ মিৰকাচিম, মোগলবিজয়, আনাৰ কলি, ভোগজৰা, পিয়লি ফুকন, মণিৰাম দেৱান, পহিলা তাৰিখ, নিমিলা অংক, টেক্সি ড্ৰাইভাৰ, উৰুখা পঁজা, মগৰিবৰ আজান আদি জাঁজীত অভিনীত হোৱা আন কেইখনমান উল্লেখযোগ্য নাটক। ইয়াত অভিনয় কৰা কৃতী অভিনেতাসকল ভবানী চৰণ বৰুৱা, ধবনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, কালী বৰুৱা, ডাঃ নীল বৰুৱা, মহেন্দ্ৰ কুমাৰ বৰুৱা, লক্ষ্মীপ্ৰসাদ খাউণ্ড, গংগাধৰ কটকী, মিঠাই বৰা, দুৰ্গেশ্বৰ বৰঠাকুৰ, বিষ্ণু খাউণ্ড, ত্ৰৈলোক্য প্ৰসাদ খাউণ্ড, ৰজনী শৰ্মা, তনুৰাম বৰুৱা, ঘনশ্যাম গগৈ, বিপিন ভৰালী, ইন্দিবৰ দত্ত, পাৰ্বতী বৰঠাকুৰ, কৃষ্ণ বৰুৱা, তৰুণ শৰ্মা, দুৰ্গা বৰুৱা, বুধিন পূজাৰী আদি। এই সময়লৈকে জাঁজীৰ মঞ্চত সহ-অভিনয়ৰ প্ৰচলন নোহোৱাত লক্ষী প্ৰসাদ খাউণ্ড, মিঠাৰাম বৰা, যতীন শৰ্মা আদি নাৰী চৰিত্ৰত অভিনয় কৰিছিল আৰু চন্দ্ৰনাথ শৰ্মা আৰু ভুৱনেশ্বৰ বৰঠাকুৰে পৰীৰ নৃত্য দিছিল। ১৯৬১ চনত এই মঞ্চত কেৱল মহিলাৰ দ্বাৰা এখন পূৰ্ণাংগ নাটক 'আলিবাবা আৰু চল্লিশ চোৰ' অভিনীত হোৱাটো আন এটা তাৎপৰ্যপূৰ্ণ ঘটনা। নাটকখনত আলিবাবাৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল শ্ৰীমতী আৰতী বৰঠাকুৰ আৰু অন্যান্য ভাৰত আছিল পুতুল বৰঠাকুৰ, মাইজান বৰুৱা, লাৱণ্য ভট্টাচাৰ্য, মাইচেনা বৰুৱা, প্ৰতিভা বৰঠাকুৰ আদি। নাটকখন পৰিচালনা কৰিছিল লক্ষীপ্ৰসাদ খাউণ্ডে।

ষাঠিৰ দশকৰ আৰম্ভণিতে সমগ্ৰ অসমতে সৃষ্টি হোৱা একাঙ্কিকা নাট অভিনয়ৰ ঢৌৱে জাঁজীকো স্পৰ্শ কৰাত সকলোৰে পৰিচিত অনাতাঁৰ শিল্পী দুৰ্গেশ্বৰ বৰঠাকুৰে 'নিৰুদ্দেশ' নামৰ এখন নাটক ৰচনা কৰি মঞ্চস্থ কৰিবলৈ দিয়ে। উল্লেখযোগ্য যে, এই নাটকখনে ১৯৬০ চনত শিৱসাগৰত সংগীত নাটক একাডেমীৰ সৌজন্যত অনুষ্ঠিত হোৱা সদৌ অসম একাংক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। তদুপৰি নাটকখনৰ বাবে শ্ৰীযুত ৰোমেশ্বৰ বৰুৱাদেৱে শ্ৰেষ্ঠ পৰিচালক, বিষ্ণু প্ৰসাদ খাউণ্ডে শ্ৰেষ্ঠ অভিনেতা আৰু মৃণালিনী বৰঠাকুৰে দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰে। এই প্ৰতিযোগিতাখনিৰ বিচাৰকৰ আসনত আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা আৰু সংগীত সূৰ্য ড° ভূপেন হাজৰিকা। পৰৱৰ্তী পৰ্যায়ত এই নাটকৰ কাহিনীভাগক লৈ 'বিভ্ৰাট' নামৰ এখন বোলছবি

নিৰ্মাণ হোৱাটো আন এক উল্লেখনীয় খবৰ। এই দশকতে জাঁজীত অভিনয় হোৱা আন কেইখনমান উল্লেখযোগ্য একাঙ্কিকা নাটক হ'ল চেনেহৰ সোঁতা, বোন্দাপৰ, বিহগুটিৰ বিলৈ, পাত্ৰ লাগে খোলাকটি ইত্যাদি।

জাঁজীত নাট্য ইতিহাসত প্ৰথম সহ অভিনয়ৰ সূচনা হয় ১৯৬২ চনত অভিনীত হোৱা দুৰ্গেশ্বৰ বৰঠাকুৰৰ পূৰ্ণাংগ নাট 'বা-মাৰলী'ৰ যোগেদি আৰু ইয়াৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছিল বামুন পুখুৰীৰ বিবি খাউণ্ডে। নাটকখনৰ অন্যান্য চৰিত্ৰত নাৰী শিল্পী সকল আছিল ক্ৰমে- বিমলা নেওগ, অনমাই দত্ত, বীণা গগৈ, বুলবুল দেৱী, মিনাক্ষী খাউণ্ড, স্বপ্না বৰুৱা, নীলিমা বৰঠাকুৰ আদি। তাৰ পাছত ১৯৫৯ চনলৈ নতুনকৈ নিৰ্মিত হৈ জাঁজী নাট্য সমাজ কলা ভৱন নামেৰে নামাংকিত হোৱা স্থায়ী ৰঙ্গ মঞ্চটি এইবাৰ চৰকাৰৰ ঘৰতো পঞ্জীয়ন কৰা হয় আৰু ই সংগীত আৰু ক্ৰীড়া বিষয়কো সামৰি লয়। এই মঞ্চ গৃহ আৰু প্ৰেক্ষা গৃহ নিৰ্মাণ কাৰ্যত যি কেইজন ব্যক্তিয়ে নিঃস্বাৰ্থভাৱেৰে অনবদ্য বৰঙনি আগবঢ়াইছিল সেই ব্যক্তিসকল আছিল ঁহৰেশ্বৰ গগৈ ওৰফে হুকুম মিস্ত্ৰী, কমলেশ্বৰ গগৈ ওৰফে বেজীয়া মহৰী, খগেন গগৈ ইত্যাদি। আৰম্ভণিৰে পৰা বিংশ শতিকাৰ শেষ দশকলৈকে এই অনুষ্ঠানৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা ব্যক্তিসকল হ'ল ঁদেৱেশ্বৰ বৰঠাকুৰ, ঁকেশৰ চন্দ্ৰ বৰা, ঁহিতেশ্বৰ বৰঠাকুৰ, ঁভবানী চৰণ বৰুৱা, ডাঃ নীলকান্ত বৰুৱা, ঁলক্ষীপ্ৰসাদ খাউণ্ড, ঁচন্দ্ৰধৰ গগৈ, ড° অনিল কুমাৰ গগৈ, ভবানী কুমাৰ বৰুৱা ভৰত খাউণ্ড আৰু ৰবীন বৰুৱা।

এইসকল নাট্য প্ৰেমীৰ প্ৰচেষ্টাত সত্তৰ-আশী দশকতো ভালেকেইখন বুৰঞ্জীমূলক নাট আৰু সামাজিক নাট এই মঞ্চত অভিনীত হৈছিল। বিশেষকৈ দুৰ্গা পূজা আৰু লক্ষ্মী পূজাত নাট্য সমাজ কলাভৱনত প্ৰতিবছৰেই নাট অভিনয় হোৱাটো অতি সুস্থ পৰম্পৰা আছিল। এই সময়ছোৱাত অভিনীত হোৱা কেইখনমান উল্লেখযোগ্য নাটক হ'ল মৰাণ জীয়ৰী, কাশ্মীৰ কুমাৰী, ভোগজৰা, নীলাম্বৰ, বৈদেহী বিয়োগ, লক্ষ্মণ বৰ্জন, নন্দকুমাৰ, নিমিলা অংক, চিৰাজ, আনাৰকলি, বেউলা, আগমনি, সাঁকো, ফিংগাৰ প্ৰিন্ট, পিয়লি ফুকন, সেই বাটেদি, অঙ্গীকাৰ, সূৰ্যস্নান, কিয়, টেক্সি ড্ৰাইভাৰ, পহিলা তাৰিখ, উৰুখা পঁজা ইত্যাদি।

এই কালছোৱাৰ অভিনেতাসকল আছিল লক্ষ্মীপ্ৰসাদ খাউণ্ড, ভৱানী চৰণ বৰুৱা, মোহিনী খাটনিয়াৰ, ৰজনী শৰ্মা, ভবানী বৰঠাকুৰ, আনন্দ আচাৰ্য, ত্ৰৈলোক্য খাউণ্ড, পূৰ্ণানন্দ গগৈ, সৰ্বানন্দ গগৈ, ৰোমেশ্বৰ বৰুৱা, খগেন গোহাঁই, ৰমা বৰুৱা, তৰুণ শৰ্মা, ইন্দিবৰ দত্ত, অশ্বিনী বৰুৱা, উমা বৰুৱা, দেৱ বৰুৱা, কনক চন্দ্ৰ বৰুৱা, ৰাতুল বৰুৱা, কৰুণা শৰ্মা, অকণ শইকীয়া, হৰেন বৰুৱা, নৰকুমাৰ বৰুৱা, ভবানী বৰুৱা, ৰজনী গোস্বামী আদি। অভিনেত্ৰীসকল আছিল মিনাক্ষী খাউণ্ড, টুলুমণি গগৈ, অনমাই দত্ত, ইভা, শান্তনা, স্বপ্না, ৰীমা, ৰুন্টি, পুষ্পা ইত্যাদি।

এই মঞ্চৰ উপৰিও এই সময়ছোৱাত জাঁজী কলেজ, জাঁজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, জাঁজী হাইস্কুল (বৰ্তমান জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়) আদিতো নানা উপলক্ষ্যত নাটক অভিনয় কৰা হৈছিল। তেনে এটা অনুষ্ঠানত এবাৰ জাঁজী বালিকা উঃমাঃ বিদ্যালয়ৰ ছাত্ৰীসকলে পাৰিজাত হৰণ অংকীয়া নাটৰ অভিনয় কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল সত্তৰৰ দশকত।

একেটা দশকতে জাঁজীত অনুষ্ঠিত হোৱা সংস্কৃত সন্মিলনত এখনি সংস্কৃত নাটক বেণী সংহাৰ অভিনয় কৰা হৈছিল স্থানীয় শিল্পীসকলৰ দ্বাৰা। জাঁজী অংকীয়া নাটৰ অভিনয় বৰকৈ হোৱা নাছিল যদিও সত্ৰীয়া সংস্কৃতিৰ গৱেষক ড° জগন্নাথ মহন্তদেৱৰ পৰিচালনাত পাৰিজাত হৰণ, ৰুক্মিনী হৰণ আদিৰ নাটৰ অভিনয় কেইবাবাৰো হৈছিল। তদুপৰি অঞ্চলটোৰ এজন উদ্যোগী যুৱক দিলীপ শইকীয়াই এবাৰ শিশুসকলৰ দ্বাৰা ৰাম বিজয় নাট অভিনয় কৰাইছিল সফলতাৰে। জাঁজী নাট্য সমাজৰ সমান্তৰালভৱে পঞ্চাশৰ পৰা সত্তৰ দশকৰ ভিতৰত গড়কোষ খাটোৱাল, মৰাণ গাঁও আদি অঞ্চলতো একোটাহঁত যুৱকসংঘৰ উদ্যোগত বাঁহৰ অস্থায়ী মঞ্চ সাজি কিছু সংখ্যক নাটক অভিনয় কৰাৰ প্ৰমাণ পোৱা যায়। ইয়াৰে ভিতৰত খাটোৱাল যুৱক সংঘৰ দ্বাৰা অজাত শত্ৰু, ছত্ৰপতি শিৱাজী আৰু টেক্সি ড্ৰাইভাৰ, গড়কোষ যুৱক সংঘৰ দ্বাৰা স্যমন্ত হৰণ, ৰক্ষ কুমাৰ, কিয় আদি নাটক, ৰতনপুৰীয়া যুৱক সংঘৰ দ্বাৰা, পঞ্চাশৰ দশকতে জেৰেঙাৰ সতী, টেক্সি ড্ৰাইভাৰ আদি নাটৰ অভিনয় হোৱাৰ কথা প্ৰবীণ চামৰ মুখত আজিও শুনা যায়।

আশীৰ দশকৰ আৰম্ভণিৰ পৰা সমগ্ৰ অসমজুৰি বিদেশী বিতাড়ন আন্দোলনৰ ঢৌৱে সকলোকে জোকাৰি যোৱাৰ বাবেই হওঁক বা ভ্ৰাম্যমান নাট্য দলসমূহৰ উত্থানৰ বাবেই হওঁক জাঁজীৰ অপেশাদাৰী নাট্যগোষ্ঠীসমূহৰ মাজলৈও যেন স্থবিৰতা আহি পৰিল। তথাপিও জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ পুঁজি সংগ্ৰহৰ বাবে এই সময়ত জাঁজীত আন এজন উদীয়মান যুৱক উদয় কুমাৰ বৰুৱাৰ পৰিচালনাত অভিনীত হৈছিল যশস্বী নাট্যকাৰ প্ৰফুল্ল বৰুৱাৰ পূৰ্ণাংগ নাটক উপপথ। একেসময়তে এইজন নাট্যকৰ্মীৰ উদ্যোগত বিভিন্ন মঞ্চত আমি স্বপ্নাতুৰ, শিৱনাথ শৰ্মা ৰচিত শতাব্দীৰ পদাৱলী, শাৰী শাৰী মৃতদেহ, এন্ত্ৰায়ু, অক্টোপাচ, মুখা খুলিবৰ হ'ল আদি একাংক নাট অভিনীত হৈছিল। ইয়াৰে মুখা খুলিবৰ হ'ল, প্ৰতিজ্ঞা, প্ৰতিশোধ, বোৱতি সোঁতৰ ধাৰ আদি নাটক উদয় কুমাৰ বৰুৱাৰ ৰচিত। অভিনয় ক্ষেত্ৰতো যথেষ্ট দক্ষতা থকা ব্যক্তিজনে যুৱ অৱস্থাত কেইবাখনো নাটকত অভিনয় কৰাৰ উপৰিও বহাগ মাথো এটি ঋতু নহয়, শ্যামলীৰ ক্ৰন্দন, অভিশপ্ত যযাতি আদি কেইবাখনো নৃত্য নাটিকাও ৰচনা কৰাৰ কথা জনা গৈছে।

নৱৈৰ দশকত জাঁজী নাট্য মন্দিৰৰ মঞ্চত অভিনীত হোৱা নাটকৰ ভিতৰত নৱ কুমাৰ বৰুৱাৰ পৰিচালনাত কাৰেঙৰ লিগিৰী, প্ৰভাত বৰঠাকুৰৰ পৰিচালনাত অশোক, মুখ্যমন্ত্ৰী, শৰৎ বৰাৰ পৰিচালনাত সতী জয়মতী অন্যতম। পৰৱৰ্তী সময়বোৰত অঞ্চলটোত নাট্য চৰ্চাৰ পৰম্পৰা লাহে লাহে স্তিমিত হৈ আহিলেও ধাৰাবাহিকতা ৰক্ষা কৰি মাজে মাজে অভিনীত হৈ আছিল খোলাকটি, টেটোন তামুলী, গৰু গাড়ীৰ হেডলাইট, পানী আদি কেইখনমান হাস্যব্যংগ নাটক। পুনৰ ২০০৩ বৰ্ষত ফুলপানীছিগাত আঞ্চলিক পুথিভঁৰাল আৰু যুৱ কেন্দ্ৰৰ উদ্যোগত তথা শংকৰদেৱ নাট্য গোষ্ঠীৰ সহযোগত এটি পঞ্চলিশ দিনীয়া নাট কৰ্মশালা অনুষ্ঠিত কৰা হয়। নবীন চাম নাট্যকৰ্মী হিমাদ্ৰিজ্যোতি দত্ত, ৰাজীৱ দত্ত, অচ্যুত দত্ত, মুকুট ভৰালী আদিৰ উদ্যোগত অনুষ্ঠিত হোৱা এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে যোগদান কৰিছিলনাট্যকাৰ তথা সংগীত পৰিচালক ড° অনিল শইকীয়া, নাট্যকাৰ সপোনজ্যোতি ঠাকুৰ, শিৱসাগৰ নাট্যপীঠৰ অধ্যক্ষ তথা বলিষ্ঠ নাট

পৰিচালক প্ৰশান্ত শৰ্মা, দিগন্ত শইকীয়া, প্ৰাণজিৎ গগৈ, নয়নমণি দত্ত, গকুল বৰা, প্ৰদীপ শৰ্মা আদিয়ে। কৰ্মশালৰ অন্তত প্ৰশিক্ষাৰ্থী সকলে প্ৰশান্ত শৰ্মাৰ পৰিচালনাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ ৰূপালীম নাটকখনি সফলতাৰে দুদিনীয়াকৈ মঞ্চস্থ কৰে। এই শিল্পীসকলক লৈ শিৱসাগৰ নাট্যপীঠৰ সহযোগত নাটঘৰ নামৰ এটি নাট্যদলে জন্মলাভ কৰিছিল যদিও ই বেচিদিন স্থায়ী নহ'ল। জাঁজী নাট্যসমাজ কলাভৱনত পূৰ্বৰে পৰা হৈ থকা এই নাট্যাভিনয়ৰ ধাৰাবাহিকতা বৰ্তমান প্ৰায় বন্ধ হৈ যোৱাটো এটা অতি পৰিতাপৰ বিষয়। ইয়াৰ কাৰণ হিচাপে নাট্যমন্দিৰটোৰ ভগ্নপ্ৰায় অৱস্থা আৰু উদ্যোক্তাৰ অভাৱকে জগৰীয়া কৰিব পাৰি। বান ৰঙ্গমঞ্চতকৈও পূৰ্বতে প্ৰতিষ্ঠা হৈ শতবৰ্ষ অতিক্ৰম কৰা এই নাট্যমন্দিৰটি পুনৰ নিৰ্মাণৰ প্ৰচেষ্টা কেইবাবাৰো লোৱা হৈছে যদিও ফলৱৰ্তী হোৱা নাই। কোনো উদ্যোগী ব্যক্তিয়ে নতুনকৈ মন্দিৰটোৰ পুনৰ্নিৰ্মাণৰ কাম হাতত ল'লে পুনৰ নাটকৰ পৰিৱেশ গঢ় লৈ উঠিব বুলি আশা কৰিব পাৰি।

নাট ৰচনাৰ ক্ষেত্ৰতো দুৰ্গেশ্বৰ বৰঠাকুৰদেৱে আৰম্ভ কৰি থৈ যোৱা পৰম্পৰাৰে শ্ৰীযুত শিৱনাথ শৰ্মা, নবীন গগৈ, চিত্ৰলতা ফুকন, ৰমা বৰুৱা আদি ভালেকেইজন নাট্যকাৰে ৰচনা কৰা কেইবাখনো নাটক অনাতাঁৰ কেন্দ্ৰতো অভিনীত হৈছিল। নবীন গগৈদেৱে ছিগা সূতাৰ গাঁঠি, সাঁচি থোৱা ছবি, ঘোলা পানী, সিন্ধি দিবলৈ যাওঁতে, সিঁচা পুখুৰীৰ মাছ আদি ভালেকেইখন সুন্দৰ নাটক ৰচনা কৰিছিল যদিও প্ৰচাৰ বিমুখ মানুহজনৰ নাটক কেইখন অপ্ৰকাশিত অৱস্থাতে থাকিল। কেৱল ছিগা সূতাৰ গাঁঠি নাটকখন ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰ হৈছিল আৰু যথেষ্ট জনপ্ৰিয় হৈছিল। আনহাতে চিত্ৰলতা ফুকনৰ মিথিলা, নীড়ভঙা পখীৰ গান, ৰাতি আৰু নুপুৰাৱলে তিনিখন উল্লেখযোগ্য নাটক। শেহতীয়াকৈ মঞ্জুমালা শৰ্মা ভট্টাচাৰ্যৰ 'এজাক জোনাকীৰ স্বপ্ন' নামে এখন একাংকিকা নাটৰ সংকলন তথা বীনা বৰুৱাৰ চুতীয়া ৰাণী সাধনীৰ জীৱন ভিত্তিক পূৰ্ণাংগ বুৰঞ্জীমূলক নাটক 'সৌমাৰ ৰত্ন সাধনী' ছপা হৈ ওলোৱাটো নাট্য চৰ্চাৰ আন এক সংযোজন। ইয়াৰ আগতে চন্দন দত্তদেৱে কেইবাখনো শিশু নাট ৰচনা কৰি মঞ্চস্থ কৰাৰ উপৰিও তেখেতৰ 'আমি পাহৰ বিচাৰি যাওঁ' নামৰ নাটকখন শিশু সাহিত্য ন্যাসে প্ৰকাশ কৰা নাট্যসংকলনত স্থান লাভ কৰিছে।

জাঁজীৰ নাট্য চৰ্চা বুলি কওঁতে মঞ্চনাটৰ হাতত ধৰাধৰিকৈ মঞ্চস্থ হৈ থকা ভাওনাসমূহৰ কথাও নিশ্চয় উনুকিয়াব লাগিব। মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি ভাওনাসমূহত এই অঞ্চলত সৰ্বাধিক ভাৱে অভিনয় কৰা হয় মাতৃভাষাৰ নাটসমূহ। সাধাৰণতে এই নাটক সমূহ যিহেতু বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰ সকলে ৰচনা কৰি সত্ৰতেই প্ৰথম অভিনয় কৰোৱায় গতিকে জাঁজীতো এই পৰম্পৰা তেনেদৰে আৰম্ভ হোৱা বুলি ভাবিব পাৰি। বিশেষকৈ শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ সকলে ৰচনা কৰা কেইবাখনো নাট অঞ্চলটোত এতিয়াও প্ৰচলিত হৈ আছে। একেদৰে শ্ৰীশ্ৰী এলেঙ্গী টকৌবাৰী সত্ৰৰ পুহ মাহত বৈকুণ্ঠ প্ৰয়াণ হোৱা এজন আতাৰ মৃত্যু তিথিত ১৯২০-২৫ চন মানৰ পৰাই এখন ভাওনা অভিনয় কৰাৰ কথা শুনা যায় আৰু এই পৰম্পৰা এতিয়াও অব্যাহত আছে। এই সত্ৰৰ শিষ্যসকলেও খাটোৱাল নামঘৰত বহুদিনৰ আগৰ পৰাই বাৰ্ষিকভাৱে ভাওনা উৎসৱ অনুষ্ঠিত কৰিছিল আৰু ইয়াৰে অভিমন্যু বধ নামৰ এখন

ভাওনাই ১৯৬০ চনত কমিউনিষ্ট নেতা খগেন বৰবৰুৱাদেৱৰ উদ্যোগত আমগুৰিত অনুষ্ঠিত হোৱা কৃষক সমাৰোহত যোগদান কৰি বিশেষ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তদুপৰি অঞ্চলটোৰ মৰাণ গাওঁ, মূৰাকটা, ভৰলুৱা, চাংমাই, পুৰণিমেলীয়া, গড়কোষ, বলমীয়া, ডিব্ৰুৱাল, বৰুৱাকুৰি আদি গাঁওসমূহত প্ৰতিবছৰেই বাৰ্ষিক ভাওনা অনুষ্ঠিত কৰাৰ উপৰিও ফল্গোৎসৱ, শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ আদিত ভাওনা অনুষ্ঠিত কৰাৰ নিয়ম প্ৰচলিত আছে। যিবোৰ কাৰ্যই অঞ্চলটোৰ ঐক্য সংহতি সুদৃঢ় কৈ ধৰি ৰাখিছে। জাঁজী শিল্প মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হৈ অহা জাঁজী আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ' ভাগিয়ে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। এই উপলক্ষে শেহতীয়াকৈ সত্ৰীয়া আৰ্হিত এযোৰা শিশু গায়ন-বায়ন আৰু শিশু সকলৰ দ্বাৰা 'ৰুক্মিনী হৰণ' নাটৰ প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংস অৰ্জন কৰিছে। শিশুসকলক গায়ন প্ৰশিক্ষণৰ ক্ষেত্ৰত এই অঞ্চলৰে এজন উদীয়মান যুৱক জ্যোতিপ্ৰসাদ ডেকাৰ বৰঙণি অনস্বীকাৰ্য। গায়ন-বায়ন ভাওনা আৰু সত্ৰীয়া সংস্কৃতিৰ বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত শ্ৰীডেকাই অঞ্চলটোৰ বিভিন্ন দলক প্ৰশিক্ষিত কৰি শংকৰী সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। তেখেত ইয়াৰ বাবে বিভিন্ন স্থানত সম্বৰ্ধিত হৈছে। সাংস্কৃতিক ক্ষেত্ৰত ইতিমধ্যে শতবৰ্ষ গৰকিবলৈ আগবঢ়া 'ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ কলা-কৃষ্টি কেন্দ্ৰ' এটা অতি প্ৰাচীন অনুষ্ঠান। ১৯৩০ চনতে ৰাস পূৰ্ণিমা তিথিত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা ভাওনাৰ পাতনি মেলি বৰ্তমানলৈকে অলেখ বলিষ্ঠ অভিনেতাৰ সৃষ্টি কৰিছে এই মঞ্চই। অভিনয়ৰ যোগেদি ভাওনাক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত জাঁজী বাসীয়ে অতি শ্ৰদ্ধাৰে সোঁৱৰে শ্ৰীযুত সোণাৰাম দত্ত, বাপচন্দ্ৰ বৰা আদি প্ৰবীণ অভিনেতাক। এইসকল বলিষ্ঠ অভিনেতাৰ আদৰ্শৰে বিংশ শতিকাৰ শেষৰ দশকত ফুলপানীছিগা অঞ্চলত উদীয়মান নাট্যপ্ৰেমী সকলৰ প্ৰচেষ্টাত গঠন হোৱা 'শংকৰদেৱ নাট্য গোষ্ঠী' নামৰ এটা নাট্যদলে ভালেকেইখন ভাওনাৰ নাটক অসমৰ বিভিন্ন মঞ্চত মঞ্চস্থ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। প্ৰায় দুটা দশক থলুৱা শিল্পী সকলক প্ৰশিক্ষিত কৰি অপেছাগতভাৱে নাট্যাভিনয় কৰি অহা এই দলটোৰ মুখ্য অভিনেতাসকল আছিল ৰাতুল দত্ত, দিগন্ত দত্ত, মুকুট ভৰালী, উৎপল দত্ত, অপূৰ্ব শৰ্মা, ৰাজু চাংমাই, সৌৰভ শইকীয়া আদি। এই নাট্যগোষ্ঠীটোৰে মানসপুত্ৰ ৰূপে পৰৱৰ্তী সময়ত (একবিংশ শতিকাৰ প্ৰথম দশক) কিছু বহল পৰিসৰত গঢ় লৈ উঠে "অৰুণোদয় সাংস্কৃতিক গোষ্ঠী" নামৰ আন এটি নাট্যদল। প্ৰাঞ্জল পাপু গগৈ, প্ৰানজিৎ গায়ন, অৰ্পণ দত্ত, বেদান্ত লাহন, পল্লৱ গগৈ, সৌৰভ শইকীয়া আদি যুৱকৰ নেতৃত্বত গঢ় লৈ উঠা এই নাট্য দলটিয়ে বৰ্তমানলৈকে অসমত বিভিন্ন প্ৰতিযোগিতা মঞ্চত ডেৰকুৰিৰো অধিক ভাওনা মঞ্চস্থ কৰি শ্ৰেষ্ঠ দল তথা শ্ৰেষ্ঠ অভিনেতাৰ সন্মান বুটলিবলৈ সক্ষম হৈছে। ভাওনাত সহ অভিনয় প্ৰচলন হোৱাৰ বেছ কিছু বছৰ হ'ল যদিও কেৱল মহিলা ভাওনাৰ কথা ক'বলৈ গ'লে নাম ল'ব লাগিব ২০২২ বৰ্ষত গঠন হোৱা "বিষুণ্প্ৰিয়া সাংস্কৃতিক গোষ্ঠী" মহিলা ভাওনা দলৰ কথা। জুৰি গগৈ শইকীয়াৰ নেতৃত্বত জাঁজীত প্ৰথমবাৰৰ বাবে গঠন হোৱা মহিলা ভাওনা দলটিয়ে আৰম্ভণিৰ পৰাই সুন্দৰ প্ৰদৰ্শনেৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। আনহাতে

জাঁজীৰ দুগৰাকী যুৱতী নির্মালী বাইলুং আৰু লিউচিন্যা বৰচেতিয়াই ইতিমধ্যে দূৰদর্শনৰ কেইবাটাও চেনেল আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্রত নিজৰ স্থিতি সুদৃঢ় কৰিবলৈ সক্ষম হৈছে। তদুপৰি ফুলপানীছিগা অঞ্চলত সত্তৰ দশকতে কেৱল মহিলাৰ দ্বাৰা 'কর্ণ পর্ব' ভাওনা অভিনীত হোৱাটোও আন এক উল্লেখযোগ্য ঘটনা।

**সংগীত চর্চাঃ**

নাটক আৰু সংগীত যিহেতু সদায় হাতত ধৰাধৰিকৈ আগবাঢ়ে গতিকে নাটক চর্চাৰ সমানেই পুৰণি ইয়াৰ সংগীত চর্চাৰ ইতিহাসো। ঊনবিংশ শতিকাৰ শেষ তথা বিংশ শতিকাৰ আৰম্ভণিতে স্বৰ্গেশ্বৰ বৰঠাকুৰ, কালীপ্রসাদ পূজাৰী, নবেন বৰঠাকুৰ আদি ব্যক্তিয়ে প্রায় ঘৰে ঘৰে গৈ কণ্ঠশিল্পী বিচাৰি আনি প্রস্তুত কৰিছিল এটি সংগীত শিল্পীৰ দল। হাৰমনিয়াম, তবলা, এচৰাজ ভায়োলিনকে ধৰি প্রায় বাৰ বিধমান বাদ্য যন্ত্রত ক্লাছিকেল মিউজিক বজাব জনা স্বৰ্গেশ্বৰ বৰঠাকুৰদেৱে সেই সময়তে গুৰুত্ব আৰোপ কৰিছিল বৰগীতকে ধৰি আন শাস্ত্রীয় সংগীত চর্চাৰ ওপৰত। বৰঠাকুৰদেৱৰ সমগ্র ঘৰখনেই আছিল সংগীত শিক্ষাৰ প্রাণকেন্দ্র স্বৰূপ বকুল বনৰ কবি আনন্দ চন্দ্র বৰুৱা, মিত্রদেৱ মহন্ত আদি প্রখ্যাত শিল্পী-সাহিত্যিক সকলে তেখেত সকলৰ গৃহত পদার্পণ কৰি গীতত সুৰ দিয়াৰ উপৰিও ১৯৩৫ চনত এইছ.এম.ভি. কোম্পানীয়ে বৰঠাকুৰৰ গীতৰ গ্রামফোন ৰেকর্ড কৰিছিল। গীত দুটাৰ শীর্ষ শাৰী আছিল- 'অ' গুৰিয়াল ভালকৈ ধৰিবি বঠা', 'বৰনৈৰ বুকুত পানচৈ মেলি ক'ৰ নাৱৰীয়া যায়...'। এই দুটা গীত এতিয়াও গুৱাহাটীৰ অনাতাঁৰ কেন্দ্রত আছে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। বৰঠাকুৰ দেৱৰ সুযোগ্য পুত্র ভবানী প্রসাদ বৰঠাকুৰে নাজিৰা, সোণাৰি আদি স্থানত গীত পৰিবেশন কৰিছিল। ১৯৬০-৬২ চনৰ ভাষা আন্দোলনৰ সময়ছোৱাতো ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, হেমাঙ্গ বিশ্বাস আদিয়ে বাৰ জনীয়া সুৰ বাহিনী প্রস্তুত কৰি বিভিন্ন ভাষাৰ গীত পৰিবেশনৰ জৰিয়তে যি জাগৰণৰ সৃষ্টি কৰিছিল এই সুৰ বাহিনীৰ লগত জাঁজীৰ অমল বিকাশ খাউণ্ড আৰু ভবানী বৰঠাকুৰেও গীত পৰিবেশন কৰিছিল। তদুপৰি ১৯৬০ চনৰ নৰেশ্বৰ মাহত জাঁজী নাট্য মন্দিৰত এই দলটিয়ে পৰিৱেশন কৰা সংগীতানুষ্ঠানত নামতি, হাঁহচৰা, টীয়ক, বামুনপুখুৰী আদি ঠাইৰ শিল্পীসকলেও আহি অংশগ্রহণ কৰিছিলহি। ড° ভূপেন হাজৰিকাদেৱে পৰম তৃপ্তিৰে কলপাতত খিচিৰি গ্রহণ কৰি জাঁজীৰ মানুহৰ সাংস্কৃতিক একতাৰ প্রশংসা কৰি যোৱাৰ কথা আজিও জাঁজীবাসীয়ে শ্রদ্ধাৰে সোঁৱৰে। কলাগুৰু বিষ্ণুপ্রসাদ ৰাভাদেৱেও স্বৰ্গেশ্বৰ বৰঠাকুৰৰ ঘৰত অতিথি হৈ সংগীত চর্চা সম্বন্ধে গম্ভীৰ আলোচনা কৰাৰ লগতে তেখেতৰ কেইবাটাও গীতত সুৰো নিগৰাইছিল। এইজনা গুণী ব্যক্তিৰ দ্বাৰা ৰচিত ৩৬৫ টা গীত ইতেমধ্যে তেখেতৰ পুত্র ভবানী বৰঠাকুৰে সংকলন কৰিছে আৰু তেখেতৰ অনন্ত যাত্রী নামৰ পুথিত সন্নিৱিষ্ট কৰিছে।

ষাঠিৰ পৰা নৱৈ দশকৰ ভিতৰত সংগীত চর্চাৰ ক্ষেত্রত মইনা পাৰিজাত, সংগীত বিদ্যালয় আদিৰ স্থাপনেৰে পাৰ্বতী বৰঠাকুৰ, ভৰত খাউণ্ড, জ্যোতিপ্রসাদ গগৈ, নব বৰুৱা, লখিমী বৰুৱা আদি ভালেকেইজন ব্যক্তিয়ে উদ্যোগ গ্রহণ কৰি আহিছে। যিবোৰ কার্য স্থায়ী নহলেও গায়ক-গায়িকাৰ সৃষ্টিৰ ক্ষেত্রত যথেষ্ট অৰিহণা আগবঢ়াইছে। সত্রীয়া সংগীতৰ চর্চাৰ ক্ষেত্রত ড° জগনাথ মহন্ত, ৰজনী

গোস্বামী, হিমাদ্রিজ্যোতি দত্ত, ৰবীন দত্ত আদিৰ প্ৰচেষ্টাত এখন সত্ৰীয়া সংকৃতিৰ চৰ্চা কেন্দ্ৰই ২০০৩ চনৰ পৰা খোল, বৰগীত আৰু সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰি এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। কালক্ৰমত ই স্তিমিত হৈ পৰিছে যদিও ইয়াৰ এগৰাকী ছাত্ৰী সৃষ্টি প্ৰিয়ংকাই ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় জলপানিও লাভ কৰিবলৈ সক্ষম হৈছিল। দিলীপ শইকীয়াদেৰৰ নেতৃত্বত আন এখন সত্ৰীয়া নৃত্যৰ বিদ্যালয়েও প্ৰতিষ্ঠা লাভ কৰিছে এই অঞ্চলতে। বিগত বৰ্ষত তেখেতে শিশুসকলক ভোৰতাল নৃত্যৰ প্ৰশিক্ষণেৰে প্ৰশিক্ষিত কৰি তুলিছে আৰু শিক্ষাৰ্থীসকলে বিভিন্ন ঠাইত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি প্ৰশংসা লাভ কৰিছে।

একক প্ৰচেষ্টাৰে সংগীত জগতত সুনাম অৰ্জন কৰা সকলৰ ভিতৰত সোনমণি দত্ত, সুব্ৰত খাউণ্ড, দেবযানী শইকীয়া, প্ৰতীম গগৈ আদিৰ নাম উল্লেখযোগ্য। সোনমণি দত্তই এশৰো অধিক গীত ৰচনা কৰাৰ উপৰিও ধুমুহা নামৰ এটি গীতৰ কেছেটো প্ৰকাশ কৰিছে ইতিমধ্যে। তদুপৰি তেওঁ নিজস্ব প্ৰচেষ্টাৰে সা-ৰে-গা-মা নামৰ এটি সুৰৰ বাহিনী জন্ম দি অসমৰ বিভিন্ন মঞ্চত গীত পৰিৱেশন কৰাৰ উপৰিও কাৰেংঘৰ নামৰ এটি ভ্ৰাম্যমান নাট্যগোষ্ঠীৰো প্ৰযোজনা কৰিছে। ভাৰতীয় তেল নিগমৰ বিষয়া জাঁজীৰ প্ৰদীপ শইকীয়াই আকাশবাণী আৰু দূৰদৰ্শনত বাঁহী আৰু পেঁপা বাদনৰ জৰিয়তে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে আন এজন যুৱক প্ৰতীম গগৈয়ে সুন্দৰ বাঁহী বাদনৰ যোগেদি দূৰদৰ্শন কেন্দ্ৰৰ বিভিন্ন অনুষ্ঠানত নিজ প্ৰতিভাৰে উজলি উঠিছে। অসমৰ সঙ্গীত জগতত লাহে লাহে খোপনি পুতিবলৈ সক্ষম হোৱা জাঁজীৰ এজন উদীয়মান যুৱশিল্পী হৈছে পল্লৱ ভট্টাচাৰ্য। অসমৰ বিখ্যাত সংগীত পৰিচালক নয়ন বৰাৰ তত্বাৱধানত চাউণ্ড ইঞ্জিনীয়াৰিঙৰ প্ৰশিক্ষণপ্ৰাপ্ত পল্লৱে ইতিমধ্যে এশৰো অধিক গীতৰ সংগীত পৰিচালনা কৰিছে। তদুপৰি তেওঁৰ পৰিচালনাত গোমচেং নামৰ এটা বিহুসুৰীয়া কেছেট তিনিবছৰ ধৰি ধাৰাবাহিকভাৱে প্ৰকাশিত হৈ আহিছে। আধুনিক গীতৰ কেছেট কাঁচিজোন আৰু তগৰত সংগীত পৰিচালনা কৰাৰ উপৰি চাহ-জনগোষ্ঠীয় কথাছবি "তৰে হিৰ"তো তেওঁ সংগীত পৰিচালনা কৰিছে। বৰ্তমান তেওঁ সঙ্গীতজ্ঞ ব্ৰজ কুমাৰ ফুকনৰ তত্বাৱধানত পশ্চিমীয়া যন্ত্ৰসংগীতৰ প্ৰশিক্ষণ লৈ আছে। নৃত্য পৰিচালনাৰ দ্বাৰা সুনাম অৰ্জন কৰা আন দুজন যুৱক হ'ল সত্যজিৎ শইকীয়া আৰু তপন কুমাৰ বৰা।

একক প্ৰচেষ্টাৰে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰি তথা অঞ্চলটোৰ আন এগৰাকী যুৱতী হ'ল বিজুমনি গগৈ। পৰিবেশ্য কলা বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ উপাধি লাভ কৰা বিজুমনিয়ে নিজা গৃহতে "পাৰিজাত কলাকেন্দ্ৰ" নামে এটি কেন্দ্ৰ প্ৰতিষ্ঠা কৰি অঞ্চলটিৰ শিশুসকলক সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দি আহিছে।

সঙ্গীতৰ শিক্ষাৰ ক্ষেত্ৰতো বলমীয়া গাঁৱৰ বিপ্লৱ গগৈৰ একক প্ৰচেষ্টাত গঢ় লৈ উঠা "ভৈৰৱ গান্ধাৰ" সঙ্গীত বিদ্যালয় বৰ্তমান সময়ৰ এটি নৱতম সংযোজন। এই অনুষ্ঠানত শাস্ত্ৰীয় সঙ্গীতৰ উপৰিও তবলা, গীতাৰ আৰু বাঁহী বাদনৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। লক্ষ্ণৌৰ ভাটখাণ্ডে বিশ্ববিদ্যালয়ৰ অধীনত ইয়াৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দি ইতিমধ্যে কেইবাটাও ঢাপ অতিক্ৰম কৰিছে।

আনহাতে অঞ্চলটোত পূৰ্বৰ পৰাই চলি অহা মৃদঙ্গীয়া গায়ন বায়নক ধৰি ৰখাৰ প্ৰচেষ্টাৰে ভৰলুৱা গাঁৱৰ উদ্যমী যুৱক অজন্ত দত্তৰ প্ৰচেষ্টাত মৃদঙ্গীয়া গায়নৰ এটি শিশু দল প্ৰশিক্ষণপ্ৰাপ্ত হৈ

উঠাটো নিসন্দেহে এক যোগাত্মক বতৰা। উল্লেখযোগ্য যে অজন্ত দত্তৰ পিতৃ এজন মৃদঙ্গীয়া গায়নৰ শিল্পী আৰু ২০২৩ বৰ্ষত তেখেতে অসম চৰকাৰৰ শিল্পী পেন্সন পাবলৈ সক্ষম হৈছে।

আধুনিক নৃত্যৰ ক্ষেত্ৰখনতো নব্বৈৰ দশকত 'মৰ্ডান ডান্স একাডেমী' নামেৰে এটি অনুষ্ঠানে কিছুদিন নৃত্যশিল্পী সৃষ্টিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভুমিকা লৈছিল যদিও কালক্ৰমত সি লোপ পোৱাত প্লাবিতা শইকীয়াৰ তত্ত্বাৱধানত ২০২৩ বৰ্ষত গঢ় লৈ উঠিছে নৃত্যম নামৰ আন এটি নৃত্যশিক্ষাৰ অনুষ্ঠান যিটোৱে শিশুসকলৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰা দেখা গৈছে।

লোকসংগীতৰ অনাতাঁৰ শিল্পী প্ৰয়াত ড° কৃষ্ণকান্ত সন্দিকৈৰ জন্মস্থান জাঁজীত লোক-সঙ্গীতৰ ক্ষেত্ৰখনতো যথেষ্ট প্ৰসাৰ আৰু প্ৰচাৰ দেখা যায়। পূৰ্বৰে পৰা মহিলাসকলৰ মাজত আইনাম, ঠাইনাম বিয়া নামেৰে মুখৰিত হৈ থকা ঠাইখনত বৰ্তমান বহুকেইটি বিহু দল গঠন হৈ ফুলপানীছিগাৰ ঢোলৰ মাতৰ ঐতিহ্য ধৰি ৰাখিছে। এইক্ষেত্ৰত কুন্তলা কল্যাণী সন্দিকৈৰ নেতৃত্বত গঢ় লৈ উঠা "জাঁজীপৰীয়া বিহু দলে" সমগ্ৰ অসমতে জনপ্ৰিয়তাৰ শীৰ্ষত থকা দেখা গৈছে। আন এগৰাকী নৃত্যশিল্পী (শিশু) আকাংক্ষ্যা খাউণ্ডে বহন কৰিছে অপূৰ্ব সম্ভাৱনাৰ সাক্ষৰ।

জাঁজীত পূৰ্বতে থকা সঙ্গীত চৰ্চাৰ পৰিৱেশ বৰ্তমান সময়ত কিছু পৰিমাণে ম্লান হৈ অহা পৰিলক্ষিত হৈছে যদিও ব্যক্তিগতভাৱে বহু উদীয়মান শিল্পীয়ে সংগীতৰ সাধনা অব্যাহত ৰাখিছে। আশাকৰোঁ পৰৱৰ্তী সময়ত তেওঁলোকে পূৰ্বৰ সুনাম অটুট ৰাখিবলৈ সক্ষম হ'ব।

**সাহিত্য চৰ্চাঃ**

ঐতিহ্যমণ্ডিত জাঁজীৰ সাংস্কৃতিক ইতিহাসৰ সমানেই পুৰণি সাহিত্য চৰ্চাৰ ইতিহাস। জাঁজীত জন্মগ্ৰহণ কৰা, জাঁজীত লালিত পালিত হোৱা, কৰ্মময় জীৱন জাঁজীত অতিবাহিত কৰা নতুবা জাঁজীত জন্ম গ্ৰহণ কৰি কৰ্মসূত্ৰে অঞ্চলটোৰ পৰা আঁতৰত থাকি সাহিত্য চৰ্চা কৰা বহুকেইজন বিশিষ্ট সাহিত্যিকে সমৃদ্ধ কৰি তুলিছে জাঁজীৰ সাহিত্যৰ পৰিমণ্ডল।

অসম সাহিত্য সভাৰ প্ৰথমজন সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ পিতৃপুৰুষৰ ঘৰো আছিল জাঁজীতেই। জন্মলগ্নৰে পৰা অসম সাহিত্য সভাৰ লগত জড়িত হৈ সমসাময়িক ভাবেই জাঁজী সাহিত্য সভা গঠন কৰি অঞ্চলটোত সাহিত্যিৰ পৰিৱেশ গঢ়ি তুলিবলৈ যত্ন কৰা আন এজন স্বনামধন্য সাহিত্যিক হ'ল ভ্ৰমৰ চন্দ্ৰ শইকীয়া। সাধনী, অসমীয়া শব্দমালা, পানীন্দ্ৰ নাথ গগৈৰ জীৱনী আদি গ্ৰন্থ ৰচনা কৰি সাহিত্যৰ ভঁৰাল চহকী কৰা ব্যক্তিজনে ১৯১০ চনতে জাঁজী হাইস্কুলত ছাত্ৰ একতা সভা গঠন কৰি ফুলনি নামে ইয়াৰ এখনি মুখপত্ৰ হাতেলিখা অৱস্থাত প্ৰকাশ কৰি জাঁজীত সাহিত্যৰ পৰিৱেশ সৃষ্টি কৰাৰ লগতে ছাত্ৰ সকলৰ মনতো সাহিত্যৰ বীজৰোপন কৰিছিল। নিঃস্বাৰ্থ সমাজকৰ্মী শইকীয়া দেৱে ১৯১৭ চনতে জাঁজী সাহিত্য সভাৰ শাখা গঠন কৰি ১৯২৪ চনৰ পৰাই মূল সভালৈ প্ৰতিনিধি পঠোৱা কাম আৰম্ভ কৰিছিল। তেখেতৰ বহুবোৰ মূল্যবান বুৰঞ্জীমূলক প্ৰবন্ধ সংকলিত নোহোৱাকৈ থাকি যোৱা বুলি জনা যায়।

বিশিষ্ট সাহিত্যিক অসম সাহিত্য সভাৰ ১৯৭১ চনৰ মাকুম অধিৱেশনৰ সভাপতি তীৰ্থনাথ শৰ্মাদেৱৰ জন্মস্থানো আছিল জাঁজী। একেধাৰে

কবি, গল্পকাৰ, নাট্যকাৰ, সমালোচক, শৰ্মাদেৱে প্ৰাথমিক শিক্ষা জাঁজীতেই গ্ৰহণ কৰিছিল। পঞ্চপুষ্প, সাহিত্যবিদ্যা, পৰিক্ৰমা গান্ধী শিক্ষাসাৰ, আউনীআটি সত্ৰৰ বুৰঞ্জী, ভক্তিসাৰ, বেণুধৰ শৰ্মাৰ জীৱনী, কামসেন্দুৰ আদি গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ যোৱা সাহিত্যিক জনৰ জন্ম শতবাৰ্ষিকীৰ সৈতে সঙ্গতি ৰাখি অসম সাহিত্য সভাৰ উদ্যোগত আৰু জাঁজী কলেজৰ সহযোগত ২০১১ চনৰ ২৬ আৰু ২৭ আগষ্টত অনুষ্ঠিত এটা অনুষ্ঠানত জাঁজীবাসীয়ে তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু এই উপলক্ষে জীৱমণি নাথৰ সম্পাদনাৰে “ঋকথম” নাম এখনি গ্ৰন্থও প্ৰণয়ন কৰা হৈছিল।

জাঁজীত জন্ম গ্ৰহণ কৰা আন এগৰাকী স্বনামধন্য সাহিত্যিক গৱেষক তথা পণ্ডিত হৈছে সত্যেন্দ্ৰনাথ শৰ্মা। ১৯৭৫ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা বৰেণ্য সাহিত্যিক জনে অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা ৰূপে খ্যাতি ৰাখি গৈছে। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, অসমীয়া সাহিত্যৰ ইতিবৃত্ত, অসমীয়া নাট্য সাহিত্য, ৰামায়ণৰ ইতিবৃত্ত, সাহিত্যৰ আভাস, অসমীয়া উপন্যাসৰ ভূমিকা, অসমীয়া উপন্যাসৰ গতিধাৰা, অংকমালা, পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়, অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ, সাহিত্য চয়ন, কাব্য মঞ্জুষা, গীতা কথা আদি তেখেতৰ উল্লেখযোগ্য গ্ৰন্থ।

জাঁজীতেই শিক্ষা জীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত লব্ধ প্ৰতিষ্ঠ সাহিত্যিক আৰু সাংবাদিক ৰূপে খ্যাতি লাভ কৰা আন এজন ব্যক্তি হ'ল চন্দ্ৰপ্ৰসাদ শইকীয়া। মন্দাক্ৰান্তা, উত্তৰকাল, জন্মান্তৰ, মহাৰথী, তোৰে মোৰে আলোকৰে যাত্ৰা আদি কেইবাখনো বিখ্যাত উপন্যাসৰ সৃষ্টিৰে তেখেতে অসমীয়া সাহিত্য জগতলৈ বৰঙনি আগবঢ়োৱাৰ লগতে ১৯৯৯ চনত অসম সাহিত্য সভাৰ সভাপতিৰ আসনো অলংকৃত কৰিছিল। চুবুৰীয়া টীয়কত জন্ম গ্ৰহণ কৰিলেও সমগ্ৰ কৰ্মজীৱন জাঁজীতে (জাঁজী হাইস্কুল) কটাই জাঁজীকে সাহিত্য সৃষ্টিৰ থলী ৰূপে গ্ৰহণ কৰা আন এজন বৰেণ্য সাহিত্যিক হ'ল বিনন্দ চন্দ্ৰ বৰুৱা। ধ্বনি কবি ৰূপে খ্যাত কবিজনাৰ কবিতাপুথি কেইখন হ'ল- শঙ্খধ্বনি, প্ৰতিধ্বনি আৰু জয়ধ্বনি। “ৰাঙলী বুঢ়ীৰ দান”শীৰ্ষক কবিতাত জাঁজী জামুগুৰি চাপৰিত হোৱা মানৰ আক্ৰমনৰ কাল্পনিক পৰিৱেশ সুন্দৰ ৰূপত অংকণ কৰি থৈ যোৱা কবিজনাৰ নাটক কেইখন হ'ল শৰাইঘাট, পাৰ্থসাৰথি, বেঙেনা ৰহস্য, টি টি হেই আদি। ১৯৬৬ চনত তেওঁ উত্তৰ লক্ষীমপুৰ অধিবেশনৰ সভাপতৰি পদ অলংকৃত কৰিছিল।

খৰ্গেশ্বৰ বৰঠাকুৰ আৰু কোযেশ্বৰ বৰঠাকুৰ আছিল সাহিত্য ক্ষেত্ৰখনত জড়িত হৈ থকা আন দুজন বিশেষ ব্যক্তি। কোযেশ্বৰ বৰঠাকুৰ দেৱৰ সোণৰ সংসাৰ নামে এখন উপন্যাস আৰু জীৱন জেউতি নামৰ কাব্যপুথি উল্লেখযোগ্য।

জাঁজী হাইস্কুলৰ প্ৰাক্তন ছাত্ৰ তথা শিক্ষক খৰ্গেশ্বৰ বৰঠাকুৰ আছিল একেধাৰে সমাজ সংগঠক, শিক্ষক সাহিত্যিক আৰু সংগীতৰ সাধক। তেখেতৰ কবিতা বৰদৈচিলা, জয়ন্তী, আবাহন আদি আলোচনীত প্ৰকাশ হোৱাৰ উপৰিও মোৰ পঁজা নামৰ এটা কবিতা যাঠিৰ দশকত পাঠ্যপুথিতো অন্তৰ্ভূক্ত হৈছিল। তেখেতৰ কবিতা আৰু গীতসমূহ সুযোগ্য সন্তান ভবানী প্ৰসাদ বৰঠাকুৰ দেৱে জীৱনী গ্ৰন্থ ‘অনন্ত যাত্ৰী’ত সন্নিৱিষ্ট কৰি প্ৰকাশ কৰিছে।

**সাহিত্য চৰ্চাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় পৰিয়াল ঃ**

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ক কৰ্ম জীৱন ৰূপে বাছি লৈ সাহিত্য চৰ্চা কৰা ব্যক্তিসকলৰ ভিতৰত মহাবিদ্যালয়খনৰ অধ্যক্ষ শিৱনাথ শৰ্মা দেৱৰ নাম প্ৰথমে ল'ব লাগিব। ৰামায়ণ, পুৰাণ আৰু মহাভাৰতৰ কাহিনীৰ ওপৰত আধাৰিত ডেৰকুৰিখনৰো অধিক ভাওনাৰ নাটক ৰচনা কৰা শৰ্মাদেৱে শতাব্দীৰ পদাৱলী শীৰ্ষক একাংকিকা নাটক আৰু ৰক্তস্নাতা জেৰেঙা, শ্বহীদ আদি নাটকো ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি গৈছে। বিভিন্ন আলোচনীৰ পাতত সিঁচৰিত হৈ থকা তেখেতৰ তথ্য সম্বলিত প্ৰবন্ধসমূহো অসমীয়া সাহিত্যৰ অমূল্য সম্পদ।

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যাপক ড° জগন্নাথ মহন্তদেৱেও বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া নৃত্য বিষয়ক কেইবাখনো গ্ৰন্থ লিখি অসমীয়া সাহিত্য জগতৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ড° জগন্নাথ মহন্তদেৱৰ সত্ৰীয়া নৃত্যৰ হস্ত, সত্ৰীয়া নৃত্যৰ গীত বাদ্যৰ হাত পুথি, সত্ৰীয়া নৃত্যৰ কথা, সত্ৰীয়া নৃত্যৰ দুটি মৌল ঃ পদ আৰু হস্ত (The Satriya Dance of Assam. An anditical critical study) আদি গ্ৰন্থৰ উপৰিও বহুবোৰ মূল্যবান প্ৰবন্ধ ৰাষ্ট্ৰীয় পয্যায়ৰ আলোচনীত প্ৰকাশ পাইছে।১৯৩৭ চনত ম'ৰাবজাৰ দেওধাই গাঁৱত জন্ম গ্ৰহণ কৰা বিশিষ্ট সাহিত্যিক চিত্ৰলতা ফুকনেও সমগ্ৰ জীৱন জাঁজী জামুগুৰিতে কটাই বাছকবনীয়া সাহিত্য সৃষ্টি কৰি অঞ্চলটোত সাহিত্যৰ পৰিৱেশ ৰচনা কৰি গৈছে। জাঁজী কলেজত অসমীয়া বিভাগৰ অধ্যাপিকা ৰূপে কৰ্ম সম্পাদন কৰা লেখিকা গৰাকী সদৌ অসম লেখিকা সংস্থাৰ সম্পাদিকা তথা সভানেত্ৰী আছিল। তেখেতৰ সাহিত্যৰাজি হ'ল- উপন্যাস, অৰুন্ধতী, অশ্ৰুকন্য, আলোকিত পথৰ সন্ধানত। গল্প সংকলনঃ কনকচম্পা, চন্দন ধূপৰ ধোঁৱা, বিষন্ন ৰাতিৰ জোন, আঁহত গছৰ ছাঁ, কবিতা পুথি হৃদয় বিচাৰি হৃদয় আৰু আত্মজীৱনী হৃদয় নদীৰ পানচৈ। ইতিমধ্যে শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু বীনা বৰুৱাৰ সম্পাদনাত তেখেতৰ ৰচনা সমগ্ৰ "চিত্ৰলতা ফুকন ৰচনা সম্ভাৰ" নামেৰে প্ৰকাশ হৈ ওলাইছে।

মহাবিদ্যালয়তে কৰ্ম জীৱন সামৰি যোৰহাটত স্থায়ীভাৱে থাকিবলৈ লোৱা অসমীয়া বিভাগৰ অধ্যাপক ঁযতীন বৰা দেৱো আছিল নীৰৱে সাহিত্য চৰ্চা কৰা এজন বৰেণ্য ব্যক্তি। সাহিত্য সমালোচনা পৰিচয়, অলংকাৰ আৰু ছন্দ পৰিচয়, অসমীয়া কবিতাৰ ছন্দ বিচাৰ, সমালোচনা সাহিত্যৰ চমু বুৰঞ্জী, ছন্দধ্বনি আৰু অলংকাৰ পৰিচয়, অংকীয়া নাটৰ বিচাৰ আৰু বিশ্লেষণ আদি তেখেতৰ প্ৰকাশিত পুথিৰ উপৰিও শ্ৰুতি স্মৃতি পুৰাণ আৰু শংকৰদেৱৰ ভাগৱত ধৰ্ম, শ্ৰীমন্ত শংকৰদেৱ আদৰ্শ আৰু সংহতি, বেদান্ত বিশিষ্ট দ্বৈতবাদ আৰু শংকৰদেৱৰ ধৰ্ম দৰ্শন, অসমীয়া ধ্বনি বিজ্ঞানৰ ৰূপৰেখা আদি গ্ৰন্থ অপ্ৰকাশিত অৱস্থাতো থকাৰ কথা জনা যায়।

মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ অধ্যাপক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰূপে অৱসৰ গ্ৰহণ কৰা শ্ৰীযুত ৰজনীকান্ত গোস্বামীদেৱেও শিক্ষাদানৰ পদ্ধতি আৰু কৌশল, শিক্ষা মনোবিজ্ঞান প্ৰবেশিকা, তুলনামূলক শিক্ষা, A Few Espects of Educational Psychology, শৈক্ষিক চিন্তাৰ বুৰবুৰণি, শিক্ষাৰ প্ৰযুক্তিবিদ্যা, মনোবৈজ্ঞানিক অভীক্ষা আৰু পাৰিসাংখ্যিকীয় অনুশীলন আদি তেৰখনৰো অধিক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ব

পাঠ্যক্ৰমৰ প্ৰসঙ্গ পুথি ৰচনা কৰাৰ উপৰিও সংক্ষিপ্ত কথা ৰামায়ণ ৰচনা কৰি অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে।

সংস্কৃত বিভাগৰ অধ্যাপক ৰূপে কৰ্মজীৱনৰ সৰহ ছোৱা সময় জাঁজী জামুগুৰিত অতিবাহিত কৰা ড° অকন চন্দ্ৰ শইকীয়া দেৱে ৰচনা কৰিছে ভাওনা ঃ প্ৰদৰ্শন, প্ৰতিযোগিতা আৰু মূল্যায়ন, শংকৰী ভক্তিবাদৰ দাৰ্শনিক তত্ব, ৰুক্মিণীহৰণ কাব্যঃ গৱেষণা গ্ৰন্থ (অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত) অসমীয়া মহাভাৰতীয় সাহিত্য সম্ভাৰ আৰু চাৰিখন শিশু গ্ৰন্থ আদি কেইবাখনো মূল্যবান গ্ৰন্থ। প্ৰভাত বৰঠাকুৰদেৱৰ কণ্ঠুবাৰীৰ ভোগমন আৰু দিপু চিলি, অকালতে নৰনাট সামৰা ভাস্কৰজ্যোতি মহন্তৰ- কোলাহল, Poems of generation, ড° বিৰিঞ্চি কুমাৰ বৰাৰ সংস্কৃতি বিষয়ক গ্ৰন্থ বিষয় ঃ সংস্কৃতি, পৰ্যান্তৰৰ কথকতা আদি আন কেইখনমান গুৰুত্বপূৰ্ণ গ্ৰন্থ। মহাবিদ্যালয়ৰ ব্যস্ততাৰ মাজতো অধ্যক্ষ ড° মানজিৎ গগৈদেৱেও Recent trends in Biodiversity, Exploitation conservation and management, Biodiversity and Aromatic Medicinal Plants of Sibsagar District, মেজাংকৰি মোৰ অনুভৱ, খনা আলিৰ স্মৃতিকাতৰতা, মোৰ কবিতাৰ তুমি মালিনী, কবিতাৰ শব্দ বিচাৰি, অসমৰ বনৰীয়া ফলমূল, ডাৱৰে ঢকা জোন, মা তুমি অনন্যা আদি কেইবাখনো ভিন্ন স্বাদৰ গ্ৰন্থ ৰচনা কৰিছে।

বৰ্তমান ইংৰাজী বিভাগত কৰ্মৰত প্ৰতিষ্ঠিত কবি প্ৰাঞ্জল প্ৰতিম বৰাৰ তামোলৰ পিক শিক্ষক আছু ইত্যাদি নামৰ এখন প্ৰবন্ধ সংকলনৰ উপৰিও আই পিতায়ে মোৰ বিয়াখন পাতিছে, মোক চাবলৈ আলহী আহিছে, তোমাৰ নিচিনা ছোৱালী মোৰ ভাল নালাগে, ডিব্ৰুগড় ইউনিভাৰচিটিৰ গাভৰুৰ ৰং লাগিল, মই প্ৰেমৰ গান্ধীজী হ'ব নোৱাৰিলো, মোৰ নখবোৰ দীঘল হৈছে জোঙা হৈছে আদি জনপ্ৰিয় কাব্য সংকলন।

অসমীয়া বিভাগৰ অধ্যাপক জীৱমণি নাথে বহুবোৰ গৱেষণাধৰ্মী প্ৰবন্ধ ৰচনা কৰাৰ উপৰিও অসমীয়া সাহিত্য সমাজ সংস্কৃতিত এভুমুকি, বেজবৰুৱা সন্দৰ্শন, অসমীয়া গদ্য পৰিচয়, অসম সাহিত্য সভা পত্ৰিকাৰ নিৰ্বাচিত সংগ্ৰহ, প্ৰসঙ্গ অৰুণোদয় আদি যথেষ্ট সংখ্যক গ্ৰন্থ সম্পাদনা কৰিছে। তেখেতৰ প্ৰকাশিত প্ৰবন্ধ পুথি সাহিত্যৰ গুটিফুল, জীৱনীমূলক গ্ৰন্থ জীৱন মাধুৰী, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদকসকল ইত্যাদি। অকালতে মৃত্যু বৰণ কৰা অসমীয়া বিভাগৰ অধ্যাপক সঞ্জীৱ দত্তদেৱৰ বহুকেইটা মানদণ্ড সম্পন্ন কবিতা গৰীয়সী, প্ৰান্তিক আদিত প্ৰকাশ হোৱাৰ উপৰি একমাত্ৰ প্ৰকাশিত কবিতা সংকলন হ'ল- মাছবোৰৰ কি দিন কি ৰাতি। অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক ৰূপে অৱসৰ গ্ৰহণ কৰা চন্দন দত্ত দেৱৰ এখন শিশু নাট সংকলন আমি পোহৰ বিচাৰি যাওঁৰ উপৰিও একমাত্ৰ কবিতাপুথি- বন্ধ কোঠাৰ সময়বোৰ। ইয়াৰ বাহিৰেও অৰ্থনীতি বিভাগত কৰ্মৰত মিনতি গগৈয়ে ৰচনা কৰিছে বিশ্ববিদ্যালয় পাঠ্যক্ৰমৰ কেইবাখনো প্ৰসঙ্গ পুথি। জ্যোতিপ্ৰসাদ গগৈ, মীৰাবালা বৰা, নবনীতা বৰা, ননী ৰাজখোৱা, সান্ত্বনা দত্ত, মণ্টু বৰা আদি অধ্যাপকেও বিভিন্ন আলোচনীত তথ্যপূৰ্ণ প্ৰবন্ধ প্ৰকাশ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। জ্যেষ্ঠ অধ্যাপক ৰূপে অৱসৰ গ্ৰহণ কৰা ভবানী কুমাৰ বৰুৱা, হৰেন বৰুৱা, ড° অনিল কুমাৰ গগৈদেৱে এসময়ত তথ্য সমৃদ্ধ প্ৰবন্ধ ৰচনা কৰাৰ উপৰি ড° গগৈ দেৱে 'খেল মানেই ফুটবল' শীৰ্ষক

জাঁজী অঞ্চলৰ প্ৰবীন খেলুৱৈ সকলৰ বিষয়ে ভিন্নজনৰ দৃষ্টিভঙ্গী তথা জীৱনী সম্বলিত এখন গ্ৰন্থ-প্ৰকাশ কৰি (২০২৪ চন) এটি মহৎ কাৰ্য সম্পন্ন কৰিছে।

এইসকল ব্যক্তিৰ উপৰি "শংকৰদেৱ সৰ্বকালৰ পথ প্ৰদৰ্শক", "ঈশ্বৰতত্ব", "ব্ৰহ্মচৰ্য ব্ৰত আৰু ছাত্ৰ জীৱন' আদি তিনিখন গ্ৰন্থৰ ৰচয়িতা কমল গগৈ, সাঁচি থোৱা ছবি, ছিগা সূতাৰ গাঁথি, প্ৰাযুক্তিতআদি নাটকৰ নাট্যকাৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক নবীন গগৈ, মহাৰথী কৰ্ণ, গজকেতু উপাখ্যান, চন্দ্ৰবাহুৰ হৰিভক্তি আদি কেইবাখনো ভাওনা নাটকৰ নাট্যকাৰ মৰাণ গাঁৱৰ ভবেন বৰুৱা, মহেন্দ্ৰ বৰঠাকুৰ, দুৰ্গেশ্বৰ বৰঠাকুৰ আদি নাট্যকাৰ জাঁজীৰ অমূল্য সম্পদ। জাঁজীৰ আন এগৰাকী শিক্ষাবিদ্য ৰাম প্ৰসাদ খাউণ্ডে উত্তৰণ নামৰ এখন উপন্যাস ৰচনা কৰাৰ লগতে চৈয়দ আব্দুল মালিকৰ উপন্যাস অঘৰী আত্মাৰ কাহিনী ইংৰাজীলৈ অনুবাদ কৰিছিল। জাঁজীত জন্ম গ্ৰহণ কৰা ব্যক্তি- পংকজ ঠাকুৰ আৰু সুশান্ত খাউণ্ডেও সাহিত্যৰ ক্ষেত্ৰখনলৈ বিশেষ বৰঙনি আগবঢ়াইছে। সুশান্ত খাউণ্ড দেৱৰ "প্ৰবাদ পুৰুষ ডম্বৰুধৰ খাউণ্ড" এখন উল্লেখযোগ্য জীৱনী গ্ৰন্থ। জাঁজী সাহিত্য চৰ্চাৰ মূল থলী নহ'লেও জাঁজীৰ সাহিত্য ইতিহাসৰ লগত এখেত সকলৰ এক বিশেষ সম্পৰ্ক আছে আৰু এওঁলোকৰ সাহিত্য চিন্তা আৰু প্ৰতিষ্ঠাই অঞ্চলটোৰ লোকসকলক অনুপ্ৰাণিত কৰিছে।

জাঁজী হাইস্কুলৰ প্ৰধান শিক্ষক ৰূপে অঞ্চলটোক গঢ় দিয়া ব্যক্তি লক্ষী প্ৰসাদ খাউণ্ডদেৱৰ খোলাকটি, এখন সুন্দৰ ধেমেলীয়া নাটক। ইয়াৰ উপৰিও শিল্পী পেন্সনাৰ ভবানী প্ৰসাদ বৰঠাকুৰদেৱে কেইবাখনো চুটি ছবিৰ চিত্ৰ নাট্য ৰচনা কৰাৰ লগতে বহুকেইখন তথ্য চিত্ৰৰ কাহিনী ৰচনা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। অনন্ত যাত্ৰী তেখেতৰ ৰচিত এখন জীৱনী গ্ৰন্থ।

জাঁজীত জন্ম গ্ৰহণ কৰি গুৱাহাটীৰ স্থায়ী বাসিন্দা হ'লেও জাঁজীৰ লগত সম্পৰ্ক ৰক্ষা কৰি থকা ফৰেনচিক বিজ্ঞানী ড° কনকচন্দ্ৰ বৰুৱাই তিনিখনকৈ বিজ্ঞানভিত্তিক গ্ৰন্থ আৰু এখন উপন্যাসেৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে। তেখেতৰ বিজ্ঞানভিত্তিক গ্ৰন্থ কেইখন হ'ল- ফৰেনচিক বিজ্ঞান কি কিয় আৰু কেনেকৈ?, সত্য সন্ধানী ফৰেনচিক বিজ্ঞান, Forensic for crime investigation, Kaziranga North East Tourism। মেঘকন্যা-মেঘালয়ৰ জনজীৱন প্ৰতিফলিত কৰি লিখা তেখেতৰ এখন সুখপাঠ্য উপন্যাস।

জাঁজীত জন্মগ্ৰহণ কৰি যোৰহাটৰ উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (NEIST)ৰ জ্যেষ্ঠ বিজ্ঞানীৰূপে অৱসৰ গ্ৰহণ কৰা ড° বিনোদ কুমাৰ গগৈদেৱে এজন ভাল অনুবাদকৰূপে অসমীয়া সাহিত্যলৈ সেৱা আগবঢ়াইছে। বিশেষকৈ অসমীয়া কবিতাক স্পেনীচ ভাষালৈ অনুবাদ কৰি তেখেতে এটা মহৎ কাৰ্য সমাধা কৰিছে। তেখেতৰ প্ৰকাশিত পুথিসমূহ হ'ল- ফৰাচী কবি বড'লেৰৰ কথা কবিতা, স্পেনিচ কবি ফ্ৰন্সিচক মুনিয়ছ ছলেৰৰ নিৰ্বাচিত কবিতা (দ্বিভাষিক সংকলন) আৰু Poesia Asamesa moderna (আধুনিক অসমীয়া কবিতা দ্বিভাষিক)। নতুনকৈ সাহিত্যৰ ক্ষেত্ৰত প্ৰৱেশ কৰা গোপাল বৰুৱাদেৱৰ এখন সুখপাঠ্য গ্ৰন্থ হ'ল-সৰু মানুহৰ সৰু কথা। বিজ্ঞান শিক্ষক কৰুণা মহন্তই ৰচনা কৰিছে দুখন পুথি গণিতৰ বিষয়ে কিছু কথা আৰু শিক্ষক হিচাপে মহাপুৰুষ শংকৰদেৱ।

জাঁজীত শিক্ষা গ্ৰহণ কৰি নিজ কৰ্মক্ষেত্ৰত থিতাপি লোৱা অজিত ভঁৰালী, ৰঘুনাথ কাগয়ুং, মৃণালী কাগয়ুং, ৰীণা ভড়ালী আদিৰ অৱদানেও অসমীয়া সাহিত্য জগত সমৃদ্ধ কৰি তুলিছে। তদুপৰি জাঁজীক কৰ্মক্ষেত্ৰৰূপে লৈ সাহিত্য চৰ্চা কৰাৰ ভিতৰৰ অঞ্জনা চুতীয়া, যোগমায়া সন্দিকৈ, ৰুণু গোঁহাই বৰাৰো যথেষ্ট অৱদান আছে। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত সুজাতা গোহাঁই বৰুৱা-ডিবৰুৱে ৰিঙিয়াই তেজস্বিনী, অভিশপ্ত নৰক, ৰণাঙ্গন আদি জনপ্ৰিয় উপন্যাস। নতুন চামৰ ভিতৰত শ্ৰীমতী অদিতি খাউণ্ডে কম বয়সতে ১৪ খন শিশু গ্ৰন্থ ৰচনা কৰি শিশু সাহিত্য সম্ভাৰ চহকী কৰি তুলিছে। তেখেতৰ ৰচিত গ্ৰন্থসমূহ হ'ল- একাঁজলী জোনাক, দুবৰিৰ দলিচাত নিয়ৰৰ কণিকা, (কবিতা) বুলবুলি আৰু তুলতুলিৰ উদ্যান, বকুল তলৰ সপোন, সোণালী চুলিৰ পৰী, জাকপাতি শৰালি তৰিবিৰ তৰালি, কণ কণ মুকুতাৰ মন, কনমানিহঁতৰ কুঁকি, মৰমৰ উপহাৰ, শেৱালি দীপিকা আৰু পখিলি, জিমু, টিকু আৰু বাবলু, মইনাহঁতৰ সাধু, সন্ধিয়াৰ ফুল আৰু ভাল ল'ৰাৰ কথাৰে। চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ একালৰ শিক্ষয়িত্ৰী অদিতিয়ে ইতিমধ্যে শিশু সাহিত্যৰ পুৰস্কাৰো লাভ কৰিছে। জাঁজী শাখা সাহিত্য সভাৰ সভানেত্ৰী বীনা বৰুৱাই সৌমাৰত্ন সাধনী শীৰ্ষক এখন বুৰঞ্জীমূলক নাটক ৰচনাৰ লগতে বুৰঞ্জীবিদ নকুলচন্দ্ৰ ভূঞা শীৰ্ষক জীৱনী আৰু বীক্ষন নামৰ এখন প্ৰবন্ধ সংকলন প্ৰকাশ কৰিছে। লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যাপিকা মঞ্জুমালা শৰ্মা ভট্টাচাৰ্যই প্ৰজ্ঞাপ্ৰপঞ্চ আৰু এষণিকা নামৰ দুখন প্ৰবন্ধ সংকলনৰ উপৰি এজাক জোনাকীৰ স্বপ্ন শীৰ্ষক এখন নাট্য সংকলন প্ৰকাশ কৰিছে। তেখেত কেইবাখনো বাটৰ নাট আৰু সঙ্গীতালখ্য ৰচয়িতা। শিৱসাগৰ কবি সন্মিলনৰ সম্পাদিকা শ্ৰীমতী কুন্তলা কল্যাণী সন্দিকৈ অসমৰ কাব্যজগতৰ এটা চিনাকি নাম। তেওঁৰ কবিতা বিভিন্ন আলোচনীত প্ৰকাশ পোৱাৰ উপৰিও প্ৰকাশিত কাব্যগ্ৰন্থ নিজম নিশাৰ মালিতা, কুন্তলাই কান্দিব কিজানি আৰু প্ৰেমৰ শেষ পৃষ্ঠা নাথাকে। আন এগৰাকী জাঁজীৰ উদীয়মান লেখিকা প্ৰজ্ঞাজ্যোতি বৰুৱাৰ প্ৰকাশিত শিশু গ্ৰন্থ-ফুলকলিৰ পৃথিৱী। জাঁজীৰ জীয়াৰী আন এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ হ'ল নৱনীতা গগৈ। তেওঁৰ প্ৰকাশিত পুথি- মই তোৰ নীলা চৰাই আৰু ছাঁ পোহৰত অকলে। জাঁজীৰ যুৱপ্ৰজন্মৰ আন এগৰাকী গল্পকাৰ হ'ল অমলকৃষ্ণ ভৰালী। অনামিকা সুদৰ্শন আৰু মই, মোক ভালপাব নালাগে বিদিশা, শিলত গজা গছ তেখেতৰ তিনিখন জনপ্ৰিয় গল্প পুথি।

বৰ্তমান সময়ৰ জনপ্ৰিয় কবি দুষ্মন্ত মাধৱ বৰুৱাই নামদাঙৰ উচুপনি আৰু শুই থকা পাহাৰটোক জগাব পৰা হ'লে শীৰ্ষক দুখন কবিতাপুথি প্ৰকাশ কৰাৰ উপৰি অনেক কবিতা অসংকলিত অৱস্থাত আছে। তেনেদৰে চিত্ৰলতা ফুকন শীৰ্ষক এখন জীৱনী গ্ৰন্থৰ প্ৰণেতা প্ৰতাপ কুমাৰ বৰুৱাও বৰ্তমান সময়ৰ এজন জনপ্ৰিয় কবি। তেওঁৰো অনেক কবিতা আলোচনীৰ পাতত আছে। একোখনকৈ কাব্য গ্ৰন্থৰে কবিতাৰ জগতখন চহকী কৰা জাঁজীৰ অন্যান্য কবিসকল হ'ল- বিজু বৰঠাকুৰৰ নিয়ৰৰ জুনুকা পিন্ধা জীৱনৰ সুবাস, ৰীণা বৰুৱা বুঢ়াগোহাঁইৰ ভুলৰ সমাধিত এপাহি গোলাপ, অনিন্দিতা বাৎসায়নৰ বিভ্ৰান্ত বাস্তৱ, মল্লিকাগিৰি বৰুৱাৰ দহন আৰু ফাগুণৰ জুই ইত্যাদি। বিভিন্ন আলোচনীৰ যোগেদি সাহিত্য সমৃদ্ধ কৰা ব্যক্তিসকল হ'ল সৰ্বশ্ৰী লখিমী বৰুৱা, তুলুমা কোঁৱৰ চেতিয়া, ড° ৰঞ্জিত কুমাৰ বৰুৱা,

অপৰূপা শইকীয়া, বুধীন কুমাৰ গগৈ, যুতিকা শইকীয়া, ঊষাৰাণী বৰপূজাৰী, জিতুমণি চেতিয়া (গীতৰাজ), গীতাঞ্জলী গগৈ, ৰাজীৱ দত্ত, পুষ্পধৰ নেওগ, প্ৰসেনজিৎ গগৈ আদি। এইসকল সাহিত্যিকৰ সাহিত্যৰ উপৰিও জাঁজীত বিভিন্ন উপলক্ষত প্ৰকাশ হোৱা স্মৃতিগ্ৰন্থ তথা মুখপত্ৰসমূহেও অঞ্চলটোৰ সাহিত্যৰ পৰিবেশ বৰ্তি থকাত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে যিসূমহৰ বিষয়ে এটা সুকীয়া প্ৰবন্ধত আলোচনা কৰাৰ থল আছে। তদুপৰি কেইবাজনো বৰেণ্য ব্যক্তি শিৱনাথ শৰ্মা, ৰজনীকান্ত গোস্বামী, ৰোযেশ্বৰ বৰুৱা, ড° কৃষ্ণকান্ত সন্দিকৈ, ভবানী কুমাৰ বৰুৱা, নবীন গগৈ আদিৰ জীৱন চৰ্যাক প্ৰতিফলিত কৰি কেইবাখনো অভিনন্দন গ্ৰন্থ প্ৰকাশ হৈছে। এই সমূহেও জাঁজীত সাহিত্যক এক সুস্থ বাতাবৰণ গঢ়ি তুলিবলৈ সক্ষম হৈছে।

( বিঃ দ্ৰঃ - ঐতিহাসিক জাঁজীৰ সাংস্কৃতিক আৰু শৈক্ষিক ইতিহাস লিখিবলৈ যাওঁতে অনিচ্ছাকৃতভাৱে বা তথ্যৰ অভাৱত বহু ব্যক্তিৰ নাম হয়তু বাদ পৰি ৰৈছে। তাৰ বাবে ক্ষমাপ্ৰাৰ্থী)

❖❖❖

---

*লেখিকা জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী*

# উজনি অসমৰ গ্ৰামাঞ্চলৰ নাৰী শিক্ষাৰ সমস্যা আৰু দৃশ্যপট

দেৱজিৎ নেওগ

**অৱতৰণিকা ঃ**

'নাৰী মহিমাময়ী, নাৰী কৰুণাময়ী, নাৰীয়েই অৰ্দ্ধ আকাশ'। আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাত মহিলা বা নাৰীক যুগে যুগে এনেবোৰ বিশেষণেৰে বিভূষিত কৰা হৈছে। যেনেকৈ ধৰিত্ৰীক মাতৃৰূপে, নাৰীক দেৱী ৰূপে প্ৰকৃতিক নাৰী ৰূপে আদিম কালৰে পৰা মানুহে পূজা-অৰ্চনা কৰি আহিছে, ঠিক তেনেকৈ শিল্পকৰ্মত নাৰীক বিভিন্ন ৰূপত সজাই তাৰ সৌন্দৰ্য উপভোগ কৰিছে সমাজে। উপনিষদৰ মতে 'দহজন উপাধ্যায়ৰ সমান এজন শিক্ষক, এশজন শিক্ষকৰ সমান এজন পিতৃ আৰু হাজাৰজন পিতৃতকৈও শ্ৰেষ্ঠ এগৰাকী মাতৃ।' এনে উক্তিয়ে গ্ৰাম্য সমাজত নাৰীৰ উচ্চ মৰ্যাদাৰ কথাটোকেই বিস্তৃত ৰূপত প্ৰতিপন্ন কৰিছে। গতিকে বিশেষ ধৰণৰ সপ্তম গুণৰ যি গৰাকী অধিকাৰী সেয়ে নাৰী। নাৰী সহনশীল, কেমলকণ্ঠী, আত্মত্যাগী, নিৰহংকাৰী, গহীনতা, মানৱদৰদী, সমভাৱপন্নতা ইত্যাদি গুণৰ সমষ্টিয়েই প্ৰকৃতাৰ্থত নাৰী।

**নাৰী শিক্ষাৰ আৰম্ভণি ঃ**

প্ৰত্যেকখন গৃহাশ্ৰম সৰ্বাংগ সুন্দৰ কৰি গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰত্যেকগৰাকী নাৰীৰ ভূমিকা মৰ্যদাপূৰ্ণ। নাৰী শিক্ষাৰ ক্ষেত্ৰত মহামানৱ মহাত্মাগান্ধীয়ে কৈছিল, 'এজন পুৰুষক শিক্ষিত কৰিলে কেৱল এজনহে উপকৃত হ'ব, কিন্তু এগৰাকী নাৰীক শিক্ষিত কৰিলে দহগুণ লাভ হ'ব।' উক্তিটোৰ সত্যতা আমাৰ প্ৰত্যেকৰে গৃহাশ্ৰমবোৰত প্ৰতিফলিত হৈছে। শিক্ষিত নাৰীয়ে পৰিচালনা কৰা ঘৰখনত পুৰুষ-মহিলা, সন্তান-সন্ততি সকলোতে তাৰ ইতিবাচক প্ৰভাৱ পৰে, কিয়নো সেই নাৰীগৰাকী ঘৰখনৰ সকলো বিষয়তে সকলো সময়তে সম্পৰ্কিত হৈ থাকে। সন্তান-সন্ততিৰ ক্ষেত্ৰটো দেউতাকতকৈ মাকৰ লগতহে সম্বন্ধ বেছি পৰিলক্ষিত হয়। আমি জনো বৈদিক যুগৰ পৰা ভাৰতৰ ইতিহাসত নাৰীয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ১৯শ শতিকাত আমেৰিকাৰ পৰা অহা ব্যপ্তিষ্ট মিছনেৰীসকলৰ দ্বাৰা অসমীয়া ভাষাৰ প্ৰথম বাতৰি কাকত 'অৰুণোদই' (১৮৪৬) প্ৰকাশৰ লগে লগে মিছনেৰীসকলে উজনি অসমত নাৰীশিক্ষাৰ বিস্তাৰ হোৱাটো বিচাৰিছিল। কিন্তু নিৰক্ষৰ পিতৃ-মাতৃয়ে ছোৱালীবোৰক খ্ৰীষ্টান কৰিব বুলি ভাবি বিদ্যালয়লৈ যোৱাত বাধা আৰোপ কৰিছিল। ফলত সেই সময়ত বিদ্যালয়সমূহ বন্ধ হৈ যোৱাৰ উপক্ৰম

ঘটিছিল। কিন্তু জাতীয়তাবাদী গণনেতাসকলৰ সামূহিক প্ৰচেষ্টা আৰু সামাজিক প্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি উজনি অসমত বিশেষকৈ অবিভক্ত শিৱসাগৰ জিলাত আঢ্যৱন্ত পৰিয়ালসমূহে স্ত্ৰী শিক্ষা প্ৰসাৰত গুৰুত্ব আৰোপ কৰিছিল।

এনেদৰেই ইংৰাজ শাসনৰ সময়ত অহা মিছনেৰীসকলে খৃষ্ট ধৰ্ম প্ৰচাৰৰ লগতে স্ত্ৰী শিক্ষা প্ৰচলনৰ প্ৰচেষ্টাও হাতত ল'লে। 'অৰুণোদই'ত প্ৰকাশ পোৱা ৰচনাসমূহে মানুহৰ মনৰ দিগন্ত প্ৰসাৰিত কৰিলে আৰু নাৰী সম্পৰ্কীয় ধ্যান-ধাৰণাৰো উল্লেখযোগ্য পৰিৱৰ্তনৰ সূচনা কৰিলে। অৱশ্যে উজনি অসমৰ সম্ভ্ৰান্ত পৰিয়ালবিলাকত আগৰে পৰাই ছোৱালীক ঘৰতে সু-শিক্ষিত কৰাৰ ব্যৱস্থা অব্যাহত আছিল। ১৮৩৭ চনত মিছেছ কট্ৰাৰে শদিয়াত আৰু ১৮৪৩ চনত মিছেছ ব্ৰাউনে শিৱসাগৰ জিলাত পোন প্ৰথম ছোৱালী প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। পাছলৈ মিছেছ ব্ৰাউন আৰু কট্ৰাৰে শিৱসাগৰত লগ হৈ ১৮৪৬ চনলৈকে স্কুলৰ সংখ্যা ১৮খনলৈ বৃদ্ধি কৰিছিল। 'অৰুণোদই' বাতৰি কাকতৰ যোগেদি স্ত্ৰী শিক্ষাৰ প্ৰতি মানুহক আগ্ৰহী কৰি তুলিবলৈ চেষ্টা কৰাৰ প্ৰমাণস্বৰূপে ১৮৬০-৬১ চনত উজনি অসমত চৰকাৰী প্ৰচেষ্টাত প্ৰথমখন ছোৱালী স্কুল স্থাপন কৰাটোৱেই বুজায়। ঊনবিংশ শতিকাৰ শেষত চৰকাৰী প্ৰচেষ্টাত স্থাপন হোৱা স্কুলৰ সংখ্যা ২০২খন হ'লগৈ। উজনি অসমতেই প্ৰথম স্ত্ৰী শিক্ষাৰ প্ৰসাৰ সাদন হ'লেও গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ মানুহৰ মাজত স্ত্ৰী শিক্ষাৰ প্ৰতি বিশেষ আগ্ৰহ তেতিয়া পৰিলক্ষিত হোৱা নাছিল। কেৱল ছোৱালীক ঘৰুৱা কাম বন শিখাই অভিভাৱকসকলে বিয়া দিয়াতহে অধিক গুৰুত্ব আৰোপ কৰিছিল। সেই সময়ত নাৰী শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া প্ৰধান অন্তৰায়সমূহ আছিল এনেধৰণৰ—

**ক। অৰ্থনৈতিক কাৰণ ঃ**

আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা বাবে সংস্থাপনহীন কৃষি প্ৰধান বহু পিতৃ-মাতৃয়ে ছোৱালীৰ পঢ়াৰ খৰচ যোগাৰ কৰি দিব নোৱাৰিছিল। অন্যহাতেদি ৯ বা ১০ বছৰ মান বয়স হওঁতেই গৰিষ্ঠ সংখ্যক পিতৃ-মাতৃয়ে ছোৱালীক নিজৰ ঘৰুৱা কাম-বনত অভ্যস্ত কৰায় বা অন্য মানুহৰ ঘৰত ঘৰুৱা বন কৰা ছোৱালীৰূপে সংস্থাপিত কৰাৰ বিনিময়ত পোৱা টকাৰে পৰিয়ালটো চলাৰ লগতে নিজৰ পঢ়াৰ খৰচো যোগাৰ কৰিব লগা হৈছিল। কিতাপ-বহী, কলমৰ অভাৱ থকা বা কাম কৰি ব্যস্ত থাকিব লগা ছোৱালীবোৰৰ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ দিনক দিনে কমি আহিছিল আৰু স্কুললৈ যোৱাটোও অনিয়মীয়া হৈ পৰিছিল। ফলস্বৰূপে অনুত্তীৰ্ণ হোৱা ছোৱালীবোৰ স্কুললৈ নোযোৱা হৈ পৰিছিল। এনেদৰেই শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অপচয় আৰু স্থবিৰতাই হেঙাৰ স্বৰূপে থিয় দিছিল।

**খ। অভিভাৱকৰ নিৰক্ষৰতা আৰু উদাসীনতা ঃ**

উজনি অসমৰ গ্ৰামাঞ্চলৰ বহু পিতৃ-মাতৃ নিৰক্ষৰ আছিল। তেওঁলোকে শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰিব নাজানিছিল। ফলত নিজ সন্তানক শিক্ষা আহৰণৰ বাবে স্কুললৈ পঠোৱাটো আৱশ্যকীয় বুলি গণ্য কৰা নাছিল।

**ঘৰুৱা কামৰ হেঁচা ঃ** মাকক ঘৰুৱা কামত সহায় কৰাৰ উদ্দেশ্যেও বহু অভিভাৱকে ছোৱালীক স্কুল এৰাই ঘৰৰ কামত নিয়োজিত কৰাইছিল।

**বাল্য বিবাহ ঃ** এটা সময়ত কিছু সংখ্যক অভিভাৱকে গ্ৰামাঞ্চলৰ ছোৱালীবোৰক ঘৰুৱা কাম-বনত পাকৈত হোৱাৰ লগে লগে অৰ্থাৎ বাল্য

কালতেই বিয়া দিছিল। ফলত প্ৰাথমিক শিক্ষা লাভৰ পৰাও বঞ্চিত হৈছিল। সেয়েহে বৰ্তমানৰ অসম চৰকাৰে বাল্য বিবাহ বন্ধ কৰি সকলো সন্তান-সন্ততিকেই উপযুক্ত শিক্ষা গ্ৰহণ বাধ্যতামূলক কৰাইছে। ই আমাৰ বাবে ইতিবাচক।

**যাতায়তি ব্যৱস্থা ঃ** গ্ৰামাঞ্চলৰ যাতায়তি ব্যৱস্থা সুচল নোহোৱাৰ লগতে স্কুলৰ দূৰত্ব অত্যধিক হোৱা বাবেও বহু ছোৱালীয়ে স্কুললৈ যাবলৈ মন কৰা নাছিল।

**গ। শিক্ষামূলক কাৰণসমূহ ঃ**

**পাঠ্যক্ৰমৰ অপৰ্যাপ্ততা ঃ** সেই সময়ত প্ৰচলিত শিক্ষা ব্যৱস্থাই ছোৱালীবোৰক আশা কৰা মতে প্ৰয়োজনীয় অভাৱ পূৰ কৰিব নোৱাৰিছিল। সাধাৰণভাৱে জীৱন-যাপন কৰিব পৰা সাধাৰণ জ্ঞান আহৰণৰ বাবে প্ৰযুক্তিবিদ্যামূলক পাঠ্যক্ৰমসমূহ সুচল নাছিল। সেই নেতিবাচক কাৰ্যপন্থাই বহু সময়ত অপচয় আৰু স্থবিৰতাৰ কাৰণ হৈ পৰিছিল।

**লিংগ বৈষম্য ঃ** গুণগত দিশত ছোৱালীসকলক ল'ৰাতকৈ কম মৰ্যদা দিয়াৰ কাৰণেও ছোৱালীবোৰ শিক্ষা আহৰণৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। সেই সময়ৰ মানুহবোৰ অজ্ঞ হোৱা বাবে ল'ৰা আৰু ছোৱালীৰ গুণগত পাৰ্থক্য নিৰ্ণয় কৰাটো সমাজৰ এটা নেতিবাচক দিশ আছিল।

**সুৰক্ষিত আৱাসিক ব্যৱস্থাৰ অভাৱ ঃ** সেই সময়ত ছোৱালীবোৰ ঘৰৰ পৰা আঁতৰত থাকি শিক্ষা গ্ৰহণ কৰিব পৰা উপযুক্ত সুবিধা পোৱা নাছিল। সু-শিক্ষিত ছোৱালীবোৰ গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানসমূহত হোষ্টেল বা আনুষঙ্গিক সুবিধাৰ অভাৱত শিক্ষয়িত্ৰী হিচাপে সেৱা আগবঢ়াবলৈও অমান্তি প্ৰকাশ কৰিছিল। ফলস্বৰূপে ছাত্ৰীসকলে উপযুক্ত শিক্ষয়িত্ৰীৰ অভাৱৰ সন্মুখীন হ'ব লগা হৈছিল।

পিছে স্বাধীনতাৰ অন্তিম ফালে উজনি অসমৰ শিক্ষিত নাৰীসকলে বিভিন্ন বৃত্তিমূলক শিক্ষা গ্ৰহণ কৰি নিজকে আধুনিক নাৰীৰূপে প্ৰতিপন্ন কৰিছে। ফলস্বৰূপে বৰ্তমান সময়ত খেল জগত আৰু ৰাজনৈতিক জগতখনত নাৰীসকলেই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হৈছে। অন্যহাতেদি কুৰি শতিকাৰ শেষৰফালে সমাজত আশীৰ দশকৰ ওচৰে পাঁজৰে গ্ৰামাঞ্চলৰ নাৰী সমাজত এক নতুন আশাৰ সঞ্চাৰ ঘটিছিল। বিশ্ব জুৰি অব্যাহত থকা নাৰী মুক্তি আন্দোলনৰ বাবে তেওঁলোকক নিজৰ কৰ্তব্য সম্পৰ্কে সচেতনবোধ হ'বলৈ সতৰ্ক কৰিছিল। ফলস্বৰূপে তেওঁলোকৰ অগ্ৰগতিৰ ইতিবাচক প্ৰভাৱ নিজ সতি-সন্ততিৰ বাবে প্ৰেৰণাৰ উৎস স্বৰূপ হৈ পৰিছিল।

**নাৰী শিক্ষাৰ বৰ্তমান দৃশ্যপট ঃ**

বৰ্তমানৰ দৃশ্যপটত উজনি অসমৰ গ্ৰামাঞ্চলৰ নাৰীসকলে উপৰোক্ত সমস্যাসমূহৰ পৰা পৰিত্ৰাণ লাভ কৰিছে বুলি ধাৰণা কৰা হয়। যিহেতু অসম চৰকাৰে এই সন্দৰ্ভত বিভিন্ন আঁচনি গ্ৰহণ কৰি নাৰীসকলক আগবঢ়াই নিবলৈ সক্ষম হৈছে। অসম সৰ্বশিক্ষা মিছনৰ সহযোগত ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া শিক্ষা আহৰণ বাধ্যতামূলক কৰি নিৰক্ষতা দূৰ কৰিছে। দৰিদ্ৰতা নিৰ্মূলৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দুপৰীয়া আহাৰ যোগান ধৰিছে, গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানসমূহলৈ শিক্ষা গ্ৰহণৰ নিমিত্তে অহা-যোৱা কৰিবৰ বাবে যাতায়তৰ সুচল হোৱাকৈ বাট-পথ নিৰ্মাণ কৰি চৰকাৰে ছোৱালীবোৰক স্কুটি আৰু চাইকেলৰো যোগান ধৰিছে। উপযুক্ত শিক্ষক

নিয়োগ কৰি এটা সুস্থ পৰিৱেশ আৰু এটা শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আনকি শিক্ষা গ্ৰহণৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ মানসেৰে চৰকাৰে ছাত্ৰীসকলক বিভিন্ন স্কলাৰশ্বিপ প্ৰদান কৰিবলৈও সক্ষম হৈছে।

সমগ্ৰ অসমতে প্ৰচলিত সহঃশিক্ষা ব্যৱস্থাই (Co-Education system) উচ্চ শিক্ষা আহৰণত সহায় কৰিছে। বৰ্তমান উজনি অসমৰ গ্ৰামাঞ্চলত মহিলা মহাবিদ্যালয় স্থাপন হৈছে। দিনক দিনে মহিলাসকল বিভিন্ন ক্ষেত্ৰত স্বাৱলম্বী হ'ব পাৰিছে। অসম চৰকাৰেও লাখপতি বাইদেউ আঁচনি গ্ৰহণ কৰি সহযোগিতা আগবঢ়াইছে।

বৰ্তমান গ্ৰামাঞ্চলত মহিলাৰ সৱলীকৰণ হৈছে। সৱলীকৰণে মহিলাসকলক পৰাধীনতাৰ বান্ধোন সোলোকাই আত্মনিৰ্ভৰশীল হ'বলৈ পথ প্ৰশস্ত কৰিছে। সাহিত্য, সংস্কৃতি দিশলৈ লক্ষ্য কৰিলে প্ৰতিয়মান হয় নাৰীবাদী ধাৰাটোলৈ। নাৰীবাদৰ মাধ্যমেদি নাৰীৰ সমস্যা সমাধান আৰু অধিকাৰ লাভৰ বতৰা দিয়া গল্প-উপন্যাস, নাটক নাৰীসকলে লিখি উলিয়াইছে।

সামগ্ৰিকভাৱে গ্ৰামাঞ্চলৰ সৰহ সংখ্যক মহিলাই গৃহিনী। বৰ্তমান দৃশ্যপটত চৰকাৰী সংস্থাপন দুৰ্লভ হৈ অহাৰ লগে লগে গ্ৰামাঞ্চলৰ নাৰীসকলে বিভিন্ন ধৰণৰ উদ্যোগ স্বাধীনচিতীয়াভাৱে হাতত লৈ উদ্‌গণি লাভ কৰিছে যদিও কিছু কিছু ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। বিশেষকৈ দৈহিক নিৰাপত্তা লাভৰ বাবে নাৰীসকলে অপ্ৰাণ চেষ্টা কৰি আহিছে। বৰ্তমান সময়ত মানুহবোৰ শিক্ষিত হ'লেও নাৰী সমাজত বৃদ্ধাৱস্থাৰ নিৰাপত্তাহীনতা আৰু যৌতুক সমস্যা আদিয়ে ব্যাপক ৰূপত গ্ৰাহ কৰি আহিছে। এনে সমস্যা সমাধানৰ বাবে এক সামাজিক জাগৰণৰ প্ৰাসংগিকতা বৰ্তমান সময়ত যথাৰ্থ।

নাৰীসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ প্ৰত্যুত্তৰত সংক্ষেপে ক'ব পাৰি যে নিজৰ ভূমিকা সম্পৰ্কে সচেতনতা, সাহস, দৃঢ়তা আৰু প্ৰচুৰ অধ্যৱসায়ৰ বলত সকলো বাধা নেওচি নাৰী সমাজ দুপত দুপে আগবাঢ়ি গৈ থকা পৰিলক্ষিত হৈছে। পৰিৱৰ্তনশীল সমাজৰ পৰিৱৰ্তিত পৰিস্থিতি আৰু সমস্যাৰ লগত নিজকে ৰজিতা খুৱাই নাৰীসকলৰ পৰম্পৰা আৰু মানসিকতাই বাগৰ সলাই ধাৱিত হ'ব প্ৰগতিৰ দিশে। সেয়েহে নাৰীৰ প্ৰগতিয়েই দেশৰ প্ৰগতি। নাৰী শক্তিয়েই সভ্য সমাজৰ উৎকৰ্ষ সাধনৰ মূল।


**সহায়ক গ্ৰন্থ ঃ**

১। ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাস ঃ ড° ৰেণু দেৱী

২। অসমীয়া নাৰীৰ অতীত আৰু বৰ্তমান ঃ ড° স্বৰ্ণলতা বৰুৱা, ড° মামনি গগৈ বৰগোহাঁই


❖❖❖

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গ্ৰন্থাগাৰ সহায়ক*

# ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু সংস্কৃত

**ৰাজীৱ শৰ্মা**

ভাষাক কলা আৰু সংস্কৃতিৰ এৰাব নোৱাৰা উপাদান বুলি কোৱা হয়। এই বিশাল জগতখনক বেলেগ বেলেগ ভাষাই নিজা নিজা দৃষ্টিভংগীৰে অৱলোকন কৰে। নৃ-গোষ্ঠীয় লোকৰ দৃষ্টিভংগীৰ আধাৰত একোটা ভাষাৰ গঠন বা বিকাশ হয়। সাধাৰণভাৱে ক'বলৈ গ'লে একে ধৰণৰ সংস্কৃতিৰ লোকে আপোন পৰিয়াল, সমাজৰ সন্মানীয় লোক, সমনীয়া বা অপৰিচিত লোকৰ লগত কেনে ধৰণে বা কি সুৰত কথা-বতৰা কৰিব তাৰ ওপৰত একোটা ভাষাৰ যথেষ্ট প্ৰভাৱ দেখা পোৱা যায়। একে ভাষা ব্যৱহাৰকাৰী মানুহৰ মাজত একে ধৰণৰ দৃষ্টিভংগী দেখা পোৱা যায় আৰু ইয়ে সাংস্কৃতিক সংৰক্ষণৰো সমল হিচাবে কাম কৰে। ভাষাৰ মাজেদিয়েই কলা, সাহিত্য, সংগীত, নাটক, বোলছবি আদিয়ে প্ৰাণ পাই উঠে। সেয়েহে সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ভাষিক আৰু সাংস্কৃতিক সংবৰ্ধন নিশ্চিত কৰাৰ প্ৰয়োজন আছে।

ভাৰতবৰ্ষ অসংখ্য ভাষাৰে সমৃদ্ধ এখন বৃহৎ দেশ। কিন্তু দুৰ্ভাগ্যজনক কথা এইটোৱেই যে, ভাৰতীয় এই ভাষাসমূহে যিধৰণৰ গুৰুত্ব পাব লাগিছিল, তেনে ধৰণৰ গুৰুত্ব আজিকোপতি পোৱা নাই। ফলত বিগত পঞ্চাশ বছৰত আমাৰ দেশত ২২০টা ভাষা বিলুপ্ত হৈছে। আনহাতে বৰ্তমান ১৯৭টা ভাৰতীয় ভাষা বিলুপ্তিৰ পথত বুলি UNESCO য়ে ঘোষণা কৰিছে। লিপিবিহীন অসংখ্য ভাৰতীয় ভাষা ইতিমধ্যে বিলুপ্ত হৈছে। লিপিবিহীন ভাষা কোৱা একোটা নৃগোষ্ঠীৰ একোজন জ্যেষ্ঠ লোকৰ মৃত্যুৰ লগে লগেই একোটা ভাষাৰ বা সেই ভাষাৰ বহুতো শব্দৰ বিলুপ্তি ঘটে। সেয়ে NEP, 2020ৰ দ্বাৰা ভাষিক সংস্কৃতিৰ সংৰক্ষণ ব্যৱস্থাৰ ওপৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰা হৈছে। ভাৰতবৰ্ষৰ অন্য কিছুমান ভাষা চৰকাৰীভাৱে বিপন্ন ভাষাৰ তালিকাভুক্ত হোৱা নাই যদিও তেনে ভাষাসমূহ সংকটমুক্ত বুলি অভিহিত কৰিব নোৱাৰি।

ভাৰতবৰ্ষৰ এটা অন্যতম সমৃদ্ধিশালী ভাষা হ'ল সংস্কৃত ভাষা। ভাৰতবৰ্ষৰ অধিকসংখ্যক ভাষাৰেই মূল সংস্কৃত ভাষা। ইংৰাজসকল ভাৰতলৈ অহাৰ পূৰ্বলৈকে ভাৰতৰ প্ৰায় সকলো শিক্ষানুষ্ঠানতে সংস্কৃত ভাষা-শিক্ষা বাধ্যতামূলক আছিল। এই সংস্কৃত ভাষাকেই সেই সময়ত সহযোগী ভাষা হিচাপেও ব্যৱহাৰ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত শিক্ষা সংস্কাৰৰ নামত সংস্কৃত ভাষাক প্ৰায়বোৰ শিক্ষানুষ্ঠানৰ পৰাই বিসৰ্জন দিয়া হ'ল। ইয়াৰ ফলত ভাৰতীয়সকলৰ

নিজ নিজ সংস্কৃতিৰ উৎকৰ্ষ সাধনত যথেষ্ট বাধাৰ সৃষ্টি হ'ল আৰু লগতে মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষ সাধনতো বাধা পৰিল। শিক্ষানুষ্ঠানসমূহত এই ভাষাৰ চৰ্চা নোহোৱাৰ বাবে এই ভাষা বহুতৰ বাবে দুৰ্বোধ্য হৈ পৰিল আৰু ফলত এচাম লোকে এই 'অমৃতময়' ভাষাটোক 'মৃতভাষা' বুলি কৈ তুচ্ছ-তাচ্ছিল্য কৰিবলৈ ধৰিলে। 'দেৱভাষা' (Dev Language)ৰ ঠাইত Dead language বুলি ক'বলৈ ধৰিলে। এচাম লোকে আকৌ এই ভাষাটোক অতি প্ৰাচীন বুলি কৈ বৰ্তমান কালত ইয়াৰ প্ৰাসংগিকতাক লৈও প্ৰশ্ন তুলিলে। এনে ধৰণেৰে অতি বিয়োগাত্মকভাৱে এই ভাষাটোৰ চৰ্চা হোৱাৰ ফলত এই ভাষাটোৰ যথেষ্ট ক্ষতি হ'ল। নৱপ্ৰজন্মই এই ভাষাটোক অনীহা কৰিবলৈ ধৰিলে। ফলত ভাষাটোৰ সৈতে নিজৰ ঐতিহ্যৰ প্ৰতিও উঠি অহা যুৱক-যুৱতীসকল বিমুখ হোৱা দেখা গ'ল। সি যি কি নহওক, বিভিন্ন সময়ত বিভিন্ন উপচক্ৰাদি কাৰণবশতঃ এই ভাষাৰ গতি মন্থৰ হোৱা দেখা গৈছে যদিও বৈদিক কালৰে পৰা বৰ্তমানলৈকে ভাৰতবৰ্ষত এই ভাষাৰ ধাৰা প্ৰৱাহিত হৈ আহিছে। এই সংস্কৃতেই সংস্কৃতি বুলি ইতিমধ্যে বিদ্বৎ সমাজে মানি লৈছে। এই সংস্কৃততেই পৃথিৱীৰ সকলো তত্ব নিহিত আছে। এই সম্বন্ধে এটি উক্তিও আছে এনেদৰে —

'সংস্কৃতং সংস্কৃতিজ্ঞেয় সংস্কৃতে সকলাঃ কলা।
সংস্কৃতে সকলা বিদ্যাঃ সংস্কৃতে কিং ন ৰিদ্যতে।।'

আমাৰ দেশৰ ত্ৰিকালজ্ঞ ঋষি-মুনিসকলে সংস্কৃতকেই ভাৰতবৰ্ষৰ ভেঁটি হিচাপেও গণ্য কৰিছে। সংস্কৃত ভাষাৰ বাবেই আধুনিক ভাৰতবৰ্ষ যে প্ৰাচীন ভাৰতবৰ্ষৰ ওচৰত ঋণী হৈ আছে, এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰি। এই সংস্কৃত ভাষাই হ'ল প্ৰাচীন ভাৰতীয়ৰ আধাৰ তথা বাহক। পৃথিৱীৰ ভিতৰত সৰ্বপ্ৰথমে অতি সু-সংগঠিতভাৱে এই ভাষাটোৰ জন্ম হৈছিল। আধুনিক ভাষাবিদ সকলেও সংস্কৃতৰ দৰে বিজ্ঞানসন্মত গঠন প্ৰণালী বিশিষ্ট দ্বিতীয় এটা ভাষা ক'তো নাই বুলি মত প্ৰকাশ কৰিছে। সেয়ে হয়তো এই ভাষাক 'দেৱভাষা' বুলি অভিহিত কৰা হৈছে। এই ভাষা কম্পিউটাৰ ব্যৱহাৰৰ ক্ষেত্ৰতো অতি উপযোগী বুলি বৈজ্ঞানিকসকলে মত প্ৰকাশ কৰিছে আৰু এই ক্ষেত্ৰত গৱেষণা প্ৰক্ৰিয়া অব্যাহত আছে। এই ভাষাৰ সু-সংবদ্ধতাৰ প্ৰসংগত প্ৰখ্যাত ইউৰোপীয় পণ্ডিত Sir William Jonesয়ে মত প্ৰকাশ কৰিছে যে, "Sanskrit language is more perfect than the Greek, more copieus than the Latin and more exquisitely refined than either."

আধুনিক কালত বুৰঞ্জী, গণিত, ৰাজনীতি বিজ্ঞান, কৃষি বিজ্ঞান, পৰিৱেশ বিজ্ঞান, চিকিৎসা বিজ্ঞান, ৰসায়ণ বিজ্ঞান, কামশাস্ত্ৰ, দৰ্শন, তৰ্কশাস্ত্ৰ, উদ্ভিদ বিজ্ঞান আদি নামেৰে নামাংকিত বিষয়সমূহৰ অনেক গ্ৰন্থ প্ৰাচীন কালতেই এই ভাষাত ৰচিত হৈছিল। ইয়াৰে কেইখনমান গ্ৰন্থৰ নামোল্লেখ কৰা হ'ল — ১) বুৰঞ্জী বিষয়ক - হৰ্ষচৰিতম্, ৰাজতৰঙ্গিনী, ২) গণিত বিষয়ক ঃ লীলাৱতী, ৩) ৰাজনীতি বিষয়ক ঃ মনুসংহিতা, ৪) কৃষি বিষয়ক ঃ অথৰ্ববেদ, বৃহৎসংহিতা, ৫) অৰ্থশাস্ত্ৰ বিষয়ক ঃ কৌটিল্যৰ অৰ্থশাস্ত্ৰ, ৬) উদ্ভিদবিদ্যা বিষয়ক ঃ বৃহৎসংহিতা, মনুসংহিতা আদি।

বৰ্তমান সময়ত এই সংস্কৃত ভাষাই সমগ্ৰ বিশ্বতেই এক সুকীয়া মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। এই ভাষাত ৰচিত চাৰিবেদ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত বৰ্ণিত বিভিন্ন তত্বসমূহে সমগ্ৰ পৃথিৱীবাসীকেই এতিয়া আকৰ্ষণ কৰিছে।

এই ভাষাত ৰচিত 'আয়ুৰ্বেদ' গ্ৰন্থৰ চিকিৎসা পদ্ধতি বৰ্তমান সমগ্ৰ পৃথিৱীবাসীয়ে আকোঁৱালি লৈছে। এই ভাষাত ৰচিত 'বাস্তুশাস্ত্ৰ'ও (Architect engineering) বৰ্তমান পৃথিৱীবাসীৰ মুখে মুখে। বৰ্তমান কালত ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা 'বি-আৰ্ক', 'এম আৰ্ক', 'সামুদ্ৰিক বাস্তুশিল্প', 'মন্দিৰ বাস্তুশিল্প' আদি সংস্কৃত বাস্তুশিল্পৰেই অংশ বিশেষ। ভাৰতবৰ্ষৰ 'আৰ্যভট্ট পলিটেকনিক', 'ফেকাল্টি অৱ টেকন'লজি' (ক'চিন), 'ভাৰতীয় প্ৰাদ্যোগিক সংস্থান (খড়গপুৰ আৰু চেন্নাই), 'ৰাজস্থান বিশ্ববিদ্যালয়', 'চৰকাৰী বাস্তুকলা মহাবিদ্যালয় (লক্ষ্ণৌ), জাৰ্মানীত আৰম্ভ হোৱা 'একাডেমিক একচেঞ্জ চাৰ্ভিছ' ডি.এ.এ.ডি. আৰু জাৰ্মান ফেডাৰেল মিনিষ্ট্ৰি অৱ এডুকেশ্বন এণ্ড ৰিৰ্চাচ আৰম্ভ কৰা ইন্টিগ্ৰেটেড এনভাইৰনমেণ্টেল ইঞ্জিনিয়াৰিং ক'ৰ্চো' এই বাস্তুশাস্ত্ৰৰেই নামান্তৰ মাথোন। আনহাতে ভাৰতবৰ্ষৰ পৰা সমগ্ৰ পৃথিৱীবাসীয়ে গ্ৰহণ কৰা আন এক বিদ্যা হ'ল 'যোগবিদ্যা'। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এই যোগশিক্ষাক সকলো লোকে ইতিমধ্যে গ্ৰহণ কৰিছে। আন্তঃৰাষ্ট্ৰীয়ভাৱে এই বিদ্যা প্ৰসাৰ হোৱা বাবে সমগ্ৰ পৃথিৱীতে এতিয়া ২১ (একৈশ) জুনৰ দিনটোক 'যোগ দিৱস' হিচাপে উদ্‌যাপন কৰিবলৈ লৈছে। এই যোগ বিদ্যাৰো মূল গ্ৰন্থ মহামুনি পতঞ্জলি কৃত 'সংস্কৃত যোগ দৰ্শন'।

বিদ্যায়তনিক ভাৱেও বৰ্হিবিশ্বত এই ভাষাই বৰ্তমান এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান ইংলেণ্ড, আমেৰিকা, জাৰ্মানী, জাপান, ইণ্ডোনেচীয়া আদি দেশত এই ভাষা চৰ্চা ক্ৰমে বৰ্ধিত হোৱা দেখা গৈছে। জাৰ্মানীৰ বহুবোৰ বিদ্যালয়ত বৰ্তমান সংস্কৃত ভাষা বাধ্যতামূলকভাৱে পঢ়িব লাগে। ইণ্ডোনেচিয়াৰ বহুসংখ্যক মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সংস্কৃতৰ পাঠ্যক্ৰম আছে। ৰাছিয়াৰো বহুসংখ্যক বিদ্যালয়ত 'শ্ৰীমদ্ভাৱগৱদ্ গীতা' অধ্যয়ন কৰোৱা হয়। চীন দেশৰো কেইবাখনো বিশ্ববিদ্যালয়ত ৰামায়ণ মহাকাব্য পাঠ্যক্ৰমৰ অন্তৰ্গত।

বৰ্তমান কালত এই ভাষা চৰ্চাৰ যথেষ্ট আৱশ্যকতা আছে। যিহেতু এই ভাষা হৈছে ভাৰতবৰ্ষৰ প্ৰায়বোৰ ভাষাৰেই জননী, সেয়ে এই ভাষা জ্ঞানৰ অবিহনে কোনো ভাষাই বিশুদ্ধকৈ ক'ব বা লিখিব পৰাটো সম্ভৱ নহয়। এই ভাষাত ৰচিত ধৰ্মগ্ৰন্থসমূহত অন্তনিৰ্হিত হৈ থকা ত্যাগ, প্ৰেম, আদৰ্শ, নীতিকথা 'সত্যং ৱদ ধৰ্মহ চৰ', বসুধৈৱ কুটুম্বকম্' আদিৰ তত্বকথাসমূহ বুজিবৰ বাবেও এই ভাষা অধ্যয়নৰ আৱশ্যকতা আছে।

ধৰ্মীয় দৃষ্টিৰেও এই ভাষা অধ্যয়নৰ আৱশ্যকতা অপৰিসীম। ভাৰতীয় মানুহ স্বভাৱগতভাৱে ধৰ্মভীৰু। দেশৰ মানুহৰ আধ্যাত্মিক চেতনাক কোনেও নুই কৰিব নোৱাৰে। বিয়া-সবাহকে ধৰি বিভিন্ন মাংগলিক অনুষ্ঠানত ভাৰতীয় মানুহে যাগ-যজ্ঞকে ধৰি অনেক ধৰ্মীয় কাৰ্য সম্পাদন কৰে আৰু এই ধৰ্মীয় কাৰ্যসমূহত ব্যৱহাৰ হোৱা মন্ত্ৰসমূহৰ বিশুদ্ধ উচ্চাৰণৰ বাবে সংস্কৃত ভাষাৰ জ্ঞান অপৰিহাৰ্য। আনহাতে ভাৰতীয়সকল জ্যোতিষশাস্ত্ৰৰ ওপৰতো নিৰ্ভৰশীল। ভাৰতীয় মানুহে চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ, পূৰ্ণিমা, অমাৱস্যা বা অন্যান্য গ্ৰহ-নক্ষত্ৰৰ গণনাৰ বাবে জ্যোতিষীৰ আশ্ৰয় লয়। এনে ক্ষেত্ৰত সংস্কৃত ভাষাৰ উপযুক্ত জ্ঞানৰ অভাৱত বহু সময়ত বহু জ্যোতিষীৰ গণনাত ত্ৰুটি হোৱা দেখা যায়। বহু সময়ত বহু ভণ্ড জ্যোতিষীয়ে মানুহক

ঠগ-প্ৰৱঞ্চনা কৰাও দেখা যায়। সেয়েহে জ্যোতিৰ্বিদ্যাৰ সম্যক জ্ঞানৰ বাবেও সংস্কৃত ভাষাৰ জ্ঞানৰ আৱশ্যকতা অপৰিহাৰ্য।

তদুপৰি এই ভাষাত ৰচিত অন্যান্য অনেক গ্ৰন্থত জগতৰ সৃষ্টি-স্থিতি-লয় আদিৰ অনেক তথ্য অন্তনিৰ্হিত হৈ আছে। এই গ্ৰন্থসমূহত থকা তত্ববোৰ উচিত ধৰণেৰে গৱেষণা নোহোৱাৰ বাবে এতিয়াও বহু লোকে বিৰূপ মন্তব্য কৰা দেখা যায়। আনহাতে, তুলনামূলকভাৱে পাছৰ কালত ভাৰতবৰ্ষত আবিৰ্ভাৱ হোৱা ধৰ্মগুৰু বুদ্ধদেৱ, মহাবীৰ, গুৰু নানক, চৈতন্যদেৱ, শঙ্কৰদেৱ-মাধৱদেৱ আদি ধৰ্মপ্ৰচাৰকসকলৰ দ্বাৰা ৰচিত ধৰ্মগ্ৰন্থসমূহৰ বাণীসমূহো সংস্কৃত গ্ৰন্থসমূহৰ পৰা আহৰণ কৰা। এই ধৰ্মগুৰুসকলৰ বাণীসমূহো সম্যকভাৱে জানিবৰ বাবে সংস্কৃত ভাষা জনাটো অত্যন্ত আৱশ্যক বুলি ভাবিব পাৰি।

নৈতিক জীৱন যাপন কৰিবৰ বাবেও এই ভাষা অধ্যয়ন কৰা আৱশ্যক। এই ভাষাত ৰচিত নীতিকথা সমূহে, ধৰ্মশাস্ত্ৰসমূহত থকা ত্যাগ, ধৈৰ্য, প্ৰেম, আদৰ্শ তথা বীৰত্বব্যঞ্জক আখ্যানসমূহে মানুহৰ আধ্যাত্মিক চেতনাক জগাই তুলিব বুলি আশা কৰিব পাৰি। এই ভাষাক ধৰ্মীয় গোড়ামিৰে চোৱাটো কেতিয়াও উচিত নহয়। এটা সমৃদ্ধিশালী ভাষা হোৱা হেতুকে এই ভাষাত পৃথিৱীৰ অন্যান্য ভাষাত ৰচিত হোৱা ধৰ্মগ্ৰন্থসমূহৰ দৰে অনেক ধৰ্মগ্ৰন্থ ৰচিত হৈছে। এই ধৰ্মগ্ৰন্থসমূহত আছে সত্য, ধৰ্ম, সদাচাৰ, শান্তি-মৈত্ৰী তথা ধৰ্মৰ জয়, অধৰ্মৰ পৰাজয়ৰ দৰে মহান বাণী।

এই বিশাল পৃথিৱীত বিভিন্ন ঠাইত যিদৰে অনেক প্ৰকাৰৰ ঔষধি তথা গছ-লতা, জীৱ-জন্তু আদি সিঁচৰিত হৈ আছে, ঠিক তেনেদৰে পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন ভাষাও সিঁচৰিত হৈ আছে। এই জীৱ-জন্তু, গছ-লতা এবিধো পৃথিৱীৰ পৰা বিলুপ্ত হোৱাটো যেনেদৰে পৃথিৱীৰ বাবে অসীম ক্ষতিকাৰক, ঠিক তেনেদৰে কোনো এটা ভাষাও নোহোৱা হৈ যোৱাটো সমগ্ৰ মানৱ জাতিৰ বাবে ক্ষতিকাৰক।

বৰ্তমান সংস্কৃত ভাষাৰ দৰে অত্যন্ত সমৃদ্ধিশালী ভাষাটোও অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। প্ৰাচীন ভাৰতবৰ্ষৰ গৌৰৱৰ ধ্বজাবাহক এই ভাষাটোৰ পৰিসৰ বৃদ্ধি আৰু জনমুখী তথা উজ্জীৱিত কৰাৰ উদ্দেশ্য আগত ৰাখি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ত (NEP, 2020) বহুকেইটা পদক্ষেপ লোৱা দেখা গৈছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত ত্ৰি-ভাষা সূত্ৰ প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াত ভাৰতীয় ভাষা আৰু আঞ্চলিক ভাষাৰ অধ্যয়নৰ দিশটোত পৰ্যাপ্ত গুৰুত্ব প্ৰদান কৰা হৈছে। আৰু এই ক্ষেত্ৰত সংস্কৃত ভাষাক মূল আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। এই ত্ৰি-ভাষা সূত্ৰৰ দ্বাৰা সংস্কৃত এটি বিকল্প ভাষা হিচাপে পৰিগণিত কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হৈছে। NEP, 2020ত এই ভাষাৰ প্ৰাচীন গ্ৰন্থসমূহৰ অনুবাদ কৰিবৰ বাবে উন্নত প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। স্কুলীয়া শিক্ষা, উচ্চ শিক্ষা আদি শিক্ষাৰ সকলো স্তৰত সংস্কৃত এক গুৰুত্বপূৰ্ণ বিষয় হিচাপেও অন্তৰ্ভুক্ত কৰা হৈছে। সংস্কৃত বিশ্ববিদ্যালয়সমূহ তেওঁলোকৰ শিক্ষা ব্যৱস্থাৰ অন্যান্য প্ৰধান বিষয়সমূহৰ সৈতে শিক্ষাৰ বৃহৎ বহু বিষয়ক প্ৰতিষ্ঠানত পৰিণত কৰা হ'ব বুলিও ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত সংস্কৃত ভাষাটো এটা গুৰুত্বপূৰ্ণ ভাষা হিচাপে অন্তৰ্ভুক্ত হৈছে। গ্ৰীক আৰু লেটিন ভাষাৰ সাহিত্যিক

একেলগ কৰিলে পোৱা সমলতকৈ সংস্কৃত সাহিত্যৰ ভঁৰাল অধিক চহকী। ইয়াৰ ভিতৰত বিভিন্ন সময়ত বিভিন্ন ধৰ্মমতৰ লগতে ধৰ্ম নিৰপেক্ষ তথা সমাজৰ বিভিন্ন স্তৰ আৰু বিভিন্ন ক্ষেত্ৰৰ পণ্ডিতে ৰচনা কৰা গণিতশাস্ত্ৰ, দৰ্শন, ব্যাকৰণ, সংগীত, ৰাজনীতি, ঔষধ, স্থাপত্য, ধাতুবিদ্যা, নাটক, কবিতা, কহিনী-কথন আৰু বহুতো সংস্কৃত সাহিত্যৰ সমল বিদ্যমান। (ইয়াক সংস্কৃত জ্ঞান পদ্ধতি/ Sanskrit knowledge system) বুলি জনা যায়)। সেইবাবে ত্ৰিভাষা সূত্ৰ সম্পৰ্কে প্ৰাপ্ত মতামত আৰু ছাত্ৰ-ছাত্ৰীৰ মতৰ আধাৰত বিদ্যালয় আৰু উচ্চ শিক্ষাৰ সকলো স্তৰতে সংস্কৃত ভাষা শিক্ষাৰ পঠন-পাঠনৰ ব্যৱস্থা কৰা হৈছে। এই ভাষাটো আকৰ্ষণীয় আৰু ব্যৱহাৰিক তথা সমসাময়িক কালৰ সৈতে মিলাকৈ সংস্কৃত জ্ঞান পদ্ধতিৰ মাধ্যমেৰে শিক্ষাদান কৰা হ'ব আৰু বিশেষকৈ ধ্বনিতাত্বিক আৰু উচ্চাৰণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দ্বাৰা সিদ্ধান্ত লোৱা হৈছে। প্ৰাৰম্ভিক আৰু মাধ্যমিক স্তৰত সংস্কৃত পাঠ্যপুথিসমূহ সৰল আৰু মানসম্পন্ন ৰূপত প্ৰস্তুত কৰি সংস্কৃত ভাষাৰ জৰিয়তেই ভাষাটোৰ শিক্ষা প্ৰদান কৰা হ'ব বুলিও শিক্ষানীতিৰ দ্বাৰা সিদ্ধান্ত লোৱা হৈছে।

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ৰ দ্বাৰা 'ভাৰতীয় জ্ঞান পৰম্পৰা' (Indian Knowledge System)ৰ শীৰ্ষকেৰে সংস্কৃত ভাষা বিষয়ৰেই অধ্যয়ন কৰোৱাৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাক Value Added Course (মূল্যবোধ আধাৰিত শিক্ষা) নামকৰণেৰে নামকৰণ কৰি প্ৰাচীন ভাৰতীয় বেদ, উপনিষদ, ৰামায়ণ-মহাভাৰত আদিৰ শিক্ষা প্ৰদান ইতিমধ্যে আৰম্ভ কৰা হৈছে। প্ৰাচীন ভাৰতীয় জ্ঞান ভাণ্ডাৰ আৰু আধুনিক ভাৰতলৈ ইয়াৰ অৱদান আৰু সফলতা প্ৰত্যাহ্বান আৰু ভাৰতবৰ্ষৰ ভৱিষ্যত আশা-আকাংক্ষাৰ স্পষ্ট ধাৰণাৰ লগতে শিক্ষা-স্বাস্থ্য, পৰিৱেশ আদিৰ শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। উপযুক্ততাৰ ভিত্তিত বিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজেৰে এই উপাদানবোৰ সঠিক ৰূপত সংযোগ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০য়ে জনগোষ্ঠীয় জ্ঞান, খিলঞ্জীয়া আৰু পৰম্পৰাগত শিক্ষা প্ৰণালীকো সামৰি লৈছে যিবোৰৰ অধিকাংশ সংস্কৃতমূলীয়। এই জ্ঞান প্ৰণালীত প্ৰাচীন ভাৰতীয় গণিতবিদ্যা, জ্যোতিষবিদ্যা, দৰ্শন, যোগ, স্থাপত্যকলা, ঔষধ সম্পৰ্কীয় বিদ্যা, কৃষি, অভিযান্ত্ৰিক বিদ্যা, ভাষাবিজ্ঞান, সাহিত্য, খেল-ধেমালিৰ লগতে প্ৰশাসন ৰাজনীতি সংৰক্ষণ আদি দিশবোৰ অন্তৰ্ভুক্ত হৈছে।

ৰাষ্ট্ৰীয় শিক্ষানীতিত ২০২০ত সংস্কৃত ভাষাক গুৰুত্ব দিয়াত এই ভাষাটোৰ উত্তৰণ হোৱাটো প্ৰায় নিশ্চিত বুলি ক'ব পাৰি। ইয়ে এই ভাষাটো অধ্যয়ন কৰি থকা বা ভৱিষ্যতে এই ভাষাটো অধ্যয়ন কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়োগৰ সুবিধা বৃদ্ধি কৰিব বুলি আশা কৰিব পাৰি।

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ত সংস্কৃত ভাষাক গুৰুত্ব দিয়াৰ ফলত আমাৰ দেশত চলি থকা ভাষাকেন্দ্ৰিক বিবাদসমূহ ভৱিষ্যতে নোহোৱা হ'ব বুলি আশা কৰিব পাৰি। বিভিন্ন সময়ত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষাক লৈ বিবাদ হোৱা দেখা যায়। দক্ষিণ ভাৰতীয় তামিল, তেলেগু, মালায়ালম, ভাষীয়ে হিন্দীক ৰাষ্ট্ৰীয় ভাষা হিচাবে মানি ল'বলৈ অস্বীকাৰ কৰে। বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ আদিয়ে চহকী কৰা বাংলা ভাষীসকলেও বাংলা ভাষাক ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা দাবী কৰে। বিভিন্ন সময়ত

উদ্ভৱ হোৱা ভাষাকেন্দ্রিক এই বিবাদসমূহ সংস্কৃত ভাষাৰ পুনঃ উত্থানৰ দ্বাৰাই সম্ভৱ বুলি আশা কৰিব পাৰি। ভাৰতবৰ্ষৰ প্ৰায়বোৰ ভাষাৰেই মূল যিহেতু সংস্কৃত, সেয়েহে এই ভাষাক জনমুখী কৰি ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা দিলে ভাষাকেন্দ্রিক বিবাদসমূহ দূৰ হ'ব আৰু দেশৰ জনসাধাৰণৰ মাজত একতাৰ ভাৱ সুদৃঢ় হ'ব।

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ত সংস্কৃত ভাষাক বিশেষভাৱে গুৰুত্ব দিয়াত আমি অতি আনন্দিত হৈছো। আমি আশা কৰিম, এই শিক্ষানীতিৰ দ্বাৰা সংস্কৃত ভাষা বিশ্ববন্দিত ভাষা হ'ব। এই ভাষাত নিহিত থকা জ্ঞানৰ ভঁৰালে সকলোকে চহকী কৰিব আৰু এই ভাষাৰ দ্বাৰাই ভাৰতবৰ্ষ বিশ্বগুৰুৰ আসনত অধিষ্ঠিত হ'ব।

ওঁ স্বস্তি প্ৰজাভ্যঃ পৰিপালয়ন্তাং
ন্যায়েন মাৰ্গেণ মহীম্ মহীশঃ।
গোব্ৰাহ্মণেভ্যঃ শুভমস্তু নিত্যং
লোকা সমস্তা সুখিনো ভৱন্তু।

"May the rulers of the earth
Protect the well being of the people,
With justice, by means of the right path.
May there always be good forture
For cows, Brahmins and all living beings,
May the inhabitants of all the
Worlds be full of happiness.
Om peace, peace, peace."

সহায়ক গ্ৰন্থপঞ্জী ঃ

১। National Education Policy, 2020, Ministry of Education, Government of India

২। সংস্কৃত সাহিত্যৰ জিলিঙণি, গুৱাহাটী, ১৯৮৮ বসু, যোগীৰাজ, বেদ পৰিচয়, প্ৰকাশন পৰিষদ, গুৱাহাটী-১৯৭২

৩। ঠাকুৰ, ৰবীন্দ্ৰনাথ, প্ৰাচীন সাহিত্য, বিশ্বভাৰতী, কলিকতা ১৯৭০

৪। Agrawat. H.R.A. Short History of Sanskrit Literature, Delhi-Bhatt, G.K. Sanskrit Drama, Delhi, 1985

৫। Machdonell, A.A. History of Sanskrit Literature, Delhi, 1960.

❖❖❖

---

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক*

# Celebrating Gandhi: His Life, Legacy and Enduring Impact

**Umakanta Hazarika**

Mahatma Gandhi, a pivotal figure in the history of the 20th century, continues to hold significant relevance in the contemporary world for a variety of reasons. His philosophy and methods, particularly those of non-violence (ahimsa) and civil disobedience, have left a lasting impact on global movements and contemporary thought. Here are several key areas where Gandhi's legacy remains pertinent.

Mahatma Gandhi's philosophy was indeed influenced by a variety of thinkers, traditions, and ideologies. While he is often credited with pioneering concepts like non-violent resistance, his ideas were shaped by a rich tapestry of intellectual and spiritual influences. Here are some key influences that shaped Gandhi's philosophy, which he then adapted and applied in the Indian freedom movement and social reforms:

**1. Hindu Philosophy**

- Bhagavad Gita: Gandhi drew extensively from the Bhagavad Gita, which emphasizes duty, selflessness, and the renunciation of personal desires. He interpreted the Gita's teachings as advocating for non-violence and selfless action.
- Jainism: The principle of ahimsa (non-violence) in Jainism profoundly influenced Gandhi. Jain philosophy emphasizes non-violence not only in action but also in thought and speech.
- Buddhism: Buddhism significantly influenced Gandhi's philosophy, reinforcing his principles of non-violence, compassion, moderation, mindfulness, interconnectedness, and ethical living in both his personal and public life.

**2. Western Thinkers**

- Leo Tolstoy: Tolstoy's writings on non-violence and his book "The Kingdom of God Is Within You" greatly influenced Gandhi. Their correspondence deepened Gandhi's understanding of Christian pacifism and ethical living.

- Henry David Thoreau: Thoreau's essay "Civil Disobedience" provided Gandhi with a framework for resisting unjust laws through non-violent means. Thoreau's emphasis on individual conscience and passive resistance was crucial in shaping Gandhi's strategies.
- John Ruskin: Ruskin's book "Unto This Last," which critiques industrial capitalism and advocates for social justice and economic equality, inspired Gandhi to focus on simple living and the dignity of labor.

**3. Indian Reformers**

- Swami Vivekananda: Vivekananda's emphasis on spiritual upliftment and social service influenced Gandhi's ideas on selfless service and the role of spirituality in public life.
- Dadabhai Naoroji and Gopal Krishna Gokhale: These early Indian nationalists influenced Gandhi's political strategies and commitment to social reform. Gokhale, in particular, mentored Gandhi and guided his initial steps in Indian politics.

**4. Religious Influences**

- Christianity: The teachings of Jesus Christ, particularly the Sermon on the Mount, which advocates love, forgiveness, and turning the other cheek, deeply influenced Gandhi's approach to non-violence and passive resistance.
- Islam: Gandhi respected the Islamic principles of equality and brotherhood. He sought to incorporate these values into his vision for a pluralistic Indian society.

**5. Traditional Indian Practices**

- Vaisnavism: Gandhi was influenced by the Vaisnava tradition of Hinduism, which emphasizes devotion and compassion. This tradition shaped his ethical and spiritual outlook.
- Bhakti Movement: The Bhakti movement's focus on love and devotion transcending caste and religious boundaries resonated with Gandhi's inclusive approach to social reform.

**Application in Freedom Movement and Social Reforms**

- Non-Violent Resistance (Satyagraha): Combining influences from Thoreau, Tolstoy, and Indian religious traditions, Gandhi developed Satyagraha, a method of non-violent resistance that became the cornerstone of his fight against British colonial rule.
- Constructive Programs: Inspired by Ruskin and traditional Indian practices, Gandhi promoted self-reliance through spinning khadi, rural development, and local industry.
- Social Reforms: Drawing from Hindu, Jain, and Christian principles, Gandhi campaigned against untouchability, promoted Hindu-Muslim unity, and advocated for the upliftment of women and marginalized communities.

Thus, Gandhi's philosophy was not developed in isolation but was a synthesis of various intellectual, spiritual, and cultural influences. He skillfully adapted and applied these ideas to the context of India's struggle for independence and his efforts towards social reformation, have an impactful way that continues to instill movements for independence.

**Non-Violence and Peaceful Resistance**

Gandhi's principle of non-violence has inspired numerous civil rights and liberation movements around the world. Leaders like Martin Luther King Jr., Nelson Mandela, and the Dalai Lama have drawn from Gandhi's strategies to advocate for social justice and political freedom without resorting to violence. In today's context, non-violent resistance continues to be a powerful tool in various global protests and movements, from climate activism to pro-democracy demonstrations.

Gandhi's unwavering commitment to non-violence (ahimsa) set him apart from many other leaders and revolutionaries who often relied on armed resistance or violent means. This philosophy not only differentiated his approach but also garnered widespread support and sympathy both within India and globally. His belief in the power of peaceful protest created a moral high ground that was difficult for colonial powers to counter.

**Satyagraha: Truth Force**

Gandhi developed and popularized the concept of Satyagraha, which translates to "truth force" or "soul force." This method of non-violent resistance was based on the idea that oppressors can be converted to justice and fairness through the power of truth and moral persuasion. This strategy emphasized the need for the struggle to be ethical and just, influencing not only the tactics used but also the underlying principles of the movement.

**Personal Example**

Gandhi led by personal example, adhering strictly to the principles he espoused. He lived a life of simplicity, austerity, and self-discipline, which earned him immense respect and credibility. His personal sacrifices and lifestyle choices, such as wearing simple clothes and living in a small community, resonated with ordinary people and made him relatable and inspirational.

**Social Justice and Equity**

Gandhi's efforts to eradicate social injustices, such as the caste system and untouchability, remain relevant in the ongoing fight against discrimination and inequality. His advocacy for the upliftment of marginalized communities serves as a model for contemporary social justice movements that aim to address systemic

racism, gender inequality, and other forms of social inequity.

**Environmental Sustainability**

Gandhi's emphasis on simple living and self-sufficiency aligns closely with modern environmental movements that advocate for sustainable living practices. His ideas about reducing consumption, living in harmony with nature, and promoting local economies resonate strongly in the context of today's climate crisis and the global push towards sustainability.

**Ethical Leadership and Governance**

Gandhi's principles of ethical leadership and governance, characterized by transparency, accountability, and service to the people, are increasingly relevant in an era where political corruption and authoritarianism pose significant threats to democratic institutions worldwide. His vision of leadership as a form of service rather than power offers a valuable framework for contemporary political leaders.

Gandhi's struggle was deeply rooted in moral and ethical values. He believed that the means used to achieve independence were as important as the end goal. This focus on ethics influenced the character of the independence movement, making it not just a political struggle but a moral crusade. His insistence on truth and non-violence infused the movement with a unique moral dimension.

**Global Peace and Diplomacy**

In a world frequently troubled by conflict and war, Gandhi's vision of global peace and his efforts to foster understanding between different cultures and religions offer a timeless blueprint for diplomatic relations and international cooperation. His belief in the fundamental unity of humanity can guide efforts to address global issues through collaborative and peaceful means.

Unlike many national leaders, Gandhi's ideas and methods transcended borders and inspired global movements. His philosophy influenced civil rights movements around the world. This global impact underscores the universal appeal and adaptability of his principles.

**Strategic Acumen**

Gandhi was a master strategist who understood the power of symbolism and public perception. His campaigns, such as the Salt March and the Quit India Movement, were meticulously planned to maximize their impact and draw international attention to the injustices of colonial rule. His ability to mobilize masses and sustain long-term movements without resorting to violence demonstrated his strategic brilliance.

**Emphasis on Constructive Programs**

Beyond protest and resistance, Gandhi emphasized constructive programs aimed at social and economic self-reliance. He encouraged the revival

of traditional industries like spinning and weaving (khadi) and promoted rural development and education. This holistic approach sought to empower people and build a foundation for a free and self-sufficient nation.

In summary, Gandhi's rare and different role in the struggle for independence and social justice was characterized by his non-violent philosophy, personal example, inclusive leadership, moral and ethical foundation, global influence, strategic acumen, and emphasis on constructive programs. These elements combined to create a unique legacy that continues to inspire movements and leaders around the world.

**Inclusive Leadership**

Gandhi's approach was inclusive, appealing to a broad spectrum of Indian society. He worked tirelessly to unite people across religious, caste, and regional lines. His focus on social issues like untouchability and his efforts to bridge communal divides set him apart from many other leaders who often focused narrowly on political goals.

**Personal Development and Moral Integrity**

Gandhi's commitment to personal growth, self-discipline, and moral integrity continues to inspire individuals around the world. His life and teachings encourage people to pursue truth, practice empathy, and strive for self-improvement, making his philosophy relevant not just at a societal level but at an individual level as well.

**Critical Evaluation**

While Mahatma Gandhi's philosophy and leadership had a profound impact, his approach and strategies also had certain limitations:

**Economic Vision**

Gandhi's vision for India's economy was rooted in the idea of self-sufficiency and village-centric development. While noble in intention, this vision was criticized for being impractical in the face of industrialization and modernization. Critics argue that his economic policies, which emphasized small-scale industries and traditional crafts, were not viable for large-scale economic development needed to uplift millions out of poverty.

**Social Conservatism**

Gandhi's views on certain social issues were conservative. His attitudes towards women's roles in society were traditional, advocating for their involvement primarily in domestic and community affairs rather than in political leadership. This conservatism limited the scope of gender equality in his time.

**Inconsistent Approach to Caste**

While Gandhi made significant efforts to eradicate untouchability and

integrate Dalits (whom he called Harijans or "children of God") into mainstream society, he did not advocate for the complete abolition of the caste system. His approach was more about reforming and softening caste boundaries rather than eliminating the system altogether. This led to criticism from more radical anti-caste leaders like Dr. B.R. Ambedkar, who sought complete eradication of caste distinctions.

**Political Strategy**

Gandhi's strategy of non-violent resistance was sometimes seen as too passive or slow to effect change. During critical moments, such as the partition of India, his strategies were perceived as insufficient to manage the violence and political complexities. Additionally, his approach often required a high level of moral discipline and commitment, which was challenging many followers to maintain consistently.

**Limited Appeal to Muslims**

Despite his efforts to bridge Hindu-Muslim divides, Gandhi's appeal was limited among Muslims, particularly during the latter part of his life. The rise of the Muslim League and the eventual demand for a separate Muslim state (Pakistan) indicated that Gandhi's vision of a united, pluralistic India was not universally accepted among all communities.

Mahatma Gandhi's efforts to prevent the partition of India and the accompanying bloodshed were ultimately unsuccessful, marking one of the most tragic chapters in his legacy. Here are some key points highlighting this aspect of his failure:

**Failure to Prevent Partition**

- Religious Tensions : Despite Gandhi's lifelong commitment to Hindu-Muslim unity, escalating religious tensions and political differences led to the demand for a separate Muslim state, spearheaded by the Muslim League under Muhammad Ali Jinnah.
- Political Compromises: Gandhi's opposition to partition was overshadowed by political realities. The Indian National Congress, under leaders like Jawaharlal Nehru and Sardar Vallabhbhai Patel, ultimately agreed to the partition plan proposed by the British, seeing it as a pragmatic solution to avoid civil war.

**Bloodshed and Violence**

- Communal Riots: The partition led to widespread communal riots, with Hindus, Muslims, and Sikhs engaging in brutal violence against each other. Gandhi's calls for peace and non-violence were largely ignored during this period of intense communal strife.
- Mass Migrations: The partition caused one of the largest mass migrations in history, with an estimated 10-15 million people displaced and around one to two million people killed in the ensuing violence.

**Gandhi's Efforts**

- Fast Unto Death: Gandhi undertook multiple fasts to quell communal violence and promote peace. His fast in Delhi in 1948 succeeded in temporarily reducing the violence, but it could not prevent the overall bloodshed and tragedy of partition.
- Personal Appeals: Gandhi traveled extensively, making personal appeals to communities to live in harmony. Despite his efforts, he could not stem the tide of hatred and violence that had been building up.

**Criticism and Legacy**

- Criticism: Gandhi faced criticism for his perceived naivety and idealism. Some believed that his commitment to non-violence and unity was unrealistic in the face of deep-seated religious and political divisions.
- Legacy: The failure to prevent partition and the associated bloodshed is seen by many as a significant blot on Gandhi's legacy. However, his efforts to foster peace and his moral stance continue to be remembered as noble, if ultimately unsuccessful, attempts to mitigate the tragedy.

**Personal Failings**

Gandhi's personal experiments with celibacy and his sometimes controversial interpersonal relationships attracted criticism. His methods of testing his commitment to celibacy, including sleeping next to young women to test his self-control, were controversial and raised ethical concerns.

**Global Relevance**

While Gandhi's principles of non-violence and civil disobedience had a global impact, they were not always directly applicable in different political and cultural contexts. For instance, in regions where regimes were extremely repressive and violent, non-violent resistance did not always yield effective results, leading to debates about the practicality of his methods in every situation.

**Over-Reliance on Moral Authority**

Gandhi's reliance on his moral authority sometimes overshadowed pragmatic political considerations. His insistence on non-violence and moral high ground occasionally alienated more radical elements within the independence movement who felt that more aggressive tactics were necessary.

In summary, while Gandhi's contributions to the independence movement and his philosophical legacy are significant, his approaches had limitations in terms of economic vision, social conservatism, inconsistent caste reform, political strategy, limited appeal among Muslims, personal controversies, global applicability, and an over-reliance on moral authority. These limitations provide a more nuanced understanding of his impact and the complexities of his legacy.

**Reference**


- Gandhi, Mahatma. Gandhi: An Autobiography - The Story of My Experiments with Truth. Beacon Press, 1993.
- Guha, Ramachandra. Gandhi Before India. Penguin Books, 2015.
- Guha, Ramachandra. Gandhi: The Years That Changed the World, 1914-1948. Knopf, 2018. Khan, Yasmin. The Great Partition: The Making of India and Pakistan. Yale University Press, 2008.
- von Tunzelmann, Alex. Indian Summer: The Secret History of the End of an Empire. Henry Holt and Co., 2007.
- Herman, Arthur. Gandhi and Churchill: The Epic Rivalry that Destroyed an Empire and Forged Our Age. Bantam Books, 2008.
- Erikson, Erik H. Gandhi's Truth: On the Origins of Militant Nonviolence. W.W. Norton & Company, 1993.
- Nanda, B. R. Gandhi and His Critics. Oxford University Press, 1985.
- Fischer, Louis. The Life of Mahatma Gandhi. Harper Perennial, 1983.
- Gandhi, Rajmohan. Why Gandhi Still Matters: An Appraisal of the Mahatma's Legacy. Aleph Book Company, 2017.
- Jack, Homer A. The Gandhi Reader: A Sourcebook of His Life and Writings. Grove Press, 1994.


❖❖❖


*Writer is an Associate Professor, Deptt. of Political Science, SPP College, Namti*

# From Chalkboards to Chromebooks : The Changing Landscape of Education

**Robina Chetri**

**INTRODUCTION**

Education has undergone a significant transformation over the past century, marked by the transition from traditional teaching tools like chalkboards to modern technological devices such as Chromebooks. This evolution mirrors broader societal changes and advancements in technology, profoundly shaping the way educators teach and students learn. Initially, classrooms were equipped with simple, yet effective tools like chalkboards, textbooks, and physical libraries. These traditional tools provided a solid foundation for education, facilitating the delivery of structured and consistent information across various subjects. However, the digital age has ushered in a plethora of new tools and resources, revolutionizing educational practices and enhancing the learning experience. The integration of technology in education has been supported by significant numerical and monetary investments. For instance, the initial penetration of computers into U.S. schools was gradual but impactful. In the early 1980s, only about 40% of elementary and secondary schools had computers in the classroom. This number surged to 98% by 2005, illustrating the rapid adoption of digital technology in education. The introduction of the internet further accelerated this trend. By 1996, only 14% of U.S. classrooms had internet access. However, by 2016, approximately 94% of schools had high-speed internet connections, enabling the widespread use of online resources and digital learning platforms. The rise of specific digital tools has also been noteworthy. Chromebooks, introduced by Google in 2011, quickly became popular in educational settings due to their affordability, ease of use, and integration with Google's suite of educational tools. As of 2020, Chromebooks accounted for nearly 60% of all devices shipped to K-12 schools in the U.S., highlighting their central role in modern education. The global

market for educational technology was valued at $89.49 billion in 2020 and is projected to grow to $285.2 billion by 2027, indicating significant investment and innovation in this sector. In terms of teaching methods, the use of interactive learning technologies has demonstrated substantial benefits. According to a 2018 report by the Bill & Melinda Gates Foundation, classrooms utilizing interactive learning technologies saw a 30% increase in student performance. Additionally, the global market for Learning Management Systems (LMS), which facilitate the organization, delivery, and assessment of educational content, was valued at approximately $13.4 billion in 2020 and is projected to reach $44.49 billion by 2027.

## HISTORICAL CONTEXT OF EDUCATION

For centuries, education relied heavily on traditional tools such as chalkboards, textbooks, and physical libraries, which formed the cornerstone of the educational experience. Chalkboards, introduced in the early 1800s, revolutionized teaching by enabling visual presentations in classrooms. They allowed teachers to illustrate concepts, provide examples, and engage students interactively through written explanations and diagrams. This simple yet effective device became indispensable in educational settings, promoting active learning and understanding among students. Textbooks, another fundamental tool, standardized knowledge delivery across various subjects. They ensured that students had access to consistent and structured content, essential for maintaining educational standards and facilitating learning continuity. Textbooks served not only as primary sources of information during classes but also as essential resources for homework, exam preparation, and self-study. Over the decades, schools invested significantly in updating and providing textbooks to meet the evolving educational needs and curriculum requirements. For instance, in the 1980s, the average annual expenditure on textbooks per student in the U.S. was approximately $45, which increased to about $75 by the 2010s, reflecting the ongoing investment in educational resources. Physical libraries complemented textbooks by offering extensive collections of books, journals, and reference materials. These resources supported deeper research, extended learning, and encouraged independent study among students. Libraries became hubs of knowledge exploration, fostering a culture of reading and inquiry that went beyond classroom instruction. In 1950, the average school library budget in the U.S. was around $600 per year, equivalent to approximately $6,500 in

today's dollars adjusted for inflation, illustrating the significant investment in maintaining these educational resources. Traditional pedagogical approaches during this period were predominantly teacher-centered. The teacher assumed a central role as the primary source of knowledge and authority in the classroom. This model emphasized rote memorization, repetition, and standardized testing as measures of student achievement. Students were expected to absorb information through lectures and demonstrations, with limited opportunities for interactive or experiential learning. Rote memorization was a common practice, requiring students to memorize facts and information for recitation and examination purposes. While effective for short-term retention, this approach often did not promote deep understanding or critical thinking skills among students. Standardized testing, prevalent throughout much of the 20th century, assessed students' ability to recall and reproduce information under timed conditions, reinforcing the emphasis on memorization over comprehension. The hierarchical structure of traditional education positioned teachers as gatekeepers of knowledge, responsible for directing all learning activities within the classroom. Students were expected to listen attentively, take notes, and complete assignments as instructed. This passive role minimized opportunities for student autonomy, creativity, and collaborative learning experiences. Significant financial investments were made in maintaining these traditional educational tools. By the mid-20th century, chalkboards were standard features in classrooms across the United States, costing approximately $25 each in the 1950s, equivalent to around $250 in today's dollars adjusted for inflation. Textbooks represented another substantial expenditure for school districts, with annual spending per student increasing from $45 in the 1980s to approximately $75 by the 2010s, reflecting the ongoing need for updated educational resources. In the latter part of the 20th century, technological advancements began to reshape the educational landscape. Tools such as overhead projectors and slide projectors introduced more dynamic ways of presenting information, enhancing visual learning experiences in classrooms. The advent of personal computers in the 1980s marked a significant shift towards integrating technology into education. Initially used for basic skills like typing and mathematics, computers gradually expanded to support advanced applications and digital learning resources. Government initiatives, such as the federal E-rate program established in 1996, provided funding to schools and libraries for affordable telecommunications and internet access.

This support facilitated the broader adoption of educational technology, enabling schools to enhance teaching methods and expand learning opportunities through digital resources. By 2005, the E-rate program had allocated over $19 billion to support technological advancements in education. Private sector contributions, exemplified by initiatives like Apple's Classrooms of Tomorrow project in the 1980s, further promoted the use of computers and technology in education. These efforts underscored the growing recognition of technology's potential to transform teaching and learning, paving the way for more innovative educational practices in the 21st century.

**THE RISE OF TECHNOLOGY IN EDUCATION**

The integration of technology into education has undergone a significant evolution, starting from relatively simple tools and progressing to sophisticated digital solutions. This journey marks a pivotal transformation in educational practices. Overhead projectors and slide projectors were among the earliest technological tools introduced in classrooms, revolutionizing how information was presented. These tools enabled teachers to deliver dynamic and visually engaging lessons, using visual aids and handwritten notes to enhance student understanding and retention. By the late 1980s, the adoption of overhead projectors had surpassed 50% in U.S. classrooms, showcasing their widespread utility. The introduction of personal computers in the 1980s represented a landmark moment in educational technology. IBM's launch of the IBM PC in 1981 marked the beginning of computer integration in schools, with approximately 40% of elementary and secondary schools in the United States having at least one computer by 1984. This percentage surged to 75% by 1990, illustrating the rapid expansion of computer technology in education and its growing importance in classrooms nationwide. Initially utilized for basic skills such as typing and mathematical computations, early computers laid the foundation for more advanced educational applications in subsequent years. The internet's emergence in the early 1990s revolutionized educational access and information dissemination. Initially, only 14% of U.S. classrooms had internet access in 1996, but this figure grew exponentially over the following decades. By 2016, 94% of U.S. public schools had high-speed internet connections, facilitated in part by the federal E-rate program. Established under the Telecommunications Act of 1996, this program played a crucial role in subsidizing internet access for educational institutions, allocating over $50 billion between 1998 and 2020 to

support technological infrastructure in schools and libraries. The proliferation of digital tools has profoundly impacted educational practices and administration. Chromebooks, introduced by Google in 2011, quickly gained popularity in educational settings due to their affordability, ease of use, and integration with Google's suite of educational tools. By 2020, Chromebooks accounted for nearly 60% of all devices shipped to K-12 schools in the U.S., underscoring their pivotal role in modern education. Learning Management Systems (LMS) such as Moodle, Canvas, and Google Classroom have become indispensable for organizing, delivering, and assessing educational content. The global LMS market was valued at approximately $13.4 billion in 2020 and is projected to exceed $44 billion by 2027, highlighting the growing reliance on digital platforms for educational management and delivery. Interactive whiteboards represent another significant advancement in educational technology. Combining the functionality of traditional whiteboards with digital capabilities, interactive whiteboards enable teachers to deliver interactive lessons incorporating multimedia elements such as videos, animations, and simulations. By 2010, around 30% of U.S. classrooms were equipped with interactive whiteboards, a number that continues to rise as schools embrace digital learning tools to enhance student engagement and understanding. Significant investments in educational technology have been made by both public entities and private companies. Governments worldwide have recognized the transformative potential of technology in education and have invested heavily to support its integration. For instance, the U.S. Department of Education's Enhancing Education Through Technology (EETT) program, initiated in 2002, allocated over $3 billion in grants to enhance technology integration in schools, funding the acquisition of digital devices, infrastructure upgrades, and teacher training. Private sector giants like Apple, Microsoft, and Google have played instrumental roles in driving technological innovation in education through initiatives like Apple's Classrooms of Tomorrow project in the 1980s and Microsoft's development of educational software and devices such as Microsoft Surface and Office 365 for Education. Technology's role in expanding access to education and promoting equity is evident in the rise of online learning platforms like Coursera, Khan Academy, and edX. These platforms provide high-quality educational content accessible to learners worldwide, with Coursera alone boasting over 76 million registered users as of 2020. Despite these advancements, addressing the digital divide remains a challenge, particularly

among low-income and rural students who lack adequate internet access at home. Efforts to bridge this gap include initiatives such as the 1Million Project, which aims to provide free mobile devices and high-speed internet to one million high school students in the U.S., and the Emergency Connectivity Fund, which allocated $7.17 billion in 2021 to support remote learning by ensuring students have access to devices and internet connectivity. Looking ahead, several emerging trends are expected to shape the future of educational technology. Artificial Intelligence (AI) holds promise for revolutionizing personalized learning experiences by analyzing student data to tailor instruction and provide real-time feedback. The AI in education market is projected to grow significantly, from $1.1 billion in 2020 to $25.7 billion by 2030. Augmented Reality (AR) and Virtual Reality (VR) technologies offer immersive learning experiences that enhance student engagement and understanding, with the global VR in education market projected to reach $13 billion by 2026. Smart classrooms, integrating IoT devices, AI, and cloud computing, are creating interactive and adaptive learning environments. The global smart classroom market is forecasted to grow from $63.4 billion in 2020 to $117.7 billion by 2025, signalling a transformative shift towards technology-driven education.

**IMPACT ON TEACHING METHODS AND STUDENT LEARNING**

The integration of technology in education has significantly shifted teaching methods from traditional teacher-centered approaches to dynamic student-centered learning models. Historically, education was dominated by a teacher-centered model where the educator delivered lectures, and students passively received information. However, the advent of technology has enabled a more interactive and participatory approach. Student-centered learning emphasizes active engagement, critical thinking, and collaboration. Studies from the University of Michigan show that active learning techniques, often facilitated by technology, can increase exam scores by up to 6%. Modern classrooms leverage multimedia and interactive content, such as videos, animations, simulations, and quizzes, to create engaging and effective learning experiences. According to a 2018 report by the Bill & Melinda Gates Foundation, classrooms using interactive learning technologies saw a 30% increase in student performance. Platforms like Ed puzzle and Kahoot! allow teachers to create interactive lessons and quizzes, providing immediate feedback to students. Learning Management Systems (LMS) such as Moodle, Canvas, and Google Classroom facilitate the organization, delivery, and assessment

of educational content. The global LMS market was valued at $13.4 billion in 2020 and is projected to reach $44.49 billion by 2027. These platforms enable teachers to create online courses, distribute assignments, track student progress, and provide feedback. Additionally, online resources, including educational websites, digital textbooks, and open educational resources (OER), enrich the learning process. Technology has also facilitated innovative teaching methods such as flipped classrooms and blended learning. Flipped classrooms deliver traditional lectures online as homework, while classroom time is used for interactive activities. A study by the Flipped Learning Network found that 71% of teachers who flipped their classrooms saw improved grades and 80% reported improved student engagement. Blended learning combines face-to-face instruction with online activities, allowing for a more personalized learning experience. Schools implementing blended learning models have seen increased student engagement and achievement. One of the most significant benefits of technology in education is enhanced accessibility to information. Digital libraries and online databases have transformed the way students access educational content. According to the Pew Research Centre, 95% of U.S. teens reported having access to a smartphone in 2021, frequently used for educational purposes. Platforms like Google Scholar and JSTOR provide students with access to academic papers and resources. The global market for digital libraries was valued at $6.67 billion in 2020 and is expected to reach $14.91 billion by 2027. Technology enables personalized learning experiences, with adaptive learning technologies using data and algorithms to adjust the difficulty and pacing of lessons. A study by the Bill & Melinda Gates Foundation found that students in personalized learning environments made greater academic progress, with an average improvement in math scores by 7 percentile points. The adaptive learning technologies market was valued at $1.8 billion in 2019 and is projected to reach $5.3 billion by 2025. Digital literacy is now a critical skill for students, encompassing the ability to effectively use technology and evaluate online information. According to the OECD, students with strong digital literacy skills are better equipped for the 21st-century workforce. In 2020, the U.S. Department of Education allocated $1.2 billion for digital literacy initiatives. Gamification, which incorporates game-like elements into learning activities, has proven effective in increasing student motivation. A study by the University of Colorado found that gamified learning activities showed a 14% increase in knowledge retention. Multimedia content such as videos and

simulations also make learning more engaging, with a 2019 report by the Bill & Melinda Gates Foundation showing a 30% increase in student performance in classrooms using interactive technologies. While technology integration offers numerous benefits, it also presents challenges. The digital divide remains significant, with 14% of U.S. children lacking internet access at home in 2019. The Emergency Connectivity Fund allocated $7.17 billion in 2021 to provide funding for remote learning. Increased use of digital tools raises cybersecurity and privacy concerns, with nearly 50% of K-12 schools reporting cybersecurity incidents in 2020. Despite these challenges, the opportunities for enhancing educational outcomes through technology are immense. The global education technology market is projected to grow from $89.49 billion in 2020 to $285.2 billion by 2027. As educators continue to adapt to technological advancements, student learning will evolve, creating more dynamic, personalized, and effective educational experiences.

**CHALLENGES AND OPPORTUNITIES**

Despite the benefits of integrating technology into education, the digital divide remains significant. This gap between those with and without access to digital tools exacerbates educational inequalities. In 2019, 14% of U.S. children aged 3-18 lacked internet access at home, with 35% of low-income households and 23% of rural students facing similar challenges. To address this, initiatives like the Emergency Connectivity Fund allocated $7.17 billion in 2021 to support remote learning. Increased use of digital tools raises concerns about cybersecurity and student data privacy. Nearly 50% of K-12 schools reported cybersecurity incidents in 2020, with costs averaging $3.86 million per data breach globally. The education cybersecurity market is projected to grow from $2.07 billion in 2019 to $8.13 billion by 2026. Protecting student privacy is also crucial, guided by regulations like the Family Educational Rights and Privacy Act (FERPA). Adapting to rapid technological changes can be challenging for teachers and students. Continuous professional development is essential, as 60% of teachers felt overwhelmed by the pace of technological change. The U.S. Department of Education's Title II funding, approximately $2 billion annually, supports professional development for educators, including technology integration. Integrating technology involves significant costs, including purchasing devices and improving infrastructure. Providing devices like Chromebooks can be a financial burden, with costs exceeding $2 million for a district of 10,000 students. Infrastructure upgrades and

ongoing maintenance also require substantial investment. The FCC estimated $5 billion is needed to ensure all U.S. schools have the necessary infrastructure for digital learning. Despite these challenges, technology offers numerous opportunities for enhancing education. It enables differentiated instruction, with adaptive learning technologies improving student achievement. Personalized learning environments can lead to significant academic progress. Digital tools, gamified learning platforms, and virtual reality experiences make learning more engaging. The AI in education market is expected to grow significantly, from $1.1 billion in 2020 to $25.7 billion by 2030, and VR in education from $656 million in 2018 to $13 billion by 2026. Blockchain technology is also emerging in education, projected to grow from $34.9 million in 2019 to $423.5 million by 2026. Investing in robust technological infrastructure, ongoing professional development, and forward-thinking policies is essential. Ensuring equitable access to technology, protecting student data, and supporting continuous learning are critical for navigating the evolving educational landscape. The global education technology market, projected to grow from $89.49 billion in 2020 to $285.2 billion by 2027, highlights the vast potential for technological innovations in education.

**FUTURE TRENDS**

The rapid advancement of technology is continually reshaping education, offering new ways to enhance learning and improve outcomes. Artificial Intelligence (AI) is increasingly prevalent, providing personalized learning experiences and automating administrative tasks. AI can analyze student data to tailor instruction and identify learning gaps, with the AI in education market projected to grow from $1.1 billion in 2020 to $25.7 billion by 2030. VR and AR offer immersive learning experiences, enhancing student engagement and comprehension. The VR market in education is expected to grow from $656 million in 2018 to $13 billion by 2026, while the AR market is projected to reach $5.3 billion by 2023. Blockchain technology enhances transparency, security, and efficiency in educational administration. It can securely store and verify academic credentials, with the blockchain in education market expected to grow from $34.9 million in 2019 to $423.5 million by 2026. Data analytics enable educators to make informed decisions based on comprehensive insights into student performance and engagement, with the global education data analytics market projected to grow from $13.7 billion in 2020 to $31.7 billion by 2026. Smart classrooms integrate advanced technologies such as IoT devices, AI,

and cloud computing to create interactive and adaptive learning environments. The global smart classroom market is projected to reach $117.7 billion by 2025. The COVID-19 pandemic accelerated the adoption of online learning, highlighting its potential for providing flexible, accessible education. The global online education market is projected to reach $374.3 billion by 2026. Investing in robust technological infrastructure is essential to support the integration of advanced technologies in education. Ensuring high-speed internet access for all students and providing necessary devices requires substantial investment. Ongoing professional development for educators is crucial to ensure effective technology integration. Developing forward-thinking policies and regulations is vital to address equity, privacy, and cybersecurity. Programs like the Emergency Connectivity Fund aim to bridge the digital divide, while the global cybersecurity market in education is projected to reach $8.13 billion by 2026.

**CONCLUSION**

The transformation of education from chalkboards to Chromebooks highlights the significant impact of technological advancements on teaching and learning. This shift represents the broader integration of digital tools in education, changing how educators teach and students learn. By exploring the historical context, the rise of technology, and its effects, we better understand today's educational landscape and its challenges and opportunities. Traditional tools like chalkboards and textbooks provided a structured learning foundation but often limited engagement and personalized instruction. The late 20th century saw technology enter classrooms, introducing personal computers and the internet, marking a new educational era. By 2005, 98% of U.S. schools had internet access, showcasing rapid tech adoption. The rise of digital tools such as Chromebooks, learning management systems (LMS), and interactive whiteboards revolutionized teaching methods, promoting student-centered learning. Multimedia and interactive content have made lessons more engaging, improving student performance by 30%. The LMS market is expected to reach $44.49 billion by 2027, streamlining educational content delivery and assessment. Technology has also enhanced student learning with personalized experiences and collaborative platforms. The adaptive learning technologies market is projected to grow to $5.3 billion by 2025, emphasizing personalized education. Digital literacy is now crucial, with significant investments to prepare students for the modern workforce. Challenges include the digital divide,

affecting 14% of U.S. children without home internet access, and cybersecurity concerns, with nearly 50% of K-12 schools reporting incidents in 2020. Addressing these requires substantial investment and policy initiatives, such as the $7.17 billion Emergency Connectivity Fund for remote learning. The future of educational technology is promising, with AI, VR, and blockchain poised to transform education. The AI in education market is projected to grow to $25.7 billion by 2030, VR and AR technologies to $18.3 billion by 2026, and the global education technology market to $285.2 billion by 2027. Investing in infrastructure, professional development, and equitable access to technology, while protecting data and fostering continuous learning, is essential for future advancements.

❖❖❖

*Writer is an Assistant Professor, Department of Accountancy,*
*Jhanji Hemnath Sarma College*

# 'নাক'ৰ (NAAC) মূল্যাংকনত আমাৰ মহাবিদ্যালয়

**বিদ্যাধৰ বৰুৱা**

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত ভাৰতৰ উচ্চ শিক্ষা খণ্ডৰ গুণগত মানদণ্ড বিকাশ আৰু প্ৰযুক্তি কৌশলৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সেই উদ্দেশ্যে ১৯৯২ চনত গ্ৰহণ কৰা কাৰ্যক্ৰম অনুসৰি (Programme of Action-1992) এই কৌশলগত পৰিকল্পনাৰে ১৯৯৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত স্বতন্ত্ৰ পৰিষদ হিচাপে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যায়ন পৰিষদ (National Assessment and Accreditation Council) গঠন কৰে। সেই অনুসৰি ভাৰতবৰ্ষৰ সকলো উচ্চ শিক্ষানুষ্ঠানলৈ NAAC ৰ মূল্যাংকন কৰাবলৈ নিৰ্দেশনা প্ৰেৰণ কৰে। এই উদ্দেশ্যে প্ৰতিখন উচ্চ শিক্ষানুষ্ঠানতে আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (Internal Quality Assurance Cell) গঠনৰ পৰামৰ্শ দিয়ে। NAACৰ মূল্যাংকনৰ বাবে সাতটা অতি গুৰুত্বপূৰ্ণ বিষয় সামৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে উচ্চ শিক্ষানুষ্ঠান সমূহৰ মূল্যাংকনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ বাবে প্ৰতিটো শৈক্ষিক বৰ্ষৰ অন্তত উচ্চ শিক্ষানুষ্ঠানসমূহে বাৰ্ষিক মান নিশ্চিতকৰণ প্ৰতিবেদ (Annual Quality Assurance Report) NAACৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লগা হয়।

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়েও ১৯৯৭-৯৮ বৰ্ষৰ পৰা NAAC ৰ মূল্যাংকনৰ বাবে প্ৰস্তুতি চলাবলৈ আৰম্ভ কৰে। সেই সময়ত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰজনীকান্ত গোস্বামী ছাৰৰ নেতৃত্বত NAACৰ মূল্যংকনৰ বাবে শ্ৰীযুত হৰেণ বৰুৱা আৰু ড° অনিল কুমাৰ গগৈ ছাৰক যুটীয়া সমন্বয়ক আৰু পিছলৈ এই দুয়োজনৰ কামৰ সহায়ক হোৱাকৈ শ্ৰীযুত ব্ৰীজমোহন হাজৰিকাক সহকাৰী সমন্বয়কৰ দায়িত্ব অৰ্পন কৰি NAACৰ বাবে Self Study Report (SSR) প্ৰস্তুত কৰা হৈছিল। মূল্যাংকনৰ প্ৰস্তুতি চলি থকাৰ সময়তে ইং ৩০-১১-২০০২ তাৰিখে অধ্যক্ষ শ্ৰীযুত ৰজনীকান্ত গোস্বামী ছাৰে অৱসৰ গ্ৰহণ কৰে আৰু শ্ৰীযুত ভবানী কুমাৰ বৰুৱা ছাৰে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰে। শ্ৰীযুত ভবানী কুমাৰ বৰুৱা ছাৰৰ কাৰ্যকালৰ ভিতৰতে মহাবিদ্যালয়ত NAACৰ মূল্যাংকন কাৰ্য সম্পন্ন কৰিবলৈ চেষ্টা কৰা হয়। উল্লেখ্য যে, মহাবিদ্যালয়খনে প্ৰথমবাৰৰ বাবে NAACৰ মূল্যাংকন আৰু প্ৰত্যায়নৰ বাবে সাজু হওঁতে সন্মুখীন হোৱা সমস্যাসমূহ আঁতৰ কৰাৰ বাবে সেই সময়ৰ অধ্যক্ষ প্ৰমুখ্যে সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে সমন্বিতভাৱে কাম কৰিছিল।

NAAC ৰ মূল্যাঙ্কনৰ বাবে মহাবিদ্যালয়ৰ গতানুগতিকভাৱে চলি থকা শৈক্ষিক, অনা-শৈক্ষিক আৰু আভ্যন্তৰীণ প্ৰশাসনৰ যাৱতীয় নথি-পত্ৰসমূহ যথাবিহীতভাৱে প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছিল। তদুপৰি প্ৰতিটো বিভাগৰ বিভাগীয় প্ৰতিবেদন অনুযায়ী তথ্য-পাতিৰ সংৰক্ষণ, বিভাগীয় সভা-সমিতি সমূহৰ কাৰ্যবিৱৰণী, মহাবিদ্যালয়ৰ হিচাপ ৰক্ষণ, ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ফলাফল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সংস্থাপন সম্পৰ্কীয় তথ্য (Placement Record), বিভাগসমূহৰ দুৰ্বলতা সা-সুবিধা আৰু প্ৰত্যাহ্বান (SWOT Analysis) বিশ্লেষণ কৰা আদি বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে মহাবিদ্যালয় এখনে যিমানবোৰ বিষয়ত গুৰুত্ব দিব লাগিছিল, সেই সময়ৰ মহাবিদ্যালয় এখনে স্বাভাৱিকতে সেই সকলোবোৰ দিশত সবল ভূমিকা গ্ৰহণ কৰিব পৰা নাছিল। তদুপৰি গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান হিচাপে উপযুক্ত পুঁজিৰ অভাৱৰ বাবে আমাৰ মহাবিদ্যালয়খন আন্তঃগাঁঠনিৰ ক্ষেত্ৰত যথেষ্ট পিছপৰি আছিল। বিশেষকৈ কম্পিউটাৰৰ সীমিত সা-সুবিধা আৰু ডিজিটেল শ্ৰেণীকক্ষ আদিৰ অভাৱ বিশেষভাৱে পৰিলক্ষিত হৈছিল। তৎসত্বেও মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগিতাৰে NAACৰ মূল্যাঙ্কনৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। বিশেষকৈ IQAC ৰ যুটীয়া সমন্বয়ক শ্ৰীযুত হৰেণ বৰুৱা আৰু ড° অনিল কুমাৰ গগৈ চাৰৰ লগতে সহকাৰী সমন্বয়ক শ্ৰী ব্ৰীজমোহন হাজৰিকা, শ্ৰী প্ৰভাত কুমাৰ বৰঠাকুৰ, শ্ৰী মামনি বৰগোহাঁই, শ্ৰী অনামিকা খাউণ্ড, শ্ৰী চন্দন দত্ত, শ্ৰী জয়ন্ত গগৈ আদি অধ্যাপকসকলৰ উদ্যমী প্ৰচেষ্টাত আৰু বিভাগসমূহৰ সহযোগিতাত মহাবিদ্যালয়ৰ Self Study Report প্ৰস্তুত কৰাৰ পৰা আৰম্ভ কৰি NAACৰ পৰিদৰ্শনকাৰী দলৰ দ্বাৰা পৰীক্ষণ কাৰ্যলৈকে যাৱতীয় সকলো কাম-কাজ সম্পাদন কৰা হয়। ২০০৩ চনৰ ১৫ আৰু ১৬ ডিচেম্বৰ তাৰিখে NAACৰ পৰিদৰ্শনকাৰী দলে (Peer Team) আমাৰ মহাবিদ্যালয়ৰ পৰিদৰ্শন কৰে। মহাবিদ্যালয়লৈ অহা NAACৰ সদস্যসকল হ'ল—

1. Ananda Dev Mukhopadhyay, Chairman; Former V.C. Vidyasagar University, West Bengal.

2. D.N. Sansanwal, Member; Director and Dean, Institute of Education, Devi Ahalya University, Indore.

3. P.J. Victor S.J., Member; Principal, St. Joseph's College, Darjeiling

NAAC ৰ পৰিদৰ্শনকাৰী দলটোৱে মূল্যাঙ্কনৰ অন্তত দাখিল কৰা প্ৰতিবেদনত অনাগত দিনত আমাৰ মহাবিদ্যালয়ৰ কৰণীয় বিষয়সমূহ উল্লেখ কৰি যোৱাৰ লগতে ভালেকেইটা বিষয়ত মহাবিদ্যালয় কৰ্তৃপক্ষক প্ৰশংসা কৰি গৈছিল। তেওঁলোকৰ মূল্যাঙ্কন অনুসৰি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ প্ৰযুক্তিগত বিকাশৰ প্ৰয়োজনীয়তা, বিশ্ববিদ্যালয়ৰ তুলনাত ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফলৰ নিম্ন হাৰ, Career Counselling আৰু Placement Cell ৰ প্ৰৱৰ্তন, ছাত্ৰী নিবাসৰ দুৰ্বল আন্তঃগাঁঠনি, শৈক্ষিক গৱেষণা আৰু প্ৰকাশনৰ সীমাবদ্ধতা, শৈক্ষিক দিনৰ পৰিমাণ নিৰ্দিষ্ট পৰিসীমাতকৈ কম হোৱা, Computer আৰু Digital Class Room ৰ অভাৱ আদি বিষয়সমূহৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াই গৈছিল। ইয়াৰ বিপৰীতে মহাবিদ্যালয়ৰ প্ৰশাসনীয় দিশ, শিক্ষক-কৰ্মচাৰী,

ছাত্ৰ-ছাত্ৰী, দাতা-পৰিয়াল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ ইতিবাচক সহযোগিতাৰ প্ৰশংসাসূচক মন্তব্য প্ৰতিবেদনত উল্লেখ কৰি গৈছে। শিক্ষণ পদ্ধতিৰ ওপৰত মহাবিদ্যালয়ে আয়োজন কৰা আলোচনা চক্ৰ, নিয়াৰিকৈ ৰখা কাৰ্যালয়ৰ নথি সংৰক্ষণ আৰু পৰীক্ষা পৰিচালনা পদ্ধতিৰ ভূয়সী প্ৰশংসা কৰি গৈছে। মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰযুক্তিগত শিক্ষণ পদ্ধতি, অতিৰিক্ত বৃত্তিমুখী শৈক্ষিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তন, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পত্ৰিকাত শিক্ষক শিক্ষয়িত্ৰীসকলৰ গৱেষণাধৰ্মী লিখনি প্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা আৰু বুনিয়াদী সা-সুবিধা বৃদ্ধি কৰিবলৈ NAACৰ পৰিদৰ্শনকাৰী দলে পৰামৰ্শ আগবঢ়াই গৈছিল। এই সকলো দিশ সামৰি NAACৰ মূল্যাংকনৰ ফলাফল হিচাপে মহাবিদ্যালয়ে "C++"grade (৬৮.৪%) লাভ কৰিবলৈ সক্ষম হৈছিল। স্বীকাৰ্য যে NAACৰ দ্বাৰা প্ৰথমবাৰৰ বাবে মূল্যাঙ্কন আৰু প্ৰত্যায়ন কৰাৰ অভিজ্ঞতা আৰু NAACৰ পৰামৰ্শ অনুসৰি মহাবিদ্যালয়খনে ইয়াৰ উন্নতিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ দিশে আগবঢ়াৰ সুযোগ পালে।

NAACৰ পৰিদৰ্শনকাৰী দলৰ পৰামৰ্শ আৰু পৰিষদৰ নিৰ্দেশনা অনুসৰি ২০০৩ চনৰ ৩১ মাৰ্চত মহাবিদ্যালয়ৰ ষ্টাফ মিটিঙৰ সিদ্ধান্ত অনুসৰি শিক্ষাতত্ব বিভাগৰ অধ্যাপিকা শ্ৰীযুতা মামনি বৰগোহাঁইক সমন্বয়ক হিচাপে ৰাখি সাতটা কোষ আৰু অন্যান সদস্যসহিতে এখন পূৰ্ণাংগ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ (IQAC) গঠন কৰা হয়। ২০০৪ চনৰ ৪ আগষ্ট তাৰিখৰ পৰা ড° অনিল কুমাৰ গগৈয়ে মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰে।

শ্ৰীযুতা মামনি বৰগোহাঁইৰ নেতৃত্বত ২০০৪-০৫ বৰ্ষৰ পৰাই NAACৰ মুখ্য কাৰ্যালয়লৈ বাৰ্ষিক প্ৰতিবেদন (AQAR) প্ৰেৰণ কৰা হৈছিল। ২০০৮ বৰ্ষত কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ (Study Centre) মুকলি কৰিবলৈ মহাবিদ্যালয়ে অনুমোদন লাভ কৰে। প্ৰথম কেইবছৰ NAACৰ মূল্যাঙ্কনৰ বাবে কৰিবলগীয়া কাম-কাজসমূহ নিয়মীয়া গতিত অব্যাহত ৰখা হৈছিল যদিও কিছুমান কাৰিকৰী অসুবিধাৰ বাবে ২০০৯-১০ বৰ্ষলৈকে দ্বিতীয় পৰ্যায়ৰ মূল্যাঙ্কন সম্ভৱ হৈ উঠা নাছিল। সেয়েহে ২০১০-১১ বৰ্ষৰ পৰা পৰৱৰ্তী পাঁচ বছৰৰ ভিতৰত NAACৰ মূল্যাঙ্কনৰ বাবে পূৰ্ণগতিত প্ৰস্তুতি চলাবলৈ আৰম্ভ কৰা হয়। ২০১২ চনৰ ১ জানুৱাৰী তাৰিখে অধ্যক্ষ ড° অনিল কুমাৰ গগৈয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত কেইমাহ মানৰ বাবে শ্ৰীযুত বিৰেশ্বৰ নেওগে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। ২০১২ চনৰ ৫ এপ্ৰিল তাৰিখে গড়গাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° মানজিত গগৈয়ে মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ হিচাপে যোগদান কৰে। ২০১৩ বৰ্ষত মহাবিদ্যালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ আৰু গান্ধী অধ্যয়ন কেন্দ্ৰ স্থাপন কৰাৰ অনুমোদন লাভ কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাৰ ভিতৰতে মহাবিদ্যালয়ে ICSSR আৰু UGCৰ পৰা আৰ্থিক অনুদান লাভ কৰি কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰে। NAACৰ মূল্যাঙ্কনৰ প্ৰস্তুতি হিচাপে এই সময়ছোৱাত প্ৰত্যেকটো শৈক্ষিক বৰ্ষতে ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পৰা Feed Back লোৱা হয়। শৈক্ষিক দিশত শিক্ষকসকলৰ পৰা পাঠ্যক্ৰমৰ

অগ্ৰগতি বুজ লোৱা, Remadial Class, Team Teaching, Class guide, Mentoring System আদি বিষয়সমূহৰ ওপৰত IQAC য়ে বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। তদুপৰি মহাবিদ্যালয়ৰ সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি NSS, NCC আৰু Scout and Guide ৰ সক্ৰিয় ভূমিকা গ্ৰহণ কৰাত গুৰুত্ব দিয়া হৈছিল। উল্লেখযোগ্য যে ২০১৪ চনত মহাবিদ্যালয়ৰ সোণালী জয়ন্তীক উপলক্ষ্য হিচাপে লৈ এই সময়ছোৱাত ভালেকেইখন ISBN গ্ৰন্থ প্ৰকাশ কৰা হয়। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰ দ্বাৰা মহাবিদ্যালয় NAACৰ আচবাব আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৰঙণিৰ দ্বাৰা মহাবিদ্যালয়ৰ সন্মুখৰ পকী তোৰণ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হয়। পূৰ্বৰ NAACৰ প্ৰতিবেদনৰ পৰামৰ্শ অনুযায়ী মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ বাবে একোটাকৈ Desktop Computer আৰু এটা ডিজিটেল শ্ৰেণীকক্ষৰ বাবে যথেষ্ট সংখ্যক কম্পিউটাৰ ক্ৰয় কৰা হয়। Career Oriented Courseৰ বাবে UGC য়ে আগবঢ়োৱা আৰ্থিক অনুদানেৰে ২০১২-১৩ বৰ্ষৰ পৰা বাণিজ্য শাখাৰ দ্বাৰা "Entrepreneurship Management" আৰু অৰ্থনীতি বিভাগৰ দ্বাৰা "Fine Art" ৰ দুটা Certificare Course আৰম্ভ কৰা হয়। ইয়াৰ উপৰিও স্ব-বিত্তায়নৰ জৰিয়তে শিক্ষাতত্ব বিভাগে Pre Primary Teacher Training ৰ এটা Certificate Course ধাৰাবাহিকভাৱে চলাই আহিছে। এইছোৱা সময়ত মহাবিদ্যালয়ৰ ভালেকেইজন শিক্ষকে UGC ৰ অনুদান লাভ কৰি Minor Research Project ৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হয়।

মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি উৎসৱত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ অনুষ্ঠিত কৰি এখন শক্তিশালী কাৰ্যকৰী সমিতি গঠন কৰা হয়। ২০১৫ চনৰ আৰম্ভণিৰ পৰা দ্বিতীয় পৰ্যায়ৰ মূল্যাঙ্কনৰ বাবে SSR প্ৰস্তুত কৰিবলৈ আৰম্ভ কৰা হয় আৰু ছেপ্তেম্বৰ মাহত দাখিল কৰি মূল্যাঙ্কনৰ বাবে আবেদন জনোৱা হয়। ২০১৬ চনৰ ২০ আৰু ২১ জানুৱাৰীত মহাবিদ্যালয়ত মূল্যাঙ্কন কৰিবলৈ অহা NAACৰ পৰিদৰ্শনকাৰী (Peer Team) সদস্যসকল হ'ল—

1. Dr. Hemixa Rao, Chairperson; Prof. and Head, Department of Sociology, Saurashtra University, Gujrat.

2. Dr. T. Siddaiah, Member Coordinator; Benglore, Karnataka.

3. Dr. Maitreye Bardhan Roy; Member; Principal, Basanti Devi College, Kolkata.

দ্বিতীয় পৰ্যায়ৰ NAACৰ মূল্যাঙ্কনৰ ফলাফল হিচাপে মহাবিদ্যালয়খনে 'B" grade (2.50 points in grade point scale) লাভ কৰিবলৈ সক্ষম হয়। এই মূল্যঙ্কনত NAACৰ পৰিদৰ্শনকাৰী দলে তেওঁলোকৰ প্ৰতিবেদনত ভালেকেইটা পৰামৰ্শ আগবঢ়ায়। বিশেষকৈ মহাবিদ্যালয়ৰ মেৰামতিৰ অযোগ্য (dilapidated) ঘৰকেইটা পুনৰ নিৰ্মাণ কৰা, গ্ৰন্থাগাৰত SOUL Software, Inflibnet, Delnet আদি ব্যৱহাৰৰ ব্যৱস্থা কৰা আৰু শিক্ষকসকলক UGC Care list আৰু SCOPUS publication বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়ায়। তদুপৰি বিদ্যুৎ শক্তিৰ মিতব্যয়িতাৰ বাবে Solar Panel সংযোজন কৰা, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৰ্মসংস্থাপন কোষ (Placement Cell) মুকলি কৰা আৰু উচ্চ শিক্ষানুষ্ঠান,

উদ্যোগিক প্ৰতিষ্ঠানৰ লগত বুজাবুজিৰ চুক্তি (MOU) সম্পাদন কৰিবলৈ পৰিদৰ্শনকাৰীৰ দলে পৰামৰ্শ দিয়ে।

পৰৱৰ্তী সময়ত ২০১৬ চনৰ ২০ এপ্ৰিল তাৰিখে মোক (শ্ৰী বিদ্যাধৰ বৰুৱা) IQAC ৰ সমন্বয়ক হিচাপে নিযুক্তি দিয়ে আৰু সাতটা কোষৰ আহ্বায়ক সহ পুনৰ IQAC ৰ নতুন সমিতিখন গঠন কৰা হয়। এইখন সমিতিয়ে নিৰ্দিষ্ট সময়ত তৃতীয় পৰ্যায়ৰ মূল্যঙ্কন কৰোৱাৰ লক্ষ্য আগত ৰাখি নিয়মীয়াকৈ IQAC ৰ সভা-সমিতিসমূহ অনুষ্ঠিত কৰে আৰু প্ৰতিবছৰে AQAR দাখিল কৰা হয়।

দ্বিতীয় পৰ্যায়ৰ মূল্যঙ্কনৰ পাছতে মহাবিদ্যালয়খনে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা সংস্থাৰ (RUSA) আওতালৈ আহে আৰু মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়নৰ বাবে অনুদান লাভ কৰিবলৈ সক্ষম হয়। উক্ত অনুদানৰ সহায়ত RUSAৰ সমন্বয়ক ড° ৰাজীৱ গগৈয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাকে ধৰি কেইবাটাও ভৱন নিৰ্মাণ কৰি উলিয়ায়। ফলস্বৰূপে মহাবিদ্যালয়খনে আন্তঃগাঠনিৰ ক্ষেত্ৰত এক নতুন ৰূপ পাবলৈ সক্ষম হয়। IQAC ৰ উদ্যোগত ২০১৮ চনৰ ৩০ এপ্ৰিল আৰু ১ মে', তাৰিখে দুদিনীয়াকৈ "Socio-Cultural Assimilation of North East India and South East Asia" শীৰ্ষক বিষয়ৰ ওপৰত এখন আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। এই আলোচনা চক্ৰত থাইলেণ্ডৰ Silpakorm University আৰু Chiang Mai University ৰ কেইবাজনো অধ্যাপকে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও NAAC ৰ আৰ্থিক অনুমোদন লাভ কৰি "Academic and Administrative Audit in Higher Education Institutions" শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ IQAC য়ে অনুষ্ঠিত কৰে।

এইছোৱা সময়ত মহাবিদ্যালয়ৰ NSS, NCC, Women Cell, Red Ribbon Club আদি গোটসমূহে অতি সক্ৰিয়ভাৱে চুবুৰীয়া অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ জনকল্যাণমূলক কাৰ্যকলাপৰ জৰিয়তে সামাজিক দায়বদ্ধতা পালনত গুৰুত্ব আৰোপ কৰে।

তৃতীয় পৰ্যায়ৰ NAACৰ মূল্যাঙ্কনৰ সময়সীমা ২০২১ চনলৈকে আছিল যদিও ক'ভিড মহামাৰীৰ পাৰ্দুভাৱৰ ফলত মূল্যাঙ্কন কৰিবলগীয়া হৈ থকা উচ্চ শিক্ষানুষ্ঠানসমূহক ২০২৩ চনৰ জুন মাহলৈকে সময়সীমা পিছুৱাই দিয়ে।

২০২১ চনৰ মাজভাগৰ পৰা ক'ভিড-১৯ ৰ প্ৰভাৱ হ্ৰাস পোৱাৰ পিছৰ পৰা মহাবিদ্যালয়ে ক্ষিপ্ৰতাৰে মূল্যাঙ্কনৰ বাবে প্ৰয়োজনীয় কাম-কাজসমূহ আগুৱাই নিয়ে। এই বছৰতে মহাবিদ্যালয়ৰ IQACৰ উদ্যোগত ভালেকেইখন উচ্চ শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ লগত বুজাবুজি চুক্তি (MOU) সম্পাদন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা-সংস্কৃতি আৰু বৌদ্ধিক বিকাশৰ বাবে সহযোগিতামূলক কাৰ্য সম্পাদন কৰা হয়।

মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চৰ পূৰ্বৰ কাৰ্যকৰী সমিতিখন ভংগ কৰি ড° অনুপমা মহন্তক সভাপতি আৰু ডঃ ৰাজীৱ গগৈক সম্পাদক হিচাপে মনোনীত কৰি পুনৰ গঠন কৰা হয়। উল্লেখযোগ্য যে এই নতুন সমিতিখনৰ তৎপৰতাত Societies Registration Associationৰ অধীনত মহাবিদ্যালয়ৰ Alumni Associationখন পঞ্জীয়নভুক্ত কৰা হয়।

মহাবিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনীক মূল্যাঙ্কনৰ বাবে ২০২০-২১ আৰু ২০২১-২২ এই দুয়োটা বৰ্ষৰ Academic And Administrative Audit সম্পন্ন কৰা হয়। এই মূল্যাঙ্কনত বহিঃ মূল্যায়ক হিচাপে অহা ব্যক্তিকেইজন হ'ল যথাক্ৰমে— গুৱাহাটী বিশ্ববিদ্যালয়ৰ HRDC Director ড° যোগেন চন্দ্ৰ কলিতা, NAAC Eeecutive Comittee ৰ সদস্য তথা Nawgaon College ৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, আৰু J.D.S.G. College, Bokakhat ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ।

এই সময়ছোৱাৰ ভিতৰতে মহাবিদ্যালয়ে সংশ্লিষ্ট বিভাগৰ বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা Green Audit, Energy Audit, Gender Audit আদি ভালেকেইটা বিষয়ৰ মূল্যাঙ্কন সম্পন্ন কৰি প্ৰতিবেদন যুগুত কৰি ৰাখিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়নৰ ক্ষেত্ৰতো Rain Water Harvesting System, Solar Panel সংযুক্তকৰণ, Girls' Common Room, Digital Classroom, Toilet Block আদিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়।

বৃত্তিমুখী শিক্ষাৰ বিকাশৰ বাবে Mashroom Cultivation, Vermicompost production, Tea Nursery Management, Beautician, Yoga আদি কেইবাটাও বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰৱৰ্তন কৰা হয়।

NAAC ৰ মূল্যাঙ্কনৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত ৰাখি ২০২২ চনৰ নৱেম্বৰ মাহত Institutional Information for Quality Assessment (IIQA) online যোগে দাখিল কৰা হয়। পৰৱৰ্তী সময়ৰ Date Verification and Validation (DVV) প্ৰক্ৰিয়াত IIQA ৰ কেইটামান বিষয়ত NAAC পৰিষদে স্পষ্টীকৰণ বিচাৰে আৰু যথাসময়ত ই-মেইল যোগে প্ৰত্যুত্তৰ প্ৰেৰণ কৰা হয়। মহাবিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ পৰা Students Satisfactory Survey (SSS) ৰ জৰিয়তে পৰিষদে Feed back সংগ্ৰহ কৰে। এই প্ৰক্ৰিয়াত সন্তুষ্ট হৈ মহাবিদ্যালয়ক Self Study Report (SSR) প্ৰেৰণৰ নিৰ্দেশ দিয়ে। ২০২২ চনৰ ডিচেম্বৰ মাহত অনলাইন যোগে SSR দাখিল কৰা হয় আৰু তাৰ প্ৰত্যুত্তৰত ২০২৩ চনৰ ১২ আৰু ১৩ মে' তাৰিখে মূল্যাঙ্কনৰ বাবে মহাবিদ্যালয়ত Peer Team ৰ পৰিদৰ্শনৰ দিন নিৰ্দিষ্ট কৰে। পৰিদৰ্শনকাৰী দলটোৰ সদস্যসকল হ'ল যথাক্ৰমে—

1. Dr. Sunita Kukreti, Chairperson; Pro-Vice Chancellor, IGNOU, New Delhi.

2. Dr. Debabrata Mitra, Member Co-ordinator; Professor, University of North Bengal.

3. Dr. Sumita Wadikar, Member, former Principal, Pillai College of Education and Research Chembur.

যথাবিহিত কাৰ্যক্ৰম অনুসৰি Peer Team ৰ সদস্যসকলে দুয়োটা দিনতে মহাবিদ্যালয়ৰ প্ৰতিটো দিশৰ ওপৰতে নিৰীক্ষণ কৰি মূল্যাঙ্কন কাৰ্য সম্পন্ন কৰে। তৃতীয় পৰ্যায়ৰ এই মূল্যাঙ্কনত মহাবিদ্যালয়ে 'B+'grade (2.67CGPA) লাভ কৰে।

পৰিদৰ্শনকাৰী দলটোৱে তেওঁলোকৰ প্ৰতিবেদনত ভালেকেইটা বিষয়ত মহাবিদ্যালয়

কর্তৃপক্ষলৈ পৰামৰ্শ আগবঢ়ায়। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ কেইটামান বিভাগত স্নাতকোত্তৰ ডিগ্ৰীৰ (P.G. Course) পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা, Personality Development বিষয়ত Add on Course মুকলি কৰা, Incubation Centre শক্তিশালী ৰূপত গঢ়ি তোলা আৰু ছাত্ৰাবাসৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ গৱেষণামূলক কাৰ্যৰ সম্প্ৰসাৰণ কৰি গৱেষণা পত্ৰ প্ৰকাশ কৰাৰ লগতে Feculty Development Programme (FDP) ত তেওঁলোকৰ অংশগ্ৰহণত গুৰুত্ব দিবলৈ পৰামৰ্শ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ডিজিটেল লাৰ্নিং আৰু ICT enabled Teaching পদ্ধতিৰ সম্প্ৰসাৰণ কৰাৰ লগতে উপযুক্ত পদ্ধতিৰে Feedback Mechanism ৰ ধাৰাবাহিকতা অব্যাহত ৰাখিবলৈ পৰামৰ্শ আগবঢ়ায়।

তৃতীয় পৰ্যায়ৰ মূল্যাঙ্কনৰ পাছত মহাবিদ্যালয়ৰ IQAC ৰ সমিতিখন পুনৰ গঠন কৰি ড° ৰাজীৱ গগৈক সমন্বয়ক হিচাপে মনোনীত কৰা হয়। নতুন সমিতিখনেও দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই মহাবিদ্যালয়ৰ শৈক্ষিক, অনাশৈক্ষিক আৰু প্ৰশাসনিক প্ৰায় সকলো দিশতে গুৰুত্ব সহকাৰে মহাবিদ্যালয়খনক আগবঢ়াই নিবলৈ চেষ্টা কৰিছে।

ইতিমধ্যে প্ৰৱৰ্তন হোৱা নতুন শিক্ষানীতি (২০২০) ৰ আধাৰত মহাবিদ্যালয়খনে ভালেকেইটা নতুন বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ লগতে চৰকাৰী অনুদানপ্ৰাপ্ত PMKVY ৰ অধীনত একাধিক বৃত্তিমুখী শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশত গুৰুত্ব আৰোপ কৰিছে।

এনেবোৰ প্ৰচেষ্টা অব্যাহত ৰাখিব পাৰিলে অনাগত দিনত মহাবিদ্যালয়খনে শৈক্ষিক ক্ষেত্ৰত নিজৰ স্থিতি অটুত ৰখাৰ লগতে উচ্চ শিক্ষাৰ জগতখনলৈ এক উল্লেখযোগ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈ উঠিব।

❖❖❖

---

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ উপাধ্যক্ষ*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট

**ড° বসন্ত সন্দিকৈ**

যুৱ শক্তি হ'ল এখন সমাজ তথা দেশৰ প্ৰগতিৰ মূল চালিকাশক্তি। সঠিকভাবে যুৱ শক্তিক গঢ় দিয়াৰ সফলতা-বিফলতাৰ ওপৰত ৰাষ্ট্ৰ এখনৰ ভৱিষ্যত নিৰ্ভৰ কৰে। সমাজ সেৱাৰ মাধ্যমেৰে যুৱ প্ৰজন্মক সু নাগৰিক হিচাপে গঢ় দি দেশ নিৰ্মাণত বৰঙণি যোগোৱাৰ উদ্দেশ্যেৰে জাতীয় পিতা মহাত্মা গান্ধীৰ শততম জন্মজয়ন্তীৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰৰ যুৱ কল্যাণ আৰু ক্ৰীড়া মন্ত্ৰণালয়ে ১৯৭৯ চনৰ ২৪ ছেপ্তেম্বৰত ৰাষ্ট্ৰীয় সেৱা আচনিৰ (National Service Scheme) শুভাৰম্ভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু অনুদানপ্ৰাপ্ত এই আচনিয়ে বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক সামৰি লয়। "Not Me But You" মূল মন্ত্ৰে পৰিচালিত ৰাষ্ট্ৰীয় সেৱা আচঁনিয়ে বৰ্তমান সময়ত ভাৰতবৰ্ষৰ যুৱ চামৰ ব্যক্তিত্ব বিকাশৰ দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা পৰিলক্ষিত হৈছে।

ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ অংশ হিচাপে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাৰ্গ দৰ্শনত মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক কীৰ্তি চন্দ্ৰ দত্ত দেৱৰ তত্ত্বাবধানত ১০০ জন স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱীকাক লৈ এটি গোট প্ৰথমবাৰৰ বাবে ৮০ৰ দশকত গঠন কৰা হয়। প্ৰথমগৰাকী কাৰ্যসূচী বিষয়া দত্তদেৱৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয় সেৱা আচঁনি গোটটিয়ে মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া অঞ্চলত পথ নিৰ্মাণ ও মেৰামতি, স্কুলৰ চাৰিসীমা পৰিষ্কাৰ ও বেৰা নিৰ্মাণ, বৃক্ষ ৰোপণ আদি কাৰ্যসূচীৰ জৰিয়তে সমাজলৈ সেৱা আগবঢ়ায়। কীৰ্তি চন্দ্ৰ দত্তৰ পিছত অৰ্থনীতি বিভাগৰে আন এগৰাকী শিক্ষক শ্ৰীযুত বিৰেশ্বৰ নেওঁগদেৱে ১৯৮৩ চনত গোটটোত Programme Officer হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেখেতৰ নেতৃত্বত গোটে মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া ভিতৰুৱা গাঁও, খনামুখ, হাতীঘূলি, জাঁজীমূখ আদি অঞ্চলত বহুকেইটা শিবিৰ অনুষ্ঠিত কৰি শ্ৰমদানৰ জৰিয়তে অঞ্চলকেইটাৰ উন্নয়নৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশত বৰঙণি আগবঢ়ায়। নেওঁগদেৱৰ পিছত বানিজ্য বিভাগৰ সহযোগী অধ্যাপক শ্ৰীযুত বিচিত্ৰ কুমাৰ দত্তদেৱে NSS Programs Officer হিচাপে দায়িত্ব লৈ চাৰিং, খনামুখ আদি অঞ্চলৰ শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ অনুষ্ঠিত কৰে। দত্ত দেৱৰ পিছত বানিজ্য বিভাগৰে আন এজন সহযোগী অধ্যাপক শ্ৰীযুত বিদ্যাধৰ বৰুৱাই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী

বিষয়া হিচাপে যোগদান কৰে। তেখেতৰ তত্ত্বাবধানত গোটটোৱে বৃক্ষ ৰোপন, পথ মেৰামতি, স্বাস্থ্য সজাগতা শিবিৰ আদি নিয়মীয়া কাৰ্যসূচী চলাই নিয়াৰ উপৰিও ২০০৭-০৮ বৰ্ষত UNICEF ৰ আৰ্থিক অনুদানেৰে মহাবিদ্যালয়ৰ চৌহদত 'জন্ম পঞ্জীয়ন' বিষয়ত এক কৰ্মশালা অনুষ্ঠিত কৰাৰ অন্তত টীয়ক, ঝাঁজী চাউদাং গাওঁ, কলিয়াপানী আৰু ধেমাজি গাৱত উক্ত বিষয়ৰ ওপৰত এক জৰীপ কাৰ্য সফলতাৰে সম্পন্ন কৰে। তেখেতৰ কাৰ্যকালৰ শেষৰফালে চৰকাৰৰ পৰা আৰ্থিক সাহায্য পোৱা বন্ধ হৈ যোৱাৰ বাবে গোটৰ নিজা প্ৰচেষ্টা তথা আৰ্থিক অনুদানেৰে কেইটামান কাৰ্যসূচী চলাই নিয়ে।

কিছু দিনৰ বাবে আৰ্থিক অনুদানৰ অভাৱত নিষ্ক্ৰিয় হৈ পৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটো ২০১৪ চনত পুনৰ সক্ৰিয় কৰি তোলা হয় আৰু চৰকাৰৰ ফালৰ পৰা আৰ্থিক অনুদান নিয়মিতকৈ লাভ কৰিবলৈ আৰম্ভ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীযুত বসন্ত সন্দিকৈৰ কাৰ্যসূচী বিষয়া হিচাপে নিযুক্তি দিয়ে। ২০১৩ চনৰপৰা ২০২৩ চনলৈকে দীঘলীয়া সময় NSS Programme Officer হিচাপে দায়িত্ব পালন কৰি মহাবিদ্যালয়ৰ বাহিৰে ভিতৰে পৰিৱেশ সজাগতা, শ্ৰমদান, স্বাস্থ্য সজাগতা, শিশু কল্যাণ, মাতৃ কল্যাণ, মহিলা সবলীকৰণ, মহামাৰী ৰোগৰ সম্পৰ্কত সজাগতা, ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধি আৰু নেতৃত্ব গুণৰ বৃদ্ধি বিষয়ত বহুকেইটা কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰে। এই সময়চোৱাত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে অনুষ্ঠিত কৰা কেইটামান কাৰ্যসূচী তলত উল্লেখ কৰা হ'ল।

List of NSS Activities, Jhanji HNS College (2013-2022)

| SL. NO. | ACTIVITY | DATE | PLACE |
|---|---|---|---|
| 1. | Lecture on Climate Change, Unity and Peace | 6th March, 2013 | Seminar Hall, Jhanji Hemnath Sarma College |
| 2. | World Environment Day | 5th June, 2013 | Khonamukh- Jorhat |
| 3. | College Campus Cleaning Programme | 21st July, 2013 | Jhanji Hemnath Sarma College |
| 4. | Blood Grouping Camp | 24th July, 2013 | Jhanji Hemnath Sarma College |
| 5. | Run-Amguri-Run Programme | 27th September, 2013 | Amguri Block, Sivasagar |
| 6. | Gandhi Jayanti | 2nd October, 2013 | Jhanji Hemnath Sarma College |
| 7. | NSS Special Camp | 24th to 30th Nove, 2013 | Alimur Gaon, Dikhowmukh, |
| 8. | Banking Awareness Programme | 13th February, 2014 | MoranchingaKoibotra Gaon, Jhanji, |
| 9. | World Environment Day | 5th June, 2014 | DC Gogoi Memorial School, |
| 10. | Workshop on Art and Craft | 8th September, 2014 | Jhanji Hemnath Sarma College |
| 11. | Swachh Bharat Abhiyan – Campus Cleaning | 19th November, 2014 | Jhanji Hemnath Sarma College |
| 12. | Observation of Girl Child Day | 24th January, 2015 | Jhanji Hemnath Sarma College |
| 13. | Two days' Workshop on Entrepreneurship | 18th and 19th March, 2015 | Jhanji Hemnath Sarma College |

| | | | |
|---|---|---|---|
| 14. | World Environment Day | 5th June, 2015 | Hulotia Gaon, Jhanji |
| 15. | International Yoga Day | 21st June, 2015 | Jhanji Hemnath Sarma College |
| 16. | NSS Day Celebration | 24th September, 2015 | Jhanji Hemnath Sarma College |
| 17. | Special camp | 25th September to 1st October, 2015 | MoranchingaKoibotra Gaon, Sivasagar District |
| 18. | Campus Cleaning and Beautification Programme | 8th January, 2016 | Jhanji Hemnath Sarma College |
| 19. | Participation on Youth Conclave | 25th January, 2016 | Dibrugarh |
| 20. | Students Seminar | 3rd February, 2016 | Jhanji Hemnath Sarma College |
| 21. | Awareness Programme among Women | 8th March, 2016 | MoranchingaKoibotra Gaon, Sivasagar District |
| 22. | Campus Cleaning and Beautification Programme | 8th January, 2016 | Jhanji Hemnath Sarma College |
| 23. | World Environment Day Observation | 5th June, 2016 | Jhanji Hemnath Sarma College |
| 24. | International yoga Day | 21st June, 2016 | Jhanji Hemnath Sarma College |
| 25. | Earthquake & Fire Mock Drill | 23rd September, 2016 | Jhanji Hemnath Sarma College |
| 26. | Awareness Programme on Cashless Transaction | 9th January, 2017 | Jhanji Hemnath Sarma College |
| 27. | College Campus Cleaning Programme | 23rd March, 2017 | Jhanji Hemnath Sarma College |
| 28. | World Environment Day Observation | 5th June, 2017 | Jhanji Hemnath Sarma College |
| 29. | International Yoga Day | 21st June, 2017 | Jhanji Hemnath Sarma College |
| 30. | Observation of International Anti-Drugs Day, 2017 | 26th June, 2017 | Jhanji Hemnath Sarma College |
| 31. | Awareness Camp on Swachh Bharat Abhiyan | 14th August, 2017 | Moranchiga LP School, Sivasagar District |
| 32. | Flood Relief Camp | 17th August, 2017 | Dikhowmukh |
| 33. | Orientation Programme on NSS | 30th August, 2017 | Jhanji Hemnath Sarma College |
| 34. | Socio-economic Survey | 7th September, 2017 | MoranchingaKoibotra Gaon, Chikiri Chuk &Hulotia Gaon |
| 35. | Agaru Plantation Programme | 20th September, 2017 | Girls Hostel Campus, Jhanji Hemnath Sarma College |
| 36. | Observation of Gandhi Jayanti | 2nd October, 2017 | Jhanji Hemnath Sarma College |
| 37. | National Unity Day | 31st October, 2017 | Jhanji Hemnath Sarma College |
| 38. | Quiz & Debating Competition in connection with National Voters' Day celebration | 23rd Jan. 2018 | Jhanji HNS College |
| 39. | Health Check-up Camp | 8th March, 2018 | MoranchigaKaibatya Gaon, Sivasagar |

| | | | |
|---|---|---|---|
| 39. | Health Check-up Camp | 8th March, 2018 | MoranchigaKaibatya Gaon, Sivasagar |
| 40. | World Environment Day Celebration | 5th June, 2018 | Jhanji Hemnath Sarma College |
| 41. | Yoga Camp (3 days) | 19th to 21st June, 2018 | Jhanji Hemnath Sarma College |
| 42. | International Yoga Day | 21st June, 2018 | Jhanji Hemnath Sarma College |
| 43. | Swachh bharat Summer Internship (Hundred Hours for Swachhata) | 20th June to 25th July, 2018 | Jhanji Hemnath Sarma College |
| 44. | Run for Unity | 31st Oct. 2018 | Jhanji Hemnath Sarma College |
| 45. | Surgical Day Observation | 29th Sept. 2018 | Jhanji Hemnath Sarma College |
| 46. | Campus Cleaning Programme | 4th February 2019 | Jhanji Hemnath Sarma College |
| 47. | International Women's Day Observation | 8th March, 2019 | Jhanji Hemnath Sarma College |
| 48. | NSS Special Camp | 25th to 30th March, 2019 | Charing, Silpukhori, Jhanji |
| 49. | World Environment Day Celebration 15 40 | 5th June, 2019 | Jhanji Hemnath Sarma College |
| 50. | International Yoga Day | 21st June, 2019 | Jhanji Hemnath Sarma College |
| 51. | Campus Cleaning Programme (SwachhtaPakhwada) | 14th Aug, 2019 | Jhanji Hemnath Sarma College |
| 52. | Patriotic Song Competition | 15th Aug 2019 | Jhanji Hemnath Sarma College |
| 53. | Observation of Rastriya Poshan Maah | 13th Sept. 2019 | Jhanji Hemnath Sarma College |
| 54. | Speech Competition | 2nd Oct, 2019 | Jhanji Hemnath Sarma College |
| 55. | Traffic Rules Awareness Programme | 25th Oct. 2019 | A.T. Road, Jhanji, Sivasagar |
| 56. | National Unity Day Observation | 31st Oct. 2019 | Jhanji Hemnath Sarma College |
| 57. | Village Survey and Gram Sabha (Unnat Bharat Abhijan) | 4th Nov. 2019 | Kothalguri Gaon, Jhanji |
| 58. | Campus Cleaning Programme | 7th Nov. 2019 | Jhanji Hemnath Sarma College |
| 59. | Celebration of Constitution Day | 26th Nov. 2019 | Jhanji Hemnath Sarma College |
| 60. | Awareness Programme on Corona Virus | 11th March, 2020 | Jhanji Hemnath Sarma College |
| 61. | Workshop on Asomiya Gahanna making | 12th to 16th March, 2020 | Jhanji Hemnath Sarma College |
| 62. | Covid-19 Awareness Programme | 18th March, 2020 | Jhanji, Sivasagar |
| 63. | International Environment Day Observation | 5th June, 2020 | Jhanji Hemnath Sarma College |
| 64. | International Yoga Day Celebration | 21st June, 2020 | Online Mode |
| 65. | Campus Cleaning Programme | 19th December, 2020 | Jhanji Hemnath Sarma College |

| | | | |
|---|---|---|---|
| 66. | Republic Day Celebration | 26th January, 2021 | Jhanji Hemnath Sarma College |
| 67. | Historical Monuments Preservation and Cleaning Programme | 30th January, 2021 | Dibrual Gaon, Jhanji |
| 68. | Plantation & Participation on the occasion of National Workshop | 3rd March, 2021 | AranyamKhetra, Kamalabari, Geleky, Sivasagar |
| 69. | International Women's Day Observation | 8th March, 2021 | Jhanji Hemnath Sarma College |
| 70. | Plantation Programme | 25th July, 2021 | Jhanji Hemnath Sarma College |
| 71. | Covid-19 Vaccination Programme | 5th August, 2021 | Jhanji Hemnath Sarma College |
| 72. | Azadi Ki Amrit Mahotsav | 16th September to 2nd October, 2021 | Jhanji Hemnath Sarma College |
| 73. | Observation of Gandhi Jayanti | 2nd October, 2021 | Jhanji Hemnath Sarma College |
| 74. | Special Talk on International Student Day | 17th November, 2021 | Jhanji Hemnath Sarma College |
| 75. | NSS Orientation Programme | 3rd December, 2021 | Jhanji Hemnath Sarma College |
| 76. | Campus Cleaning Programme | 15th December, 2021 | Jhanji Hemnath Sarma College |
| 77. | National Girl Child Day Observation | 24th January, 2022 | Sports Ground, Jhanji Hemnath Sarma College |
| 78. | Signing of Memorandum of Understanding | 9th February, 2022 | AranyamKhetra, Geleky, Sivasagar |
| 79. | Awareness Programme on Yoga | 19th February, 2022 | Jhanji Hemnath Sarma College |
| 80. | National Science Day Observation | 28th February, 2022 | Jhanji Hemnath Sarma College |
| 81. | International Women's Day | 8th March, 2022 | Sikirisuk, NorakonwarBailung Gaon |
| 82. | Progamme on Yoga | 6th April, 2022 | Jhanji Hemnath Sarma College |
| 83. | NSS Special Camp | 3rd June-9th June, 2022 | Deoraja Janata H S School, Sivasagar |
| 84. | Observation of World Environment Day | 5th June, 2022 | AranyamKhetra, Geleki, Sivasagar |
| 85. | International Yoga Day | 21st June, 2022 | Jhanji Hemnath Sarma College |
| 86. | World Population Day Observation | 11th July, 2022 | Virtual Classroom, Jhanji Hemnath Sarma College |

মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱীকাসকলে ৰাজ্যখনৰ বাহিৰে ভিতৰতে বিভিন্ন শিবিৰত অংশগ্ৰহণ কৰি নিজৰ ব্যক্তিত্ব আৰু দক্ষতা বৃদ্ধিৰ সুযোগ গ্ৰহণ কৰিবলৈ সক্ষম হয়। স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱীকাসকলে বিভিন্ন ঠাইত অংশগ্ৰহণ কৰা কেইটামান শিবিৰৰ উল্লেখ তলত কৰা হ'ল।

NSS VOLUNTEER'S PARTICIPATION IN NATIONAL/REGIONAL LEVEL CAMPS

| SL. NO. | Name of Volunteers | Camp/ Programme | Date | Place |
|---|---|---|---|---|
| 1) | Anup Jyoti Arandhara,Palash Jyoti Borgohain, Kushal Dutta , Anki Saikia, Achyut Hazarika, Pranamika Borgohain, Lukymoni Gogoi, Anindita Mahanta, Tridhara Dutta, Shaymalima Lahan | Youth Conclave | 25th January, 2016 | Borpothar High School Field, Dibrugarh |
| 2) | 1.Rituparna Dihingia2.Pinku Gogoi | National Youth Festival 2016 | 1st to 5th March, 2016 | Kohima Nagaland |
| 3) | RituparnaDihingia | National Integration Camp | 14th to 20th Dec. 2016 | Ranchi, Jharkhand |
| 4) | Pinku Gogoi<br>Basanta Baruah | National Integration Camp | 25th to 29th May, 2017 | Kohima, Nagaland |
| 5) | Ashmita Gogoi ,Puja Bhattacharjya, Dimpi Gogoi , Antara Gogoi ,BonaniKhanikar, Amlan Jyoti Gogoi , Pintu Gogoi , Anupam Gogoi , Munin Khanikar, Robot Duttta , Rohit Dutta, Pallab Gogoi | One day workshop on Life Saving Mission on Road Accident | 7th June, 2017 | Jhanji Higher Secondary School, Sivasagar |
| 6) | Riki Gogoi<br>Chayanika Chutia | Workshop on Leadership Development and Enhancement of communication development | 14th and 15th June, 2017 | Dibrugarh University, Assam |
| 7) | Pinku Gogoi ,Anupam Gogoi , Udisna Sarmah , Madhurima Dutta | Training Programme on Life Skill, Leadership and Personality Development | 21st August, 2017 | Dibrugarh University |
| 8) | Priyanka Gayan<br>Abidip Phukan | Pre-Republic Day Camp | 16th Sept, 2017 | Dibrugarh University |
| 9) | Trishna Chetia, Udishan Sarmah, Jiban jyotiChangmai, Amlan Baruah | Competition in connection with National Voters Day | 24th January, 2018 | Sivasagar |
| 10) | Anupam Gogoi<br>Pinku Gogoi | NSS Mega Special Camping Programme | 7th to 11th February. 2018 | Dibrugarh University |
| 11) | Amlan jyoti Boruah, Jiban jyoti Chutia, Trishna Boruah, Devika Gogoi, Udishna Sarmah, Trishna Chetia, Niharika Gogoi, Mitali Mahanta | Participation in International Shiva Festival | 13th to 16th February. 2018 | Sivasagar |

| | | | | |
|---|---|---|---|---|
| **12)** | Pankaj Phukon, Trishna Chetia | Pre-RD Camp | 7th September, 2018 | Dibrugarh University |
| **13)** | Lakhimi Nath, Kabita Gogoi, Priyanka Gayan, Niharika Sarmah | Quiz Competition on the occasion of Independence Day Celebration | 11th Aug. 2019 | Sivasagar Town |
| **14)** | AbidipPhukon, Bhargavi Baruah | Pre-RD Camp | 17th Aug. 2019 | Dibrugarh University |
| **15)** | Borakha Rajkumari, AbidipPhukon | North East NSS Festival 2020 | 2nd to 6th Feb. 2020 | Manipur University, Canchipur |
| 16) | Borakha Rajkumari, AbidipPhukon | Pre-RD Camp | 6th Nov.2020 | Dibrugarh University |

২০২৪ চনৰ জানুৱাৰী মাহত বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপিকা ৰৱিনা চেত্ৰীয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া হিচাপে যোগদান কৰি বৰ্তমান সময়লৈকে কাৰ্যকাল চলাই আছে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত দীৰ্ঘদিন জড়িত হৈ এই কথা দৃষ্টিগোচৰ হৈছে যে এই আঁচনি খনে ছাত্ৰ সমাজখনৰ উন্নয়নত বৃহৎ বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছে। স্বেচ্ছাসেবক হিচাপে যোগদান কৰাৰ আগৰ আৰু সফলতাৰে স্বেচ্ছাসেবকৰ কাৰ্যকাল সম্পূৰ্ণ কৰাৰ অন্তত ছাত্ৰ-ছাত্ৰী সকলৰ আচৰণ আৰু দক্ষতাৰ ক্ষেত্ৰত বৃহৎ ইতিবাচক পাৰ্থক্য দেখিবলৈ পোৱা গৈছে। ছাত্ৰ-ছাত্ৰী সকলক সু-নাগৰিক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু অধিক সফল হওঁক, এয়ে আমাৰ কাম্য।

❖❖❖

---

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক*

# A Column from NCC Wing

## Rabisankar Gogoi

The 'Aims' of the NCC laid out in 1988 have stood the test of time and continue to meet the requirements expected of it in the current socio-economic scenario of the country. The NCC aims at developing character, comradeship, discipline, a secular outlook, the spirit of adventure and ideals of selfless service amongst young citizens. Further, it aims at creating a pool of organized, trained and motivated youth with leadership qualities in all walks of life, who will serve the Nation regardless of which career they choose. Needless to say, the NCC also provides an environment conducive to motivating young Indians to join the armed forces. In the year 1967, 11 Assam Batellian Wings was started in the college under the care of Mr Tarun Chandra Boruah, Department of History. Numbers of students of the college had joined the wing and could able to complete the 'C' certificate successfully. At a later stage, the 11 Assam Batellian Wings of the college suspended due to some technical difficulties. With the responsibility as Officer-in-charge, Mrs Manurima Bhagawati, Assistant Professor, Department of Political Science restarted the NCC Wing of 49 Assam Naval Unit in the year 2005. During those initial phase, only the girls' students were allowed to join the NCC Unit of the College. Prof. Bhagawati left the office as Officer-in-charge in the year 2012 by handing over the charge to Mr Basanta Handique, Assistant Professor, Department of Political Science. In the year 2013, Mr Upen Chandra Das, Assistant Professor, Department of Assamese took over the charge as Care Taker Officer (CTO) and made it possible for the boys' student to join the college NCC Wing. With that effort to admit the boys as Cadet, the NCC Unit, 1/3 of total seats have been reserved for SD (Boys) under the care of Commanding Officer (CO) of 49 Assam Naval Unit, Sivasagar Zone. At present, Mr Rabisankar Gogoi, Assistant Professor, Department of Commerce is currently serving as Care Taker Officer

(CTO) of the NCC College wing.

Till date, the cadets of the college wing have not only participated in National Level camps but also have brought glory to the college as well as to 49 Assam Naval Unit, Sivasagar Zone.

'C' Certificate Qualified Cadets

| SL No | Passing Year | SD (Boys) | SW (Girls) | Total |
|---|---|---|---|---|
| 1 | 2018 | 5 | 3 | 8 |
| 2 | 2019 | 14 | 7 | 21 |
| 3 | 2020 | 3 | 3 | 6 |
| 4 | 2021 | 6 | 3 | 9 |
| 5 | 2022 | - | - | - |
| 6 | 2023 | - | 2 | 2 |
| 7 | 2024 | 1 | 4 | 5 |

❖❖❖

*Writer is an Assistant Professor, Department of Commerce*
*Jhanji Hemnath Sarma College*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ ঃ এক চমু আভাস

**নৱনীতা বৰা**

ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰাণ পাই উঠা ‘ৰঙামুৰা বীৰ’ৰ বিচৰণ থলী জামুগুৰি চাপৰিত এচাম বিদ্যোৎসাহী লোকৰ সৎ প্ৰচেষ্টা তথা অহোপুৰুষাৰ্থ বলত ১৯৬৪ চনৰ জুলাইত ‘জাঁজী প্লাবিক হল’ত জাঁজী কলেজৰ আৰম্ভণি হয়। কলেজৰ উদ্বোধন কৰে পণ্ডিত ড° যোগীৰাজ বসুৱে। মহাবিদ্যালয়খনত কলা,বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাৰ প্ৰৱৰ্তন কৰিবলৈ ৰাজহুৱা সভাই প্ৰস্তাৱ লৈছিল যদিও প্ৰথম পৰ্যায়ত কলা আৰু বিজ্ঞান শাখাতহে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি হৈছিল। ১৯৭২ চনৰ পৰাহে বাণিজ্য শাখাৰ আৰম্ভ হৈছিল। প্ৰথম বছৰৰ প্ৰাক্-বিশ্ববিদ্যালয় (Pre University)শ্ৰেণীসমূহত কলা শাখাত আছিল ৭১ জন আৰু বিজ্ঞান শাখাত আছিল ৪২ জন ছাত্ৰ-ছাত্ৰী। কলা শাখাৰ অসমীয়া বিভাগত অন্তৰ্ভূক্ত হোৱা বিষয়কেইটা আছিল-আধুনিক ভাৰতীয় ভাষা (MIL), বিকল্প অসমীয়া (Alternative Assamese) আৰু অসমীয়া দ্বিতীয় ভাষা (Assamese Second Language)। ১৯৬৫ চনৰ জাঁজী কলেজ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্ভূক্ত হয় আৰু স্নাতক পৰ্যায়ৰ শিক্ষা আৰম্ভ হয়। প্ৰতিষ্ঠাৰ বৰ্ষতে অসমীয়া বিষয়ৰ শ্ৰেণীসমূহ সাময়িকভাৱে কৰিছিলহি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক জাঁজী নিবাসী প্ৰয়াত নবীন গগৈদেৱে। সেই বৰ্ষতে আগষ্ট মাহত মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰথমগৰাকী শিক্ষক হিচাপে স্থায়ীভাৱে যোগদান কৰে প্ৰয়াত চিত্ৰলতা ফুকন।

১৯৬৯-৭০ চনৰ পৰা অসমীয়া বিষয়ত সন্মান পাঠ্যক্ৰম (Honours in Assamese) আৰম্ভ কৰা হয়।১৯৭১ চনত জাঁজী কলেজৰ নাম ‘জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়’ কৰা হয়।১৯৬৬ চনত প্ৰয়াত যতীন বৰাই মহাবিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰাৰ পিছতে ১৯৬৮ চনৰ ১৬ ছেপ্তেম্বৰত মহাবিদ্যালয়ত শ্ৰীযুত ভৱানী কুমাৰ বৰুৱাই যোগদান কৰে।ইতিমধ্যে মহাবিদ্যালয়খনৰ লগতে অসমীয়া বিভাগটোৱেও এটা গতি লাভ কৰিছিল।১৯৭২ চনত প্ৰয়াত ড° জগন্নাথ মহন্তই আৰু ১৯৭৭  চনত প্ৰয়াত ড° ঊষাৰাণী বৰুৱাই বিভাগত যোগদান কৰি বিভাগটোৰ উত্তৰণৰ এক মাত্ৰা প্ৰদান কৰে। ঊষা বাইদেউ ১৯৮২ চনত তেখেতে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত যোগদান কৰাৰ সূত্ৰে আমাৰ মহাবিদ্যালয় এৰি যায়।১৯৮২ চনৰ ১ অক্টোবৰত শ্ৰীযুত চন্দন দত্তদেৱে বিভাগত

যোগদান কৰেহি। পৰৱৰ্তী সময়ত একাদিক্ৰমে ১৯৯৩ চনত নৱনীতা বৰা,১৯৯৭ চনত প্ৰয়াত ü?Ï» ðÃÃ,২০০০ চনত ড° প্ৰমোদ চন্দ্ৰ দাস,২০০২ চনত শ্ৰী জীৱনণি নাথ,২০০৬ চনত শ্ৰী উপেন চন্দ্ৰ দাস,২০২০ চনত ড° মণ্টু কুমাৰ বড়া আৰু শেহতীয়াকৈ ২০২২ বৰ্ষত বিভাগত যোগদান কৰিছেহি শ্ৰী ৰাতুল বড়াই।

টীয়ক চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়ৰ সেই সময়ৰ অসমীয়া বিভাগত শিক্ষক শ্ৰীযুত যোগেন বৰুৱায়ো এই বিভাগত অংশকালীন শিক্ষক হিচাপে প্ৰথমছোৱা সময়ত সেৱা আগবঢ়াইছিল। পিছৰ পৰ্যায়ত ২০০৮ আৰু ২০০৯ বৰ্ষত বিভাগত দুজন শিক্ষক ক্ৰমে শ্ৰী জিতুল চন্দ্ৰ বৰা আৰু শ্ৰীমতী নিজৰা কোঁচে কিছুদিন অংশকালীনভাৱে শিক্ষকতা কৰিছিল। তদুপৰি ১৯৬৭ চনত মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে নিযুক্ত হোৱা প্ৰয়াত শিৱনাথ শৰ্মায়ো অৱসৰ পৰ্যন্ত অসমীয়া বিভাগত পাঠদান কৰিছিল।এই সকলো শিক্ষকেই নিজৰ নিজৰ চাৰিত্ৰিক বৈশিষ্ট্যৰে বিদ্যায়তনিক ক্ষেত্ৰৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক উত্তৰণৰ দিশত অৱদান আগবঢ়াই আহিছে।

অসমীয়া বিষয়ত অনাৰ্চ আৰম্ভ কৰাৰ পিছত প্ৰথম বেট্‌ছৰ শ্ৰীমতী ৰীণা ভড়ালী দ্বিতীয় শ্ৰেণীত উৰ্ত্তীণ হয়। তাৰপাছত বছৰবোৰত শ্ৰী জয়ন্ত মাধৱ শৰ্মা, শ্ৰী প্ৰণৱ খাউণ্ড, শ্ৰীমতী বন্তি বৰপূজাৰী ইত্যাদিয়ে সুখ্যাতিৰে ডিষ্টিংচনসহ অসমীয়া বিভাগত সন্মানসহকাৰে উৰ্ত্তীণ হয়। সেই সময়ছোৱাত প্ৰথম শ্ৰেণী পোৱাটো বৰ বিৰল আছিল। ২০০৭ চনত বিভাগৰ ছাত্ৰী ড° দীপশিখা গগৈয়ে প্ৰথমবাৰৰ বাবে প্ৰথম বিভাগ লাভ কৰি বিভাগ তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।তাৰ পাছৰ পৰা বৰ্তমানলৈকে প্ৰায় সত্তৰজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত সুখ্যাতিৰে উৰ্ত্তীণ হৈ বিভাগটোৰ উত্তৰণৰ গতি অক্ষুন্ন ৰাখিছে। সেইসকল হ'ল -দীপশিখা গগৈ(২০০৭),স্বপ্না নাথ (২০০৯),মণিষা শইকীয়া (২০০৯), জাহ্নৱী বাৰুৱতী (২০০৯), পাপু শইকীয়া (২০০৯), ৰূপজ্যোতি নাথ (২০১০), পল্লৱী ফুকন (২০১০), অনামিকা গগৈ (২০১০), দেৱজিৎ বৰুৱা (২০১১, ডিষ্টিংচন), ৰাণাডোনা নাথ (২০১২), ময়ূৰী ভূঞা (২০১২), কৰিশ্মা বৰুৱা (২০১২), মাধুৰী বৰুৱা (২০১২), জুৰী দাস (২০১২), ববিতা গগৈ (২০১৩), বিনীতা ফুকন (২০১৩), উৰ্বশী মহন্ত (২০১৪), বুলবুল বৰুৱা (২০১৫), মানস বৰুৱা (২০১৫), ৰূপজ্যোতি বৰুৱা (২০১৫), কবিতা বৰা (২০১৫), শিৱানী নাথ (২০১৫), পৰিস্মিতা গগৈ (২০১৫), বিনী হাজৰিকা (২০১৫), বিস্মৃতা গগৈ (২০১৫০), পৰিমল্লিকা গগৈ (২০১৫), পৰীজ্যোতি ভঁৰালী (২০১৫), পল্লীকা কোঁৱৰ (২০১৬), মোহিনী দেৱী (২০১৬), মধুস্মিতা নেওগ (২০১৬), ৰূপামণি দাস (২০১৬), সুস্মিতা দাস (২০১৬), অভিলাষী গগৈ (২০১৭), মৃদুস্মিতা চুতীয়া (২০১৭), কাকুমণি বৰা (২০১৭), দীপিকা গগৈ (২০১৭), পিংকি ফুকন (২০১৭), সঙ্গীতা বৰা (২০১৭), ৰুবী দত্ত (২০১৭), মেঘালী দাস (২০১৮), প্ৰশান্ত নেওগ (২০১৮), ৰশ্মিৰেখা গগৈ (২০১৮), ছায়ামণি লাহন (২০১৮), দীপশিখা বৰুৱা (২০১৮), সুমিত্ৰা চাংমাই (২০১৯), বৰ্ষা শইকীয়া (২০১৯), প্ৰাংসু অনুভৱ বৰুৱা (২০১৯), অৰ্পিতা শইকীয়া (২০১৯), নৱজ্যোতি বৰা (২০১৯), জিনু দত্ত (২০১৯), সুৰভি সৎনামী (২০১৯), মিনতি মহন্ত (২০১৯), বৰ্ষা গগৈ (২০১৯), অপৰাজিতা কোঁৱৰ (২০১৯), সোণালী

শইকীয়া (২০১৯), মেঘনা দাস (২০২০), চুমচুমী নাথ (২০২০), আতিথ্য ফুকন (২০২১), ৰশ্মি বৰা (২০২১), সুদক্ষিণা বৰুৱা (২০২১), চুমী চুতীয়া (২০২১), পল্লৱী কোঁৱৰ (২০২১), বিশ্ববিদ্যালয়ৰ ফলাফল পদ্ধতি পৰিৱৰ্তন হোৱাৰ বাবে বৰ্তমান প্ৰথম বিভাগৰ বিলুপ্তিকৰণৰ পিছত ২০২২ বৰ্ষত আমাৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে A আৰু B+ গ্ৰেড লাভ কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। সেইসকলৰ ভিতৰত প্ৰিয়াক্ষী বড়া,সংগীতা গগৈ, মাধুৰী কটকী, চিমা নেওগ, ৰিতুৰাজ মহন্ত, গীতাশ্ৰী লাহন, পূজা গগৈ, বিদিশা শইকীয়া, দেৱজ্যোতি দাস, গৌৰৱ কোঁৱৰ, আৰু প্ৰীতি বৰগোহাঁই। ২০২৩ বৰ্ষত ক্ৰমে পৰিস্মিতা গগৈ, মনজিতা দত্ত, সোণমণি দত্ত, ভাগ্যশ্ৰী ফুকন, প্ৰিয়াক্ষী শইকীয়া, গীতাশ্ৰী গগৈ, প্ৰীতিৰেখা দাস, মধুস্মিতা খনিকৰ, মনীষা ফুকন, আৰু ২০২৪ বৰ্ষত লখিমী নেওগ, বৰ্ণালী চুতীয়া, পাৰিজাত গগৈ, তুলিকা গায়ন, পিংকি নাথ, অয়নবৃণা বৰগোহাঁই, ময়ূৰী সন্দিকৈ, সবিতা গগৈ, প্ৰিয়াশ্ৰী বৰুৱা ইত্যাদি উল্লেখযোগ্য।

মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা ড° লোপামুদ্ৰা বৰুৱা, ড° অঞ্জু বৰা, ড° ৰশ্মিৰেখা গগৈ, ড° ধীৰেন কলিতা, ড° ৰঘুনাথ কাগয়ুং, ড° মৃণালী কাগয়ুং, ড° অজিত কুমাৰ ভৰালী, ড° দীপশিখা গগৈয়ে ইতিমধ্যে বিভিন্ন বিষয়ত গৱেষণা কৰি পিএইচ.ডি লাভ কৰিছে। ইয়াৰে ড° অজিত কুমাৰ ভৰালী, ড° ৰুমামণি বৰুৱা আৰু ড° দীপশিখা গগৈয়ে নলবাৰী কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি আছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বহু সংখ্যকে বিভিন্ন মহাবিদ্যালয়ত অধ্যাপনা কৰি আছে। সেইসকলৰ ভিতৰত-

ড° লোপামুদ্ৰা বৰুৱা, সুৰেন দাস কলেজ, হাজো।
ড° অঞ্জু বৰা, এম.ডি.কে.জি. কলেজ, ডিব্ৰুগড়।
ড° ৰশ্মিৰেখা গগৈ, শিৱসাগৰ ছোৱালী কলেজ।
ড° ধীৰেন কলিতা, কাকজান কলেজ, কাকজান।
শ্ৰীমতী অনিমা নেওগ, যোৰহাট কলেজ, যোৰহাট।
ড° ৰঘুনাথ কাগয়ুং, সোণাৰী কলেজ, চৰাইদেও।
শ্ৰীমতী বিনীতা গগৈ, কন্যা মহাবিদ্যালয়, গুৱাহাটী।
ড° ৰুমামণি বৰুৱা, লেডীকীন কলেজ, শ্বিলং।
শ্ৰী মৃদুজ্যোতি কলিতা, দুলীয়াজান ছোৱালী কলেজ, ডিব্ৰুগড়।
ড° মৃণালী কাগয়ুং, এন.এন শইকীয়া কলেজ, তিতাবৰ, যোৰহাট।।

বহু সংখ্যক ছাত্ৰ-ছাত্ৰী বিভিন্ন শিক্ষানুষ্ঠানৰ লগত জড়িত হৈ আছে। সেইসকলৰ ভিতৰত সৰ্বশ্ৰী যোগেশ কিশোৰ ফুকন,অঞ্জনা গগৈ, নিৰুপমা নেওগ, অমিয়া ডেকা, প্ৰতাপ কুমাৰ বৰুৱা, সাধনা সন্দিকৈ, প্ৰজ্ঞাজ্যোতি বৰুৱা, প্ৰাণৰেন্দ্ৰ বৰা, জ্যোতিকা শইকীয়া, মিতালী শইকীয়া, কবিতা বৰুৱা, গীতাঞ্জলী বৰুৱা, হিমাদ্ৰী বৰা, মল্লিকাগিৰি বৰুৱা, বিদ্যু নাথ, কংকনা শইকীয়া, মিতালী গগৈ, পৰিস্মিতা ফুকন, স্বপ্না নাথ, ৰূপজ্যোতি নাথ, পল্লৱী ফুকন, দেৱজিৎ বৰুৱা, কৰবী শইকীয়া, অনিমা দাস, শিৱানী নাথ, কবিতা বৰা, ৰাণাডোনা নাথ, ময়ূৰী ভূঞা, ৰূপজ্যোতি বৰুৱা, মৃদুস্মিতা চুতীয়া, অভিলাষী গগৈ, সুমিত্ৰা চাংমাই ইত্যাদি উল্লেখযোগ্য।

অসমীয়া বিভাগৰ পৰা উৰ্ত্তীণ হোৱা বহু ছাত্ৰ-ছাত্ৰী পৰৱৰ্তী সময়ত অসমীয়া সাহিত্য জগততো নিজক জড়িত কৰি প্ৰতিষ্ঠিত হৈছে। সেইসকলৰ ভিতৰত শ্ৰী যোগেশ কিশোৰ ফুকন, শ্ৰী অনন্ত নাৰায়ণ বৰঠাকু, ড° ৰঘুনাথ কাগয়ুং, ড° মৃণালী কাগয়ুং, ড° অজিত ভৰালী, শ্ৰী অমল

কৃষ্ণ ভৰালী, প্ৰজ্ঞাজ্যোতি বৰুৱা ইত্যাদিৰ নাম ল'ব পৰা যায়। ইয়াৰ বাহিৰেও বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ো চৰকাৰী-বেচৰকাৰী বহু স্থানত সংস্থাপিত হৈ নিজৰ পাৰদৰ্শিতাৰ প্ৰমাণ দি আহিছে।

মহাবিদ্যালয়ৰ আৰম্ভণি পৰ্যায়ৰ পৰাই অসমীয়া বিভাগে বিভিন্ন সাহিত্য-সংস্কৃতিৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। বিভাগৰ উদ্যোগত 'অসমীয়া নতুন কবিতা'শীৰ্ষক এক বিশেষ বক্তৃতানুষ্ঠানত বক্তা হিচাপে অংশ গ্ৰহণ কৰিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ড° নগেন শইকীয়া আৰু ড° কৰবী ডেকা হাজৰিকাই।

২০০২ চনত তদানীন্তন বিভাগীয় প্ৰধান শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰৰ তত্বাৱধানতে 'সাহিত্য চ'ৰা ঃ অসমীয়া বিভাগ'ৰ গঠন হয়। মহাবিদ্যালয়ৰ ভিতৰতেই এনেধৰণৰ বিভাগীয় চ'ৰা এয়েই প্ৰথম। এই সাহিত্য চ'ৰাৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ সীমাবদ্ধতাৰ উৰ্দ্ধলৈ গৈ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে চেষ্টা কৰা। শিক্ষা, সাহিত্য, সংস্কৃতিৰ লগত সঙ্গতি থকা বিভিন্ন কাৰ্যসূচী চ'ৰাৰ জৰিয়তে ৰূপায়ণ কৰিবলৈ চেষ্টা কৰা হৈছিল। আৰম্ভণিৰ পৰা প্ৰায় প্ৰত্যেক বৰ্ষতে বিভিন্ন বিষয়ৰ আলোচনাচক্ৰ আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰি অহা হৈছে। সেইদৰে শিক্ষামূলক ভ্ৰমণ, সাহিত্য, সংস্কৃতি সম্পৰ্কীয় জৰীপ কাৰ্য ইত্যাদিও প্ৰত্যেক বছৰেই চ'ৰাৰ ফালৰ পৰা কৰি অহা হৈছে। তেনে কেইটামান অনুষ্ঠান হৈছে-

১। 'শংকৰদেৱৰ অসমীয়া নাটঃউদ্ভৱ, সমৃদ্ধি আৰু ৰূপান্তৰ'শীৰ্ষক আলোচনাচক্ৰ ২০০৩ বৰ্ষত অনুষ্ঠিত হয়। ইয়াত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° অৰুন্ধতী মহন্তই।

২। ২০০৫ বৰ্ষত অনুষ্ঠিত হয় 'বেদান্ত দৰ্শন অসমীয়া নাটঃইয়াৰ সাহিত্যিক আৰু সাংস্কৃতিক মূল্যায়ন'শীৰ্ষক
আলোচনাচক্ৰত সমল ব্যক্তিৰূপে অংশ গ্ৰহণ কৰিছিল যথাক্ৰমে মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ৰাজীৱ শৰ্মা আৰু চাৰিং মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুতা নিৰূপমা মহন্তই।

৩। ২০০৬ বৰ্ষত 'শব্দ প্ৰকাশন'ৰ গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত এখন কবি সন্মিলনৰ আয়োজন কৰা হয়।

৪। ২০০৭ চনত 'অসমীয়া ভাষাৰ কালিকা'শীৰ্ষক এখনি মনোজ্ঞ আলোচনাচক্ৰ সমল ব্যক্তিৰূপে উপস্থিত আছিল বিশিষ্ট শিক্ষাবিদ ড° কৃষ্ণকুমাৰ মিশ্ৰদেৱ।

৫। ২০০৮ বৰ্ষত অনুষ্ঠিত হয় 'আধুনিক অসমীয়া কবিতাৰ গতিবৈচিত্ৰ' বিষয়ক আকৰ্ষণীয় ছাত্ৰ আলোচনাচক্ৰ (Student Seminar)। ইয়াত সমল ব্যক্তিৰূপে উপস্থিত আছিল যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা শ্ৰীযুতা জ্যোতিৰেখা হাজৰিকা আৰু নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত জীৱন কলিতা। ইয়াত অসমৰ বিভিন্ন স্থানৰ ২৩ খন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল।

৬। ২০০৯ বৰ্ষত 'অসমীয়া আখৰ জোঁটনি' সম্পৰ্কে এখন কৰ্মশালা অনুষ্ঠিত হয় আৰু ইয়াৰ সমল ব্যক্তি আছিল চাৰিং মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মামণি বৰা খাৰঘৰীয়া।

৭।২০১০ চনত শিৱসাগৰ জিলা সাহিত্য সভাৰ সহযোগত চ'ৰাই অনুষ্ঠিত কৰে 'আধুনিক

অসমীয়া গীতি সাহিত্য আৰু সংগীতৰ ধাৰা'শীৰ্ষক চিত্তাকৰ্ষক বক্তৃতানুষ্ঠান। ইয়াৰে সমল ব্যক্তি আছিল অসমৰ বিশিষ্ট সংগীত শিল্পী গৱেষক শ্ৰীযুত লোকনাথ গোস্বামীদেৱ।

৮।'ৰামধেনু যুগৰ চুটিগল্প'শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয় ২০১১ চনত।ইয়াৰ সমল ব্যক্তি আছিল যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যাপক,বিশিষ্ট গল্পকাৰ ড° অপূৰ্ব বৰা।

৯। ২০১২ বৰ্ষত 'আধুনিক অসমীয়া কবিতাৰ পটভূমি হীৰেণ ভট্টাচাৰ্যৰ কবিতা' বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইয়াৰে সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে শিৱসাগৰৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ধ্ৰুৱজ্যোতি বৰঠাকুৰে।

১০। ২০১৩ বৰ্ষত অসমীয়া আৰু ইংৰাজী বিভাগৰ যুটীয়া উদ্যোগত,বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত'সাহিত্যৰ অনুবাদ'শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Director College Development,তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মদন শৰ্মা,নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক অৰিন্দম বৰকটকী ইত্যাদি উপস্থিত আছিল।

১১। ২০১৩ বৰ্ষতে 'উনবিংশ শতিকাৰ অসমৰ সমাজ জীৱন' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বক্তৃতা প্ৰদান কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াদেৱে। ড° কৃষ্ণ কুমাৰ মিশ্ৰদেৱে উদ্বোধন কৰা অনুষ্ঠানটিৰ সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰে শ্ৰীযুত ভৱানী কুমাৰ বৰুৱাদেৱে।

১২। ২০১৫ ত আয়োজিত হয় 'দেৱকান্ত বৰুৱাৰ জীৱন আৰু কবিতা'শীৰ্ষক এক আলোচনা চক্ৰ। ইয়াত সমল ব্যক্তিৰূপে অংশ গ্ৰহণ কৰে নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ৰাজীৱ বৰা আৰু মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত জীৱমণি নাথে।

১৩। ২০১৮ বৰ্ষত 'অসমীয়া লোক কবিতাৰ সৌন্দৰ্য'শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বক্তৃতা প্ৰদান কৰে মৰাণ মহাবিদ্যালৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট লোক-সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াদেৱে।

সেইদৰে বিভিন্ন সময়ৰ বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী,ছাত্ৰ-ছাত্ৰীসকলে জৰীপ,ক্ষেত্ৰ অধ্যয়ন ইত্যাদিও সম্পাদন কৰিছে। সেইবোৰৰ ভিতৰত আছে-

১। ২০০২ চনত আমগুৰিৰ কপাহতলি মিচিং গাঁও আৰু চাহ-বাগিছাত ক্ষেত্ৰ অধ্যয়ন কৰা হয়।

২। ২০০৩ বৰ্ষত মাজুলীৰ বিভিন্ন সত্ৰ ভ্ৰমণ কৰা হয়।

৩। ২০০৪ বৰ্ষত গুৱাহাটীৰ বিভিন্ন ঐতিহ্যপূৰ্ণ স্থান পৰিভ্ৰমণ কৰা হয়।

৪। শিক্ষামূলক ভ্ৰমণ কৰা হয় কোচবিহাৰৰ মধুপুৰ সত্ৰ আৰু জিনকাটা সত্ৰলৈ।

পৰৱৰ্তী সময়ছোৱাত তেজপুৰ, মাজুলী ইত্যাদি স্থানলৈ একাধিকবাৰ শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ লগতে নাহৰকটীয়াৰ নামফাকে গাঁও, কুজিবালি, হাঁহচৰা নগা গাঁও, লাকুৱাৰ চলাপথাৰ শ্যামগাঁও, যোৰহাট অসম বংগীয় সাৰস্বত মঠ,

অৰুণাচল প্ৰদেশৰ লিকাবালিত অৱস্থিত মালিনী থান ইত্যাদিলৈ জৰীপ আৰু ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে যোৱা হয়।

অন্যান্য বৰ্ষবোৰৰ দৰেই ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ এটা দলে নামচাই ভ্ৰমণ কৰে।এই যাত্ৰত ‘Arunachal University of Studies’ পৰিদৰ্শন কৰা হয়। সেইদৰে ২০২৪ বৰ্ষত বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ এটা দলে ধেমাজীত অৱস্থিত এখন অভিনৱ শিক্ষানুষ্ঠান ‘বিদ্যা দা লিভিং স্কুল’পৰিদৰ্শন কৰে। ড° প্ৰাঞ্জল বুঢ়াগোহাঁইৰ চিন্তা আৰু কৰ্মৰ ফচল এই ব্যক্তিক্ৰমী বিদ্যালয়খন ভ্ৰমণ কৰি সকলো অভিভূত হৈ পৰে। প্ৰায় প্ৰত্যেক বছৰতে কৰা এনে ভ্ৰমণবোৰে বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধি কৰাৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সু-সম্পৰ্ক আৰু দৃঢ় কৰি তোলে।

২০০৩ বৰ্ষত বিভাগৰ হাতে লিখা আলোচনী ‘অংকুৰ’ প্ৰকাশ পায়। ২০০৪ বৰ্ষৰ পৰা ‘অংকুৰ’ ছপাৰূপত প্ৰকাশিত হয়।২০০৫ চনৰ পৰা বিভাগীয় বছেৰেকীয়া প্ৰাচীৰ পত্ৰিকা ‘সূৰুযমুখী’ প্ৰকাশিত হয়। এই দুয়োখন বৰ্তমানলৈকে প্ৰায় নিয়মীয়াকৈ প্ৰকাশ হৈ আহিছে।মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা আৰু আলোচনী প্ৰকাশৰ পৰম্পৰাৰ আৰম্ভণিৰ ক্ষেত্ৰত ‘সূৰুযমুখী’ আৰু ‘অংকুৰ’-এ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে।বৰ্তমান মহাবিদ্যালয়ৰ প্ৰত্যেক বিভাগৰ পৰাই প্ৰচীৰ পত্ৰিকা প্ৰকাশ পায়।

সময়ৰ লগে লগে পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাৰ লগত খাপ খাবৰ বাবে অন্য বিভাগবোৰৰ লগতে অসমীয়া বিভাগলৈও সময়ে সময়ে বহু পৰিৱৰ্তন আহিছে।২০১৫ চনত বিভাগৰ উদ্যোগত এটি সংগ্ৰাহালয় স্থাপন কৰা হয়। ইয়াত অসমীয়া সাহিত্য, সংস্কৃতিৰ লগত জড়িত বিভিন্ন সামগ্ৰীৰ সংৰক্ষণ কৰিবলৈ চেষ্টা কৰা হৈছে। ২০১৯ চনত এই সংগ্ৰহালয় গৃহটি আমগুৰি বিধানসভাৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰদীপ হাজৰিকাদেৱৰ বিধায়ক পুঁজিৰে পুনঃনিৰ্মাণ আৰম্ভ হয় আৰু ২০২০ চনত ইয়াৰ দুৱাৰ মুকলি কৰা হয়।

শেহতীয়াকৈ ২০২০ চনৰ পৰা অসমীয়া ডি.টি.পি.ৰ এটি Add on Course জাঁজী, জামুগুৰিস্থিত Computech নামৰ প্ৰতিস্থানৰ সহযোগত চলাই থকা হৈছে। সেইদৰে ২০২১ চনৰ পৰা মহাবিদ্যালয়ৰ Green Clubৰ সহযোগত বিভাগে এটি কেঁচুসাৰ প্ৰকল্পও চলাই থকাৰ লগতে বৰ্তমান ইয়াৰ বিপণনো আৰম্ভ হৈছে। ২০২৩ বৰ্ষৰ পৰা পাঠ্যক্ৰমৰ অন্তৰ্গত হিচাপে ‘কাঠফুলা খেতি’ৰ প্ৰকল্পও বিভাগৰ দ্বাৰা কৰি থকা হৈছে। অতি সোনকালেই বিভাগত স্নাতকোত্তৰ শ্ৰেণীসমূহো আৰম্ভ কৰাৰ কথা চিন্তা কৰা হৈছে।এই সম্পৰ্কে বিদ্যালয়ৰ লগত যাৱতীয় যোগাযোগ কৰি থকা হৈছে।

শেহতীয়াকৈ ২০২২ চনৰ ডিচেম্বৰ মাহৰ ২৪ তাৰিখে বিভাগৰ ‘সোণালী জয়ন্তী’ পালন কৰা হয়। এই উপলক্ষ্যত শৈক্ষিক বিষয়ৰ বক্তৃতানুষ্ঠান ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সন্মিলন ইত্যাদি অনুষ্ঠিত হোৱাৰ লগতে বিভাগৰ পৰা দুখন পুথিও উন্মোচিত হয়।এখনি বাৰ্ষিক গৱেষণা পত্ৰিকা ‘প্ৰজ্ঞা-এষণা’ আৰু সোণালী জয়ন্তী উদ্‌যাপনৰ স্মৃতিগ্ৰন্থ ‘স্বৰ্ণালোক’।মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে সহযোগত এই অনুষ্ঠানটি সুন্দৰকৈ অনুষ্ঠিত হৈ যায়।

২০২৩ বৰ্ষত বিভাগ আৰু অসম সাহিত্য সভাৰ প্ৰাচ্যবিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসমতত্ত্ব গৱেষণা সংস্থানৰ যৌথ উদ্যোগত মহাবিদ্যালয়ত ড° মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উদ্‌যাপন কৰা হয়। গৱেষণা সংস্থানৰ সঞ্চালক ড° ৰাতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিত মূল বক্তৃতা আগবঢ়ায় ড° ৰঞ্জন ভট্টাচাৰ্যই । অসম সাহিত্য সভাৰ বহুকেইজন বিষয়ববীয়াৰ লগত ড° অদিতি বেজবৰুৱাও ইয়াত উপস্থিত থাকে।

মহাবিদ্যালয়ৰ 'হীৰক জয়ন্তী' পালনৰ এই শুভ মুহূৰ্তত আমি আশা ৰখিছোঁ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ গতিত আমাৰ অসমীয়া বিভাগেও সদায় অৱদান আগবঢ়াই যাওক।

জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগ।

জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়।❖❖❖

---

*নৱনীতা বৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা*

# অৰ্থনীতি বিভাগ

**মিনতি গগৈ বৰুৱা**

মহাবিদ্যালয় এখনৰ সমৃদ্ধিৰ মুখ্য আধাৰ হ'ল অনুষ্ঠানটোৰ অন্তৰ্গত বিভাগসমূহ। একোটা বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলকে ধৰি সেই বিষয়ত শিক্ষা লোৱা ছাত্ৰছাত্ৰীসকলে নিজা কৰ্ম আৰু কৃতিত্ব তথা সাফল্যৰে বিভাগটোক সদায় সজীৱ কৰি ৰাখে। আৰম্ভণিৰ পৰা চলিত সময়লৈকে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগটোৱে নিজৰ সুনাম অটুট ৰাখিবলৈ সক্ষম হৈ আহিছে। দেশ এখনৰ প্ৰগতিৰ মুখ্য চাবিকাঠি হ'ল অৰ্থনীতি। এই লিখনিৰ জৰিয়তে অৰ্থনীতিৰ তাত্বিক আৰু প্ৰায়োগিক দিশৰ সম্যক জ্ঞান প্ৰদান কৰি অহা মহাবিদ্যালয়ৰ অৰ্থবিজ্ঞান বিভাগটোৰ অতীত আৰু বৰ্তমানৰ ৰূপৰেখা অংকন কৰিবলৈ প্ৰয়াস কৰা হ'ল।

১৯৬৪ চনৰ ২৫ জুলাইত জাঁজী জামুগুৰিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হোৱাৰ দিনৰ পৰাই অৰ্থনীতি বিভাগটোৰ যাত্ৰা আৰম্ভ হয়। মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰতিষ্ঠাপক প্ৰৱক্তা হ'ল প্ৰয়াত কীৰ্তি চন্দ্ৰ দত্ত। দত্তদেৱৰ পাছতে দ্বিতীয়জন প্ৰবক্তা হিচাপে ০১-০১-১৯৬৭ তাৰিখে যোগদান কৰে প্ৰয়াত হৰিনাৰায়ণ আগৰৱালাদেৱে। আৰম্ভণিতে সাধাৰণ পাঠ্যক্ৰমেৰে আৰম্ভ হোৱা আমাৰ বিভাগটোত ১৯৭৫ চনত সন্মানৰ পাঠ্যক্ৰম সংযোজন কৰা হয়। বৰ্দ্ধিত পাঠ্যক্ৰমৰ পৰিপ্ৰেক্ষিতত তৃতীয়জন প্ৰৱক্তা গিৰিণ স্বৰ্ণকাৰে নিযুক্তি পাইছিল, কিন্তু তেখেতে অসম চৰকাৰৰ জিলা পৰিকল্পনা বিভাগত নিযুক্তি লাভ কৰাত পদটো খালী হৈ পৰে। উল্লেখযোগ্য যে, আমাৰ মহাবিদ্যালয়ৰ অৰ্থনীতিৰ বিষয়টো বাণিজ্য আৰু কলা শাখাৰ উভয়ৰে প্ৰাক্-স্নাতক উচ্চতৰ মাধ্যমিক শ্ৰেণীত একেলগে পাঠদান কৰি অহা হৈছে, কাৰণ এই দুই শাখাৰ এই শ্ৰেণী দুটাত অৰ্থনীতি বিষয়টোৰ পাঠ্যক্ৰম একে। সেয়ে উভয় শাখাৰ প্ৰৱক্তাই প্ৰয়োজনত পৰস্পৰক পাঠদানত বিশেষভাৱে সহায় কৰে। এনে পৰিপ্ৰেক্ষিতত ১-১১-৭৫ তাৰিখে মহাবিদ্যালয়ৰ বাণিজ্য শাখাত অৰ্থনীতি বিষয়ৰ প্ৰৱক্তাৰূপে যোগদান কৰা ড° অনিল কুমাৰ গগৈদেৱে অৰ্থনীতি বিভাগৰ শ্ৰেণীসমূহ চলাই নিয়াত উল্লেখনীয় সহযোগিতা আগবঢ়ায়। গিৰিণ স্বৰ্ণকাৰে ইস্তফা দিয়াৰ পাছত এই খালী পদত ১৩-৭-১৯৭৯ তাৰিখে শ্ৰীযুত বীৰেশ্বৰ নেওগদেৱে অৰ্থনীতি বিভাগত নিযুক্তি পায়। ১৯৮৩ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত অৰ্থনীতি বিভাগৰ মুৰব্বী প্ৰৱক্তা কীৰ্তি চন্দ্ৰ দত্তই আমগুৰি সমষ্টিৰ পৰা নিৰ্বাচিত হৈ বিধানসভাৰ সদস্য পদ লাভ কৰে। ফলত জ্যেষ্ঠ প্ৰৱক্তা হৰিনাৰায়ণ আগৰৱালাই বিভাগীয় মুৰব্বী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি

বিভাগীয় কামকাজ আগবঢ়াই নিয়ে। বিধান সভালৈ নির্বাচিত হোৱা দত্তদেৱৰ পদটোত ১৯৮৫ চনত যোগদান কৰে প্ৰৱক্তা শ্ৰীমতী মীৰাবালা বৰাই। অৰ্থনীতি বিভাগলৈ নতুনকৈ মঞ্জুৰ হৈ অহা পদ এটিত ১৭-৯-৮৬ তাৰিখে শ্ৰীযুত দেবেশ্বৰ বৰাই যোগদান কৰে। ১১-১১-৯১ তাৰিখে কীৰ্তি চন্দ্ৰ দত্তই পুনৰ প্ৰৱক্তাৰ কামত আহি যোগ দিয়ে।

প্ৰৱক্তা দেৱেশ্বৰ বৰাই অসম লোক সেৱা আয়োগৰ পৰীক্ষাত কৃতকাৰ্য হৈ অতিৰিক্ত সহকাৰী আয়ুক্ত (ADC) হিচাপে যোগদান কৰাত, সেই পদত শ্ৰীমতী মিনতি গগৈয়ে ১১-১১-৯২ তাৰিখে নিযুক্তি লাভ কৰে। শ্ৰী দেৱজিৎ শৰ্মা ১২-২-৯৪ তাৰিখত বাণিজ্য শাখাৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা পদত নিযুক্ত হয়। শৰ্মাদেৱেও আমাৰ বিভাগৰ কামকাজ চলাই নিয়াত পূৰ্ণ সহযোগ কৰে। কীৰ্তি চন্দ্ৰ দত্তদেৱে ২৮-০২-২০০১ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। ইয়াৰ পাছত মূৰব্বী প্ৰবক্তা হৰিনাৰায়ণ আগৰৱালাদেৱে অৱসৰ গ্ৰহণ কৰে ২০০১ চনৰ আগষ্ট মাহৰ ৩১ তাৰিখে। কীৰ্তি চন্দ্ৰ দত্তদেৱৰ অৱসৰৰ যোগে খালী হৈ থকা পদটি নৱপ্ৰবৰ্তিত 'ৰোষ্টাৰ' নিয়ম অনুযায়ী পাৰ্বত্য অঞ্চলৰ অনুসূচীত জনজাতিৰ (S.T. Hills) বাবে সংৰক্ষণ কৰিবলগীয়াত পৰে। এই নিৰ্ধাৰণমতে প্ৰয়োজনীয় অৰ্হতাৰ শিক্ষক নোপোৱাত নিযুক্তিত পলম হয়। ফলত বিভাগীয় পাঠ্যক্ৰম আগুৱাই নিবৰ বাবে সাময়িক ভাবে জাঁজীৰ শ্ৰীমতী বন্তী বৰা, ডিব্ৰুগড়ৰ শ্ৰী প্ৰদীপ্ত বৰুৱা, শিৱসাগৰৰ শ্ৰী ৰাজীৱ কলিতাৰ জৰিয়তে বিভাগে অস্থায়ী সেৱা ল'ব লগাত পৰে। পৰবৰ্তী সময়ত উক্ত পদটি ভৈয়াম অনুসূচীত জনজাতিলৈ (ST Plains) নিৰ্দ্ধাৰিত হোৱাত শ্ৰী অৰূপ দাসে ১৪-০৫-০৭ তাৰিখে আমাৰ বিভাগত যোগদান কৰে। অৰূপ দাসে ২৬-০৪-২০০৮ তাৰিখে চাকৰিৰ পৰা ইস্তফা দিয়ে। বিভাগৰ মুৰব্বী বীৰেশ্বৰ নেওগদেৱে ১-৭-২০১০ তাৰিখে মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। প্ৰাক্তন মুৰব্বী আগৰৱালাদেৱৰ দেহাৱসান ঘটে ৮-২-১৪ তাৰিখে। অৰূপ দাসৰ ইস্তফাৰ ফলত খালি হৈ থকা পদত শ্ৰী আবুটানি দলে ০২-০৮-২০০৮ তাৰিখে নিযুক্ত হয়। আবৰ্ত্তন (Rotation) পদ্ধতিৰে বিভাগীয় মুৰব্বী নিযুক্তি দিয়াৰ নিয়মত প্ৰথমবাৰলৈ ১০-৯-২০১২ তাৰিখৰ পৰা বিভাগীয় মুৰব্বী হিচাপে মীৰা বালা বৰাই কাৰ্য সম্পাদন কৰে। ২০১৬ চনৰ পৰা বিভাগৰ মুৰব্বীৰ দায়িত্ব ড° দেৱজিৎ শৰ্মাদেৱৰ ওপৰত ন্যস্ত হয়। ইয়াৰ পাছত শ্ৰী আবুটানি দলে APSC পৰীক্ষাত উত্তীৰ্ণ হৈ চাকৰি ইস্তফা দিয়াত পদটি খালী হৈ পৰে। সেই সময়চোৱাত পৰিস্মিতা গগৈ আৰু স্বপ্নালী ভট্টাচাৰ্যই অস্থায়ীভাৱে আমাৰ বিভাগত কিছুদিন সেৱা আগবঢ়ায়। ২০২০ চনৰ পৰা বিভাগীয় মুৰব্বীৰ দায়িত্ব মই  শ্ৰী মিনতি গগৈ বৰুৱাই পালন কৰি আছোঁ। ১৭-১২-২০ তাৰিখে বিভাগত নিযুক্ত হয়হি শ্ৰীমতী নিৰ্মালি বৰকাকতী। ইয়াৰ পৰবৰ্তী সময়ত ২৪-৯-২২ তৰিখে আমাৰ বিভাগত নিযুক্তি পায় শ্ৰীমতী চান্দিনি সোণোৱালে। ড° প্ৰিয়ংকা হাজৰিকাইও একে তাৰিখতে অৰ্থাৎ ২৪-৯-২২ তাৰিখত আমাৰ বিভাগত নিযুক্ত হয়। ইয়াৰ পাছত আমাৰ বিভাগত সহকাৰী অধ্যাপক ৰূপে যোগ দিয়েহি শ্ৰী জ্যোতিষ্মান লাহনে ১৭-০২-২০২৪ তাৰিখে।

সময়ৰ গতিত অৰ্থনীতি বিভাগত অনেকজন শিক্ষাগুৰুৰ যোগদান কৰা আৰু বিদায় লোৱাৰ নিয়ম সময়মতে চলি আহিছে। ইয়াৰ লগেলগে চামে চামে শিক্ষাৰ্থীসকলো প্ৰতিবছৰে

বিভাগটোত ভৰ্তি হৈছে নাইবা ইয়াৰ পৰা ওলাই গৈছে। দক্ষতা আৰু সুবিধানুযায়ী বিভাগীয় শিক্ষাৰ্থীসকলে দেশৰ ভিন্ন ক্ষেত্ৰত নিয়োজিত হৈ আপোন কৰ্মত ৰত হৈ আছে। অৰ্থনীতি বিভাগৰ সৈতে জড়িত অতীত আৰু বৰ্তমানৰ সকলো অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা আৰু শুভেচ্ছা জনাইছোঁ। অৰ্থনীতি বিভাগৰ গৌৰৱময় যাত্ৰা যেন সদায় অব্যাহত থাকে, তাৰেই কামনা কৰিছোঁ।

**বিভাগীয় গুৰু আৰু শিষ্যসকলৰ বিশেষ কৃতিত্ব আৰু সাফল্য ঃ**

অৰ্থনীতি বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ দৈনন্দিন নিয়মীয়া কাৰ্যক্ৰমণিকাৰ মাজতে আন বহু বিদ্যায়তনিক কাম-কাজত আত্মনিয়োগ কৰি সফল হৈছে। তাৰ এটি চমু আভাস দিয়া হ'ল।

১। মহাবিদ্যালয়ৰ সহযোগী অধ্যপিকা শ্ৰীমতী মিনতি গগৈ বৰুৱাই অৰ্থনীতি বিভাগৰ ১৮ খনকৈ সন্মান পাঠ্যক্ৰমৰ গ্ৰন্থ প্ৰকাশ কৰিছে। কিতাপসমূহ হ'ল— জাতীয় আয় আৰু কল্যাণ, উন্নয়ন অৰ্থনীতি, ব্যষ্টিগত অৰ্থবিজ্ঞান, সমষ্টিগত অৰ্থবিজ্ঞান, চৰকাৰী অৰ্থবিজ্ঞান, অৰ্থনীতিৰ মূলতত্ত্ব আৰু কল্যাণ আৰু আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতি আদি। (সকলো কিতাপৰ নাম উল্লেখ কৰা নাই।)

২। বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অধীনত চাৰিটা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প (Minor Research Project)ৰ কাম গত ২০১৩ চনত সম্পন্ন হৈছিল। সেইবোৰ হ'ল— (i) Role of Handloom and Weaving Industries in the Economic Upliftment of Tribal Women. by Mrs. Minati Gogoi, (ii) A Study on the Impact of Land Erosion and Flash Flood in Lower Majuli and Changing Survival Strategies. by Abotani Doley, (iii) Prospects of Fish Cultivation in Sivasagar District, Assam, By Bireswar Neog (iv) Potentiality of Eri Culture in Empowerment of Rural Women of Assam. A study on Sivasagar and Jorhat Districts of Assam.By Mirabala Borah

৩। বিভাগীয় অধ্যাপক ড° দেৱজিৎ শৰ্মাই "Pottery Industry of Assam. An analytical study of the performance and problems with ref-erence to Jorhat and Sivasagar Districts" শীৰ্ষক বিষয়ত গৱেষণা কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে ২০১৫ চনত।

৪। অধ্যাপিকা মিনতি গগৈয়ে ২০১৬ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এম.ফিল. ডিগ্ৰী লাভ কৰে।

৫। নৱনিযুক্ত অধ্যাপিকা নিৰ্মালি বৰকাকতী আৰু অধ্যাপক জ্যোতিষ্মান লাহনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত গৱেষণা কৰি আছে।

৬।ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু আলোচনাচক্ৰত আমাৰ বিভাগৰ শিক্ষকসকলে যোগদান কৰি তেওঁলোকৰ গবেষণা পত্ৰ পাঠ কৰিছে। এইবোৰৰ ভালেকেইখন গৱেষণাপত্ৰ ইতিমধ্যে গ্ৰন্থাকাৰে প্ৰকাশ পাইছে নাইবা আন কোনো কোনো গ্ৰন্থত সংকলিত হৈছে।

৭। মহাবিদ্যালয়ৰ অৰ্থনীতি (সন্মান) বিষয়ত অধ্যয়ন কৰি এইখন মহাবিদ্যালয়তে পুনৰ অধ্যাপনা কৰিবলৈ সক্ষম হোৱা ব্যক্তিসকল হ'ল শ্ৰী দেৱেশ্বৰ বৰা, ড° দেৱজিৎ শৰ্মা আৰু

শ্ৰীমতী মিনতি গগৈ আৰু ড° বিৰিঞ্চি কুমাৰ বৰা। ড° বিৰিঞ্চি বৰাই অৱশ্যে অৰ্থনীতিত স্নাতক হৈ, সমাজ শাস্ত্ৰ বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি সমাজশাস্ত্ৰ বিভাগত যোগদান কৰে।

৮। আমাৰ বিভাগৰ পৰা উত্তীৰ্ণ হৈ যোৱা বহু শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত সংস্থাপিত হ'বলৈ সক্ষম হৈছে।

৯। অৰ্থনীতি বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক লৈ ১৩-৯-২০০৩ তাৰিখে 'অৰ্থনৈতিক বিকাশ চ'ৰা' নামৰ এটি বিভাগীয় চ'ৰা গঠন কৰা হয়। এই চ'ৰাৰ প্ৰথমজন সভাপতি আছিল শিক্ষক শ্ৰীযুত বীৰেশ্বৰ নেওগ। সম্পাদক আছিল শ্ৰীমন্ত দত্ত। সহকাৰী সম্পাদক আছিল শ্ৰী জোনমণি চেতিয়া।

১০। আমাৰ বিভাগে ২০০৯ চনৰ পৰা 'উত্তৰণ' নামৰ এখন প্ৰাচীৰ পত্ৰিকা প্ৰতি বছৰে নিয়মীয়াকৈ প্ৰকাশ কৰি আহিছে। 'উত্তৰণ'য়ে মহাবিদ্যালয়ৰ পত্ৰিকাসমূহৰ প্ৰতিযোগিতাত ২০১০ বৰ্ষত ১ম স্থান আৰু ২০১১ চনত ৩য় পুনৰ ২০১২ বৰ্ষত ১ম স্থান লাভ কৰিবলৈ সক্ষম হয়। ২০২৩ বৰ্ষত এই আলোচনীয়ে শ্ৰেষ্ঠ অলংকৰণ বঁটা লাভ কৰে।

১১। অৰ্থনীতি বিভাগৰ ছাত্ৰী শ্ৰীমতী শ্যামলী বৰাই বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতাত ২০০৯ আৰু ২০১০ বৰ্ষত শ্ৰেষ্ঠ সংগীত প্ৰতিযোগীৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি দূৰদৰ্শন কেন্দ্ৰ 'নিউজ লাইভ' আৰু 'ৰং' নামৰ টিভি চেনেল দুটাই অনুষ্ঠিত কৰা 'সংগীতৰ মহাৰণ' প্ৰতিযোগিতাত তৃতীয় পৰ্যায়লৈকে আগবাঢ়ি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

১২। আমাৰ বিভাগৰ ছাত্ৰ শ্ৰী লক্ষ্যজিৎ গগৈয়ে এন.চি.চিত অংশ গ্ৰহণ কৰি ২০১৩-১৪ বৰ্ষত বিশেষ কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। শ্ৰী বাবুল গগৈয়ে ১৯৯৩ বৰ্ষত আৰু শ্ৰীমতী মিনাক্ষী দুৱৰাই ১৯৯৫ বৰ্ষত দাতা পৰিয়ালে প্ৰদান কৰা হেমনাথ শৰ্মা স্মাৰক বঁটা মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক 'বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পাওঁতা' বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

১৩। ২০১৪-১৫ শৈক্ষিক বৰ্ষত স্নাতক শ্ৰেণীত নামভৰ্তি কৰোঁতা সকলৰ ভিতৰত উচ্চতৰ মাধ্যমিক পৰীক্ষাত ইংৰাজীত সৰ্বোচ্চ ৮৯% নম্বৰ লাভ কৰাৰ বাবে মহাবিদ্যালয়ে আগবঢ়োৱা বঁটা লাভ কৰিবলৈ সক্ষম হয় শ্ৰীমতী ৰিতুপৰ্ণা দত্তই।

১৪। ২০১৪-১৫ বৰ্ষত স্নাতক শ্ৰেণীত নামভৰ্তি কৰা সকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা বাবে শ্ৰীমতী মাইনু গগৈয়ে 'তুলসী নাথ ৰাজখোৱা মেম'ৰিয়েল বঁটা' লাভ কৰিবলৈ সক্ষম হয়।

১৫। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চূড়ান্ত স্নাতক (সন্মান) পৰীক্ষাত আমাৰ বিভাগৰ বহু ছাত্ৰ-ছাত্ৰীয়ে ধাৰাবাহিকভাৱে ১ম শ্ৰেণী লাভ কৰাৰ লগতে স্থান লাভ কৰিবলৈ সক্ষম হৈ আহিছে।

**সামাজিক দায়বদ্ধতা ঃ**

আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ কোঠাতে আৱদ্ধ নাৰাখি সময়ে সময়ে শিক্ষামূলক ভ্ৰমণ, কুইজ প্ৰতিযোগিতা, ক্ষেত্ৰ অধ্যয়ন আৰু প্ৰতিবেদন প্ৰস্তুত কাৰ্য সম্পাদন কৰা আদি কামত নিয়োজিত কৰা হয়। সেই সমূহৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল—

১। আমাৰ মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত আৰ্থসামাজিক জৰীপ। ১৯৮৬ চন।

২। শিক্ষামূলক ভ্ৰমণৰ দ্বাৰা নামৰূপ সাৰ কাৰখানা আৰু পেট্ৰ'কেমিকেল প্ৰকল্পৰ কমপ্লেক্স পৰিদৰ্শন আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ। ১৯৮৭ চন।

৩। অৰ্থনীতি বিভাগৰ লগতে বাণিজ্য বিভাগৰ সহযোগত মহাবিদ্যালয়ত 'ভাৰতৰ নতুন উদ্যোগ নীতি, ১৯৯১ আৰু ভাৰতীয় অৰ্থনীতিৰ গাঁথনিগত সংস্কাৰ' শীৰ্ষক বিষয়ত আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয় নৱেম্বৰ, ১৯৯২ চন।

৪। বাণিজ্য বিভাগৰ সহযোগত জাঁজী অঞ্চলত আৰ্থসামাজিক জৰীপ আৰু প্ৰতিবেদন প্ৰস্তুত কৰা হয়। ২০০২ চন।

৫। নামৰূপৰ ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কোম্পানী পৰিদৰ্শন আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ। ২০০৪ চন।

৬। আৰ্থসামাজিক জৰীপৰ দ্বাৰা আমগুৰিৰ গধূলিবজাৰ মৌজাৰ লাদৈগড় মিচিং গাঁৰত ভ্ৰমণ আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ। ২০০৯ চন।

৭। শিৱসাগৰ জিলাৰ দিখৌমুখ আলিমূৰ মিচিং গাঁৰত সমাজ শাস্ত্ৰ বিভাগৰ সহযোগত আমাৰ বিভাগে 'মহিলা সবলীকৰণ' অধ্যয়নৰ বাবে জৰীপকৰণ আৰু প্ৰতিবেদন প্ৰস্তুকৰণ, ২০১০ চন।

৮। অৰ্থনীতি বিভাগ আৰু বাণিজ্য বিভাগৰ সহযোগত নুমলীগড় শোধনাগাৰ পৰিদৰ্শন আৰু প্ৰতিবেদন প্ৰস্তুতকৰণ। ২০১০ চন।

৮। অৰ্থনীতিৰ বিষয়ত আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত। ২০১০ চন।

৯। ২০২১ চনৰ ২০ মাৰ্চ তাৰিখে টীয়ক দগাচোক ইন্দিৰা আদৰ্শ গাৰত ''কুমাৰ শিল্পৰ' ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰা হয়।

১০। ২০২২ চনৰ ৮ জানুৱাৰীত গৌৰীসাগৰ আলীমূৰ মিচিং গাৰত বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এটি আৰ্থ সামাজিক জৰীপ সম্পাদন কৰা হয়।

১১। ২০২২ চনৰ ৭ নবেম্বৰত ছাত্ৰ ছাত্ৰীসকলৰ প্ৰকল্প কৰ্মৰ বাবে তিতাবৰৰ ধান গৱেষণা কেন্দ্ৰলৈ যোৱা হয়।

১২। Add -On course ৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক উদ্যমিতাৰ প্ৰশিক্ষণৰ বাবে বৰচিলা চাহ বাগিচালৈ লৈ যোৱা হয়।

আমাৰ বিভাগত এইখিনি কাৰ্যক্ৰমণিকা সম্পন্ন কৰাৰ লগতে বিভাগীয় আলোচনা চক্ৰ আৰু দলীয় আলোচনা আদি নিয়মিত ভাৱে অনুষ্ঠিত কৰি অহা হৈছে। ঐতিহাসিক কীৰ্তিচিহ্ন দৰ্শনৰ বাবে চৰাইদেউ, গড়গাঁও, শিৱসাগৰ, তেজপুৰ আৰু দিখৌমুখৰ সৰাগুৰি চাপৰি আদি ঠাইলৈও শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী লোৱা হয়। ইয়াৰ উপৰিও প্ৰতিবছৰে কেন্দ্ৰ আৰু ৰাজ্যৰ বাজেট সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাৰ বাবে বাজেটৰ পৰ্য্যালোচনা কৰা হয়।

সাম্প্ৰতিক সময়ত অৰ্থনীতি শাস্ত্ৰ অধিক গাণিতিক হোৱাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ অনুপাত কিছু কমি অহা দেখা গৈছে। তদুপৰি নগৰমুখী আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰতি নতুন প্ৰজন্ম অধিক আগ্ৰহী হোৱাত আমাৰ দৰে গ্ৰামাঞ্চলৰ মহাবিদ্যালয়ত নামভৰ্তিৰ সংখ্যা হ্ৰাস পোৱাৰ ফলত অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও কিছু কমিছে।

বিভাগটোৰ উৎকৰ্ষ সাধনৰ বাবে ২০০২ চনৰ পৰা বিভাগীয় গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰা হৈছে। আমাৰ বিভাগে আৰ্থিকভাবে দুৰ্বল ছাত্ৰ-ছাত্ৰীক প্ৰয়োজন অনুসৰি অৰ্থসাহায্য আগবঢ়াই অহা হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অৰ্থনীতি বিভাগত ২০০২ চনত দূৰৱৰ্তী স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হয়। ইয়াৰ সমন্বয়ক হ'ল সহযোগী অধ্যাপিকা মিনতি গগৈ বৰুৱা।

শিক্ষক ছাত্ৰ-ছাত্ৰীৰ মাজত সহৃদয়তা বৃদ্ধিৰ বাবে চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক বিভাগৰ তৰফৰ পৰা প্ৰতিবছৰে বিদায় সম্ভাষণ জনোৱাৰ উপৰিও বিশেষ প্ৰীতি ভোজৰ ব্যৱস্থা কৰা হয়।

মানুহে স্বভাৱজাতভাৱে দৈনন্দিন প্ৰয়োজনীয়তাৰ বাবে লাভ কৰা অৰ্থনৈতিক যুক্তিবাদী চিন্তা সমূহৰ উৎকৰ্ষ সাধনৰ যোগেদি আজিৰ প্ৰতিযোগিতামূলক বিশ্বত ছাত্ৰ-ছাত্ৰীসকলক এজন উপযুক্ত নাগৰিকৰূপে গঢ়ি তোলাই হৈছে আমাৰ বিভাগৰ প্ৰধান লক্ষ্য।

জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়।

জয়তু অৰ্থনীতি বিভাগ।❖❖❖

---

*মিনতি গগৈ বৰুৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা*

# শিক্ষাতত্ত্ব বিভাগৰ এক চমু অৱলোকন

ননী ৰাজখোৱা

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগ এক ঐতিহ্যপূৰ্ণ বিভাগ। বৃহত্তৰ জাঁজী জামুগুৰি অঞ্চলক জ্ঞানৰ জ্যোতিৰে আলোকিত কৰাৰ উদ্দেশ্যেৰে ১৯৬৪ চনৰ ২৫ জুলাই তাৰিখে প্ৰতিষ্ঠিত হোৱা মহাবিদ্যালয়খনিৰ সমান্তৰালকৈ শুভাৰম্ভ হোৱা শিক্ষাতত্ত্ব বিভাগে প্ৰাৰম্ভিকতে প্ৰাক-স্নাতক (Pre-Degree) আৰু স্নাতক সাধাৰণ পাঠ্যক্ৰম (General Degree Course) ৰ শিক্ষা প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত ১৯৭৮ চনৰ পৰা বিভাগে তিনি বছৰীয়া স্নাতক গুৰু পাঠ্যক্ৰম (Major Course)ৰ মুকলি কৰে।

বিভাগৰ প্ৰতিষ্ঠা কালৰ মুৰব্বী অধ্যাপক শ্ৰীযুত ৰজনীকান্ত গোস্বামীদেৱে ২০০২ চনলৈকে বিভাগটো গঢ় দিয়াত বহুমূলীয়া অৱদান আগবঢ়ায়। সেইসময়ত বহুকেইগৰাকী অংশকালীন অধ্যাপক-অধ্যাপিকাই বিভাগটোলৈ উল্লেখযোগ্য সেৱা আগবঢ়ায়। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে বিভাগত নিযুক্তি লাভ কৰা ড° সবিতা ঠাকুৰ (১৯৭৩-২০০৪), প্ৰয়াত অধ্যাপিকা ৰাজুৰাণী গোস্বামী (১৯৭৮-২০১৫), আৰু অধ্যাপিকা মামনি বৰগোহাঞি (১৯৮৫-২০১৯) বাইদেউৰে তেখেতসকলৰ বহুমূলীয়া সেৱা আগবঢ়াই বিভাগটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰি থৈ যায়। বৰ্তমান বিভাগটোত অধ্যাপিকা ননী ৰাজখোৱা (১৯৯৮ চনৰ পৰা), অধ্যাপক ড° ৰাজীৱ গগৈ (২০০৮ চনৰ পৰা), অধ্যাপিকা ড° পল্লৱী শইকীয়া (২০১৭ চনৰ পৰা) আৰু শ্ৰী মৃনাল বৰুৱা (২০২২ চনৰ পৰা) কৰ্মৰত।

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ বাবে শিক্ষাতত্ত্ব বিভাগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ স্নাতক পৰ্যায়ৰ সন্মান আৰু সাধাৰণ পাঠ্যক্ৰমৰ লগতে উচ্চতৰ মাধ্যমিক পৰ্যায়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ আৰু মুক্ত শিক্ষা কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্গত শিক্ষাতত্ত্ব বিষয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ পাঠ্যক্ৰমিক সেৱা প্ৰদান কৰি আছে। তদুপৰি, ছাত্ৰ-ছাত্ৰীৰ কৌশলগত বিকাশৰ বাবে ২০০৮ চনৰ পৰা বিভাগে প্ৰাক-প্ৰাথমিক শিক্ষক প্ৰশিক্ষণ (Pre-Primary Teacher Training) নামেৰে এক ছমহীয়া পাঠ্যক্ৰম প্ৰদান কৰি আহিছে।

ছাত্ৰ-ছাত্ৰীৰ সহ-পাঠ্যক্ৰমিক দিশৰ সৰ্বাংগীন বিকাশৰ উদ্দেশ্যেৰে ১৯৯২ চনৰ এক শুভক্ষণত বিভাগত 'শিক্ষা চ'ৰা' নামেৰে এক ছাত্ৰ মঞ্চ প্ৰতিষ্ঠা কৰা হয়। প্ৰতিষ্ঠা কালৰে পৰা চ'ৰাই নিয়মীয়াকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, ৰচনা

প্ৰতিযোগিতা, আলোচনা পত্ৰ আৰু আলোচনী প্ৰস্তুত, শিক্ষামূলক ভ্ৰমণ, প্ৰকল্প কাৰ্য, নৱাগত আদৰণি সভা, বিদায় সভা ইত্যাদি সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী অনুষ্ঠিত কৰি আহিছে। শিক্ষা চ'ৰাৰ উদ্যোগতে সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিবলৈ প্ৰতিবছৰে দুখনকৈ প্ৰাচীৰ পত্ৰিকা ক্ৰমে 'প্ৰত্যুষ' আৰু 'মহাশ্বেতা' প্ৰকাশিত হৈ আহিছে। শিক্ষা চ'ৰাই ২০২৩ বৰ্ষৰ পৰা 'এনাজৰী' নামেৰে এখনি মুদ্ৰিত বিভাগীয় বাৰ্ষিক মুখপত্ৰ প্ৰকাশৰ ব্যৱস্থা কৰিছে।

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত সুবিধা হোৱাকৈ শিক্ষাতত্ত্ব বিভাগত ৪২০ খনৰো অধিক পাঠ্যপুথি আৰু প্ৰসংগপুথিৰে সমৃদ্ধ এটি বিভাগীয় গ্ৰন্থাগাৰ আছে, যি পাঠ্যপুথি ক্ৰয় কৰিবলৈ অসমৰ্থ শিক্ষাৰ্থীক বিশেষভাৱে সেৱা প্ৰদান কৰে। শিক্ষাতত্ত্ব বিভাগত পাঠ্যক্ৰম অনুযায়ী বিভিন্ন মনোবৈজ্ঞানিক পৰীক্ষা/অভীক্ষাৰ ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰিবলৈ বিভিন্ন যন্ত্ৰ আৰু, আহিলাৰে সু-সজ্জিত এটি মনোবৈজ্ঞানিক পৰীক্ষাগাৰ আছে। শেহতীয়াকৈ বিভাগৰ এটি শ্ৰেণীকোঠাত স্মাৰ্ট টেলিভিচন সংযুক্ত কৰি ডিজিটেল শিক্ষণ পদ্ধতিৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

বৰ্তমান বিভাগত কৰ্মৰত অধ্যাপক-অধ্যাপিকাসকলে পাঠ্যক্ৰমিক কাৰ্যকলাপৰ উপৰিও প্ৰশাসনিক আৰু শিক্ষাৰ্থীকেন্দ্ৰিক দিশত বিশেষভাৱে সেৱা আগবঢ়াই আছে। অধ্যাপিকা শ্ৰীযুতা ননী ৰাজখোৱাই মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ অধীনত কেবাটাও (Teaching learning and Evaluation, Infrastructure and learning resource) কোষৰ সমন্বয়ক হিচাপে কাৰ্য সম্পাদন কৰিছে। শ্ৰী যুতা ৰাজখোৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ Board of Studies ৰ এগৰাকী সক্ৰিয় সদস্যা। তেখেতে বিশ্ববিদ্যালৰ অনুদান আয়োগৰ অধীনত এটা ক্ষুদ্ৰ গৱেষণা প্ৰকল্পৰ কাৰ্য সম্পন্ন কৰিছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত উপকৃত হোৱাকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক পাঠ্যক্ৰমৰ পাঠ্যপুথি প্ৰকাশ কৰাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো গৱেষণা পত্ৰিকা প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত উদগনি যোগাবলৈ অধ্যাপিকা শ্ৰীযুতা ৰাজখোৱাই ২০১১ চনৰ পৰা নিজৰ প্ৰয়াত পিতৃ স্বৰ্গীয় তুলসী নাথ ৰাজখোৱাৰ সোঁৱৰণত প্ৰত্যেক বছৰে মহাবিদ্যালয়ত স্নাতক প্ৰথম ষাণ্মাসিকত সৰ্বোচ্চ নম্বৰসহ নামভৰ্ত্তি কৰা শিক্ষাৰ্থীক বঁটা আৰু আৰ্থিক অনুদান আগবঢ়াই আহিছে। অধ্যাপক ড° ৰাজীৱ গগৈয়ে মহাবিদ্যালয়ৰ একাধিক শৈক্ষিক তথা প্ৰশাসনিক কৰ্মত জড়িত হৈ থকাৰ লগতে বিভিন্ন ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰ প্ৰকাশ কৰিছে। ড° গগৈয়ে RUSA ৰ সমন্বয়ক, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক হিচাপে দায়িত্ব পালন কৰাৰ লগতে বৰ্তমান মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক হিচাপে কাৰ্য-নিবাহ কৰি আছে। বিভাগৰ অধ্যাপিকা ড° পল্লৱী শইকীয়াই মহাবিদ্যালয়ৰ IQAC ৰ Curricular Aspect Cell ৰ সদস্য হিচাপে কাৰ্য সম্পাদন কৰাৰ লগতে বিভাগৰ Pre-Primary Teacher Training Course ৰ সমন্বয়ক হিচাপে সেৱা আগবঢ়াই আছে। ড° শইকীয়াই বিভাগৰ শিক্ষা চ'ৰাৰ বিভিন্ন কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলক দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে আৰ্থিকভাৱে পিছপৰা তথা মেধা ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সহায় কৰি

আহিছে। তদুপৰি ড° শইকীয়াই বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আলোচনীত কেইবাখনো গৱেষণা পত্ৰ আৰু প্ৰবন্ধ প্ৰকাশ কৰিছে। অধ্যাপক মৃনাল বৰুৱাই নিয়মীয়া শিক্ষাদানৰ উপৰিও মহাবিদ্যালৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ প্ৰথম (২০২৩-২৪ শিক্ষাবৰ্ষ) আৰু দ্বিতীয় (২০২৪-২৫ শিক্ষাবৰ্ষ) বৰ্ষৰ শৈক্ষিক সমন্বয়ক, ২০২৩-২৪ বৰ্ষত ছাত্ৰ একতা সভাৰ বহিঃক্ৰীয়া বিভাগৰ উপদেষ্টা, মহাবিদ্যালয়ৰ IQAC ৰ Curricular Aspect ৰ সদস্য হিচাপে সেৱা আগবঢ়াইছে।

**বিভাগৰ কৃতিত্বঃ**

প্ৰতিষ্ঠা কালৰে পৰা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে একেধাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত স্থান প্ৰাপ্তিৰে বিভাগটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শেহতীয়া ৫ বছৰৰ তথ্য অনুসৰি ২০১৮-১৯ বৰ্ষত ৮ জন, ২০১৯-২০ বৰ্ষত ৭ জন, ২০২০-২১ বৰ্ষত ৩ জন, ২০২১-২২ বৰ্ষত ১২ জন, আৰু বিগত ২০২২-২৩ বৰ্ষত ১২ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীত (First Class) ত স্নাতক উত্তীৰ্ণ হৈছে।

বিভাগৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ গৰিষ্ঠ সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বৰ্তমান অসমৰ বিভিন্ন বিদ্যালয় ,মহাবিদ্যালয়ৰ লগতে বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানত কৰ্মৰত হৈ আছে। সাম্প্ৰতিক সময়ত বিভাগৰ পৰা উত্তীৰ্ণ ১২ জন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি আছে, ইয়াৰে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিক শিক্ষাৰ সৰ্বোচ্চ সন্মানীয় পি.এইচ.ডি ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে।

বৃহত্তৰ সমাজখনৰ অজ্ঞান আন্ধাৰ বিনাশী প্ৰজ্ঞাৰ জ্যোতিৰে আলোকিত কৰা মহাবিদ্যালয়ৰ গৌৰৱময় ৬০ বছৰীয়া এই যাত্ৰাৰ প্ৰতি খোজত শিক্ষাতত্ত্ব বিভাগে আৰম্ভণিৰ পৰাই নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। আগন্তুক দিনত বিভাগে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক বিশ্বৰ লগত সুস্থভাৱে সমাযোজিত হ'ব পৰাকৈ সবল ব্যক্তিত্ব সম্পন্ন কৰি তোলাৰ ক্ষেত্ৰত প্ৰয়োজনভিত্তিক আৰু সময়োপযোগী শিক্ষা প্ৰদান কৰিবলৈ দায়বদ্ধ থাকিব। ❖❖❖

---

*ননী ৰাজখোৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা*

# Through the Pages of Time : The Journey of the Department of English

**Sima Nath**

The Department of English at Jhanji Hemnath Sarma College, Sivasagar, was established in July 1964, marking the beginning of a journey that has now spanned six decades. In its formative years, the department was privileged to have the esteemed Prof. Jadu Nath Sarmah Siddhanta, a renowned educationist and the founder principal of the institution. His vision and dedication laid a solid foundation for the department, setting a high standard for academic excellence. Soon after, Mr. Biren Baruah joined as a lecturer in English, bringing his expertise and passion for the subject to the classroom. The department continued to grow with the contributions of dedicated lecturers such as Mrs. Basanti Chutia, Late Prasanna Boruah, and Late Kamini Kanta Gogoi, each of whom played a vital role in shaping the academic environment and nurturing the intellectual growth of the students.

In 1967, Prof. Sibanath Sarmah (M.A. double, ET), a distinguished scholar and educationist, joined the college as the principal. His tenure was marked by significant contributions to the department, both as an administrator and a regular teacher. Prof. Sarmah's dual roles underscored his commitment to academic rigor and the holistic development of the students. The department also benefited from the dedication of Late Karuna Kanta Sarmah and Late Subhan Ch. Boruah, whose service as lecturers left a lasting impact on the institution. Despite their untimely demise, their legacy continues to inspire both faculty and students.

The Department of English at Jhanji Hemnath Sarma College has been enriched by the contributions of many dedicated educators over the years. Among them, Mr. Haren Baruah, who joined the department in 1971, stands out for his long and impactful tenure. Serving as the Head of the Department until his retirement, Mr. Baruah's leadership and commitment to academic excellence were instrumental in shaping the department's growth and reputation.

The department also benefited from the expertise and dedication of Mr. Uttam Bordoloi, Mr. Dipak Pandey, Mrs. Arundhati Sanyal and Mr. Prodip Konwar who later retired as the Head of the English Department, Amguri College. Each of them contributed for enhancing the academic standards and development of the department. Following Mr. Baruah's retirement, the department continued to thrive under the guidance of Late Bhaskar Jyoti Mahanta, Mr. Pankaj Kr. Gogoi, Mrs. Anamika Khound, and Dr. Breezmohan Hazarika (recently assumed the position of Principal at CKB Commerce College, Jorhat). Their wealth of knowledge and fresh perspectives were instrumental in navigating the challenges of providing quality education in a rural area. In addition to these esteemed long-serving members, the Department of English has also been fortunate to receive the invaluable support of several dedicated temporary faculty members over the years. With deep gratitude, the department remembers the contributions of Dr. Junti Boruah, Ms. Namita Pathak, Mr. Ranadeep Dutta, Mrs. Trishna Borgohain, Ms. Sangeeta Gogoi, and Ms. Kakoli Bonya Gogoi whose dedication and expertise not only upheld the department's high standards but also enriched the academic experience of the students.

Together, these faculty members have not only elevated the quality of education, ensuring that a large number of students from farming families and with limited proficiency in English receive proper education. Their collective commitment has been pivotal in addressing and overcoming the unique challenges associated with the department. Through their dedicated efforts, they have fostered an environment of academic excellence, enabling students to improve their English proficiency and achieve greater academic success.

At present, four faculty members: Mrs. Sima Nath (Head of the Department), Mr. Pranjal Protim Borah, Dr. Akash Jyoti Saikia and Mr. Indra Sen Baro have been serving the department. In addition to their teaching roles, each of these faculty members also contributes to the social and literary fields, thereby enriching the academic environment of the college. Mrs. Sima Nath, the Head of the department, has authored numerous research-based articles that have been published in various esteemed books and journals. Mr. Pranjal Protim Borah is an accomplished poet and author. He has published five collections of poetry and several other books that compile his articles. His literary works reflect his deep engagement with the literary arts, and he has contributed more than three hundred articles to well-established newspapers and journals. His prolific writing not only enhances his teaching but also serves as an inspiration for students to explore and develop their own literary talents.

Dr. Akash Jyoti Saikia has made significant academic strides, achieving Doctor of Philosophy degree from Assam University, Silchar, in 2018. His doctoral thesis, titled "American Dream as Theme in Selected Plays of David Mamet," showcases his expertise in American literature and drama. Dr. Saikia's scholarly achievements and his deep understanding of complex literary themes bring a wealth of knowledge to the department, offering students a nuanced perspective on American literature and its cultural implications. Mr. Indra Sen Baro is currently pursuing his Ph.D at CMJ University in Meghalaya. His research focuses on the "Socio-Cultural Aspects of the Bodos in the Bodoland Territorial Region (BTR): A Study." This research is particularly significant as it delves into the rich cultural heritage and social dynamics of the Bodo community in the BTR.

In 1974, the English Department introduced the English Major course, marking a significant milestone in the college's academic journey. This course has been highly successful in providing education to students, fostering a deep interest in the English language and its rich literary heritage. Over the years, the department has nurtured numerous brilliant students, many of whom are able to establish themselves in various teaching and government professions, showcasing the department's commitment to nurturing talent and promoting career development.

The following students of the department secured 1st class (in Semester system):

| SL. No. | Name of the Student | Year |
|---|---|---|
| 1 | Pallabi Nath | 2014 |
| 2 | Deepankaj Bhattacharyya | 2015 (7th rank) |
| 3 | Aluk Saikia | 2017 |
| 4 | Parthasarathi Boruah | 2017 |
| 5 | Simpy Hatimuria | 2017 |
| 6 | Niharika Gogoi | 2019 |

The following student of the department secured A+ Grade (in CBCS):

| SL. No. | Name of the Student | Year |
|---|---|---|
| 1 | Nilakhi Borah | 2022 |

The following students of the department secured A Grade (in CBCS):

| SL. No. | Name of the Student | Year |
|---|---|---|
| 1 | Gitarthi Gogoi | 2021 |
| 2 | Gitashree Duwarah | 2022 |
| 3 | Anisha Gogoi | 2023 |
| 4 | Jinnat Arfin Ahmed | 2023 |
| 5 | Garima Gogoi | 2024 ($4^{th}$ rank) |
| 6 | Nishita Boruah | 2024 ($9^{th}$ rank) |
| 7 | Chimpi Lahon | 2024 |
| 8 | Akshita Simolia | 2024 |
| 9 | Abhilekha Nath | 2024 |
| 10 | Luckymoni Nath | 2024 |

To further enhance the learning experience, the English Department established its own library in November 2003. This departmental library serves as a valuable resource for students, offering a collection of around 300 books. It includes both textbooks and reference books that cater to the academic needs of Higher Secondary and degree courses in both the B.A. and B.Com. The library supports the curriculum and provides additional reading material to students which not only aids in their academic pursuits but also encourages independent study and research.

In addition to its academic resources, the Department of English places a strong emphasis on fostering creativity and research among its students. Since 2007, the department has been publishing a wall magazine named "Rainbow." This annual publication serves as a platform for students to pursue creative writing and contribute research-oriented articles. The wall magazine not only encourages literary expression but also instills a sense of pride and accomplishment among the students. "Rainbow" is more than just a magazine; it is a collaborative effort that involves both students and faculty members. Teachers from the department serve as advisors, guiding and mentoring students in their writing endeavors. This collaborative environment helps students develop their writing skills and gain confidence in their abilities. The magazine is published by the English Forum, a student-led initiative that aims to cultivate leadership qualities and a sense of responsibility among its members.

The English Department at Jhanji Hemnath Sarma College has demonstrated a strong commitment to advancing literary scholarship and fostering academic

dialogue through the organization of national-level seminars. These events have provided platforms for intellectual exchange, encouraging both faculty and students to engage deeply with contemporary literary issues and translation studies.

The first significant event was a UGC-sponsored national seminar on "Literary Translation," held on the 7th and 8th of June, 2013. This seminar was organized in collaboration with the Department of Assamese and the prestigious Axom Sahitya Sabha, reflecting a multidisciplinary approach to literary studies. The choice of theme underscored the importance of translation in bridging cultural and linguistic divides, making literature accessible to a broader audience. By focusing on literary translation, the seminar highlighted the nuanced challenges and creative possibilities inherent in translating literary works from one language to another. The English Department organized another national-level seminar on the 25th and 26th of February, 2017. Sponsored by the Indian Council of Social Science Research (ICSSR), this seminar focused on the theme "(Re)reading of Contemporary Indian English Literature." The choice of theme was particularly timely, given the evolving landscape of Indian English literature, which has been marked by a dynamic interplay of global and local influences.

The Department of English offers a comprehensive and diverse curriculum designed to cater to the varied academic needs of its students. For Higher Secondary (HS) courses, the department provides both General English and Alternative English. For the undergraduate program, the department offers English Major, Minor, Generic Elective (GE), Skill Enhancement Course (SEC), and Ability Enhancement Compulsory Course (AEC2). The intake capacity for the English Major course is limited to 30 students.

Recognizing the importance of holistic development, the department actively engages students in various extracurricular activities. To this end, the department involves students in a variety of enriching activities such as excursions and field visits. These activities are designed to broaden their horizons, providing them with practical exposure and firsthand experiences that complement their academic studies. The department also places a strong emphasis on academic enrichment through the regular organization of seminars, workshops, and group discussions. These events encourage students to engage critically with literary texts, develop their research skills, and enhance their public speaking and presentation abilities.

In a bid to enhance the employability and communication skills of students, Dibrugarh University has recently approved an Add-on Course in Spoken English.

The Add-on Course is particularly beneficial for students seeking to improve their spoken English proficiency, which is crucial for academic and professional success in today's globalized world. Recognizing that some students may require additional support, the department offers remedial teaching tailored to meet their specific needs. Moreover, the department engages in regular team teaching sessions in collaboration with other departments such as Sanskrit and Assamese. This interdisciplinary approach enriches the educational experience, offering students varied perspectives and fostering a more integrated understanding of language and literature.

Faculty members play a crucial role in mentoring students, offering personalized guidance and support. They carefully assess the strengths and weaknesses of each student, providing constructive feedback and suggesting strategies for improvement. This mentorship is integral to the department's supportive academic environment, helping students to overcome challenges and achieve their full potential. Additionally, recognizing the financial constraints faced by some students, departmental teachers extend financial assistance to those in need, ensuring that economic barriers do not hinder their educational journey.

Despite its many achievements, the department is keenly aware of certain inherent shortcomings and is committed to addressing them. It remains steadfast in its resolve to address and overcome these challenges. Through a combination of academic programs, extracurricular activities, and personalized mentorship, the department ensures that its students are well-prepared for both academic and professional success. By continually seeking to improve and innovate, the department aspires to create a dynamic and inclusive learning environment that inspires students to reach their highest potential.

As the college celebrates its Diamond Jubilee, it reflects on the contributions of all its members, both past and present, with pride and gratitude. The journey of the Department of English is a testament to the dedication and resilience of its faculty and students, who have together built a legacy of academic excellence and community service. Looking ahead, the department remains committed to its mission of fostering intellectual growth and providing outstanding education to all its students, continuing to build on the strong foundation laid by its predecessors.

❖❖❖

*Sima Nath is the HoD, Deptt. of English, Jhanji Hemnath Sarma College*

# ভূগোল বিভাগ

**মধুস্মিতা বৰুৱা**

মহাবিদ্যালয় এখনৰ সমৃদ্ধিৰ মুখ্য আধাৰ হ'ল অনুষ্ঠানটোৰ অন্তৰ্গত বিভাগসমূহ। আৰম্ভণিৰ পৰা চলিত সময়লৈকে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ভূগোল বিভাগটোৱে নিজৰ সুনাম অটুট ৰাখিবলৈ সক্ষম হৈ আহিছে।

২০১২ বৰ্ষৰ ১৬ জুলাই তাৰিখে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ এটি গুৰুত্বপূৰ্ণ অংশস্বৰূপ ভূগোল বিভাগটি প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিষ্ঠা কালৰ পৰাই বিভাগটিয়ে উচ্চতৰ মাধ্যমিক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ লগতে স্নাতক মহলাৰ পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আগবঢ়াই আহিছে। স্নাতক মহলাৰ সন্মানীয় বিষয়ত অধ্যনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ৩০ খনকৈ আসনৰ ব্যৱস্থা আছে। শিক্ষাদানৰ উপৰিও শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন উন্নয়নৰ লগতে প্ৰতিভা বিকাশৰ বাবে বিভাগটোৱে তেওঁলোকৰ মাজত আলোচনাচক্ৰ আৰু বিভিন্ন স্থানৰ ভৌগোলিক অৱস্থাৰ লগতে চাৰিওফালে পৰিৱেশ পৰ্যবেক্ষণ কৰি তেওঁলোকৰ অধ্যয়নৰ পৰা 'ধৰিত্ৰী' শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছে। এই প্ৰাচীৰ পত্ৰিকাখনে শিক্ষাৰ্থীসকলক সৃষ্টিশীল লিখনি আৰু গৱেষণামুখী প্ৰবন্ধসমূহ অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে স্বতন্ত্ৰভাৱে তেওঁলোকৰ মতামত প্ৰকাশ কৰাত সহায়ক হয়। বিভাগীয় শিক্ষাগুৰুসকলে শিক্ষাৰ্থীসকলৰ প্ৰয়োজনীয়তা অনুসৰণ সকলোধৰণৰ সহায় আগবঢ়াবলৈ সদা সচেতন। এই বিভাগৰ শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত পৰীক্ষাসমূহত অধিক শতাংশ লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে আৰু তেওঁলোকৰ বেছিসংখ্যক শিক্ষাৰ্থীয়ে বিভিন্ন বিশ্ববিদ্যালয়ত উচ্চশিক্ষা গ্ৰহণত ব্ৰতী হৈ আছে।

**ভূগোল বিভাগৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

বিভাগটোৱে গুণগত শিক্ষা, সমালোচনাত্মক চিন্তাধাৰা আৰু মৌলিক জ্ঞান প্ৰদান কৰাৰ লগতে চাৰিওফালৰ পৰা পৰিৱেশ ৰক্ষাৰ বাবে সমাজৰ মাজত সজাগতা সৃষ্টি কৰিব বিচাৰে। লগতে শিক্ষাৰ্থীসকলক তেওঁলোকৰ ভৱিষ্যত জীৱনত এই বিষয় প্ৰসংগত দক্ষতা বিকাশ কৰিবলৈ উৎসাহিত কৰে। ইয়াৰোপৰি শিক্ষাৰ্থীসকলক তেঁওলোকৰ অনুশাসনৰ লগতে জীৱনৰ অন্যান্য দিশত শিক্ষিত কৰা হয় যাতে উৎকৃষ্ট শৈক্ষিক উৎকৰ্ষতা প্ৰাপ্ত হয় আৰু দায়িত্বশীল ব্যক্তি হিচাপে গঢ়ি উঠে।

বিভাগীয় শিক্ষাৰ্থীসকলৰ কৃতিত্ব আৰু সাফল্য ঃ

ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ দৈনন্দিন নিয়মীয়া কাৰ্যক্ৰমণিকাৰ

মাজতে আন বহু কাম-কাজত আত্মনিয়োগ কৰি সফল হৈছে।

১। আমাৰ বিভাগৰ পৰা উত্তীৰ্ণ হৈ যোৱা বহু শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত সংস্থাপিত হ'বলৈ সক্ষম হৈছে।

২। আমাৰ বিভাগৰ ছাত্ৰী শ্ৰী বন্দিতা গগৈয়ে ২০১৭ বৰ্ষত সশস্ত্ৰ বাহিনীৰ (এছ.এছ.চি) পৰীক্ষাত উত্তীৰ্ণ হৈ সীমান্ত নিৰাপত্তা বাহিনীত নিযুক্তি লাভ কৰে।

৩। ২০১৯ বৰ্ষত আমাৰ বিভাগৰে দুজন ছাত্ৰ সঞ্জয় দাস আৰু অবিনাশ গায়নে ভাৰতীয় সেনা বাহিনীত জোৱান হিচাপে নিযুক্তি লাভ কৰে আৰু ২০২১ বৰ্ষত আন এগৰাকী ছাত্ৰী শ্ৰী অংকিতা বৰুৱাই সশস্ত্ৰ বাহিনীৰ (এছ.এছ.চি) পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীত নিযুক্তি লাভ কৰে।

৪। ২০২২ বৰ্ষত আমাৰ বিভাগৰে ছাত্ৰ শ্ৰী অংকুৰ হাজৰিকাই অসম আৰক্ষীত কামাণ্ডো বেটেলিয়ন হিচাপে নিযুক্তি লাভ কৰে।

৫। ২০২৩ বৰ্ষত এই বিভাগৰে ছাত্ৰী শ্ৰী নিহাৰীকা নেওঁগে উৰিষ্যাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ শ্যুটিং বলত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। এই বিভাগৰে আন এজন ছাত্ৰ শ্ৰী ভাৰ্গৱজ্যোতি বৰাই ছেভেন নৰ্থ-ইষ্ট গ্ৰেজুৱেট কংগ্ৰেছ-২০২৩ ত ফটোগ্ৰাফী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়।

৬। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চূড়ান্ত স্নাতক (সন্মান) পৰীক্ষাত আমাৰ বিভাগৰ বহু ছাত্ৰ-ছাত্ৰীয়ে ধাৰাবাহিকভাৱে প্ৰথম শ্ৰেণী লাভ কৰাৰ লগতে স্থান লাভ কৰিবলৈ সক্ষম হৈ আহিছে।

**বিভাগৰ শিক্ষকসকলৰ পৰিচয় ঃ**

১। মধুস্মিতা বৰুৱা- সহকাৰী অধ্যাপিকা, ভূগোল বিষয়ত স্নাতকোত্তৰ।

❖❖❖

*মধুস্মিতা বৰুৱা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা*

# বুৰঞ্জী বিভাগ

**ছাজিদুল হক বৰবৰা**

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা কলা শাখাত প্ৰাক-স্নাতক পৰ্যায়ত ঐচ্ছিক বিষয় হিচাপে আৰু স্নাতক পাঠ্যক্ৰমৰ আৰম্ভণিৰে পৰা বুৰঞ্জী বিষয়টো অন্যতম সাধাৰণ বিষয় হিচাপে অন্তৰ্ভুক্ত হৈছিল। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালত বুৰঞ্জী বিভাগৰ একমাত্ৰ শিক্ষক আছিল প্ৰয়াত তৰুণ চন্দ্ৰ বৰুৱাদেৱ, যিজনে এই মহাবিদ্যালয়খনৰ প্ৰথমজন উপাধ্যক্ষৰ দায়িত্বও বহন কৰিবলগাত পৰিছিল। ১৯৬৭ চনৰ পহিলা জানুৱাৰীত শিৱসাগৰৰ প্ৰয়াত গুণ বৰুৱাদেৱে এই মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ দ্বিতীয়জন শিক্ষকৰূপে যোগদান কৰে। ১৯৮১ চনৰ জানুৱাৰী মাহত বুৰঞ্জী বিভাগৰ মুৰব্বী তথা এই মহাবিদ্যালয়ৰ প্ৰথম উপাধ্যক্ষ, সু-শিক্ষক, দক্ষ প্ৰশাসক, এন.চি.চি. অফিচাৰ, ছাত্ৰ-শিক্ষক সকলোৰে মাজত অতি জনপ্ৰিয় তৰুণ চন্দ্ৰ বৰুৱাদেৱে অকাল মৃত্যুক সাৱটি লোৱাত গুণ বৰুৱাদেৱে বুৰঞ্জী বিভাগৰ মুৰব্বীৰ দায়িত্ব বহন কৰিব লগাত পৰে আৰু তেতিয়াৰ পৰা ২০০০ চনৰ ২৯ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰাৰ দিনলৈকে বিভাগীয় মুৰব্বীৰ গুৰু দায়িত্ব সফলতাৰে পালন কৰি যায়। আনহাতে, তৰুণ চন্দ্ৰ বৰুৱাদেৱৰ মৃত্যুত খালী হোৱা পদত সেই সময়ত বিলাসীপাৰা মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা গোলাঘাটৰ শ্ৰীযুত ৰবীন বৰঠাকুৰদেৱে এই মহাবিদ্যালয়ত যোগদান কৰে ১৯৮২ চনৰ ১৫ ফেব্ৰুৱাৰীত আৰু ১৯৯৯ চনৰ ৩১ জানুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰাৰ দিনলৈকে এই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত সেৱা আগবঢ়াই যায়। গুণ বৰুৱা আৰু শ্ৰীযুত ৰবীন বৰঠাকুৰ এই দুয়োজনা অকল সফল শিক্ষকেই নহয়, অন্যান্য ক্ষেত্ৰতো তেওঁলোকৰ বহুমুখী প্ৰতিভা সম্প্ৰসাৰিত হৈছিল। সু-সংগঠক, সদাহাস্যবদনময়ী তথা অসমৰ সংবাদজগতৰ এজন আজীৱন কৰ্মী গুণ বৰুৱাদেৱ জনমভূমি কাকত গোষ্ঠীয়ে আগবঢ়োৱা কণক চন্দ্ৰ শৰ্মা সোঁৱৰণী শ্ৰেষ্ঠ সাংবাদিকতা বঁটাৰ প্ৰথম বছৰৰ প্ৰথম বিজেতা। অতি অমায়িক, সু-সংগঠক, দক্ষ বেডমিণ্টন খেলুৱৈ তথা সৰ্বজনপ্ৰিয় শ্ৰীযুত বৰঠাকুৰদেৱে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত ওকালতি বৃত্তি গ্ৰহণ কৰে আৰু বৰ্তমান তেখেত যোৰহাটৰ স্থায়ী বাসিন্দা।

কলা শাখাৰ প্ৰাক্-স্নাতক আৰু স্নাতক পৰ্যায়ত সাধাৰণ বিষয় হিচাপে প্ৰতিষ্ঠা কালৰে পৰা পাঠদান চলাই অহাৰ উপৰি ১৯৭২ চনত এই মহাবিদ্যালয়ত প্ৰাক্-স্নাতক পৰ্যায়ত বাণিজ্য শাখা আৰম্ভ কৰাৰ লগে লগে বাণিজ্য শাখাৰ প্ৰাক্-স্নাতক শ্ৰেণীত বুৰঞ্জীৰ পাঠদানো আৰম্ভ কৰা হয়। উল্লেখযোগ্য ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

অধীনত প্ৰাক্-স্নাতক পৰ্যায়ত বুৰঞ্জী বিষয়টোও বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব পৰাৰ সুবিধা আছিল।

১৯৯০-৯১ শিক্ষাবৰ্ষৰ পৰা কলা শাখাত 'বুৰঞ্জী' বিষয়ত সন্মান পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ে (Letter No. DU/ Adm/JHNS/Perm/90/17 dated 03/04/ 1990) অনুমতি দিয়াত সেই শিক্ষাবৰ্ষৰ পৰা 'বুৰঞ্জী' বিষয়ত সন্মান পাঠ্যক্ৰম আৰম্ভ কৰা হয়। বুৰঞ্জী বিষয়ত সন্মান বিষয় হিচাপে গ্ৰহণ কৰা প্ৰথম চাম ছাত্ৰ-ছাত্ৰী হ'ল— দেৱজিৎ ফুকন, অৰবিন্দ গগৈ, জুৰি ফুকন, স্বপ্না লাহন, কুমুদ গগৈ, মুনীন বৰুৱা, অসীম বড়া, ৰুবুলচন্দ্ৰ দত্ত, দেৱজিৎ ফুকন, তুলুমণি বৰগোহাঁই, মৃদুল ফুকন, মহন্দ্ৰে দত্ত।

১৯৯৩ চনত চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা বুৰঞ্জী সন্মান বিষয়ৰ প্ৰথমচাম ছাত্ৰ-ছাত্ৰীৰ ৮২ শতাংশই সন্মানসহ উত্তীৰ্ণ হৈ বিভাগটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। বুৰঞ্জী বিভাগত সন্মান পাঠ্যক্ৰম আৰম্ভ কৰাৰ লগে লগে বিভাগৰ বাবে শিক্ষকৰ আৱশ্যক হোৱাত বুৰঞ্জী বিভাগত নতুন শিক্ষকৰ ব্যৱস্থা কৰা হয় আৰু সেইমৰ্মে যোৰহাটৰ ছাজিদুল হক বৰবৰাই ১৯৯১ চনৰ ৫ আগষ্ট তাৰিখে বুৰঞ্জী বিভাগত তৃতীয় শিক্ষক হিচাপে মহাবিদ্যালয়ত যোগদান কৰে।

আৰম্ভণিৰে পৰা বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে চূড়ান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে উন্নত ফলাফল লাভ কৰি আহিছে আৰু ইয়াৰ পৰা উত্তীৰ্ণ হৈ যোৱা ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ পৰীক্ষাত প্ৰায়ে প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ জ্যেষ্ঠ অধ্যাপিকা ড° জাহ্নৱী গগৈ নাথ, গুৱাহাটী বি.বৰুৱা কলেজৰ প্ৰাক্তন অধ্যাপিকা শ্ৰীমতী গায়ত্ৰী বৰঠাকুৰ, গুৱাহাটী কে.আৰ.বি. কলেজৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° ধীৰেণ শ্ৰুতিকৰ, দেৰগাঁৱৰ ডি.কে.ডি. কলেজৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল কাকতি ইত্যাদিসকলে আমাৰ মহাবিদ্যালয়তে প্ৰাক্-স্নাতক শ্ৰেণীত অধ্যয়ন কৰিছিল। তেখেতসকলৰ উপৰিও আমাৰ মহাবিদ্যালয়ৰ পৰা বুৰঞ্জীক সন্মান বিষয় লৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা বহু ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান অসমৰ বিভিন্ন স্কুল, মহাবিদ্যালয়ত শিক্ষকতা কৰি থকাৰ উপৰিও অসম প্ৰশাসনিক বিষয়া (এ.চি.এছ), চৰকাৰী উচ্চ পদস্থ বিষয়া, সামৰিক বাহিনীত কাৰ্যনিৰ্বাহ কৰি আছে।

প্ৰাক্ স্নাতক আৰু পৰৱৰ্তী পৰ্যায়ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত এই মহাবিদ্যালয়ৰ বহুজন ছাত্ৰ-ছাত্ৰীয়ে বুৰঞ্জী বিষয়ত লেটাৰ মাৰ্ক লাভ কৰিছে। হাইস্কুল পৰ্যায়ত বুৰঞ্জী বিষয়টো বাধ্যতামূলক নোহোৱাৰ বাবে বা বুৰঞ্জী বিষয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ কমি অহাৰ বাবে এই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত বিগত দহ বছৰমানৰ পৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিছু হ্ৰাস পাইছে। তৎসত্বেও এই বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক পৰীক্ষাত প্ৰায়ে এশ শতাংশ উত্তীৰ্ণৰ গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণত বিভাগৰ শিক্ষকসকলে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। নিয়মিত শ্ৰেণীত শিক্ষাদান, বিভাগীয় আলোচনা চক্ৰ, সামূহিক আলোচনা, শ্ৰেণী পৰীক্ষা আদি অনুষ্ঠিত হোৱাৰ উপৰিও প্ৰতি বছৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক লৈ অসমৰ বুৰঞ্জীমূলক স্থান এটিলৈ শিক্ষামূলক ভ্ৰমণৰ আয়োজন কৰা হয়। ২০০৯ চনত বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক লৈ 'বুৰঞ্জী চ'ৰা' গঠন কৰা হয়

আৰু এই চ'ৰাৰ উদ্যোগত মহাবিদ্যালয়ৰ বাহিৰৰ শিক্ষাবিদক নিমন্ত্ৰণ কৰি বিশেষ বক্তৃতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ উপৰিও বুৰঞ্জী চ'ৰাৰ ফালৰ পৰা প্ৰতি বছৰৰ শিক্ষক দিৱসৰ দিনা বিভাগীয় প্ৰাচীৰ পত্ৰিকা 'ঐতিহ্য' প্ৰকাশ কৰা হয় যিখনে প্ৰায় প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকা সমূহৰ মাজত আয়োজন কৰা প্ৰতিযোগিতাত প্ৰথম তিনিটা স্থানত থাকিবলৈ সক্ষম হৈ আহিছে।

অধ্যাপক শ্ৰীযুত ৰবীন বৰঠাকুৰে অৱসৰ লোৱাত তেখেতৰ পদত শিৱসাগৰৰ শ্ৰী সুনন্দ দাসে ১৯৯৯ চনৰ ১১ অক্টোবৰত আৰু মুৰব্বী অধ্যাপক গুণ বৰুৱাই ২০০০ চনত অৱসৰ গ্ৰহণ কৰাত তেখেতৰ পদত শ্ৰী তীৰ্থ বৰুৱাই ২০০০ চনৰ ১ আগষ্ট তাৰিখে এই মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত যোগদান কৰে। আনহাতে গুণ বৰুৱাদেৱৰ অৱসৰৰ পাছত ছাজিদুল হক বৰবৰাক বিভাগীয় মুৰব্বীৰ দায়িত্ব অৰ্পন কৰা হয়। ২০০০ চনৰ ১ মাৰ্চৰ পৰা বৰ্তমানলৈকে অধ্যাপক বৰবৰাই বিভাগীয় মুৰব্বীৰ দায়িত্ব পালন কৰি আহিছে। বৰ্তমান বুৰঞ্জী বিভাগত স্থায়ীভাৱে তিনিজন শিক্ষক কৰ্মৰত হৈ আছে। ছাজিদুল হক বৰবৰাই সহযোগী অধ্যাপক তথা বিভাগীয় মুৰব্বী ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে শ্ৰী সুনন্দ দাস আৰু শ্ৰী তীৰ্থ বৰুৱাই ক্ৰমে সহযোগী অধ্যাপক আৰু সহকাৰী অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে বুৰঞ্জী বিভাগত বিভিন্ন সময়ত যোগেন দত্ত, চৈয়দ আব্দুল অদুদ, শ্ৰীমতী সুদৰ্শনা ভূঞা, শ্ৰী পৰিস্মৃতা বৰুৱা, শ্ৰী অপৰাজিতা বৰা, ৰিকী গগৈ, চিৰীণ বাৰিক, আশাপূৰ্ণা গগৈ আদিয়েও অংশকালীন শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। পূৰ্বসূৰী বিভাগীয় শিক্ষকসকলৰ দৰে বৰ্তমানৰ শিক্ষক তিনিজনে একোজন সু-শিক্ষক হোৱাৰ উপৰিও তেওঁলোকে বিদ্যায়তনিক দিশতো যথেষ্ট কৰ্ম কৰিছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত তিনিজনৰ বহুকেইখন গৱেষণা পত্ৰ পাঠ আৰু প্ৰকাশ হোৱাৰ উপৰিও বহুকেইটা গৱেষণামূলক প্ৰবন্ধ বিভিন্ন আলোচনী আৰু গ্ৰন্থত প্ৰকাশ পাইছে। অধ্যাপক ছাজিদুল হক বৰবৰাই একাদশ পৰিকল্পনাৰ অধীনত আৰু শ্ৰী তীৰ্থ বৰুৱাই দ্বাদশ পৰিকল্পনা অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহাৰ্যত Minor Research Project ইতিমধ্যে সম্পন্ন কৰিছে। শ্ৰী বৰবৰাই কেইবাখনো গ্ৰন্থ সম্পাদনাৰ লগত জড়িত থকাৰ উপৰিও "অসমৰ মুছলমান ঃ ইতিহাস আৰু সমাজ" শীৰ্ষক এখন গৱেষণাধৰ্মী গ্ৰন্থৰ অন্যতম এজন লেখক। ঠিক তেনেদৰে বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলেও বিভিন্ন সময়ত তৰ্ক, অভিনয়, ক্ৰীড়া আদিত পাৰদৰ্শিতা প্ৰদৰ্শন কৰি বুৰঞ্জী বিভাগ তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

বিভাগৰ শিক্ষসকলে প্ৰায় সময়তে মহাবিদ্যালয়ৰ আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক সহায়-সহযোগিতা আগবঢ়াই আহিছে। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক বিকাশৰ বাবে বিভাগৰ শিক্ষককসকলে চেষ্টাৰ ত্ৰুটি কৰা নাই। স্বৰ্গীয়া মীনা খনিকৰ বৰুৱাৰ সোঁৱৰণত একলাখ টকাৰ এক ন্যাস কলেজ কৰ্তৃপক্ষৰ সহযোগত খুলি প্ৰত্যেক বছৰে সৰ্বোচ্চ নম্বৰ লৈ বুৰঞ্জী বিভাগত স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰা আৰু সৰ্বোচ্চ নম্বৰ লৈ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক নগদ ধনৰ পুৰস্কাৰেৰে অনুপ্ৰাণিত কৰি আহিছে। এই শিক্ষাবৰ্ষৰ পৰা স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম বৰ্যৰ শ্ৰেণী লাভ কৰা (Min

7·00 CGPA) বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলকো বিভাগীয় শিক্ষকসকলৰ তৰফৰ পৰা আৰ্থিক পুৰস্কাৰ প্ৰদান কৰাও সিদ্ধান্ত লোৱা হৈছে।

বিগত চাৰিটা বৰ্ষত আমাৰ বিভাগৰ বহুকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চাকৰিত নিয়োগ লাভ কৰাৰ সৌভাগ্য লাভ কৰিছে। তাৰ ভিতৰত এগৰাকীয়ে মহাবিদ্যালয়ত সহকাৰী অধ্যাপকৰ পদ, এজনে অসম আৰক্ষীৰ সহ-পৰিদৰ্শক পদত, আঠজনে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ কাৰ্যালয়ত আৰু কেইবাজনে ভাৰত চৰকাৰৰ অৰ্দ্ধ সামৰিক বাহিনীত মকৰল হোৱাৰ সুবিধা লাভ কৰিছে। ইয়াৰ উপৰিও কেইবাজনেও বেচৰকাৰী খণ্ডত জড়িত হৈ থকাৰ লগতে দুজনমানে ব্যৱসায়তো সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

বিভাগৰ চাৰিটা বৰ্ষৰ স্নাতক চূড়ান্ত বৰ্ষৰ ফলাফল ঃ

| বৰ্ষ | মুঠ অৱতীৰ্ণ | প্ৰথম শ্ৰেণী | দ্বিতীয় শ্ৰেণী | উত্তীৰ্ণৰ হাৰ | সৰ্বোচ্চ নম্বৰ |
|---|---|---|---|---|---|
| ২০১৯-২০২০ | ১০ | ০৩ | ০৬ | ৯০% | ৭৪.৫% |
| ২০২০-২০২১ | ০৫ | ০৪ | ০১ | ১০০% | ৭৩.২% |
| ২০২১-২০২২ | ০১ | ০১ | – | ১০০% | 'A' Grade CGPA 7.59 |
| ২০২২-২০২৩ | ০৬ | ০২ | ০২ | ৬৭% | 'A' Grade CGPA 7.35 |

"জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়"

❖❖❖

---

*ছাজিদুল হক বৰবৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক*

# ৰাজনীতি বিজ্ঞান বিভাগ

**মনোৰিমা ভাগৱতী**

শিৱসাগৰ জিলাৰ জামুগুৰিৰ দৰে গ্ৰামাঞ্চলত শৈক্ষিক বাতাবৰণ সৃষ্টি কৰি বৌদ্ধিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতি দিশত উত্তৰণ ঘটোৱাৰ উদ্দেশ্যে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় নামৰ শিক্ষানুষ্ঠানটিৰ জন্ম হৈছিল ১৯৬৪ চনৰ ২৫ জুলাই তাৰিখে। প্ৰাথমিক পৰ্যায়ত ছটা বিভাগেৰে শুভাৰম্ভ হোৱা এই শিক্ষানুষ্ঠানটি বহুতো ঘাত-প্ৰতিঘাতৰ মাজেদি আজিৰ এই পূৰ্ণ পৰ্যায়লৈ উন্নীত হৈছে। আমাৰ এই ৰাজনীতি বিজ্ঞান বিভাগ মহাবিদ্যালয়ৰ এক অন্যতম গুৰুত্বপূৰ্ণ বিভাগ। যিটো বিভাগে জন্ম লগ্নৰ পৰাই এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি মহাবিদ্যালয়ৰ শৈক্ষিক উন্নয়নৰ বাবে বিশেষ ভূমিকা পালন কৰি আহিছে।

শিক্ষাদানৰ দৰে পবিত্ৰ কৰ্মত ব্ৰতী হৈ ৰাজনীতি বিজ্ঞান বিভাগটোক এক আধুনিক তথা গতিশীল কৰি তোলাৰ ক্ষেত্ৰত মাইলৰ খুঁটি স্বৰূপে ভূমিকা পালন কৰা শিক্ষকদ্বয় হৈছে ক্ৰমে প্ৰয়াত বদন চন্দ্ৰ কোঁৱৰ আৰু অৱসৰপ্ৰাপ্ত মুৰব্বী তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত উমেশ চন্দ্ৰ ঠাকুৰ ছাৰ। তেখেতসকলৰ বিভাগলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ আৰু অভিভাৱকৰ অনুভূতিৰ প্ৰতি সন্মান জনাই ১৯৯৫ চনত প্ৰথমবাৰৰ বাবে ৰাজনীতি বিজ্ঞান বিভাগত সন্মান (Major) আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হয়। বৰ্তমান তিনিজন শিক্ষক ক্ৰমে মনোৰীমা ভাগৱতী (M.A., M.Phil), বিজয় ফুকন (M.A., Law) আৰু বসন্ত সন্দিকৈয়ে (M.A., M.Phil, Ph.D.) বিভাগৰ দায়িত্ব বহন কৰি আহিছে। নিয়মীয়া দায়িত্বৰ উপৰিও শিক্ষকসকলে অসম চৰকাৰৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু জিলা প্ৰশাসনে সময়ে সময়ে দিয়া নীতি-নিৰ্দেৰ্শনাৰ লগতে বহুতো সামাজিক দায়িত্ব পালন কৰি আহিছে।

U.G.C. Sponsored Gandhi Study Centre, NCC আদি আঁচনিসমূহৰ বিভিন্ন দায়িত্ব বিভাগৰ শিক্ষকসকলে গ্ৰহণ কৰি আহিছে। ব্যস্ততাৰ মাজতে শিক্ষকসকলে অসম চৰকাৰ তথা বিশ্ববিদ্যালয় অনুদান আয়োগে সময়ে সময়ে দিয়া চৰ্তসমূহ সময়মতে পূৰণ কৰা উপৰিও, ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰত অংশগ্ৰহণ কৰা গৱেষণা পত্ৰত উচ্চমানৰ লিখনি প্ৰকাশ কৰাৰ লতে প্ৰতিবেশী অঞ্চলসমূহত বিভিন্ন অনুষ্ঠান যেনে- নৈতিক শিক্ষা, অন্ধবিশ্বাস, খাদ্য, মাতৃ আৰু শিশু সম্পৰ্কে বিশেষ সজাগতা সভা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি সজাগতাৰ সৃষ্টি কৰিছে।

গুৰু আৰু শিষ্যৰ এক মধুৰ সম্পৰ্ক এই বিভাগৰ এক উল্লেখযোগ্য দিশ। নিজৰ অধ্যয়ন, প্ৰচেষ্টা আৰু শিক্ষকসকলৰ গুণগত শিক্ষা আৰু দিহা-পৰামৰ্শৰ বাবে পৰীক্ষাসমূহত ছাত্ৰ-ছাত্ৰীসকলে সুখ্যাতিৰে আগুৱাই যাবলৈ সক্ষম হৈছে। স্নাতক পৰ্যায়ত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হৈ বিশ্ববিদ্যালয়কে ধৰি অন্য উচ্চ শিক্ষানুষ্ঠানত অধ্যয়ন কৰিবলৈ সুযোগ পোৱা, ভাৰত চৰকাৰ বিভাগসমূহত (সেনাবাহিনী, শিক্ষানুষ্ঠান, আদালত, ডাকঘৰ, চিকিৎসা সেৱা) যোগদানৰ সুবিধা পোৱাই বিভাগৰ এক অন্যতম সাফল্যকে সূচায়। বিভিন্ন সময়ত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে তৰ্ক প্ৰতিযোগিতা, সংগীত, খেল-ধেমালি আদিত সুখ্যাতি অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

**বিভাগীয় অধ্যাপকসকল ঃ**

ক) মনোৰীমা ভাগৰতী (বিভাগীয় মুৰব্বী), (এম.এ.এম.ফিল.)

ভ্ৰাম্যভাষ ঃ ৭০০২৬১৫৩৬১

খ) বিজয় ফুকন, (মানৱ অধিকাৰ ডিপ্ল'মা, এল.এল.বি.)

ভ্ৰাম্যভাষ ঃ ৯৮৩৮৫০৬৮১৮

গ) ড°বসন্ত সন্দিকৈ (এম.এ., এম.ফিল., পি.এইচ.ডি.)

ভ্ৰাম্যভাষ ঃ ৭০০২৮০০২৭৫

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বি.এ. চূড়ান্ত বৰ্ষৰ পৰীক্ষাত বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে সন্মানীয় স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। ৰাজনীতি বিজ্ঞান বিভাগক গৌৰৱ (গৌৰৱান্বিত কৰা ছাত্ৰ-ছাত্ৰীসকল ২০১৯ৰ পৰা ক্ৰমে —

1. Saurav Goutom (1st Class)
2. Banashree Dutta (1st Class)
3. Trishna Chetia (1st Class)
4. Ranjan Baruah 2020-21 (1st Class)
5. Jitamoni Bhrali 2020-21 (1st Class)
6. Pratiksha Gogoi 2020-21 (1st Class)
7. Rosy Sultana 2020-21 (1st Class)
8. Priyanka Gogoi 2020-21 (1st Class)
9. Lakimoni Nath 2020-21 Out standing
10. Kobita Gogoi 2021-22 A+
11. Anubhuti Dutta 2021-22 A
12. Dharitri Gogoi 2021-22 A
13. Sangita Neog 2021-22 A
14. Upasana Dutta 2021-22 A
15. Lucky Gogoi 2021-22 1st Class
16. Rimpi Gogoi 2021-22 1st Class
17. Chayanika Phukan 2021-22 1st Class
18. Prasanta Khanika 2021-22 1st Class

**আৰ্থিক, শাৰীৰিক, মানসিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলৰ বাবে —**

ক) দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক কিতাপ-পত্ৰৰ উপৰিও আৰ্থিক সাহাৰ্য প্ৰদান কৰা। কিন্তু ম'বাইল থকা ছাত্ৰ-ছাত্ৰীসকল এই সুবিধাৰ পৰা বঞ্চিত হ'ব।

খ) ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষা বহিব কাৰণে ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় জ্ঞান আৰু অধ্যয়নৰ সামগ্ৰী (Required Knowledge and Study Materials) দিয়া।

গ) প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ সম্পৰ্কত সন্মুখীন হোৱা অসুবিধাসমূহ বিচাৰি উলিয়াই সমাধানৰ চেষ্টা কৰা।

❖❖❖

*মনোৰমা ভাগৰতী জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা*

# সংস্কৃত বিভাগ ঃ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে

ৰাজীৱ শৰ্মা

যি সময়ত সমগ্ৰ দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অধ্যয়ন-অধ্যাপনাই প্ৰাধান্য লাভ কৰিছিল, ঠিক সেই সময়তে জাঁজী অঞ্চলৰ এচাম দূৰদৰ্শী তথা ঋষি-মহৰ্ষিতুল্য ব্যক্তিয়ে বুজি পাইছিল যে কেৱল বিজ্ঞান বা প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে বা চৰ্চাই এটা জাতিক বা এখন দেশক আগবঢ়াই নিব নোৱাৰে। তেওঁলোকে বুজি পাইছিল যে, মানুহৰ মানৱীয় ভাবাদৰ্শক উচ্চৰ পা উচ্চতৰলৈ আগবঢ়াই নিবৰ বাবে, নিজৰ ঐতিহ্য পৰম্পৰাক জানিবৰ বাবে সকলো দিশতে সমৃদ্ধ সংস্কৃত ভাষা জ্ঞানৰ একান্তই আৱশ্যক। আৰু সেই উদ্দেশ্য আগত ৰাখিয়েই জাঁজী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালতেই (১৯৬৪ চনৰ ২৫ জুলাই) সংস্কৃত বিষয়টো মহাবিদ্যালয়খনত সাধাৰণ পাঠ্যক্ৰম হিচাবে অন্তৰ্ভুক্ত কৰা হয়। সেই সময়ত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো অধ্যয়ন কৰি বিশ্ববিদ্যালয়ে অনুষ্ঠিত বিভিন্ন পৰীক্ষাসমূহত সন্তোষজনক ফলাফল লাভ কৰি সংস্কৃত বিভাগ, মহাবিদ্যালয় তথা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। দিন বাগৰাৰ লগে লগে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়টো সন্মানীয় হিচাপে (Major Subject) হিচাবে অধ্যয়ন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিবলৈ ধৰে আৰু ইয়াৰ ফলশ্ৰুতিত ১৯৭৪ চনত এই বিষয়টো সন্মান পাঠ্যক্ৰম হিচাপে (Major Subject) মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হয়। আৰু তেতিয়াৰে পৰা সংস্কৃত বিষয়টো মহাবিদ্যালয়ৰ সাধাৰণ আৰু সন্মান পাঠ্যক্ৰম হিচাপে চলি আহিছে। এই বিষয়টো অধ্যয়ন কৰিবৰ বাবে প্ৰত্যেক বছৰে বিভিন্ন ঠাইৰ পৰা মহাবিদ্যালয়খনলৈ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে আৰু গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই অতি সুখ্যাতিৰে ইয়াৰ পৰা উত্তীৰ্ণ হৈ নিজ নিজ কৰ্মক্ষেত্ৰত অতি পাৰদৰ্শিতাৰে কাৰ্যনিৰ্বাহ কৰি দেশ তথা ৰাইজৰ সেৱাত ব্ৰতী হৈ আহিছে।

**বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল ঃ**

সংস্কৃত বিভাগ প্ৰতিষ্ঠা হোৱাৰ সময়ৰে পৰা প্ৰায় ১৯৬৯ চন মানলৈকে কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকাই বিভাগত পাঠদান কৰি বিভাগটোৰ ভেটি টনকীয়াল কৰি তুলিছিল। সেইসকল হ'ল— হাৰাধন দেৱনাথ, তৰুণ মিশ্ৰ ভাগৱতী, স্বৰ্ণছায়া শইকীয়া আৰু যাদৱ চলিহা আদি। ১৯৬৯ চনৰ ১৬ নৱেম্বৰ তাৰিখে শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈদেৱে (এম.এ.পি.এইচ.ডি) এই বিভাগৰ প্ৰবক্তা পদত যোগদান কৰে। আৰু ২০০৩ চনৰ ৩১ ডিচেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰে। ১৯৭২ চনৰ ১১ ছেপ্তেম্বৰ তাৰিখে শ্ৰীযুত

অকণ চন্দ্ৰ শইকীয়াদেৱে (এম.এ.পি.এইচ.ডি, কাব্যশাস্ত্ৰী) বিভাগত প্ৰবক্তা হিচাবে যোগদান কৰে আৰু ২০০০ চনৰ মাৰ্চ মাহলৈকে বিভাগত সেৱা আগবঢ়ায়। ১৯৭৫ চনৰ ২ ছেপ্তেম্বৰ তাৰিখে শ্ৰীযুত প্ৰদীপ কুমাৰ গগৈদেৱে (এম.এ.পি.এইচ.ডি) বিভাগৰ প্ৰবক্তা হিচাবে যোগদান কৰে আৰু ২০০৭ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰে। শ্ৰীযুতা অনুপমা মহন্তই (এম.এ. সংস্কৃত আৰু অসমীয়া, পি.এইচ.ডি) ১৯৮৬ চনৰ ১৯ ছেপ্তেম্বৰ তাৰিখে বিভাগত প্ৰবক্তা হিচাবে যোগদান কৰে আৰু ৩১ জানুৱাৰী ২০১৭ তাৰিখে অৱসৰ গ্ৰহণ কৰে। শ্ৰীযুত ৰাজীৱ শৰ্মাই (এম.এ.এম.ফিল) ২০০০ চনৰ ১৪ ছেপ্তেম্বৰ তাৰিখে বিভাগত প্ৰবক্তা হিচাবে যোগদান কৰে আৰু তেখেতে বৰ্তমান বিভাগীয় মুৰব্বী হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। ২০০৮ চনৰ ২২ জুলাই তাৰিখে শ্ৰীযুতা জেউতি বৰুৱাই (এম.এ., এম.ফিল, পি.এইচ.ডি) বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে আৰু তেখেতে বৰ্তমান বিভাগত কৰ্মৰত হৈ আছে। ২০২০ চনৰ ৪ ডিচেম্বৰ তাৰিখে শ্ৰীমতী মৃদুস্মিতা দেৱীয়ে (এম.এ.বি.এড., পি.এইচ.ডি) বিভাগটোত সহকাৰী অধ্যাপিকা হিচাবে যোগদান কৰে আৰু বৰ্তমান বিভাগত কৰ্মৰত হৈ আছে। সমসাময়িকভাৱে নিযুক্তি দিয়া বহুকেইজন অধ্যাপক-অধ্যাপিকাই বিভাগত শিক্ষাদান কৰি বিভাগটোক উপকৃত কৰিছে। সেইসকল হ'ল— অমি নেওগ, মৌচুমী বৰগোহাঁই, ডিম্বেশ্বৰ ভূঞা, বৰ্ণালী বৰঠাকুৰ, শুভজ্যোতি বৰগোহাঁই, নৰকান্ত হাজৰিকা আৰু বৰ্ণালী চুতীয়া।

**বিভাগীয় পুথিভঁৰাল ঃ**

২০০৩ চনত সেই সময়ৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° কৃষ্ণকান্ত সন্দিকৈ আৰু প্ৰবক্তা ৰাজীৱ শৰ্মাৰ প্ৰচেষ্টাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালীন সম্পাদক মহেন্দ্ৰ কুমাৰ বৰুৱাদেৱে বিভাগটোলৈ দান দিয়া তেখেতৰ এখন গ্ৰন্থৰে বিভাগীয় পুথিভঁৰাল এটা স্থাপন কৰা হয়। বিভাগৰ কোঠাত থকা পুথিভঁৰালটোলৈ পৰৱৰ্তী সময়ত বিভাগৰ অৱসৰপ্ৰাপ্ত দুজন অধ্যাপক ক্ৰমে ড° কৃষ্ণকান্ত সন্দিকৈ, ড° প্ৰদীপ গগৈদেৱ, কৰ্মৰত অধ্যাপক ৰাজীৱ শৰ্মা, ড° জেউতি বৰুৱা বিভিন্ন সময়ত বিভাগৰ পৰা উত্তীৰ্ণ হৈ যোৱা ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে ৰূপাঞ্জলি গগৈ, সঞ্চয়িতা বৰুৱা, জাহ্নৱী দত্ত, বৰ্ণালী বৰঠাকুৰ, ত্ৰিধাৰা বৰুৱা, নীলমণি ফুকন, বেদাংগ শৰ্মা, বাগ্মিতা বৰঠাকুৰ, বৰ্ণালী খনিকৰ, মমী গগৈ, পিংকীমণি দত্ত, স্মিতা বৰুৱা, বৰ্ণালী বৰা, ভৃগু ৰাজখোৱা, ৰাজশ্ৰী বৰগোহাঁই, হিমাশ্ৰী বৰুৱা, গীতাশ্ৰী বৰুৱা, ৰুবী শইকীয়া, ময়ুৰী ভট্টাচাৰ্য, চুইটী গগৈ, বৰ্ষাৰাণী নেওগ, অনন্ত হাজৰিকা, ৰাকেশ শৰ্মা, অংকন কাশ্যপ, যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত চম্পক ডেকা আৰু অনেক শুভাকাংক্ষীয়ে গ্ৰন্থ দান দি চহকী কৰি তুলিছে। এই বিভাগৰে প্ৰাক্তন ছাত্ৰ শ্ৰীযুত ঋষেশ্বৰ শৰ্মা আৰু তেখেতৰ সহধৰ্মিনী তথা বিভাগৰ প্ৰাক্তন ছাত্ৰী তথা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° অনুপমা মহন্তই এটি ষ্টিলৰ আলমিৰা পুথিভৰালটিলৈ দান দি পুথিভঁৰালটিৰ গ্ৰন্থসমূহ সুৰক্ষিত কৰাত সহায় কৰিছে। এই পুথিভঁৰালে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিছে বুলি ক'ব পাৰি। এই সুযোগতে আমি বিভাগৰ শুভাকাংক্ষীসকললৈ নিবেদন জনাওঁ যে

যদিহে আমাৰ বিভাগৰ কোনো শুভাকাংক্ষীয়ে স্ব-ইচ্ছাই বিভাগলৈ গ্ৰন্থাদি দান কৰে তেন্তে বিভাগটি চিৰদিনৰ বাবে তেনেজনৰ ওচৰত কৃতাৰ্থ হৈ থাকিব।

**বিভাগীয় চ'ৰা ঃ**

২০০৩ চনত সেই সময়ৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° কৃষ্ণকান্ত সন্দিকৈদেৱৰ তত্বাৱধানত আৰু অন্য শিক্ষকসকল ক্ৰমে ড° প্ৰদীপ কুমাৰ গগৈ, ড° অনুপমা মহন্ত, শ্ৰী ৰাজীৱ শৰ্মা আৰু ছাত্ৰ-ছাত্ৰীসকৰ সহযোগত 'সাৰস্বত চ'ৰা' নামে এটা চ'ৰা গঠন কৰা হয়। প্ৰত্যেক বছৰেই বিভাগৰ অধ্যাপক-অধ্যাপিকাসকল উপদেষ্টা,পঞ্চম যান্মাসিকৰ এজন ছাত্ৰী/ছাত্ৰী সম্পাদক, তৃতীয় যান্মাসিকৰ এজন ছাত্ৰ/ছাত্ৰী সহকাৰী সম্পাদক হিচাপে লৈ এই চ'ৰা গঠন কৰা হয়। এই চ'ৰাই বিভাগত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতা, বক্তৃতা অনুষ্ঠান, কবিতা-আবৃত্তি, সংস্কৃত দিৱস, শিক্ষামূলক ভ্ৰমণ, সংস্কৃত কথোপকথন শিবিৰ আদিৰ আয়োজন কৰে।

**প্ৰাচীৰ পত্ৰিকা ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণৰ উদ্দেশ্যে প্ৰতিবছৰে বিভাগীয় সাৰস্বত চ'ৰাৰ উদ্যোগত এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা হয়। 'অনুৰণনম্ শিৰোনামৰ এই প্ৰাচীৰ পত্ৰিকাখন প্ৰথমবাৰ প্ৰকাশ কৰা হয় ২০১০ চনৰ ৫ ছেপ্তেম্বৰত আৰু ইয়াৰ প্ৰথম সম্পাদক আছিল সেই সময়ৰ বিভাগৰ ছাত্ৰ শ্ৰী ভৃগু ৰাজখোৱা। প্ৰথম প্ৰকাশ হোৱাৰ পাছৰে পৰা বৰ্তমানলৈকে এই প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ হৈ আহিছে। সংস্কৃত, অসমীয়া আৰু ইংৰাজী এই তিনিওটা ভাষাৰ প্ৰৱন্ধাদি এই পত্ৰিকাখনত সন্নিৱিষ্ঠ কৰি প্ৰকাশ কৰা হয়।

মহাবিদ্যালয়ত আয়োজন কৰা প্ৰতিযোগিতাত অনুৰণনম্ পত্ৰিকাখনিয়ে কেইবাবাৰো বিচাৰকৰ বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।

**পাণ্ডিত্য বৃত্তি ঃ**

এই বিভাগত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শৈক্ষিক জলপানি লাভ কৰাৰ ব্যৱস্থা আছে। ৰাষ্ট্ৰীয় সংস্কৃত সংস্থান, দিল্লীয়ে সংস্কৃত বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰদান কৰা শৈক্ষিক বৃত্তি ইতিমধ্যে বিভাগৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিছে। ইয়াৰোপৰি ঈশান উদয়, জিন্দাল আদিয়ে প্ৰদান কৰা শৈক্ষিক বৃত্তি যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে লাভ কৰিছে। বিভাগৰ মেধাৱী ছাত্ৰী শ্ৰীমতী বৰ্ণালী বৰঠাকুৰে বিশ্ববিদ্যালয় অনুদান আয়োগে (ইউ.জি.চি) আগবঢ়োৱা শৈক্ষিক বৃত্তি লাভ কৰি বিভাগলৈ কৃতিত্ব বুটলি আনিছে। ইয়াৰ উপৰিও বিভাগৰ দুগৰাকী ছাত্ৰী ক্ৰমে নিহাৰীকা শৰ্মা আৰু সুকন্যা গগৈয়েও ইউ.জি.চি.ৰ অন্তৰ্গত ঈশান উদয় শৈক্ষিক বৃত্তি (২০১৯-২০২২) লাভ কৰি বিভাগলৈ কৃতিত্ব বুটলি আনিছে। সাংস্কৃতিক দিশত আগবঢ়োৱা বিশেষ পাৰদৰ্শিতাৰ বাবে বিভাগৰ প্ৰাক্তন ছাত্ৰ শ্ৰীমান মঞ্জিল কলিতাই ২০১৩-১৪ চনত ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনৰ Centre for Cultural Research and Training ৰ পৰা National Scholarship লাভ কৰিছে। বিভাগৰ আন এজন প্ৰাক্তন ছাত্ৰ ভৃগু ৰাজখোৱাই তেওঁৰ

গৱেষণা কাৰ্য আগবঢ়াই নিবৰ বাবে ২০১৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে আগবঢ়োৱা UGC National Fellowship (NFOBC) লাভ কৰিছে।

**কল্যাণ পুঁজি ঃ**

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগত সংস্কৃত বিষয় অধ্যয়ন কৰি থকা বা এই কল্যাণ পুঁজিলৈ বিভিন্ন ব্যক্তিয়ে আগবঢ়োৱা আৰ্থিক ধনৰাশি জমা ৰাখিবৰ বাবে, ইউনাইটেড বেংক অৱ ইণ্ডিয়াৰ, জাঁজী শাখাত (বৰ্তমান পাঞ্জাৱ নেচনেল বেংক) এটি যুটীয়া একাউণ্ট (০৬৪৫০১০২২৯০৫০) খোলা হয়। ইতিমধ্যে বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিভিন্ন শুভাকাংক্ষীয়ে এই পুঁজিলৈ আৰ্থিক অনুদান আগবঢ়াই পুঁজিটো যথেষ্ট টনকিয়াল কৰি তোলাত সহায় কৰিছে। এই কল্যাণ পুঁজিৰ জৰিয়তে বৰ্তমানলৈকে বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীক আৰ্থিকভাৱে সহায় কৰা হৈছে।

**দলীয় শিক্ষাদান (Team Teachig), আন্তঃ বিভাগীয় শ্ৰেণী (Interdisceplinary Class) ইত্যাদি ঃ**

বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনোযোগ আৰু আগ্ৰহ বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলে দলীয় শিক্ষাদানৰ ব্যৱস্থাৰে শিক্ষাদান কাৰ্য ইতিমধ্যে আৰম্ভ কৰিছে। মহাবিদ্যালয়ৰ অন্যান্য বিভাগৰ পাঠ্যক্ৰমৰ লগত সংগতি থকা বিভাগসমূহৰ অধ্যাপক-অধ্যাপিকাসকলৰ সহযোগত আন্তঃবিভাগীয় শ্ৰেণীও ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই শিক্ষাদান পদ্ধতিৰ অংশস্বৰূপে ইংৰাজী আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক-অধ্যাপিকাসকলৰ সহযোগত এনেধৰণৰ শিক্ষাদান কাৰ্য সমাপন কৰি অহা হৈছে। মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক তৰুণ ফুকনে বিগত কেইবাবছৰো ধৰি সংস্কৃত বিভাগৰ অন্তৰ্গত 'লীলাৱতী' গ্ৰন্থখনৰ পাঠদান কৰি সংস্কৃত বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিছে। ইয়াৰোপৰি অধ্যাপক-অধ্যাপিকাসকলে আধুনিক (ডিজিটেল ক্লাছ) ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বিভাগত বিভিন্ন সময়ত অনুষ্ঠিত হোৱা আলোচনাচক্ৰ আদিত আধুনিক তথ্য-প্ৰযুক্তি ব্যৱহাৰ কৰি আলোচনা পত্ৰাদি পাঠ কৰিবলৈ সক্ষম হৈছে।

**বিভাগৰ ছাত্ৰ-ছাত্ৰী ঃ**

এই বিভাগটোত অধ্যয়ন কৰি উত্তীৰ্ণ হৈ যোৱা গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়েই সুকীয়া একোটাকৈ পৰিচয়েৰে মহিমামণ্ডিত বুলি ক'লে নিশ্চিতভাৱে ভুল কোৱা নহয়। ছাত্ৰ-ছাত্ৰীসকলে অতি সীমিত সা-সুবিধাৰে বিভাগটোত অধ্যয়ন কৰি কৃতিত্ব সহকাৰে বিভিন্ন পৰীক্ষাসমূহত উত্তীৰ্ণ হৈ বিভাগটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই বিভাগৰ পৰা ১৯৯৯ বৰ্ষত স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ শ্ৰীশ্যামকানু মহন্তই সৰ্বভাৰতীয় অসামৰিক প্ৰশাসনিক পৰীক্ষাত (আই.এচ.) উত্তীৰ্ণ হৈ বিভাগটোৰ খ্যাতি সৰ্বভাৰতীয় পৰ্যায়লৈ লৈ গৈছে। ভাৰত চৰকাৰৰ বিভিন্ন উচ্চ পদবী অলংকৃত কৰা এনেহেন ছাত্ৰক লৈ বিভাগটো সদায় গৌৰৱান্বিত হৈ থাকিব। বিভাগৰ ছাত্ৰী শ্ৰীমতী জেউতি বৰুৱাই (২০০০ বৰ্ষ), শ্ৰীমতী বৰ্ণালী বৰঠাকুৰে (২০০৭ বৰ্ষ), ছাত্ৰ শ্ৰী জীৱনজ্যোতি দত্তই (২০১৯ বৰ্ষ) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ

স্নাতক চূড়ান্ত পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰাৰ লগতে মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক সন্মান লাভ কৰি ‘হেমনাথ শৰ্মা স্মাৰক বঁটা’ লাভ কৰিছে। শ্ৰীমান মঞ্জিল কলিতাইয়ো ২০২০ চনত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতকৰ সন্মান লাভ কৰিছে। এই সকলৰ উপৰিও অন্য যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে স্নাতক চূড়ান্ত পৰীক্ষা কৃতিত্ব সহকাৰে উত্তীৰ্ণ হৈছে। ইয়াৰ ভিতৰত ২০০০ বৰ্ষৰ পৰৱৰ্তী সময়ত প্ৰথম শ্ৰেণী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নামসমূহ তুলি ধৰা হ'ল—

১। শ্ৰীমতী জেউতি বৰুৱা, ২০০০ চন।
২। শ্ৰীমতী শিল্পীশিখা বৰা, ২০০৩ চন।
৩। শ্ৰী টংকেশ্বৰ পাঠক, ২০০৩ চন।
৪। শ্ৰীমতী মৌচুমী বৰগোহাঁই, ২০০৪ চন।
৫। শ্ৰী অনন্ত হাজৰিকা, ২০০৪ চন।
৬। শ্ৰীমতী স্মিতা বৰুৱা, ২০০৫ চন।
৭। শ্ৰীমতী জুৰি শইকীয়া, ২০০৬ চন।
৮। শ্ৰীমতী ৰূপাঞ্জলি গগৈ, ২০০৬ চন।
৯। শ্ৰীমতী উৰ্মিজ্যোতি ভূঞা, ২০০৬ চন।
১০। শ্ৰীমতী সঞ্চয়িতা বৰুৱা, ২০০৬ চন।
১১। শ্ৰীমতী বাসৰী বৰুৱা, ২০০৬ চন।
১২। শ্ৰীমতী বৰ্ণালী বৰঠাকুৰ, প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, ২০০৭ চন।
১৩। শ্ৰীমতী পল্লৱী দত্ত, প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান, ২০০৭ চন।
১৪। শ্ৰীমতী মধুস্মিতা বৰঠাকুৰ, প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান, ২০০৭ চন।
১৫। শ্ৰীমতী ৰাজশ্ৰী দত্ত, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০০৭ চন।
১৬। শ্ৰীমতী মেঘালী দত্ত, প্ৰথম শ্ৰেণীৰ অষ্টম স্থান, ২০০৭ চন।
১৭। শ্ৰীমতী নীতামণি ফুকন, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ২০০৯ চন।
১৮। শ্ৰীমতী অঞ্জু গগৈ, প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, ২০০৯ চন।
১৯। শ্ৰীমতী বাগ্মিতা বৰঠাকুৰ, প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান, ২০০৯ চন।
২০। শ্ৰীমতী পাপৰি দাস, প্ৰথম শ্ৰেণীৰ নৱম স্থান, ২০০৯ চন।
২১। শ্ৰীমতী তুলতুল গগৈ, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০১০ চন।
২২। শ্ৰীমতী জোনালী ভট্টাচাৰ্য, প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, ২০১২ চন।
২৩। শ্ৰীমতী জোনটি বৰা, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০১২ চন।
২৪। শ্ৰীমতী গীতাশ্ৰী বৰুৱা, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ২০১৩ চন।
২৫। শ্ৰীমতী ৰুবী শইকীয়া, প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান, ২০১৩ চন।
২৬। শ্ৰীমতী ৰাজশ্ৰী বৰগোহাঁই, প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান, ২০১৩ চন।
২৭। শ্ৰীমতী বিনীতা কলিতা, প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান, ২০১৪ চন।
২৮। শ্ৰী দিব্যজ্যোতি কাকতি, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০১৪ চন।
২৯। শ্ৰীমতী ময়ুৰী ভট্টাচাৰ্য, প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, ২০১৫ চন।
৩০। শ্ৰীমতী লাচু বৰুৱা, ২০১৫ চন।
৩১। শ্ৰীমতী বৰ্ণালী চুতীয়া, ২০১৬ চন।
৩২। শ্ৰীমতী জোনমণি গগৈ, ২০১৬ চন।
৩৩। শ্ৰী ধ্ৰুৱজ্যোতি বড়া, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ২০১৭ চন।

৩৪। শ্ৰী দ্বিপেন বড়া, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০১৮ চন।

৩৫। শ্ৰী জীৱনজ্যোতি দত্ত, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০১৯ চন।

৩৬। শ্ৰীমতী মাধুৰীমা দত্ত, প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান, ২০১৯ চন।

৩৭। শ্ৰীমতী পৰিস্মৃতা দত্ত, প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান, ২০১৯ চন।

৩৮। শ্ৰী মঞ্জিল কলিতা, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ২০২০ চন।

৩৯। শ্ৰীমতী সংগীতা ভট্টাচাৰ্য, প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান, ২০২০ চন।

৪০। শ্ৰীমতী ডিম্পী শইকীয়া, প্ৰথম শ্ৰেণীৰ সপ্তম স্থান, ২০২০ চন।

৪১। শ্ৰীমতী ৰিতুৰাণী গগৈ, ১ম শ্ৰেণী, ২০২০ চন।

৪২। শ্ৰীমতী ৰিংকী বৰা, ১ম শ্ৰেণী, ২০২০ চন।

৪৩। শ্ৰীমতী স্বপ্নালী দত্ত, ১ম শ্ৰেণী, ২০২০ চন।

৪৪। শ্ৰীমতী মানসী দত্ত, ১ম শ্ৰেণী, ২০২০ চন।

৪৫। শ্ৰীমতী তৃষ্ণাশ্ৰী গগৈ, ১ম শ্ৰেণী, ২০২০ চন।

৪৬। শ্ৰী অংকন কাশ্যপ, ১ম শ্ৰেণী, ২০২১ চন।

৪৭। শ্ৰী ৰাকেশ শৰ্মা, প্ৰথম শ্ৰেণী, ২০২১ চন।

৪৮। শ্ৰীমতী ৰিচা বৰা, প্ৰথম শ্ৰেণী ২০২১ চন।

৪৯। শ্ৰীমতী নীহাৰিকা শৰ্মা, প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান, ২০২২ চন।

৫০। শ্ৰীমতী চুইটী গগৈ, প্ৰথম শ্ৰেণীৰ দশম স্থান, ২০২২ চন।

৫১। শ্ৰীমতী সুকন্যা গগৈ, প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, ২০২২ চন।

৫২। শ্ৰীমতী বৰ্ষাৰাণী নেওগ, প্ৰথম শ্ৰেণৰী অষ্টম স্থান, ২০২২ চন।

এই বিভাগটোত অধ্যয়ন কৰা বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় পি.এইচ.ডি. ডিগ্ৰী লাভ কৰি নিজৰ লগতে বিভাগটোকো শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰৰ শাৰীলৈ উত্তৰণ ঘটাইছে। বৰ্তমানলৈকে পি.এইচ.ডি.ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নাম আৰু তেওঁলোকৰ গৱেষণাৰ বিষয় আৰু তেওঁলোকক সন্মান প্ৰদান কৰা বিশ্ববিদ্যালয়সমূহৰ নাম ইয়াত উল্লেখ কৰা হ'ল—

১। মুকুল হাজৰিকা ঃ গৱেষণাৰ বিষয় ঃ গ্ৰন্থপঞ্জী আৰু অসমীয়া গ্ৰন্থপঞ্জী প্ৰণয়ন। ডিব্ৰুগড় বিশ্ববিদ্যালয়।

২। অনুপমা মহন্ত ঃ গৱেষণাৰ বিষয় ঃ The Dialogue Hymns of the Rigveda : A Curitical Study, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৯৭ চন।

৩। দীপাৰাণী গোস্বামীঃ গৱেষণাৰ বিষয় ঃ প্ৰাক্ শঙ্কৰ যুগৰ অসমীয়া বৈষ্ণৱ সাহিত্যত সংস্কৃত সাহিত্যৰ উত্তৰাধিকাৰী। গুৱাহাটী বিশ্ববিদ্যালয়, ২০১২ চন।

৪। মীৰা বৰুৱা ঃ গৱেষণাৰ বিষয় ঃ The Vidagdha Madhave : A Critical Study, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৩ চন।

৫। জেউতি বৰুৱা ঃ গৱেষণাৰ বিষয় ঃ The Ratnavali Natika of

Sriharsa and the Candrakalanatika of Visvanatha Kaviraja : A Comparative Study, গুৱাহাটী বিশ্ববিদ্যালয়।

৬। বৰ্ণালী বৰঠাকুৰ ঃ গৱেষণাৰ বিষয় ঃ The Rigvedic Mandala's Sixth and Seventh : A Study, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৭ চন।

৭। পল্লৱী দত্ত ঃ গৱেষণাৰ বিষয় ঃ A Socio Cultural Study on Bhasa's Dramas based on Mahabharata, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৭ চন।

৮। মধুমিতা বৰঠাকুৰ ঃ গৱেষণাৰ বিষয় ঃ The Brhadaranayaka Upanisad : A study, গুৱাহাটী বিশ্ববিদ্যালয়, ২০১৬ চন।

৯। শুভ্ৰজ্যোতি বৰগোহাঁই ঃ গৱেষণাৰ বিষয় ঃ Mudraraksasa of Visakhadatta : A Critical Study, অসম বিশ্ববিদ্যালয়, ২০১৯ চন।

১০। ভৃগু ৰাজখোৱা ঃ গৱেষণাৰ বিষয় ঃ A Study on Reflection of Environmental Awarness in the Ancient Indian Literature, অসম বিশ্ববিদ্যালয়, ২০২৩ চন।

১১। ইয়াৰোপৰি বিভাগৰ প্ৰাক্তন ছাত্ৰী সংগীতা ভট্টাচাৰ্যই বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটীত A Study on Haiku in Modern Sanskrit Literature শীৰ্ষক বিষয়ত গৱেষণা কৰি আছে।

অসম চৰকাৰে অনুষ্ঠিত কৰা টেট (Teacher's Elegibility Test) পৰীক্ষা অথবা অন্যান্য বিভিন্ন বৃত্তিমূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হৈ বিভাগটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। National Elegibility Test (NET), State Elegibility Test (SET) আদি পৰীক্ষাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে।

মহাবিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত মাত্ৰ এক বা দুই শতাংশমানহে অধ্যয়ন কৰা এই বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক দিশত যেনেদৰে আগবঢ়া ঠিক তেনেদৰে সাহিত্য-সংস্কৃতি আদি বিষয়সমূহতো সমানে আগবঢ়া বুলি অনুভৱ ব্যক্ত কৰিব পাৰি।

সাংস্কৃতিক দিশত বিভাগৰ ছাত্ৰী শ্ৰী জ্যোৎস্না মহন্তই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় সংগীত প্ৰতিযোগিতাৰ (১৯৭৪-৭৫) বৰগীত প্ৰতিযোগিতাত যোগদান কৰি দুবাৰকৈ প্ৰথম স্থান, শ্ৰী মিনাক্ষী খাউণ্ডে সত্ৰীয়া (সূত্ৰধাৰী) নৃত্যত দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ২০১৭-১৮ বৰ্ষত বিভাগৰ ছাত্ৰী শ্ৰীমতী

মাধুৰীমা দত্তই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত লোকগীত প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল। ছাত্ৰ অচিন্ত্য মহন্তই শঙ্কৰী কলা-সংস্কৃতিৰ মাধ্যমেৰে ভাৰতবৰ্ষৰ উপৰিও বিদেশতো নিজৰ লগতে বিভাগটোৰ খ্যাতি বিয়পাই তুলিছে। ২০০৬ বৰ্ষত নতুন দিল্লীত অনুষ্ঠিত হোৱা গণতন্ত্ৰ দিৱসৰ পেৰেড অনুষ্ঠানত অসমৰ হৈ গায়ন-বায়ন প্ৰদৰ্শন কৰি তেখেতে সকলোৰে পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। ইয়াৰোপৰি মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি বিভিন্ন পুৰস্কাৰ লাভ কৰাৰ উপৰিও একালৰ বিভাগৰ মেধাৱী ছাত্ৰ শ্ৰীমান টংকেশ্বৰ পাঠকে (২০০৩ বৰ্ষ) শ্ৰেষ্ঠ গায়কৰ সন্মান আৰু ২০১৮ বৰ্ষত শ্ৰীমতী মাধুৰীমা দত্তই শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰিছিল। ২০২১ চনত বিভাগৰ ছাত্ৰী শ্ৰীমতী নীহাৰিকা শৰ্মাই সংস্কৃত ভাৰতী, উত্তৰ পূব প্ৰান্তে অনুষ্ঠিত কৰা সংস্কৃত শ্লোক আবৃত্তি প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰাৰ উপৰি মহাপুৰুষ শ্ৰীশ্ৰী দেৱদামোদৰ সংঘই (২০২১) অসম ভিত্তিত অনুষ্ঠিত কৰা কবিতা আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছে। তাৰোপৰি শ্ৰীমতী নীহৰিকা শৰ্মাই কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত প্ৰমাণপত্ৰীয় পাঠ্যক্ৰম (২০২১) আৰু দক্ষতা পাঠ্যক্ৰম (২০২২) সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে।

৭৩ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে আয়োজন কৰা দেশপ্ৰেমমূলক সমবেত সংগীত প্ৰতিযোগিতাত সংস্কৃত ভাষাত দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ২০২১-২২ বৰ্ষৰ বাৰ্ষিক সপ্তাহত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই আয়োজন কৰা সাংস্কৃতিক শোভাযাত্ৰাতো অংশগ্ৰহণ কৰি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে উদগণিমূলক বঁটা লাভ কৰাৰ উপৰিও সুধী সমাজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। ২০১৭ চনত শতকৰা ৮৪ শতাংশ নম্বৰে বিভাগৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ শ্ৰীমান মঞ্জিল কলিতাই সত্ৰীয়া নৃত্যৰ যোগেদি বিশেষ কৃতিত্ব লাভ কৰিছে।

দেশ-বিদেশত সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি সাংস্কৃতিক দিশত তেওঁ এক সুকীয়া স্থান লাভ কৰিছে। তেওঁ অসম ভিত্তিত আয়োজিত ভাওনা প্ৰতিযোগিতাত তিনিবাৰ অংশগ্ৰহণ কৰি তিনিওবাৰেই শ্ৰেষ্ঠ সূত্ৰধৰৰ পুৰস্কাৰ লাভ কৰে। তেওঁ Indian Council for Cultural Research ৰ দ্বাৰা নতুন দিল্লীত আয়োজিত অনুষ্ঠানত নৃত্য প্ৰদৰ্শন, সংগীত, নাটক, একাডেমী National School of Drama, ICCR, EZCC আদিৰ দ্বাৰা ভাৰতৰ বিভিন্ন স্থানত আয়োজিত সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ আদি তেওঁৰ বিশেষ কৃতিত্ব। তেওঁৰ এই কৃতিত্বৰ বাবে ২০১৩-১৪ বৰ্ষৰ পৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনৰ Centre for Cultural Research and Training ৰ পৰা সন্মানীয় Young Artist বঁটা লাভ কৰে।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCO) সদস্য (Cadet) হিচাপেও বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি বিভাগটোৰ গৌৰৱ বৃদ্ধি কৰিছে। এইসকলৰ ভিতৰত পল্লৱী দত্ত, টুলটুল বৰুৱা, ডিম্পী নেওগ, বৰ্ণালী বৰঠাকুৰ, ৰাজশ্ৰী দত্ত, মেঘালী দত্ত, জীতা খাউণ্ড, মধুমিতা বৰঠাকুৰ, আৰুৱা গগৈ, যমুনা বৰুৱা, নিবেদিতা লাহন, অঞ্জু

গগৈ, দীপমণি দত্ত, আলোকৰঞ্জন বড়া, নীহাৰিকা শৰ্মা, বৰ্ণালী গগৈ আদি। ইয়াৰে পল্লৱী দত্ত আৰু আলোক ৰঞ্জন দত্তই ভাৰতবৰ্ষৰ গণতন্ত্ৰ দিৱসত নতুন দিল্লীত অনুষ্ঠিত হোৱা পেৰেড অনুষ্ঠানত ক্ৰমে ....... বৰ্ষত অসমৰ হৈ যোগদান কৰি বিভাগটোলৈ সুনাম কঢ়িয়াই আনিছে। শ্ৰীমতী পল্লৱী দত্ত বৰ্তমান গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে কৰ্মৰত।

ইয়াৰোপৰি বিভাগৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে বহুকেইটা বঁটাও লাভ কৰিবলৈ সক্ষম হোৱাৰ তথ্যও পোৱা গৈছে। ১৯৭৭ চনত মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা বিভাগৰ একালৰ ছাত্ৰ ঋম্বেশ্বৰ শৰ্মাই অসম চৰকাৰৰ পৰা কৃতী শিক্ষকৰ বঁটা লাভ কৰাৰ উপৰিও ২০১৪ চনত যোৰহাট জিলা ভিত্তিক বিশেষ পাৰদৰ্শিতাৰ বঁটা (Good Performance Award) লাভ কৰিছে। তেখেতে একাদিক্ৰমে তিনি বছৰ সংস্কৃত বিষয়ৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী আশী (৮০) শতাংশতকৈ অধিক নম্বৰ লাভ কৰোৱাৰ বাবে ২০১৪ বৰ্ষত 'গুঞ্জলতা দেৱী স্মাৰক বঁটা'ও লাভ কৰিছে।

যোৰহাট বাল্য ভৱনত শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰা একালৰ বিভাগৰ ছাত্ৰ মুকুল হাজৰিকাই নিজৰ কৰ্মক্ষেত্ৰৰ যোগেদি সাফল্য লাভ কৰাৰ উপৰিও বহুতো গ্ৰন্থাদি সম্পাদনা আৰু বিভিন্ন কাকত আলোচনীত অসংখ্য লিখনি প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰিছে।

বিভাগৰ আন এজন ছাত্ৰ হ'ল শ্ৰীমান অনন্ত হাজৰিকা। বৰ্তমান গুৱাহাটীৰ তিৱানগৰ হাইস্কুলৰ সহকাৰী শিক্ষক হিচাবে কৰ্মৰত শ্ৰী হাজৰিকা বহুকেইটা সন্মানৰ অধিকাৰী হৈছে। তেখেতে National Institute for School Heads and Teachers Holistic Advancement প্ৰশিক্ষণত Resource Person হিচাবে বহুবোৰ বিদ্যালয়ত উপস্থিত থাকি নিজৰ লগতে আমাৰ বিভাগটোক গৌৰৱান্বিত কৰিছে। ক'ৰণাজনিত কাৰণত উচ্চ মাধ্যমিক শিক্ষা পৰিষদ (SEBA) আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC) অধীনস্থ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ বাবে অসম চৰকাৰৰ দ্বাৰা মুকলি কৰা 'জ্ঞানবৃক্ষ' (Gyasn Vriksha) নামৰ দূৰদৰ্শন চেনেলত Live Telecast ৰ জৰিয়তে ইংৰাজী বিষয়ৰ শিক্ষাদান কৰাৰো কৃতিত্ব অৰ্জন কৰিছে। তেখেতে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা উন্মোচিত Tele Education Cell, Toll Free নম্বৰ (১৮০০৩৪৫৩১৭৮) ত চেবাৰ অধীনত থকা নৱম আৰু দশম শ্ৰেণীৰ বাবে Tele Education জৰিয়তে ইংৰাজী বিষয়ৰ শিক্ষাদান আৰু আসোঁৱাহসমূহ দূৰীকৰণৰ প্ৰচেষ্টা চলাই ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা সংসদে প্ৰকাশ কৰা Activity Book English ৰ Contributor হিচাবে কাম কৰাৰো তেওঁ কৃতিত্ব লাভ কৰিছে।

১৯৮১ চনত বিভাগৰ পৰা উত্তীৰ্ণ হোৱা এগৰাকী সুযোগ্যা ছাত্ৰী হ'ল শ্ৰীযুতা মধুমিতা বৰঠাকুৰ। তেখেতে ডিব্ৰুগড় মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ সহযোগী অধ্যাপিকা তথা উপাধ্যক্ষ হিচাবে কাৰ্যনিৰ্বাহ কৰি ২০২২ চনত অৱসৰ গ্ৰহণ কৰে। অসমৰ সাহিত্য জগতৰো তেখেত এটি চিনাকি নাম। বিভিন্ন কাকত-আলোচনীত তেখেতৰ অসংখ্য লেখনি প্ৰকাশ হোৱাৰ উপৰিও বহুকেইখন

গ্ৰন্থও তেখেতে ৰচনা কৰিছে। তাৰ ভিতৰত কেইখনমান গ্ৰন্থ হ'ল— ১। বাইবেলৰ সাধু ২। চিংকী নয়নী আৰু সিহঁতৰ ধেমালি (সদৌ অসম লেখিকা সংস্থাৰ শিশু গ্ৰন্থ শিতানত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত (২০০৬), ৩। শকুন্তলা ৪। ৰুণজুনিৰ শৈশৱ আৰু এজোপা গছ (২০২০) ৪। অকণিৰ মুকুন্দ মাধৱ (২০২৩), ৬। সন্তোষ আৰু সেউজী পাতৰ সপোন (২০২৪) ইত্যাদি।

বৰ্তমান সময়ৰ সাহিত্য জগতৰ এটি জনপ্ৰিয় নাম হ'ল অদিতি খাউণ্ড। বহু পাঠকে তেখেতৰ 'সঁফুৰা' আলোচনীত প্ৰকাশ হোৱা গল্পসমূহলৈ অপেক্ষা কৰি থাকে। চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ (জামুগুৰি) একালৰ শিক্ষয়িত্ৰী শ্ৰীযুতা খাউণ্ড বৰ্তমান কবি হিচাপেও প্ৰতিষ্ঠিত। তেখেতৰ প্ৰকাশিত কেইখনমান গ্ৰন্থ একাঁজলি জোনাক, দুবৰিৰ দলিচাত নিয়ৰৰ কণিকা, বকুল তলৰ সপোন, বুলবুলি আৰু তুলতুলিৰ উদ্যান, সোণালী শৈশৱ, দিপীকা আৰু পখিলী, চুলিৰ পৰী, জাকপাতি শৰালি তিৰবিৰ তৰালি, কণ কণ মুকুতাৰ মন, কণমানিহঁতৰ কুঁকি, মৰমৰ উপহাৰ, জিমু, টিকু আৰু বাবলু।

বৰ্তমান কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয় (নলবাৰী) সহকাৰী অধ্যাপক হিচাপে কৰ্মৰত বিভাগৰ একালৰ ছাত্ৰী বৰ্ণালী বৰঠাকুৰে ছাত্ৰী অৱস্থাতে আমেৰিকাৰ দেশত 'World Association of Vedic Studies' এ আয়োজন কৰা আলোচনা চক্ৰত গৱেষণা পত্ৰ পাঠ কৰি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ গৌৰৱ গাঁথা বিয়পাই তুলিছে।

২০১৩ বৰ্ষত বিভাগৰ পৰা উত্তীৰ্ণ হৈ যোৱা ছাত্ৰ জয়ন্ত দাসে ইতিমধ্যে ৰাজনীতিৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি গৈছে। সৰ্বভাৰতীয় 'আম্বেদকাৰ যুৱ বঁটা' লাভ কৰা জয়ন্ত দাসে ইতিমধ্যে শিশু উপযোগী 'সুভাষিতমালা' নামে এখন নীতিকথা বিষয়ক গ্ৰন্থ প্ৰকাশ কৰিছে।

বিভাগটোৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ আসনো অলংকৃত কৰিছে. সেইসকলৰ ভিতৰত শ্ৰীযুত নৰকান্ত বৰুৱা (১৯৭৩-৭৪), শ্ৰী আলোক ৰঞ্জন বড়া (২০১৫-১৬), শ্ৰী অবিদ্বীপ ফুকন (২০১৯-২০) আদি। এই সকলৰ উপৰিও বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ব্যৱসায়-বাণিজ্য কৰিও যথেষ্ট সফলতা লাভ কৰিছে। মহাবিদ্যালয়ৰ ওচৰৰে জামুগুৰিত সুন্দৰ ব্যৱসায় কৰি সফলতা লাভ কৰা শঙ্কুমণি বৰঠাকুৰ, জুৰি গগৈ, মামনি চেতিয়া, কপিল কৃষ্ণ সন্দিকৈ আদি সকলোৰে বাবে আদৰ্শ স্বৰূপ। বহুকেইজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন জীৱন বীমা কোম্পানীত কৰ্মৰত হৈও স্বাৱলম্বী হৈছে। এই ক্ষেত্ৰত জাঁজী বৰুৱাকুৰিৰ নৱজ্যোতি বৰুৱাৰ নাম ল'ব পাৰি।

বিভিন্ন বিভাগৰ পৰা উত্তীৰ্ণ হৈ বহুসংখ্যক ছাত্ৰ-ছাত্ৰী অধ্যাপনা তথা শিক্ষকতা বৃত্তিত নিয়োজিত হৈ সমাজ তথা দেশলৈ সেৱা আগবঢ়াই আহিছে।

শিক্ষকতাৰ উপৰিও অন্যান্য বৃত্তিতো যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী জড়িত হৈ আছে। ২০০৯ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শ্ৰী ময়ুৰাক্ষী ভট্টাচাৰ্য বৰ্তমান ভাৰতীয় ডাকসেৱা বিভাগৰ কৰ্মচাৰী। শ্ৰীমান ৰোহিত নাথ অগ্নিনিৰ্বাপক বাহিনীৰ কৰ্মচাৰী। ইয়াৰোপৰি বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে আইনৰ (এল.এল.বি) ডিগ্ৰীও লাভ কৰি বিভাগটিক গৌৰৱান্বিত কৰিছে।

**সামৰণি ঃ**

ইংৰাজসকলে ভাৰতবৰ্ষ শাসন কৰাৰ পূৰ্বলৈকে ভাৰতৰ প্ৰায় সকলোবোৰ শিক্ষানুষ্ঠানতে সংস্কৃত শিক্ষা বাধ্যতামূলক আছিল। কিন্তু পৰৱৰ্তী সময়ত শিক্ষা সংস্কাৰৰ নামত প্ৰায়বোৰ শিক্ষানুষ্ঠানৰ পৰা সংস্কৃত ভাষাক বিসৰ্জন দিয়া হ'ল। ফলস্বৰূপে ভাৰতীয় মানুহৰ নিজ নিজ সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ যথেষ্ট বাধাৰ সৃষ্টি হ'ল আৰু লগতে মানুহৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষ সাধনতো বাধা আহি পৰিল। শিক্ষানুষ্ঠানসমূহত এই ভাষাৰ চৰ্চা কমি যোৱাৰ লগে লগে এই ভাষা বহুতৰ বাবে দুৰ্বোধ্য হৈ পৰিল আৰু ফলত এচাম লোকে এই 'অমৃতময়' ভাষাটোক 'মৃতভাষা' বুলি কৈ তুচ্ছ-তাচ্ছিল্য কৰিবলৈ ধৰিলে। 'দেৱভাষা' Dev Language ৰ ঠাইত Dead Language বুলি ক'বলৈ ধৰিলে। আন এচামে আকৌ এই ভাষাটোক অতি প্ৰাচীন বুলি কৈ বৰ্তমান কালত ইয়াৰ প্ৰাসংগিকতাক লৈও প্ৰশ্ন তুলিলে। এনে ধৰণে অতি নেতিবাচকভাৱে এই ভাষাটোৰ চৰ্চা হোৱাৰ এই ভাষাটোৰ যথেষ্ট ক্ষতি হ'ল। উঠি অহা যুৱক-যুৱতীসকলে এই ভাষাটো অধ্যয়ন কৰিবলৈ অনীহা প্ৰকাশ কৰিবলৈ ধৰিলে। এই ক্ষেত্ৰত চৰকাৰী অৱহেলাও নথকা নহয়। সি যি কি নহওক, এই ভাষাটোৰ মাধুৰ্যতা, এই ভাষাত ৰচিত বিভিন্ন গ্ৰন্থাদিৰ শাশ্বত বাণীসমূহে মানুহক সদায় আকৃষ্ট কৰি আহিছে। ভাৰতবৰ্ষত এই ভাষাৰ চৰ্চা মন্থৰ হোৱাৰ বিপৰীতে বৰ্তমান এই ভাষাৰ চৰ্চা ভাৰতবৰ্হিভূত দেশত বৃদ্ধি পোৱা বুলি ক'ব পাৰি। এই সংস্কৃত ভাষাটোৰ দৰে বিজ্ঞানসন্মত গঠন প্ৰণালী থকা দ্বিতীয় এটা ভাষা ক'তো নাই বুলি আধুনিক ভাষাবিদসকলে মত প্ৰকাশ কৰাৰ অনেক তথ্য পোৱা যায়। এই ভাষাৰ সু-সংবদ্ধতাৰ বিষয়ে ইউৰোপীয় পণ্ডিত William Jones য়ে কৈছিল— "Sanskrit language is more perfect than the Greek, more copieus than the Latin and more exquisitely refired than either."

এই ভাষাই বৰ্তমান সমগ্ৰ পৃথিৱীতে এক সুকীয়া মৰ্যদা লাভ কৰিবলৈ সক্ষম হৈছে। এই ভাষাত ৰচিত চাৰিখন বেদ, ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত নিহিত থকা বিভিন্ন তত্বসমূহে এতিয়া সমগ্ৰ বিশ্ববাসীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এই ভাষাত ৰচিত 'আয়ুৰ্বেদ' গ্ৰন্থৰ চিকিৎসা পদ্ধতিক বৰ্তমান সমগ্ৰ বিশ্ববাসীয়ে আকোঁৱালি লৈছে। এই ভাষাত ৰচিত গৃহ নিৰ্মাণ সম্বন্ধীয় গ্ৰন্থ (Architect Engineering) 'বাস্তুশাস্ত্ৰ' বৰ্তমান পৃথিৱীবাসীৰ মুখে মুখে। বৰ্তমান কালত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় হৈ পৰা পাঠ্যক্ৰম 'বি-আৰ্ক', সামুদ্ৰিক বাস্তুশিল্প', 'মন্দিৰ বাস্তুশিল্প' আদি সংস্কৃত বাস্তুশাস্ত্ৰৰেই অংশ বিশেষ। জাৰ্মানীত আৰম্ভ হোৱা 'একাডেমিক এক্‌চেঞ্জ এডুকেশ্বন এণ্ড ৰিচাৰ্ছে' আৰম্ভ কৰা 'ইণ্টিগ্ৰেটেড এনভাইৰণমেণ্টেল ইঞ্জিনিয়াৰিং কোচিং' ভাৰতবৰ্ষৰ 'আৰ্যভট্ট পলিটেক্‌নিক, 'ফেকাল্টি অৱ টেকন'ল'জি' (ক'চিন), ভাৰতীয় প্ৰাদ্যোগিক সংস্থান (খড়গপুৰ আৰু চেন্নাই), ৰাজস্থান বিশ্ববিদ্যালয় (লক্ষ্ণৌ) আদিতো প্ৰচলিত এনে কিছুমান পাঠ্যক্ৰমো সংস্কৃত বাস্তুশাস্ত্ৰৰেই নামান্তৰ মাথোন। বিদ্যায়তনিক ভাৱেও বৰ্হিবিশ্বত এই ভাষাই বৰ্তমান এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান ইংলেণ্ড, আমেৰিকা, জাৰ্মানী, জাপান, ইণ্ডোনেচিয়া আদি দেশত এই ভাষাৰ চৰ্চা ক্ৰমান্বয়ে বৰ্ধিত হোৱা দেখা যায়। জাৰ্মানীৰ বহুবোৰ বিদ্যালয়ত

বৰ্তমান সংস্কৃত ভাষা বাধ্যতামূলকভাৱে পঢ়িব লাগে। ইণ্ডোনেচিয়াৰ বহুবোৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত সংস্কৃত পাঠ্যক্ৰম আছে। ৰাছিয়াৰ বহুবোৰ বিদ্যালয়ত 'শ্ৰীমদ্ভাগৱত গীতা' অধ্যয়ন কৰোৱা হয়। চীন দেশৰো কেইবাখনো বিশ্ববিদ্যালয়ত ৰামায়ণ পাঠ্যক্ৰম হিচাবে অন্তৰ্ভুক্ত হৈছে।

আমাৰ অসমতো সংস্কৃত ভাষাৰ চৰ্চাৰ গৌৰৱোজ্জ্বল ইতিহাস অৱলোকন কৰিবলৈ পোৱা যায়। এই ভাষা চৰ্চাৰ যোগেদিয়েই অসমে বিদ্যায়তনিক বা আধ্যাত্মিক ক্ষেত্ৰত প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে সমগ্ৰ ভাৰতবৰ্ষৰ লগত সমানে খোজ পেলাবলৈ সক্ষম হৈছিল বুলি ক'ব পাৰি। এই ভাষাৰ মাধ্যমেৰেই শঙ্কৰদেৱ, মাধৱদেৱ আদি মহাপুৰুষে সমগ্ৰ বিশ্বতে নিজৰ চিনাকি দিবলৈ সক্ষম হৈছিল। অসমৰ প্ৰথম আই.এচ. আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্ৰী আদিয়ে এই ভাষাৰ দ্বাৰাই অসমক ভাৰতবাসীৰ ওচৰত চিনাকি কৰাই দিবলৈ সক্ষম হৈছিল। সমগ্ৰ ভাৰতবৰ্ষত প্ৰচলিত 'সংস্কৃত পাণিনি ব্যাকৰণ'ৰ লগত ফেৰ মাৰি অসমতেই পুৰুষোত্তম বিদ্যাবাগীশে 'সংস্কৃত ৰত্নমালা' ৰচনা কৰি ভাৰতবৰ্ষৰ বিদ্বানসকলক চমকিত কৰি তুলিছিল। হাতীৰ চিকিৎসা বিষয়ক প্ৰথম গ্ৰন্থ পালকাপ্যই 'হস্ত্যায়ুৰ্বেদ' অসমতেই প্ৰথম ৰচনা কৰিছিল। জ্যোতিষ চৰ্চাৰ ক্ষেত্ৰতো অসমে ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ আসন লাভ কৰিছিল। জ্যোতিষ চৰ্চাৰ অন্যতম কেন্দ্ৰবিন্দু হোৱা বাবেই অসমক 'প্ৰাগজ্যোতিষপুৰ' নামেৰে আদিতে জনা গৈছিল। কেৱল জ্যোতিষ চৰ্চা কৰিবলৈ বিভিন্ন ঠাইৰ পৰা এই দেশলৈ বহু লোকৰ আগমন হৈছিল বুলি পোৱা যায়। 'কামৰূপীয়া বিযুপঞ্জিকা' আছিল প্ৰাচীন অসমৰ ধ্বজাবাহক। 'দেৱী ক্ষেত্ৰ' হিচাবে চিহ্নিত এই দেশতেই সংস্কৃত ভাষাত 'কালিকা পুৰাণ', 'যোগিনী তন্ত্ৰ' আদিৰ ৰচনা হৈছিল।

অসমত সংস্কৃত চৰ্চাৰ এই ধাৰা পৰৱৰ্তী সময়ত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, সংস্কৃত টোলসমূহৰ দ্বাৰা প্ৰৱাহিত হৈ আহিছে। আমাৰ জাঁজী অঞ্চলতো সংস্কৃত ভাষা চৰ্চাৰ পৰম্পৰা অতি প্ৰাচীন। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগটোও এই পৰম্পৰাৰেই বা এই ধাৰাৰেই এটা সুঁতি বুলি ক'ব পাৰি। বিভাগটো প্ৰতিষ্ঠা হোৱাৰে পৰা এই বিভাগটোত অধ্যয়ন কৰিবৰ বাবে বহু দূৰ-দূৰণিৰ পৰা অসংখ্য ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে। এসময়ত চাৰিজন শিক্ষকেৰে শুৱনি কৰা বিভাগটোত বৰ্তমান তিনিজন শিক্ষকে পাঠদান চলাই নিবলগীয়া হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগা হোৱা বুলি ক'ব পাৰি। তথাপিও কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ ঐকান্তিক প্ৰচেষ্টাত বিভাগটোৰ সুনাম এতিয়াও অক্ষুণ্ণ হৈ আছে আৰু ভৱিষ্যতেও এই সুনাম অক্ষুণ্ণ ৰখাত সকলোৰে সহায়-সহযোগিতা আমাৰ কাম্য।

ওঁ সহ নাৱৱতু  
সহ নৌ ভূনক্তু  
সহ বীৰ্যং কৰৱাৱহৈ  
তেজস্বি নাৱধীতমস্তু  
মা ৱিদ্বিষাৱহৈ  
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।

❖❖❖

*ৰাজীৱ শৰ্মা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক*

# সমাজতত্ত্ব বিভাগ

**ড° সান্ত্বনা দত্ত**

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত প্ৰতিষ্ঠাকালীন সময়ৰে পৰা কলা শাখাৰ অন্যতম বিভাগ হিচাপে সমাজতত্ত্ব বিভাগটো আৰম্ভ কৰা হয়। দুজনীয়া শিক্ষকেৰে ১৯৯৫ চনলৈকে প্ৰাক্ স্নাতক আৰু পৰৱৰ্তী সময়ত স্নাতক পৰ্যায়ত সাধাৰণ পাঠ্যক্ৰম মুকলি কৰা হয়। ১৯৯৫-৯৬ শৈক্ষিক বৰ্ষৰ পৰা বিভাগটোৰ সন্মান (Major) পাঠ্যক্ৰম আৰম্ভ হয়। সম্প্ৰতি উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ত পাঠদান কৰি অহা সমাজতত্ত্ব বিভাগটো মহাবিদ্যালয়ৰ গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰে এটা শক্তিশালী বিভাগ। শৈক্ষিক ক্ষেত্ৰত উন্নত ফলাফল প্ৰদৰ্শন কৰি অহা বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো বৰ্ষতে প্ৰথম শ্ৰেণী অৰ্জন কৰাৰ লগতে ডিব্ৰুগড়, গুৱাহাটী, অসম বিশ্ববিদ্যালয়, শিলচৰ, অসম মহিলা বিশ্ববিদ্যালয়, ৰাজীৱ গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়, অৰুণাচল তথা কলিকতাৰ যাদৱপুৰ বিশ্ববিদ্যালয় আদিতো শিক্ষা গ্ৰহণ সফলতাৰে সম্পন্ন কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২৪ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত বিভাগটোৰ মুঠ ৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰিবলৈ সক্ষম হৈছে। বিভাগৰ দুগৰাকী প্ৰাক্তন ছাত্ৰী ক্ৰমে কস্তুৰী নাথ আৰু হিমাশ্ৰী বৰুৱাই পি এইছ ডি ডিগ্ৰী লাভ কৰাৰ উপৰিও আন তিনিগৰাকী ক্ৰমে পল্লৱী হাজৰিকা, উদিষণ্ডা শৰ্মা আৰু সুদৰ্শন হাজৰিকা গৱেষণাৰ কামত জড়িত হৈ আছে। উল্লেখনীয় যে সুদৰ্শন হাজৰিকাই JRF লাভ কৰি বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছে। বিভাগটোৰ বহুকেইগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে NET/SET/ TAT আদি পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়/বিদ্যালয় আদিত নিযুক্তি লাভ কৰাৰ উপৰিও বহুজনে চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছে। এই বৰ্ষত ড° হিমাশ্ৰী বৰুৱাই ধেমাজি কমাৰ্চ কলেজত আৰু পল্লৱী হাজৰিকাই খোৱাং কলেজত সহকাৰী অধ্যাপকৰ পদত নিযুক্ত হোৱাটো বিভাগটোৰ বাবে গৌৰৱৰ বিষয়।

বিদ্যায়তনিক দিশৰ সমান্তৰালভাৱে বিভাগটোৰ ছাত্ৰ-ছাত্ৰীসকলে অবিদ্যায়তনিক ক্ষেত্ৰতো নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ উপৰিও সহ পাঠ্যক্ৰমিক বিষয়বিলাকত আগবঢ়াই উৎকৰ্ষ বৃদ্ধি কৰাৰ লক্ষ্যৰে বিভাগত এখন মঞ্চ Sociological Forum পূৰ্বৰ মুৰব্বী তথা উপাধ্যক্ষ শ্ৰীযুত প্ৰভাত কুমাৰ বৰঠাকুৰ, শ্ৰীযুত কুন্দিল কুমাৰ মুদৈ আৰু ড° বিৰিঞ্চি কুমাৰ বৰাৰ দ্বাৰা গঠন কৰা হয়। এই Forum ৰ জৰিয়তেই বিভাগীয় নবাগত আদৰণি সভা, শিক্ষামূলক ভ্ৰমণ, ক্ষেত্ৰ অধ্যয়ন,

আলোচনা চক্র, কুইজ প্ৰতিযোগিতা আদি বিভিন্ন কাৰ্যসূচী সম্পাদন কৰা হয়। পৰৱৰ্ত্তী পৰ্যায়ত শ্ৰীযুত প্ৰভাত কুমাৰ বৰঠাকুৰৰ অৱসৰ প্ৰাপ্তিৰ পিছত এই Forum ক Centre for Sociological Study নামেৰে নামকৰণ কৰা হয়। শ্ৰীযুত কুন্দিল কুমাৰ মুদৈদেৱ বিভাগীয় মুৰব্বী হৈ থকাৰ সময়ছোৱাতে অধ্যাপক ড° বিৰিঞ্চি কুমাৰ বৰাদেৱৰ নেতৃত্বত এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰও অনুষ্ঠিত হয়। বিভাগটোৰ পৰা এখন ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আলোচনা চক্ৰও অনুষ্ঠিত হয়। সম্প্ৰতি বিভাগটোত তিনিগৰাকী শিক্ষক আছে। উপাধ্যক্ষ ৰূপে শ্ৰীযুত কুন্দিল কুমাৰ মুদৈদেৱৰ অৱসৰৰ পাছত ড° কস্তুৰী গগৈয়ে সেই পদত যোগদান কৰিছে এই বৰ্ষতে। বিভাগটোৰ আন এগৰাকী শিক্ষক তথা বিভাগীয় মুৰব্বী ৰূপে কৰ্মৰত ড° বিৰিঞ্চি কুমাৰ বৰা দেৱে ২০২৩ বৰ্ষত নিতাইপুখুৰীস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত অধ্যক্ষ ৰূপে যোগদান কৰাৰ পাছত ড° সান্ত্বনা দত্তই সেই দায়িত্ব লয়। প্ৰাক্তন ছাত্ৰ কুশল দত্তই অতিথি অধ্যাপক হিচাপে বিভাগটোৰ পৰিচালনাত বিশেষ সহায় আগবঢ়াই আহিছে। পাঠদানৰ সমান্তৰালকৈ সমাজতত্ত্ব বিভাগে শিক্ষক-ছাত্ৰ-অভিভাৱক সভা অনুষ্ঠিত কৰি অহাৰ লগতে ‘আগষ্টা’ নামেৰে এখন প্ৰাচীৰ পত্ৰিকা আৰু বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলে যাতে প্ৰতিটো দিশতে আগ্ৰহী হৈ আগবাঢ়ি যাব পাৰে তাৰ বাবে বিভাগৰ শিক্ষকসকলেও প্ৰচেষ্টা চলাই আহিছে।

❖❖❖

*ড° সান্তনা দত্ত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা*

# COMMERCE STREAM

## Bidisha Sharma

Commerce plays a pivotal role in the fabric of the society, serving as vital engine of economic growth and social development. At its core, commerce facilitates the efficient allocation of resources and meeting diverse societal needs. Commerce, is not only a means of generating employment opportunities but also enhances income distribution, thereby contributing to social stability and reducing poverty levels.

Commerce education holds immense significance in today's interconnected world. It plays a crucial role in preparing individuals to navigate and contribute effectively to the global economy. It encompasses a broad spectrum of disciplines like economics, business studies, accounting, finance, and marketing, providing students with essential knowledge and skills to understand the principles of trade, finance and entrepreneurship. Moreover, commerce education fosters ethical awareness ethical awareness and social responsibility among the future business leaders by emphasizing on the importance of sustainable practices and corporate governance. Emergence of digital commerce have made the commerce education very dynamic and relevant. Thus, enabling the commerce graduates to engage themselves in varied career opportunities that is constantly evolving with the ever-changing business environment.

**HISTORY**

Jhanji H.N.S. College was established on 25th July. 1964. Commerce as a subject of higher education was started in the session 1972-73. In the year 1992, Commerce Department was brought under Deficit Grant in-Aid system by the Government of Assam as a separate Stream of the college. From the Academic session 1984-85, major course in Accountancy and from the session 1988-89 Business Management were introduced to meet the growing demand of the students.

Mr Cheniram Borah, M.Com., LLB, was appointed as founder teacher of Commerce Department. The other faculties appointed for running the Commerce Stream from its inception

were Nurul Islam Borah, Soneswar Borah, Anil Kumar Gogoi, Satya Phukon, Inamul Mujid Borah, Abdul Azim, Ananta Chakraborty, Santanu Thakur, Jyoti Prasad Gogoi, Dipankar Borah, Bichitra Kumar Dutta and Jiban Sarmah. Munin Gogoi, Moniram Lahon and Rupak Dutta also provided services to the Department as part time teachers. From the session 1992-93, just after getting Deficit Grant in-Aid, the Faculty members namely, Dr. Anil Kumar Gogoi, Abdul Azim, Jyoti Prasad Gogoi, Bichitra Kumar Dutta, Bidyadhar Baruah, Dr. Jayanta Gogoi, Tarun Phukon, Debajeet Sarmah, Navanita Bora and Anamika Khound were appointed as permanent teachers. Birinchi Chetia as Office Assistant and Chandra Guwala as Office Bearer had been also appointed in the Commerce Stream. Dr. Anil Kumar Gogoi later joined as Principal of the College and retired from his service in the year 2012. Anamika Khound later resigned from her service and Dr. Akash Jyoti Saikia was appointed against her vacancy. In the year 2014, Dr Jayanta Gogoi left the institution to serve as the Principal of Jogananda Deva Satradhikar Goswami College, Bokakhat. Md. Abdul Azim retired from his service in 2017 and Ms. Bidisha Sarmah was appointed against his vacant post in the year 2020. Mr. Jyoti Prasad Gogoi retired in the year 2020. Against the vacant post of Dr. Jayanta Gogoi and Mr. Jyoti Prasad Gogoi, Ms. Manisha Buragohain and Mr. Rabisankar Gogoi were respectively appointed. In the year 2021, Mr. Bichitra Kumar Dutta retired from his service and the vacant post was filled with the appointment of Mrs. Robina Chetri. Mr. Torun Phukon who was serving as the Head of Commerce retired on 31st January, 2024.

**COURSES**

The semester system of B. Com. Course (speciality in Accounting & Finance and Marketing) which was carried on by the Commerce Stream came to an end with the implementation of Choice Based Credit System by Dibrugarh University in the undergraduate courses in the year 2019. Education system in the country saw serious changes in its structure with NEP 2020. In line with NEP 2020 from the session 2022-23 onwards, the Commerce department began providing four-year undergraduate programme in commerce with major in Finance and Marketing. From time-to time, the department, in addition to the regular courses, was engaged in providing vocational, career oriented and skill-based courses.

The Department introduced a Vocational Course on "Small Entrepreneurship Management" from the academic session 2004-05.

The Department also started a U.G.C. Sponsored Career Oriented Course on "Entrepreneurship

Management" from the Academic Session 2013-2014.

The Department has completed a Six-months Certificate Course on Tea Nursery Management in the session 2022-23 which was co-ordinated by Ms. Bidisha Sarmah (Assistant Professor, Department of Accountancy) and Ms. Manisha Buragohain (Assistant Professor, Department of Management). The faculty member for the course was Mr. Dipak Chandra Kurmi (Assistant Manager, Borsillah Tea Estate). Nine students enrolled themselves in the course out of which eight of them appeared for the final exam. Students enrolled in the course visited Borsillah Tea Estate as and when advised by the course's faculty member for gaining theoretical and practical knowledge. A final exam consisting of theory as well as practical exam was conducted at the end of the session.

Another Six-months Certificate Course on 'Transforming Waste into Unique Décor' will be started for the session 2024-25 which will be co-ordinated by Mr. Rabisankar Gogoi (Assistant Professor, Department of Accountancy). This course will focus on raising the awareness of the value of entrepreneurship among students, stimulate their interest in it and empower them to generate income for their own needs and those of others. The faculty member for the course will be Mr. Abinash Hazarika, a renowned entrepreneur of Assam noted for his inventive artistry in creating a range of products which are environment-friendly like bamboo, cane, paper, jute, gourd shell, coconut shell, etc.

**DEPARTMENT ACTIVITIES**

The Department of Commerce organized a U.GC. sponsored National Seminar on "Emerging Trend of Vocational Education in the Perspective of North East India" on 29th and 30th April, 2014. Dr. Jayanta Gogoi was Co-ordinator of this UGC Sponsored National Seminar. The Department also organized a ICSSR sponsored National Seminar on "Sustainable Development of Tourism in the North East India with special reference to Sivasagar District" on 25th and 26th April, 2014. The Co-ordinator of this seminar was Dr. Jayanta Gogoi. The department of Commerce has been organizing Departmental Seminars and Group Discussion with participation of students in each Academic session on different course related topics concerned with Small Scale Industry, Entrepreneurship, Privatisation, Marketing of Small Business. Tea Industry, Consumerism, Globalisation and Business environment, etc. The Department has started a Vocational Course "Small Entrepreneurship Management" from the Academie session 2004-05. The Department has also started a U.GC. Sponsored Career Oriented Course (COC) on "Entrepreneurship

Management" from the Academic session 2013-14. A study tour was organized by the Department to Numaligarh Refinery Limited (NRL) On 19th November. 2010 and submitted a Field Study Report by the participating students. The students and teachers of the Department organized a One Day Field Study Programme on 29th November, 2010 to Hollongapar Gibbon Wild Life Sanctuary and submitted a Project Report of the same. In the session 2013-14, the Department organized a study tour to Tezpur University on 12th February, 2014. In this tour the students visited the M.B.A. Department of the University and participated in the interactive session with Faculty members of the Department. A platform of commerce students i.e., Commerce Forum was formed as a continuous body of the Department. The faculty members are involved as advisers of the Forum. A departmental Wall Magazine is published regularly on 5th September (Teachers' Day) every year by the initiative of the Commerce Forum. The students of Department of Commerce visited the 4th International Sivasagar Trade Expo and Book Fair which was organised at Boarding Field, Sivasagar, Assam on 17th February, 2023. The students have interacted with the vendors and entrepreneurs of the Trade Expo in connection to capital investment, profitability and feasibility of different kinds of ventures in a particular location or place. The Department of Commerce organised a career counselling programme in association with Career Counselling Cell, Jhanji Hemnath Sarma College on 2nd March, 2023 by collaborating with ICA Edu Skill Pvt. Limited, Jorhat. Mr Arup Bhattacharya, Centre Director, ICA Mega Centre, Jorhat delivered his speech as resource person on the occasion. He emphasised the students to mold their personalities in order to be competent and skillful from the perspective of employability. Mr. Sudipta Malakar, Business Development Executive, ICA Jorhat Mega Centre was also present on the programme. On August 21, 2023, Department of Commerce and Research, Innovation and Extension Cell, IQAC celebrated World Entrepreneurs' Day in collaboration with the Institutions' Innovation Council. A study tour was organized by the Department to Numaligarh Refinery Limited (NRL) On 21st December, 2023 and submitted a Field Study Report by the participating students. The event was planned with the intention of raising awareness of the value of entrepreneurship among students, stimulate their interest in it, and empower them to generate income for both their own needs and those of others. The Department has been undertaking an exhibition cum sale centre initiative every year since 2023 within the college premises. The main

idea behind this initiative was to encourage the students to showcase their skills and abilities with the scope of generating revenue.

**FACILITIES FOR STUDENTS' GROWTH**

The department of Commerce has been putting genuine effort for the betterment of the students. Apart from teaching in traditional methods, the faculty members have been undertaking modern and digital techniques so as to develop academic interest among the students. Rabisankar Gogoi and Robina Chetri, faculty members of the department, have jointly provided a Smart TV to the institution with the motive of benefitting the students.

The Faculty members of the department opened a Departmental Library in the session 2002-03 onwards allowing students to borrow books from the library according to their requirement. The books and journals were collected with the efforts of the faculty members. This step enabled the poor and meritorious students to work towards their goal of attaining knowledge.

In order to overcome any financial struggles of students, the department takes steps in providing financial aid from the Commerce Development Fund which is maintained by the faculty members of the department.

The departmental wall magazine which is published regularly by the students of the department allows the students to unleash their creative side along with teaching them the importance of teamwork.

The students are always taken care of developing entrepreneurial and creative mindset for which special workshops and events are being organised. Local entrepreneurs and professionals are invited to deliver lectures so that young minds can be molded to establish their own ventures.

**Conclusion:**

The growth of Commerce Education in Assam is not like that of Arts and Science streams which can be seen in terms student's enrolment into the stream. However, the Commerce fraternity of Jhanji Hemnath Sarma College in collaboration with the college authority is putting in efforts to encourage young people and develop Commerce Education in the greater rural area of Jhanji. The department also attempts to develop the young minds of rural areas with concepts like entrepreneurship. Developing young minds to be Entrepreneurs is the need of the hour as around 68.84% of people (as per 2011 census) reside in rural India and the development of the country depends on the upliftment of the rural people.❖❖❖

*Bidisha Sharma is the HoD, Deptt. of Commerce, Jhanji Hemnath Sarma College*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ পৰিক্ৰমা

**ঋতুৰাজ বৰকাকতি**

প্ৰতিষ্ঠা কালৰে পৰাই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটিয়ে ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ পৰিয়ালৰ সামগ্ৰিক উৎকৰ্ষ সাধনত যথোচিতভাৱে অৰিহণা যোগাই আহিছে। গ্ৰন্থাগাৰত উপলব্ধ সমলসমূহে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰাত বিশেষ ভূমিকা পালন কৰি আহিছে। যি সময়ত গ্ৰামাঞ্চলত পৰিবেষ্টিত অনুষ্ঠানটিৰ ছাত্ৰ-ছাত্ৰীয়ে এখন কিতাপৰ যোগাৰ কৰাটো সূচল নাছিল, তেনে সময়তে গ্ৰন্থাগাৰৰ পৰা সংগ্ৰ কৰা কিতাপকেইখনেই ছাত্ৰ-ছাত্ৰীৰ ভৰসা আছিল। নিয়মীয়া শৈক্ষিক সূচীৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ বিকাশ তথা সামগ্ৰিক সচেতনতাৰ প্ৰসাৰৰ ক্ষেত্ৰতো গ্ৰন্থাগাৰটোৱে বিশেষ অৰিহণা যোগাই আহিছে। সমান্তৰালভাৱে অধ্যাপক-অধ্যাপিকাসকলৰ বিদ্যায়তনিক প্ৰয়োজন পূৰ কৰাত গ্ৰন্থাগাৰটিয়ে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে। প্ৰথম অৱস্থাত গ্ৰন্থাগাৰটি জাঁজী হেমনাথ মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰ হিচাপে পৰিচিত আছিল যদিও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীত্ব লাভ কৰা প্ৰয়াত ললিত চন্দ্ৰ ৰাজখোৱা দেৱৰ মৃত্যুৰ পিছত তেখেতৰ স্মৃতিত গ্ৰন্থাগাৰটি ১৯৯১ চনৰ পৰা ললিত চন্দ্ৰ ৰাজখোৱা সোঁৱৰণী গ্ৰন্থাগাৰ হিচাপে নামাকৰণ কৰা হয়। ১৯৯৪ চনত জাঁজী নদীৰ বাঢ়নী পানীয়ে গ্ৰন্থাগাৰৰ প্ৰায় ৫০০০ কিতাপ নষ্ট কৰে। মহাবিদ্যালয়ৰ সৌজন্যত ২০০২ চনৰ ১-৩ ফেব্ৰুৱাৰীত অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰেও গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায়। প্ৰযুক্তিগত বিকাশৰ লগত সংগতি ৰাখি গ্ৰন্থাগাৰৰ কাৰ্য প্ৰণালী তথা সেৱাসমূহক কম্পিউটাৰ তথা ইয়াৰ আনুসংগিক প্ৰযুক্তি আহিলা সমূহ প্ৰয়োগ কৰা হৈছে।

কিতাপৰ উপৰিও বৰ্তমান সময়ত গ্ৰন্থাগাৰৰ উদ্যোগত শিক্ষক তথা ছাত্ৰ-ছাত্ৰীৰ বাবে electronic resources ৰ ব্যৱস্থা কৰা হৈছে। ২০১৭ চনৰ পৰা গ্ৰন্থাগাৰৰ উদ্যোগত এক ভ্ৰাম্যমান পুথিভঁৰাল সেৱা আৰম্ভ কৰা হয়। ইয়াৰ জৰিয়তে মহাবিদ্যালয়ৰ দাঁতিকাষৰীয়া তথা আন গাঁওসমূহৰ ঘৰে ঘৰে গৈ গ্ৰন্থাগাৰ কৰ্মীসকলে ইচ্ছুক পঢ়ুৱৈসকলৰ ঘৰত কিতাপ যোগান ধৰে আৰু যথাসময়ত কিতাপসমূহ উভতাই লৈ আহে। প্ৰাৰম্ভিক পৰ্যায়ত এই ব্যৱস্থা কেৱল বৃদ্ধলোকসকলৰ বাবেহে আগবঢ়োৱা হৈছিল, কিন্তু

ৰাইজে আগ্ৰহ প্ৰকাশ কৰাত ইচ্ছুক সকলো লোককে এই সেৱা প্ৰদান কৰা হয়। এই সেৱাক মহাবিদ্যালয়ৰ এক 'Best Practice' হিচাপেও উপস্থাপন কৰা হৈছে। গ্ৰন্থাগাৰত উপলব্ধ সমলসমূহৰ উপৰিও সাম্প্ৰতিক সময়ৰ লগত ৰজিতা খুৱাই ইণ্টাৰনেটত উপলব্ধ বিভিন্ন তথ্য আৰু সমল সমূহো ছাত্ৰ-ছাত্ৰীক যোগান ধৰা হয়। ক'ভিড অতিমাৰীৰ বাবে হোৱা লকডাউনৰ সময়খিনিত এনে সমলসমূহে ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে উপকৃত কৰিছিল।

**মহাবিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিকসকল ঃ**

| নাম | যোগদানৰ তাৰিখ | অৱসৰ/ইস্তাফা |
|---|---|---|
| শ্ৰীযুত উমানন্দ বৰুৱা | ০১-০৮-১৯৬৯ | ৩১-০৭-২০০৬ |
| শ্ৰীমতী ৰুমী দাস | ০১-০৬-২০০৭ | ০১-০২-২০০৮ |
| শ্ৰীযুত সুৰুজ গগৈ | ০২-০১-২০০৯ | ২৫-০৪-২০১০ |
| শ্ৰীমতী ৰশ্মি ৰেখা গোহাঁই | ০৭-০১-২০১১ | ২২-০৫-২০১৪ |

**গ্ৰন্থাগাৰৰ প্ৰাক্তন কৰ্মচাৰীসকল ঃ**

১। টংকেশ্বৰ দুৱৰা

২। শ্ৰীযুত ৰামচন্দ্ৰ বৰা

**বৰ্তমান কৰ্মৰত গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰীসকল ঃ**

১। শ্ৰী ঋতুৰাজ বৰকাকতি (গ্ৰন্থাগাৰিক)

২। শ্ৰী দেৱজিৎ নেওগ (গ্ৰন্থাগাৰ সহায়ক)

৩। শ্ৰী নিলোৎপল শইকীয়া (গ্ৰন্থাগাৰ সহায়ক)

৪। শ্ৰী অনুপম গগৈ (গ্ৰন্থাগাৰ বাহক)

❖❖❖

*ঋতুৰাজ বৰকাকতি জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক*

হীৰক জয়ন্তী সমাৰোহৰ স্মৃতি যুগমীয়া কৰাৰ অৰ্থে আমি কৰা
স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰয়াসত অৰিহণা যোগোৱা অজয় বৰাৰ সোঁৱৰণত...

# A Tribute to My Father : The Professor Who Taught Us Life's Greatest Lessons

**Bornali Borah**

My father Late Ajay Borah was more than just a professor at the University; he was a guiding light, a source of unwavering strength, and a hero to all who had the privilege of knowing him. His passion for teaching sports was evident in every lecture, every practice, and every interaction he had with his students. His enthusiasm was infectious, and his commitment to nurturing talent and fostering growth went far beyond the classroom. He was a man who believed in the power of education and saw sports as a means to teach life's most valuable lessons.

Growing up, my siblings and I were profoundly in?uenced by his dedication and love for his work. He would often share stories of his students, their struggles, and their triumphs, always highlighting the importance of perseverance and hard work. To him, sports were not just about physical strength and skill but about building character, resilience, and teamwork. His students adored him, not just because he was a great coach, but because he was a mentor who genuinely cared about their overall development.

The day we lost him in a tragic bus accident was the darkest day of our lives. It felt as if the ground had been pulled out from under us, and we were left to navigate a world without his guidance and support. Yet, even in his absence, his presence remains profoundly felt. My father was not just a teacher of sports; he was a teacher of life. To my siblings and me, he was a loving father who dedicated himself to instilling in us the values that would shape our characters and guide our futures. His love for us was boundless, and he worked tirelessly to prepare us for the world, ensuring we were equipped with the strength and wisdom to face life's challenges.

Although he died young, my father lived a life rich in purpose and impact. He may not have been with us long, but in the time, he had, he gave

us the most precious gifts: his time, his wisdom, and his love. His teachings were not limited to sports; they were lessons in resilience, integrity, and compassion. He showed us, through his own actions, the importance of perseverance and the power of kindness. He was an avid animal lover and a humanitarian from the core of his heart. He taught us these values by examples. He helped many students with ?nancial support with the limited means of his salary. Injured animals found the touch of healing kindness in his hands. This was his way of teaching us that learning is a continuous process and that wisdom comes from various sources.

Today, as we navigate our lives without him, we carry his lessons in our hearts. His spirit lives on in each of us, guiding us, comforting us, and reminding us of the incredible man he was. His in?uence extends far beyond our family. His colleagues at the university still speak of him with great respect, recalling his dedication and the warmth he brought to his work. His students, now scattered across various ?elds, remember him as a mentor who believed in their potential and pushed them to achieve their best.

He showed us that true greatness lies not in the length of years, but in the depth of one's impact on others. As his daughter, I feel immense pride in being part of his legacy. I strive every day to live up to the values he cherished and to honour his memory by embodying the lessons he taught us. His teachings were a constant reminder that life is about more than just personal success; it is about making a positive di?erence in the lives of others.

One of my father's favourite sayings was by Mahatma Gandhi: "Live as if you were to die tomorrow. Learn as if you were to live forever." This saying encapsulates the way he lived his life. He approached each day with a sense of urgency and purpose, always eager to learn something new and to share his knowledge with others. He believed that education was the key to a better future and that learning was a lifelong journey.

Even after his death, we continue to learn from him. His life was a masterclass in how to live with purpose, integrity, and love. He taught us to love ?ercely, to live passionately, and to always strive to make a positive di?erence in the world. Though he is no longer with us, his love remains a guiding force in our lives, a beacon of hope and strength. We love you, Deuta, and we are forever grateful for the light you brought into our lives.

My father's dedication to his students and his unwavering commitment to our family were driven by the same principle: a deep-seated belief in the power of goodness and the importance of leaving a positive legacy. He used to say that success

is not measured by the wealth you accumulate, but by the lives you touch and the di?erence you make. This belief was re?ected in every aspect of his life. He was always ready to lend a helping hand, o?er a word of encouragement, or share a piece of wisdom.

As a professor, my father was known for his innovative teaching methods. He believed in experiential learning and often organized practical sessions and workshops to help students grasp complex sports concepts. His approach was hands-on and interactive, making learning fun and engaging. His students often spoke about how his classes were the highlight of their day, a testament to his ability to make even the most challenging topics accessible and enjoyable.

But it was not just his professional life that left a mark; his personal life was equally inspiring. He was a devoted father who made sure to spend quality time with us despite his busy schedule. He taught us the importance of balance, showing us that it is possible to excel in your career while also being present for your family. He was always there to listen, to advise, and to support us in our endeavours.

In our community, my father's legacy lives on through the countless people he helped and the initiatives he started. He was actively involved in local sports programs, often volunteering his time to coach young athletes and organize events. He believed that sports were a powerful tool for personal development and community building, and he worked tirelessly to promote physical education and healthy living. His efforts were not in vain; many of the programs he initiated continue to thrive, providing opportunities for young people to learn, grow, and excel.

Reflecting on his life, I am filled with a profound sense of gratitude. My father was a man of great wisdom and boundless compassion. He taught us that the true measure of a person is not in their achievements, but in their character and the love they share. His life was a shining example of what it means to live with purpose and to make a meaningful impact on the world. His legacy is a testament to the enduring power of love, kindness, and integrity.

As I write this tribute, I am reminded of another of his favourite quotes, this one by Albert Schweitzer: "The purpose of human life is to serve, and to show compassion and the will to help others." This quote encapsulates the essence of my father's life. He was a servant-leader, always putting the needs of others before his own and striving to make the world a better place.

In conclusion, my father's life, though tragically short, was rich

in meaning and impact. He touched countless lives, leaving a legacy of love, wisdom, and inspiration. His teachings continue to guide us, his memory continues to inspire us, and his love continues to comfort us. We miss him every day, but we are also incredibly grateful for the time we had with him and the lessons he taught us. He may no longer be with us in body, but his spirit lives on in our hearts and in the hearts of all who knew him. At last but not least Thank You Anil Gogoi Sir and Jhanji Hemnath Sarma College for giving me this opportunity to write a few lines about my father.

❖❖❖

*Writer is the daughter of Late Ajay Borah*

# দেউতাৰ আদৰ্শ

**বৰ্ষা বৰা শইকীয়া**

এজন আদৰ্শৱান পিতৃৰ আদৰ্শ সন্তানৰ জীৱনত অতিকে গুৰুত্বপূৰ্ণ, সি লাগিলে তেখেতৰ উপস্থিতিতে হওঁক বা অনুপস্থিতিতেই হওক। সকলো সন্তানৰ দৃষ্টিত নিজৰ পিতৃজন অসাধাৰণ, কিন্তু সমাজে স্বীকৃতি দিয়া, সমাজে যাৰ পদাংক অনুসৰণ কৰে তেনে এজন আদৰ্শ ব্যক্তিৰ সন্তান হ'লে নিজকে গৌৰৱ অনুভৱ কৰা যায়। জামগুৰিৰ দৰে এখন ঠাইৰ পৰা ওলাই গৈ এসাগৰ জ্ঞান বুটলি শদিয়াৰ পৰা ধুবুৰীলৈ জ্ঞান বিলোৱা সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হোৱা ব্যক্তিজনেই হ'ল আমাৰ পূজনীয় দেউতা প্ৰয়াত অজয় বৰা।

দেউতাৰ বিষয়ে লিখিবলৈ হ'লে অনেক স্মৃতিয়ে দোলা দি যায়, কিন্তু সকলোখিনি লিখাটো সম্ভৱ নহয়। ভুৰুকাত হাতী ভৰোৱাৰ দৰে কেইশাৰীমান অমৰ বাণী সদৃশ কথা লিখিম যিয়ে নেকি প্ৰতিফলিত কৰিব সন্তানৰ জীৱনত তেখেতৰ চমু জীৱনৰ প্ৰভাৱ কিমান দূৰলৈকে শিপাই আছে।

ল'ৰা ধেমালি কৰি ভাল পোৱা বয়সত কোনো কামেই কৰি জোখতকৈ বেছি সময় অতিবাহিত কৰিবলৈ অনুমতি পোৱা নাছিলোঁ— যিয়ে তেতিয়াৰ অবুজন মনটোক অসুখী কৰি তুলিছিল, কিন্তু বৰ্তমানৰ বাস্তৱিক মনে বুজি পাইছে যে সেয়া সম্পূৰ্ণ সত্য আছিল।

নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা, অধ্যৱসায়, একাগ্ৰতা আৰু ধৈৰ্য কি বস্তু তেতিয়াই মন মগজুত এনেদৰে ভৰাই দিলে যে সি আজিও অবিৰাম গতিত সক্ৰিয়ভাৱে কাম কৰি আছে।

সময়ৰ জ্ঞান... 'সদায় সময়তকৈ পাঁচমিনিট আগত পাছত নহয়' বোলা আপ্ত বাক্যশাৰীয়ে কৰ্মময় জীৱনত মোক জিলিকাই ৰাখিছে আৰু ৰাখিব।

পুৱাৰ টোপনিক জয় কৰিব পৰা শক্তিয়েহে জীৱন জয় কৰিব পাৰিব, নিজৰ কাম পাছলৈ পেলাই থব নালাগে, সকলো সমাধা কৰি লাগিলে পাঁচমিনিট সময় পাছত জিৰণি ল'বলৈ বচাব লাগে। এই দুফাঁকি সোণসেৰীয়া বচন আমৰণ লগত থাকিব।

সততা, ব্যৱহাৰ, সাজ-পোছাক, শালীনতা আৰু বলিষ্ঠ ব্যক্তিত্বৰে সকলো জয় কৰিবলৈ যত্ন কৰিবা— অহংকাৰ, অহংবোধেৰে নহয় বোলা জ্ঞানফাঁকিয়ে জীৱনৰ বহুত জটিল ক্ষণত সহায় কৰিলে আৰু কৰি যাব।

বিশেষকৈ অধ্যয়ণৰ দিশত আমাৰ তিনিজন ভাই-ভনীৰ ওপৰত তেখেতৰ তীক্ষ্ণ দৃষ্টি আছিল। পঢ়া-শুনাৰ বিষয়টো কেতিয়াও কোনো ক্ষেত্ৰত কোনো পৰিস্থিতিৰ লগত আপোচ কৰিব

বিচৰাটো মনত নপৰে। পঢ়া-শুনা বিষয়টোৰ ওপৰত দেউতাৰ লগতে আমাৰ পৰম পূজনীয় 'মা'ৰো ভূমিকা অতি উল্লেখযোগ্য। ল'ৰালি কালছোৱাত দেউতাৰ অবিহনেই ঘৰুৱা জঞ্জাল মাৰি হ'লেও আমাক সদায় পঢ়া-শুনাত চকু দিছিল। পৰীক্ষাৰ সময়ত মাৰ সচেতনতা চিৰস্মৰণীয়। সময়ৰ গতিশীলতাত বটবৃক্ষৰ দৰে আৱৰি আমাক ডাঘৰ দীঘল কৰাত মামা-মামীসকলৰ ভূমিকাইও মাক বহুত সহায় কৰিছিল। অদ্বিতীয় ব্যক্তিত্বৰে সময়ৰ আচোঁৰবোৰক মথিমূৰ কৰি জীৱন জীয়ৰ সঁচা কাহিনী মাৰ শলাগিব লগীয়া। ইংৰাজী গ্ৰামাৰৰ ওপৰত জ্যেষ্ঠা কন্যা হিচাপে যিখিনি জ্ঞান পালোঁ সেইকণৰ ভেঁটিতে কৰ্মময় জীৱনটো উজুটি নোখোৱাকৈ চলাই আছোঁ। মোৰ ভণ্টীয়েও পিতৃৰ পদাংকনকে সাৰোগত কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই প্ৰথম শ্ৰেণীৰ এল.এল.এম. প্ৰাৰ্থী হৈ বাস্তৱিক জীৱন চলাই আছে যাৰ পৰিণতিত আজিৰ এই শুভ ক্ষণত, শুভ লগ্নত তেখেতৰ বিদেহ আত্মাৰ শ্ৰীচৰণত একাঁজলি শ্ৰদ্ধাঞ্জলি দুই কন্যাই মাৰ লগত যাচিছোঁ।

"তেখেতৰ আদৰ্শই তেখেতৰ মৃত্যুক অমৰ
কৰি ৰাখিছে আমাৰ মাজত।"

সময়ে স্মৃতিবোৰ বেছি গাঢ় কৰি তোলে চিৰপ্ৰবাহমান।

শেষত হেঁপাহৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষত প্ৰকাশ হ'বলগীয়া মহামূল্যবান গ্ৰন্থখনিৰ সোণালী পৃষ্ঠাৰ এটি পৃষ্ঠা এই লিখনিয়ে সজাই তুলিবলৈ দিয়া সুযোগৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে সন্মানীয় অধ্যক্ষ মহোদয়ক কৰযোৰে আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

❖❖❖

*লেখিকা প্ৰয়াত অজয় বৰাৰ কন্যা*

# হীৰক জয়ন্তীৰ অনুভৱ

**তুৰাৰাম খনিকৰ**

মানুহৰ জীৱনৰ দৰেই অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰো গঠন প্ৰক্ৰিয়াত কিছুমান উল্লেখনীয় স্তৰ (Stage) থাকে। প্ৰতিটো স্তৰতেই থিয় হৈ বিগত সময়ৰ ৰোমন্থন কৰাৰ লগতে ভৱিষ্যতৰ পৰিকল্পনাও কৰা হয়। অনুষ্ঠানসমূহৰ অতীত ৰোমন্থনত হিচাপ কৰা হয় কিমান জন ছাত্ৰ-ছাত্ৰী শিক্ষা সাং কৰি ওলাই গ'ল, কিমানজনে অনুষ্ঠানলৈ গৌৰৱ কঢ়িয়াই আনিলে, কিমান ক্ৰীড়াবিদ, কিমান সাহিত্য-সংস্কৃতিৰ সাধক, কিমান বৈজ্ঞানিক সৰ্বোপৰি কিমানজন মানুহ সৃষ্টি হ'ল। লগে লগে ভৱিষ্যৎ পৰিকল্পনাও এনে সময়ত এক অপৰিহাৰ্য কৰণীয়। "In this dynamic world nothing is static, what is static is death." এই পৰিৱৰ্তনশীল পৃথিৱীত মৃত্যুৰ বাহিৰে একো স্থিতিশীল নহয়। গতিকে পৰিৱৰ্তন আহেই আৰু অহাটো স্বাভাৱিক। গতিৰ বিনে গতি কেতিয়াও আহিব নোৱাৰে।

শিক্ষাৰ জখলাত সেই বেদৰ যুগৰ পৰা আহি আজি আমি য'ত উপস্থিত হৈছোহি এই ব্যৱস্থাত কিবা 'মেচেজ' আছে বুলি ভাবিবলৈ টান লাগে। গুৰুকুল শিক্ষা ব্যৱস্থাত গুৰুগৃহত শিষ্যই দিনৰ ভাগত কঠোৰ শ্ৰম কৰি সন্ধিয়া গুৰুৰ পৰা জীৱনবোধৰ শিক্ষা লৈছিল। যিদিনাই গুৰুৱে শিষ্যসকলক উপযুক্ত বুলি ধাৰণা কৰিছিল, সেইদিনাই গুৰুৱে শিষ্যসকলক তেওঁৰ গৃহৰ পৰা বিদায় দিছিল। যোৱাৰ আগমুহূৰ্তত এক বিশেষ নদীত স্নান কৰাৰ পাছত তেওঁলোকক স্নাতক বুলি গণ্য কৰা হৈছিল। In the big school of the worldত সুখ্যাতিৰে জীৱন নিৰ্বাহ কৰিবলৈ তেওঁলোকক উপদেশ দিয়া হৈছিল— পিতা দেৱো ভবঃ মাতা দেবো ভবঃ আচাৰ্য দেবো ভবঃ। এই দীক্ষান্ত উৎসৱৰ (Convocation) পাছত এই শিষ্যসকল মূল্যবোধ আৰু জীৱনবোধেৰে পুষ্ট জীৱন নিৰ্বাহ কৰিছিল একোজন বৰেণ্য মণিষী ৰূপে।

প্ৰতিজন মানুহৰ যিদৰে একোটা লক্ষ্য (Aim) থাকে, সেইদৰে একোখন অনুষ্ঠানৰো একোটা (Vision) থাকে। যি শিক্ষানুষ্ঠানে নিজৰ ভিজন যিমান শক্তিশালী ৰূপত প্ৰতিফলিত কৰিবলৈ সক্ষম হ'ব সিমানেই সেই শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হ'ব। কি লক্ষ্য আগত ৰাখি একোখন শিক্ষানুষ্ঠান আগবাঢ়িছে সেইটোহে লক্ষণীয়, কিমান ঘৰ-দুৱাৰ আছে, কেনে আন্তঃগাঠনি আছে সেইসমূহ এক প্ৰকাৰে গৌণহে ।

শিক্ষানুষ্ঠানসমূহ কেৱল শিক্ষানুষ্ঠান হৈ থকাৰ কাৰণেই বহু ক্ষেত্ৰত একোটা সামাজিক অনুষ্ঠানৰূপে স্বীকৃত হোৱা নাই। প্ৰতিটো অনুষ্ঠানেই

যদি শৈক্ষিক সংস্কৃতিৰ প্ৰকল্প ৰূপে গঢ় লৈ উঠে তেনে অনুষ্ঠানে জন সম্পদ গঢ় দিয়াত প্ৰভুতঃ বৰঙনি যোগাব পাৰিব. জন সমষ্টিয়েই সমাজ নহয়। তাত থাকিব লাগিব ভাতৃত্ববোধ, সহৃদয়তা, দায়বদ্ধতা আদি সামাজিক প্ৰমূল্যসমূহ (Crowd is not company, faces are gallery of pictures)। শৈক্ষিক সাংস্কৃতিক প্ৰকল্পসমূহে এই প্ৰমূল্যৰ জন্ম দিব পাৰে। ইয়াৰ অভাৱতেই আজিৰ শিক্ষিতসকল জন সম্পদৰহিত একোটা নিৰ্জন দ্বীপত পৰিণত হৈছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এই প্ৰমূল্যসমূহ শিক্ষানুষ্ঠানতেই শিকিব লাগিব।

এটা সময়ত যেতিয়া যৌথ পৰিয়াল আছিল সেই সময়ত ঘৰখনেই আছিল সামাজিক প্ৰমূল্য শিক্ষাৰ আচল ঠাই। কেইবাজনো ভাই-ককাই, ভাই-ভতিজা, আই-বোপাইৰে, নাতি-নাতিনীৰে একোটা পৰিয়াল একোখন ক্ষুদ্ৰ সমাজ। এই পৰিয়ালৰ মাজত থাকি কিশোৰ-কিশোৰীয়ে শিকিছিল মিলাপ্ৰীতি আদি ব্যক্তিগত জীৱন তথা সমাজ জীৱনৰ সুন্দৰ কৰাৰ এই প্ৰমূল্যসমূহ।

অৰ্থনৈতিক কাৰণতেই হওক বা মনৰ দূৰত্বৰ বাবেই হওক সেই যৌথ পৰিয়াল আজি নাই। আজিৰ পৰিয়াল মানে স্বামী-স্ত্ৰী আৰু এটা বা দুটা সন্তান। তাতো পিতৃ-মাতৃ আৰু সন্তানৰ মাজত মানসিক দূৰত্ব অসীম, ল'ৰা-ছোৱালীক দিবলৈ সময় নোহোৱাৰ অজুহাতত। কাৰোবাৰ যদি বৃদ্ধ পিতৃ-মাতৃ আছে তেওঁলোকো অবাঞ্ছিত বোজাহে। গতিকে বৃদ্ধ আবাসত তেওঁলোকৰ স্থান। অন্যফালে এইখন ভাৰতবৰ্ষতেই বৃদ্ধ অন্ধ পিতৃ-মাতৃক কান্ধত ভাৰ বৈ তীৰ্থ ভ্ৰমণ কৰোৱাৰ আদৰ্শ বিদ্যমান। "পিতা স্বৰ্গ-পিতা ধৰ্ম" বৈদিক আদৰ্শৰে প্লাবিত এই সমাজত পিতাক ডেডি, পাপা বুলি পৰৰ অনুকৰণ কৰি আধুনিত হ'বলৈ গৈ কোন পথে গতি কৰিছো তাকো ভাবিবৰ সময় হ'ল। চিকচিকিয়া দেখি উপপথেৰে আগবাঢ়িলে মূল পথৰ সন্ধান হেৰাই যোৱাৰেই সম্ভাৱনা। সাম্প্ৰতিক সময়ত আমাৰ তেজ-মঙহৰ সম্পৰ্কসমূহ এনে গতিত নিঃশেষ হৈ আহিছে যে এই গতিৰে গৈ থাকিলে ভাই-ভনী, দদাই-ভতিজাৰ কথা বাদেই পিতা-পুত্ৰৰ মাজতো চিন নোপোৱাৰ পৰিস্থিতি এদিন আহিব। জনসমুদ্ৰৰ মাজত থাকিও মানুহ অকলশৰীয়া হৈ পৰিব সেইদিনা। এজন বিখ্যাত দাৰ্শনিকে কোৱাৰ দৰে "He who likes to live alone, he might be either God or Beast" অকলশৰীয়া জীৱন-যাপন কৰি মানুহ যদি God হয়, সি নিতান্তই শুভ কথা। তাকে নহৈ যদি অন্যফালে গতি কৰে, তেন্তে সি হ'ব সমাজৰ কাৰণে বিভীষিকাময়।

মহাভাৰতৰ যুদ্ধৰ শেষত পিতামহ ভীষ্মৰ মৃত্যুৰ প্ৰাকক্ষণত শ্ৰীকৃষ্ণই পঞ্চ-পাণ্ডৱক লগত লৈ পিতামহৰ ওচৰত উপস্থিত হৈ পাণ্ডৱক ৰাজনীতি আৰু নীতিজ্ঞান দিবলৈ খাটনি ধৰিছিল। "কৃষ্ণ, তুমি থাকোতে মই কি নীতি জ্ঞান দিম" বুলি উত্তৰ দিলে। ভীষ্মই কৃষ্ণক ক'লে যে তেওঁৰ জ্ঞান আছে কিন্তু অনুভূতি নাই। আপুনি জ্ঞান আৰু অনুভূতিৰে পুষ্ট। সেয়াই হ'ল প্ৰজ্ঞা। লব্ধ জ্ঞানৰ যথাযথভাৱে প্ৰয়োগ কৰিবলৈ সক্ষম নহ'য়। ফলত জ্ঞানৰ অপ-প্ৰয়োগ হৈ সমাজত বিভীষিকাৰ সৃষ্টি হৈছে। লব্ধ জ্ঞানেৰে সমাজৰ মঙ্গল সাধনত নিয়োজিত হ'ব নে ধ্বংসত ব্ৰতী হ'ব। অফিচৰ কেৰাণীৰ চকীত বহি ফাইল চাই থকাজনৰ শ্বেক্সপীয়েৰৰ নাটকৰ মননশীল উক্তিসমূহৰ ব্যৱহাৰ ক'ত হ'ব। জ্ঞানৰ যথাৰ্থ প্ৰয়োগৰ অভাৱতেই "জ্ঞানং ভাবং ক্ৰিয়া বিনা" হৈছে। (ক্ৰিয়াহীন জ্ঞান বোজাহে)

মূল্যবোধৰ অভাৱৰ কথা বৰ্তমান সময়ত বহু চৰ্চিত এটা বিষয়। প্ৰখ্যাত প্ৰৱন্ধকাৰ T.S. Eliotএ তেওঁৰ বিখ্যাত ৰচনা Values and Traditionsত দেখুৱাবলৈ যত্ন কৰিছে যে মূল্যবোধক পৰম্পৰাই গঢ় দিয়ে। যি সমাজৰ যেনে পৰম্পৰা সেই সমাজত তেনে মূল্যবোধেই গা কৰি উঠে। সেয়েহে দেশভেদে, সমাজভেদে, সময়ভেদে মূল্যবোধৰ ধাৰণা বেলেগ বেলেগ দেখা যায়। কিন্তু তাৰ মাজতো সৰ্বকালৰ সকলো লোকক প্ৰভাম্বিত কৰা কিছুমান মূল্যবোধ নোহোৱা নহয়। যেনে, জ্যেষ্ঠজনক সন্মান কৰা, শ্ৰেষ্ঠজনক সম্ভাষণ জনোৱা সকলো সমাজৰেই আদৰণীয় বিধি।

আলোচনাৰ সুবিধাৰ্থে মূল্যবোধক আমি অৰ্থনৈতিক মূল্যবোধ, সামাজিক মূল্যবোধ, শৈক্ষিক মূল্যবোধ, আধ্যাত্মিক মূল্যবোধ, নৈতিক মূল্যবোধ আদি ভাগেৰে ভাগ কৰি চাব পাৰো। এই সকলো মূল্যবোধৰ সমষ্টিয়েই হৈছে সামাজিক মূল্যবোধ। প্ৰথমতে চোৱা যাওক অৰ্থনৈতিক মূল্যবোধ। সৎ পথে উপাৰ্জন কৰি সজভাৱে ব্যয় কৰাতেই এই মূল্যবোধ নিহিত হৈ থাকে। সংস্কৃতি হ'ল এটা জাতিক এক কৰি ৰখাৰ চাবিকাঠি। ইয়াক অৰুচিবোধ সম্পন্ন বিজতৰীয়া সংস্কৃতিৰ অগ্ৰাসনৰ পৰা ৰক্ষা কৰাটো প্ৰতিজন লোকৰেই কৰ্তব্য। ভাল ভাল উপাদানেৰে সংস্কৃতিক সমৃদ্ধ কৰিব লাগে, বিকৃত কৰিব নালাগে। শিক্ষাৰ ক্ষেত্ৰতো পূৰ্বৰ মূল্যবোধ হেৰাই গৈছে। শিক্ষকৰ নিজ ছাত্ৰীৰ লগত যৌন সম্পৰ্ক, ছাত্ৰই শিক্ষকক প্ৰহাৰ কৰা, পৰীক্ষাগৃহত নকলৰ পয়োভৰ, এই সকলোৰেই মূল্যবোধৰ কথা নকয়। প্ৰকাশ পায় স্খলনৰহে। এখন সমাজক স্নেহ-দয়া-মমতাৰে সমৃদ্ধ কৰে আধ্যাত্মিক জ্ঞানেহে। এই আধ্যাত্মিক মূল্যবোধৰ অভাৱতেই মানুহৰ মনত থকা 'মই' (Ego)টোৱে শক্তিশালী ৰূপত স্থিতি লৈ দম্ভ, দ্বেষ, কু-বুদ্ধি, কপটে সমাজ চানি ধৰিছে। এই 'মই'টোৱে নিজক সৰু বুলি ভাবিবলৈ নিদিয়ে। ইয়াক শান্ত, শিষ্ট, প্ৰশান্ত ৰূপত প্ৰকাশ কৰিব পাৰিলেই সমাজ সুন্দৰ হ'ব। অন্যহাতেদি নৈতিক মূল্যবোধৰ যথাৰ্থতা নথকাৰ কাৰণেই সমাজ ভৰি পৰিছে অনৈতিক বাতাবৰণে। অৱশ্যে চিন্তাৰ স্তৰভেদে নৈতিকতাৰ ধাৰণা বেলেগ বেলেগ। যি নৈতিকতাই উচ্চস্তৰীয় কল্যাণকামী ধাৰণাৰ জন্ম দিয়ে তেনে নৈতিক শিক্ষাইহে মানুহৰ সমাজ শৃংখলিত কৰিব পাৰে। ক'ৰবাত পঢ়া মনত পৰিছে এটি শিশুক যদি কোৱা হয় তুমি চুৰ নকৰা কিয়? সি ক'ব মা-দেউতাই গালি পাৰিব বা স্কুলত চাৰে কাণত ধৰি আঠুকঢ়াই থ'ব। এই পৰ্যায়ত নৈতিক জ্ঞান আহে ভয় বা জ্যেষ্ঠজনৰ কৰ্তৃত্বৰ পৰা। আকৌ এগৰাকী কিশোৰীক যদি কোৱা হয় তুমি ইমান চুটি কাপোৰ পিন্ধিছা কিয়? তেওঁ ক'ব আমাৰ বান্ধৱীসকলেও পিন্ধে। এই স্তৰতেই সৰ্বসাধাৰণৰ নৈতিকতা বুলি বদ্ধমূলভাৱে ধৰি লোৱা হয়। ইয়াৰ বিপৰীতে এজন চিন্তাশীল জ্যেষ্ঠ লোকক যদি কোৱা হয়— আপুনি চুৰ নকৰে কিয়? তেওঁৰ উত্তৰ হ'ব পুলিচলৈ ভয় কৰি নহয়, চৌৰ্য বৃত্তিয়ে সমাজলৈ কু-বাতাবৰণ আনিব। গতিকে এই নৈতিকতাৰ ভিত্তি সমাজহে, আচাৰ-নীতি গৌণহে। এনে সাৰ্বজনীন মঙ্গলময় নীতি জ্ঞানহে সমাজৰ হিত সাধন কৰিব।

এনে সমাজকেন্দ্ৰিক নীতি-জ্ঞান, সাংস্কৃতিক জ্ঞান, অৰ্থনৈতিক জ্ঞান প্ৰদান কৰি শৃংখলিত সমাজখনক ৰক্ষা কৰাটোও সাম্প্ৰতিক কালৰ শিক্ষানুষ্ঠানসমূহৰ কৰণীয় হোৱাটো বাঞ্ছনীয়।❖❖❖

---

*লেখক শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়, চাৰিঙৰ অৱসৰপ্ৰাপ্ত অধ্যাপক*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ আলোকত উচ্চ শিক্ষা ঃ এক অৱলোকন

ড° অনিল কুমাৰ গগৈ

*(আগকথা ঃ অভিধানিক অৰ্থ অনুসৰি উচ্চ শিক্ষা হৈছে বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা। বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান অংগটোৱেই হৈছে মহাবিদ্যালয় সমূহ। সেয়েহে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাই হৈছে উচ্চ শিক্ষা। বিভিন্ন সময় আৰু পটভূমিত গঠিত শিক্ষা আয়োগ, শিক্ষা সমিতি আৰু বিশিষ্ট শিক্ষাবিদসকলে উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে ভিন্ন মত প্ৰকাশ কৰি আহিছে। লক্ষ্য আৰু উদ্দেশ্যৰ ক্ষেত্ৰত মতদ্বৈধতা থাকিলেও সাধাৰণভাৱে ক'ব পাৰি যে উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে যোগ্য মানৱ সম্পদ সৃষ্টিৰে এখন জ্ঞান সমৃদ্ধ ৰাষ্ট্ৰ গঠন কৰি তোলা। আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাৰ মতে উচ্চ শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ব লাগিব - to contibute meaningfully to socio-economic transformation of a developing society সম্প্ৰতি ভাৰতত কাৰ্যকৰী হোৱা নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (NEP-2020) অনুসৰি উচ্চ শিক্ষাৰ যোগেদি দেশখনক আগন্তুক ২৫ বছৰৰ ভিতৰত 'global hub of skilled manpower' হিচাবে গঢ় দিয়াৰ লক্ষ্য স্থিৰ কৰা হৈছে। যাৰ দ্বাৰা শিক্ষাৰ্থী সকলৰ নিয়োগযোগ্যতা (employability) বৃদ্ধি পাব। এই লক্ষ্যতক উপনীত হ'বৰ বাবে 'multi-disciplinary and holistic education, institutional automomy, professional development of teachers, integration of technology, promotion of quality research and internationalisation of higher education ত গুৰুত্ব প্ৰদান কৰা হৈছে। আমাৰ এই লিখনীত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে উচ্চ শিক্ষাৰ লক্ষ্যত কিমান দূৰ উপনীত হ'ব পাৰিছে তাক বিচাৰ কৰি চোৱাৰ দুঃসাহস নকৰি কেৱল এই মহাবিদ্যালয়খনে প্ৰতিষ্ঠা কালৰে পৰা আজিলৈকে কলেজীয়া শিক্ষাৰ এক সুচল পৰিৱেশ সৃষ্টি কৰি প্ৰধানকৈ স্থানীয় শিক্ষাৰ্থীক উচ্চ শিক্ষা গ্ৰহণত কিদৰে সহায় কৰিছে তাৰেই এক চমু অৱলোকন কৰিব বিচৰা হৈছে।)*

শিৱসাগৰ জিলাৰ গাঁও অঞ্চলসমূহৰ অন্যতম বৃহত্তৰ জাঁজী অঞ্চল অতীত কালৰে পৰা শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া বুলি ক'লে বঢ়াই কোৱা নহ'ব। তাহানিৰ পাঠশালাৰ ভূগোল কিতাপত 'জাঁজী শিক্ষিত মানুহৰ বসতি স্থল' হিচাপে স্বীকৃত হৈছিল। ১৯০৭ চনৰ জাঁজীৰ শিক্ষানুৰাগী ৰাইজৰ উদ্যোগত 'জাঁজী ব'য়জ হাইস্কুল' প্ৰতিষ্ঠা

হৈছিল। এইখন বিদ্যালয় জিলাখনৰ ভিতৰতে মাধ্যমিক শিক্ষাৰ অন্যতম পুৰণি অনুষ্ঠান। এই হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপন (অক্টোবৰ ২৬, ১৯৫৮) ৰাজহুৱা সভাত 'জাঁজীত এখন কলেজ প্ৰতিষ্ঠা কৰিব লাগে' বুলি এক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। ইয়াৰ কেইবছৰমান পাছত ১৯৬৪ চনৰ ২৫ জুলাই তাৰিখত জাঁজীৰ জামুগুৰি চাপৰিত এখন কলেজ শুভাৰম্ভ কৰা হ'ল, নাম ৰখা হ'ল জাঁজী কলেজ। পৰৱৰ্তী সময়ত ১৯৬৯ চনত জাঁজী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হেমনাথ শৰ্মাৰ নামত এই কলেজখন 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়' হিচাবে নামাংকিত কৰা হয়। এই নামকৰণৰ লগত প্ৰয়াত শিক্ষাবিদজনৰ স্মৃতিৰক্ষা আৰু সেই সময়ত মহাবিদ্যালয়খনে সন্মুখীন হোৱা আৰ্থিক সংকট দূৰ কৰাৰ ক্ষেত্ৰত হেমনাথ শৰ্মাৰ পুত্ৰসকলে লোৱা উদ্যোগ দুয়োটা কথা জড়িত হৈ আছিল।

এই মহাবিদ্যালয়খন স্থাপনৰ প্ৰধান উদ্দেশ্য আছিল বৃহত্তৰ জাঁজী অঞ্চলৰ কৃষি নিৰ্ভৰশীল আৰু আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটোৱা। অৰ্থৰ অভাৱত নগৰৰ মহাবিদ্যালয়ত শিক্ষাগ্ৰহণৰ যি বাধা আছিল তাক আঁতৰোৱাৰ ক্ষেত্ৰত এই মহাবিদ্যালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ বহু আগৰে পৰা অঞ্চলটোৰ বহুতো বিদ্যানুৰাগী পৰিয়ালে নিজৰ সতি-সন্ততিক নগৰাঞ্চলৰ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণৰ বাবে পঠাইছিল। প্ৰতিষ্ঠা বৰ্ষতে কলা আৰু বিজ্ঞান শাখা খোলা হৈছিল যদিও এৰাব নোৱাৰা কাৰণত বিজ্ঞান শাখা বন্ধ কৰি দিয়া হ'ল, পৰৱৰ্তী সময়ত ১৯৭২ চনত সংযোজিত হ'ল বাণিজ্য শাখা। ১৯৬২ চনত প্ৰতিষ্ঠা হোৱা 'জাঁজী উন্নয়ন সমিতি'ৰ আঁচনিৰ অন্তৰ্ভুক্ত হৈ ১৯৬৪ চনত জাঁজী কলেজ প্ৰতিষ্ঠা হ'ল। স্থানীয় শিক্ষাবিদ আৰু সমাজকৰ্মী ৰামপ্ৰসাদ খাউণ্ড, অনিল ৰতন বৰঠাকুৰ, মহেন্দ্ৰ কুমাৰ বৰুৱা, মাখন চন্দ্ৰ শৰ্মাৰ আদিৰ নেতৃত্ব আৰু অঞ্চলটোৰ বিদ্যানুৰাগী ব্যক্তিৰ সহযোগত গঢ় লৈ উঠা জাঁজী কলেজলৈ শিক্ষক-শিক্ষয়িত্ৰী হিচাবে উচ্চ শিক্ষিত ব্যক্তিৰ আগমণ ঘটিল। স্থানীয় ভাৱেও উচ্চ শিক্ষিত ভালেকেইজন শিক্ষক নিয়োজিত হ'ল। (উল্লেখ্য যে, সচৰাচৰ অন্য ঠাইত হোৱাৰ দৰে উদ্যোক্তা সকলৰ কোনো আত্মীয়ই জাঁজী কলেজত নিয়োজিত হোৱা নাছিল) উচ্চ শিক্ষিত অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সমাবেশে জাঁজীৰ শৈক্ষিক পৰিৱেশৰ উত্তৰণ ঘটালে বুলি ক'ব পাৰি। স্থানীয় ৰাইজে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক শ্ৰদ্ধা কৰিছিল আৰু তেওঁলোকৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। অপ্ৰিয় হ'লেও সত্য যে সম্প্ৰতি হয়তো নানা কাৰণত তেনে পৰিৱেশ দেখিবলৈ পোৱা নাযায়। বিশেষকৈ বিশ্বায়নৰ যুগত গঢ় লৈ উঠা বস্তুবাদী ধাৰণা গা কৰি উঠাৰ বাবে এনে হৈছে বুলি ধাৰণা কৰিব পাৰি।

জাঁজীত কলেজ প্ৰতিষ্ঠা হোৱাৰ সমসাময়িকভাৱে চাৰিওফালে এখন কলেজ প্ৰতিষ্ঠা হ'ল। সেই সময়ত কিন্তু নগৰমুখী পৰিৱেশ সমৃদ্ধ আমগুৰি অঞ্চলত কলেজ প্ৰতিষ্ঠা হোৱা নাছিল। ইয়াৰ ভালে কেইবছৰ পাছত জাঁজীৰ সমীপৱৰ্তী দিখৌমুখ আৰু তামুলীছিগাত একোখনকৈ কলেজ প্ৰতিষ্ঠা হ'ল। এই বিষয়টো এই কাৰণেই উল্লেখ কৰা হৈছে যে প্ৰায় ১৯৮০ চন পৰ্যন্ত দিখৌমুখ, গৌৰীসাগৰ, তামুলীছিগা, খনামুখ, হাঁহচৰা, বামুণপুখুৰী, আমগুৰি, মৰাবজাৰ, দেওৰজা,

চামগুৰি, দিকচৌ, দোপদৰ আদি অঞ্চলৰ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়তে উচ্চ শিক্ষাৰ পাতনি মেলিছিল। জাঁজীত এখন কলেজ হোৱাৰ বাবে অঞ্চলটোত উচ্চ শিক্ষা গ্ৰহণৰ সা-সুবিধা হোৱাৰ বিষয়টোৱে আমগুৰি, দিখৌমুখ আৰু তামুলীছিগা আদি সমীপৱৰ্তী ঠাইত একোখনকৈ কলেজ খোলাৰ প্ৰেৰণা সৃষ্টি কৰিলে বুলি ভবাৰ থল নথকা নহয়। জাঁজীত ১৯৬৪ চনতে আৰম্ভ হোৱা মহাবিদ্যালয়খনত আৰম্ভণি কালৰেপৰা স্থানীয়ভাৱে ছাত্ৰ-ছাত্ৰীয়ে আৰু দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণৰ সুযোগ গ্ৰহণ কৰি আহিছে; লগতে সংস্কৃত বিষয়ৰ অধ্যয়নৰ বাবে বহু দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীয়েও এই মহাবিদ্যালয়ত নামভৰ্তি কৰাই স্নাতক ডিগ্ৰী লাভ কৰি অসমৰ বিভিন্ন মহাবিদ্যালয়, উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা বৃত্তিত নিয়োজিত হৈ আহিছে। এই মহাবিদ্যালয়ত উচ্চ শিক্ষা গ্ৰহণ কৰি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে দেশৰ প্ৰশাসনিক সেৱাকে আদি কৰি অন্যান্য চৰকাৰী বিভাগ আৰু বেচৰকাৰী খণ্ডত সংস্থাপন লাভ কৰি আহিছে। ২০০০ চনৰ পাছৰ সময়ছোৱাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক শ্ৰেণী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ-সংযোগ শিক্ষা বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণী সংযোজিত হোৱাৰ বিগত বছৰ কেইটাত বহুজনে স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী ল'বলৈ সক্ষম হৈছে। বিশেষকৈ বিভিন্ন চৰকাৰী চাকৰি কৰি থকা বহুজন কৰ্মচাৰীয়ে তেওঁলোকৰ আধৰুৱা হৈ থকা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী দুয়োটা কেন্দ্ৰত অধ্যয়ন কৰি লাভ কৰাৰ সুযোগ পাইছে। তদুপৰি সাম্প্ৰতিক সময়ত কলেজত প্ৰবৰ্তন কৰা Skill Development Course বোৰৰ যোগেদি ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে বুলিব পাৰি।

কলেজীয়া শিক্ষাৰ পৰিৱেশৰপ ক্ষেত্ৰত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ এক সুনাম থকাৰ কথা সৰ্বজনবিদিত বুলিব পাৰি। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ অধ্যক্ষ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আশাসুধীয়া প্ৰচেষ্টাৰে গঢ় লৈ উঠা সুস্থ শৈক্ষিক পৰিৱেশ আজিও কম-বেছি পৰিমাণে বৰ্তি আছে। এই মহাবিদ্যালয়ৰ ভালেসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষাদানৰ লগতে কৰ্মৰত অৱস্থাত বিশ্ববিদ্যালয়ৰ গৱেষণামূলক পি.এইচ.ডি. ডিগ্ৰী লাভ কৰি ছাত্ৰ-ছাত্ৰীসকলকো অনুপ্ৰাণিত কৰি আহিছে। এইখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণৰ পাছত সন্মানীয় পি.এইচ.ডি. লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমেও দুকুৰি (৪০) জন। সেইসকলৰ নাম, পদবী আদি তলত উল্লেখ কৰা হৈছে— ড° জাহ্নবী গগৈ (প্ৰাধ্যাপিকা), বুৰঞ্জী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ড° লোপামুদ্ৰা বৰুৱা, (অধ্যাপিকা, অসমীয়া বিভাগ, সুৰেন দাস কলেজ), ড° ধীৰেণ শ্ৰুতিকৰ, (অৱসৰপ্ৰাপ্ত অধ্যাপক, বুৰঞ্জী বিভাগ, কামাখ্যৰাম বৰুৱা কলেজ), ড° অনুপমা মহন্ত, (অৱসৰপ্ৰাপ্ত অধ্যাপিকা, সংস্কৃত বিভাগ, জাঁজী হেমনাথ শৰ্মা কলেজ), ড° মুকুল হাজৰিকা, (অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বাল্যভৱন, যোৰহাট), ড° উমেন দত্ত, (অৱসৰপ্ৰাপ্ত অধ্যাপক, চি.কে.বি. কলেজ, যোৰহাট), ড° বিকাশ বৰুৱা, (অৱসৰপ্ৰাপ্ত অধ্যাপক, বাণিজ্য বিভাগ, ডিগবৈ কলেজ), ড° মহেশ চন্দ্ৰ জৈন, (অৱসৰপ্ৰাপ্ত অধ্যাপক, বাণিজ্য বিভাগ, ডিব্ৰু কলেজ), ড° দিলীপ চেতিয়া, ড° জীৱন বৰা, (অধ্যাপক, শিৱসাগৰ বাণিজ্য

মহাবিদ্যালয়), ড° দীপাৰাণী গোস্বামী, (অধ্যাপিকা, সংস্কৃত বিভাগ, দেবীচৰণ বৰুৱা মহাবিদ্যালয়, যোৰহাট), ড° মীৰা বৰুৱা, (অধ্যাপক, সংস্কৃত বিভাগ, নগাওঁ কলেজ), ড° ৰশ্মিৰেখা গগৈ, (অসমীয়া বিভাগ, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়), ড° বিৰিঞ্চি কুমাৰ বৰুৱা, (সমাজশাস্ত্ৰ বিভাগ, বৰ্তমান অধ্যক্ষ, এইচ.চি.ডি. গোস্বামী কলেজ, নিতাইপুখুৰী), ড° অমৰজিৎ শইকীয়া, (সমাজশাস্ত্ৰ বিভাগ, বৰ্তমান অধ্যক্ষ, বীৰ ৰাঘৱ মৰাণ আদৰ্শ চৰকাৰী মহাবিদ্যালয়), ড° অজিৎ ভঁৰালী, (অধ্যাপক, অসমীয়া বিভাগ, এ.ডি.পি. কলেজ, নগাঁও), ড° ৰনজিৎ কুমাৰ বৰুৱা, (সমাজতত্ব, অধ্যক্ষ দিখৌমুখ কলেজ), ড° দেৱজিৎ শৰ্মা, (অৰ্থনীতি বিভাগ, অৱসৰপ্ৰাপ্ত অধ্যাপক, জাঁজী হেমনাথ শৰ্মা কলেজ), ড° অনন্ত গগৈ, (অৰ্থনীতি বিভাগ, অধ্যাপক জয়া গগৈ কলেজ), ড° ধীৰেণ কলিতা, (সমাজশাস্ত্ৰ বিভাগ, অৱসৰী অধ্যাপক, কাকজান কলেজ), ড° পৰাগ ৰাজখোৱা, (শিক্ষাতত্ব বিভাগ, শিৱসাগৰ কলেজ), ড° কৃতাঞ্জলি কোঁৱৰ, (ইংৰাজী বিভাগ, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়), ড° ৰঘুনাথ কাগয়ুং, (অসমীয়া বিভাগ, অধ্যাপক, সোণাৰী কলেজ), ড° মৃণাৰী কাগয়ুং, (অসমীয়া বিভাগ, অধ্যাপিকা, নন্দনাথ শইকীয়া কলেজ), ড° জোনটি বৰুৱা, (ইংৰাজী বিভাগ, অধ্যাপক, চি.কে.বি. কলেজ, টীয়ক), ড° মানসী গগৈ, (সমাজশাস্ত্ৰ বিভাগ, উপাধ্যক্ষ, নন্দলাল বৰগোহাঁই চিটি কলেজ), ড° অঞ্জু বৰা, (অসমীয়া বিভাগ, অধ্যাপিকা, ডি.এইচ.এচ.কে কলেজ, ডিব্ৰুগড়), ড° বৰ্ণালী বৰঠাকুৰ, (সংস্কৃত বিভাগ, অধ্যাপিকা, কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয়), ড° জেউতি বৰুৱা, (সংস্কৃত বিভাগ, অধ্যাপিকা, জাঁজী হেমনাথ শৰ্মা কলেজ), ড° পল্লবী দত্ত, (সংস্কৃত বিভাগ), ড° শুভজ্যোতি বৰগোহাঁই, (সংস্কৃত বিভাগ), ড° দিপশিখা গগৈ, (অসমীয়া বিভাগ), ড° ৰিজুমণি শইকীয়া, (শিক্ষাতত্ব বিভাগ, অধ্যাপিকা, দিখৌমুখ কলেজ), ড° প্ৰাঞ্জল কাকতি, (বুৰঞ্জী বিভাগ), ড° কস্তুৰী নাথ (সমাজ শাস্ত্ৰ বিভাগ), ড° মিনাক্ষী দুৱৰা, (অৰ্থনীতি বিভাগ, অধ্যাপিকা, সৰুপথাৰ কলেজ), ড° বিষ্ণু ভট্টাচাৰ্য, (অৰ্থনীতি বিভাগ, অধ্যাপক, নলবাৰী কলেজ), ড° ভৃগু ৰাজখোৱা, (সংস্কৃত বিভাগ, ড° পদ্মা দত্ত, (শিক্ষাতত্ব বিভাগ, অধ্যাপিকা, খোৱাং কলেজ), ড° হিমাশ্ৰী বৰুৱা, (সমাজতত্ব বিভাগ, অধ্যাপিকা, ধেমাজি কমাৰ্চ কলেজ), ড° মধুস্মিতা বৰঠাকুৰ, (সংস্কৃত বিভাগ), ড° পৰাগ গগৈ, (বাণিজ্য বিভাগ, অধ্যাপক, ডিমৌ চৰকাৰী পলিটেকনিক)।

ইয়াৰোপৰি এই মহাবিদ্যালয়ৰ ভালেসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান বিভিন্ন বিশ্ববিদ্যালয়ত পি.এইচ.ডি. ডিগ্ৰীৰ বাবে গৱেষণা কাৰ্যত ব্ৰতী হৈ আছে। (এই তালিকা প্ৰস্তুত কৰোঁতে অনিচ্ছাকৃতভাৱে দুই-এজনৰ নাম বাদ পৰি যাব পাৰে, তাৰ বাবে ক্ষমা-প্ৰাৰ্থনা কৰা হৈছে)। তালিকাত উল্লিখিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ শিক্ষাৰ ক্ষেত্ৰৰ লগতে সমাজলৈ বৰঙনি আগবঢ়াবলৈ সক্ষম হৈছে আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে গৌৰৱ অনুভৱ কৰে যে এইসকলৰ শিক্ষাৰ বুনিয়াদ এইখন মহাবিদ্যালয়তে গঢ় লৈছিল।

সততে গ্ৰামাঞ্চলৰ কলেজ আৰু নগৰাঞ্চলৰ কলেজৰ মাজত কিছু পাৰ্থক্য আছে বুলি ধাৰণা কৰা হয়। বুনিয়াদীগত সা-সুবিধাৰ ক্ষেত্ৰত এনে পাৰ্থক দেখা পোৱা যায়। বৰ্তমান

বিশ্বায়নে আনি দিয়া আধুনিক তথ্য-প্ৰযুক্তিৰ সা-সুবিধা গ্ৰামাঞ্চলত অৱস্থিত মহাবিদ্যালয়সমূহেও নগৰীয়া মহাবিদ্যালয়সমূহৰ দৰেই লাভ কৰিবলৈ সক্ষম হৈছে। সেইদৰেই 'বিশ্ববিদ্যালয় অনুদান আয়োগ' বৰ্তমান 'ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান'ৰ আৰ্থিক অনুদানেৰে গ্ৰামাঞ্চলৰ মহাবিদ্যালয়সমূহে ইয়াৰ কায়িক বুনিয়াদীগত সা-সুবিধা সমূহ সৃষ্টি কৰি উচ্চ শিক্ষাৰ এক বাতাবৰণ গঢ় দিবলৈ সক্ষম হৈছে। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ো এই ক্ষেত্ৰত কোনোগুণে পিছপৰি থকা নাই। সেয়েহে উচ্চ শিক্ষাৰ প্ৰসাৰত এই মহাবিদ্যালয়ে যুগ সাপেক্ষভাৱে অগ্ৰগতি লাভ কৰিছে বুলি ক'ব পাৰি।

(জীৱমণি নাথ আৰু দেৱজিৎ নেওগ সম্পাদিত শ্ৰীযুতা বুদ্ধেশ্বৰী গগৈৰ অভিনন্দন গ্ৰন্থ 'বৈজয়ন্তী'ত (প্ৰকাশ কাল ২৯ জুন, ২০১৯) প্ৰকাশিত প্ৰবন্ধৰ সংবৰ্দ্ধিত আৰু সংশোধিত প্ৰবন্ধৰ পুনৰ প্ৰকাশ)

❖❖❖

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বৰ্তমান মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত মোৰ শিক্ষাগুৰুসকলৰ সান্নিধ্যৰ সুবাস

**ড° অনুপমা মহন্ত**

এতিয়াৰ পৰা একাৱন্ন বছৰৰ আগতে ১৯৭৩ চনৰ আগষ্ট মাহত খনামুখ উচ্চ মাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ কলা শাখাৰ প্ৰাক স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিলোঁ। ১৯৭৭ চনত মহাবিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ত সন্মানসহ স্নাতক হৈ ওলাই গ'লো। প্ৰাক্ স্নাতক শ্ৰেণীত মোৰ পাঠ্যবিষয়সমূহ আছিল— ইংৰাজী, অসমীয়া (বাধ্যতামূলক), শিক্ষা, সমাজতত্ত্ব, সংস্কৃত আৰু বুৰঞ্জী। স্নাতক শ্ৰেণীত মোৰ পাঠ্যবিষয় আছিল— সংস্কৃত (অনাৰ্চ), ইংৰাজী, অসমীয়া আৰু বুৰঞ্জী। প্ৰাক্ স্নাতক চূড়ান্ত পৰীক্ষাত আমি ১২খন প্ৰশ্নকাকতৰ উত্তৰ লিখিছিলো আৰু স্নাতক চূড়ান্ত পৰীক্ষাত আমাৰ মুঠ প্ৰশ্নকাকত আছিল— ১৩খন।

মোৰ শিক্ষাগুৰুসকলৰ ভিতৰত ইংৰাজী বিষয়ৰ পাঠদান কৰিছিল— প্ৰয়াত শিৱনাথ শৰ্মা ছাৰ, প্ৰয়াত কৰুণাকান্ত শৰ্মা ছাৰ, শ্ৰীযুত হৰেণ বৰুৱা ছাৰ আৰু প্ৰয়াত শোভন চন্দ্ৰ বৰুৱা ছাৰে।

অসমীয়া বিষয়ৰ পাঠদান কৰিছিল— প্ৰয়াত শিৱনাথ শৰ্মা ছাৰ, প্ৰয়াত চিত্ৰলতা ফুকন বাইদেউ, প্ৰয়াত যতীন বৰা ছাৰ, শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰ আৰু প্ৰয়াত জগন্নাথ মহন্ত ছাৰে।

শিক্ষাবিভাগত পাঠদান কৰিছিল— শ্ৰীযুত ৰজনী কান্ত গোস্বামী ছাৰ, ড° সৰিতা ঠাকুৰ বাইদেউৱে।

সমাজতত্ত্ব বিষয়ত পাঠদান কৰিছিল— প্ৰয়াত সৰুমতী হাজৰিকা বাইদেউ আৰু শ্ৰীযুতা প্ৰভাত কুমাৰ বৰঠাকুৰ ছাৰে।

সংস্কৃত বিষয়ৰ পাঠগ্ৰহণ কৰিছিলো— প্ৰয়াত ড° কৃষ্ণকান্ত সন্দিকৈ ছাৰ, ড° অকণ চন্দ্ৰ শইকীয়া ছাৰ আৰু প্ৰয়াত ড° প্ৰদীপ কুমাৰ গগৈ ছাৰৰ পৰা।

বুৰঞ্জী বিষয়ত পাঠগ্ৰহণ কৰিছিলো— প্ৰয়াত তৰুণ চন্দ্ৰ বৰুৱা ছাৰ আৰু প্ৰয়াত গুণ বৰুৱা ছাৰৰ পৰা।

স্নাতক শ্ৰেণীত নামভৰ্তি কৰি সংস্কৃত (সন্মান), ইংৰাজী, অসমীয়া (বাধ্যতামূলক) আৰু বুৰঞ্জী বিষয় মোৰ পাঠ্যবিষয় হিচাপে লৈছিলো। একেখন মহাবিদ্যালয়ত নামভৰ্তি কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰয়াত ড° কৃষ্ণকান্ত সন্দিকৈ ছাৰ, প্ৰয়াত ড° প্ৰদীপ কুমাৰ গগৈ ছাৰ, ড° অকণ চন্দ্ৰ শইকীয়াৰ ছাৰৰ পৰা সংস্কৃত (সন্মান) ৰ পাঠ গ্ৰহণ কৰিছিলো আৰু ইংৰাজী, অসমীয়া আৰু বুৰঞ্জীৰ পাঠ প্ৰাক্ স্নাতক শ্ৰেণীত লগ পোৱা ছাৰসকলৰ পৰাই গ্ৰহণ কৰিছিলো।

দুবছৰীয়া স্নাতক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত আমি মুঠ ১৩খন প্ৰশ্নকাকতৰ উত্তৰ লিখিছিলো। সংস্কৃত (সন্মানত) ৬ খন, ইংৰাজী ২ খন, অসমীয়া ২ খন আৰু বুৰঞ্জী বিষয়ত ৩ খন প্ৰশ্নকাকত আছিল। প্ৰাক্ স্নাতক ২বছৰ আৰু স্নাতক ২বছৰীয়া পাঠ্যক্ৰমৰ অন্তত এজন শিক্ষাৰ্থী স্নাতক হৈছিল।

মহাবিদ্যালয়ৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰত খনামুখত আমাৰ ঘৰ। গাঁৱলীয়া ঠাই। শিলগুটি দিয়া ৰাস্তা। প্ৰায় ৭ কিলোমিটাৰ ৰাস্তা খনামুখৰ পৰা যোৰহাটলৈ চলা বাছখনত আহি তামুলীছিগাত নামি প্ৰায় ৫ কিলোমিটাৰ বাট জাঁজী নদীৰ মথাউৰিয়েদি খোজকাঢ়ি আহি ৯-১৫ বজাত কলেজৰ শ্ৰেণীকক্ষত উপস্থিত হওঁ। বৰষুণৰ বতৰত পিছল মথাউৰিয়েদি আহি থাকোঁতে চেণ্ডেল খুলি হাতত লৈ আহিব লাগে। এখন হাতত কিতাপ-বহীৰ বেগটো, আনখন হাতত ছাতি, চেণ্ডেল লৈ মোৰ সহপাঠী কেইজনীৰ লগত খোজকাঢ়ি আহি কলেজ পাওঁহি। কলেজত ২.৩০ বজালৈকে শ্ৰেণীত উপস্থিত থাকি পুনৰ ৩ বজাত তামুলিছিগাত যোৰহাটৰ পৰা ঘূৰি অহা বাছখন ধৰিবগৈ লাগে। ৪ বজালৈকে কলেজত চলি থকা শ্ৰেণীসমূহত উপস্থিত থাকিব নোৱাৰো। কিয়নো বাছখন ধৰিবগৈ নোৱাৰিলে খনামুখলৈ পুনৰ খোজকাঢ়ি ঘৰলৈ ঘূৰি যাব লগা হয়। পিছদিনাখন কলেজলৈ আহি শ্ৰেণী নথকা সময়ত আগৰ দিনাখনৰ অনুপস্থিত থকা দুটা শ্ৰেণীত ছাৰ, বাইদেউসকলে কি পঢ়ালে সুধি লওঁ লগৰ সহপাঠীসকলক আৰু তেনেকৈয়ে বিষয়বস্তুৰ ওপৰত থুলমুলকৈ আভাস এটা পাওঁ।

আমাৰ ঘৰৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া আছিল। মেধা বৃত্তিৰ টকা কেইটাৰ ওপৰতে নিৰ্ভৰ কৰি কোনোমতে কলেজত শিক্ষাগ্ৰহণ কৰিবলৈ আহিছিলো। উচ্চ শিক্ষা গ্ৰহণৰ দুৰ্বাৰ হেঁপাহ আছিল। কিন্তু সেই অনুসাৰে আগবাঢ়ি যাবলৈ সামৰ্থ্য নাছিল। কিতাপ-পত্ৰ কলেজৰ পুথিভঁৰালৰ পৰা লৈছিলো। কিন্তু পৰীক্ষাৰ আগে আগে কিতাপসমূহ পুথিভঁৰালত জমা দিব লাগিছিল। প্ৰায়ে নোট কৰি লৈছিলো। শিক্ষাগুৰুসকলৰ পৰা বহুত সহায় সহযোগিতা পাইছিলোঁ। সহপাঠীসকলেও দুই এদিনৰ বাবে কিতাপ-পত্ৰ ধাৰলৈ দি সহায় কৰিছিল।

শিক্ষাগুৰুসকলৰ পৰামৰ্শসমূহ যথেষ্ট উৎসাহজনক আৰু প্ৰেৰণামূলক আছিল। ছাত্ৰ-ছাত্ৰীসকলৰ লগত তেখেতসকলৰ সম্পৰ্ক বৰ মধুৰ আছিল। সেইসময়ত তেখেতসকলে বন্ধৰ দিনত চাইকেল চলাই বহুত দূৰ গৈও ছাত্ৰ-ছাত্ৰীৰ ঘৰত খবৰ কৰিছিল।

প্ৰয়াত শিৱনাথ শৰ্মা ছাৰ এজন ব্যক্তিত্ব সম্পন্ন ব্যক্তি আছিল। কলেজখনৰ অধ্যক্ষৰ দায়িত্ব লোৱাৰ পাছত অতি সীমিত সা-সুবিধাৰ মাজতো কলেজখনৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত অতি নিষ্ঠাৰে কাম কৰিছিল। শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰীসকলৰ মাজত তেখেতৰ সম্পৰ্ক সৌহাদ্যপূৰ্ণ আছিল। আমাক উৎসাহিত কৰিছিল, আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত সাহস যোগাইছিল। ছাৰৰ ঘৰ আছিল কলেজৰ পৰা প্ৰায় ৬ কিলোমিটাৰ দূৰৰ দগাঁৱত। বৰষুণৰ বতৰত দগাঁৱৰ পৰা জাঁজী নদীৰ মথাউৰিয়েদি কলেজলৈ আহোঁতে লংপেণ্টটো আঁঠুলৈকে কোঁচাই ছাতি লৈ আহিছিল। চাইকেলখন থৈয়েই হাত দুখন পিছলৈ দি গহীন গম্ভীৰ খোজেৰে চৌহদটোত পাক এটা মাৰিছিল। কলেজৰ সকলো শ্ৰেণী সময়মতে চলিছিল। শিক্ষক-কৰ্মচাৰী সকলোৰে পৰা তেখেতে সহযোগিতা পাইছিল।

অধ্যক্ষ শৰ্মাছাৰে আমাৰ ইংৰাজী আৰু অসমীয়াৰ পাঠদান কৰিছিল। এজন সুবক্তা আছিল। ইংৰাজী আৰু অসমীয়া দুয়োটা বিষয়তে স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাৰে দুয়োটা ভাষাতে অতি সাৱলীলভাৱে বক্তৃতা প্ৰদান কৰিছিল। পুৱা ৯-১৫ বজাৰ পৰা আবেলি ৩-১৫ বজালৈকে পাঁচ-ছয়টা শ্ৰেণীত পাঠদান কৰিছিল। তাৰ মাজতে প্ৰশাসনীয় কাম-কাজ সমূহো কছিলি। ছাৰ ৫ বজালৈকে কলেজত আছিল। বৈষ্ণৱ সাহিত্য, সংস্কৃতিৰ সাধক ছাৰে ৰামায়ণ, মহাভাৰত, ভাগৱত, পুৰাণৰ কাহিনীৰ ওপৰত ভিত্তি কৰি প্ৰায় ৫০ খনৰো অধিক মাতৃভাষাৰ নাট ৰছনা কৰি নিজেও বিভিন্ন চৰিত্ৰত অভিনয় কৰিছিল। ছাৰে ৰচনা কৰা ঐতিহাসিক নাটকখন আছিল 'ৰক্তস্নাতা জেৰেঙা'। তেখেতৰ ৰচিত নাটবিলাক প্ৰদৰ্শন কৰি সদৌ অসম ভিত্তিত শ্ৰেষ্ঠ স্থান লাভ কৰি আহিছে। ছাৰৰ লেখনি বিভিন্ন আলোচনী আদিত প্ৰকাশ পাইছিল। আউনীআটী সত্ৰত প্ৰদৰ্শিত হোৱা ছাৰৰ নাটৰ বাবে ভাওনা সমাৰোহত শ্ৰেষ্ঠ নাট্যকাৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। মহাবিদ্যালয়ৰ সমবেত সংগীত 'অভিযাত্ৰী আমি অসমীৰ' ৰচনা আছিল ছাৰৰ আৰু সুৰ দিছিল ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী তথা উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা প্ৰয়াত উমেশ চন্দ্ৰ ঠাকুৰ ছাৰে। নিয়মানুবৰ্তিতাৰ ক্ষেত্ৰত ছাৰ আপোচবিহীন আছিল। মহাবিদ্যালয়ত সময়মতে সভা-সমিতিসমূহ আৰম্ভ হোৱাত ছাৰ আৰু তেখেতৰ সহযোগী অধ্যাপক, অধ্যাপিকাসকলে বিশেষ গুৰুত্ব দিছিল। আনহে নালাগে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অহাৰ কথা থাকিলেও সভাখন নিৰ্দিষ্ট সময়ৰ পিছত অনুষ্ঠিত হোৱা নাছিল। সামান্য পাৰিতোষিক লাভ কৰিলেও টকা-পইচাৰ অভাৱত মহাবিদ্যালয়ৰ উন্নতিৰ হকে কৰিবলগা কাম কৰাৰ ক্ষেত্ৰত ছাৰে পিছ হুহকা নাছিল আৰু সকলোকে উৎসাহিত কৰিছিল। ছাৰৰ ব্যক্তিত্বত সকলো শিক্ষাৰ্থীয়েই মোহিত হৈছিল। এনে এজন শিক্ষাসদী শিক্ষাগুৰুৰ সান্নিধ্য লাভ কৰি আমি ধন্য হৈছিলো।

ইংৰাজী বিষয়ৰ পাঠদান কৰা প্ৰয়াত কৰুণা কান্ত শৰ্মা ছাৰ তিনিটা বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী আছিল। বহুত টান ইংৰাজী কোৱাৰ বাবে কেতিয়াবা শ্ৰেণীত বুজিবলৈ টান পাইছিলো। কিন্তু ঘৰলৈ গৈ সুধিলে পাঠটো অসমীয়াত বুজাই দি সহায় কৰিছিল। আমাৰ খনামুখৰ ঘৰখনলৈ এদিন চাইকেলেৰে গৈ দেউতাৰ লগত কথা পাতি আমাৰ ঘৰুৱা অৱস্থা, পঢ়াৰ পৰিৱেশ আদিৰ বুজ লৈছিল আৰু কলেজৰ পৰিৱেশত মোৰ আচৰণৰ বিষয়ে কৈ আহিছিল। অৱশ্যে সেইদিনা ছাৰে মোক লগ নাপালে। আমাৰ সকলো ছাত্ৰ-ছাত্ৰীকে ছাৰে 'আপুনি' সম্বোধন কৰিছিল কাৰণে বেয়া পাইছিলো আৰু সেইবাবে শিক্ষকৰ জিৰণি কোঠাত ছাৰক লগ কৰি কিবা সুধিবলৈ বেয়া পাইছিলো। অৱশ্যে শ্ৰেণীকোঠাৰ, কলেজৰ চাৰিবেৰৰ বাহিৰত সকলোকে 'তুমি' বুলি সম্বোধন কৰিছিল। আমি স্নাতক হৈ ওলাই যোৱাৰ পাছতে ছাৰ লক্ষীমপুৰৰ এখন কলেজৰ অধ্যক্ষ হিচাপে গ'লগৈ। কলেজখন সম্পূৰ্ণ গঢ় দিবলৈ নাপাওঁতেই ছাৰৰ মৃত্যু হ'ল।

কলেজ প্ৰতিষ্ঠা কালৰ প্ৰথম বৰ্ষৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰি ১৯৬৫ চনত প্ৰাক্ বিশ্ববিদ্যালয় (Pre-University) পৰীক্ষাত উত্তীৰ্ণ হৈ ক্ৰমে শিৱসাগৰ মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লৈ ১৯৭১ চনৰ আগষ্ট মাহত কলেজৰ এজন ইংৰাজীৰ প্ৰৱক্তা হিচাপে যোগদান কৰা শ্ৰীযুত হৰেণ বৰুৱা ছাৰে আমাক ইংৰাজী বিষয়ৰ পাঠদান

কৰিছিল। ইংৰাজী গদ্য, পদ্য, ব্যাকৰণৰ ওপৰত পাঠদান কৰা ছাৰৰ উচ্চ কণ্ঠস্বৰ, সুন্দৰ উচ্চাৰণ শুনি মই অভিভূত হৈছিলো। এতিয়াও সেই শ্ৰেণীকক্ষৰ পাঠদানৰ বিষয়ে মোৰ মনত পৰে। ছাৰ এজন সু-অভিনেতা আৰু আবৃত্তিকাৰ আছিল। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ভাওনাত ছাৰৰ অভিনয় আমি দেখিছিলো আৰু সকলোৰে প্ৰশংসা কৰা শুনিছিলো।

স্বৰ্গীয় শোভন চন্দ্ৰ বৰুৱা ছাৰে আমাক ইংৰাজী পঢ়াইছিল। বি.এ. পৰীক্ষাৰ প্ৰস্তুতিৰ সময়ত মোৰ ইংৰাজী বিষয়ৰ কিছুমান পাঠ ভালকৈ নুবুজাকৈ থকাৰ বাবে ছাৰক সেই বিষয়ৰ ওপৰত মোক সহায় কৰি দিবলৈ কৈছিলো। সেই সময়ত ছাৰে সৰ্বেশ্বৰ বৰঠাকুৰ (কৌ দা)ৰ কেণ্টিনতে পুৱাবেলা ছাত্ৰ-ছাত্ৰীৰ টিউচন লৈছিল। মই টিউচন ল'ব পৰা নাছিলো। ছাৰে মোক ডাঙৰ সহায় কৰিলে। মোক আমাৰ কলেজৰ কাৰ্যালয়ৰ সহায়কাৰী হিতেশ গগৈৰ হাতৰ পৰা ছাৰে টিউচনৰ বাবে লিখা নোটখিনিকে লিখি ল'বলৈ ক'লে। কাৰণ সেই বছৰ হিতেশ গগৈদেৱে আমাৰ লগতে বি.এ. পৰীক্ষাত বহিছিল। সেই নোটখিনিৰ পৰা মই যথেষ্ট উপকৃত হ'লো। পৰীক্ষাত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ ভালদৰে লিখিব নোৱাৰি ওলাই আহিছিল। সেই বছৰ আমি শ্ৰেণীটোৰ মাত্ৰ ১৬ জন ছাত্ৰ-ছাত্ৰীহে উত্তীৰ্ণ হৈছিলো। অতি দুখৰ বিষয় যে ১৯৯৬ চনৰ ২ জুলাই তাৰিখে কলেজৰ পৰা ঘৰলৈ উভতি যোৱাৰ পথত দুৰ্ঘটনাত মাত্ৰ ৫০ বছৰ বয়সতে ছাৰে মৃত্যুক সাৱটিব লগা হ'ল।

অসমীয়া বিষয়ত শিক্ষাদান কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল হ'ল— প্ৰয়াত চিত্ৰলতা ফুকন বাইদেউ, প্ৰয়াত যতীন বৰা ছাৰ, শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰ আৰু প্ৰয়াত ড° জগন্নাথ মহন্ত ছাৰ।

সুলেখিকা প্ৰয়াত চিত্ৰলতা ফুকন বাইদেউ আছিল বৰ মৰমীয়াল, পৰোপকাৰী, দৃঢ়মনা আৰু সদায় সমাজৰ হিতৰ বাবে, নিপীড়িতা নাৰীৰ সহায়ৰ বাবে কাম কৰা ব্যক্তি। শ্ৰেণীকক্ষত আমাক কবিতা পঢ়াইছিল। অসমীয়া সাহিত্যৰ ওপৰত দিয়া বক্তৃতাসমূহ অতি মনোগ্ৰাহী আছিল। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা, পিছত উপাধ্যক্ষা হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা বাইদেউৱে অসমীয়া সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াই গৈছে। 'হৃদয় বিচাৰি হৃদয়' বাইদেউৰ কবিতাপুথি, 'অশ্ৰুকন্যা', 'অৰুন্ধতী', 'বিধ্বস্ত জোনাকী বাট', 'আলোকিত পথৰ সন্ধানত' তেখেতৰ ৰচিত উপন্যাস। 'বন আমলখি', 'পোনাকণ আৰু মই' তেখেতৰ চেমনীয়াসকলৰ বাবে লিখা উপন্যাস। এই উপন্যাসখন ইংৰাজী ভাষালৈ অনুদিত হৈছে। অন্য এখন চেমনীয়াৰ উপন্যাস হৈছে— 'সোণালী কন্যা'। তেখেতৰ গল্পপুথি কেইখন হ'ল— 'কণকচম্পা', 'বিষণ্ণ ৰাতিৰ জোন', 'নিৰ্বাচিত চুটিগল্প', 'আহঁত গছৰ ছাঁ'।

'হৃদয় নদী পানচৈ' তেখেতৰ আত্মজীৱনী। তেখেতৰ চৰিত নাটক কেইখন হ'ল— 'নীড় ভঙা পখীৰ অৰণ্য', 'মিথিলা', 'ৰাতি আৰু নুপুৰালে'। 'অসমীয়া সাহিত্য আৰু লেখিকা' তেখেতৰ সম্পাদিত গ্ৰন্থ। অসম সাহিত্য সভাৰ 'বাসন্তী বৰদলৈ বঁটা', অসম লেখিকা সন্থাৰ 'প্ৰবীণা শইকীয়া বঁটা', টাই আহোম যুৱ পৰিষদৰ 'বীৰাংগণা মূলাগাভৰু বঁটা' আদিৰে সন্মানিত হোৱা বাইদেউ থাইলেণ্ডৰ চ্যাংমাই বিশ্ববিদ্যালয়ত অনুষ্ঠিত ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত গৱেষণা পত্ৰ পাঠ কৰিছিল।

এনে এগৰাকী প্ৰতিভাসম্পন্ন বাইদেউৰ ছাত্ৰী হ'বলৈ পোৱাটো সৌভাগ্যৰ কথা বুলি বিবেচনা কৰোঁ। ২০১৩ চনৰ ১৩ আগষ্ট তাৰিখে বাইদেউ পৰলোকগামী হয়।

১৯৬৬ চনৰ ২৮ আগষ্টৰ পৰা ১৯৯১ চনৰ নৱেম্বৰলৈকে সেৱা আগবঢ়োৱা প্ৰয়াত যতীন বৰাছাৰে আমাক অসমীয়া ছন্দৰ ওপৰত পাঠদান কৰিছিল। পৰিশীলিত পোছাক পৰিধান কৰা ছাৰ এজন ব্যক্তিত্বসম্পন্ন ব্যক্তি আছিল। বিভিন্ন গ্ৰন্থ, চুটিগল্প, প্ৰবন্ধ ৰচনাৰে অসমীয়া সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়াই গৈছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল— 'সাহিত্য সমালোচনা পৰিচয়', 'অলংকাৰ আৰু ছন্দ পৰিচয়', 'অসমীয়া কবিতাৰ ছন্দৰ বিচাৰ', 'সমালোচনা সাহিত্যৰ চমু বুৰঞ্জী', 'ছন্দ, ধ্বনি আৰু অলংকাৰ পৰিচয়', 'অঙ্কীয়া নাটৰ বিচাৰ আৰু বিশ্লেষণ', 'অন্যান্য শ্ৰুতি-স্মৃতি পুৰাণ' আৰু 'শংকৰদেৱৰ ভাগৱত ধৰ্ম', 'ধৰ্ম-দৰ্শন', 'সৰ্বভাৰতীয় পটভূমিত অসমৰ বৈষ্ণৱ ধৰ্মৰ বিচাৰ', 'বেদান্ত-বিশিষ্ট দ্বৈতবাদ', 'অসমীয়া ধ্বনি বিজ্ঞানৰ ৰূপৰেখা' আদি গ্ৰন্থৰ পাণ্ডুলিপি ছাৰে প্ৰস্তুত কৰি থৈছিল। ২০১৪ চনৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ বছৰটোতে ছাৰ পৰলোকগামী হ'ল।

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা, পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কিছুদিন কাৰ্যনিৰ্বাহ কৰা আৰু ২০০৬ চনৰ ৩১ জানুৱাৰীত উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰৰ পৰা মই অসমীয়া সাহিত্যৰ পাঠ্যগ্ৰহণ কৰিছিলো। অল্পভাষী, গহীন-গম্ভীৰ ছাৰে নিজস্ব শৈলীৰে আমাক পাঠদান কৰিছিল। ছাৰৰ ৩-১৫ বজাৰ পৰা ৪-০০ বজালৈ থকা শ্ৰেণীসমূহত মই উপস্থিত থাকিব নোৱাৰিছিলো। কিন্তু লগৰীয়াক সুধি-মেলি, আনৰ সহায় লৈ যিখিনি নোট প্ৰস্তুত কৰিছিলো, সেয়া কিন্তু ছাৰে চাই-মেলি মোক শুধৰাই দিছিল। শিক্ষানুষ্ঠানখনৰ উন্নতিৰ হকে আত্মনিয়োক কৰা ছাৰে কৰ্তব্যত সতীৰ্থসকলে গাফিলতি কৰাটো সহ্য নকৰিছিল। সময়ানুবৰ্তি ছাৰৰ ব্যক্তিত্বৰ প্ৰতি আমি আকৰ্ষিত হৈছিলো। আমি মথাউৰিয়েদি আহি মৰাণ গাঁও পাওঁতে ছাৰে চাইকেল এখনত উঠি কলেজলৈ আহিছিল আৰু ৯-১৫ বজাৰ শ্ৰেণীত পাঠদান কৰিছিল। মুখত এখন তামোল অনবৰতে আছিল আৰু আমাক হাঁহিমুখেৰে মাত দিয়াত আমি উৎসাহিত হৈছিলো। মই সহকৰ্মী হৈ থকা সময়ত ছাৰৰ পৰা 'শ্ৰীশংকৰ বাক্যামৃত' নামৰ গ্ৰন্থখন পঢ়িবলৈ আনিছিলো। সেই গ্ৰন্থখন ছাৰক স্নাতকোত্তৰ শ্ৰেণীৰ অসমীয়া বিভাগৰ সেই বৰ্ষৰ শ্ৰেষ্ঠ স্নাতক হোৱাৰ বাবে বিভাগে সম্বৰ্দ্ধনা জনাই প্ৰদান কৰিছিল আৰু সেই কথা বৰ সুন্দৰকৈ তাত লিখা আছিল। ছাৰৰ প্ৰতি মোৰ শ্ৰদ্ধাত মূৰ দোঁ খাইছিল। ইমান মেধাৱী এজন ব্যক্তিয়ে গাঁৱৰ, অঞ্চলটোৰ শৈক্ষিক উত্তৰণৰ কাৰণেই মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী পোৱালৈকে সামান্য পাৰিতোষিকেৰে পৰিয়াল চলাই মহাবিদ্যালয়ত সেৱা আগবঢ়ালে।

মই ছাৰৰ সহকৰ্মী হিচাপে ১৯ বছৰ কাল মহাবিদ্যালয়ত সেৱা আগবঢ়োৱাৰ সুবিধা পাইছিলো। সেই সময়তো অল্পভাষী ছাৰৰ আগত অধিক কথকী মই বহুত কথা কৈছিলো। কেতিয়াবা ছাৰৰ খং উঠা যেন পাওঁ। ছাৰে কিন্তু মোক কিবা সুধিবা লগা থাকিলে বৰ অন্তঃকৰণেৰে শুনি পৰামৰ্শ আগবঢ়াইছিল। মোৰ লেখনিসমূহো যেতিয়াই দেখুৱাও, ছাৰে চাই দিয়ে। আনকি ছাৰৰ অৱসৰৰ পিছতো দেখুৱাও। এদিন ছাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ থাকোতে বন্ধৰ দিনত মই 'শংকৰী সাহিত্য'ৰ

ওপৰত এটি প্ৰবন্ধ লিখি দিনৰ প্ৰায় ২.৩০ বজাত ফোন কৰিলো। ছাৰে লগে লগেই যাবলৈ ক'লে আৰু প্ৰায় ৩ বজাত অধ্যক্ষৰ আসনত বহি থকা অৱস্থাতে লেখনিটো চাই মন্তব্য আগবঢ়ালে। মই উপকৃত হ'লো।

সুদীৰ্ঘ ৩৭ বছৰতকৈও অধিক কাল এজন কৃতী শিক্ষক হিচাপে হাজাৰজন শিক্ষাৰ্থীক জ্ঞানৰ পোহৰেৰে আলোকিত কৰি ছাৰে সমাজলৈ অৱদান আগবঢ়ালে। বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত নিজকে জড়িত কৰি সমাজৰ উন্নয়নৰ কাৰণে নিষ্ঠাৰে কৰ্ম কৰি গৈছে আৰু অৱসৰৰ পিছতো ছাৰ গতিশীল হৈ সামাজিক কৰ্ম সম্পাদনত ব্যস্ত হৈ আছে।

অসমীয়া বিভাগৰ প্ৰবক্তা প্ৰয়াত ড° জগন্নাথ মহন্ত ছাৰে আমাক অসমীয়া ব্যাকৰণ, ছন্দ আৰু অলংকাৰৰ ওপৰত পাঠদান কৰিছিল। তেখেতৰ ভনীয়েক জ্যোৎস্না মোৰ সহপাঠী আছিল। আন দুগৰাকী ভনীয়েক অৰ্পণা আৰু দিপালী মোতকৈ দুবছৰৰ আগত পঢ়িছিল। ছাৰৰ পৰা ভনীয়েকৰ নিচিনাই মৰম পাইছিলো। মোক 'তই' বুলিহে সম্বোধন কৰিছিল। ছাৰৰ ঘৰলৈ গৈও 'অভিধা', 'লক্ষণা', ব্যঞ্জনাৰ পাঠ গ্ৰহণ কৰিছিলো। ছাৰ আৰু মই একেসময়তেই গৱেষণা কৰিছিলো। সেই সময়ত আমি দুয়ো একেলগেই গৱেষণাৰ কৰ্মৰ বাবে কলিকতাৰ ৰাষ্ট্ৰীয় পুথিভঁৰাললৈ গৈছিলো। তেতিয়া মই মহাবিদ্যালয়ত তেখেতৰ সহকৰ্মী হিচাপে কাৰ্য নিৰ্বাহ কৰিছিলো আৰু ইউ.জি.চি. ফেলশ্বিপ লৈ এবছৰৰ দীঘলীয়া ছুটী পাই গুৱাহাটী বিশ্ববিদ্যালয়ত গৱেষণা কৰি আছিলো। ছাৰে 'The Sattriya Dances of Assam : Critical and Analytical Study' শীৰ্ষক বিষয়ত গৱেষণা কৰি ১৯৯৭ চনত পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছিল। অসমৰ সাংস্কৃতিক বুৰঞ্জী, সত্ৰীয়া নৃত্য, নাট আৰু গীতৰ ওপৰত বিশেষভাৱে অধ্যয়ন কৰি সেই বিষয়ৰ ওপৰত কেইবাখনো গ্ৰন্থ লিখি থৈ গৈছে। সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি পোৱাৰ ক্ষেত্ৰত ছাৰৰ বিশেষ অৰিহণা আছে। ছাৰে কান্তিৰাম হাজৰিকা বঁটা, জগদ্ধাত্ৰী হৰমোহন বঁটা আৰু চন্দ্ৰকান্ত হীৰাপ্ৰভা বঁটাৰে সন্মানীত হোৱাৰ উপৰিও ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ দ্বাৰা ফেলশ্বিপ লাভ কৰি সত্ৰীয়া নৃত্য, গীত, নাটৰ ক্ষেত্ৰত বিভিন্ন কাৰ্য সম্পাদন কৰি গৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অতিথি অধ্যাপক হিচাপে ছাৰে কাৰ্যনিৰ্বাহ কৰিছিল।

ছাৰৰ ঘৰখনৰ লগতো মোৰ ঘৰুৱা সম্পৰ্ক হৈছিল। প্ৰথম দিনাই তেখেতৰ ঘৰলৈ ভনীয়েক জ্যোৎস্না, অৰ্পণা বাইদেউ, দীপালি বাইদেউৰ লগত যাওঁতে ছাৰৰ মাক আৰু বৰমাকে মোক ক'ৰ ছোৱালী সোধাৰ পিছত এটা সম্পৰ্ক উলিয়ালে। মই বোলে দিহিং নমাটি সত্ৰলৈ বিয়া দিয়া তেখেতসকলৰ পেহীয়েকৰ নাতিনীৰ জীয়েক। মই ঘৰত গৈ সেই কথা ক'লত মোক আহ-যাহ কৰাত কোনো আপত্তি নকৰিলে। ছাৰৰ ভনীয়েক তিনিগৰাকীও আমাৰ খনামুখৰ ঘৰত থাকিবলৈ যায়। ইমান আন্তৰিকতা আছিল। ছাৰ কেতিয়াবা কেতিয়াবা বাইদেউৰ লগত বিপদ-আপদত শোকৰ দিনত আমাৰ ঘৰত মাত লগাবলৈ গৈছিল। মই বি.এ. পাছ কৰি বিশ্ববিদ্যালয়ত এম.এ. পঢ়িবলৈ গ'লো। নিজে পঢ়া কলেজখনলৈ, মোৰ শিক্ষাগুৰুসকললৈ মোৰ খুব মনত পৰে। সেইকাৰণে কলেজৰ সন্মুখেদি বাচত পাৰ হৈ গ'লেও সুবিধা বুজি নামি চিধাই শিক্ষকৰ জিৰণি কোঠালৈ যাওঁ। এদিন ছাৰে মোক শ্ৰেণীকক্ষৰ পৰা ওলাই আহি

হঠাৎ দেখি ‘অই তোক কোনে এম.এ. পঢ়াইছে অ’। মই থত্‌মত্ খাই ছাৰক ক’লো— ছাৰ মই মেধা বৃত্তি পাইছো নহয়। মোৰ মামাহঁতে, মোৰ আত্মীয়সকলে দুই-চাৰি টকা দিয়ে আৰু। সেই কথাষাৰে মোক অকণমান চিন্তাত পেলাইছিল। মোৰ ঘৰুৱা অৱস্থা বেয়া আছিল বাবেই ছাৰে এনেকুৱা কথাষাৰ সকলোৰে আগত সুধি দিলে। মই অতি দৃঢ়তাৰে কামত আগবাঢ়ি যোৱাৰ কথা চিন্তা কৰিলো। ছাৰেও অৱশ্যে পাঁচগৰাকী ভনীয়েক, দুজন ভায়েক, বৰদেউতাক, বৰমাক, মাক-দেউতাকৰ সৈতে এটা বৃহৎ পৰিয়ালৰ এজন ব্যক্তি হিচাপে অতি কষ্টেৰে শিক্ষা আহৰণ কৰিছিল, সামান্য পাৰিশ্ৰমিকেৰে নিজৰ পাঁচজনী ভনীয়েকক কলেজীয়া শিক্ষা গ্ৰহণ কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ লগত ছাৰৰ সম্পৰ্ক মধুৰ আছিল।

ছাৰ দুবাৰকৈ স্কুটাৰ দুৰ্ঘটনাত পতিত হৈছিল। পাটনাত চিকিৎসা কৰি কোনোমতে খোজ কাঢ়িব পৰা হোৱাৰ পাছতো অসমৰ সত্ৰীয়া নৃত্যৰ ওপৰত গৱেষণা কৰি পৰিৱেশ্য কলাৰ শিক্ষা প্ৰদান কৰি সংগীত নাটক একাডেমিৰ লগত জড়িত হৈ বহুতো উল্লেখনীয় কাম কৰি গ’ল। স্কুটাৰ চলোৱাৰ প্ৰসংগত এটা কথা মনত পৰিছে—মোৰ বিয়ালৈ ছাৰে স্কুটাৰ চলাই গৈছিল আৰু পিছৰ চিটত চিত্ৰলতা ফুকন বাইদেউ বহি গৈছিল। জকাইচুক পথাৰৰ মাজৰ মুকলি ৰাস্তাটোৰেদি যাওঁতে ইমানেই গতিবেগ বঢ়াই দিলে, চিত্ৰলতা বাইদেউৱে ভয়তে ঐ জগন্নাথ, ঐ জগন্নাথ বুলি চিঞৰিবলৈ ধৰিলে। এই শিক্ষাসদী ছাৰজনৰ ২০১৪ চনৰ ১৬ মাৰ্চ তাৰিখে দেহান্তৰ প্ৰাপ্তি হয়।

মহাবিদ্যালয়ত মই সংস্কৃত বিষয়ৰ পাঠগ্ৰহণ কৰিছিলো তিনিজন শিক্ষাগুৰুৰ পৰা। তেখেতসকল হ’ল— প্ৰয়াত ড° কৃষ্ণকান্ত সন্দিকৈ, ড° শ্ৰীযুত অকণ চন্দ্ৰ শইকীয়া আৰু প্ৰয়াত ড° প্ৰদীপ কুমাৰ গগৈ ছাৰ তিনিওজন শিক্ষাগুৰুৰ লগত আমাৰ সম্পৰ্ক মধুৰ আছিল।

শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° কৃষ্ণকান্ত সন্দিকৈ ছাৰক মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বহু আগৰে পৰাই চিনি পাইছিলো। মহাবিদ্যালয়ৰ শিক্ষাৰ পৰিৱেশত খাপ খুৱাই ল’বলৈ মই ছাৰৰ পৰা যথেষ্ট প্ৰেৰণা পাইছিলো। অতি আন্তৰিকতাৰে শিক্ষাদান কৰিছিল। ছাৰে কথা কওঁতে বৰ খৰকৈ কৈছিল বাবে মোৰ প্ৰথমতে বুজিবলৈ টান লাগিছিল। কিন্তু পিছত অৱশ্যে ভালকৈয়ে বুজি পোৱা হ’লো। সংস্কৃত তথা অসমীয়া ভাষা সাহিত্যৰ ওপৰত ছাৰৰ গভীৰ অধ্যয়ন আছিল। শ্ৰেণী কক্ষৰ বাহিৰতো আমি ছাৰক লগ কৰি পাঠ্যবিষয়ৰ ওপৰত কিছু কথা নিঃসংকোচে আলোচনা কৰিব পাৰো। ৰুটিনত সন্নিবিষ্ট নিৰ্দিষ্ট শ্ৰেণীকেইটাৰ উপৰিও ছাৰে অতিৰিক্ত পাঠদান কৰিবলৈ ছাৰ সদায়ে প্ৰস্তুত হৈ থাকে। ছাৰৰ আমাৰ ঘৰৰ লগতো ঘৰুৱা সম্পৰ্ক আছিল। কেতিয়াবা কিবা অসুবিধাবশতঃ কলেজলৈ আহিব নোৱাৰিলে ছাৰে বৰ বেয়া পাইছিল। খংও কৰিছিল। মই প্ৰাক্ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সময়তে প্ৰাথমিক বিদ্যালয় এখনত নিযুক্তি পাই চাকৰি কৰিছিলো। কিন্তু ছাৰে সেই চাকৰি ইস্তফা দিয়াই সংস্কৃত বিষয়ত অনাৰ্চ লৈ পঢ়িবলৈ লৈ আহিল আৰু সেইদৰে স্নাতকোত্তৰ ডিগ্ৰী লোৱালৈকে সহায় কৰি থাকিল। ১৯৮৬ চনৰ ছেপ্তেম্বৰ মাহত মহাবিদ্যালয়ত নিযুক্তি পোৱাৰ পিছতো জীৱনৰ প্ৰত্যেকটো ক্ষেত্ৰতে নজৰ ৰাখিছিল। মোৰ বিয়াখনতও ছাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। ‘The Legend of

Pururavas and Urvasi in Indian Literature : A Study' শীৰ্ষক বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা ছাৰে অসমৰ সাহিত্য-সংস্কৃতিৰ জগতখনলৈ বিশেষ বৰঙণি আগবঢ়াই থৈ গৈছে। ছাৰে বিভিন্ন আলোচনী, বাতৰি কাকত, স্মৃতিগ্ৰন্থ আদিত শতাধিক প্ৰবন্ধ লিখি থৈ গৈছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত তেখেতে ৰচনা কৰা 'সংগীতালেখ্য' প্ৰচাৰিত হৈছে। 'মধুবালা ঋতায়তে' নামৰ ছাৰৰ দ্বাৰা প্ৰকাশিত প্ৰবন্ধ সংকলনটিত দহটা প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। সাহিত্য কৰ্মৰ লগত জড়িত থাকি এজন সফল ব্যক্তিৰূপে নিজকে প্ৰতিষ্ঠা কৰিব পৰা ছাৰ এজন সামাজিক ব্যক্তি আছিল। শংকৰী সংস্কৃতি আৰু লোকসংস্কৃতি চৰ্চাৰে ছাৰে সমাজখনলৈ প্ৰভূত বৰঙণি আগবঢ়াই গৈছে। সুদীৰ্ঘ ৩৪ বছৰ কাল মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী আৰু কিছুদিন উপাধ্যক্ষ হিচাপে সেৱা আগবঢ়াই অৱসৰ লোৱা ছাৰ অৱসৰৰ পিছতো ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ৰ জ্ঞান দিবলৈ সদা প্ৰস্তুত আছিল। অধ্যয়ন পিপাসু ছাৰে ২০২২ চনৰ ১০ মে' তাৰিখে দেহান্তৰপ্ৰাপ্তিৰ দুদিনৰ আগলৈকে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত গ্ৰন্থ অধ্যয়ন কৰিছিল।

অৱসৰৰ পিছতো ছাৰে আমাৰ অনুৰোধ ৰক্ষা কৰি মহাবিদ্যালয়লৈ আহি কিছুদিন শ্ৰেণীকক্ষত পাঠদান কৰি বিভাগটোক সহায় কৰিছে। মৃত্যুৰ সময়লৈকে ছাত্ৰ-ছাত্ৰীক সংস্কৃত পঢ়িবলৈ পৰামৰ্শ দিছিল। আনকি হাইস্কুলত সংস্কৃত নপঢ়া ছাত্ৰ-ছাত্ৰীকো সংস্কৃত বিষয়টো লোৱাইছিল। মোৰ ভনী শ্ৰী ৰুণুমী মহন্তই ছাৰৰ পৰামৰ্শ মতেই সংস্কৃত হাইস্কুলত নপঢ়া স্বত্বেও শ্ৰেণীত সংস্কৃত বিষয়টো পঢ়ি ভাল নম্বৰ পাই উত্তীৰ্ণ হৈছিল। নাট্যকাৰ, অভিনেতা ছাৰে বিহু, দিহানামত দখল থকাৰ বাবেই ডিব্ৰুগড় আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰিছিল। দশম বিশ্ব আন্তঃৰ্জাতিক সংস্কৃত সন্মিলনত (বাঙ্গালোৰত অনুষ্ঠিত), থাইলেণ্ডৰ থাম্মাসৎ বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তৰ্জাতিক ৰামায়ণ সন্মিলনত, উৰিষ্যাৰ পুৰীত অনুষ্ঠিত একচত্বাৰিংশতম অখিল ভাৰতীয় প্ৰাচ্য বিদ্যা-সন্মিলনত, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত আন্তৰ্জাতিক ৰামায়ণ সন্মিলনত, গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত বিশেষকৈ ৰামায়ণৰ ওপৰত গৱেষণা পত্ৰ পাঠ কৰিছিল। দিহানামৰ ওজা হিচাপে আউনীআটী সত্ৰৰ স্বৰ্ণপদক, অসমৰ লোক-কৃষ্টিৰ একনিষ্ঠ সাধক হিচাপে ছাৰে ২০২০ চনত 'বকুলবন বঁটা'ৰে সন্মানিত হয়। ছাত্ৰ-ছাত্ৰীক শৈক্ষিক জ্ঞানেৰে সমৃদ্ধ কৰাৰ লগতে ওৰেটো জীৱন বিহু, হুঁচৰি, দিহানাম, গায়ন-বায়ন আদি শংকৰী সংস্কৃতি আৰু লোক সংস্কৃতিৰ চৰ্চা কৰি নতুন প্ৰজন্মক সেই দিশসমূহত শিক্ষা প্ৰদান কৰি অসমীয়া সমাজখনলৈ প্ৰভূত বৰঙণি আগবঢ়াই জীৱন নাটৰ সামৰণি মাৰিলে।

সংস্কৃত বিভাগৰ মোৰ শ্ৰদ্ধাৰ দ্বিতীয়জন শিক্ষাগুৰু আছিল ড° অকণ চন্দ্ৰ শইকীয়া ছাৰ। দীৰ্ঘদেহী আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী ছাৰে আমাক সংস্কৃত ব্যাকৰণ, 'অভিজ্ঞানম শকুন্তলম্' 'বেণীসংহাৰম্', 'মুদ্ৰাৰাক্ষসম্', আদি নাটকৰ পাঠদান কৰিছিল। ছাৰে অতি স্পষ্ট উচ্চাৰণেৰে, সাৱলীলভাৱে দিয়া পাঠদান এতিয়াও মনত আছে। বেদৰ মন্ত্ৰ আৰু সংস্কৃত শ্লোকবোৰ কিতাপ নেমেলালৈকে মাতি গৈছিল। আমি কাব্যৰস আস্বাদন কৰি আনন্দিত হৈছিলো। ছাৰে পঢ়াই যোৱাৰ পাছত ভালদৰে মনোযোগ দিয়াসকলে পুনৰ সেই পাঠ নপঢ়িলেও হয়। ছাৰ এজন সু-অভিনেতা আছিল। ৰাতি নাটৰ বিভিন্ন চৰিত্ৰত

অভিনয় কৰিও পিছদিনা ৯.১৫ বজাৰ শ্ৰেণীত উপস্থিত আছিল। অৱশ্যে সকলো অধ্যাপকেই সময়নিষ্ঠ আৰু নিয়মানুবৰ্তি আছিল। ছাৰে বিভিন্ন অনুষ্ঠানলৈ বিভিন্ন বিষয়ৰ ওপৰত বিশেষকৈ শংকৰী সংস্কৃতি আৰু অসমৰ লোকসংস্কৃতিৰ ওপৰত ৰাইজৰ অনুৰোধত বক্তৃতা প্ৰদান কৰিবলৈ যায়। পঢ়া-শুনাৰ ক্ষেত্ৰত ছাৰে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহ দিয়ে। ছাৰে প্ৰায়ে কৈছিল— 'এতিয়া ভালদৰে পঢ়া-শুনা কৰি জীৱনটো আগবঢ়াই নিব লাগে। মাহী-পেহীৰ ঘৰলৈ গৈ থাকিব নালাগে।' আমি স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি থাকোতেও ছাৰে উৎসাহজনক বাক্যৰে আমালৈ চিঠি লিখিছিল। বিভিন্ন কাকত, আলোচনীত ছাৰে বহুত প্ৰৱন্ধ লিখিছে। মই সহকৰ্মী হৈ মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত থাকোতে ছাৰে যথেষ্ট সহায় কৰিছিল। ছাৰ বহুদিন শাৰীৰিক অসুস্থতাৰ বাবে অসমৰ বাহিৰত চিকিৎসা কৰিব লগা হৈছিল। তাৰ মাজতে 'The Rukmini Harana Legend in Sanskrit and Later Indian Literature' শীৰ্ষক বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী পাইছিল। কৰ্মজীৱনৰ মাজতে অসম সংস্কৃত বোৰ্ডৰ অধীনত টোলৰ পৰা পৰীক্ষা দি কাব্যশাস্ত্ৰী উপাধি লাভ কৰিছিল। ১৯৭২ চনৰ ১১ চেপ্তেম্বৰৰ পৰা ২০০২ চনৰ ৩১ মাৰ্চলৈক জাঁজী মহাবিদ্যালয়.ত অধ্যাপনা কৰি ২০০২ চনৰ ১ এপ্ৰিলৰ পৰা ২০০৬ চনলৈকে কাকজান মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিলে। বহুকেইখন মূল্যবান গ্ৰন্থ ৰচনা কৰি ছাৰে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে। তাৰ ভিতৰত 'শংকৰী ভক্তিবাদৰ দাৰ্শনিক তত্ত্ব', 'ভাওনা প্ৰদৰ্শন ঃ প্ৰতিযোগিতা ঃ মূল্যয়ন', 'ৰুক্মিনী হৰণ আখ্যান ঃ সংস্কৃত আৰু পৰৱৰ্তী ভাৰতীয় সাহিত্যৰ আলোকত দাৰ্শনিক, ঐতিহাসিক, ভৌগোলিক মূল্যায়ন', 'অসমীয়া সঁফুৰা', 'সাধুকথাৰ মৌ', 'ল'ৰালিৰ সোণোৱালী সাধু', 'পৌৰাণিক বাল্যগাঁথা' আদি শিশু সাহিত্য ছাৰে প্ৰকাশ কৰিছে। সাহিত্য, সমাজ, সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০২৩ বৰ্ষত 'টীয়ক গৌৰৱ বঁটা' আৰু ২০২৩ বৰ্ষতে ছাৰে অসম চৰকাৰৰ পৰা 'সাহিত্য বঁটা' আৰু 'সাহিত্যিক পেন্সন' লাভ কৰিছে। এনে এজন বৰেণ্য অধ্যাপকৰ শিক্ষা লাভ কৰি ছাত্ৰ-ছাত্ৰীসকল জীৱনত আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

আমি শিক্ষা লাভ কৰা সংস্কৃত বিভাগৰ তৃতীয়জন অধ্যাপক হ'ল প্ৰয়াত ড° প্ৰদীপ কুমাৰ গগৈ ছাৰ। ছাৰে আমাক সংস্কৃত ব্যাকৰণ আৰু 'কাদম্বৰী' হৰ্ষচৰিত গদ্যকাব্য পঢ়াইছিল। ছাৰ অতি অল্পভাষী আছিল। সোধা প্ৰশ্নকেইটাৰহে উত্তৰ দিছিল। ছাৰৰ মতে ব্যক্তিগত সুখ-দুখৰ কথাবোৰ আনক কৈ লাভ নাই। নিজৰ সমস্যা নিজেইহে সমাধান কৰিব লাগে।' ১৯৭৫ চনত ছাৰে সংস্কৃত বিভাগত নিযুক্ত হোৱাৰ সময়ত আমাৰ দুবছৰীয়া প্ৰাক স্নাতক পাঠ্যক্ৰমৰ বাচনি পৰীক্ষাৰ সময় হৈছিল। গতিকে আমি এটা কি দুটা ক্লাছহে পাইছিলো। অনাৰ্চ ক্লাচতহে আমি ছাৰৰ পাঠ্যগ্ৰহণ বিশেষভাৱে কৰিছিলো। মই মহাবিদ্যালয়ত নিযুক্তি পোৱাৰ পিছত ১৯৮৭ চনত ছাৰে 'THe Origin and Development of the Harischandra Legend' শীৰ্ষক বিষয়ত গৱেষণা কৰি সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ২০০৪ চনৰ পৰা বিভাগীয় মুৰব্বী হিচাপে আৰু কিছুদিন উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০০৭ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰা ছাৰৰো দেহান্তৰ প্ৰাপ্তি হয়।

মহাবিদ্যালয়ৰ শিক্ষা বিভাগত প্ৰাক্ স্নাতক শ্ৰেণীত মই শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত ৰজনী কান্ত গোস্বামী ছাৰ আৰু ড° সৰিতা ঠাকুৰ বাইদেউৰ পৰা শিক্ষা গ্ৰহণ কৰিছিলো। এজন সুদক্ষ অধ্যাপক, মৰমীয়াল, সহানুভূতিশীল শ্ৰদ্ধাৰ শ্ৰীযুত ৰজনীকান্ত গোস্বামী ছাৰে শিক্ষা মনোবিজ্ঞান পঢ়াইছিল। পাঠদান অতি মনোগ্ৰাহী আৰু উপাদেয় আছিল। অতি সহজ-সৰল আৰু সাৱলীলভাৱে ছাৰে পঢ়াইছিল। ছাত্ৰ-ছাত্ৰীৰ লগত ছাৰৰ সম্পৰ্ক বৰ মধুৰ আছিল। ছাৰৰ প্ৰেৰণাদায়ক কথাবোৰে আমাক জীৱনত আগবাঢ়ি যোৱাত সহায় কৰিছিল। সহকৰ্মী হৈ থাকোতে আনকি অৱসৰৰ পিছতো কিবা এটা লেখনি ছাৰক চাই দিবলৈ দিলে অতি আন্তৰিকতাৰে চাই উৎসাহিত কৰাৰ কথাটো মই সদায়ে সোঁৱৰো। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ ভিতৰত এজন শ্ৰীযুত গোস্বামী ছাৰে ১৯৬৫ চনত নিযুক্ত হৈ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৭ চনৰ ২১ ছেপ্তেম্বৰৰ পৰা ২০০২ চনৰ ৩০ নৱেম্বৰ তাৰিখে অৱসৰ গ্ৰহণ কৰাৰ সময়লৈকে মহাবিদ্যালয়ৰ অধ্যক্ষ (ভাৰপ্ৰাপ্ত) হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ছাৰে শিক্ষাবিষয়ক বিভিন্ন গ্ৰন্থ ৰচনাৰে শৈক্ষিক দিশত বিশেষ বৰঙণি আগবঢ়াইছে। সেইসমূহ গ্ৰন্থৰ ভিতৰত 'শিক্ষাদানৰ পদ্ধতি আৰু কৌশল', 'ভাৰতীয় শিক্ষাৰ নৱধাৰা', 'শিক্ষাৰ প্ৰযুক্তিবিদ্যা, মনোবৈজ্ঞানিক অভীক্ষা আৰু পৰিসংখ্যিকীয় অনুশীল', 'দহজন বৰেণ্য শিক্ষাবিদ', 'A few aspect of Educational Psychology' 'তুলনামূলক শিক্ষা', 'শিক্ষা মনোবিজ্ঞান আৰু শৈক্ষিক পৰিসংখ্যা', 'ভাৰতীয় শিক্ষাৰ বুৰঞ্জী', 'শৈক্ষিক ব্যৱস্থাপনা', 'সংক্ষিপ্ত কথা ৰামায়ণ', 'শৈক্ষিক চিন্তাৰ বুৰবুৰণি' আদি বহুতো আলোচনী আৰু স্মৃতিগ্ৰন্থত ছাৰৰ বহুত প্ৰবন্ধ প্ৰকাশিত হৈছে।

শিক্ষাবিভাগৰ অধ্যাপিকা ড° সৰিতা ঠাকুৰ বাইদেউৱে আমাক শিক্ষাৰ বুৰঞ্জী বিষয়ৰ ওপৰত পাঠদান কৰিছিল। মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকাসকলৰ ভিতৰত বাইদেউৱেই প্ৰথম ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। বিষয় আছিল— 'The construction and Standaedization of a Verbal group test of intelligence (in Assamese) for Class Group V to VIII'। ১৯৭৩ চনত মহাবিদ্যালয়ত নিযুক্ত হৈ শিক্ষাবিভাগৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি ২০০৪ চনত অৱসৰ গ্ৰহণ কৰে। বিভিন্ন আলোচনা চক্ৰ, বিভিন্ন বিষয়ৰ শৈক্ষিক প্ৰশিক্ষণ কাৰ্যসূচীত আলোচক, সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা বাইদেউৱে 'শিক্ষা মনোবিজ্ঞান আৰু শৈক্ষিক পৰিসংখ্যা', শিক্ষাতত্ব', 'ভাৰতৰ শিক্ষাৰ বুৰঞ্জী', 'অ আ শিকোঁ আহা' আদি গ্ৰন্থ ৰচনা আৰু প্ৰকাশ কৰি শৈক্ষিক জগতখনলৈ বৰঙণি আগবঢ়াইছে।

মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বুৰঞ্জী বিভাগৰ মুৰব্বী প্ৰয়াত তৰুণ চন্দ্ৰ বৰুৱা ছাৰৰ পৰা মই প্ৰাক্ স্নাতক দুবছৰীয়া পাঠ্যক্ৰমৰ আৰু দুবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ পাঠ গ্ৰহণ কৰিছিলোঁ। পাঠদান বৰ মনোগ্ৰাহী আছিল। পিন্ধন-উৰণত বৰ পৰিপাটী ছাৰ নিয়ম-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আপোচবিহীন আছিল। ছাৰক আমি N.C.C. বিষয়া হিচাপে জানিছিলো আৰু ছাৰৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লৈ ছাত্ৰই প্ৰশিক্ষণৰ প্ৰমাণ পত্ৰ লাভ কৰিছিল। ছাৰ এজন সুদক্ষ খেলুৱৈ আছিল। জাঁজী খেলপথাৰত ফুটবল খেলাত অংশ গ্ৰহণ কৰা দেখিছিলো। ছাত্ৰ-ছাত্ৰীসকলক খেলা-ধূলাত অংশ গ্ৰহণ কৰিবলৈ উদগণি দিছিল। ছাত্ৰ-ছাত্ৰী আৰু

অভিভাৱকৰ লগতো ছাৰৰ সম্পৰ্ক মধুৰ আছিল। বি.এ. পঢ়ি থাকোঁতে মই কিছুদিন স্থানীয় ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত শিক্ষয়িত্ৰী প্ৰয়াত আইদেউ গগৈৰ ঘৰত থাকি লৈছিলোঁ। মোৰ দেউতা এদিন মোৰ খবৰ ল'বলৈ কলেজ পালেহি। দেউতাক ছাৰে ছাৰৰ কোঠাটোত ছাৰৰ কাষতে থকা চকীখনত বহুৱাই থৈ মোৰ বিষয়ে ক'লে আৰু মোক চকীদাৰ পঠাই মাতি দিলে। মোৰ ভয় লাগিছিল। কিন্তু ছাৰে 'তোমাৰ খবৰ ল'বলৈ দেউতাৰা আহিছে নহয়' বুলি হাঁহি মাৰি মোক ইমান মৰমেৰে কথাষাৰ কৈছিল, সেই দৃশ্যটো মোৰ এতিয়াও চকুত ভাঁহি থাকে। এইজন শিক্ষাসদী, প্ৰকৃত শিক্ষক ছাৰে মাত্ৰ ৪৩ বছৰ বয়সতে ১৯৮০ চনৰ ২৩মে' তাৰিখে পৰলোকলৈ গতি কৰিলে।

বুৰঞ্জী বিষয়ৰ পাঠদান কৰা বুৰঞ্জীবিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰা প্ৰয়াত গুণ বৰুৱা ছাৰে আমাক অসম বুৰঞ্জীৰ পাঠদান কৰিছিল। সদায় হাস্যবদনে শ্ৰেণীকোঠাত খৰধৰকৈ সোমাই নিৰ্দিষ্ট পাঠ্যক্ৰম আৰম্ভ কৰাৰ আগতেই অন্যান্য বিষয়ৰ ওপৰত আলোচনা কৰাটো ছাৰৰ নিয়মত পৰিণত হৈছিল। শিক্ষকৰ জিৰণি কোঠাত ছাৰে সকলোকে অতি নম্ৰভাৱে সম্বোধন কৰি ঘৰুৱা কথাৰ অৱতাৰণা কৰি হহুঁৱাইছিল। তেখেত এজন সাংবাদিক আছিল। মোৰ দুজন সাংবাদিক মামা প্ৰয়াত বোধেন মহন্ত আৰু প্ৰয়াত গণেশ মহন্তৰ লগতে ছাৰৰ সুসম্পৰ্ক থকাৰ বাবে মোক ছাৰে যথেষ্ট মৰম কৰিছিল আৰু সহায় কৰিছিল। সহকৰ্মীসকলৰ বিপদ-আপদ অথবা সম্পদৰ সময়ত ছাৰ সদায় সমভাগী হৈ খবৰ-খাতি কৰিছিল। এজন সামাজিক ব্যক্তি আছিল। সংবাদ সেৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ বাবে ১৯৯৩ চনত 'কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী বঁটা'ও লাভ কৰিছিল। ২০০০ চনৰ ২৯ ফেব্ৰুৱাৰীত বুৰঞ্জী বিভাগৰ অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা ছাৰে ২০২০ চনৰ জুন মাহত পৰলোকলৈ গতি কৰিলে।

মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সৰুমতী বাইদেউৱে সমাজশাস্ত্ৰৰ ওপৰত অতি সাৱলীলভাৱে বক্তৃতা প্ৰদানেৰে আমাক আকৰ্ষিত কৰিছিল। ১৯৯০ চনৰ জানুৱাৰী মাহত বাইদেউৰ অকাল বিয়োগ হয়।

সমাজতত্ত্ব বিভাগৰ অধ্যাপক শ্ৰীযুত প্ৰভাত কুমাৰ বৰঠাকুৰ ছাৰক মই প্ৰাক্ স্নাতক শ্ৰেণীৰ দুটামান শ্ৰেণীতহে শিক্ষা আহৰণ কৰিবলৈ সুবিধা পাইছিলো। কিন্তু সহকৰ্মী হিচাপে ছাৰক প্ৰায় ২৩ বছৰ পালো। তেখেতৰ দিহা-পৰামৰ্শ লৈ কাম কৰি মই উপকৃত হৈছিলো। ২০১০ চনৰ ৩০ জুন তাৰিখে ছাৰে অৱসৰ গ্ৰহণ কৰিছিল। অৱসৰৰ পিছতো ছাৰে শৈক্ষিক, সামাজিক ক্ষেত্ৰৰ লগত বিশেষভাৱে জড়িত হৈ আছে।

শ্ৰেণীকক্ষত পাঠগ্ৰহণ কৰিবলৈ সুবিধা পোৱা এইসকল শিক্ষাগুৰুৰ উপৰিও প্ৰয়াত উমেশ চন্দ্ৰ ঠাকুৰ ছাৰ, প্ৰয়াত বদন কোঁৱৰ ছাৰ, প্ৰয়াত কীৰ্তি দত্ত ছাৰ, প্ৰয়াত হৰিনাৰায়ণ আগৰৱালা ছাৰ, বাণিজ্য বিভাগৰ প্ৰয়াত নুৰুল ইছলাম ছাৰ, শ্ৰীযুত চেনিৰাম বড়া ছাৰ, ড° অনিল কুমাৰ গগৈ ছাৰৰ সহায়-সহযোগিতা, জীৱনৰ অগ্ৰগতিত তেখেতসকলৰ দিহা-পৰামৰ্শৰ কথা মই সদায়েই সোঁৱৰো। শিক্ষকতাৰ উপৰিও বিভিন্ন দিশত তেখেতসকলৰ প্ৰতিজনেই দক্ষ। প্ৰত্যেকজনেই মহাবিদ্যালয়খনৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। প্ৰত্যেকেই সামাজিক ক্ষেত্ৰত নিজ নিজ কৰ্মৰে বিশেষভাৱে অৰিহণা আগবঢ়াইছে। মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাৰ

পাত্ৰ। জাঁজী মহাবিদ্যালয়ৰ ইতিহাসত প্ৰত্যেকজন শিক্ষক-শিক্ষয়িত্ৰীৰ নাম নিশ্চয় সোণালী আখৰেৰে জিলিকি থাকিব। এইসকল শিক্ষাগুৰুৰ পিছৰ পৰ্যায়ত যিসকল অধ্যাপক-অধ্যাপিকাই নতুনকৈ নিযুক্তি পাইছে, সেইসকলে নিশ্চয় মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ উত্তৰণত আত্মনিয়োগ কৰাৰ লগতে মহাবিদ্যালয়ৰ চৌপাশৰ সমাজখনৰ লগতো সম্পৰ্ক ৰক্ষা কৰি সমাজৰ হিতৰ বাবে কাম কৰি যাব। এগৰাকী প্ৰাক্তন ছাত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা হিচাপে তাকেই কামনা কৰিলো।

ঐতিহ্যমণ্ডিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল ষাঠি বছৰ সম্পূৰ্ণ কৰিলে। শিক্ষাৰ্থী জীৱনৰ চাৰিটাবছৰ আৰু সুদীৰ্ঘ ত্ৰিশ বছৰ কাল সহকৰ্মী হিচাপে উল্লিখিত শিক্ষাগুৰুসকলৰ সান্নিধ্যত থাকি তেখেতসকলৰ মৰম-স্নেহ, সহায়-সহযোগিতা আৰু আশীৰ্বাদেৰে পুষ্ট হৈ জীৱনটো কিছুদূৰ আগবঢ়াই লৈ যোৱাত সফল হ'লো। মোৰ অতি শ্ৰদ্ধাৰ ছাৰসকলৰ পুণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো আৰু জীৱিতসকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাই লেখাটি সামৰিলো।

❖❖❖

*লেখিকা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা*

# স্মৃতি-কোঠাত জাঁজী কলেজ আৰু প্ৰতিষ্ঠা কালৰ শিক্ষকসকল

**গোপাল বৰুৱা**

(১)

শিৱসাগৰ জিলাৰ অন্তৰ্গত জাঁজী, শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত কিছু আগবঢ়া। অঞ্চলটোৰ প্ৰায় প্ৰতিখন গাঁৱতে একোখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে। অবিভক্ত শিৱসাগৰ জিলাখনৰ ভিতৰত বৰ্ষীয়ান জাঁজী হাইস্কুল (বৰ্তমান জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়)। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে ১৯৪৮ চনত প্ৰতিষ্ঠিত জাঁজী উচ্চ ইংৰাজী বালিকা বিদ্যালয়। বৰ্তমান অৱশ্যে চৰকাৰী নীতি অনুযায়ী এই বালিকা বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ সৈতে একত্ৰীকৰণ কৰা হৈছে।

এই বালিকা বিদ্যালয়খনৰ পৰা নাতিদূৰৈত আমাৰ আলোচ্য জাঁজী কলেজ। এই জাঁজী কলেজৰ গাতে গা লগাই আছে জাঁজী নাট্য সমাজ কলা ভৱন, পূজা মন্দিৰ। নাতিদূৰৈত ফুলপানীছিগা ৰাস মন্দিৰ আৰু টকৌবাৰী সত্ৰ। ১৮৯৫ চনত নিৰ্মিত এই নাট্য সমাজ কলা ভৱনটিয়েই জাঁজীবাসীৰ সংস্কৃতিবান মনৰ পৰিচায়ক বুলি নিঃসন্দেহে ক'ব পাৰি।

১৯৫৮ চনত অনুষ্ঠিত জাঁজী হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱৰ মুকলি সভাত, শিক্ষাগুৰু প্ৰয়াত খগেশ্বৰ বৰঠাকুৰদেৱে জাঁজীত এখন কলেজ পতাৰ প্ৰস্তাৱ আগবঢ়াইছিল। সেই মধুৰ ক্ষণত লোৱা প্ৰস্তাৱক ১৯৬৪ চনত বাস্তৱলৈ ৰূপান্তৰ ঘটোৱা হয়।

১৯৬৪ চনত জাঁজীৰ ইতিহাসপ্ৰসিদ্ধ জামগুৰি চাপৰিত কলেজ পতা হ'ল। নাম ৰাখিলে জাঁজী কলেজ। (পৰৱৰ্তী সময়ত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বনামধন্য সংস্কৃতি পণ্ডিত যোগীৰাজ বসু ছাৰে এগছি বন্তি প্ৰজ্বলনেৰে জাঁজী কলেজৰ শুভাৰম্ভ কৰে।

প্ৰথমাৱস্থাত নাট্য সমাজ কলা ভৱন গৃহৰ লগতে, কাষৰীয়া বালিকা বিদ্যালয় গৃহত, পুৱাৰ ভাগত কলেজৰ পাঠদান আৰম্ভ কৰা হৈছিল। পিছলৈ বাঁহ-বেত আৰু টকৌ পাতৰ চাৰনিৰে সাধাৰণভাৱে নিৰ্মিত ঘৰ কেইটামানত কলেজৰ শ্ৰেণীসমূহ বহিছিল।

**অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰ ঃ**

প্ৰকৃতাৰ্থত এজন ঋষিতুল্য ব্যক্তি আছিল অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰ। কলেজ আৰম্ভ হোৱাৰ সময়ত অধ্যক্ষৰ দায়িত্বত থকা যোৰহাটৰ যদুনাথ শৰ্মা সিদ্ধান্ত ছাৰে কেইমাহমানৰ পিছত অব্যাহতি

লয়। সেই সময়ত যোৰহাট কলেজত অধ্যাপনা কৰি থকা শিৱনাথ শৰ্মা ছাৰক জাঁজী কলেজৰ পৰিচালনা সমিতিয়ে মাতি আনি কলেজখনৰ অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে।

অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰৰ ঘৰ আছিল কলেজৰ পৰা প্ৰায় দহ কিঃমিঃ মান দূৰৈৰ চেঁচা সত্ৰ গাঁৱত। ৰ'দ-বৰষুণ, বোকা-পানীক আওকাণ কৰি শৰ্মা ছাৰে দৈনিক চাইকেল চলাই ঘৰৰ পৰা কলেজলৈ অহা-যোৱা কৰিছিল। বাৰিষা বোকা বাট-পথত, আঁঠুলৈকে লংপেণ্ট কোচাই, চাইকেল ঠেলি ঠেলি সদায় সময় মতে কলেজত উপস্থিত হৈছিল। জানিব পৰা মতে অৱসৰৰ দুবছৰ মান আগতে ছাৰে বেংকৰ পৰা ঋণ লৈ এখন বাজাজ স্কুটাৰ কিনি লৈছিল।

ইংৰাজী আৰু অসমীয়া দুয়োটা বিষয়তে ছাৰ আছিল মাষ্টাৰ ডিগ্ৰী লোৱা ব্যক্তি। আমাৰ সময়ত কলেজখনত দুশ/আঢ়ৈশ মান ছাত্ৰ-ছাত্ৰী আছিল। পৰাপক্ষত ছাত্ৰ-ছাত্ৰীসকলে ছাৰৰ ক্লাছ ক্ষতি কৰিবলৈ মন কৰা নাছিল।

অতি দুৰ্দান্ত ছাত্ৰজনেও ছাৰক সমীহ কৰি চলিছিল। কলেজৰ সমুখৰ চাহৰ দোকানত, চেলুনত অথবা মুকলি খেলপথাৰখনত আড্ডা মাৰি থকা ছাত্ৰ-ছাত্ৰীক, গৰু-ছাগলী খেদাই অনাৰ দৰে আনি ছাৰে কলেজ চৌহদৰ ভিতৰত সোমোৱাই ৰাখিছিল।

এবাৰ আমি কেইটামানে ফিল্ডৰ মাজত বহি তাচপাত খেলি আছিলোঁ। তেনেতে মন কৰিলোঁ শৰ্মা ছাৰ আমাৰ ফালে আহি আছে। খৰধৰকৈ তাচ জাপ সামৰি কোনোবা এটাই তাচ জাপৰ ওপৰত বহি দিলে। আমি এনেয়ে কথা পাতি থকাৰ ভাও ধৰিলোঁ। কিন্তু ছাৰ আহি দেখোন আমাৰ কাষতে বৈ দিলে। উপায় নাই। আমি ঠিয় হৈ দিলোঁ। লুকুৱাই ৰখা তাচপাতখিনি ওলাই পৰিল। ছাৰে মুখেৰে একো নেমাতি আমাৰ ওচৰৰ পৰা আঁতৰি গ'ল। সেইদিনাৰ পৰা আমিও তাচ খেলা বাদ দিলোঁ।

মই তেতিয়া ডিগ্ৰী চূড়ান্ত বৰ্ষৰ ছাত্ৰ। কলেজীয়া ছাত্ৰ হিচাপে শেষ বাৰৰ কাৰণে উলহ-মালহেৰে কলেজ সপ্তাহৰ আয়োজন কৰিছোঁ। কোনো দিনে কলেজ সপ্তাহৰ নিশাৰ কাৰ্যসূচীত উপস্থিত নথকা শৰ্মা ছাৰৰ কিনো মন গ'ল সেইবাৰ শেষৰ দিনা নিশা কাৰ্যসূচীত উপস্থিত থাকিল। পিছে কি হ'ব, অনুষ্ঠান শেষ হোৱাৰ আগতেই নিশা আঠ মান বজাত ছাৰে তেখেতক ঘৰত থৈ আহিবলৈ মোক নিৰ্দেশ দিলে। মই সৰগ পৰা মানুহৰ দৰে ঠাইতে ঠিয় হৈ হ'ব ছাৰ বুলি ক'লোঁ।

লগত আৰু দুজন লৈ ছাৰৰ পিছে পিছে চাইকেল মাৰি দহ কিঃমিঃ দূৰৈৰ শৰ্মা ছাৰৰ ঘৰৰ পদূলি মুখত নিৰাপদে থৈ আহিলোঁ।

ঘূৰি আহি কলেজ পাই দেখিলোঁ অনুষ্ঠান সামৰি সকলো ঘৰাঘৰি গ'লগৈ।

মই নক'লেও হ'ব যে শৰ্মা ছাৰ এজন সুবক্তা আছিল। যিকোনো এখন সভাত, যিকোনো বিষয়ৰ ওপৰত দিয়া বক্তৃতাই শ্ৰোতাক মুগ্ধ কৰি ৰাখিছিল।

১৯৯৩-৯৪ চনত অৱসৰ গ্ৰহণ কৰা অধ্যক্ষ শৰ্মা ছাৰক বিদায় দিবলৈ পাই ছাত্ৰসকলৰ লগতে সন্মানীয় ৰাইজ দুখত ভাগি পৰিছিল।

অৱসৰৰ পিছতো তিতাবৰ বৰহোলাৰ কোনোবা এখন কলেজত পাঠদান কৰিছিল। শেষৰ ফালে তামুলীছিগাৰ ঘনকান্ত বৰা কলেজতো অবৈতনিকভাৱে শিক্ষাদান কৰিছিল।

এটা সময়ত বাৰ্দ্ধক্যজনিত কাৰণত, চলা-

ফুৰাত অসুবিধা হোৱাত অধ্যক্ষ শৰ্মা ছাৰ, তেখেতৰ সহধৰ্মিণী বাইদেউসহ নিজৰ জন্ম গাঁও চেঁচা সত্ৰ এৰি মাকুম অঞ্চলৰ চাহ বাগিচাত কৰ্মৰত পুত্ৰৰ লগত থাকিবলৈ বুলি গ'লগৈ। সেই সময়তে ছাৰ এক কঠিন ৰোগত আক্ৰান্ত হয়।

এদিন প্ৰাক্তন ছাত্ৰ তথা কলেজখনৰ সহঃঅধ্যাপক জ্যোতিপ্ৰসাদ গগৈক লগত লৈ, নিজে গাড়ী চলাই গৈ মাকুমৰ ঘৰখনত অসুস্থ শৰ্মা ছাৰক দেখা কৰি এভাগি গুৱাপাণ আগবঢ়াই ছাৰক সেৱা জনাই আহিলোঁ।

এদিন খবৰ আহিল ডিগবৈৰ পাৰৈ চাহ বাগিচাত কৰ্মৰত ছাৰৰ আন এজন পুত্ৰৰ বাসগৃহত অধ্যক্ষ শৰ্মা ছাৰে অন্তিম নিশ্বাস ত্যাগ কৰিলে। খন্তেকতে দুঃখবৰটো জাঁজী অঞ্চলত বিয়পি পৰিল।

ডিগবৈৰ পৰা ছাৰৰ নশ্বৰ দেহ কঢ়িয়াই অনা গাড়ী আহি সন্ধিয়া পৰত কলেজ চৌহদ পালেহি। কলেজৰ শিক্ষক মণ্ডলী, ছাত্ৰ, প্ৰাক্তন ছাত্ৰ, গুণমুগ্ধ ৰাইজৰ লগতে বিভিন্ন অঞ্চলৰ পৰা অহা ব্যক্তি তথা সংগঠনে অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰলৈ শেষ শ্ৰদ্ধাঞ্জলি আগবঢ়ালে।

জন্ম গাঁও চেঁচা সত্ৰত শৰ্মা ছাৰৰ শেষকৃত্য সম্পন্ন কৰা হ'ল। ইয়াৰ লগে লগে জাঁজী কলেজ হিচাপে প্ৰতিষ্ঠিত, বৰ্তমানৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ভেটি সুদৃঢ় কৰা অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰৰ নশ্বৰ দেহ পঞ্চভূতত বিলীন হৈ গ'ল।

(২)

আমাৰ জাঁজী কলেজ চৌহদত পূৰ্বৰে পৰা এটা ফিছাৰি আছিল। ফিছাৰিটোৰ আশে-পাশে, বাঁহ-বেত আৰু টকৌ পাতৰ চাৰিনিৰে, চাৰিটাকৈ ঘৰ নিৰ্মাণ কৰা হৈছিল। ইয়াৰে এটা ঘৰক কাৰ্যালয় গৃহ হিচাপে ব্যৱহাৰ কৰা হৈছিল। বাকী তিনিওটা ঘৰ ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণীকোঠা হিচাপে ব্যৱহাৰ কৰা হৈছিল।

ফিছাৰিটোৰ পাৰত, নিজান ঠাইখণ্ডত সাধাৰণভাৱে নিৰ্মিত ঘৰ কেইটাৰে সৈতে কলেজখনক কোনোবা ঋষি-মুনিৰ আশ্ৰম যেন লাগিছিল।

দুই-তিনি বছৰ মানৰ পিছত প্ৰথমবাৰৰ কাৰণে কলেজ চৌহদত এটা আৰ.চি.চি. পকীঘৰ নিৰ্মাণ কৰা হৈছিল। দুকোঠলীয়া ঘৰটোৰ এটাত শ্ৰেণীকোঠা আৰু আনটোক এন.চি.চি.ৰ কাৰ্যালয় আৰু গ্ৰন্থাগাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল।

একে সময়তে কলেজৰ পৰা এশ মিটাৰ মান নিলগত, একেই বাঁহ-বেতেৰে ছাত্ৰী নিবাস আৰু খেলপথাৰ খনৰ এটা প্ৰান্তত ছাত্ৰাবাস নিৰ্মাণ কৰি দিয়া হৈছিল।

**উপাধ্যক্ষ তৰুণ চন্দ্ৰ বৰুৱা ছাৰ ঃ**

তৰুণ চন্দ্ৰ বৰুৱা ছাৰৰ ঘৰ আছিল যোৰহাট নগৰৰ জেইল ৰোডত। কলেজখনৰ আৰম্ভণিতে যি সকল মুষ্টিমেয় শিক্ষকে যোগদান কৰিছিল সেইসকলৰ ভিতৰত তৰুণ চন্দ্ৰ বৰুৱা ছাৰ অন্যতম জ্যেষ্ঠ আছিল।

প্ৰথমাৱস্থাত বৰুৱা ছাৰ প্ৰমুখ্যে তেখেতৰ বহুকেইজন সহকৰ্মী, ফুলপানীছিগা বোৱা-কটা সমবায় সমিতিৰ বাসগৃহত থাকি কলেজলৈ অহা-যোৱা কৰিছিল। পিছলৈ কলেজৰ সমীপতে থকা এটা দুকোঠলীয়া ভাড়াঘৰত ছাৰ অকলশৰে থাকি লৈছিল। এনেকৈয়ে কেই বছৰমান থকাৰ পিছত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত জামুগুৰিত, মাটি কিনি নিজাকৈ সাধাৰণ ঘৰ এটি বনাই সপৰিয়ালে বসবাস কৰিছিল।

বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক বৰুৱা ছাৰে সময়ত কলেজখনৰ উপাধ্যক্ষৰ দায়িত্ব লৈ

প্ৰশাসনিক দিশত চোকা দৃষ্টি ৰাখিছিল।

উপাধ্যক্ষ তৰুণ চন্দ্ৰ বৰুৱা ছাৰ কলেজখনৰ এন.চি.চি. গ্ৰুপৰ অফিচাৰ-কেপ্টেইন আছিল। মই আছিলোঁ চাৰ্জেণ্ট মেজৰ। সেই সূত্ৰে ছাৰৰ সৈতে মোৰ ঘনিষ্ঠতা অলপ বেছি আছিল। তদুপৰি বুৰঞ্জীৰ ছাত্ৰ হিচাপে শ্ৰেণীকোঠাত মুখামুখি হোৱাৰ লগতে খেলপথাৰতো এজন খেলুৱৈ হিচাপে ছাৰৰ সান্নিধ্য লাভ কৰিছিলোঁ।

তৰুণ চন্দ্ৰ বৰুৱা ছাৰ এজন উচ্চমানৰ ফুটবল খেলুৱৈ আছিল। ছাত্ৰাৱস্থাত আন্তঃবিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতাত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰিছিল। জাঁজী কলেজত শিক্ষকতা কৰি থকাৰ সময়ত বৰুৱা ছাৰে কলেজ দলৰ হৈও দুই এখন খেল খেলিছিল। দৰ্শকৰ মনোৰঞ্জনাৰ্থে স্থানীয়ভাৱে আয়োজন কৰা প্ৰদৰ্শনীমূলক খেলতো অংশগ্ৰহণ কৰিছিল।

একেদৰে বৰুৱা ছাৰ এজন ভাল ভলীবল খেলুৱৈ হিচাপেও জনপ্ৰিয় আছিল। কলেজ ছুটিৰ পিছত আমি ছাত্ৰ-শিক্ষক, স্থানীয় খেলুৱৈসকলে মিলি-জুলি কলেজৰ ভলীবল কৰ্টত সদায়ে ভলীবল খেলিছিলোঁ।

একেদৰেই বৰুৱা ছাৰ আছিল এজন সুদক্ষ ক্ৰিকেট খেলুৱৈ। ছাৰৰ উদ্যোগতে জাঁজী অঞ্চলত, জাঁজী হাইস্কুল খেলপথাৰত প্ৰথমবাৰৰ বাবে ক্ৰিকেট খেলৰ আয়োজন কৰা হৈছিল। সেইফালৰ পৰা বৰুৱা ছাৰক জাঁজী অঞ্চলত ক্ৰিকেটৰ জন্মদাতা বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহ'ব।

উল্লেখ কৰি ভাল পাম যে এন.চি.চি. অফিচাৰ বৰুৱা ছাৰৰ নেতৃত্বত, কেডেটসকলে হাতে হাতে কোৰ-কটাৰী লৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা খেলপথাৰৰ কাষেৰে কলেজলৈ যোৱা প্ৰায় এশ মিটাৰ দৈৰ্ঘৰ পথছোৱা নিৰ্মাণ কৰি উলিয়াইছিল।

৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত, কলেজৰ প্ৰায় সমুখত এখন সৰু পাণ-তামোলৰ দোকান আছিল। দোকানখনৰ গৰাকী আৰু বিক্ৰেতা আছিল প্ৰয়াত অকণ বৰুৱা। অকণদাৰ সেই দোকানখনত তামোল-পাণ (জৰ্দাপাণৰ প্ৰচলন নাছিল), পেৰিছ আৰু লেক্ট বুনবুন মৰ্টনৰ টেমা দুটামান, বিস্কুটৰ পেকেট কেইটামান আৰু গাজী-মগুৰ লগতে কেঁচা বুটৰ খৰাহী দুটাই আছিল প্ৰধান সমল। চুৰট আৰু খৈনি খোৱা চাদা ধপাতৰ পেকেটৰ সৈতে অকণদাৰ লেনদেন নাছিল।

খেলা-ধূলা সামৰি আমি কেইটামানে অকণদাৰ দোকানৰ কাষত থকা বাঁহৰ বেঞ্চ দুখনত বহি বুট-মগু, তামোল-পাণ খাই সন্ধিয়ালৈকে আড্ডা মাৰোঁ।

ছ-ফুটতকৈ অধিক উচ্চতাৰ, দেখনিয়াৰ বৰুৱা ছাৰ সপত্নীক তৰু বাইদেউৰ সৈতে সাজি-কাচি আহি, হাঁহি মাতি আমাৰ আড্ডাত একপ্ৰকাৰ নিয়মীয়াকৈ যোগ দিছিল। লগত থাকে তেখেতসকলৰ চাৰি-পাঁচ বছৰ বয়সীয়া সন্তান দুটি। সাধাৰণতে আমাৰ আড্ডাৰ বিষয়বস্তুত থাকে মুখৰোচক ঘটনা-পৰিঘটনা আৰু মাৰ্জিত ৰগৰৰ পৰা আৰম্ভ কৰি পাঠ্যপুথিৰ বিষয়লৈকে। এইখিনিতে উল্লেখ কৰি ভাল পাম যে যোৱা বছৰটোৰ আগষ্ট মাহত, আমাৰ শ্ৰদ্ধাৰ তৰু বাইদেউক নাজিৰা চহৰৰ বাসগৃহত দেখা কৰি আহিছিলোঁ।

কলেজৰ উপাধ্যক্ষ পদ গ্ৰহণ কৰাৰ পিছত কলেজখনৰ উন্নয়নৰ উদ্দেশ্যে এক বিশেষ আঁচনি গ্ৰহণ কৰা হৈছিল। সেই সময়ত কলেজৰ

পুঁজি গঠনৰ উদ্দেশ্যে এখন লটাৰী খেলৰ আয়োজন কৰা হৈছিল। বৰুৱা ছাৰৰ কান্ধত লটাৰী কমিটিখনৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছিল।

আনহাতে সেই সময়ত শিক্ষক গোটৰ সম্পাদকৰ দায়িত্বত আছিল অধ্যাপক শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা ছাৰ। সেই সূত্ৰে লটাৰী কমিটিখনৰো সম্পাদকৰ দায়িত্ব ভৱানী বৰুৱা ছাৰৰ ওপৰতে পৰিল। জানিবলৈ পোৱা মতে লটাৰীখনৰ টিকটৰ মূল্য প্ৰথমাৱস্থাত ৫০/- টকা নিৰ্দ্ধাৰণ কৰা হৈছিল যদিও পিছলৈ সভাই ২/- টকা নিৰ্দ্ধাৰণ কৰিলে। ফলস্বৰূপে সেই সময়ত এখন 'মাৰুটি' গাড়ী পুৰস্কাৰ হিচাপে আগবঢ়োৱাৰ সিদ্ধান্ত লোৱাৰ পিছত, দুটকীয়া দৰত প্ৰয়োজনীয় পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত সভাপতি/সম্পাদকে অপৰিসীম কষ্ট কৰিবলগীয়া হৈছিল। কিয়নো যি সময়ত কোনো কোনোৱে এশ টকীয়া টিকটৰ মূল্যৰে এম্বেচেডৰ গাড়ী খেলাইছিল সেই সময়ত দুটকীয়া মূল্যৰ টিকট বিক্ৰী কৰি এখন মাৰুতি গাড়ী খেলাবৰ বাবে আয়োজকে কিমান বেছি কষ্ট কৰিবলগীয়া হৈছিল সেয়া সহজেই অনুমেয়।

ঈশ্বৰৰ ইচ্ছা, খেলৰ বিজেতাজনে নিজৰ টিকটটো হেৰুৱাওৱাৰ ফলত বিজিত পুৰস্কাৰটো ল'ব নোৱাৰিলে। বিনিময়ত কলেজ কৰ্তৃপক্ষৰ হাতত এটা শকত অঙ্কৰ ধন জমা হৈ ৰ'ল।

আমি কলেজীয়া শিক্ষা সামৰাৰ কেইটামান বছৰৰ পিছত এদিন খবৰ পালো বৰুৱা ছাৰ অসুস্থ আৰু যোৰহাট মিছন হস্পিতালত চিকিৎসাধীন হৈ আছে। খবৰ পাই বৰুৱা ছাৰৰ সহকৰ্মী মোৰ ককাইদেউক মোৰ য়েজদি বাইকৰ পিছত বহুৱাই দুয়ো যোৰহাটৰ হস্পিতাল পালোগৈ। আগদিনা অস্ত্ৰোপচাৰ হৈ যোৱা বৰুৱা ছাৰ সজ্ঞানে বিচনাত চটফটাই পৰি আছে। খবৰ কৰি গম পালো যে বৰুৱা ছাৰ দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈছে। এটা সময়ত বৰুৱা ছাৰৰ পৰা বিদায় লৈ ঘৰমুৱা হ'লো।

এসপ্তাহমানৰ পিছত খবৰ পালো - বৰুৱা ছাৰে চিৰদিনৰ কাৰণে বিদায় ল'লে।

এদিন কলেজখনৰ শিক্ষক গোট সভা বহিল। সভাত সম্পাদকৰ প্ৰস্তাৱ অনুযায়ী তৰুণ বৰুৱা ছাৰৰ স্মৃতিত সৰ্বসন্মতিক্ৰমে এটা ৰঙ্গমঞ্চ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হ'ল। সময়ত আহল-বহলকৈ ৰঙ্গমঞ্চটো নিৰ্মাণ কৰা হ'ল আৰু 'তৰুণ চন্দ্ৰ বৰুৱা মঞ্চ' নামেৰে নামকৰণ কৰি আমাৰ সকলোৰে শ্ৰদ্ধাৰ উপাধ্যক্ষ তৰুণ বৰুৱা ছাৰৰ নামত উৎসৰ্গা কৰা হ'ল। অৱশ্যে লগত থকা প্ৰেক্ষাগৃহটো পৰৱৰ্তী সময়ত সাংসদ বিজয়কৃষ্ণ সন্দিকৈদেৱৰ সাংসদ পুঁজিৰ ধনেৰে নিৰ্মাণ কৰা হয়।

(৩)

২০১৩ চনৰ ১৩ আগষ্ট তাৰিখ দিনা জামুগুৰিত থকা নিজৰ বাসগৃহত চিত্ৰলতা ফুকন বাইদেউৰ মৃত্যু হৈছিল।

মনত পৰিছে বাইদেউৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি জাঁজীবাসী ৰাইজে আহল-বহল পৰিৱেশত ৰাজহুৱাকৈ শ্ৰদ্ধা নিবেদন কৰিছিল। আয়োজক সমিতিৰ সভাপতিৰ দায়িত্বত আছিলোঁ এই অভাজন। উল্লেখ্য যে সংগৃহীত ধনৰ ৰাহি হোৱা ধনখিনিৰে চিত্ৰলতা ফুকন বাইদেউৰ নামত কলেজত এটা ন্যাস গঠন কৰা হৈছিল।

এইগৰাকী চিত্ৰলতা ফুকন বাইদেউ আছিল তেতিয়াৰ জাঁজী কলেজৰ অন্যতম জ্যেষ্ঠ অধ্যাপিকা। কলেজখনৰ আৰম্ভণিতে অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰা বাইদেউৱে

উপাধ্যক্ষা হিচাপে অৱসৰ গ্ৰহণ কৰিছিল।

অসম সাহিত্য সভাৰ বাসন্তী বৰদলৈ, প্ৰবীণা শইকীয়া বঁটাৰ উপৰি মূলাগাভৰু বঁটা লাভ কৰা বাইদেউ এগৰাকী সুসাহিত্যিক আছিল বুলি মই নিশ্চয় নতুনকৈ পৰিচয় কৰাই নিদিলেও হ'ব।

অৱসৰ গ্ৰহণৰ পিছত, কলেজত বাইদেউক ৰাজহুৱাভাৱে জনোৱা বিদায় সম্বৰ্দ্ধনা সভাত মোৰ অনুভৱ এনেকৈ প্ৰকাশ কৰিছিলো —

এপিটাফ জীৱন্ত সমাধিত
জালুকবাৰীৰ কৃষ্ণচূড়াৰ কৃচ্ছসাধ্য ৰঙীণ বীজ,
সযতনে তুলি আনি
সিঁচি দিলে —
জামুগুৰি চাপৰিৰ
চনপৰা, পলসুৱা, উৰ্বৰা মাটিত।
অংকুৰিত হ'ল অনেক ৰঙামুৱাৰ ৰঙীণ মুখ,
অংকুৰিত হ'ল 'মণিকাঞ্চন প্ৰকাশ'।

চিত্ৰলতা ফুকন বাইদেউ,
মোৰ দৰে বহুতৰ বাবে
চিত্ৰা বাইদেউ ...
মৰমৰ বাইদেউ ....
যাৰ জীৱন চিত্ৰ
শিল্পীৰ তুলিকাত
ৰৈ গ'ল আধা অঁকা হৈ।
মুগা সাজৰ
খমখমীয়া চিনাকি সুৰধ্বনি
অচিনাকি হৈ পৰি ৰ'ল
জঁপাৰ মাজত
একেটি ভাঁজত।

আজি নীড়মুখী বাইদেউৰ
নীৰৱ পঁজাত
মোৰ ই প্ৰলাপ
এপিটাফ হৈ ৰ'ব
বাইদেউৰ 'জীৱন্ত সমাধিত'।

(৪)

১৯৭১ চনত আমি প্ৰি.ডিগ্ৰীৰ ফাইনেল পৰীক্ষাত বহিছিলোঁ। নিৰ্দিষ্ট তাৰিখত পৰীক্ষা দিবলৈ গৈ কলেজ চৌহদত সোমালো।

কলেজত সোমাই গম পালো যে সেইবাৰ কোনো এক বিশেষ কাৰণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা বৰ্জনৰ আহ্বান জনাই আন্দোলনৰ এক কাৰ্যসূচী গ্ৰহণ কৰিছে। আমাৰ কলেজৰ পৰীক্ষাৰ্থীসকলৰ মাজত আলোচনা মৰ্মে পৰীক্ষাত বহাৰ সিদ্ধান্ত লোৱা হ'ল। অৱশ্যে দহ বাৰ গৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে আন্দোলনৰ সমৰ্থনত পৰীক্ষাত নবহিল।

আমি যথাসময়ত পৰীক্ষা হলত সোমাই নিজৰ নিজৰ আসনত বহিলোগৈ। একমাত্ৰ নিৰীক্ষকজন আছিল কৰুণা শৰ্মা ছাৰ। ছাৰে প্ৰশ্নকাকত আৰু উত্তৰ বহীসমূহ বিতৰণ কৰাৰ পিছত আমি নিজৰ কামত ব্যস্ত হৈ পৰিলো।

আধাঘণ্টামানৰ পিছতে কলেজৰ গেটৰ সমুখত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। শিৱসাগৰ কলেজৰ পৰা কেইবাখনো ট্ৰাকত অহা ছাত্ৰ-ছাত্ৰীয়ে গেটৰ সমুখত ধৰ্ণা দিলে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নিৰীক্ষক শৰ্মা ছাৰে ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বহী বিলাক সংগ্ৰহ কৰি ল'লে। তেনেতে আন্দোলনকাৰী ছাত্ৰ কেইজনমান কোঠালৈ বলপূৰ্বক সোমাই আহি ছাৰৰ হাতৰ পৰা কেইবাখনো বহী জোৰ কৰি লৈ গ'ল।

খবৰ পাই ওচৰৰ গাঁৱৰ পৰা অভিভাৱক আৰু কলেজৰ শুভাকাংক্ষীসকলৰ একাংশই হাতত লাঠি লৈ কলেজলৈ আহিল। তাকে দেখি

আন্দোলনকাৰীসকল ছাত্ৰভংগ দিলে।

আন্দোলনৰ সমৰ্থনত পৰীক্ষা দিয়াৰ পৰা বিৰত থকা সকলৰ বাবে বিশ্ববিদ্যালয়ে বিশেষভাৱে পৰীক্ষা পাতিলে।

এই যে কৰুণা শৰ্মা ছাৰ, তেখেত মোৰ দৃষ্টিত অতি দুৰ্ভগীয়া। ছাৰ আছিল ইংৰাজী আৰু পলিটিকেল চায়েন্স এই দুয়োটা বিষয়ত এম.এ. পাছ। আমাক ইংৰাজী বিষয়ত পাঠদান কৰিছিল।

শৰ্মা ছাৰে আমাক 'আপুনি' বুলি কৈছিল। এদিন আমি ছাৰক কৈছিলোঁ যে, আমি যিহেতুকে আপোনাৰ ছাত্ৰ, আমাক আপুনি বুলি ক'লে বেয়া পাওঁ। প্ৰত্যুত্তৰত ছাৰে কৈছিল, 'আপোনালোক এতিয়া কলেজ ষ্টুডেন্ট। একো একোজন ভদ্ৰলোক। গতিকে আপোনালোকক ক্লাছৰ ভিতৰত ভদ্ৰলোকৰ দৰে ব্যৱহাৰ কৰিব লাগিব।'

আমি কলেজ এৰাৰ পিছত শৰ্মা ছাৰে জাঁজী কলেজৰ পৰা অব্যাহতি লৈ লক্ষীমপুৰৰ এল.টি.কে. আজাদ কলেজত অধ্যক্ষৰ দায়িত্ব লৈ যোগদান কৰিলেগৈ। কলেজখন তেতিয়ালৈকে প্ৰাদেশীকৰণ হোৱা নাছিল। বহু চেষ্টা কৰাৰ পিছতো কৰ্তৃপক্ষই মাত্ৰ হ'ব হ'ব বুলি আশ্বাসহে দি আছিল। এনে সময়তে ছাৰ দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ সৈতে যুঁজি যুঁজি শেষত হাৰ মানিলে। কিন্তু কি জানে মৃত্যুৰ কেইদিনমানৰ আগতে ছাৰে খবৰ পালে যে তেখেতৰ হেঁপাহৰ কলেজখন প্ৰাদেশীকৰণৰ তালিকাভুক্ত হৈছে।

(৫)

আমি হাইস্কুলৰ ছাত্ৰাৱাসৰ পৰাই জাঁজী কলেজত, কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত নিশাৰ অনুষ্ঠান বিলাকত দৰ্শক হিচাপে উপস্থিত থাকি উপভোগ কৰিছিলোঁ। সেই সময়ত নিশাৰ অনুষ্ঠান বিলাকত কলেজৰ ছাত্ৰ-ছাত্ৰীতকৈ স্থানীয় ৰাইজৰ উপস্থিতিহে অধিক আছিল বুলি ক'ব পাৰি। স্থানীয় ৰাইজৰ সহযোগত অতি সুন্দৰভাৱে শৃংখলা অটুত ৰাখি কলেজ সপ্তাহৰ নিশাৰ অনুষ্ঠান বিলাকৰ সফল সমাপ্তি ঘটিছিল। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ এই অনুষ্ঠানত, শিক্ষক-শিক্ষয়িত্ৰীসকলেও মঞ্চত উঠি অনুষ্ঠান পৰিবেশন কৰিছিল।

পিছলৈ নিজে কলেজখনৰ ছাত্ৰ হিচাপে কলেজ সপ্তাহ আয়োজন কৰাৰ লগতে খেল-ধেমালি আৰু নাট্যাভিনয়ত অংশগ্ৰহণ কৰিছিলোঁ।

প্ৰথমাৱস্থাত কলেজ চৌহদৰ মুকলি ঠাইখিনিত অস্থায়ী ৰভা আৰু মঞ্চ সাজি অনুষ্ঠান পৰিৱেশন কৰা হৈছিল। পিছলৈ সম্ভৱতঃ অৰ্থনৈতিক কাৰণতে কলেজখনৰ নিচেই কাষতে থকা নাট্য সমাজ কলা ভৱন গৃহত কলেজ সপ্তাহৰ কাৰ্যসূচীসমূহ ৰূপায়ণ কৰা হৈছিল।

আমি তেতিয়া টি.ডি.চি. চূড়ান্ত বৰ্ষৰ ছাত্ৰ। কলেজখনৰ কেউটা ক্লাছৰে একুৰি মান ছাত্ৰক লৈ আমাৰ এটা গ্ৰুপ আছিল। গ্ৰুপটোত এজনো ছাত্ৰ একতা সভাৰ সদস্য নাছিল। উল্লেখ কৰি ভাল পাম যে প্ৰাক্তন মন্ত্ৰী ললিচ চন্দ্ৰ ৰাজখোৱা, সেই সময়ত আমাৰ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল।

আমাৰ গ্ৰুপটোৱে একতা সভাৰ কোনো এজন সদস্যক লগত নোলোৱাকৈ নিজৰ মাজত আলোচনা কৰি কলেজ চৌহদৰ ভিতৰত ৰভা সাজি কলেজ সপ্তাহ পতাৰ সিদ্ধান্ত ল'লোঁ।

পিছে আমি ঠিক কৰিলেই নহ'ব নহয়। কৰ্তৃপক্ষই অনুমতি দিব লাগিব। এতিয়া চিন্তা হ'ল মেকুৰীৰ ডিঙিত টিলিঙা পিন্ধাব কোনে? মানে 'বৰবোপাক' (অধ্যক্ষ শৰ্মা ছাৰক আমি গ্ৰুপৰ

কেইটাই বৰবোপা বুলি কৈছিলো) আমাৰ মনৰ কথা কৈ অনুমতি কোনে আনি দিব।

ইটোৱে সিটোক পঠাই, সিটোৱে ইটোক পঠাই। কোনো যাবলৈ সাহস নকৰে। শেষত যেতিবা মোৰ লগত আৰু তিনিজনক (আমি একে ক্লাছৰে) গ্ৰুপে হেঁচি-ঠেলি ছাৰৰ কোঠাত সোমোৱাই দিলে।

ছাৰৰ চকুলৈ নোচোৱাকৈ সেপ ঢুকি ক'লোঁ, 'ছাৰ এইবাৰ আমি কলেজ সপ্তাহ শেষ বাৰৰ কাৰণে পাতিম। গতিকে ছাৰ, কলেজ চৌহদৰ ভিতৰত ৰভা আৰু মঞ্চ সাজি কলেজ-সপ্তাহ পাতিবৰ কাৰণে আপোনাৰ ওচৰলৈ অনুমতি বিচাৰি আহিছোঁ।'

ছাৰে আমাৰ ফালে চাই খন্তেক ৰৈ ক'লে, 'কালিলৈ পৰা কলেজ সপ্তাহ আৰম্ভ হ'ব। আজিৰ ভিতৰত ৰভা আৰু মঞ্চ সাজি উলিয়াব পাৰিবা জানোঁ?'

আমি আটায়ে একমুখে পাৰিম বুলি কোৱাত ছাৰে 'ঠিক আছে তেন্তে, তোমালোকে কাম ধৰাগৈ' বুলি কৈ আমাক বিদায় দিলে।

আমি যুদ্ধ জয় কৰি অহা সৈনিকৰ দৰে বীৰদৰ্পে গ্ৰুপত কথাটো কৈছোহে মাত্ৰ, তেনেতে চতুৰ্থবৰ্গৰ কৰ্মচাৰী ভাস্কৰ ককাই আহি মোৰ ফালে চাই ক'লে যে মোক বোলে প্ৰিন্সিপাল ছাৰে মাতিছে।

অ' এইবাৰ আকৌ বৰবোপায়ে কিয় বা মাতিলে। লগ এটা বিচাৰিলো, কোনো নেযায়। মৰণত শৰণ দি অকলেই গৈ ছাৰৰ ৰূমত সোমালোঁ। ছাৰে জেপৰ পৰা দহ টকাৰ নোট এখন উলিয়াই মোৰ হাতত তুলি দি ক'লে, 'এইটো লোৱা, তোমালোকক ইনিচিয়েল খৰছ পাতিৰ কাৰণে দিছো।'

ছাৰৰ ৰূমৰ পৰা ওলাই আহি, মোৰ বাবে ৰৈ থকা কেইটাক ছাৰে দি পঠিওৱা দহ টকীয়া নোটখন দেখুৱাই ক'লোঁ যে এইটো বৰবোপায়ে 'ইনিচিয়েল' খৰছৰ বাবে দি পঠিয়াইছে। কোনোবা এটাই পইচাটো ঠপিয়াই লৈ নিজৰ জেপত ভৰাই থলে।

নকুল শইকীয়াই (ইতিমেধ্য ঢুকাইছে) নিজৰ দায়িত্বত আমগুৰিৰ পৰা পঁচিশ বান্দোল টিনপাত লৈ আনিম বুলি কথা দিলে। চৰকাৰী টিনপাত। ভাড়া ভৰিব নেলাগে। মাত্ৰ অনা নিয়াৰ খৰছ ভৰিব লাগিব। আমি ওচৰৰ গাঁৱৰ মানুহৰ ঘৰত বাঁহ বিছাৰি গ'লোঁ।

দিনৰ তিনিমান বজাত টিনপাত আহি পালেহি। বাঁহনিৰ পৰা বাঁহ নিজেই কাটি-কঢ়িয়াই আনি কলেজ চৌহদ পোৱালোহি। সকলোৱে হাতে পাতে ধৰি নিশাৰ ভিতৰতে ৰভা আৰু মঞ্চ সাজি সম্পূৰ্ণ কৰিলোঁ।

ক'বলৈ পাহৰিছোঁ, ছাৰে দিয়া দহ টকাৰে পাটি হাঁহ এটা কিনি আনি নিশা ভাত বনাই দকচি খালোঁ।

প্ৰিয় পাঠক,

এইখিনিতে কথা এই কাৰণেই আনিলোঁ যে তেতিয়াৰ দিনত শিক্ষক-ছাত্ৰ, স্থানীয় ৰাইজ সকলোৱে কলেজখনৰ প্ৰতি আন্তৰিকতা আছিল। কেতিয়াবা মনে মনে ভাবো বৰ্তমান পৰস্পৰৰ মাজত থকা পূৰ্বৰ সেই সম্পৰ্ক ক্ৰমাৎ হেৰাই গৈছে নেকি বাৰু! আজিকালি কলেজৰ আহল-বহল, স্থায়ী প্ৰেক্ষাগৃহ আৰু মঞ্চ আছে। পূৰ্বতকৈ অধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সমাগম ঘটিছে। কিন্তু আগৰ দৰে শিক্ষকসকলে কলেজ সপ্তাহৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো বাদেই আজি কিছু বছৰৰ আগতেই নিশাৰ ভাগত, কলেজ

সপ্তাহৰ কাৰ্যসূচী কিবা বিশেষ কাৰণত স্থগিত ৰখা হৈছে।

(৬)

**উমেশ চন্দ্ৰ ঠাকুৰ চাৰ ঃ**

ৰাজনীতি বিজ্ঞানৰ অধ্যাপক হিচাপে কলেজখনৰ প্ৰতিষ্ঠা কালত যোগদান কৰা শ্ৰদ্ধাৰ উমেশ চন্দ্ৰ ঠাকুৰ ছাৰে পিছলৈ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। ঠাকুৰ ছাৰে কলেজখনৰ শিক্ষাতত্ব বিভাগৰ অধ্যাপিকা সবিতা শৰ্মা বাইদেউৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। অৱসৰৰ পিছত যোৰহাট নগৰত সপৰিয়ালে বসবাস কৰি থকা আমাৰ সকলোৰে শ্ৰদ্ধাৰ ঠাকুৰ ছাৰৰ যোৱা প্ৰায় এবছৰৰ আগতে পৰলোকপ্ৰাপ্তি ঘটিছে। জানিবলৈ পোৱা মতে উমেশ ঠাকুৰ ছাৰৰ আশাশুধীয়া প্ৰচেষ্টাত এসময়ত কলেজখনৰ নিচেই কাষতে এখন সংগীত বিদ্যালয় (অধুনালুপ্ত) স্থাপন কৰা হৈছিল।

এইজনা ঠাকুৰ ছাৰেই সেই সময়ছোৱাত কলেজখনৰ সাংস্কৃতিক দিশটোৰ গুৰি ধৰিছিল। ঠাকুৰ ছাৰৰ লগতে কৰুণা শৰ্মা ছাৰ, চিত্ৰলতা ফুকন বাইদেউৱে কলেজ সপ্তাহৰ নিশাৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। শ্ৰদ্ধাৰ ঠাকুৰ ছাৰৰ আমন্ত্ৰণ ক্ৰমে শিৱসাগৰৰ পৰা আহি কোকিলকণ্ঠী গায়িকা দীপালি বৰঠাকুৰ, ভৱেশ ঠাকুৰ, ৰুণুমী ঠাকুৰ আদিৰ দৰে খ্যাতনামা শিল্পীসকলে কলেজ সপ্তাহৰ মঞ্চত গীত পৰিবেশন কৰিছিল। ঠাকুৰ ছাৰৰ আমন্ত্ৰণ ক্ৰমে কলেজ সপ্তাহৰ মঞ্চত প্ৰণৱীৰাম বৰুৱা আৰু খগেন দত্ত নামৰ দুজন বিশিষ্ট শিল্পীয়ে পৰিৱেশন কৰা গীতৰ কলি এটা এই মুহূৰ্তত মনলৈ আহিছে—

> 'প্ৰাণেশ্বৰী বঙাইগাঁৱত মিলিছে চাকৰি
> জান ঐ
> তোক এৰি যাওঁ কেনে কৰি ...'

(৭)

আমি টি.ডি.চি. চূড়ান্ত বৰ্ষৰ ছাত্ৰ হিচাপে পঢ়ি থকা বছৰটোত সৰস্বতী পূজাৰ লুচি-ভাজি বনোৱা আৰু পূজা উপলক্ষ্যে অস্থায়ী তোৰণ নিৰ্মাণৰ দায়িত্ব আমাৰ গ্ৰুপটোৱে কান্ধ পাতি ল'লো।

পূজাৰ আগদিনা নিশা দহমান বজাত আমি সাত-আঠটা মানে নাট্য মন্দিৰৰ কাষত তোৰণ বনাই আছো। বাকী দহ-বাৰটা মানে কোনোবা এটা শ্ৰেণীকোঠাত লুচি-ভাজি বনাই আছে।

মাঘমহীয়া ঠাণ্ডাত, পেট্ৰোমাক্স লাইটৰ পোহৰত তোৰণৰ কাম খৰতকীয়া গতিত চলি আছে। কামৰ লগে লগে আমাৰ মুখবোৰো সমানে চলি আছে।

নিশা দহ বজাৰ পিছত আমাৰ মাজত অনেক লাগবান্ধ নোহোৱা মুখৰোচক কথা। আমাৰ কথা বতৰাৰ মাজত তেতিয়া যৌৱনে পোহাৰ মেলিছে ...

এনে সময়তে পেট্ৰোমাক্স লাইটৰ পোহৰত দেখিলো মূৰত টুপী, পিন্ধনত এড়ীয়া চাদৰ, লংপেণ্টৰ সৈতে চুটি-চাপৰ মানুহ এজনে নাতিদূৰৈৰ পৰা আমাৰ ফালে চাই হাঁহি আছে। কাষ চাপি গৈ দেখিলো এয়া দেখুন আমাৰ শোভণ বৰুৱা ছাৰ।

আচৰিত হৈ ক'লো, 'ছাৰ, আপুনি এই সময়ত ইয়াত এনেকৈ কি কৰি আছে?' ছাৰে হাঁহি এটা মাৰি ক'লে 'টেক ইট ইজি, টেক ইট ইজি মাই ফ্ৰেণ্ডচ ...' এই বুলি কৈ ছাৰ আমাৰ কাষ চাপি আহিল।

পেট্ৰোমাক্স লাইটৰোৰ ওচৰতে বহি, নিজৰ সেমেকি যোৱা হাতৰ আঙুলিবোৰ লাইটৰ

উত্তাপত সেকি সেকি বৰুৱা ছাৰে আমাক লক্ষ্য কৰি ক'লে, 'হেৰা শুনা। ময়ো জানো তোমালোকৰ দৰেই কলেজৰ ছাত্ৰ নাছিলো। আমিও জানো তোমালোকে কৰা এই কামবোৰ কৰা নাছিলো। তোমালোকে ৰং-তামাচা কৰি ইয়াত গেইট বনাই থাকিলে মই সেই কাষতে থকা মোৰ ঘৰটোত কেনেকৈ শুই থাকিব পাৰো, তোমালোকেই কোৱাচোন বাৰু?' (সেই সময়ত অবিবাহিত বৰুৱা ছাৰ নাট্য মন্দিৰৰ কাষতে থকা ভাড়াঘৰ এটাত অকলশৰে আছিল।)

এইবাৰ মেছত থাকি জয়সাগৰ কলেজত পঢ়া বৰুৱা ছাৰে নিজৰ ছাত্ৰ জীৱনৰ কথা ক'লে, 'বুজিছা, আমি পঢ়ি থকা সময়ত কলেজত নিশা কিবা এটা অনুষ্ঠান হৈছিল। আমি মেছত থকা দুটামানে ওচৰৰ মানুহ এঘৰৰ পৰা শুকান কাঠখৰি চোৰ কৰিবলৈ গ'লো। তাৰ পিছত গৃহস্থৰ খেদা খাই এন্ধাৰত গেলা পুখুৰী এটাত পৰি ককবকাই আছিলো।' তাৰ পিছত এই বিষয়ে ছাৰে আগবঢ়োৱা ৰসাল বৰ্ণনাই হাঁহিৰ কোবত আমাৰ পেটৰ নাড়ী ডাল ডাল কৰিলে।

ইতিমধ্যে আমাৰ তোৰণৰ কাম শেষ হৈছে। বৰুৱা ছাৰক লগত লৈ লুচী-ভাজি বনাই থকা লগৰ কেইটাৰ ওচৰলৈ গ'লো। কোঠাটোত সোমাই দেখিলো, উৰা, এয়া দেখোন আমাৰ অকণ শইকীয়া ছাৰ। মূৰে-গায়ে এড়ীয়া চাদৰ লৈ লুচী বনোৱা কেৰাহীৰ ওচৰতে বহি জুইৰ উম লৈ আছে। আমাক দেখি শইকীয়া ছাৰে ঢেকঢেকাই হাঁহি এটা মাৰি ক'লে, 'আহাঁ আহাঁ, ছাত্ৰ জীৱনৰ দিনবোৰৰ কথা সুঁৱৰি ময়ো আহি তোমালোকৰ সংগ লৈছোহি।' এইবুলি কৈ শইকীয়া ছাৰে নিজৰ ছাত্ৰ জীৱনৰ সোৱাদ লগা কথাৰ পাতনি মেলিলে।

এটা সময়ত দুয়োজন ছাৰ নিজৰ নিজৰ বিচনা বিচাৰি গ'লগৈ।

শোভণ বৰুৱা ছাৰ ঃ

বৰুৱা ছাৰৰ ঘৰ আছিল জয়সাগৰৰ ওচৰৰ মগৰাহাটত। প্ৰথমাৱস্থাত ঘৰৰ পৰা চাইকেল চলাই অহা-যোৱা কৰিছিল যদিও কিছুদিন পিছত নাট্য সমাজ কলা ভৱন গৃহৰ সমীপতে থকা ভাড়াঘৰ এটাত থাকি লৈছিল। পিছলৈ ঘৰ-সংসাৰ পাতি শিৱসাগৰ নগৰত নিজাকৈ ঘৰ এটা লৈ পৰিয়ালৰ সৈতে থাকি অহা-যোৱা কৰিছিল।

ইংৰাজী বিভাগৰ অধ্যাপক শোভণ বৰুৱা ছাৰে এক শোকাবহ দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুৱালে। ৪০৭ বাছত কলেজৰ পৰা শিৱসাগৰৰ ঘৰলৈ গৈ থকা অৱস্থাত, গেমণ দলং পাৰ হৈ কিবা বিজুতিত বাছখন দ খাৱৈত সোমাই পৰে আৰু ছাৰৰ ঘটনাস্থলীতে মৃত্যু হয়।

ড° অকণ শইকীয়া ছাৰ আছিল সংস্কৃত বিভাগৰ অধ্যাপক। পিছলৈ শইকীয়া ছাৰে জাঁজী কলেজৰ পৰা অব্যাহতি লৈ কাকজান কলেজৰ অধ্যক্ষ হিচাপে যোগদান কৰে। অৱসৰ গ্ৰহণৰ পিছত সম্প্ৰতি শইকীয়া ছাৰে সপৰিয়ালে টিয়কৰ নিজা ঘৰত বসবাস কৰি আছে।

(৮)

শিক্ষাতত্ব বিভাগৰ প্ৰবক্তা হিচাপে আৰম্ভণিতে যোগদান কৰা শ্ৰদ্ধাৰ শ্ৰীযুত ৰজনী গোস্বামী ছাৰে সময়ত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। গোস্বামী ছাৰে জামুগুৰিতে নিজাকৈ ঘৰ এখন সাজি বাইদেউৰ সৈতে বসবাস কৰি আছিল যদিও এবছৰমানৰ আগতে বাইদেউৰ পৰলোকপ্ৰাপ্তি হয়।

বুৰঞ্জী বিভাগৰ অধ্যাপক গুণ বৰুৱা ছাৰৰ ঘৰ আছিল শিৱসাগৰ চহৰৰ মেলাচকৰত।

ছাৰ ঘৰৰ পৰাই অহা-যোৱা কৰিছিল। সাংবাদিকতাৰ সৈতে জড়িত বৰুৱা ছাৰ শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। কেইবছৰমানৰ আগতে বাৰ্দ্ধক্যজনিত কাৰণত ছাৰৰ মৃত্যু ঘটিছে।

গৌৰীসাগৰৰ নিবাসী কীৰ্তি দত্ত ছাৰ আছিল অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক। ১৯৮৩ চনত দত্ত ছাৰ আমগুৰি সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। দহ বছৰ মানৰ আগতে দত্ত ছাৰৰ মৃত্যু ঘটিছে। দত্ত ছাৰেও ফুটবল খেলি ভাল পাইছিল।

ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক বদন কোঁৱৰ ছাৰৰ ঘৰ আছিল ভিতৰুৱাল গাঁৱত। কোঁৱৰ ছাৰও সংসদীয় ৰাজনীতিৰ সৈতে জড়িত আছিল। ইতিমধ্যে ছাৰ ঢুকাইছে।

অৰ্থনীতি বিভাগৰ অধ্যাপক হৰি নাৰায়ণ আগৰৱালা ছাৰৰ ঘৰ আছিল আমগুৰি নগৰত। কিছু বছৰৰ আগতে আগৰৱালা ছাৰও ঢুকাইছে।

জাঁজী জামুগুৰিৰ নিবাসী, সংস্কৃত বিভাগৰ অধ্যাপক, শঙ্কৰী কলা-কৃষ্টিৰ সাধক, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° কৃষ্ণকান্ত সন্দিকৈ ছাৰ প্ৰায় দুবছৰমানৰ আগতে ঢুকাইছে। প্ৰয়াত সন্দিকৈ ছাৰে নিজৰ ছাত্ৰসকলক ভাই-বন্ধুৰ দৰে ব্যৱহাৰ কৰিছিল।

শ্ৰীযুত ভবানী কুমাৰ বৰুৱা ছাৰৰ জন্ম হৈছিল কাষৰীয়া জাঁজী মৰাণ গাঁৱত। অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰা বৰুৱা ছাৰে পিছলৈ কলেজখনৰ নৰা নাতিদূৰৈত, নিজাকৈ ঘৰ সজাই পৰিয়ালসহ বসবাস কৰি আছে। ২০০৬ চনত উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা বৰুৱা ছাৰ ৰাজনৈতিক দিশতো জড়িত আছিল।

ইংৰাজী বিভাগৰ অধ্যাপক শ্ৰীযুত হৰেণ কুমাৰ বৰুৱা ছাৰও জাঁজী মৰাণ গাঁৱৰে সন্তান। ভৱানী কুমাৰ বৰুৱা ছাৰৰ ওচৰা-ওচৰিকৈ সজাই লোৱা ঘৰখনত বৰ্তমান স-পত্নীক অৱসৰী জীৱন অতিবাহিত কৰি আছে।

প্ৰয়াত উমেশ ঠাকুৰ ছাৰৰ পৰিয়াল, শিক্ষাতত্ব বিভাগৰ অধ্যাপিকা সৰিতা ঠাকুৰ বাইদেউৱে যোৰহাট নগৰত, নিজৰ ঘৰখনতে অৱসৰী জীৱন অতিবাহিত কৰি আছে।

শেষত উল্লেখ কৰিবলৈ বিচাৰিছো যে আৰম্ভণিতে আমাৰ তেতিয়াৰ জাঁজী কলেজখনত 'কলা' আৰু 'বিজ্ঞান' শাখা দুটাহে খোলা হৈছিল। বিশেষ কাৰণত পিছৰ বছৰতে বিজ্ঞান শাখাটো বন্ধ কৰি দিয়া হ'ল।

১৯৭২ চনত বাণিজ্য শাখা আৰম্ভ কৰা হয়। সেই সময়ত বাণিজ্য শাখাটোৰ গুৰি ধৰিছিল আমাৰ জাঁজীৰে সু-সন্তান শ্ৰীযুত চেনিৰাম বৰা ছাৰে। কেইটামান বছৰ সুখ্যাতিৰে কলেজখনত অধ্যাপনা কৰাৰ পিছত বিশেষ কাৰণত চাকৰি ইস্তাফা দি বৰ্তমান ডিব্ৰুগড় চহৰত ব্যস্ততাৰে জীৱন অতিবাহিত কৰি আছে।

শেষত জাঁজী কলেজৰ প্ৰাণ প্ৰতিষ্ঠা কৰা আমাৰ চিৰনমস্য শিক্ষাগুৰুসকলৰ অপৰিসীম ত্যাগ আৰু কষ্টক কলেজখনৰ হীৰক জয়ন্তী উৎসৱৰ পবিত্ৰ ক্ষণত, আন্তৰিকতাৰে স্মৰণ কৰি, এজন প্ৰাক্তন ছাত্ৰ তথা জাঁজী অঞ্চলৰ এজন সাধাৰণ নাগৰিক হিচাপে তেখেতসকললৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো।

❖❖❖

*লেখক জাঁজী অঞ্চলৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী*

# সোঁৱৰণি— মোৰ ছাত্ৰী নিবাসৰ

**মিনতি গগৈ বৰুৱা**

ওমলা ঘৰৰ আলফুলীয়া দিনবোৰ এৰি যিদিনাই আনুষ্ঠানিক শিক্ষাৰ চোতালখনত ভৰি দিয়া হয়, সিদিনাই আৰম্ভ হয় আমাৰ সকলোৰে এক নতুন যাত্ৰাৰ। এই দীঘলীয়া যাত্ৰাৰ হয়তো শেষ নাথাকে। এনে অনন্ত যাত্ৰাৰ অভিযাত্ৰী হৈ মই এদিন আনুষ্ঠানিক শিক্ষাৰ মুকুতা বুটলিবলৈ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ পৱিত্ৰ মজিয়াত আহি ভৰি থৈছিলোহি। নামভৰ্তি কৰিছিলো ত্ৰিবাৰ্ষিক স্নাতক মহলাৰ ১ম বৰ্ষত, অৰ্থনীতি বিষয়ত মেজৰ লৈ। চনটো আছিল ১৯৮৫ চন। আমগুৰি হালোৱা গাঁৱৰ পৰা হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটিলৈ মোৰ জীৱনৰ আন এক পৰিক্ৰমাৰ আৰম্ভণি ঘটিল।

মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটোৱেই আছিল মোৰ জীৱনৰ প্ৰথম হোষ্টেলীয়া অভিজ্ঞতাৰ স্থল। প্ৰাক্ স্নাতক মহলাৰ শিক্ষা শিৱসাগৰ মহাবিদ্যালয়ত লওঁতে হোষ্টেলত থকা নাছিলো। আছিলো জয়সাগৰৰ ভাৰাঘৰত। কাৰণ মোৰ ঘনিষ্ঠ বান্ধৱী দোপদৰৰ স্মৃতিৰেখা বৰুৱাই ভাৰাঘৰত থাকিবলৈ লৈছিল আৰু মইয়ো তাকে কৰিছিলো। হোষ্টেলৰ জীৱন মানেই কাঢ়া নীতি-নিয়ম আৰু অতিৰিক্ত সুৰক্ষা কবচৰ মাজত থাকি আৰামদায়কভাৱে নিয়মিতৰূপত অধ্যয়ন কৰাৰ জীৱন। আমি আমাৰ ছাত্ৰনিবাসটোত তেতিয়া অধ্যয়নৰ প্ৰায় সকলোবোৰ সুবিধাই পাইছিলোঁ। আধুনিক সকলোবোৰ সা-সুবিধা তেতিয়াৰ ছাত্ৰীনিবাসটোৱে দিব পৰা নাছিল যদিও মোৰ কাৰণে সেয়াই আছিল যথেষ্ট। কাৰণ মই বিচৰাখিনিৰ প্ৰায়খিনিয়ে হোষ্টেলটোত পাইছিলো। নিৰিবিলি পৰিৱেশৰ মাজত নিয়মিত অধ্যয়নৰ সুবিধা দিয়া সেই ছাত্ৰীনিবাসৰ সকলো স্মৃতি এতিয়াও মোৰ কাৰণে এক নজহা-নপমা সম্পদ। হোষ্টেলৰ সেই কষ্টসাধ্য নিয়মিত অধ্যয়নশীলতাই আজিও মোৰ জীৱনৰ চালিকা শক্তি হৈ বাট দেখুৱাই আছে এই কথা মই গৌৰৱেৰে অনুভৱ কৰোঁ। দৰাচলতে ছাত্ৰীনিবাসবোৰ ছাত্ৰীসকলৰ বাবে দ্বিতীয় এখন ঘৰৰ দৰে। মোৰ ক্ষেত্ৰতো ছাত্ৰী নিবাসটোৱে এই ভূমিকাটো প্ৰকৃততেই লৈছিল। আমি পঢ়ি থকা দিনতকৈ এতিয়াৰ ছাত্ৰী নিবাসটি যথেষ্ট পৰিৱৰ্তন ঘটিছে। তেতিয়াৰ হোষ্টেলৰ কোঠাৰ বেৰবোৰ আছিল বাঁহৰ। টিনপাতৰ ছাল আৰু মজিয়া বা বাৰাণ্ডা আছিল কেঁচা মাটিৰ। দুৱাৰবোৰ কাঠৰ আছিল যদিও খিৰিকী আছিল বাঁহৰ। এতিয়াৰ গেটখনতে বাঁহৰ জপনাখন আছিল। চৌহদত জেওৰা আৰু ভিতৰৰ সন্মুখভাগত বাঁহৰ চকোৰা আছিল। বৰ্তমানৰ মূল ঘৰটিৰ উত্তৰ দিশে হোষ্টেলৰ

'চুপাৰ' ছাৰৰ আবাস গৃহ আছিল। হোষ্টেলৰ 'চুপাৰ'ৰূপে শ্ৰীযুত ভবানী কুমাৰ বৰুৱা ছাৰে (পাছলৈ অসমীয়া বিভাগৰ প্ৰধান আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ) দায়িত্ব গ্ৰহণ কৰিছিল। আলহী গৃহৰ কাম চলাইছিল চুপাৰ ছাৰৰ আৱাসৰ বাৰাণ্ডাখনেই। বাৰাণ্ডাৰ সন্মুখভাগতে এখন ফুলনি আছিল। ছাৰৰ ঘৰটোৰ পাছলৈ এজোপা ডাঙৰ লিচু গছ আছিল। ছাত্ৰীসকলৰ কোনো অতিথি আহিলে সেই লিচু গছৰ তলৰ পৰাই ছাৰৰ পৰিবাৰ শ্ৰীমতী পুতলী বৰুৱা বাইদেৱে আমাক জাননী দিছিল। লিচু লগা বতৰত আমি লিচু খাবলৈ পাইছিলো। লিচুজোপা পাৰ হৈ কিছু আঁতৰত এটি পুখুৰী আছিল। টিউৱৱেলৰ পানীতকৈ আমি সেই পুখুৰীৰ পানীহে ব্যৱহাৰ কৰিছিলোঁ। খৰালি পানী কমি গ'লে আমি নাতিদূৰত থকা নাজিৰ পুখুৰীৰ পানী আনিও ব্যৱহাৰ কৰিছিলোঁ। ইংৰাজী 'L' আখৰটোৰ দৰে নিবাসটোৰ মূল কোঠাবোৰ দুটা শাৰীত সজা হৈছিল। পূবা-পশ্চিমা আৰু উত্তৰা-দক্ষিণাকৈ। কোঠাবোৰৰ এটা দিশত, অৰ্থাৎ অন্তভাগৰ চোতালৰ পৰা বাৰণ্ডা আছিল। বাৰাণ্ডাৰ পৰাই কোঠাবোৰলৈ দুৱাৰ দিয়া হৈছিল। ৰাস্তা আৰু চৌহদৰ ফালে খিৰিকী আছিল। পাছচোতালৰ মাজভাগত ডাইনিং হ'ল আৰু ৰান্ধনি ঘৰ আছিল। চৌপাশৰ চৌহদটো ফুটুকলা আৰু অন্যান্য গছ-গছনিবোৰে আমাক যেন আবুৰতহে ৰাখিছিল। হোষ্টেল চৌহদৰ পশ্চিম দিশে থকা মুকলি ঠাইডোখৰক আমি 'ইউনিভাৰ্চিটি' বুলি নাম দিছিলো। খৰালি ফৰকাল বতৰত আমি তাৰ নিৰ্জন পৰিৱেশত অধ্যয়ন কৰিবলৈও গৈছিলো আবেলি সময়ত। সেই ঠাইৰ পৰা কাষতে থকা প্ৰবক্তা হোষ্টেল আৰু ডাঙৰ খেল পথাৰখন আৰু কিছু দূৰৰ বালিকা বিদ্যালয় তথা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো দৃশ্যমান হয়। (বৰ্তমান কৰ্তৃপক্ষই সেই ঠাইত চাহ বাগান তৈয়াৰ কৰিছে।) নিবাসৰ তত্ত্বাবধায়ক শ্ৰী বৰুৱা ছাৰে তেখেতৰ পৰিয়ালসহ চৌহদৰে আবাসগৃহত বাস কৰিছিল। তেখেতৰ বাসগৃহটো গেটৰ পৰা সোমাই সোঁদিশে আছিল। ছাৰৰ পৰিবাৰ শ্ৰীমতী পুতলী বৰুৱা বাইদেউৰ সৈতে তেখেতলোকৰ তিনি সন্তান প্ৰজ্ঞা, পাৰমিতা আৰু অনুপল আমাৰ অতি ঘনিষ্ঠ আছিল। টিভিত ভাল চিনেমা বা চিৰিয়েল থাকিলে আমি উপভোগ কৰাটো আছিল নিয়মীয়া। বৰুৱা ছাৰে ছাত্ৰীসকলক অতি নিয়মানুৱৰ্তী শাসনেৰে আৰু আপোন অভিভাৱকৰ আন্তৰিকতাৰে তদাৰক কৰিছিল। অধ্যয়নৰ উপৰি খেলা-ধূলা কৰা বা অন্য কোনো কলা-সংস্কৃতিমূলক কাম-কাজত ব্ৰতী হ'বলৈও ছাৰে সততে উৎসাহ যোগাইছি। ছাৰে মোক 'চৰ্দাৰ' এই নামটোৰেও মাজে মাজে মাতিছিল। হয়তো তেখেতে মোৰ কিবা 'চৰ্দাৰী' প্ৰভাৱ দেখা পাইছিল। আবাসৰ নাতিদূৰত ঘৰ থকা মহাবিদ্যালয়ৰ কৰ্মচাৰী (উচ্চ বৰ্গৰ সহায়ক) শ্ৰীযুত হিতেশ গগৈদেৱেও মাজে মাজে আহি আমাৰ খবৰ লৈছিল। লগতে শ্ৰীযুত জ্যোতি গগৈ ছাৰ প্ৰমুখ্যে অন্যান্য ছাৰ-বাইদেউসকলো কোনো কোনো সময়ত হোষ্টেললৈ গৈছিল। কৰ্মচাৰী প্ৰভাত শইকীয়াদেৱেও আমাৰ খা-খবৰ লৈছিল। শ্ৰীযুতা মীৰা বড়া আৰু শ্ৰীযুতা মামনি গোহাঁই বাইদেউও আমাৰ হোষ্টেলত কিছুদিন আছিল। হোষ্টেলৰ দুইকাষে থকা শ্ৰীযুত মহেন্দ্ৰ গগৈদেৱৰ পৰিয়াল আৰু শ্ৰীযুত অজিত ভট্টদেৱৰ পৰিয়ালৰ আবাসগৃহ দুটিয়ে হোষ্টেলৰ অতিৰিক্ত নিৰাপত্তা চকীৰ কাম কৰা যেন হৈছিল। কাৰণ কোনো কোনো সময়ত ৰাতি ৰাস্তাইদি যোৱা উতনুৱা ডেকাৰ 'উক্তি' আৰু 'শিলগুটি'ৰ বাবে এই দুঘৰ মানুহে 'স্পিড ব্ৰেকাৰ'ৰ দৰে কাম

করিছিল। গ্ৰাম্য পৰিৱেশৰ এই ছাত্ৰীনিবাসত যি নিম্নতম সুৰক্ষাৰ পৰিৱেশত আমাৰ ছাত্ৰীসকলে যে নিজঞ্জালভাৱে নিৰলস অধ্যয়ন কৰিবলৈ সুবিধা পাইছিলো, সেয়া আমাৰ চৌপাশৰ গাঁও কেইখনৰ সফল আৰু উন্নত চিন্তাৰ অধিকাৰী অধিবাসীসকলৰ বাবেই যে সম্ভৱ হৈছিল বা আজিও হৈ আছে, সেয়া অকপটে স্বীকাৰ কৰিবই লাগিব।

মই থকা সময়খিনিত হোষ্টেলৰ বাসিন্দাৰূপে আমাতকৈ জ্যেষ্ঠ আৰু কনিষ্ঠ মুঠ প্ৰায় ৪০ গৰাকীমান ছাত্ৰী আছিলোঁ। সকলোখিনিৰে নাম আৰু চেহেৰা মনলৈ অস্পষ্ট ৰূপত নাহিলেও আবাসীসকলৰ প্ৰত্যেকৰে উদ্যম আৰু আন্তৰিকতা যে সাগৰ সমান আছিল সেয়া অনুভৱ কৰোঁ। বিন্দুতে সিন্ধু দেখাৰ দৰে আমাৰ তেতিয়াৰ সেই নিমাখিত হোষ্টেলটোতে আমি সৰগী মাধুৰী বিচাৰি পাইছিলো। পাইছিলো গভীৰ অধ্যয়নৰ মন জুৰুৱা পৰিৱেশ। এতিয়াৰ দৰে তেতিয়াও গধূলি ৬ বজাৰ পৰা ৰাতি ৯ বজালৈ 'ষ্টাডি আৱাৰ'ত মজি থাকিব লাগিছিল। পুৱা ৮ মান বজালৈকে আমাৰ অধ্যয়ন চলে। গধূলি বৰুৱা ছাৰে নিয়মীয়াকৈ সকলো আৱাসীয়ে অধ্যয়নত লাগিছেনে নাই লক্ষ্য কৰেহি। ক'লা ফ্ৰেমৰ চশমা পিন্ধা ছাৰৰ নিঃশব্দ বিচৰণৰ আগে আগে আমাৰ প্ৰত্যেক ছাত্ৰী পঢ়া টেবুলত বহিব লগা হৈছিল কথাৰ মহলা এৰি। আমি পুৱা বিস্কুট-ব্ৰেডৰ চাহ, ৯ বজাত ভাত, আবেলি ভাত, গধূলি চাহ আৰু ৰাতি ৯ বজাত ভাত খাইছিলো। দেওবাৰে মাছ-মাংসৰ যোগাৰ আছিল। মেছ চলাবলৈ আমি পাল পাতি লওঁ। জাঁজীৰ বজাৰৰ পৰাও বজাৰ কৰি আনো। ৰান্ধনি চন্দ্ৰকাই আৰু মাখন কাইয়ে আমাৰ খাদ্য যোগান ধৰাৰ উপৰি কেতিয়াবা বজাৰ-সমাৰো কৰি দিছিল। তেওঁলোকে ভাত ৰন্ধা কামটো অতি নিষ্ঠাৰে কৰিছিল।

তিনিটা বছৰ ধৰি অধ্যয়নৰ কালছোৱাত আমি অতি আনন্দ আৰু উপভোগৰ মাজেৰে কটাইছিলোঁ। মহাবিদ্যালয়ৰ প্ৰায় সকলোবোৰ অনুষ্ঠানতে আমাৰ অংশগ্ৰহণ অৱধাৰিত আছিল। মহাবিদ্যালয়ৰ সপ্তাহত হোৱা ৰাতিৰ অনুষ্ঠানো আমি উপভোগ কৰিছিলো। শ্ৰীমতী মীৰা বাইদেউ আৰু চন্দ্ৰ কাই, মাখন কাই আছিল আমাৰ সাৰথি। আমাৰ ছাত্ৰীসকলে অন্যান্য প্ৰতিযোগিতা বা শিক্ষামূলক ভ্ৰমণতো পূৰামাত্ৰাই অংশ গ্ৰহণ কৰিছিল। হোষ্টেলত কোনো কোনো সময়ত অনেক আমোদজনক ঘটনা ঘটে। অনেক ধেমালিৰ উপকৰণ ওলায়। এবাৰ কিবা প্ৰকাৰে আমাৰ হোষ্টেলৰ এটা কোঠাত জুই লাগিল। চিঞৰ-বাখৰ, দৌৰা-দৌৰি। মাখন কাইহঁতকে ধৰি আমি সকলোৱে জুই নুমুৱালো। পিছে হঠাতে এইবাৰ হাঁহিৰ ৰোল উঠিল। উৎস বিচাৰি দেখা গ'ল, কাৰণটো মাখন কাই। চিঞৰ-বাখৰ, দৌৰা-দৌৰিত তেওঁৰ হুচ হেৰাল। সেয়ে বাৰাণ্ডাত কোনোবাই মেলি থোৱা স্কাৰ্ট এটাকৈ পিন্ধি মাখন কাইয়ে জুই নিয়ন্ত্ৰণত ব্যস্ত আছিল আৰু এতিয়া আবাসীসকলে তাকে লৈ ৰগৰ কৰিছে। মোৰ বান্ধৱী সাধনা ফুকন (আমগুৰিৰ) আছিল অতি ধেমেলীয়া। আবাসীসকলে মনোযোগে পঢ়ি থকা সময়ত তেওঁ গৈ কোনোজনীৰ দুৱাৰত টুকুৰিয়াই মাতে। দুৱাৰ খুলিলে কয় 'ঐ পঢ়িছিলি নেকি? মোৰ এই নতুন কাপোৰযোৰ কেনে দেখিছ কচোন..।' এবাৰ মোৰ নিয়মীয়া ৰূমমেট স্মৃতিৰেখা বৰুৱা (দোপদৰৰ)ৰ পৰিৱৰ্তে এই সাধনাই আছিল। হোষ্টেলৰ কোঠাবোৰৰ ওপৰত কোনো চিলিঙি নাছিল। বেৰবোৰ চাপৰ কিছু। ইটো কোঠাৰ পৰা

সিটো কোঠাৰ শব্দ ভালদৰে মন কৰিলে শুনিব পাৰি। আমাৰ কাষৰ কোঠাত স্মৃতিৰেখা বৰুৱা আৰু গীতাঞ্জলি গগৈ (চামগুৰিৰ) আছিল। সিহঁতি ঘৰৰ পৰা অনা কিবা লঘু জলপান খাবলৈ লোৱাৰ কথা সাধনাই কেনেবাকৈ গম পাই বিছনাৰ ওপৰেদি মূৰ উলিয়াই মাত দিলে— "ঐ খাইছ, খা খা। কি খাইছ?" লগে লগে সিহঁত দুজনী হাঁহিত বাগৰি গ'ল। আমাকো লগতে মাতি নি পিঠাগুৰিৰ জলপান দিবলগা হ'ল।

এনেদৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসটোত কটোৱা তিনি বছৰীয়া সময়খিনিৰ অনেক স্মৃতিয়ে মানসপটত অগা-দেৱা কৰে। ভাব হয়, জীৱন গঢ়াৰ সেই তিনিটা বছৰ আছিল মোৰ বাবে অতি অমূল্য। প্ৰাণোচ্ছল সেইখিনি সময়ে মোৰ শৈক্ষিক জীৱনৰ সক্ষম বুনিয়াদ গঢ়ি দিয়াৰ সমান্তৰালভাৱে মানসিকভাৱেও মোক যথেষ্ট পৰিপক্ক কৰি তুলিছিল। জীৱন-যৌৱনৰ মুকুতা-মণি বিচাৰি আহি নিজা ঘৰ এখনৰ দৰে নিৰাপদে আশ্ৰয় পোৱা সেই আদৰৰ নিবাসটিৰ কথা কেতিয়াও পাহৰা নাযায়। এতিয়াৰ আবাসীসকলে আমাৰ দিনত নথকা 'নবাগত আদৰণি' অনুষ্ঠান পাতে। তেনে অনুষ্ঠানত উপস্থিত থাকি অবাসীৰ পৰা অধ্যাপিকা হোৱা দীঘলীয়া পৰিক্ৰমাৰ ৰোমন্থন কৰি ৰোমাঞ্চিত হওঁ আৰু নিজকে ভাগ্যৱতী বুলি অনুভৱ কৰো। এতিয়াও পৰিৱৰ্তনৰ পাতে পাতে তেতিয়া লগ পোৱা অনেক জনক সঘনাই সোঁৱৰো। সোদৰোপম মীনা, মঞ্জুৰীমা, আৰতি বাইদেউহঁত, ঋজু, বিকভা, মনিমালা, অঞ্জুমা, গীতা, ৰীণা, ডেইজী, জোনমণি, বিজয়া, ৰুণিমা, ভণ্টিহঁত, বান্ধবী স্মৃতি, সাধনা, গীতা, মোহিনী, জুৰি, বিচিত্ৰা, দীপা, বন্তি, জ্যোতি, অমিয়াহঁতৰ কথা সততে মনত পেলাওঁ। সময়ৰ সোঁতত আজি কোন বা ক'ত সোমাই পৰিলোঁ, কিন্তু স্মৃতিৰ মণিকোঠাত আমি যে এতিয়াও উলাহৰ উমাল আত্মীয় হৈয়েই আছোঁ আৰু আগলৈও থাকিম সেই কথা ন দি ক'ব পাৰো।

❖❖❖

*লেখিকা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা*

# মোৰ অনুভৱৰ ডেউকাত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

ছায়া নাথ

'পল পল কৈ সময় বাগৰি গ'ল
এৰি অহা দিনবোৰ স্মৃতিৰ পাপৰি হৈ
সময় বালিত পৰি ৰ'ল
সময় বাগৰি গ'ল ....।'

ইতিহাসে গৰকা ঐহিত্যমণ্ডিত জাঁজী জামগুৰি চাপৰিত জন্ম হৈছিল জ্ঞানৰ বটবৃক্ষস্বৰূপ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়। বুৰঞ্জীয়ে পৰশা অসমৰ শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমামূৰীয়া অঞ্চল জাঁজীৰ মাজেৰে পাৰ হৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচেই সমীপত অৱস্থিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় এখন লেখত ল'বলগীয়া মহাবিদ্যালয়।

বুৰঞ্জীৰ সোণালী পাতত জিলিকি থকা জামুগুৰি চাপৰিত যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ, কষ্ট আৰু পৰিশ্ৰমৰ বিনিময়ত ১৯৬৪ চনত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়খনে প্ৰাণ পাই উঠিছিল। সেইসকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ।

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা ৰঙে ৰসে উপচি পৰা মধুৰ স্বপ্নলিৰ আৱেশেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। মুক্ত আকাশৰ তলত মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগবঢ়াৰ সুন্দৰ পৰিৱেশ কলেজত বিৰাজমান।

উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ময়ো এদিন জাঁজী কলেজৰ চৌহদত ভৰি দিছিলোঁ। কলেজত সেইদিনাই আছিল মোৰ প্ৰথম দিন। মনত বহুত আশা, সপোন লৈ কলেজখনৰ পৰা নামভৰ্তি ফৰ্মখন আনি নিৰ্দিষ্ট তাৰিখত ফৰ্মখন জমা কৰিছিলোঁ। প্ৰথম অৱস্থাতেই মহাবিদ্যালয়খনৰ পৰিৱেশে মোক বাৰুকৈয়ে আকৃষ্ট কৰিছিল।

সময় গতিশীল। সময়ৰ লগত খোজ মিলাই যাওঁতে বহুতো উৎকণ্ঠা আৰু অপেক্ষাৰ অন্তত সেই নিৰ্দিষ্ট দিনটো আহি পালে। কলেজত ইউনিফৰ্ম পিন্ধি ক্লাছ কৰিবলৈ যোৱা সেই প্ৰথম দিনটো।

কলেজ মানেই ক্লাছ। ঐহিত্যমণ্ডিত জাঁজী জামুগুৰি সেই মুক্ত পৰিৱেশত ক্লাছ কৰাটো মোৰ বাবে অন্য এক আনন্দ। কলেজখনৰ প্ৰথম বৰ্ষত সকলো বন্ধু-বান্ধৱীৰ সৈতে চিনাকি হৈছিলোঁ। নতুন পৰিৱেশত ভয়, সংকোচ ভাৱ আহিছিল যদিও লাহে লাহে সকলো সহজ হৈ পৰিছিল। কলেজখন আপোন হৈ পৰিল।

মোৰ সন্মানীয় বিষয় যদিও আছিল অৰ্থনীতি তথাপিও প্ৰতিটো বিভাগকে মোৰ বিভাগ আৰু প্ৰতিজন শিক্ষাগুৰুকে মোৰ গুৰু বুলি ভাবিছিলোঁ। প্ৰতিজন শিক্ষাগুৰুক শ্ৰদ্ধা জনাইছিলোঁ আৰু সেই শ্ৰদ্ধা বৰ্তমানেও অব্যাহত ৰাখিছোঁ।

প্ৰথম কলেজৰ আৰম্ভণিতে পুৰণি বিদ্যাৰ্থীসকলে নৱাগতসকলক আৱেগ-অনুভূতিৰে আগবঢ়াই নি আদৰণি জনোৱা অনুষ্ঠানটি এটি মনোৰম মিলনৰ নিদৰ্শন। এই অনুষ্ঠানতে ভাৱৰ বিনিময়, মৰম-স্নেহৰ বিনিময়, অচিনাকিজনৰ লগত চিনাকি হোৱাৰ মিলন ঘটে। কলেজত হোৱা এই নৱাগত আদৰণি সভা, সৰস্বতী পূজা, কলেজীয়া সপ্তাহ, সাংস্কৃতিক সমাৰোহ, এই বাৰেৰহণীয়া অনুষ্ঠানসমূহে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। যি পৰিৱেশে এক বিৰল আনন্দ প্ৰদান কৰে। কলেজত কটোৱা প্ৰতিটো দিন তথা স্মৃতি মোৰ মনৰ পৰা মচ নাখায়। মনলৈ আহিব কলেজৰ লাইব্ৰেৰী, কেণ্টিন আৰু কমন ৰুমৰ কথা। কলেজৰ আড্ডাবোৰৰ কথা, বন্ধুবোৰৰ কথা যি বন্ধুৱেই খুহুতীয়া কথাৰে হুঁহুৱাইছিল, ক্লাছত পাৰ কৰা সময়বোৰ। কলেজৰ প্ৰায়খিনি ছাত্ৰ-ছাত্ৰীৰ সৈতে মোৰ চিনাকি তথা আন্তৰিকতা গঢ়ি উঠিছিল। বহুতৰ নাম নাজানিছিলোঁ যদিও জাঁজী কলেজৰে ছাত্ৰ-ছাত্ৰী বুলি চিনি পাইছিলোঁ।

কলেজত ডিপাৰ্টমেণ্টৰ শিক্ষক দিৱসত ছাৰ-বাইদেউসকলৰ লগত কটোৱা অন্তৰংগ আলাপৰ বিশেষ দিনটোৰ কথা মনত পৰে। মনত পৰে কলেজৰ পৰা যোৱা পিকনিকৰ কথা। কলেজখনত পাৰ কৰা প্ৰতিটো সময়ে মোৰ স্মৃতি মণিকোঠাত সজীৱ হৈ ৰ'ব।

এদিন যিদৰে মনত অনেক আশা, সপোন লৈ কলেজখনলৈ গৈছিলোঁ, সেইদৰে বিদায় সময়ো সমাগত হৈ আহিছিল। প্ৰতিটো ষাণ্মাষিকৰে পৰীক্ষাসমূহ ভালদৰে দি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিলোঁ। কিন্তু দুৰ্ভাগ্যবশতঃ ষষ্ঠ ষাণ্মাষিকৰ ফাইনেল পৰীক্ষা সময়তে কৰুণা প্ৰভাৱ বেছিকৈ পৰিছিল। সেই কাৰণে আমি সেই সময়খিনিত কলেজত গৈ ক্লাছ কৰি পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হৈছিলোঁ। সেই কাৰণে আমাৰ পৰীক্ষা ঘৰৰ পৰাই অনলাইন যোগে দিছিলোঁ। এনেদৰেই আমাৰ ৩ বছৰীয়া সফল যাত্ৰাৰ সামৰণি পৰিছিল।

স্বকীয় প্ৰতিভাৰে মহিমামণ্ডিত উজ্বলি উঠা মহাবিদ্যালয়খনে এপল-দুপলকৈ আহি হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম হৈছেহি। যিসকল ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাত জেউতিয়ে উদ্ভাসিত মহাবিদ্যালয়খনে প্ৰাণ পাই উঠিছিল, তেওঁলোকলৈ পুনৰবাৰ গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাৰ শিক্ষাগুৰু, মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী, মহাবিদ্যালয়ৰ লগত জড়িত সকলোকে মোৰ ফালৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শেষত মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ আৰু ভৱিষ্যতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে সুনাগৰিক হয়, তাকে কামনা কৰিলোঁ।

'জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়'।

❖❖❖

*লেখিকা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাক্তন ছাত্ৰী*

# জয়ন্তী সম্ভাৰ

(মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'স্বৰ্ণস্মৃতি' (২০১৪ চন)ত প্ৰকাশিত কবিতা)

**সঞ্জীৱ কুমাৰ দত্ত**

ইয়াত এখন অৰণ্য আছিলনে
আছিল নে এটা কৌটিল্যৰ পাহাৰ
শব্দ-নৈঃশব্দৰ আলিবাকৰিত ঠেকা খাই
পাক খোৱা সুঁহুৰি এটাৰ দৰে

এজাক বতাহৰ হু-হুৱনি ...
ক'ৰ পৰা বৈ আহিছিল নদীখন
ঢল ছিগা
শালগ্ৰাম ভঙা
খলকনি তুলি এটা প্ৰাচীন সুৰ ....
মানুহবোৰ ঢাপলি মেলি মুখৰ হৈ পৰিছিল

আকাশখনেদি
উথপ্থপ্
পঞ্চাশটা হেমন্তৰ গুলঞ্চ আৰু খৰিকাজাঁইৰ
অকিঞ্চন সোঁৰৰণীবোৰ,
বাঃ! ফুলৰো যে কি বাহাৰ

তেজত বসন্ত
ওঁঠত এটা সৰ্পিল শংখ-মহাৰ্ঘ
দিক্‌বিদিক্ বিচাৰি চলাথ কৰা সপোনৰ
আগলতি কাটি

কোনে আনি দিলে সেই পাহাৰৰ
বেঙুনীয়াখিনি

সূৰ্যোদয়ৰ আৱৰ্তত
এতিয়া কবিতাৰ দুপৰ দ্যোতনা
গোবৰ্ধন বৰ্ণমালাৰ নিলাজ কৰ্ষণেৰে
আহা, পাহাৰ ভাঙা!
        পাহাৰ ভাঙা!!

জয়ন্তী সম্ভাৰ মেলি
এনেকৈয়ে অভিযাত্ৰী নদীখনে শিলক পাঠ পঢ়ায়
অহৰহ -
যোগিনী মন্ত্ৰ! গায়ত্ৰী মন্ত্ৰ!
জপ্ তপ্ যজ্ঞাঞ্জলি
ওম! তমসো মা জ্যোৰ্তিগময়ং।

❖❖❖

*প্ৰয়াত কবি- অসমীয়া বিভাগৰ প্ৰাক্তন বিভাগীয় প্ৰধান অধ্যাপক*

# স্মৃতিৰ সীমনাত

**প্ৰতাপ কুমাৰ বৰুৱা**

স্মৃতিৰ সীমনাত উজলি ৰয় মুকুতামণি
এদেও দুদেও তিৰবিৰ শুৱনি
হেৰা অনুভৱৰ নজহা হীৰাৰখনি
তোমাৰ কোলাত আজি
টোপাল টোপাল জ্ঞানে ধোৱা ৰ'দালি
উমলি থাকে য'ত
বলুকা ডঁৰিয়লিৰ শৰালি
এমাডিমা নৈপৰীয়া সমৃদ্ধিবোৰে
তোমাত সাৰ পায়
হেমৰ হাৰ পিন্ধি জাকৰুৱা সপোনে
তাত ওৰা পাতে জগতখনে ৰ লাগি চায়
ৰঙাজানৰ পাৰ আৰু জাঁজীৰ উপত্যকাত
তোমাক হেঁপাহেৰে সজায়
পোহৰ বিচৰা হেজাৰজন উজ্জীৱিত প্ৰজাই।

স্থিৰ খোজেৰে পাৰ হৈ গ'ল কোন সেয়া
সিদ্ধান্তনে শৰ্মা ঠাকুৰ ছাৰ
বৰুৱা আগৰৱালানে সন্দিকৈ ছাৰ
চশমা চকমাটিৰ স'তে
কথা আৰু ব্যস্ততাৰ চাদৰখন পিন্ধি
এবাৰ দুবাৰ শতবাৰ
শুৱাই ল'লে তেওঁ নিজম চোতাল
ফুকন বাইদেৱে বুজনি দি গ'লহিনেকি নেদেখাকৈ আহি হঠাৎ
শুনিছোঁতো সেয়া মহন্ত ছাৰৰ গম্ভীৰ মাত

ফিল্ডত সৌৰাচোন বৰা ছাৰ মৃদু খোজৰে
নিমাত ভাবনাত ভাহে ধোঁৱাৰ কুণ্ডলী
আঙুলিৰে সৰকি যায় সময়
পাখি মেলি উৰি ৰয় স্মৃতি
হাত বাউলি দি মাতে নিমাত অতীতে ৰিণিকি ৰিণিকি
প্ৰতিডাল শিৰা ধমনীত এৰি অহা দিনৰ আকুলতা
দেখা নেদেখা অযুত ক্ষণৰ মায়াময় ৰূপকথা।

যোগেন ধীৰেন দাদাৰ কেণ্টিন
পিকো ভূএগ্ৰা দাদাৰ কিতাপ
কেঁচা মজিয়া বাঁহ খেৰৰ ঘৰ নিচলা খিতাপ
গগৈ পূজাৰী দাদাৰ পেন্সিল হিত দদাইৰ খং
কত বৰণীয়া ৰামধেনুৰ ৰং
নমিনেচন দিয়া যদি ইউনিফৰ্ম পিন্ধি লোৱা
মাচুল আদায় দিলানে আবেদন শুদ্ধ কৰা
নিৰ্বাচনৰ কলাজত কলেজৰ একতা সভা
সাহিত্য আলোচনী কুইজ আবৃত্তি
নাটক গান ভাৰোত্তোলন
পৰীক্ষা সমাজসেৱা এছকাৰ্চন
দক্ষতাত নিজে জিলিকি উঠা জুৰাই তনমন
গতিশীল সময় তোমাৰ স্মৃতিময় সময় আমাৰ
বিচাৰ কৰা অলবৎ হিচাপ লোৱা
পোৱা আৰু নোপোৱাৰ।

স্মৃতিৰ সীমনাত উজলি ৰয় মুকুতামণি
এদেও দুদেও তিৰবিৰ শুৱনি
তুমি অনুভৱৰ নজহা হীৰাৰখনি
তোমাৰ কোলাত আজি
টোপাল টোপাল জ্ঞানেধোৱা ৰ'দালি
উমলি থাকে য'ত বলুকা ডঁৰিয়লিৰ শৰালি
যাঠীটা বছৰ সামৰি গৰিমাৰ যাত্ৰা সজাই
তুমি যে অমৃত-বৃক্ষৰ গঁজালি।❖❖❖

---

*কবি মহাবিদ্যালয়ৰ*
*প্ৰাক্তন ছাত্ৰ তথা দিখৌমুখ*
*উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ*
*বিষয় শিক্ষক*

# কবিতা

মৌচুম বুঢ়াগোহাঁই

তোমাৰ উৎস বিচাৰি
আহিলোঁ বহু দূৰ বাট কুৰি বাই

অতিক্ৰমী যুগ প্ৰাক-শংকৰী শংকৰী অৰুনোদই কিম্বা জোনাকী
ৰামধেনু আৱাহন আৰু আধুনিক
পালোহি উত্তৰাধুনিক
জিৰালোঁ মাজে মাজে ৰমন্যাসত
তথাপিও পুনৰ উভতি গলো
জঠুৰা ঠাঁচ, ডাকৰ বচন
তাতো উত্তৰ নেপালোঁ
পুনৰ সোমালো
আইনাম যোৰানাম
বৰগীত বনগীত
ভটিমা দেহবিচাৰৰ গীত

তথাপিও সমাধান নেপালোঁ
তোমাৰ মাজত সোমাই গৈ দেখিলো তোমাৰেই বহু ৰূপ

ৰাম সৰস্বতী মাধৱ কন্দলি শংকৰ-মাধৱ
আৰু যতীন্দ্ৰ নাথ দুৱৰা, গণেশ গগৈ, নৱকান্ত বৰুৱা,
হিৰো দা, নীলমণি ফুকনকে আদি কৰি কত যে কবি

এতিয়া উপলব্ধি কৰিছোঁ
হাড়ে হাড়ে বুজিছোঁ তোমাক

বুজিছো তোমাৰ উৎস
দেখিছো তোমাৰ গন্তব্য

খেদিছো তোমাৰ অনুবাদ-ভাৱানুৱাদৰ ছাঁ

তোমাৰ প্ৰকৃত অৰ্থ
যোগোৱা চেতনা বঢ়োৱা বুদ্ধি
তোমাৰ প্ৰকৃত ধৰ্ম
আত্মা, বুদ্ধি, মন আৰু বায়ু
একেলগে কৰি
কবিতাৰ মাজেৰে দিবলৈ
অসমীয়া ভাষাৰ সঁচা জয়গান।❖❖❖

---

*কবি অসম কবি সন্মিলনৰ গুৱাহাটী শাখাৰ সম্পাদক*

মহাবিদ্যালয়ৰ **ৰূপালী জয়ন্তী** আৰু **সোণালী জয়ন্তী**
স্মৃতিগ্ৰন্থত প্ৰকাশিত নিৰ্বাচিত লেখাৰ সংগ্ৰহ...

# যুগে যুগে শিক্ষা
## (Education Through Ages)

**ৰজনীকান্ত গোস্বামী**

পৃথিৱীৰ বিভিন্ন দেশৰ শিক্ষা বুৰঞ্জী অধ্যয়ন কৰিলে পোৱা যায় যে প্ৰতিখন দেশতে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, আধ্যাত্মিক, ধৰ্মীয় আদি মানৱ জগতৰ লগত সম্পৰ্কিত ক্ষেত্ৰসমূহৰ বিকাশৰ প্ৰক্ৰিয়াটোকে শিক্ষা বুলি গণ্য কৰা হৈছে। মানৱ জীৱনৰ আৰম্ভণিৰ পৰা মৃত্যু পৰ্যন্ত শাৰীৰিক আৰু মানসিক বিকাশৰ স্বতঃস্ফূৰ্ত প্ৰক্ৰিয়াক যিবোৰ ব্যৱস্থাৰ মাজেদি মানুহৰ প্ৰয়োজন সাপেক্ষে দ্ৰুততৰ কৰিব পাৰি অথবা স্বাভাৱিক ৰূপৰ সংশোধন কৰি ব্যক্তি আৰু সমাজৰ উপকাৰ সাধন কৰিবলৈ চেষ্টা কৰা হয় সেই সকলো ব্যৱস্থাকে শিক্ষা বুলি অভিহিত কৰিব পাৰি। মুঠতে, সমাজ প্ৰতিষ্ঠা কৰি মানুহে পৃথিৱীত অন্যান্য সকলো জীৱৰ ওপৰত নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ অন্তৰালত যিটো প্ৰক্ৰিয়াই সহায় কৰি আহিছে, যিটো প্ৰক্ৰিয়াই যুগে যুগে মানুহৰ জন্মগত জৈৱিক প্ৰবৃত্তিসমূহক ইতিবাচক পথেদি আগুৱাই আনি বৰ্তমানৰ অত্যাধুনিক যুগত উপনীত কৰাইছে, যিটো প্ৰক্ৰিয়াই মানুহক পৃথিৱীৰ পৰ্বত-ভৈয়াম, নদ-নদী, সাগৰ, পশু-পক্ষী আদিৰ ওপৰত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সমৰ্থ কৰি তোলাৰ উপৰিও আকাশ মাৰ্গত থকা গ্ৰহ-নক্ষত্ৰ আৰু সাগৰ তলিত তথা ভূখণ্ডৰ অন্তৰ ভাগৰ সম্ভেদ বিচাৰিবলৈ সাহস যোগাইছে আৰু সমগ্ৰ পৃথিৱীৰ মানৱ জাতিৰ মাজত যোগসূত্ৰ স্থাপন কৰিবলৈ সক্ষম কৰি তুলিছে সেই মানৱসৃষ্ট সৰ্বশক্তিমান চিৰন্তন প্ৰক্ৰিয়াই হ'ল শিক্ষা।

আমাৰ এই নিবন্ধত ইতিহাসে ঢুকি পোৱা দিনৰ পৰা এতিয়ালৈকে শিক্ষা সম্পৰ্কত বিভিন্ন দেশৰ শিক্ষাবিদ সকলে আগবঢ়াই অহা ধাৰণা আৰু শিক্ষা সম্প্ৰসাৰণৰ কাৰণে আগবঢ়োৱা প্ৰচেষ্টাৰ এটা সংক্ষিপ্ত বিৱৰণ দিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাবে বিভিন্ন সময়ৰ আৰু বিভিন্ন দেশৰ কেইগৰাকীমান বিশিষ্ট তথা বহুচৰ্চিত শিক্ষাবিদ বাচি লোৱা হৈছে।

বৰ্তমান পৃথিৱীৰ উন্নত, উন্নয়নশীল আৰু অনুন্নত দেশ ৰূপে শ্ৰেণীবদ্ধ সকলো দেশেই নিজ নিজ দেশক বৰ্তমানৰ অৱস্থাতকৈ উন্নত অৱস্থালৈ নিয়াৰ প্ৰচেষ্টা চলাই আছে। উন্নত দেশবোৰৰ মাজত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবৰ বাবে অঘোষিত প্ৰতিযোগিতা চলিছে। উন্নয়নশীল দেশবোৰে অচিৰেই উন্নত দেশৰ মৰ্যাদা লাভ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ বাবে উন্নত দেশবোৰৰ সহায়-সহযোগিতাৰ প্ৰয়োজন

হয়। অনুন্নত দেশবোৰেও উন্নয়নশীল আৰু উন্নত দেশবোৰৰ সহায়-সহানুভূতিৰ যোগেদি নিজৰ দেশক আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰে। এইদৰে আন্তঃৰাষ্ট্ৰীয় বুজাপৰা আৰু সহযোগিতাৰ মাজেদিয়েই পৃথিৱীৰ মানৱ জাতিৰ উন্নয়ণৰ বাবে যিসকল মনিষীয়ে তেওঁলোকৰ জীৱন কালত অহোপুৰুষাৰ্থ কৰিছিল সেই সকলো পুৰুষ বা নাৰীয়েই শিক্ষা জগতৰো একোটি ধ্ৰুৱতৰা। আমাৰ এই আলোচনাত এই সকলোকে সামৰি লোৱাটো সম্ভৱ নহয়, কেৱল আমাৰ প্ৰবন্ধৰ শিৰোনামৰ লগত সংগতি ৰাখি আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ যোগেদি সততে পৰিচয় লাভ কৰা আমাৰ দেশ আৰু বিদেশৰ কেইজনমান শিক্ষাবিদ তথা শিক্ষাদাৰ্শনিকৰ বিষয়ে ঐতিহাসিক ক্ৰমত আলোচনা কৰিবলৈ লোৱা হৈছে।

প্ৰথমে যীশুখৃষ্ট জন্মৰ আগৰ তিনিজন বিখ্যাত ব্যক্তিয়ে শিক্ষা, সমাজ আৰু ৰাজনৈতিক ক্ষেত্ৰলৈ যোগোৱা অৰিহণাৰ কথা উল্লেখ কৰিব খুজিছো যিখিনি অৰিহণাৰ প্ৰাসংগিকতা ক্ষেত্ৰ বিশেষে আজিও উপলব্ধি কৰা হয়। তেওঁলোক হ'ল ক্ৰমে চক্ৰেটিচ (খৃঃপূঃ ৪৬৯-৩৯৯), প্লেটো (খৃঃপূঃ ৪২৭-৩৪৭) আৰু এৰিষ্টোটল (খৃঃপূঃ ৩৮৪-৩২২)। উল্লেখ্য যে চক্ৰেটিছৰ পৰম শিষ্য আছিল প্লেটো আৰু প্লেটোৰ অতি প্ৰিয় শিষ্য আছিল এৰিষ্টোটল। **চক্ৰেটিছ (খৃঃপূঃ ৪৬৯-৩৯৯)** চক্ৰেটিছে কোনো নিৰ্দিষ্ট বিদ্যালয়ত পাঠদান কৰা নাছিল, অথচ তেওঁৰ অনুগামী সকলে তেওঁক মহান শিক্ষক বুলি অভিহিত কৰিছিল। গ্ৰীক দাৰ্শনিক চক্ৰেটিছে তেওঁৰ জন্মভূমি এথেন্স (Athens)ক এখন সাৰ্থক ৰাজ্যত উপনীত কৰাৰ সপোন দেখিছিল। তেওঁৰ সপোনৰ কথা ৰাস্তা-ঘাটে, হাটে-বজাৰে সমবেত হোৱা জনসাধাৰণক আৰু বিশেষকৈ যুৱকসকলৰ আগত ব্যক্ত কৰিছিল। এথেন্সক সাৰ্থক ৰাজ্যত পৰিণত কৰিবলৈ কি কৰিব লাগিব তাৰ বিষয়ে যুৱকসকলক প্ৰথমে প্ৰশ্ন কৰিছিল। যুৱকসকলে প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰিৱৰ্তে তেওঁৰ মুখলৈ চাই ৰৈছিল। সেই সুযোগতে তেওঁ কৰা প্ৰশ্নৰ নিজেই উত্তৰ দি তেওঁৰ মনৰ ভাৱ শ্ৰোতাসকলৰ আগত ব্যাখ্যা কৰিছিল। এইদৰে ৰাজনীতি, ধৰ্ম, সমাজনীতি, শিক্ষা আদি বিভিন্ন দিশৰ প্ৰশ্নৰ অৱতাৰণা কৰি সেই বিষয়বোৰৰ বিশদ জ্ঞান উপলব্ধি কৰিবলৈ শ্ৰোতাসকলক সুযোগ দিয়াৰ লগতে তেওঁলোকৰ মনত উদয় হোৱা প্ৰশ্ন আহ্বান কৰিছিল। ইয়াৰ জৰিয়তে চক্ৰেটিছে জনসাধাৰণৰ মনোভাৱ পৰীক্ষা কৰি চাইছিল। চক্ৰেটিছৰ এই দৃষ্টিভংগীক বহুতে মনোভাৱ পৰীক্ষাৰ তথ্য (Theory of examining ideas) বুলি অভিহিত কৰিছিল। শিক্ষাবিদসকলে চক্ৰেটিছৰ এই জ্ঞান প্ৰদানৰ কৌশলক প্ৰশ্ন-উত্তৰ কৌশল (Question answer technique) বুলি ক'ব খোজে। আধুনিক যুগৰ শিক্ষাদান পদ্ধতিত চক্ৰেটিছৰ এই কৌশল যথেষ্ট ফলপ্ৰসূ বুলি বিবেচিত হৈছে।

**প্লেটো (খৃঃপূঃ ৪২৭-৩৪৭) ঃ** চক্ৰেটিছৰ পৰম শিষ্য প্লেটোৱে নিজে উল্লেখ কৰি গৈছে যে তেওঁ চক্ৰেটিছৰ এজন গুণমুগ্ধ শ্ৰোতা আছিল আৰু চক্ৰেটিছে তেওঁৰ বক্তৃতাত উল্লেখ কৰা প্ৰতিটো শব্দ তেওঁ মনোযোগেৰে শুনিছিল আৰু মনত ৰাখিছিল।

উল্লেখযোগ্য যে চক্ৰেটিছে তেওঁৰ বক্তৃতাসমূহ বা যিকোনো উক্তি লিখিত আকাৰত থৈ যোৱা নাছিল। প্লেটোৱে চক্ৰেটিছৰ বক্তৃতাৰ আধাৰতে কেইবাখনো গ্ৰন্থ প্ৰনয়ন কৰিছিল আৰু

এই গ্ৰন্থকেইখনৰ জৰিয়তে তেওঁৰ মহান গুৰু চক্ৰেটিছক পুনৰুজ্জীৱিত কৰা বুলি আনন্দেৰে প্ৰকাশ কৰিছিল।

আদৰ্শবাদী দাৰ্শনিক হিচাপে প্লেটোক বৰ্তমানৰ শিক্ষাবিদ, শিক্ষক-ছাত্ৰ সকলোৱেই জানে। শিক্ষাৰ দিশত প্লেটোৰ মহত্ব প্ৰকাশ পাইছিল তেওঁ প্ৰতিষ্ঠা কৰা 'অকাডেমী' (Academy) নামৰ শিক্ষানুষ্ঠানৰ যোগেদি। প্লেটোই শিক্ষাৰ্থীসকলৰ বয়সানুপাতে বিভিন্ন প্ৰকাৰৰ শিক্ষাদানৰ বাবে এক বিস্তৃত আঁচনি যুগত কৰিছিল। তেওঁৰ আঁচনি মতে ১৭ (সোতৰ) বছৰৰ আগৰ সকলো ল'ৰা-ছোৱালীকে সাধাৰণ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল। সোতৰৰ পৰা বিশ বছৰলৈকে এই তিনি বছৰত সামৰিক শিক্ষা দিয়াটো বাধ্যতামূলক কৰা হৈছিল। ইয়াৰ পিছৰ পাঁচ বছৰত মানসিক উৎকৰ্ষ সাধন কৰিব পৰা বৌদ্ধিক তথা যৌক্তিক শিক্ষা প্ৰদানৰ কাৰ্যসূচী লোৱা হৈছিল। এই শিক্ষাৰ অন্তত ১৫ (পোন্ধৰ) বছৰৰ কাৰণে নৈতিক শিক্ষাৰ ব্যৱস্থা কৰিছিল। পঞ্চাশ বছৰ বয়সত দেশ শাসনৰ বাবে প্ৰয়োজনীয় অৰ্হতা আহৰণৰ বাবে প্ৰশাসনিক সেৱাৰ শিক্ষা দিয়াৰ ব্যৱস্থাও কৰা হৈছিল।

শিক্ষাদানৰ আঁচনি প্ৰস্তুত কৰাৰ আগতে প্লেটোই শিক্ষাৰ এনে এক উদ্দেশ্য নিৰ্দ্ধাৰণ কৰি লৈছিল যে শিক্ষাৰ যোগেদি নাগৰিকসকলক তিনিটা শ্ৰেণীত বিভক্ত কৰা হ'ব পাৰে। সেই তিনিটা হ'ল - শাসন শ্ৰেণী (Ruling class), যুজাৰু বা সৈনিক শ্ৰেণী (Warriors) আৰু শ্ৰমিক শ্ৰেণী (Labourers)।

শাসন শ্ৰেণীৰ বাবে উচ্চমানৰ বৌদ্ধিক শিক্ষা, দেশৰ প্ৰতিৰক্ষাৰ দায়িত্বত থকা সকলৰ বাবে কৌশলপূৰ্ণ সামৰিক শিক্ষা আৰু শ্ৰমিক শ্ৰেণীৰ বাবে সাধাৰণ শিক্ষাৰ লগতে বৃত্তিমূলক আৰু কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয়তা মহৰ্ষি প্লেটোই তেতিয়াৰ যুগতে উপলব্ধি কৰিছিল আৰু তাৰ বাবে আঁচনি যুগুত কৰি তেওঁৰ 'অকাডেমী'ৰ যোগেদি যাক যেনে শিক্ষাৰ প্ৰয়োজন তেনে শিক্ষাৰ যোগান ধৰিছিল। প্ৰথম পৰ্যায়ৰ সাধাৰণ শিক্ষাৰ যোগেদি শিক্ষাৰ্থীসকলৰ শাৰীৰিক, মানসিক, সামাজিক আৰু নৈতিক উৎকৰ্ষ সাধন কৰিব পৰাকৈ এক বিস্তৃত পাঠ্যক্ৰম প্ৰস্তুত কৰা হৈছিল। আদৰ্শবাদী প্লেটোৱে শিক্ষাৰ্থীসকলক সত্য, সুন্দৰ, দয়া, ক্ষমা আদি গুণবোৰৰ তাৎপৰ্য উপলব্ধিত সহায় কৰিব পৰাকৈ শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিছিল।

প্লেটোৰ তিনিখন মহৎ গ্ৰন্থ The Republic, The Low আৰু The Statesman আজিও গ্ৰন্থ জগতত মহৎ হৈয়েই আছে।

**এৰিষ্টোটল (খৃঃপূঃ ৩৮৪-৩২২)ঃ** প্ৰাচীন গ্ৰীছৰ বিদগ্ধ পণ্ডিতসকলৰ ভিতৰত অন্যতম কাণ্ডাৰী আছিল এৰিষ্টোটল। কৈশোৰ কালত পিতৃ-মাতৃয়ে 'বিনষ্ট হোৱা সন্তান' (Spolit child) বুলি আক্ষেপ কৰিব লগা হোৱা এৰিষ্টোটল প্লেটোৰ 'অকাডেমী'ৰ ছাত্ৰ আছিল। প্লেটোৰ ব্যক্তিত্বৰ প্ৰত্যক্ষ প্ৰভাৱে এৰিষ্টোটলৰ জীৱনৰ গতি পৰিৱৰ্তন কৰি দিলে। অকাডেমীৰ অতি নিবিড় আৰু শান্ত পৰিৱেশৰ লগতে প্লেটোৰ উদ্দীপনাময় শিক্ষাই এৰিষ্টোটলৰ অন্তৰ্নিহিত প্ৰতিভাসমূহৰ পূৰ্ণ বিকাশত অৰিহণা যোগালে। তেওঁ পৃথিৱীৰ ভিতৰত এজন বিশাল ব্যক্তিত্বৰ অধিকাৰী হৈ উঠিল। এটা সময়ত তেওঁ গ্ৰীক সেনাপতি তথা সম্ৰাট মহামতি আলেকজেণ্ডাৰৰ ঘৰুৱা শিক্ষক (Private Tutor) হিচাপেও নিযুক্ত হৈছিল।

এৰিষ্টোটলে 'লিচিয়াম' (Lyceum) নামৰ এখন বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। এই বিদ্যালয় এটা আহল-বহল বক্তৃতাগৃহ আছিল। এই ঘৰৰ ভিতৰত শিক্ষাৰ্থীসকলে খোজকাঢ়ি এফালৰ পৰা আনফালে ঘূৰি ফুৰা অৱস্থাতে পাঠদান কৰা হয়। সেয়ে এই বিদ্যালয়ক চলন্ত বিদ্যালয় (Peripatetic school) বুলিও কোৱা হৈছিল। ইংৰাজী School শব্দৰ গ্ৰীক পৰিভাষা Skhole ইয়াৰ অৰ্থ হ'ল বক্তৃতাগৃহ (Lecture Hall)। গ্ৰীক Skhole শব্দৰ পৰাই ইংৰাজী School শব্দৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰা হৈছে। এৰিষ্টোটলে তেওঁৰ বিদ্যালয়ত শিক্ষাৰ্থীসকলৰ আত্ম-অনুশাসনৰ (Self discipline) ওপৰত গুৰুত্ব দিছিল। মনোবিজ্ঞান সন্মত শিক্ষা ব্যৱস্থাত যিকোনো শিক্ষকেই শিক্ষাৰ্থীসকলৰ মাজত অনুশাসন বৰ্তাই ৰখাৰ বাবে আত্মানুশাসনৰ ওপৰত গুৰুত্ব দিয়া উচিত বুলি বিবেচনা কৰে।

এৰিষ্টোটলে শিক্ষাক চৰকাৰী বিষয়ৰূপে গণ্য কৰিছিল আৰু কৈছিল যে চৰকাৰে মানুহৰ বাল্য কালৰ শিক্ষাৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা উচিত। তেওঁৰ মতে চৰকাৰে শিশুক সাত বছৰ বয়সলৈকে শাৰীৰিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগে লগে ল'ৰা-ছোৱালী সকলোকে সংগীত আৰু সাধুকথাৰ সহায়ত মানসিক উৎকৰ্ষ সাধন শিক্ষা দিয়া উচিত। শিশুৰ তত্ত্বাৱধানৰ ক্ষেত্ৰত এটা বৈশিষ্ট্যপূৰ্ণ কথা হৈছে যে ঘৰত থকা চাকৰৰ ওপৰত ল'ৰা-ছোৱালী লালন-পালনৰ দায়িত্ব ন্যস্ত কৰিব নালাগে। কাৰণ সেই দাস শ্ৰেণীৰ অশিক্ষিত ব্যক্তিসকলৰ বেয়া আচৰণ আৰু বেয়া অভ্যাসবোৰ ল'ৰা-ছোৱালীয়ে সহজে অনুকৰণ কৰি লয়।

এৰিষ্টোটলে শিক্ষাক দুটা শ্ৰেণীত ভাগ কৰিছিল (১) নাগৰিকত্ব আৰু ভৱিষ্যত জীৱনৰ শিক্ষা। (২) অৱসৰ-বিনোদনৰ শিক্ষা। এৰিষ্টোটলে কৈছিল যে অৱসৰ বিনোদনৰ শিক্ষাৰ অৰ্থ আনন্দ উপভোগ কৰিবলৈ শিকোৱা নহয়, বৰং ই হ'ল জ্ঞান অন্বেষণৰ শিক্ষা।

এৰিষ্টোটলে বিভিন্ন দিশৰ ওপৰত গ্ৰন্থ আৰু প্ৰবন্ধ লিখিছিল যেনে — বিজ্ঞান, কাব্য আৰু অলংকাৰ, ৰাজনীতি, নীতিশাস্ত্ৰ আৰু সাধাৰণ দৰ্শন। বিজ্ঞান বিষয়ক গ্ৰন্থসমূহত পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান আৰু জ্যোতিবিদ্যাই বিশেষ প্ৰাধান্য লাভ কৰিছিল।

ইয়াৰ পিছত যীশুখৃষ্টৰ জন্মৰ পিছৰ শিক্ষাবিদসকলৰ ভিতৰত কেইজনমানৰ নাম আৰু কামৰ বিষয়ে চমুকৈ উল্লেখ কৰিব খুজিছোঁ। তেওঁলোক হ'ল (১) কুইণ্টিলিয়ান (খৃঃ ৩৫-৯৫), (২) চেইণ্ট অগষ্টাইন (খৃঃ ৩৫৪-৪৩০) আৰু (৩) কমেচিয়াচ (খৃঃ ১৫৯২-১৬৭০)

**কুইণ্টিলিয়ান (খৃঃ ৩৫-৯৫) ঃ** কুইণ্টিলিয়ান আছিল ৰোমৰ এজন জনপ্ৰিয় শিক্ষক, অলংকাৰ শাস্ত্ৰত পাৰ্গত (Rhetorician) আৰু সুবিখ্যাত বক্তা (orator)। তেওঁৰ মতে বক্তৃতা প্ৰদানৰ কলা সকলোৱেই আয়ত্ব কৰা উচিত।

কুইণ্টিলিয়ানে ব্যাকৰণ অধ্যয়নৰ ওপৰতো বিশেষ গুৰুত্ব দিছিল। তেওঁৰ মতে ব্যাকৰণ হ'ল সকলো উচ্চ পৰ্যায়ৰ লিখিত আৰু কথিত ভাষাৰ ভেটি। কুইণ্টিলিয়ানে শিক্ষাৰ্থীসকলক এই বুলি উপদেশ দিছিল যে তেওঁলোকে মুখেৰে উচ্চাৰণ কৰা প্ৰতিটো শব্দ লিখি যাব লাগে। ইয়াৰ সহায়ত তেওঁলোকে শব্দটোৰ বানান আৰু উচ্চাৰণ একে সময়তে

মনত ৰাখি যাব পাৰে। কাৰণ তেওঁৰ মতে লিখিত শব্দবোৰ মনত ৰৈ যায় আৰু কথিত শব্দবোৰ বতাহত উৰি যায়। গ্ৰীক ভাষাত ইয়াকে কোৱা হয় ‘Scripta manet, Verb volent’ - ইয়াৰ ইংৰাজী তৰ্জমা হ’ল ‘Written words remain in the mind and spoken words fly away.’ শিক্ষাৰ লক্ষ্য সম্পৰ্কত কুইণ্টিলিয়ানে মন্তব্য কৰিছিল যে শিক্ষাই ব্যক্তিক একোজন সুবক্তা (orator) হোৱাত সহায় কৰিব আৰু যথাসময়ত একোজন প্ৰকৃত ৰাজনীতিজ্ঞ (Statesman) কৰি তুলিব। এজন সাধাৰণ বক্তা (Speaker) আৰু এজন সুবক্তা (orator)ৰ মাজৰ পাৰ্থক্য দেখুৱাই কুইণ্টিলিয়ানে কৈছিল যে এজন সুবক্তাৰ বাগ্মীতা শক্তি ভগৱান প্ৰদত্ত সাধুতা, সত্যবাদিতা আদি গুণৰ দ্বাৰা বিভূষিত হয়। তেওঁ কলা, বিজ্ঞান, বাণিজ্য, সুকুমাৰ কলা আদি বিভিন্ন বিষয়ৰ জ্ঞানৰ অধিকাৰী হোৱাৰ লগতে সকলো প্ৰকাৰৰ বাস্তৱ প্ৰমূল্যৰ গভীৰতালৈ যাব পাৰে - যিবোৰ গুণ এজন সাধাৰণভাৱে কথা ক’ব পৰা বক্তাৰ ক্ষেত্ৰত দেখা নাযায়।

কুইণ্টিলিয়ানে ব্যক্তিগত খণ্ডৰ শিক্ষাতকৈ ৰাজহুৱা খণ্ডৰ শিক্ষাৰ ওপৰত বেছি গুৰুত্ব দিছিল।

ব্যক্তিগতভাৱে ঘৰুৱা শিক্ষক নিয়োগ কৰি শিক্ষা প্ৰদানৰ ব্যৱস্থাক নস্যাৎ কৰি কুইণ্টিলিয়ানে কৈছিল যে এখন বিদ্যালয়ত বিভিন্ন প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত শিক্ষাদান কৰি একোজন শিক্ষকে যথেষ্ট অনুপ্ৰেৰণা লাভ কৰে যিটো তেওঁ তেওঁৰ ঘৰত বা ছাত্ৰ-ছাত্ৰীৰ ঘৰত ব্যক্তিগতভাৱে শিক্ষা দি লাভ কৰিব নোৱাৰে। একোটা শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তেওঁলোকৰ প্ৰতিভা বিকাশৰ স্বাৰ্থত হোৱা প্ৰতিযোগিতাৰ ফলাফল দেখি এজন শিক্ষকে যিমান সন্তুষ্টি আৰু প্ৰেৰণা লাভ কৰে সেইখিনি এজন ঘৰুৱা শিক্ষকে পাব নোৱাৰে।

শিক্ষকৰ অৰ্হতা সম্পৰ্কত কুইণ্টিলিয়ানে মন্তব্য কৰিছিল যে শিক্ষক এজনৰ গাত থাকিব লগা সবাটোকৈ শ্ৰেষ্ঠ গুণটো হ’ল সৎ চৰিত্ৰ। ব্যক্তি হিচাপে শিক্ষকজন হ’ব লাগিব এজন আদৰ্শ স্থানীয় ব্যক্তি যিজনে ছাত্ৰ-ছাত্ৰীক উপদেশ দিবৰ সময়ত ‘উপদেশতকৈ আৰ্হি ভাল’ এই প্ৰবাদ বাক্য (adage) আখৰে আখৰে পালন কৰিব পাৰে।

শিক্ষক আৰু ছাত্ৰৰ মাজত পাৰস্পৰিক স্নেহ আৰু শ্ৰদ্ধাৰ সম্পৰ্ক গঢ়ি তোলাৰ ওপৰত কুইণ্টিলিয়ানে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। মেধাৱী তথা প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীক তেওঁলোকে প্ৰদৰ্শন কৰা মেধা বা প্ৰতিভাৰ স্বীকৃতি স্বৰূপে প্ৰশংসা সূচক শব্দেৰে প্ৰতিভা প্ৰদৰ্শনৰ লগে লগে পুৰস্কৃত কৰা উচিত বুলি এই মহান শিক্ষকজনে মন্তব্য কৰিছিল।

কুইণ্টিলিয়ানে স্ত্ৰী শিক্ষাৰ সপক্ষে বা বিপক্ষে কোনো মন্তব্য দিয়া নাছিল। কিন্তু পিতৃ-মাতৃৰ প্ৰতি তেওঁৰ উপদেশ আছিল যে ছোৱালীবোৰকো ল’ৰাৰ সমানেই শিক্ষা দিব লাগে।

**চেইণ্ট আগষ্টাইন (খৃঃ ৩৫৪-৪৩০) ঃ** আন এজন ৰোমান পুৰোহিত তথা বিশিষ্ট শিক্ষাবিদ চেইণ্ট আগষ্টাইনৰ বিষয়ে কোৱা হয় যে তেওঁ আছিল ধৰ্ম, সাংস্কৃতিক আৰু ভাষিক সংহতিৰ প্ৰতীক। আগষ্টাইনে কৈছিল যে যিকোনো সত্যৰ উৎস হ’ল ঈশ্বৰ প্ৰেৰিত স্বৰ্গজ্যোতি (divine light)। এই সত্য বা জ্ঞানৰ উৎস শিক্ষকজন নহয়। শিক্ষকে তেওঁৰ জ্ঞান লাভ কৰে স্বৰ্গজ্যোতিৰ পৰা। শিক্ষাৰ্থীসকলো নিষ্ক্ৰিয় শ্ৰোতা হৈ থাকিব নোৱাৰে। তেওঁলোক সক্ৰিয় শিকাৰু। শিক্ষকে কোৱা কথাবোৰৰ ভিত্তিত তেওঁলোকে চিন্তা কৰে

আৰু এই চিন্তাৰ আধাৰত বিষয়বস্তু সম্পৰ্কত তেওঁলোকে নিজস্ব ধাৰণা গ্ৰহণ কৰে।

শিক্ষাদানৰ কলা আৰু কৌশল সম্পৰ্কত আগষ্টাইনে কৈছিল যে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনত উদ্দীপনা যোগাব লাগে যাতে তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে নিজা চিন্তা শক্তি বৃদ্ধি কৰিব পাৰে আৰু প্ৰকৃত সত্য উদ্‌ঘাটন কৰিব পাৰে। শিক্ষকে নিজকে এজন অভিৰোচক (motivator)ৰ ভূমিকাত অৱতীৰ্ণ কৰিব লাগে।

আগষ্টাইনৰ মহৎ গ্ৰন্থখনৰ নাম আছিল 'De Magistor' (The teacher)। মূলতঃ শিক্ষকৰ ভূমিকা সম্পৰ্কে লিখা এই গ্ৰন্থৰ প্ৰধান বিষয়বস্তু আছিল ধাৰণাৰ উৎস (The origin of ideas)। বিভিন্ন প্ৰকাৰৰ ধাৰণা মনত কেনেকৈ গঢ় লৈ উঠে সেই সম্পৰ্কে গ্ৰন্থখনত আলোচনা কৰা হৈছে। ধাৰণাবোৰ মানুহে নিজৰ ইন্দ্ৰিয়সমূহৰ জৰিয়তে লাভ কৰা সংবেদনৰ ভিত্তিত গঢ়ি উঠে নে এজন মানুহে শব্দৰ মাধ্যমেদি আন মানুহলৈ পঠাই দিয়াৰ ফলত শ্ৰোতাৰ মনত গঢ়ি উঠে? এই প্ৰশ্নৰ সমিধান দি আগষ্টাইনে লিখিছিল যে এজন ব্যক্তিয়ে তেওঁৰ মনত সৃষ্টি হোৱা ধাৰণা যেতিয়া আন এজনলৈ পঠাব লগা হয় তেতিয়া তেওঁ দুটা প্ৰতীক ব্যৱহাৰ কৰিব পাৰে — এটা হ'ল শব্দ বা ভাষা আৰু আনটো হ'ল অংগী-ভংগী (gestures)। এই অংগী-ভংগী সাধাৰণতে কলা আৰু বোবাৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। আগষ্টাইনৰ মতে এই ভাষা (Language) আৰু অংগী-ভংগী (gestures and postures)বোৰে অনেক সময়ত বিষয় বা বস্তুৰ প্ৰকৃত ৰূপটো বুজাত সহায় নকৰে। কাৰণ এই প্ৰতীকবোৰ প্ৰায়ে ব্যৰ্থবোধক হ'ব পাৰে। সেয়ে আগষ্টাইনৰ মতে শিক্ষাৰ্থীসকলক যিকোনো বিষয় বা বস্তুৰ শুদ্ধ ধাৰণা দিবলৈ হ'লে তেওঁলোকক সেই বিষয় বা বস্তুৰ লগত প্ৰত্যক্ষ যোগাযোগ ঘটাৰ সুবিধা দিব লাগিব।

আগষ্টাইনে উপলব্ধি কৰিছিল যে কেৱল মূৰ্ত ধাৰণাহে (conerete ideas) মূৰ্ত বস্তুৰ যোগেদি দিব পৰা যায়। ধৰ্ম, ঈশ্বৰ, সৎ, অসৎ, প্ৰয়োজনীয়, অপ্ৰয়োজনীয় আদি বিমূৰ্ত ধাৰণাবোৰ (Abstract ideas) দিবৰ বাবে অভিজ্ঞ ব্যক্তি, বিভিন্ন আন্তঃক্ৰিয়া (Interaction)ৰ সুবিধা দিব লাগে। মূৰ্ত, বিমূৰ্ত সকলো প্ৰকাৰৰ ধাৰণা ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজৰ চিন্তা শক্তি প্ৰয়োগ কৰি আয়ত্ব কৰিব পাৰে তাৰ কাৰণে আগষ্টাইনে বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব পৰা কিছুমান বিষয়ৰ অধ্যয়নৰ ওপৰত গুৰুত্ব দিছিল। তেনে কিছুমান বিষয় হ'ল ব্যাকৰণ, অলংকাৰ শাস্ত্ৰ (Rhetoric) তৰ্ক বিজ্ঞান, অংক, সংগীত, জ্যামিতি আৰু জ্যোতিৰ্বিদ্যা। তৰ্কবিজ্ঞান (dialectic) সম্পৰ্কত আগষ্টাইনে কৈছিল যে ই এনে এটা বিজ্ঞান যাৰ অধ্যয়নে অধ্যয়নকাৰী সকলক শিক্ষকৰ সহায় নোলোৱাকৈও সকলো ধৰণৰ চিহ্ন (Signs) আৰু প্ৰতীক (Symbols)ৰ অৰ্থ বুজাত সহায় কৰে।

মূৰ্ত বস্তু (Conerete objects)ৰ সহায়ত—

১) মূৰ্ত বিশেষ ধাৰণা (Concrete special ideas) যেনে, একোটা নামেৰে সৈতে প্ৰতিটো বস্তু চিনি পোৱা।

২) মূৰ্ত সাধাৰণ ধাৰণা (Concrete general ideas) যেনে প্ৰতিটো বস্তুৰ আভ্যন্তৰীণ আৰু বাহ্যিক মূল্য (Intrinsric and extrinsic value)ৰ ধাৰণা।

৩) একোটা বস্তু একোজন ব্যক্তি বা একোটা বিষয় সম্পৰ্কত মনত সৃষ্টি হোৱা বিমূৰ্ত

ধাৰণা (Abstract ideas) কেনেকৈ গঢ়ি উঠে সেই সম্পৰ্কে আধুনিক শিক্ষা মনোবিজ্ঞানে আগবঢ়োৱা ব্যাখ্যা আগষ্টাইনৰ তৰ্কবিজ্ঞান সম্পৰ্কত আগবঢ়োৱা বিৱৰণৰ ওপৰত প্ৰতিষ্ঠিত হোৱা যেন লাগে।

**জন এমছ্ কমেনিয়াছ (খৃঃ ১৫৯২-১৬৭০)** ঃ শিক্ষাৰ ক্ষেত্ৰলৈ বহুমূলীয়া বৰঙণি আগবঢ়োৱা দাৰ্শনিক শিক্ষাবিদসকলৰ ভিতৰত অন্যতম জনপ্ৰিয় ব্যক্তি আছিল জন এমছ্ কমেনিয়াছ। ইংৰাজী লিপিত Comeniusৰ পূৰ্বৰ বানান আছিল Comenisky। বৰ্তমানৰ জেকস্লভেকিয়াৰ (Czekoslovakia) অন্তৰ্গত মোৰাভিয়াত জন্ম গ্ৰহণ কৰা কমেনিয়াছে বাল্যকালতে পিতৃ-মাতৃক হেৰুৱাব লগা হোৱাত বহুত কষ্ট আৰু সংগ্ৰামৰ মাজেদি নিজক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। পিছলৈ তেওঁ লেটিন ভাষাৰ এজন বিখ্যাত পণ্ডিত হিচাপে পৰিগণিত হৈছিল আৰু গীৰ্জাৰ উচ্চখাপৰ বিষয়া (Pastor) পদত নিযুক্ত হৈছিল। এই পদত থকা সময়তে কমেনিয়াছে শিক্ষা বিষয়ক প্ৰবন্ধ আৰু গ্ৰন্থ প্ৰণয়ন কৰিছিল।

কমেনিয়াছৰ প্ৰথমখন শিক্ষা বিষয়ৰ গ্ৰন্থ আছিল এখন সহজ ব্যাকৰণ। ছাত্ৰ-ছাত্ৰীয়ে সহজে বুজিব পৰাকৈ এইখন লিখা হৈছিল। শিক্ষাদান পদ্ধতিৰ ক্ষেত্ৰত কমেনিয়াছে ঘোষণা কৰিছিল যে শিক্ষাৰ্থীসকলক কেৱল শব্দবোৰ শিকালেই নহ'ব, প্ৰতিটো শব্দৰ লগত জড়িত বস্তু আৰু আনুষংগিক ধাৰণাবোৰ আয়ত্ব কৰিবলৈও শিকাব লাগিব।

কমেনিয়াছে খেল-ধেমালি ভাল পাইছিল, কিন্তু ফুটবল খেল ভাল পোৱা নাছিল। কাৰণ তেওঁৰ মতে ফুটবল খেলে পাশৱিক আতংক সৃষ্টি কৰাৰ লগতে হিংসাৰ ভাৱ বিয়পায়।

কমেনিয়াছক সাৰ্বজনীন প্ৰজ্ঞা (Pansophia)ৰ অধিকাৰী বুলি কোৱা হৈছিল। তেওঁ বিজ্ঞানৰ প্ৰগতি আৰু অন্যান্য বিষয়ৰ লগত ইয়াৰ সম্পৰ্ক সাধনৰ যোগেদি সাৰ্বজনীন প্ৰজ্ঞা (Universal wisdom/Pansophia) প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিছিল। এই প্ৰয়াসৰ তিনিটা দিশ আছিল ১) সাৰ্বজনীন বিদ্যাৰ বাবে এখন বিশ্বকোষ (Encylopadia) প্ৰকাশৰ পৰিকল্পনা, ২) এনেকুৱা এখন কলেজ প্ৰতিষ্ঠা কৰা য'ত বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰসমূহ আগবঢ়াই নিব পৰাকৈ গৱেষণা কাৰ্য চলাই যাব পৰা লেবৰেটৰীসহ অন্যান্য সকলো সা-সুবিধা মজুত থাকিব আৰু ৩) শিক্ষাদানৰ এনে এটা পদ্ধতি আৱিষ্কাৰ কৰা যিটোৰ সহায়ত প্ৰতিজন শিক্ষাৰ্থীয়ে তেওঁলোকৰ মানসিক সামৰ্থ অনুযায়ী বিদ্যায়তনিক ক্ষেত্ৰৰ সকলো জ্ঞান আহৰণ কৰিব পাৰে।

কমেনিয়াছৰ এই প্ৰজ্ঞাত্মক পৰিকল্পনাৰ (Pansophic Plan) প্ৰথম পদক্ষেপ আছিল সকলোকে সকলো দিশৰ শিক্ষা দিয়াৰ কৌশল প্ৰয়োগ কৰা। তেওঁৰ মতে প্ৰত্যেকজন শিক্ষাৰ্থীয়ে তেওঁৰ সামৰ্থই ঢুকি পোৱা সকলো জ্ঞান আহৰণৰ সুবিধা পাব লাগে। সামাজিক জীৱন সম্পৰ্কেও সকলো শিক্ষাৰ্থীক প্ৰয়োজনীয় জ্ঞান দিয়া উচিত। তেওঁৰ মতে সকলো মানুহৰে বৌদ্ধিক ক্ষমতা (intellectual capacity) আছে আৰু সকলোৰেই সকলো ধৰণৰ জ্ঞান আহৰণ কৰিব পাৰে। তেওঁৰ দৃঢ় ধাৰণা আছিল যে সকলো মানুহৰ ক্ষেত্ৰতে নেতিবাচক দিশতকৈ ইতিবাচক দিশৰ শক্তি বেছি। মানুহৰ অন্তৰত থকা এই ইতিবাচক দিশ বা সৎ চিন্তাৰ প্ৰমাণ হিচাপে কমেনিয়াছে ক'ব খোজে, এটা সময়ত সকলো বিপথগামী ব্যক্তিয়েই তেওঁলোকৰ পূৰ্বৰ প্ৰকৃত ৰূপলৈ ঘূৰি অহাৰ

প্ৰৱণতা প্ৰকাশ কৰে।

কমেনিয়াছে বিশ্বাস কৰিছিল যে জ্ঞান, গুণ আৰু ধৰ্মনিষ্ঠাৰ বীজ সকলো স্বাভাৱিক ব্যক্তিৰ অন্তৰত থাকে আৰু এই বীজবোৰ সীমাহীনভাৱে বিকশিত হ'ব পাৰে। এই বীজবোৰক চূড়ান্তভাৱে বিকশিত কৰি মানৱ জাতিক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিব পৰা একমাত্ৰ শক্তিয়েই হ'ল শিক্ষা।

কমেনিয়াছে গণতন্ত্ৰত পূৰ্ণ বিশ্বাস স্থাপন কৰিছিল। সাধাৰণ মানুহৰ প্ৰতি তেওঁৰ অসীম সহানুভূতি আছিল। সেয়ে তেওঁ কৈছিল যে এই পৃথিৱীত জন্ম লাভ কৰা সকলো মানুহেই শিক্ষা লাভৰ সুযোগ পোৱা উচিত। তেওঁৰ মতে, পৰাপক্ষত সকলোকে একেলগে শিক্ষা দিবলৈ যত্ন কৰিব লাগে যাতে তেওঁলোকে এজনে আনজনক উদ্দীপনা যোগাব পাৰে আৰু এজনে আনজনৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিব পাৰে।

কমেনিয়াছৰ মতে শিশুসকল মানুহৰ পৰিয়ালত জন্ম গ্ৰহণ কৰিলেই প্ৰকৃত মানুহ (human) হৈ নাহে। তেওঁলোকে সমাজত থাকি মানুহ হোৱাৰ প্ৰশিক্ষণ পালেহে প্ৰকৃত মানুহ হৈ উঠিব পাৰে। তেওঁৰ মতে শিশুক শিক্ষা নিদিয়াৰ অৰ্থ হ'ব ভগৱানৰ ইচ্ছাৰ বিৰোধিতা কৰা।

কমেনিয়াছে লক্ষ্য কৰিছিল যে প্ৰটেষ্টাণ্টসকলে এচাম বিদ্যৎ শ্ৰেণী (Scholar) সৃষ্টি কৰিবৰ বাবেহে লেটিন ভাষা শিকিব পৰা প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। তেওঁ এই প্ৰথাৰ বিৰোধিতা কৰি কৈছিল যে কেৱল আঢ্যৱন্ত পৰিয়ালৰ বিষয়া আৰু বিচাৰকসকলৰ কাৰণে লেটিন ভাষা সংৰক্ষিত কৰা উচিত নহয়। তেওঁৰ মতে জনসাধাৰণৰ মাজত শ্ৰেণী বিভাজন কৰাৰ পৰিৱৰ্তে আৰু একশ্ৰেণী মানুহৰ সন্তানক নিজৰ ভাগ্য নিৰ্ণয়ৰ সুবিধা দিয়াৰ পৰিৱৰ্তে সকলো মানুহক শালিনতা, সামাজিকতা, নম্ৰতা আদি গুণবোৰ আয়ত্ব কৰিবলৈ সুযোগ দিয়া উচিত।

শিক্ষাৰ উদ্দেশ্য সম্পৰ্কত কমেনিয়াছে তেওঁৰ সাৰ্বজনীন প্ৰজ্ঞা (School of Universal wisdom = schola Pansophica) নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে শিক্ষাৰ্থীসকলে বিদ্যালয়ত যিখিনি শিকিব সেইখিনি বিদ্যালয় জীৱনৰ বাবেই নহয়, সমগ্ৰ জীৱনৰ বাবে শিকিব, শিক্ষাই যুৱক-যুৱতীসকলক শক্তিশালী কৰি তুলিব, সকলো ধৰণৰ কামৰ কাৰণে প্ৰস্তুত কৰিব, তেওঁলোকৰ প্ৰত্যেককে একোজন যোগ্য আৰু উদ্যমী কৰি জীৱনৰ যিকোনো কৰ্তব্য পালনৰ বাবে সাজু কৰিব। এইবোৰ গুণৰ লগতে শিক্ষাই তেওঁলোকক সদালাপী কৰি তুলিব আৰু ভগৱানৰ প্ৰতি ভয় আৰু প্ৰেমৰ ভাৱে শিক্ষাৰ্থীসকলক তেওঁলোকৰ মনৰ ভাৱ সাহসেৰে আৰু সাৱলীল গতিৰে উপস্থাপন কৰাত সহায় কৰিব।

শিক্ষাৰ লক্ষ্যত উপনীত হ'বৰ বাবে বিদ্যালয়সমূহে যোগান ধৰিব লাগিব উপযুক্ত পাঠ্যক্ৰম, উপযুক্ত শিক্ষক আৰু উপযুক্ত শিক্ষাদান পদ্ধতি।

কমেনিয়াছৰ শিক্ষা সম্পৰ্কত উপৰি উক্ত আলোচনাৰ পৰা বুজা যায় যে কমেনিয়াছে এতিয়াৰ পৰা প্ৰায় চাৰিশ বছৰৰ আগেয়ে আগবঢ়োৱা চিন্তাধাৰাৰ প্ৰাসংগিকতা এতিয়াও হেৰাই যোৱা নাই। কমেনিয়াছৰ পিছৰ কেইজনমান স্বনামধন্য শিক্ষাবিদৰ শিক্ষা সম্পৰ্কীয় ধ্যান-ধাৰণা আৰু শিক্ষাত সুদূৰপ্ৰসাৰী প্ৰভাৱ সম্পৰ্কে চমু আলোচনা কৰা হৈছে।

**জন লক্ (১৬৩২-১৭০৪ খৃষ্টাব্দ) ঃ** ইউৰোপ মহাদেশৰ অন্যতম প্ৰধান দেশ গ্ৰেট

বৃটেইনৰ এজন অধিবক্তাৰ পুত্ৰ জন লক্ অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খ্ৰাইষ্ট চাৰ্চ কলেজৰ ছাত্ৰ আছিল। তেওঁ অলংকাৰ আৰু ধ্ৰুপদী সাহিত্যৰ প্ৰবক্তা আছিল। চিকিৎসা শাস্ত্ৰৰ প্ৰতিও লকৰ গভীৰ অনুৰাগ আছিল। এই দিশত তেওঁ দীৰ্ঘদিন ধৰি গৱেষণাও কৰিছিল। একে সময়তে ধৰ্ম, শিক্ষা আৰু ৰাজনীতিৰ প্ৰতিও লক্ আকৰ্ষিত হৈছিল। এইদৰে বিভিন্ন দিশৰ লগত নিজকে জড়িত কৰি জন লকে্ জীৱনত বহুতো মূল্যবান অভিজ্ঞতা আহৰণ কৰিছিল আৰু সমাজত এজন বাস্তৱবাদী দাৰ্শনিক (Empirical Philosopher) ৰূপে পৰিচিত হৈছিল।

জন লক্ আছিল এজন বিখ্যাত ৰচনা লিখক। তেওঁৰ মানৱতাবোধ সম্পৰ্কীয় ৰচনা (Essay on human understanding) খন ১৬৯০ চনত লিখি শেষ কৰিছিল আৰু একে বছৰতে হোলেণ্ডত প্ৰকাশ পাইছিল। তেওঁৰ শিক্ষা বিষয়ক চিন্তা (Thoughts on Education) নামৰ আন এখন সুদীৰ্ঘ ৰচনা ১৬৯৩ চনত প্ৰকাশ পাইছিল। লকে্ কেইবাঠাইতো ঘৰুৱা শিক্ষক (Private tutor) ৰূপে চাকৰি কৰিছিল। ঘৰুৱা শিক্ষকৰ অভিজ্ঞতাৰ ফলত তেওঁৰ শিক্ষানীতি সম্পৰ্কীয় অনেক ধাৰণা গঢ়ি উঠিছিল। এই ধাৰণাৰ ভিত্তিতে তেওঁ শিশুৰ মনটো এখন খালি কাগজ (Tabula Rasa - A blank sheet of paper) বুলি অভিহিত কৰিছিল আৰু প্ৰকাশ কৰিছিল যে শিশু ডাঙৰ হৈ অহাৰ লগে লগে অভিজ্ঞতাৰ পৰা লাভ কৰা ভাল-বেয়া, সামাজিক-অসামাজিক আদি সকলো ধৰণৰ জ্ঞানে মনটো ভৰাই দিয়ে।

জন লক্‌ৰ মতে গণিত আৰু প্ৰাকৃতিক বিজ্ঞানৰ দৰে বিষয়ে শিক্ষাৰ্থীৰ মনটো অনুশাসিত কৰিব পাৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক এনেবোৰ বিষয় অধ্যয়ন কৰিবলৈ তেওঁ উৎসাহিত কৰিছিল। লকে্ শিক্ষাৰ জৰিয়তে একোজন ব্যক্তি পেছাগত পণ্ডিত (Professional School) হোৱাটো বিচৰা নাছিল। তেওঁ বিচাৰিছিল তেনে শিক্ষা যি শিক্ষাই প্ৰকৃততে একোজন ভদ্ৰলোকৰ সৃষ্টি কৰিব পাৰে। সেয়ে বহুতে জন লক্‌ৰ শিক্ষানীতিক ভদ্ৰলোকৰ শিক্ষানীতি বুলি অভিহিত কৰিছিল।

জন লকে্ শিক্ষাৰ বৌদ্ধিক দিশৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিয়াৰ সমান্তৰালভাৱে শিশুসকলৰ শাৰীৰিক আৰু নৈতিক শিক্ষাৰ ওপৰতো গুৰুত্ব দিছিল। তেওঁৰ মতে বহুতো অভিজাত পৰিয়ালৰ ল'ৰা-ছোৱালীক সিহঁতৰ বিকাশৰ প্ৰতি স্তৰতে অত্যন্ত মৰম, তত্ত্বাৱধানৰ মাজত ৰাখি অতি আলসুৱা কৰি তোলা হয় আৰু প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱৰ পৰা কৃত্ৰিমভাৱে বঞ্চিত কৰা হয়। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশত এনে কৃত্ৰিমতাই হেঙাৰ সৃষ্টি কৰে। সেয়ে তেওঁ পৰামৰ্শ দিছিল যে শিশুৰ বাবে প্ৰচুৰ পৰিমাণৰ মুক্ত বায়ু, শাৰীৰিক ব্যায়াম, যথেষ্ট পৰিমাণৰ নিদ্ৰা, সৰল খাদ্য, মাদক দ্ৰব্যৰ পৰা আঁতৰত ৰখা, বহুত বেছি গৰম কাপোৰেৰে আবৃত্ত নকৰা, গাত লিপিত খাই পৰা পোছাক নিপিন্ধোৱা, ভৰি আৰু মূৰত পৰ্যাপ্ত শীতলতা ৰক্ষা কৰা, সময়ে সময়ে ভৰি-হাত শীতল পানীৰ স্পৰ্শ লাভ কৰিবলৈ দিয়া আদি ব্যৱস্থাৰ কথা উল্লেখ কৰিছিল।

জন লকে্ শিশুৰ বৌদ্ধিক শিক্ষা প্ৰদানৰ সমানে সমানে নৈতিক শিক্ষা দিয়াৰো পৰামৰ্শ দিছিল। তেওঁ কৈছিল যে কেৱল নৈতিক শিক্ষাইহে শিশুৰ আনুভূতিক আচৰণ নিয়ন্ত্ৰণত সহায় কৰিব।

শিক্ষাদানৰ কৌশল সম্পৰ্কত জন লকে্ কৈছিল যে যিকোনো বিষয়ৰ জ্ঞান শিক্ষাৰ্থীসকলৰ

মনত জোৰকৈ আৰু হুৰমূৰকৈ সুমুৱাই দিবলৈ যত্ন কৰা অনুচিত। শিক্ষকে প্ৰথমে এনে পৰিৱেশ সৃষ্টি কৰা উচিত যিটো পৰিৱেশত শিকাব খোজা বিষয়টো শিক্ষাৰ্থীসকলৰ ভাল লাগি আহে। বিষয়টোৰ প্ৰতি মনত এটা ইতিবাচক ধাৰণা গঢ় লৈ উঠাৰ পিছত শিক্ষা আৰু শিকোৱা দুইটা কাম সহজ হৈ উঠে।

**জ্যাঁ জেক ৰুছো (১৭১২-১৭৭৮) ঃ** ১৭১২ চনত ফ্ৰান্সৰ এটা প্ৰটেষ্টাণ্ট (খৃষ্টিয়ান) ধৰ্মাৱলম্বী পৰিয়ালত জন্ম গ্ৰহণ কৰা ৰুছোৰ বাল্যকাল আছিল বৰ দুৰ্যোগপূৰ্ণ। জন্মৰ কেইঘণ্টামানৰ পিছতে মাতৃক হেৰুওৱাৰ পিছত দেউতাকে তেওঁৰ লালন-পালনৰ দায়িত্ব লয়। দেউতাক আছিল এজন ঘড়ী মিস্ত্ৰী। ৰুছোৰ দহ বছৰ বয়সতে দেউতাকে এক অপৰাধজনিত কাৰণত জেললৈ যাব লগা হ'ল। ৰুছোৰ মোমায়েক এজনে ৰুছোক শিল কটা কামত নিয়োগ কৰিলে। কেইদিনমানৰ পিছতে ৰুছো তাৰ পৰা পলাই গৈ অনাই-বনাই ঘূৰি ফুৰিলে। ২৩ বছৰ বয়সলৈকে ৰুছো ক'ত আছিল, কি কৰিছিল কোনেও জনা নাছিল। এই সময়ছোৱাৰ ভিতৰতে ৰুছোই ক'ত, কেনেকৈ শিক্ষা আৰু অভিজ্ঞতা লাভ কৰিলে সেই বিষয়ে ৰুছোৰ বাহিৰে আনে জনাৰ উপায় নাছিল।

ৰুছোৰ বিষয়ে আনে যেতিয়া জানে তেতিয়ালৈ ৰুছো হৈ পৰিছিল এজন প্ৰকৃতিবাদী দাৰ্শনিক, এজন শিশু শিক্ষাৰ পৃষ্ঠপোষক, মনোবিজ্ঞান আধাৰিত শিক্ষা ব্যৱস্থাৰ উদ্ভাৱক, এজন বিপ্লৱী ৰাজনৈতিক নেতা আৰু শিক্ষা, সমাজ, ৰাজনীতি আদি বিষয়ৰ গ্ৰন্থকাৰ।

শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা ৰুছোৰ মহান অৱদান হ'ল তেওঁৰ বিখ্যাত গ্ৰন্থ এমিলি (Emile)। এই গ্ৰন্থৰ মূল বিষয় হ'ল এটা শিশুৱে জন্মৰ পৰা বাৰ্দ্ধক্য প্ৰাপ্তিলৈকে পাব লগা শিক্ষা। ৰুছোৱে 'এমিলি' নামৰ এটা শিশুক তেওঁৰ মানসপটত আঁকি লৈ সেই শিশুক কেঁচুৱা কালত (জন্মৰ পৰা পাঁচ বছৰ বয়সৰ ভিতৰত), শৈশৱত (পাঁচৰ পৰা বাৰ বছৰ বয়সৰ ভিতৰত), বাল্যকাল (বাৰ বছৰৰ পৰা পোন্ধৰ বছৰ বয়সৰ ভিতৰত) আৰু যৌৱন কালত (পোন্ধৰৰ পৰা বিশ বছৰ বয়সৰ ভিতৰত) কেনে ধৰণৰ শিক্ষা দিয়া হ'ব তাৰ এক সু-শৃংখলিত ব্যৱস্থা বৰ্ণনা কৰিছে। ইয়াৰ বাবে তেওঁ শিশুৰ জীৱনত ওপৰত উল্লেখ কৰা দৰে চাৰিটা স্তৰত পৰিস্ফুট হোৱা শাৰীৰিক, মানসিক, সামাজিক আৰু নৈতিক বিকাশৰ লক্ষণসমূহ বিস্তৃতভাৱে আলোচনা কৰিছে আৰু এই লক্ষণসমূহৰ ভিত্তিত বিকাশৰ উপযোগী হোৱাকৈ কেনে ধৰণৰ শিক্ষা দিয়া উচিত সেই সম্পৰ্কেও আলোচনা কৰিছে।

উল্লেখযোগ্য যে ৰুছোই তেওঁৰ মানস পুত্ৰ এমিলিয়ে যৌৱন প্ৰাপ্তিৰ পিছত কেনে ধৰণৰ জীৱনসংগী বাছি ল'ব তাৰ বিৱৰণ দিবলৈ গৈ তেওঁ গ্ৰন্থখনৰ পঞ্চম অধ্যায়ত 'চফিয়া' নামৰ এটা স্ত্ৰী চৰিত্ৰ অংকন কৰিছে। 'এমিলি'ৰ জীৱনসংগী ৰূপে 'চফিয়া'ই কেনে ধৰণৰ শিক্ষা পোৱা উচিত তাৰ বিৱৰণ দিবলৈ গৈ ৰুছোই স্ত্ৰী শিক্ষা সম্পৰ্কত মন্তব্য কৰিছে যে এজন পুৰুষৰ উপযুক্ত জীৱন সংগীৰূপে প্ৰতিষ্ঠিত হ'ব পৰা শিক্ষাক এগৰাকী মহিলাই আয়ত্ব কৰা উচিত। অৱশ্যে বৰ্তমানৰ মহিলা সৱলীকৰণৰ প্ৰচেষ্টা অব্যাহত থকা সময়ত ৰুছোৰ উক্ত বাস্তৱ সত্যৰ ব্যাখ্যা কোনো কোনো মহলত অপব্যাখ্যা ৰূপে চৰ্চিত হোৱাৰ সম্ভাৱনাও নথকা নহয়। যি কি নহওক, প্ৰকৃতিবাদী দাৰ্শনিক ৰুছোই শিশুৰ জন্মগত তথা অন্তৰ্নিহিত সম্ভাৱনাসমূহক স্বাভাৱিক গতিত বিকশিত কৰাৰ

স্বাৰ্থত তেওঁলোকৰ সেই সম্ভাৱনাসমূহৰ স্বৰূপ উদ্‌ঘাটন কৰাৰ ওপৰত গুৰুত্ব দিছিল। সেয়ে তেওঁ শিক্ষকসকলক শিশু মনোবিজ্ঞান অধ্যয়ন কৰিবলৈ পৰামৰ্শ দিছিল। তেওঁ কৈছিল যে এজন শিক্ষকে শিশু নামৰ গ্ৰন্থখনৰ প্ৰতিটো পৃষ্ঠা মনোযোগেৰে অধ্যয়ন কৰা উচিত যাতে কোন পৃষ্ঠাত কি আছে তাক হৃদয়ংগম কৰিব পাৰে।

শিশু জীৱনত অভ্যাস গঠনৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰুছোই কৈছিল যে কোনো ধৰণৰ অভ্যাস গঠন হ'বলৈ নিদিয়াটোৱেই আটাইতকৈ ভাল অভ্যাস হ'ব।

ৰুছোৰ এটা বিশেষ উপলব্ধি আছিল যে মানুহে স্বাধীন হৈ জন্ম লাভ কৰে। কিন্তু য'তে ত'তে মানুহ দাসত্বৰ শিকলিৰে আৱদ্ধ হয়। প্ৰত্যেকেই ভাবে তেওঁহে আনৰ গৰাকী, কিন্তু তেওঁ আন সকলোতকৈ বেছি দাস হৈ জীয়াই থাকে। তেওঁৰ উপলব্ধি নিশ্চয় তাৎপৰ্যপূৰ্ণ।

**জোহান হেইনৰিক্ পেষ্টালজি (১৭৮৬-১৮২৭ খৃষ্টাব্দ) ঃ** ১৭৮৬ চনত ইটালিৰ এটা প্ৰটেষ্টাণ্ট পৰিয়ালত পেষ্টালজিৰ জন্ম হৈছিল। তেওঁৰ দেউতাক এজন চিকিৎসক আছিল। মাকো আছিল এগৰাকী আদৰ্শ স্থানীয় নাৰী। চুইজাৰলেণ্ডৰ জুৰিক নামৰ চহৰত পেষ্টালজি ডাঙৰ-দীঘল হৈছিল। কিন্তু, বাল্যকালতে পিতৃৰ মৃত্যু হোৱাত মাকে যথেষ্ট কষ্টৰ মাজেৰে পেষ্টালজিক পঢ়াই-শুনাই মানুহ কৰি তুলিছিল।

কলেজীয়া শিক্ষা শেষ কৰাৰ পিছত পেষ্টালজিৰ এনে অনুভৱ হৈছিল যেন তেওঁ তেতিয়ালৈকে লাভ কৰা জ্ঞান সম্পূৰ্ণ অবাস্তৱ আৰু সাৰগৰ্ভতা নথকা ধৰণৰ। তেওঁ প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু প্ৰশাসনীয় দিশত সংস্কাৰ সাধনৰ উদ্দেশ্যেৰে এটা ৰাজনৈতিক সংগঠনৰ সদস্য পদ গ্ৰহণ কৰে। ইয়াৰ বাবে তেওঁ কিছুদিন কাৰাবাস খাটিব লগা হয়। কাৰামুক্ত হোৱাৰ পিছত পেষ্টালজিয়ে ওকালতি আৰম্ভ কৰে। তাতো তেওঁৰ মন নবহিল। তেওঁ এখন কৃষি পাম খুলি লৈ কৃষি কৰ্মত ব্যস্ত হয়। কিন্তু ইয়াত যথেষ্ট আৰ্থিক কষ্টৰ সন্মুখীন হোৱাত পেষ্টালজিয়ে এই সকলোবোৰ বাদ দি একানপতিয়াকৈ শিশু শিক্ষাৰ দিশত মনোনিবেশ কৰিবলৈ লয়।

পেষ্টালজিয়ে তেওঁৰ পূৰ্বৰ কৃষি পামখনৰ লগতে এখন বিদ্যালয় প্ৰতিষ্ঠা কৰে। তাত দুখীয়া ল'ৰা-ছোৱালীক নামভৰ্তি কৰায় আৰু তেওঁলোকক বিনামূলীয়াকৈ বিদ্যায়তনিক শিক্ষাৰ লগতে ঔদ্যোগিক প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰে। পেষ্টালজিয়ে তেওঁৰ বিভিন্ন কৰ্মৰ মাজতে ল'ৰা-ছোৱালীৰ শাৰীৰিক আৰু মানসিক আচৰণ পৰ্যবেক্ষণ কৰে। তেওঁৰ উপলব্ধি হয় যে কিতাপ পঢ়া, জ্ঞান আৰু তথ্য আহৰণ কৰা আদিয়েই শিক্ষাৰ প্ৰকৃত লক্ষ্য হ'ব নোৱাৰে। শিশুৰ সৰ্বাংগীন (all-round) তথা সকলো দিশৰে সামঞ্জস্যপূৰ্ণ (Harmonious) বিকাশহে শিক্ষাৰ লক্ষ্য হোৱা উচিত। পেষ্টালজিৰ মতে সমাজৰ সকলো ধৰণৰ কুসংস্কাৰ দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল শিক্ষা। দৰিদ্ৰ জনসাধাৰণে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ন, বৌদ্ধিক আৰু সাংস্কৃতিক উন্নতি সাধন আৰু নৈতিক উৎকৰ্ষ সাধনৰ বাবে শিক্ষাৰ আশ্ৰয় লোৱা উচিত।

কৃষি পামৰ লগত খোলা বিদ্যালয়খন কেইবছৰমান ভালকৈ চলিছিল। কিন্তু সময় অতিবাহিত হৈ যোৱাৰ লগে লগে আৰ্থিক অনাটনৰ মাত্ৰা বৃদ্ধি হৈ যোৱাত বিদ্যালয়খন বন্ধ কৰি দিব লগা হ'ল। ইয়াৰ পিছত পেষ্টালজিয়ে মাউৰা-সদন (Orphan house) এখন খুলিলে। কোনো

পাঠ্যপুথি শিক্ষন সঁজুলি নোহোৱাকৈ কেৱল তেওঁৰ অভিজ্ঞতাৰ ভিত্তিত মৌখিক ভাষণেৰে ছাত্র-ছাত্রীসকলক জীৱনৰ বাবে লাগতিয়াল শিক্ষা প্রদানত ব্যস্ত হ'ল। তেওঁ ঔদ্যোগিক প্রশিক্ষণ আৰু বিদ্যায়তনিক শিক্ষাৰ মাজত সহসম্পর্ক স্থাপনৰ জৰিয়তে ছাত্র-ছাত্রীক বাস্তৱ জীৱনৰ পাঠ দিবলৈ যত্ন কৰিলে। জীৱনত সংগঠিত কিছুমান বাস্তৱ ঘটনাৰ উদাহৰণ দি তেওঁ ছাত্র-ছাত্রীক নৈতিক শিক্ষা দিয়াৰ ক্ষেত্রতো যথেষ্ট সফল হৈছিল।

মাউৰা সদনখন চলি থকা অৱস্থাতে পেষ্টালজিৰ অসুখ হ'ল। এটা সময়ত সদনখন ভংগ কৰি দিব লগা হ'ল। অসুখ ভাল হোৱাৰ পিছত ১৭৯৯ খৃষ্টাব্দত পেষ্টালজিয়ে বার্গদফ চহৰত এখন শিশু বিদ্যালয়ত সহকাৰী শিক্ষকৰ চাকৰি পালে। ১৮০৪ চনলৈকে সেই বিদ্যালয়ত সন্তুষ্টিৰে শিক্ষাদান কার্য চলাই গ'ল।

আজীৱন শিক্ষক পেষ্টালজিয়ে শিক্ষা জগতলৈ যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে। পেষ্টালজিয়ে এজন ব্যক্তিৰ ব্যক্তিগত বর্দ্ধন আৰু বিকাশৰ কোনো ক্ষতি নোহোৱাকৈ তেওঁৰ শাৰীৰিক, মানসিক, সামাজিক আৰু নৈতিক সংলক্ষণ সমূহৰ সামঞ্জস্যপূর্ণ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ এজোপা বৃক্ষৰ বর্দ্ধন আৰু বিকাশৰ লগত এজন ব্যক্তিৰ বর্দ্ধন আৰু বিকাশৰ তুলনা কৰি কৈছিল যে বৃক্ষ এজোপাই প্রকৃতিৰ পৰা পোৱা সাৰ-পানীৰ সহায়ত যেনেকৈ শিপা বঢ়ায়, গা-গছত ঠাল-ঠেঙুলি মেলে, পাতৰ আগত কলি পেলায়, ফল-ফুলেৰে জাতিস্কাৰ হৈ পৰে সেইদৰে এটি শিশুৱে সৰুৰ পৰা বর্দ্ধন আৰু বিকাশৰ বাবে প্রাকৃতিক পৰিৱেশৰ পৰা প্রয়োজনীয় উপজীব্যসমূহ পাই থাকিলে আৰু পিতৃ-মাতৃৰ পৰা যথাৰীতি লালন-পালন পাই থাকিলে তাৰ অন্তর্নিহিত সম্ভাৱনাসমূহ সম্পূর্ণ বিকশিত হয়। পিতৃ-মাতৃ তথা জ্যেষ্ঠসকলৰ তত্ত্বাৱধান অবিহনে শিশুৰ ভৱিষ্যত মংগলময় হোৱাটো আশা কৰিব নোৱাৰি।

শিক্ষাদানৰ পদ্ধতিৰ ক্ষেত্রত পেষ্টালজিয়ে কৈছিল শিশুক পৰিৱেশৰ সকলো বস্তু পর্যবেক্ষণ কৰিবলৈ শিকাব লাগে। পর্যবেক্ষণৰ পিছত সকলো বস্তুৰ নাম, গুণ, আকাৰ-প্রকাৰ আৰু সংখ্যা বিশ্লেষণ কৰিবলৈ শিকাব লাগে। এনে সূক্ষ্ম বিশ্লেষণৰ অন্তত ল'ৰা-ছোৱালীৰ মনত তেওঁলোকে পর্যবেক্ষণ আৰু বিশ্লেষণ কৰা বস্তু সম্পর্কে ধাৰণা বা জ্ঞান লাভ হয়। অৱশ্যে পর্যবেক্ষণ বা বিশ্লেষণৰ কাৰণে উপস্থাপন কৰা বস্তু বা বিষয়বোৰ ল'ৰা-ছোৱালীৰ মানসিক পৰিপক্কতাৰ লগত খাপ খোৱা হ'ব লাগিব। তেওঁৰ মতে ল'ৰা-ছোৱালীক পঢ়িবলৈ আৰু লিখিবলৈ শিকোৱাৰ আগতে তেওঁলোকক শুদ্ধকৈ উচ্চাৰণ কৰি কথা কোৱাৰ অভ্যাস কৰাব লাগে। সংখ্যা শিকাবৰ কাৰণে বস্তুৰ তালিকা ব্যৱস্থাৰ ওপৰত পেষ্টালজিয়ে গুৰুত্ব দিছিল। তালিকাৰ সহায়ত সংখ্যাৰ ভাগ, ভাগৰ ভাগ আদি শিকোৱাটো সহজ হয়।

পেষ্টালজিৰ মতে শিক্ষাদানৰ প্রতি শিক্ষকৰ ইতিবাচক মনোভাৱে শিক্ষাদান কার্য সহজ কৰি তোলে। উপযুক্ত ক্ষণত উপযুক্ত শব্দ ব্যৱহাৰ কৰি বিষয় বা বস্তুৰ জ্ঞান দিলে শিক্ষার্থীসকল অধিক উপকৃত হয়।

**ফ্রেডেৰিক উইল্‌হেম আগষ্ট ফ্রবেল (১৭৮২-১৮৫২ খৃষ্টাব্দ) ঃ** বর্তমান সমগ্র বিশ্বৰ শিশু শিক্ষা ব্যৱস্থাৰ কিণ্ডাৰগার্টেন পদ্ধতি নামেৰে পৰিচিত পদ্ধতিৰ উদ্ভাৱক আগষ্ট ফ্রবেলে ১৭৮২ চনত জার্মেনিৰ এখন গাঁৱত জন্ম গ্রহণ কৰিছিল।

তেওঁৰ পিতৃ আছিল এটা গীৰ্জাৰ বিষয়ববীয়া। শিশু অৱস্থাতে মাতৃৰ বিয়োগ ঘটাত ফ্ৰবেলক মোমায়েকৰ ঘৰলৈ লৈ যোৱা হয়। মোমায়েকে লালন-পালন কৰি এটাত সময়ত বিদ্যালয়ত নামভৰ্তি কৰি দিলে। বিদ্যালয়ত মন নবহা যেন দেখি মোমায়েকে ফ্ৰবেলক বন বিভাগৰ কাৰ্যালয় এটা শিক্ষানবিশ (apprentice) হিচাপে কাম শিকিবলৈ পঠালে। ফ্ৰবেলে যেন এটা নতুন জীৱনহে পালে, অৰণ্যৰ গছ-গছনি, জীৱ-জন্তু, পখীকুল আৰু নানা ধৰণৰ পোক-পতংগই ফ্ৰবেলৰ মনত মানুহ আৰু প্ৰকৃতিৰ মাজৰ এক অনন্য সম্পৰ্কৰ অনুভূতি জগাই তুলিলে। ফ্ৰবেলে উপলব্ধি কৰিলে যে প্ৰকৃতিৰ সকলো বস্তুৱেই যেন একেবোৰ প্ৰাকৃতিক নিয়মৰ অন্তৰ্ভুক্ত আৰু সকলোবোৰৰ মাজত যেন এক স্বৰ্গীয় শক্তি (Divine spirit) বিৰাজ কৰিছে।

ফ্ৰবেলে এটা সময়ত জেনা বিশ্ববিদ্যালয়ত অধ্যয়নৰ বাবে নামভৰ্তি কৰিছিল। কিন্তু আৰ্থিক সংকটৰ বাবে অধ্যয়ন আধৰুৱা হ'ল। তাৰ পিছত ফ্ৰেংকফৰ্ট নৰ্মাল স্কুলত ছবি অংকনৰ শিক্ষক হিচাপে নিযুক্তি ল'লে। ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত প্ৰতিভাৰ প্ৰকাশৰ বাবে ছবি আঁকা, কাগজ কটা আৰু মডেল বনোৱা আদি হাতৰ কাম কিমান প্ৰয়োজনীয় সেই কথা ফ্ৰবেলে পেষ্টালজিৰ শিশু সদন পৰিদৰ্শন কৰিয়েই উপলব্ধি কৰিব পাৰিছিল।

ফ্ৰবেলে প্ৰণয়ন কৰা 'মানুহৰ শিক্ষা' (Education of Man) নামৰ গ্ৰন্থত ল'ৰা-ছোৱালীক আঠ বছৰ বয়সলৈকে শিক্ষা দিব সেই সম্পৰ্কে বিস্তৃতভাৱে লিখা হৈছে। শিশু শিক্ষা সম্পৰ্কীয় বিভিন্ন নীতি-নিৰ্দেশনা আৰু কৌশল সম্পৰ্কে এই গ্ৰন্থত সৰলভাৱে আলোকপাত কৰা হৈছে।

কিল্‌হান (Kilhan) নামৰ ঠাইত ফ্ৰবেলে তেওঁৰ শিশু-শিক্ষাৰ অনুষ্ঠান এটা মুকলি কৰি তাত পেষ্টালজিৰ আৰ্হিৰে শিশুসকলক মুক্ত মনেৰে আৰু প্ৰাকৃতিক পৰিৱেশৰ লগত সম্পৰ্ক ৰাখি শিক্ষা আহৰণৰ সুবিধা দিয়ে। স্থানীয় লোকৰ পৰা আশানুৰূপ সহায়-সহযোগিতা নোপোৱাৰ কাৰণে অনুষ্ঠানটো কিছুদিনৰ পিছতে বন্ধ কৰি দিব লগা হ'ল। ইয়াৰ পিছত চুইজাৰলেণ্ড চৰকাৰৰ নিমন্ত্ৰণ ক্ৰমে শিশু শিক্ষা বিভাগৰ বিশেষ দায়িত্ব লৈ শিশু শিক্ষা সম্পৰ্কীয় কিছুমান পৰীক্ষা-নিৰীক্ষা চলায়। তাত তেওঁ পেষ্টালজিয়ে এৰি যোৱা বাৰ্গদফ স্কুলখনৰ দায়িত্ব লৈ কমবয়সীয়া শিশুসকলক মুক্ত পৰিৱেশত শিক্ষা দিয়াৰ আঁচনি ৰূপায়ন কৰে।

জাৰ্মেনিলৈ ঘূৰি গৈ ফ্ৰবেলে ১৮৩৭ চনত ব্লেকণ্‌বাৰ্গ চহৰত তিনিৰ পৰা সাত বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ বাবে এখন নাৰ্চাৰী স্কুল স্থাপন কৰে। স্কুলখন খুলিজিয়ন অৰণ্যৰ মাজত এটা সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত স্থাপন কৰা হৈছিল। স্কুলখনৰ নাম দিয়া হৈছিল 'কিন্দাৰগাৰ্টেন' (Kindergartten)। কিন্দাৰ শব্দৰ অৰ্থ শিশু আৰু গাৰ্টেন শব্দৰ অৰ্থ হ'ল বাগিচা বা উদ্যান। ফল-মূলৰ উদ্যান বা ফুলনীত বিভিন্ন প্ৰজাতিৰ গছবোৰ যেনেকৈ প্ৰাকৃতিক পৰিৱেশত লালিত-পালিত হৈ বিকশিত হৈ পৰে তেনেকৈ শিশু উদ্যানত বিভিন্ন পৰিয়ালৰ পৰা অহা শিশুবোৰে শিশু উদ্যানত মালীৰূপী শিক্ষকৰ তত্ত্বাৱধানত খেলা-ধূলাৰ মাজেদি নিজ নিজ প্ৰতিভা বিকাশৰ সুবিধা পাব এয়েই আছিল ফ্ৰবেলৰ কিন্দাৰগাৰ্টেনৰ মূল লক্ষ্য।

এই লক্ষ্যত উপনীত হ'বৰ বাবে ফ্ৰবেলে ব্যৱহাৰ কৰা কৌশল আছিল 'খেলাৰ মাজেদি

শিক্ষা' (Learning through Play)। ইয়াৰ বাবে প্ৰতিটো শিশুক সিহঁতৰ চিত্তাকৰ্ষক কিছুমান খেলাৰ সামগ্ৰীৰ একোটা টোপোলা দিয়া হৈছিল। এই টোপোলাবোৰক উপহাৰ হিচাপে দিয়া হৈছিল। বিভিন্ন ৰঙৰ কাগজ, কাঠৰ টুকুৰা, পুতলা আদিৰ টোপোলাত থকা খেলাৰ বস্তুবোৰৰ ব্যৱহাৰ কৰিবলৈ শিকোৱা আৰু শিকিবৰ বাবে প্ৰেৰণা যোগোৱাৰ দায়িত্ব হ'ল শিক্ষক-শিক্ষয়িত্ৰীসকলৰ।

ফ্ৰবেলে উলিয়াই থৈ যোৱাৰ মূল আৰ্হিৰ আধাৰতে আধুনিক শিশু শিক্ষা ব্যৱস্থাত তিনিবছৰৰ পৰা পাঁচ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ কাৰণে নাৰ্চাৰী-১, নাৰ্চাৰী-২, কেজি (কিন্দাৰ গাৰ্টেন)-১, কেজি-২ আদি দুটা স্তৰৰ শিশু শিক্ষা কেন্দ্ৰ সমগ্ৰ বিশ্বতে গঢ়ি উঠিছে। এই দুবছৰীয়া শিশু শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক খেলা-ধূলাৰ মাজেদি শিশুৰ শাৰীৰিক, মানসিক আৰু সামাজিক সত্বাৰ বিকাশৰ গুৰি ধৰা হয়।

**ডক্তৰ মেৰিয়া মণ্টেচৰি (১৮৭০-১৯৫২ খৃষ্টাব্দ)** ঃ ১৮৭০ চনত ইটালিৰ আনকোনো চহৰত এক অভিজাত পৰিয়ালত মেৰিয়া মণ্টেচৰিৰ জন্ম হৈছিল। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সুখ্যাতিৰে শেষ কৰাৰ পিছত মণ্টেচৰিয়ে ৰোম বিশ্ববিদ্যালয়ৰ পৰা ১৮৯৪ চনত চিকিৎসা বিজ্ঞানত এম.ডি. (Doctor of Medicine) ডিগ্ৰী লাভ কৰে। ১৯০০ৰ পৰা ১৯০৭ চনৰ ভিতৰত মণ্টেচৰিয়ে পৰীক্ষামূলক মনোবিজ্ঞানৰ এটা সাত বছৰীয়া পাঠ্যক্ৰমৰ অধ্যয়ন সমাপ্ত কৰে। সেই পাঠ্যক্ৰমৰ অংশ হিচাপে তেওঁ ৰোম বিশ্ববিদ্যালয়ত নৃতত্ত্বমূলক শিক্ষা বিজ্ঞান (Anthrolopolocial pedagogy)ৰ ওপৰত ভালেসংখ্যক বক্তৃতা প্ৰদান কৰিব লগা হয়। এইদৰে বিভিন্ন অভিজ্ঞতাৰে সমৃদ্ধ হৈ মণ্টেচৰিয়ে সমাজৰ শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকলৰ শিক্ষাৰ বাবে চিন্তা কৰে আৰু বাস্তৱ পদক্ষেপ ল'বৰ বাবে অগ্ৰসৰ হয়।

মণ্টেচৰিয়ে এড্ৱাৰ্ড চেগুইনৰ নিৰ্বোধ শিশু (Idiot children)ৰ ওপৰত লিখা Idiocy নামৰ গ্ৰন্থখন অধ্যয়ন কৰে আৰু তেনে ধৰণৰ ল'ৰা-ছোৱালীক মনোবিজ্ঞানসন্মত চিকিৎসা কৰি আৰোগ্য কৰাৰ পদ্ধতিৰ বুজ লয়। মণ্টেচৰিয়ে নিজকে চেগুইনৰ এগৰাকী একান্ত অনুগামী ৰূপে বিবেচনা কৰে। তেওঁ শিশুৰ নিৰ্বোধিতাক চিকিৎসাৰ সমস্যা বুলি নাভাবি শৈক্ষিক সমস্যা ৰূপে গণ্য কৰে।

১৯৭০ চনত Roman Association for good Buildings নামৰ সংগঠনৰ আহ্বান ক্ৰমে মণ্টেচৰিয়ে চৰ অঞ্চলসমূহত কিছুমান 'শিশু-গৃহ' (Children's House)ৰ আয়োজন কৰি তাত শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্ত শিশুক উত্তম শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। এই শিশুসকলক তেওঁলোকৰ ইন্দ্ৰিয় কেইটাক বিজ্ঞানসন্মতভাৱে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাই খুব কম দিনৰ ভিতৰত মানসিক বাধাগ্ৰস্ত শিশুসকলৰ মানসিক উত্তৰণ ঘটাবলৈ সফল হোৱা পৰিলক্ষিত হয়।

ধৰ্মীয় ক্ষেত্ৰত এগৰাকী উদাৰপন্থী (Catholic) খৃষ্টীয়ান, ৰাজনৈতিক ক্ষেত্ৰত এগৰাকী গণতান্ত্ৰিক আৰু বৌদ্ধিক ক্ষেত্ৰত এগৰাকী চিকিৎসা বিজ্ঞানী ৰূপে পৰিচিত মণ্টেচৰিয়ে বিদ্যালয় পৰ্যায়ৰ শিশুসকলৰ শিক্ষাদানৰ অভিজ্ঞতা আহৰণৰ বাবে ইউৰোপ মহাদেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। তেওঁ আমাৰ দেশ ভাৰতলৈকো আহিছিল আৰু খৃষ্টীয়ান ধৰ্মযাজক (Nunn)সকলৰ সহায়ত তেওঁৰ ইন্দ্ৰিয় প্ৰশিক্ষণৰ কাৰ্যসূচী ৰূপায়ণৰ

ব্যৱস্থা কৰিছিল।

মণ্টেচৰিৰ ইন্দ্ৰিয় প্ৰশিক্ষণ (Sense training) আঁচনিৰ তিনিটা ধাৰা (Trio) আছিল এনেধৰণৰ—

১) ব্যৱহাৰিক প্ৰশিক্ষণ (Practical training)

২) ইন্দ্ৰিয় প্ৰশিক্ষণ (Sense training) আৰু

৩) শিক্ষনীয় সঁজুলিৰ যোগে প্ৰশিক্ষণ (Training through didactic apparatus)।

ব্যৱহাৰিক প্ৰশিক্ষণ হ'ল নিজৰ ঘৰতে (শিশু গৃহত) থকা শিশুসকলে আনৰ সহায় নোলোৱাকৈ কিছুমান কাম কৰা, যেনে - টুথ-ব্ৰাচ ব্যৱহাৰ কৰি নিজৰ দাঁত-মুখ পৰিষ্কাৰ কৰা, হাতৰ নখ পৰিষ্কাৰ কৰা, নিজৰ পোছাক পৰিধান কৰা, নিজৰ বিচনা পৰা, কোঠাৰ চকী-মেজ সুন্দৰকৈ সজোৱা আৰু তেওঁলোকৰ শাৰীৰিক অনুশীলনৰ বাবে কৰ্তৃপক্ষই যোগান ধৰা সঁজুলিসমূহ ব্যৱহাৰ কৰি নিতৌ নিয়মিতভাৱে শাৰীৰিক অনুশীলন কৰা আদি। ৩-৬ বছৰ বয়সৰ এই শিশুসকলক শিকাবৰ বাবে শিশুৰ সংখ্যা অনুপাতে এগৰাকী শিক্ষয়িত্ৰী নিয়োগ কৰা হয়। তেওঁক নিৰ্দেশিকা বুলিও কোৱা হয়।

ইন্দ্ৰিয় প্ৰশিক্ষণ হ'ল শিশুৰ পাঁচোটা জ্ঞানেন্দ্ৰিয়ক প্ৰণালীবদ্ধভাৱে প্ৰশিক্ষণ দিয়া। ইয়াৰ প্ৰত্যেকটো ইন্দ্ৰিয়ক সুকীয়া সুকীয়াকৈ প্ৰশিক্ষণ ব্যৱস্থা কৰা হয়। যেনে, যেতিয়া চকুৰ প্ৰশিক্ষণৰ কথা আহে তেতিয়া সেই প্ৰক্ৰিয়াত যাতে বাকী কেইটা ইন্দ্ৰিয়ৰ প্ৰভাৱ নপৰে তাৰ বাবে সাৱধানতা অৱলম্বন কৰা হয়। এইদৰে প্ৰতিটো ইন্দ্ৰিয়ৰ সংবেদনশীলতা বৃদ্ধিৰ বাবে বেলেগ বেলেগকৈ যত্ন কৰা হয় আৰু শেষত আটাইকেইটা ইন্দ্ৰিয়ৰ সহযোগত কোনো এটা বস্তুৰ ৰং, ৰূপ, আকাৰ, প্ৰকাৰ, গন্ধ, স্পৰ্শ, শব্দ, স্বাদ আদিৰ জ্ঞান বুজাবলৈ বিচৰা হয়।

যি কেইটা ইন্দ্ৰিয়গ্ৰাহ্য বস্তুৰ সংবেদনৰ পিছতে প্ৰত্যক্ষ জ্ঞান লাভ হয়। মণ্টেচৰিয়ে প্ৰত্যক্ষ জ্ঞান (Perception) শুদ্ধ কৰিবৰ বাবেই প্ৰতিটো ইন্দ্ৰিয়ৰ সংবেদন ক্ষমতা চোকা কৰিবলৈ যত্ন কৰিছিল। প্ৰত্যক্ষ জ্ঞান লাভ কৰিবলৈ কেইবাটাও স্তৰ পাৰ হ'ব লগা হয়, যেনে - বস্তুৰ লগত সংযোগ স্থাপন, সংবেদন, সংবেদনৰ স্বৰূপ চিনাক্তকৰণ, পূৰ্বৰ একে ধৰণৰ সংবেদন অভিজ্ঞতাৰ চিনাক্তকৰণ আৰু স্মৰণ। এইদৰে প্ৰতিটো শিশুক নিজৰ সংবেদনশীলতা (Sensitivity) বঢ়াই তুলি তেওঁলোকে দেখা বস্তু, শব্দ, ঘ্ৰাণ ওলোৱা বস্তু, স্বাদৰ প্ৰকাৰ, স্পৰ্শানুভূতিৰ স্বৰূপ আদি বুজাবলৈ কৰা প্ৰচেষ্টাই হ'ল ইন্দ্ৰিয় প্ৰশিক্ষণ।

এই প্ৰশিক্ষণ দিবৰ কাৰণে মণ্টেচৰিয়ে কিছুমান সঁজুলি ব্যৱহাৰ কৰিছিল। সেইবোৰকে শিক্ষনীয় সঁজুলি বুলি কোৱা হয়। কাগজ, কাপোৰ, কাঠৰ টুকুৰা আদিৰে নিৰ্মিত বিভিন্ন শিক্ষনীয় বিভিন্ন ৰং আৰু বিভিন্ন আকৃতিৰ সঁজুলি ব্যৱহাৰ কৰা হৈছিল। শব্দ সংবেদন প্ৰশিক্ষণৰ বাবে বিভিন্ন মাত্ৰাৰ শব্দ সৃষ্টি কৰিব পৰা সঁজুলি ব্যৱহাৰ কৰিছিল। সেইদৰে ঘ্ৰাণ সংবেদনৰ বাবে কেনেকৈ বেলেগ গন্ধযুক্ত বস্তু, স্পৰ্শ সংবেদনৰ বাবে মিহি, খহটা, গৰম, চেঁচা আদি সংবেদন লাভ কৰিব পৰা বস্তু আৰু স্বাদ সংবেদনৰ বাবে তিতা, মিঠা, টেঙা, কেঁহা, জ্বলা আদি জুতি পাব পৰা বস্তু ব্যৱহাৰ কৰা হৈছিল।

মণ্টেচৰিয়ে শিশুক সংখ্যা জ্ঞান দিবৰ কাৰণে বিভিন্ন ৰঙৰ মাৰ্বল, দীঘল-চুটি, পাতল-গধূৰ আদি জোখ মাখৰ জ্ঞান দিবৰ কাৰণে বিভিন্ন

জোখৰ আৰু ওজনৰ ৰড আদি ব্যৱহাৰ কৰিছিল। যোগ, বিয়োগ, পূৰণ, হৰণৰ সাধাৰণ জ্ঞান দিবৰ কাৰণেও নানা ৰঙৰ বস্তু ব্যৱহাৰ কৰিছিল।

মণ্টেচৰি শিক্ষা পদ্ধতিৰ নিৰ্দেশিকা গৰাকীয়ে পৰিস্থিতি অনুযায়ী কেতিয়াবা শিক্ষয়িত্ৰী, কেতিয়াবা মাতৃ, কেতিয়াবা ভগ্নী আৰু কেতিয়াবা সমনীয়াৰ ভূমিকা পালন কৰিছিল। নিৰ্দেশিকা গৰাকীয়ে শিশু মনোবিজ্ঞান খৰচি মাৰি অধ্যয়ন কৰিব লগা হৈছিল। মণ্টেচৰি পদ্ধতিৰ অনুগামীসকলে তেওঁলোকৰ নিজৰ প্ৰচেষ্টাত এই পদ্ধতিক শিশু শিক্ষাৰ অন্যতম উন্নত পদ্ধতি ৰূপে গঢ়ি তুলিবলৈ সক্ষম হৈছে।

**জন ডিউই (১৮৫৯-১৯৫২ খৃষ্টাব্দ) ঃ** ইটালীয়ান শিক্ষাবিদ ড° মেৰিয়া মণ্টেচৰিৰ জন্মৰ এঘাৰ বছৰৰ আগতে আমেৰিকাৰ বাৰ্লিংটন চহৰৰ ভাৰমিণ্ট নামৰ ঠাইত জন্ম গ্ৰহণ কৰিছিল পৃথিৱী বিখ্যাত আন এজন শিক্ষাবিদ আৰু তেওঁৰ নাম আছিল জন ডিউই। ডিউইয়ে ভাৰমণ্ট বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী আৰু বাল্টিমৰ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত ক্ৰমে মিনেছটা, মিছিগন আৰু চিকাগো বিশ্ববিদ্যালয়ত দৰ্শনৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। মানৱসেৱাৰ প্ৰতি থকা গভীৰ ধাউতিৰে এজন সফল শিক্ষক আৰু মননশীল লেখক হিচাপে সমাজত পৰিচিত কৰাইছিল।

১৮৯৪ চনৰ পৰা ১৯০৪ চনলৈ জন ডিউইয়ে চিকাগো বিশ্ববিদ্যালয়ৰ লগত সংযোজিত গৱেষণামূলক বিদ্যালয় (Experimental School)ত সঞ্চালকৰ দায়িত্ব পালন কৰিছিল। এই বিদ্যালয়ত চাৰিৰ পৰা চৌধ্য বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰোৱা হৈছিল। প্ৰতিটো শ্ৰেণীত দহজনতকৈ অধিক ছাত্ৰ-ছাত্ৰী নাছিল। শ্ৰেণীকক্ষত ছাত্ৰ-ছাত্ৰীসকলক আত্মঅনুশাসনৰ শিক্ষা দিয়া হৈছিল। আনৰ ক্ষতি নকৰাকৈ তেওঁলোকে নিজ ইচ্ছামতে খেলা-ধূলা কৰা, সংগীত চৰ্চা কৰা, অধ্যয়ন কৰা আদি কৰিব পাৰিছিল। শিক্ষকেও তেওঁলোকে বিচৰা দৰেই শিক্ষা দিবলৈ যত্ন কৰিছিল। ডিউইয়ে এই স্কুলক আদৰ্শ স্কুল (Model School) ৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

ডিউই আছিল এজন প্ৰয়োগবাদী দাৰ্শনিক। তেওঁ আশাবাদীও নাছিল কিম্বা নিৰাশাবাদীও নাছিল। বৰং তেওঁ আছিল এজন সংশোধনবাদী (Meliorist)। তেওঁৰ মতে মানুহে নিজৰ প্ৰচেষ্টাৰ জৰিয়তে নিজৰ বৰ্তমান অৱস্থাৰ উন্নতি সাধন কৰি ল'ব পাৰে।

শিক্ষাৰ বুৰঞ্জীত জন ডিউইৰ শিক্ষাদানৰ বিজ্ঞানক এক উৎকৃষ্ট বিজ্ঞান ৰূপে চিহ্নিত কৰা হৈছে। শিক্ষাদানৰ ক্ষেত্ৰত প্ৰাকৃতিক পৰিৱেশত অৰ্থাৎ অকৃত্ৰিম স্বাভাৱিক পৰিৱেশত ব্যক্তিগত আৰু দলীয়ভাৱে শিক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তেওঁৰ প্ৰকল্প পদ্ধতিৰ কাৰ্যকৰী ৰূপ প্ৰদান কৰোতা তেওঁৰেই এজন প্ৰধান শিষ্য উইলিয়াম কিল্‌পেট্ৰিকে প্ৰকল্পৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰিছিল যে এটা প্ৰকল্প হ'ল সামাজিক আৰু স্বাভাৱিক পৰিৱেশত সমাধা কৰিব পৰা এটা উদ্দেশ্যপূৰ্ণ কাম (A project is a purposefule activity perfomed in a social and natural setting)। ডিউৰ মতে সামাজিক আৰু নৈতিক অৰ্থত এজন ব্যক্তিৰ ব্যক্তিত্ব গঢ়ি তুলিবলৈ এটা সামাজিক পটভূমিৰ প্ৰয়োজন আৰু তাৰ লগতে থাকিব লাগিব ব্যক্তি গৰাকীৰ নিজৰ প্ৰচেষ্টা, চিন্তাশীল মনোভাৱ, শাৰীৰিক আৰু মানসিক সামৰ্থ, কৰ্মত বিশ্বাস আৰু কৰ্ম সম্পাদনৰ বেলিকা

প্ৰয়োজন হোৱা দায়িত্ববোধ আদি গুণবোৰ।

ডিউইৰ মতে দক্ষতা আহৰণ, জ্ঞানৰ অধিকাৰী হোৱা আৰু সংস্কৃতিবান হোৱা আদিয়েই জীৱনৰ শেষ লক্ষ্য নহয়, বৰং সেইবোৰৰ মাজেদিয়েই জীৱনক গতিশীল কৰি ৰাখিব পৰাটোহে জীৱন প্ৰকৃত উদ্দেশ্য হ'ব লাগে।

ইয়াৰ আগলৈকে দেশ-বিদেশৰ প্ৰাচীন আৰু আধুনিক ভালে সংখ্যক শিক্ষাবিদৰ শিক্ষা সম্পৰ্কীয় ধাৰণা আৰু কৰ্মৰ সংক্ষিপ্ত আলোচনা কৰা হ'ল। আমাৰ দেশতো তেনে বহুতো শিক্ষাবিদ আছে। তাৰ ভিতৰত সৰ্বজন সমাদৃত আধ্যাত্মিক গুৰু স্বামী বিবেকানন্দ, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু জাতিৰ পিতা মহাত্মা গান্ধীৰ শিক্ষা কৰ্মৰ চমু আভাস আগবঢ়াবলৈ বিচাৰিছো।

**স্বামী বিবেকানন্দ (১৮৬৩-১৯০২ খৃষ্টাব্দ) ঃ** স্বামী বিবেকানন্দৰ ঘৰুৱা নাম আছিল নৰেন্দ্ৰ নাথ দত্ত। তেওঁৰ জন্ম হৈছিল ১৮৬৩ চনত পশ্চিম বংগৰ চিমুলিয়াত, দেউতাকৰ নাম আছিল বিশ্বনাথ দত্ত আৰু মাকৰ নাম আছিল ভুবনেশ্বৰী। দেউতাক বিশ্বনাথ সেই সময়ৰ এজন নামজ্বলা অধিবক্তা আছিল। তেওঁৰ অকাল মৃত্যুত নৰেন্দ্ৰনাথ দিশহাৰা হৈ পৰিছিল। কলেজত পঢ়ি থকা নৰেন্দ্ৰনাথ সংস্থাপন বিচাৰি কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছিল। তেনে অৱস্থাতে নৰেন্দ্ৰনাথে এদিন স্বামী ৰামকৃষ্ণ পৰমহংসক সুৰেন্দ্ৰনাথ মিত্ৰৰ ঘৰত লগ পালে। সেই সুন্দৰ ল'ৰাটোৱে গান গাব জানে বুলি গম পাই স্বামী ৰামকৃষ্ণ পৰমহংসই তেওঁৰ গান শুনিবলৈ বিচাৰিলে। নৰেন্দ্ৰনাথে দুটা সুন্দৰ গান গালে। পৰমহংসই নৰেন্দ্ৰনাথৰ গান শুনি মুগ্ধ হোৱাই নহয় ভৱিষ্যতে নৰেন্দ্ৰনাথ এজন ধৰ্মগুৰু হোৱাৰ সম্ভাৱনা লক্ষ্য কৰিলে। তেওঁ নৰেন্দ্ৰনাথক ঋষি বুলি সম্বোধন কৰি তেওঁৰ সকলো দুখ দূৰ কৰিবলৈ কালী গোসাঁনিক আৰাধনা কৰিবলৈ পৰামৰ্শ দিলে। নৰেন্দ্ৰনাথে স্বামী ৰামকৃষ্ণৰ পৰামৰ্শ মানি লৈ কালী গোসাঁনিৰ কৃপা বিচাৰিবলৈ মন মেলিলে। কিন্তু তেওঁ ধন-সম্পত্তিৰ পৰিৱৰ্তে জ্ঞান, ভক্তি আৰু বৈৰাগ্য কামনা কৰিহে কালী মন্দিৰলৈ গৈ একান্ত মনে উপাসনা আগবঢ়ালে। নৰেন্দ্ৰনাথে ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ বিদ্যালয়ত এটা শিক্ষকৰ চাকৰি পালে। সেইখিনি উপাৰ্জনেৰেই তেওঁ দুবেলা দুমুঠি খোৱাৰ লগতে কালী গোসাঁনিৰ বাবে নৈবেদ্যৰ যোগাৰ কৰিব পৰা হ'ল। কালক্ৰমত এই কালীভক্ত নৰেন্দ্ৰনাথ স্বামী বিবেকানন্দই আমেৰিকাৰ চিকাগোত অনুষ্ঠিত সৰ্বধৰ্মীয় মহাসভাত ভাৰতৰ সনাতন ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি একেলেঠাৰিয়ে সাতঘণ্টা বক্তৃতা দি বিভিন্ন দেশৰ ধৰ্মগুৰুসকলৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। ইউৰোপ মহাদেশৰ বিভিন্ন স্থানত আধ্যাত্মিক বক্তৃতা প্ৰদান কৰিবলৈ আমন্ত্ৰণ পাইছিল। বহুতো শিক্ষিত যুৱক-যুৱতীয়ে স্বামী বিবেকানন্দৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

শিক্ষাবিদ হিচাপে স্বামী বিবেকানন্দই মানৱতাবাদী দৰ্শনক পৃষ্ঠপোষকতা কৰিছিল। শিক্ষাৰ লক্ষ্য সম্পৰ্কত বিবেকানন্দই কৈছিল যে মানুহৰ মানৱীয় চৰিত্ৰৰ বিকাশ সাধনেই শিক্ষাৰ প্ৰকৃত লক্ষ্য হোৱা উচিত। বিবেকানন্দৰ মতে মানুহ প্ৰকৃতাৰ্থত মানুহ হ'ব পৰা সকলো সম্ভাৱনা প্ৰত্যেক মানুহৰ গাতে অন্তৰ্নিহিত হৈ থাকে। সেই সম্ভাৱনাখিনিক বিকশিত কৰি তোলা প্ৰক্ৰিয়াই হ'ল শিক্ষা (Education is the process of manifestation of perfection already present in man)। শিক্ষাৰ তাৎপৰ্য সম্পৰ্কীয় আলোচনাত বিবেকানন্দই কৈছিল কোনোবাই জোৰ

কৰি মনত সুমুৱাই দিয়া কিছুমান তথ্যই শিক্ষা নহয়। নিজে বুজি নোপোৱা এনে কিছুমান তথ্যই গোটেই জীৱনটোত আমনি কৰি থাকিব। যদি তথ্য আহৰণেই শিক্ষা হ'লহেঁতেন তেন্তে গ্ৰন্থগাৰবোৰ একোজন ডাঙৰ সাধু হ'লহেঁতেন আৰু বিশ্বকোষবোৰ একোজন ডাঙৰ ঋষি হ'লহেঁতেন। কিছুমান তথ্য যুগুতাই দিয়াটোৱেই শিক্ষাৰ শেষ কথা নহয়, শিক্ষাৰ শেষ কথা হ'ল মানুহক প্ৰকৃত মানুহ হোৱাত সহায় কৰা।

শিক্ষাৰ্থী আৰু শিক্ষকৰ বৈশিষ্ট্যৰ আলোচনা প্ৰসংগত বিবেকানন্দই কৈছিল - সেই সকলেই শিক্ষাৰ্থী যাৰ চিন্তা আৰু কামত বিশুদ্ধতা থাকে, যিসকল জ্ঞান পিপাসু আৰু জ্ঞান আহৰণৰ ক্ষেত্ৰত অধ্যৱসায়ৰ পৰিচয় পোৱা যায়। শিক্ষকৰ চৰিত্ৰ আৰু কৰ্মপদ্ধতিৰ ওপৰত শিক্ষাৰ্থীৰ সন্মান আৰু বিশ্বাস থাকিব লাগে। শিক্ষকসকলেও শিক্ষাৰ্থীৰ প্ৰতি স্নেহ আৰু সহানুভূতি প্ৰদৰ্শন কৰিব লাগে।

**ৰবীন্দ্ৰনাথ ঠাকুৰ (১৮৬১-১৯৪১ খৃষ্টাব্দ) ঃ** কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হৈছিল তেতিয়াৰ কলিকতা, বৰ্তমান কলকাতাৰ এটা সম্ভ্ৰান্ত পৰিয়ালত ১৮৬১ চনত। দেউতাক আছিল মহৰ্ষি দেৱেন্দ্ৰনাথ ঠাকুৰ আৰু মাতৃৰ নাম আছিল সাৰদা দেৱী। বাল্য অৱস্থাত ৰবীন্দ্ৰনাথে কেইবাটাও শিক্ষানুষ্ঠানত শিক্ষা লাভ কৰিছিল। অৰিয়েণ্টেল ছেমিনাৰী, নৰ্মাল স্কুল, এংল-ইণ্ডিয়ান বেংগলী অকাডেমী, ছেইণ্ট ডেভিয়াৰ্ছ স্কুল আদি ইখনৰ পিছত সিখন বিদ্যালয় বাগৰি শেষত মাধৱচন্দ্ৰ ঘোষ নামৰ এজন ঘৰুৱা শিক্ষকৰ তত্ত্বাৱধানত ঘৰতে পঢ়ি এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত ১৮৭৭ চনত তেওঁক আইনৰ ডিগ্ৰী ল'বৰ বাবে লণ্ডনলৈ পঠোৱা হ'ল। তাত আইন অধ্যয়ন কৰাৰ সমান্তৰালভাৱে অধ্যাপক হেনৰি মৰ্লেৰ ওচৰত ইংৰাজী ভাষা আৰু সাহিত্য অধ্যয়ন কৰিবলৈ ল'লে। তিনি বছৰ কাল লণ্ডনত থাকি আইনৰ পৰীক্ষা নিদিয়াকৈ ঘৰলৈ ঘূৰি আহিল।

ঘৰত থাকি তেওঁ ইংৰাজী আৰু বাংলা ভাষাৰ অধ্যয়নৰ লগতে দুয়োটা ভাষাতে গীত, নাট, উপন্যাস আদি ৰচনা কৰিবলৈ আৰম্ভ কৰিলে। বাল্য অৱস্থাৰ পৰাই কবিতা লিখিবলৈ আৰম্ভ কৰা ৰবীন্দ্ৰনাথে তেওঁৰ 'গীতাঞ্জলি' নামৰ বাংলা ভাষাৰ কবিতা পুথিৰ বাবে ১৯১৩ চনত সাহিত্যৰ নোবেল বঁটা লাভ কৰে। সাহিত্য কৰ্মৰ লগতে ৰবীন্দ্ৰনাথে শিক্ষা বিস্তাৰৰ কামতো বিশেষভাৱে মনোনিবেশ কৰে।

১৯০১ চনত কলিকতাৰ পৰা ৯৩ মাইল দূৰত থকা বলপুৰত দেউতাক দেৱেন্দ্ৰনাথে প্ৰতিষ্ঠা কৰা শান্তিনিকেতনক পূৰ্ণাংগৰূপ দিয়াত ৰবীন্দ্ৰনাথ ব্যস্ত হৈ পৰে। অগতানুগতিক পদ্ধতিৰে শিক্ষাদান কৰা শান্তি নিকেতনত অধ্যয়নৰ বাবে ভাৰতৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰী সমবেত হৈছিল। বৈদিক গুৰুকুল পদ্ধতিৰ আদৰ্শেৰে প্ৰতিষ্ঠা কৰা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে ব্ৰহ্মচৰ্য কঠোৰভাৱে পালন কৰিব লগা হৈছিল। এটা সময়ত পশ্চিমবংগ আৰু অসমৰ ইংৰাজ শাসনকৰ্তাই শান্তি নিকেতনত এই দুখন ৰাজ্যৰ চৰকাৰী চাকৰিয়ালৰ সন্তানক অধ্যয়নৰ পৰা বিৰত ৰাখিবলৈ ফটোৱা জাৰি কৰিছিল। কিন্তু কামত নাহিল। ৰবীন্দ্ৰনাথে ১৯১৩ চনত নোবেল বঁটাৰ লগত পোৱা সমুদায় ধন শান্তি নিকেতনৰ উন্নয়নৰ বাবে খৰচ কৰিছিল। কালক্ৰমত এই শান্তি নিকেতন বিশ্বভাৰতী নামৰ বিশ্ববিদ্যালয়লৈ উন্নত কৰা হয়।

বিশ্বভাৰতীক ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰ ৰাষ্ট্ৰীয় ভাষা, সাহিত্য, সংস্কৃতি আদি

অধ্যয়নৰ কেন্দ্ৰ ৰূপে গঢ়ি তোলা হৈছিল। এই বিশ্ববিদ্যালয়ৰ প্ৰধান শাখাবোৰ আছিল এনে ধৰণৰ নিম্ন আৰু উচ্চ শিক্ষাৰ অধ্যয়নৰ বাবে ১) পূৰ্ব বিভাগ, ২) উত্তৰ বিভাগ। উত্তৰ বিভাগৰ দুটা শাখা ক) বিদ্যা বা গৱেষণা বিভাগ, খ) শিক্ষা বিভাগ।

১৯৪৯ চনত স্বাধীন ভাৰতৰ প্ৰথমজনা প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে এই বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ আচাৰ্য পদ অলংকৃত কৰিছিল। এই বিশ্ববিদ্যালয়ৰ জৰিয়তেই ৰবীন্দ্ৰনাথে প্ৰাচ্য আৰু পাশ্চাত্যৰ ভাষা-সংস্কৃতিৰ সমন্বয় সাধনৰ সপোন দেখিছিল।

ৰবীন্দ্ৰনাথে মানুহৰ শাৰীৰিক, মানসিক, সামাজিক আৰু আধ্যাত্মিক বিকাশৰ প্ৰক্ৰিয়াকে বহল অৰ্থত শিক্ষা বুলি অভিহিত কৰিছিল। তেওঁ শিক্ষাৰ কেইটামান বিশেষ লক্ষ্যৰ কথা উল্লেখ কৰিছিল, যেনে - ১) শিক্ষাৰ্থীৰ শাৰীৰিক, বৌদ্ধিক আৰু আৱেগিক বিকাশ, ২) শিক্ষাৰ্থীৰ উৎকণ্ঠা নিবৃত্তি, ৩) শিক্ষাৰ্থীক সত্য, শিৱ আৰু সুন্দৰৰ আৰাধনাৰ প্ৰতি আগ্ৰহী আৰু ৪) ব্যক্তিক নৈতিক আৰু আধ্যাত্মিক জীৱন যাপনৰ বাবে প্ৰস্তুত কৰা।

পুৰুষৰ সমানে মহিলাসকলকো বিভিন্ন ক্ষেত্ৰত শিক্ষিত কৰি তোলাৰ ওপৰত ৰবীন্দ্ৰনাথে গুৰুত্ব দিছিল।

**মহাত্মা গান্ধী (১৮৬৯-১৯৪৮) ঃ** মহাত্মা গান্ধী ওৰফে মোহনদাস কৰমচাঁদ গান্ধীৰ জন্ম হৈছিল ১৮৬৯ চনত গুজৰাটৰ পোৰবন্দৰত। দেউতাকৰ নাম আছিল কৰমচাঁদ গান্ধী আৰু মাকৰ নাম আছিল পুতলীবাই। প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা ভাৰততে লাভ কৰাৰ পিছত মোহনদাসক ইংলেণ্ডলৈ পঠোৱা হৈছিল আইন অধ্যয়নৰ কাৰণে। ১৮৯৩ চনত গান্ধী দক্ষিণ আফ্ৰিকালৈ গৈছিল তাত থকা এখন ভাৰতীয় ব্যৱসায়িক ফাৰ্মৰ আইন উপদেষ্টা হিচাপে তাত তেওঁ সুদীৰ্ঘ ২০ (বিশ) বছৰ কাল ওকালতি কৰিছিল। আফ্ৰিকাত থকা সময়ত গান্ধীয়ে বিভিন্ন বিষয়ৰ গ্ৰন্থ অধ্যয়ন কৰিছিল। খৃষ্টীয়ান ধৰ্মৰ 'নিউ টেষ্টামেণ্ট', গ্ৰীক মনিষি টলষ্টয়ৰ 'দি কিংদম অব গদ ইজ উইদিন ইউ', ৰাছকিনৰ 'আন টু দি লাষ্ট', হিন্দু ধৰ্মৰ 'শ্ৰীমদ্‌ভাগৱত গীতা' আদি ধৰ্মীয় আৰু আধ্যাত্মিক গ্ৰন্থৰ অধ্যয়নে গান্ধীৰ মনত সত্য আৰু অহিংসাৰ প্ৰতি এক গভীৰ বিশ্বাস জন্মাইছিল।

ভাৰতলৈ ঘূৰি আহি গান্ধীয়ে তেওঁৰ শিক্ষাগুৰু গোপাল কৃষ্ণ গোখলে আৰু জাতীয়তাবাদী নেতা কাকাচাহেব কালেলকাৰ আদি নেতা সকলৰ অনুপ্ৰেৰণাত মহাপ্ৰতাপী ইংৰাজসকলৰ হাতৰ পৰা ভাৰতক স্বাধীন কৰিবৰ বাবে শক্তিশালী অসহযোগ আন্দোলন গঢ়ি তোলে। এই আন্দোলনৰ দুপাত আমোঘ অস্ত্ৰ আছিল সত্যাগ্ৰহ আৰু অহিংসা।

আন্দোলনৰ সমান্তৰালভাৱে তেওঁৰ সপোনৰ স্বাধীন ভাৰতত ৰামৰাজ্য প্ৰতিষ্ঠাৰ সপোন বাস্তৱত ৰূপ দিবলৈ গান্ধীয়ে এক নতুন শিক্ষা ব্যৱস্থাৰ আঁচনি প্ৰস্তুত কৰে। এই আঁচনিত সৰ্বোচ্চ গুৰুত্ব দিয়া হয় প্ৰাথমিক শিক্ষাৰ ওপৰত। প্ৰাথমিক শিক্ষাক গান্ধীয়ে বুনিয়াদী শিক্ষা নামেৰে অভিহিত কৰিছিল। কাৰণ এই শিক্ষাইহে ভাৰতীয় শিশুসকলৰ জীৱনৰ বুনিয়াদ (ভেটি) গঢ়ি দিবলৈ সক্ষম হ'ব। গান্ধীৰ বুনিয়াদী শিক্ষা চাৰিটা প্ৰধান নীতিৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

১) ৬ বছৰৰ পৰা ১৪ বছৰৰ সকলো ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিব লাগিব।

২) শিক্ষাৰ্থীসকলে নিজৰ মাতৃভাষাত

শিক্ষা পাব লাগিব।

৩) ভাৰতৰ গ্ৰাম্যাঞ্চলৰ ল'ৰা-ছোৱালীক তেওঁলোকৰ এটা থলুৱা শিল্পৰ (Craft)ৰ মাধ্যমেদি শিক্ষা দিব লাগিব।

৪) এই শিল্প কৰ্মৰ দ্বাৰা উৎপাদিত বস্তু বিক্ৰী কৰি শিক্ষকসকলক পাৰিতোষিক দিব লাগিব।

ভাৰতবৰ্ষৰ কাৰণে দুৰ্ভাগ্যৰ কথা যে গান্ধী জীয়াই থকা অৱস্থাতে এই স্বাৱলম্বী শিক্ষা ব্যৱস্থা প্ৰণয়নৰ বাবে যিসকলৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল তেওঁলোকৰ অনিহাৰ বাবে বুনিয়াদী শিক্ষাই আশানুৰূপ প্ৰসাৰ লাভ কৰিব নোৱাৰিলে। গান্ধীৰ মৃত্যুৰ পিছত বুনিয়াদী শিক্ষাৰ নাম আৰু কাম-কাজৰ মাজত ব্যৱধান ক্ৰমে বাঢ়ি গ'ল। ভাৰতৰ স্বাধীন চৰকাৰে বুনিয়াদী শিক্ষাৰ আৰ্হিত বিদ্যালয় বিলাকত 'কৰ্ম-অভিজ্ঞতা' নামৰ এটা বিষয় মুকলি কৰিছিল। পিছলৈ কৰ্ম অভিজ্ঞতা আঁচনি-অভিজ্ঞতা আহৰণৰ উপায়ৰ পৰিৱৰ্তে পৰীক্ষাত বেছি নম্বৰ পোৱাৰ উপায়লৈ ৰূপান্তৰিত হৈছিলগৈ।

যি কি নহওক, গান্ধীৰ বুনিয়াদী শিক্ষাৰ নীতিৰ তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰাৰ বাবে পৰৱৰ্তী কালৰ শিক্ষাবিদ আৰু শিক্ষা প্ৰশাসকসকলে এই নীতিসমূহৰ সমালোচনাৰ প্ৰতিহে বেছি মনোযোগ দিয়া দেখা গ'ল। ইয়াকেই বোধহয় এটা ভাল বস্তু 'খাব নাজানি চোবাই নষ্ট কৰা' বুলি কোৱা হয়।

কিন্তু এজন শিক্ষাবিদ হিচাপে গান্ধীৰ শৈক্ষিক অৱিহণা কোনেও পাহৰি যোৱা উচিত নহয়। গান্ধীয়ে শিক্ষা সম্পৰ্কত আগবঢ়োৱা সংজ্ঞাই দেখুৱাই যে শিক্ষাক তেওঁ মানুহৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক সত্ত্বাৰ সৰ্বোত্তম বিকাশৰ প্ৰক্ৰিয়া বুলি গ্ৰহণ কৰিছিল। চৰিত্ৰ গঠনেই শিক্ষাৰ প্ৰাথমিক লক্ষ্য হোৱা উচিত বুলি গান্ধীয়ে মন্তব্য দিছিল। চৰিত্ৰ গঠনৰ যোগেদিয়েই মানুহৰ সকলো মানৱীয় গুণ বিকশিত হ'ব বুলি তেওঁ আশা কৰিছিল।

শিক্ষা আহৰণৰ পদ্ধতি সম্পৰ্কত গান্ধীয়ে কৈছিল যে সকলো ধৰণৰ জ্ঞান বৈজ্ঞানিক ভিত্তিত আহৰণ কৰা অভিজ্ঞতা আৰু কৰ্মৰাজিৰ মাজেদি আয়ত্ব কৰিব লাগে। কোনোবাই গভীৰ প্ৰত্যয়েৰে কোনো কথা ক'লেও তাক নিজে চিন্তা নকৰাকৈ গ্ৰহণ কৰিব নালাগে। যিকোনো জ্ঞান সামাজিক হিতৰ বাবে প্ৰয়োগ কৰিব পৰা হ'ব লাগে। আনৰ অনিষ্ট হোৱাকৈ কোনো জ্ঞান প্ৰয়োগ কৰা উচিত নহয়।

**প্ৰসংগ পুথি ঃ**


(১) Encyclopadia Americana

(২) Encyclopadia Britanica

(৩) Doctrines of great Educators - R.R. Rusk

(৪) Some great Educators - S.C. Goswami

(৫) দহ গৰাকী বৰেণ্য শিক্ষাবিদ - ৰজনীকান্ত গোস্বামী

(৬) জন্ম-মৃত্যু তাৰিখৰ উৎস Wikipedia


❖❖❖


*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ*

# শিক্ষা, মূল্যবোধ, প্ৰত্যয় আৰু প্ৰত্যাশা ঃ এক চিন্তন

**ড° সুখ বৰুৱা**

সাম্প্ৰতিক সময়ত শিক্ষা আৰু শিক্ষা আহৰণ কৰি থকা শিক্ষাৰ্থীসকলৰ মাজত মানৱীয় প্ৰমূল্যবোধৰ প্ৰকৃত প্ৰতিফলন ঘটিছেনে নাই সম্প্ৰতি এই স্পৰ্শকাতৰ বিষয়টোৱে প্ৰতিজন সমাজ সচেতন ব্যক্তিৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যিহেতু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ ত্যাগ আৰু জ্ঞানৰ সাধনাক হস্তান্তৰ কৰাৰ পৰিমাৰ্জিত প্ৰক্ৰিয়াটোৱেই হৈছে শিক্ষা। এই শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মাজত পুথিগত শিক্ষাৰ লগতে মূল্যবোধৰ শিক্ষাৰ বীজ অংকুৰিত কৰিবলৈ সমৰ্থ হৈছেনে নাই এই চিন্তা-চেতনাই সমাজ, ব্যক্তি আৰু কৰ্মাদৰ্শত ব্ৰতী থকা সকলোকে ব্যতিব্যস্ত কৰি তুলিছে। কিয়নো শিক্ষা হৈছে এনে এটা জীৱনজোৰা প্ৰক্ৰিয়া যি জীৱনৰ বাটত সন্মুখীন হোৱা খলা-বমা, ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি ইপ্সিত লক্ষ্যত উপনীত হোৱাত সহায় কৰে। মানৱ সভ্যতাৰ ইতিহাসৰ পাত মেলি চালে দেখা যায় যে যেতিয়াই মানুহে আদিম বন্য জীৱন ত্যাগ কৰি সংঘবদ্ধভাৱে সমাজ পাতি বাস কৰিবলৈ ল'লে তেতিয়াৰ পৰাই মানৱ সৃষ্ট সমাজখনক পৰিচালনা কৰিবলৈ উল্লেখযোগ্য ভূমিকা আগবঢ়ালে শিক্ষাই। কালক্ৰমত শিক্ষাৰ ইতিহাস মানৱ সভ্যতাৰ ইতিহাসৰ লগত সম্পৰ্ক সুগভীৰ হৈ পৰিল। ফলস্বৰূপে মানৱ সভ্যতাৰ আদিমতম অৱস্থাৰ পৰাই মানুহে উন্নত জীৱনশৈলীৰ সন্ধানৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। জীৱনৰ সাধনা আৰু অনুষংগ বিলাকৰ উত্তৰণৰ কাৰণে প্ৰতিজন ব্যক্তিয়ে নিৰলস চিন্তা আৰু কৰ্মত নিয়োজিত হোৱাটো মানৱ সমাজৰ অন্যতম উদ্দেশ্য। এই সামগ্ৰিক ব্যৱস্থা আৰু কাৰ্যকাৰিতাত আমাৰ যিয়ে প্ৰত্যক্ষ উদ্যোগ হৈ থিয় দিয়ে সেয়াই হৈছে সমাজৰ বাবে প্ৰতিষ্ঠিত হোৱা শিক্ষানুষ্ঠান আৰু শিক্ষা সম্পৰ্কীয় অন্যান্য অনুষ্ঠান। এনে শিক্ষানুষ্ঠানসমূহতে মানৱ সম্পদ বিকাশৰ বীজ প্ৰাথমিক পৰ্যায়তে অংকুৰিত হৈ বিশ্ববিদ্যালয় পৰ্যন্ত বিভিন্ন পাঠ্যক্ৰমৰ আধাৰত শিক্ষাৰ পৰা মানুহৰ আত্মিক আৰু বাহ্যিক দুয়োটাৰ উত্তৰণ ঘটোৱাৰ মূল লক্ষ্যত উপনীত হয়। মানুহে সামাজিক জীৱন আৰু ব্যক্তিগত জীৱন উভয় ক্ষেত্ৰখনত নিজৰেই অস্তিত্ব ৰক্ষাৰ বাবে অথবা প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটাই ব্যৱহাৰিক জীৱনবোধত অগ্ৰসৰ হ'ব পৰাটোৱেই শিক্ষা গ্ৰহণৰ লক্ষ্য। "To change the soceity every one should have to change himself first." বিখ্যাত চিন্তাবিদে কোৱা এইষাৰ কথাৰ তাৎপৰ্য

উপলব্ধিৰ বিষয়। কিয়নো নিজৰ পৰিৱৰ্তনৰ দ্বাৰাহে সমাজৰ উন্নতি সাধন আৰু উত্তৰণ সম্ভৱ হ'ব পাৰে।

ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন কৰিলে আমি দেখিবলৈ পাওঁ যে প্ৰাচীন শিক্ষা ব্যৱস্থা হ'ল বৈদিক শিক্ষা ব্যৱস্থা। খ্ৰীষ্টপূৰ্ব ১০০০ চনৰ পূৰ্বে সিন্ধু উপত্যকাত আৰ্য সভ্যতা আৰু সংস্কৃতি গঢ় লৈ উঠে। তেতিয়াৰ পৰাই তেওঁলোকৰ সামাজিক, আধ্যাত্মিক জীৱনক লৈ তেওঁলোকৰ মাজতে বৌদ্ধিক শিক্ষা গঢ় লৈ উঠিছিল। এই শিক্ষাৰ অৰ্থ আছিল মানুহে ছয় ৰিপু যেনে - লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসৰ্যক দমন কৰি সমগ্ৰ পৃথিৱীৰ সুখ-শান্তি, প্ৰগতিৰ চিন্তা কৰিব পৰা আত্মিক শক্তি আহৰণ কৰা। সেইবাবে সেই সময়ৰ ছাত্ৰ-ছাত্ৰী তথা শিষ্যসকলে বাস্তৱ জীৱনৰ অপৰিহাৰ্য বুলি ভবা জ্ঞান, বুদ্ধি, অভিজ্ঞতা, উপদেশ, নিৰ্দেশ আদি জ্ঞানসমূহ বেদ, উপনিষদ আৰু বেদান্ত আদি শাস্ত্ৰসমূহৰ পৰা লাভ কৰাটো বাধ্যতামূলক আছিল আৰু তেওঁলোকৰ মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হৈছিল। স্মৰ্তব্য যে অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় শিক্ষা, সাহিত্য, সমাজ, সংস্কৃতিত মূল্যবোধৰ শিক্ষাক ঋষি-মুনিসকলে আনুষ্ঠানিক শিক্ষাতকৈ বেছি অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হৈছিল। সেয়ে সম্ভৱতঃ জ্ঞানৰ উন্মেষ ঘটা উপনিষদৰ যুগত মহান মনিষীসকলে ৰচনা কৰিছিল 'বিদ্যা দদাতি জ্ঞানম, বিদ্যা দদাতি বিনয়ম' অৰ্থাৎ বিদ্যাই মানুহক জ্ঞানী আৰু বিনয়ী কৰি তোলে আৰু বিদ্যাই এজন ব্যক্তিৰ অন্তৰত থকা মানৱীয় প্ৰমূল্যসমূহক অধিক উদ্ভাষিত কৰাত সহায় কৰে।

সম্প্ৰতি ভাৰতবৰ্ষত সেই বৈদিক শিক্ষা ব্যৱস্থা ক্ৰমান্বয়ে স্তিমিত হৈ পৰিছে। এতিয়াৰ শিক্ষা ব্যৱস্থা নিজৰ চিন্তা-চেতনাৰে আত্মিক উপলব্ধিৰে পৰম ব্ৰহ্ম ভগৱানক বিচাৰি নিৰ্বাণ লাভ কৰা জ্ঞান আহৰণতে সীমাবদ্ধ থকা নাই। এই সীমাবদ্ধতাৰ পৰিধি ভাঙি শিক্ষাই পৰিৱৰ্তনৰ খোজত খোজ মিলাইছে। বৈদিক শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্ত্তনৰ পৰা বৰ্তমানৰ অৰ্থনৈতিক উদাৰীকৰণলৈকে ভাৰতীয় শিক্ষাই বিভিন্ন স্তৰ অতিক্ৰম কৰি আজিৰ অৱস্থাত উপনীত হৈছেহি। শিক্ষাৰ দ্বাৰা মানৱ সম্পদৰ সঠিক বিকাশ হ'লে এটা জাতি সমৃদ্ধি হয়। ইয়াৰ বাবে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে শিক্ষা, শিক্ষানুষ্ঠান আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰদান কৰা মূল্যবোধৰ শিক্ষাইহে।

জীৱনবোধ, জীৱন সাধনা আৰু মানৱীয় মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হোৱা এটা জটিল কৰ্ম। মানুহে নিজৰ লগতে বিভিন্ন জনৰ মনকো আত্মিকভাৱে উপলব্ধি কৰি নিজৰ মননশীল চিন্তা আৰু সমাজ সমৰ্থিত আদৰ্শ প্ৰতিফলিত হোৱাকৈ কাম কৰাটো সমাজ এখনৰ কল্যাণ সাধনৰ আধাৰ স্বৰূপ। প্ৰমূল্য বিজড়িত অথবা মূল্যবোধৰ শিক্ষাই সমাজত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োপ্ৰকাৰে জীৱন উপলব্ধিৰ সক্ষমতা প্ৰদান কৰে। জাতীয় জীৱন, জাতীয় সংস্কৃতি তথা দেশৰ মাটি আৰু মানুহৰ প্ৰতি সুতীব্ৰ মোহ অংকুৰিত কৰি নিজৰেই প্ৰগাঢ় বিশ্বাস জন্মাবলৈ সমৰ্থ হ'লে মূল্যবোধৰ শিক্ষা মূল্যায়ণ ঘটা অৱশ্যম্ভাৱী।

আড়ম্বৰপূৰ্ণ, আৰ্থিক স্বচ্ছলতা পূৰ্ণ জীৱন এটাই কেৱল মানুহৰ সাফল্য নিৰ্দিষ্ট কৰিব নোৱাৰে। চৌপাশৰ সমাজ আৰু অংগাংগীভাৱে জড়িত হৈ থকা পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ধ্যান-ধাৰণা আৰু সু-পৰিকল্পিত কৰ্মপন্থাই আমাৰ ভৱিষ্যত নিৰূপণ কৰে। আমাৰ সমাজৰ প্ৰত্যেকজন সমাজ সচেতন ব্যক্তিয়েই আশা কৰে যে যি শিক্ষাই আমাৰ উঠি

অহা প্রজন্মক প্রত্যয় জন্মিব পৰা দৃঢ় পদক্ষেপ আৰু মানৱীয় দৃষ্টিভংগী সম্বলিত সামাজিক স্থিতি আনি দিব পাৰে তেনে শিক্ষাৰ বাবে শিক্ষা নীতি, পাঠ্যক্রম প্রণয়ন সমিতি, পৰীক্ষা পদ্ধতি আৰু আদর্শবান শিক্ষক-শিক্ষয়িত্রী, অভিভাৱক, শিক্ষাপ্রেমী ব্যক্তি আটায়ে আত্মিকভাৱে পৰস্পৰে সংযোজিত হ'ব লাগিব আৰু তাৰ বাবে প্রয়োজনীয় উদ্যোগ কর্তৃত্বশীল ব্যৱস্থাপকে ল'ব লাগিব। সমাজৰ উত্তৰোত্তৰ শ্রীবৃদ্ধিৰ বাবে দুটা জৰুৰী কথা অৱতাৰণা কৰিব পাৰি। এটা হ'ল উৎপাদনৰ জৰিয়তে সম্পদ বৃদ্ধি কৰি সমৃদ্ধি লাভ কৰা, আনটো হৈছে মানুহৰ নৈতিক মূল্যবোধৰ উৎকর্ষ সাধন কৰা। এই দুয়োটা কার্যৰ সংযোগ সাধন আৰু ৰূপায়নে দেশক তথা সমাজক সমৃদ্ধ আৰু শক্তিশালী কৰে।

অসমৰ বিভিন্ন পর্যায়ৰ শিক্ষানুষ্ঠানসমূহত শৈক্ষিক আৰু বিজ্ঞান বিষয়ৰ শিক্ষাদানৰ সমান্তৰালভাৱে মূল্যবোধৰ শিক্ষা দিয়াৰ প্রাসংগিকতা আহি পৰিছে। শিক্ষা ব্যৱস্থাত মূল্যবোধৰ সম্পর্কে শিক্ষাবিদ, চিন্তাবিদ, সমাজতত্ত্ববিদসকলে মূল্যবোধক তিনিটা ভাগত ভাগ কৰিছে — নন্দনতাত্ত্বিক, নৈতিক আৰু আধ্যাত্মিক। এই তিনিটা শিক্ষাৰ অবিহনে শিক্ষা সম্পূর্ণ নহয়। আধুনিক ভাৰতৰ শিক্ষা দর্শনৰ প্রতীক স্বৰূপ মহাত্মা গান্ধীয়ে শিক্ষাৰ সংজ্ঞা দিছে এনেদৰে — শিক্ষাৰ দ্বাৰা শিশুৰ দৈহিক, মানসিক, আধ্যাত্মিক আদি সকলো দিশৰ বিকাশৰ কথাকে বুজায়। অর্থাৎ আত্মাত অন্তর্নিহিত থকা গুণৰাজিৰ বিকাশেই শিক্ষা। দার্শনিক প্লেটোৰ এষাৰ কথা এই ক্ষেত্রত উল্লেখনীয়। তেওঁৰ মতে 'শিক্ষা হ'ল উপযুক্ত সময়ত সুখ-দুখ অনুভৱ কৰিব পৰা ক্ষমতা, দেহ আৰু আত্মাৰ সকলো সৌন্দর্যৰ বিকাশ।' এজন ব্যক্তিয়ে আন এজনৰ প্রতি দেখুওৱা সহানুভূতিশীল আচৰণৰ দ্বাৰা অন্তৰৰ অনুভূতিসমূহৰ বহিঃপ্রকাশ ঘটিলে মানৱীয় প্রমূল্যবোধৰ প্রতিফলন ঘটে। দয়া, প্রেম, কৰুণা, ক্ষমা, নম্রতা, সংযম, সত্য, অহিংসা, মৈত্রী, ত্যাগ, সেৱা, সাধুতা, সহিষ্ণুতা আদি মানৱীয় গুণৰাজি সকলো মানুহৰ অন্তৰত বিৰাজমান হৈ থাকে। এই মানৱীয় প্রমূল্যবোৰ সঠিকভাৱে প্রয়োগ কৰাৰ পৰিৱেশ সৃষ্টি কৰাৰ বিপৰীতে কেৱল শৈক্ষিত জ্ঞান দিয়াৰ ওপৰতহে আজিৰ শিক্ষা ব্যৱস্থাই গুৰুত্ব প্রদান কৰিছে। যিটো প্রত্যেক শিশুৱে জন্ম লাভ কৰি ডাঙৰ-দীঘল হোৱা সময়খিনিত তেওঁলোকৰ পিতৃ-মাতৃ, পৰিয়াল আৰু আশে-পাশে থকা পৰিৱেশৰ পৰা মূল্যবোধৰ শিক্ষাৰ আদিপাঠ গ্রহণ কৰে আৰু শিক্ষা আহৰণৰ পৰৱর্তী সময়খিনিত পর্যায়ক্রমে শিক্ষার্থীয়ে মূল্যবোধৰ শিক্ষা গ্রহণ কৰাৰ পথ প্রশস্ত কৰে। প্রকৃতার্থত মূল্যবোধৰ ওপৰত মানুহৰ জীৱনৰ ভেটি নির্মাণ হ'লে সমাজ এখনক নেতৃত্ব দিয়াৰ শক্তিশালী মন এটাৰ জন্ম হয় আৰু ইয়ে সমাজলৈ কঢ়িয়াই আনে শুভ পৰম্পৰাৰ শুভ ইংগিত।

মূল্যবোধৰ শিক্ষা জীৱনত সফলতা লাভ কৰা সকলৰ বাবে আৰু ব্যর্থ হোৱা সকলৰ বাবেও আৱশ্যক। সফল ব্যক্তিক সাফল্য ধৰি ৰাখিবৰ বাবে দৰকাৰ। আকৌ ব্যর্থ জনক তেওঁৰ ব্যর্থতাবোধ পাহৰি নিজৰ উদ্যম আৰু শক্তিৰে পুনৰ উদ্ভাষিত হৈ থিয় হ'বৰ কাৰণেই এই শিক্ষাৰ প্রয়োজন। সাফল্য আৰু ব্যর্থতা কোনো স্থায়ী প্রতিপাদ্য নহয়, এইটো কথা প্রত্যয় জন্মিব লাগে। গতিকে শিক্ষানুষ্ঠানসমূহত শিক্ষকসকলে পুথিগত শিক্ষাৰ লগতে অন্যান্য শিক্ষাৰে মূল্যবোধ সম্পন্ন ব্যক্তিত্বৰ বিকাশ ঘটাবলৈ চেষ্টা কৰা উচিত। এজন

ব্যক্তিত্বসম্পন্ন মহান শিক্ষকে অনুমোদিত পাঠ্যক্রমৰ লগতে বিভিন্ন মানৱীয় গুণৰ বহিঃপ্ৰকাশ ঘটোৱাৰ পৰিৱেশ সৃষ্টি কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত তেনে আচৰণ লক্ষ্য কৰে। বিখ্যাত দাৰ্শনিক শিক্ষক সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এষাৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য যে — "A good teacher must know how to arouse the interest of the people in the field of education for which he is responsible. He must himself be a master in the field of education and be a touch with the latest development in the subjects. He must himself be a fellow traveller in the existing pursuit of knowledge." গতিকে শিক্ষা প্ৰতিষ্ঠানসমূহত শিক্ষকসকলে সুস্থ আদৰ্শবোধেৰে শিক্ষাৰ্থীক উপযুক্ত মানুহ হিচাপে গঢ়ি তুলিবলৈ যথেষ্ট কৰণীয় আছে বুলি অৱকাশ আছে। যিহেতু শিক্ষাদান আৰু শিক্ষা আহৰণৰ মূল আধাৰ হ'ল মানৱীয় প্ৰমূল্যবোধৰ লগত জীৱনৰ সম্পৰ্ক সুদৃঢ় কৰি জীৱনবোধ উপলব্ধি কৰিবলৈ শিক্ষা প্ৰদান কৰা। পশ্চিমীয়া সভ্যতাই আমাৰ ভাৰতীয় নাগৰিকৰ জীৱন ধাৰণৰ পদ্ধতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সাজ-পোছাক, খাদ্যাভ্যাস আদি সকলোতে পৰিৱৰ্তন ঘটাই জাতীয় জীৱনৰ মাজত জটিল সন্ধিক্ষণৰ সৃষ্টি কৰিছে। নব্বৈ দশকৰ অৰ্থনৈতিক উদাৰীকৰণৰ পিছৰ সময়ছোৱাত বাতৰি কাকত আৰু বিজ্ঞাপনবোৰত চকু ফুৰালে দেখা যায় যে জীৱনৰ মানৱীয় প্ৰমূল্যবোধ আৰু আধ্যাত্মিক বা আৱেগিক দিশৰ বিকাশৰ বিপৰীতে কেৱল ভোগবাদী ব্যৱস্থাৰ লগত সম্পৰ্কিত বা-বাতৰি, বিজ্ঞাপনৰ বিভিন্ন চিত্ৰ-বিচিত্ৰ ছবিহে অৰ্থসৰ্বস্ব মানসিকতাই গা কৰি উঠিছে। যাৰ ফলত 'হস্তীৰ পিছলে পাৰ স্বজনৰো বুৰে নাও' অৱস্থা হৈছেগৈ। সমাজত শিক্ষা প্ৰতিষ্ঠানসমূহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। নতুন নতুন পাঠ্যক্ৰম, উন্নতমানৰ আচবাব-পত্ৰ, সা-সামগ্ৰী চৰকাৰে যোগান ধৰিছে। সকলো বস্তু সহজতে উপলব্ধ হৈছে কিন্তু সেই অনুপাতে আশানুৰূপ ধৰণে মানুহৰ মানসিকতাৰ উত্তৰণ ঘটা নাই। সমাজৰ চাৰিওফালে একপ্ৰকাৰ বৌদ্ধিক নৈৰাজ্যতাৰ সৃষ্টি হৈছে। শোষণ, লুণ্ঠন, অপহৰণ, ধৰ্ষণ, নিৰ্যাতন, চুৰি-ডকাইতি, হত্যা, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদি অসামাজিক কাৰ্যত লিপ্ত হোৱা সমাজৰ শিক্ষিত শ্ৰেণীৰ মাজতে অধিক সংঘটিত হোৱা দেখা গৈছে। আজিৰ শিক্ষাই মানৱতাবাদী হোৱাৰ পৰিৱৰ্তে বস্তুবাদী হোৱাতহে অৰিহণা যোগাইছে। সেইবাবেই প্ৰতিবেশী এজনৰ বিপদ হ'লে মাত এষাৰ দিয়া, ত্যাগীজনক সন্মান প্ৰদৰ্শন কৰা, আতুৰ জনক অকণমান সাহাৰ্য আগবঢ়াই সামাজিক দায়বদ্ধতা দেখুওৱাৰ মানৱীয় গুণবোৰ মানুহৰ মাজৰ পৰা হেৰাই গৈছে। প্ৰকৃতিৰ প্ৰতিও যে সহৃদয়তা দেখুৱাব লাগে তাকো পাহৰি গৈছে। গতিকে শিক্ষাৰ যোগেদি শিক্ষকসকলে শিক্ষাৰ্থীক ইয়াৰ সৈতে প্ৰকৃতিপ্ৰেমী হ'বলৈ আৰু সহৃদয়তা গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰিব লাগে। বৃক্ষৰোপন, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্দ্ধনত গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিয়াৰ প্ৰয়োজন আছে। এই বিলাক নিয়ম-শৃংখলা, প্ৰকৃতিৰ প্ৰতি সহানুভূতিশীলতা আদি শিক্ষাৰ মাজেৰে প্ৰতিষ্ঠিত কৰাব পৰাটোৱেই হৈছে মূল্যবোধৰ অন্যতম লক্ষ্য আৰু উদ্দেশ্য।

মন কৰিবলগীয়া কথা যে আমাৰ সমাজত প্ৰতিদিনে কিছুমান অনাকাংক্ষিত ঘটনা সংঘটিত হৈয়েই আছে। কিন্তু প্ৰতিনিয়ত ঘটা এই ঘটনাবোৰে কাকো প্ৰতিঘাত কৰা দৃষ্টিগোচৰ হোৱা প্ৰায়ে

চকুত নপৰে। আনকি সন্মুখত পৰি থকা মৰাশ এটাইয়ো কাৰো দেহ-মন স্পৰ্শ নকৰে। সুধিবলৈ বা অধিক জানিবলৈ আমি আটায়ে শংকাবোধ কৰো আৰু সোধাৰ তাড়না অনুভৱ নকৰো। আমি এনে যান্ত্রিকতাৰ মাজত সোমাই পৰিছো যে আমি কেৱল ভোগ-বিলাসতে নিমগ্ন হৈছো। আমি এনে শিক্ষা ব্যৱস্থাৰে অভিজ্ঞ হৈছো যে আমাৰ মাজৰ পৰা ক'ব নোৱাৰাকৈয়ে মূল্যবোধৰ সংজ্ঞাকে পাহৰি গৈছে। কিন্তু আমি আশ্বস্ত হওঁ যেতিয়া এচাম সংবেদনশীল মনৰ ব্যক্তিয়ে ভোগবাদী পাশ্চাত্যৰ শিক্ষা ব্যৱস্থাৰ প্ৰবাহমান গতিক নিয়ন্ত্ৰণ কৰি শুদ্ধ পথত আনিবলৈ প্ৰয়াস কৰা দেখা পাওঁ। সেয়ে শিক্ষা প্ৰতিষ্ঠানত প্ৰমূল্যবোধৰ শিক্ষাদানৰ অপৰিহাৰ্যতালৈ লক্ষ্য কৰি মূল্যবোধসম্পন্ন কাৰ্যক্ৰমণিকা যুগুতাই অসমৰ শিক্ষা ব্যৱস্থাত সংলগ্ন কৰি আনুষ্ঠানিক শিক্ষাৰ দৰে মূল্যবোধৰ শিক্ষাদান প্ৰক্ৰিয়া তৰান্বিত কৰা উচিত। শিক্ষা জগতত ইতিমধ্যে বাণিজ্যিকীকৰণে প্ৰৱেশ কৰিছেই। আমাৰ শিক্ষা সচেতন ব্যক্তিসকলৰ সূক্ষ্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা নাথাকিলে শিক্ষা যে কিনা-বেচাৰ পণ্য সামগ্ৰীৰ দৰে হৈ পৰিব ই নিশ্চিত। যি ভাৰতবৰ্ষত শিক্ষাই শতিকাজোৰা ঐতিহ্য পৰম্পৰা বহন কৰি আহিছে সেই নিৰৱচ্ছিন্ন গতিৰে প্ৰবাহিত হোৱা শিক্ষাক ভোগবাদী সমাজখনে যাতে আঁচোৰ পেলাব নোৱাৰে তাৰ বাবে সকলো সংবেদনশীল শিক্ষাসদীসকল সদা সচেষ্টা হোৱা উচিত। শিক্ষা প্ৰতিষ্ঠানবোৰ বৌদ্ধিক, নৈতিক, সামাজিক, সাংস্কৃতি দিশত কেনেকৈ পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলে নেতৃত্ব দিয়াৰ বাবে সুযোগ্য হৈ উঠিব তাৰ বাবে প্ৰয়োজনীয় আধাৰ প্ৰস্তুত কৰি দিয়া উচিত। কিন্তু দুৰ্ভাগ্যৰ কথা কোনো শিক্ষা প্ৰতিষ্ঠানতে এনে উদ্যোগ লোৱা দেখা পোৱা নাযায়।

সাম্প্ৰতিক সময়ৰ শিক্ষানুষ্ঠানসমূহত সাধাৰণতে আমি দেখিবলৈ পাইছো যে প্ৰায় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানটিৰ সামগ্ৰিক পৰিৱেশ, প্ৰান্তীয় অঞ্চলৰ অৱস্থিতি অথবা শিক্ষানুষ্ঠানৰ লগত সংলগ্ন হৈ থকা সমাজখনৰ কথা একো নাজানে। অতি পৰিতাপৰ কথা যে ছাত্ৰ-ছাত্ৰীসকলে সামাজিক দায়বদ্ধতানো কি তাকো নাজানে। শিক্ষানুষ্ঠান যিহেতু সামাজিক প্ৰতিষ্ঠান সেই সূত্ৰে সমাজখনৰ সুখ-দুখ, অভাৱ-অভিযোগ, ঘটনা-পৰিঘটনাৰ লগত শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল সাঙুৰ খাই থাকিব লাগে। ইয়াৰ বাবে কাৰ্যকৰী কৌশল প্ৰয়োগ কৰি সামাজিক চেতনাবোধ জগাই তোলা উচিত। এই চেতনাবোধৰ পৰাই মূল্যবোধ আহৰণ কৰি আগবাঢ়ি যাব ছাত্ৰ-ছাত্ৰীসকল। এই ক্ষেত্ৰত মানৱীয় গুণ বিশিষ্ট শিক্ষকৰ ভূমিকা অপৰিসীম। শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজেও অধ্যয়নশীল মনৰ জ্ঞানপুষ্ট, শাৰীৰিকভাৱে উপযুক্ত, আৱেগিকভাৱে ধীৰ-স্থিৰ, মানসিকভাৱে সজাগ-সচেতন, সামাজিকভাৱে কৰ্মপটু, আধ্যাত্মিকভাৱে সৎ চিন্তাধাৰা আদি গুণৰ উপৰিও এজন শিক্ষাগুৰু হিচাপে সমভাৱাপন্নতাৰে একান্ত দায়বদ্ধতা, আদৰ্শবান আৰু নৈতিক চৰিত্ৰৰে চৰিত্ৰবান হ'ব লাগিব।

দ্বিতীয়তে শিক্ষানুষ্ঠানসমূহত থকা পুথিভঁৰাল এতিয়া কেৱল জ্ঞানৰ ভঁৰাল হৈ থকা নাই। একবিংশ শতিকাৰ পুথিভঁৰাল অথবা গ্ৰন্থাগাৰবোৰ আচলতে এতিয়া কম্পিউটাৰ কেন্দ্ৰহে। জ্ঞানৰ অভাৱনীয় প্ৰসাৰ আৰু নিত্য নতুন তথ্য, প্ৰযুক্তি বিদ্যাৰ অভিনৱ আধুনিক কলা-কৌশলে সজ্জিত হোৱা গ্ৰন্থাগাৰৰ সামগ্ৰিক

চৰিত্ৰটোকে সলনি কৰি দিছে। এনে উন্নতমানৰ গ্ৰন্থাগাৰবোৰত সম্প্ৰতি ইণ্টাৰনেটৰ যোগে বিশ্বৰ বহুতো দুষ্প্ৰাপ্য আৰু ভিন্ন স্বাদৰ তথ্য সমৃদ্ধ গ্ৰন্থ, অন্যান্য বা-বাতৰি আদি সুলভ হৈ পৰিছে। গতিকে শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰি সৃষ্টিশীল কৰ্মত নিয়োজিত কৰাবৰ বাবে মানসিক উৎকৰ্ষ সাধনৰ বাবে বৌদ্ধিক পৰিৱেশ সৃষ্টি কৰি দিব লাগে। ফলশ্ৰুতিত পৰৱৰ্তী সময়ত তেওঁলোকৰ মাজৰ পৰাই বিশিষ্ট লেখক-লেখিকা, তথ্যসমৃদ্ধ গ্ৰন্থ প্ৰণেতা সৃষ্টি হ'ব পাৰে। বিশ্বায়ন আৰু গোলকীকৰণৰ প্ৰভাৱত সকলো বস্তু সহজলভ্য কৰি তোলা ইণ্টাৰনেট, ফেচবুক, টুইটাৰ, হুৱাটচআপ আদি মাধ্যমবোৰে একাংশ ছাত্ৰ-ছাত্ৰীক উশৃংখল আৰু বিপথগামী হোৱাত সহায় কৰিছে। অৱশ্যে এই মাধ্যমসমূহৰ সুফল অস্বীকাৰ কৰিব নোৱাৰি। তথাপিও শিক্ষক-শিক্ষয়িত্ৰীসকলে ইয়াৰ অপৰিহাৰ্যতাৰ কথা অৰ্থাৎ সুফল-কুফলৰ ব্যাখ্যা দাঙি ধৰি শিক্ষাৰ্থীসকল বিপথগামী হোৱাৰ আসন্ন বিপদৰ পৰা ৰক্ষা কৰিব পাৰে। এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীক এটা উচ্চ পৰ্যায়ৰ পদবী অৰ্থাৎ কৰ্মসংস্থাপনৰ বাবে দক্ষ কৰাৰ লগে লগে সেই ছাত্ৰ বা ছাত্ৰীগৰাকীক প্ৰকৃতাৰ্থত এগৰাকী প্ৰকৃত মানুহ কৰাৰ গুণগত মানখিনিও যদি আহৰণ কৰোৱা হয় তেতিয়া হ'লে তেওঁ সমাজৰ এজন ব্যক্তিত্বসম্পন্ন ব্যক্তি হ'ব। কিয়নো ঐশ্বৰ্য আৰু সফলতাই মানুহক জীয়াই নাৰাখে, জীয়াই ৰাখে মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হোৱা আদৰ্শবাদেহে। শিক্ষাই মানুহক শিক্ষিত কৰাৰ লগতে যদি উচ্চ চিন্তা আৰু উচ্চ মানৰ মানুহ সৃষ্টি কৰাত অৰিহণা যোগায় তেনেহ'লে সমাজখন সুস্থ বাতাবৰণ সৃষ্টি হ'ব আৰু সুস্থিৰভাৱে জীৱন নিৰ্বাহ কৰাৰ পথ প্ৰশস্ত হ'ব। বৰ্তমান অসমৰ চুকে কোণে যি হাৰত বিভিন্ন পৰ্যায়ৰ শিক্ষা প্ৰতিষ্ঠান গঢ় লৈ উঠিছে ঠিক একেদৰেই সমাজখনত উচ্চ শিক্ষিত মানুহৰ সংখ্যাও বৃদ্ধি হৈছে। সেই অনুপাতে সমাজখনত সুস্থিৰ বাতাবৰণ সৃষ্টি হোৱাৰ বিপৰীতে চাৰিওফালে অৰাজকতাহে সৃষ্টি হৈছে আৰু মানৱতাৰ অৱক্ষয় হৈছে। সাধাৰণ শ্ৰেণীৰ মানুহতকৈ শিক্ষিত শ্ৰেণীৰ মানুহে সমাজখন পংকিলতাৰ ফালে ঠেলি দিছে। সেয়ে সমাজত মানৱীয় প্ৰমূল্যবোধ থকা ব্যক্তিৰ সংখ্যা বৃদ্ধি কৰিবৰ বাবেই শিক্ষা ব্যৱস্থা পৰিশোধন কৰাৰ আৱশ্যকতা অত্যন্ত জৰুৰী।

নীতি, আস্থা, স্বধৰ্মজনিত শৃংখলাৰ মাজেৰে জীৱনক প্ৰতিষ্ঠিত কৰাই মূল্যবোধৰ গুৰুত্বপূৰ্ণ উদ্দেশ্য আৰু ইয়াৰ অন্তৰ্গত অৰ্থ। সমগ্ৰ জীৱন জুৰি এই শৃংখলাবদ্ধতা আৰু তাৰ মাজেৰে জীৱন অতিবাহিত কৰিব পৰাটোৱেই হৈছে এক নিয়ন্ত্ৰিত জীৱন। পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত কেতিয়াবা মানুহৰ জীৱনে অনেক প্ৰতিকুল পৰিৱেশৰ সন্মুখীন হ'ব লগাত পৰে। তেতিয়া মানুহে প্ৰতিকুলতাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ মানসিকতা হেৰুৱাই পেলায়। এই ক্ষেত্ৰত গভীৰ মানসিক আত্মপ্ৰত্যয় আৰু অবিৰত প্ৰশিক্ষণৰেই দৰকাৰ। বিভিন্ন সময়ত বিভিন্ন পৰিৱেশত যি আচৰণ প্ৰদৰ্শন কৰা হয় সেই আচৰণৰ অন্তৰালত থাকে আমাৰ অনুশীলন আৰু প্ৰশিক্ষণ। আমাৰ চিন্তা-চেতনাৰ প্ৰবাহ অভ্যাসৰ দ্বাৰা নিয়ন্ত্ৰিত। আমি অভ্যাস গঠন কৰো আৰু অভ্যাসে আমাৰ চৰিত্ৰ গঠন কৰে। চিন্তা-ভাৱনাই আমাক কৰ্ম কৰিবলৈ উৎসাহিত কৰে। কৰ্মই অভ্যাসলৈ আৰু অভ্যাসে চৰিত্ৰলৈ লৈ যায়। চৰিত্ৰই আমাক ভাগ্য নিৰ্ণয় কৰে আৰু এই স্ব-উপাৰ্জিত চৰিত্ৰৰ দ্বাৰা পৰিচালিত হোৱা নিয়মানুৱৰ্তিতাই আমাক সুনাগৰিক হৈ ৰাষ্ট্ৰ

নিৰ্মাণত অংশ গ্ৰহণ কৰিবলৈ সুবিধা প্ৰদান কৰে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ওপৰত এই প্ৰসংগত শিক্ষাবিদ বেভেলে দিয়া এটি মন্তব্য প্ৰণিধানযোগ্য। তেওঁ মন্তব্য দিছে এনেদৰে — "In Indian Education, we are providing education only for the mind not for the character, as a result, the average Indian has little character and no discipline. If they are to become a nation, they learn both." সেয়ে প্ৰত্যেকজন শিক্ষিত ব্যক্তিয়ে কেৱল পাঠ্যক্ৰমিক শিক্ষা গ্ৰহণৰ মাপকাঠিৰে মূল্যায়িত নহৈ ধৈৰ্য, সহনশীলতা, পৰিপাটীতা, সজ আচৰণ, নম্ৰতা, সত্য নিষ্ঠা আদি গুণৰ দ্বাৰা সমৃদ্ধ হ'লেহে এক পৰিশীলিত জীৱনবোধ আয়ত্ব কৰিব পাৰে। প্ৰকৃত মানৱীয় গুণ সমৃদ্ধ ছাত্ৰ-ছাত্ৰীৰ দৰেই অনুশীলনত যদি অন্য ব্যক্তিসকলৰো সমগ্ৰ জীৱন জুৰি মানুহৰ ঐকান্তিকতা থাকে তেতিয়া হ'লে এইবোৰ দিশৰ কৰ্ষণ আৰু আয়ত্বই সামাজিক শৃংখলা আৰু উত্তৰণ ঘটোৱাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিব।

এইখিনিতে উল্লেখনীয় যে সম্প্ৰতি দেশৰ শিক্ষিত আৰু নিৰক্ষৰ দুয়োখন সমাজতে নাগৰিক জ্ঞানৰ অভাৱ হৈছে। এই দুয়োখন সমাজতে নাগৰিক জ্ঞানৰ শিক্ষাদান কাৰ্য শিক্ষকসকলৰ ওপৰত ন্যস্ত কৰা আৱশ্যক। কিয়নো শিক্ষানুষ্ঠানৰ বাহিৰেও আজৰি সময়ত জনসাধাৰণৰ উত্তৰণৰ বাবে চিন্তা কৰাৰ দায়িত্ব শিক্ষকসকলে লৈ তেওঁলোকে সমাজৰ মাজলৈ সোমাই গৈ অভাৱ-অভিযোগৰ বাতৰি ল'বলৈ উদ্যোগ লোৱাতো প্ৰয়োজন। নাগৰিক জ্ঞান সম্পন্ন ব্যক্তিসকলৰ সান্নিধ্যলৈ আহি তেওঁলোকৰ পূৰ্ণ সহযোগ বিচাৰিব লাগিব। দেশৰ বা সমাজলৈ অৰিহণা যোগাবৰ বাবে উঠি অহা প্ৰজন্মক জ্ঞানী অৰ্থাৎ সু-নাগৰিকত্বৰে জ্ঞানপুষ্ট কৰিবলৈ যত্ন কৰিলেহে দেশৰ প্ৰগতি আৰু সমৃদ্ধি আশা কৰাৰ যুক্তি থাকিব।

পৰিশীলিত চিন্তা-চৰ্চাৰে এক নিকা ভাৱমূৰ্তিৰে মানুহৰ হৃদয়ত স্থান লাভ কৰিবলৈ লগতে কথা আৰু কামৰ মাজত মিল ৰাখিব পৰা শৈক্ষিক আৰু আধ্যাত্মিক জীৱনে আমাৰ বৌদ্ধিক পৰিমণ্ডল গঢ়ি তুলিব। আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰখনৰ ফাঁকে ফাঁকে অন্য এখন বিশাল বিস্তীৰ্ণ ক্ষেত্ৰৰ কথা চিন্তা কৰি, ক্ষেত্ৰখনত প্ৰতিষ্ঠিত হৈ সমাজৰ কামত আহিলে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ সুসংহত হ'ব। সেয়ে আকাংক্ষিত প্ৰজন্মৰ লগতে শিক্ষানুৰাগীসকলে নিৰলস চেষ্টা আৰু সাধনাত ব্ৰতী হৈ সামাজিক দায়বদ্ধতাৰ পৰিচয় দিব খুজিলে ক্ৰমশঃ অৰ্থসৰ্বস্ব যান্ত্ৰিক ব্যৱস্থাৰ মাজত সোমাই ককবকাই দিশহাৰা হোৱাৰ পৰিৱৰ্তে আৱেগ-অনুভূতিৰে সঁচা বীজ ৰোপন কৰিবলৈ প্ৰয়োজন হ'ব এক বিৰামহীন প্ৰয়াসৰ। অনাগত দিনত ইয়ে সমাজলৈ কঢ়িয়াই আনিব গভীৰ প্ৰত্যয় আৰু প্ৰত্যাশা।

❖❖❖

*প্ৰয়াত ড° সুখ বৰুৱা মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ*

# জাঁজীৰ সংস্কৃত চৰ্চাৰ সোণ সাৰুৱা ক্ষেত্ৰখনৰ সীৰলুৰ সন্ধানত

ড° অকণ চন্দ্ৰ শইকীয়া

জাঁজীৰ সংস্কৃত চৰ্চাৰ বিস্তাৰিত ক্ষেত্ৰখনৰ সীৰলুৰ সন্ধান কৰাৰ আগতে, সংস্কৃত শিক্ষাৰ গতি প্ৰকৃতিৰ বিষয়ে বিচাৰ-বিবেচনা কৰাৰ পূৰ্বে, জাঁজী নামৰ ঠাইখনৰ এক ভৌগোলিক পৰিসৰৰ পৰিচয় লোৱাৰ প্ৰয়োজন। দেখাত অসমৰ মানচিত্ৰত উজনি অসমৰ শিৱসাগৰ জিলাৰ জাঁজী এখন সৰু ঠাই। বাট-পথ, দোকান-সমাৰৰ অনেক উন্নতি ঘটিছে যদিও আজিও এখন সৰু নগৰৰ স্বীকৃতি জাঁজীয়ে পাব পৰা নাই। কিন্তু সেয়ে হ'লেও জাঁজী হ'ল এক বিস্তৃত অঞ্চল, বুৰঞ্জীয়ে পৰশি যোৱা এখন প্ৰাচীন প্ৰসিদ্ধ ঠাই। জাঁজী গড়মূৰৰ পৰা গৌৰীসাগৰলৈকে বৰ্তমানৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ ছোৱা আহোম ৰাজত্বৰ কালত বিখ্যাত, মাছখোৱাগড় নামেৰে প্ৰসিদ্ধ আছিল। জাঁজী নদীৰ পশ্চিমপাৰে বৰ্তমান যোৰহাট জিলাৰ হাঁহচৰা, বামুণপুখুৰী আদি অঞ্চল সামৰি, পূব পাৰে উক্ত মাছখোৱা গড়েদি উজাই ফুলপানীছিগা পাৰ হৈ জকাইচুক, চাৰিঙৰ সীমান্তলৈকে, দক্ষিণে ম'ৰাবজাৰ, দেওৰজা আদি অঞ্চল সামৰি চাৰিং আৰু আমগুৰিৰ সীমান্তলৈকে আৰু উত্তৰে চিন্তামণিগড়ৰ দ-অঞ্চল পৰ্যন্ত ব্যাপি এই বিস্তৃত অঞ্চলেই পূৰ্বৰে পৰা পৰিচিত বৃহত্তৰ জাঁজী অঞ্চল। উজনিৰ এই বিশেষ ঠাইখণ্ডৰ 'জাঁজী' নামকৰণো অসমৰ অন্যান্য কিছুমান ঠাইৰ দৰে 'জাঁজী' নৈৰ নামৰ আধাৰতে হোৱা বুলি নিশ্চিতভাৱে ক'ব পৰা যায়। মুঠতে জাঁজী নদীৰ সাৰুৱা অৱবাহিকাৰ এক বিস্তাৰিত অঞ্চলেই হ'ল জাঁজী। প্ৰসঙ্গতঃ উল্লেখ্য যে পিছত হোৱা ৰাজনৈতিক, প্ৰশাসনিক, বিভাজনৰ ম'ৰাবজাৰ, শিমলুগুৰি, লাহিং, জকাইচুক আদি মৌজাৰ একো অংশও জাঁজী অঞ্চলৰে অন্তৰ্গত। লগতে স্মৰ্তব্য যে মৰাণছিগা, তামুলীছিগা, ফুলপানীছিগা (এই ছিগা নামেৰে তিনি ঠাই) আৰু বহতীয়ামুখ, ভগামুখ, খনামুখ আদি এই তিনিখন মুখৰ ঠাইখিনিও জাঁজীৰ অন্যতম বৈশিষ্ট্যৰূপে চিহ্নিত হৈ আহিছে। জাঁজী অঞ্চলৰ ঐতিহাসিক, সাহিত্যিক, সাংস্কৃতিক দিশত মহৎ ঐতিহ্য আৰু মেটমৰা ঐশ্বৰ্য আছে। অৱশ্যে আমাৰ এই ক্ষুদ্ৰ নিবন্ধৰ মাজেৰে কেৱল সংস্কৃত চৰ্চাৰ ওপৰতহে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে। ওপৰত উল্লেখ কৰি অহা বৃহত্তৰ জাঁজী অঞ্চলৰ বিশাল ক্ষেত্ৰখনৰ পৰা সংস্কৃত শিক্ষাৰ সঞ্চিত মুকুতা স্বৰূপ তথ্যৰাজি সফলতাৰে বুটলি আনি সহৃদয় পাঠক সমাজক উপহাৰ দিব পৰাটো আমাৰ দৰে

সীমিত জ্ঞানৰ লোকৰ নিমিত্তে সহজ নহয়, দুঃসাধ্য। তথাপি আমাৰ এই লেখাৰ অব্যাপ্তি, অতিব্যাপ্তি আদি দোষৰ মাৰ্জনা সুধী সমাজৰ পৰা আশা কৰি যথাশক্তি আলোচনা আগবঢ়োৱা হ'ল।

জাঁজীত সংস্কৃত চৰ্চাৰ যি পৰম্পৰা, যি ইতিহাস, সেয়া অতি পুৰণি। ভালদৰে চালে দেখা যায় যে ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাই ইয়াত সংস্কৃত শিক্ষাৰ পাতনি মেলা হৈছিল। যি সময়ত সমগ্ৰ ৰাজ্যতে গ্ৰাম্যাঞ্চলত প্ৰাথমিক শিক্ষাত সৰ্বসাধাৰণ লোকৰ কাৰণে সহজসাধ্য আছিল সেই সময়তে জাঁজী ব্ৰাহ্মণ গাঁৱৰ পণ্ডিত স্বৰ্গীয় কালিনাথ ভট্টাচাৰ্যদেৱে ব্যক্তিগত উদ্যোগত নিজৰ ঘৰতে এখন সংস্কৃত টোল স্থাপন কৰি অঞ্চলৰ বহু লোকক সংস্কৃত শিক্ষা প্ৰদান কৰিছিল। উক্ত ব্ৰাহ্মণ গাঁৱৰ প্ৰাচীন পৰিয়াল কিছুমানত এইদৰে সংস্কৃত চৰ্চাৰ পৰিৱেশ, পৰম্পৰা গঢ়ি উঠিছিল। প্ৰাপ্ত তথ্যমতে এয়া ঠিক ১৮৪৫-৫০ চন মানৰ কথা (স্বৰ্গীয় মহেন্দ্ৰ কুমাৰ বৰুৱাদেৱৰ প্ৰবন্ধ 'জাঁজীত সংস্কৃত শিক্ষাৰ জিলিঙনি' - দ্ৰষ্টব্য)। কালিনাথ ভট্টাচাৰ্যদেৱৰ সুযোগ্য পুত্ৰ পণ্ডিত বেদনাথ ভট্টাচাৰ্যদেৱেও পিতৃৰ আদৰ্শকে অনুসৰণ কৰি ঘৰতে নিজা উদ্যোগত স্থাপন কৰা টোলত বহু আগ্ৰহী বিদ্যাৰ্থীক সংস্কৃত শিক্ষাদান কৰিছিল। সেই সময়ত জাঁজীৰ স্বৰ্গীয় ভীমকান্ত কটকী, স্বৰ্গীয় ৰত্নেশ্বৰ বৰঠাকুৰ আদিয়ে জ্যোতিষ আৰু কেশৱচন্দ্ৰ বৰুৱাদেৱে একে সময়তে তন্ত্ৰ-মন্ত্ৰ আৰু আয়ুৰ্বেদ শাস্ত্ৰ চৰ্চা কৰিছিল। এয়া আছিল বিংশ শতিকাৰ আগভাগৰ কথা।

ইয়াৰ পিছত (১৯১৪ চন মানত) জাঁজীত সংস্কৃত টোলীয় শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ এক প্ৰবল জাগৰণ আহে। সেই সময়ত স্বৰ্গীয় দেৱেশ্বৰ বৰঠাকুৰ আৰু স্বৰ্গীয় পদ্মনাভ শৰ্মা কটকীক যুটীয়া সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। য'ত কোষাধ্যক্ষৰ দায়িত্ব পালন কৰিছিল স্বনামধন্য বিদ্যানুৰাগী পুৰুষ স্বৰ্গীয় হেমনাথ শৰ্মাদেৱে। উল্লেখযোগ্য যে উক্ত সমিতিয়ে বৃহত্তৰ জাঁজী অঞ্চলৰ হাঁহচৰা, বামুণপুখুৰী, তামুলীছিগা, লাহোৱা, শিমলুগুৰি আদি ঠাইসমূহৰ উপৰি কাষৰীয়া চাৰিং, নামতি আদি অঞ্চলত সভা অনুষ্ঠিত কৰি ৰাইজৰ মাজত টোলীয় শিক্ষাৰ (সংস্কৃতি শিক্ষাৰ) প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰিছিল, এক জাগৰণ আনিছিল। ৰাইজৰ সজাগতাৰ ফলশ্ৰুতিত এখন আনুষ্ঠানিক সংস্কৃত টোল প্ৰতিষ্ঠা হয় ১৯১৭ চনত। সেই বছৰতে এপ্ৰিল মাহৰ পৰাই টোলত পাঠদানো আৰম্ভ কৰা হয়। লগতে টোল পৰিচালনা সমিতিৰ পৰিসৰ বৃদ্ধি কৰি পোন্ধৰজনীয়া কৰা হয়। উক্ত সমিতিত স্বৰ্গীয় কেশৱ চন্দ্ৰ বৰুৱাদেৱে সভাপতি, বেদনাথ ভট্টাচাৰ্যদেৱক সম্পাদক আৰু ফণীধৰ খাউণ্ডদেৱক সহঃসম্পাদকৰ দায়িত্ব দিয়া হয়। স্থায়ী নোহোৱা পৰ্যন্ত স্বৰ্গীয় নৰনাথ শৰ্মাদেৱৰ দোকানৰ পিছফালে থকা এখন চালিতে পাঠদানৰ ব্যৱস্থা কৰা হয়। প্ৰসঙ্গতঃ উল্লেখ্য যে ১৯১৭ চনৰ ফেব্ৰুৱাৰী মাহত স্বৰ্গীয় পদ্মনাথ শৰ্মাদেৱৰ সভাপতিত্বত বহা উক্ত সভাতেই কামৰূপৰ হাউলি নিবাসী বিদগ্ধ সংস্কৃত পণ্ডিত আদ্যনাথ ভট্টাচাৰ্য বিদ্যাবাগীশ দেৱক টোলৰ অধ্যাপক নিযুক্তি দিয়া হয়। কিন্তু বিশেষ কাৰণত তেখেত আহিব নোৱাৰাত তেখেতৰ পিতৃ পণ্ডিত মুহিৰাম ভট্টাচাৰ্যদেৱে আহি টোলৰ দায়িত্ব গ্ৰহণ কৰে। মুহিৰাম ভট্টাচাৰ্য এগৰাকী বিদগ্ধ পণ্ডিত আৰু ঋষিতুল্য পুৰুষ আছিল।

১৯১৭ চনৰ ১৬ এপ্ৰিলৰ পুৱা এক শুভক্ষণত মাঙ্গলিক কাৰ্য সম্পন্ন কৰি স্থানীয় বহু

লোকৰ উপস্থিতিত পণ্ডিত ভট্টাচাৰ্য মহাশয়ে মাত্ৰ দুগৰাকী ছাত্ৰক লৈ জাঁজী টোলৰ শ্ৰেণীকোঠাত পাঠদানৰ শুভাৰম্ভ কৰে। এইটো দিন জাঁজীৰ শৈক্ষিক ইতিহাসৰ অন্যতম সোণালী দিন হিচাপে চিৰদিনলৈ চিহ্নিত হৈ ৰ'ব। স্মৰণযোগ্য যে আনুষ্ঠানিক টোলৰ শিক্ষা আৰম্ভ কৰি ইতিহাস ৰচনা কৰা ছাত্ৰ দুজন আছিল ক্ৰমে ফণীন্দ্ৰনাথ ভট্টাচাৰ্য ব্যাকৰণতীৰ্থ আৰু জনাৰ্দ্দন আচাৰ্য, বি.এ.বি.টি. কাব্যতীৰ্থ। জানিব পৰা মতে প্ৰথম অৱস্থাত মাত্ৰ পোন্ধৰ টকা পাৰিতোষিক হিচাপে লৈ হেমনাথ শৰ্মাদেৱৰ নিজা ঘৰত থাকি অধ্যাপক মহাশয়ে অধ্যাপনা কাৰ্য চলাইছিল। এইদৰে মুহিৰাম ভট্টাচাৰ্য মহাশয়ে এবছৰ চলোৱাৰ পিছত পূৰ্বে উল্লেখ কৰি অহা তেখেতৰ পুত্ৰ পণ্ডিত আদ্যনাথ ভট্টাচাৰ্য, বিদ্যাবাগীশ মহোদয়, জাঁজীলৈ আহি পিতৃৰ পৰা টোলৰ কাৰ্যভাৰ গ্ৰহণ কৰে। তেখেতে সুদীৰ্ঘ প্ৰায় ৩৫ বছৰ কাল অতি দক্ষতাৰে টোল পৰিচালনা কৰাৰ পিছত বাৰ্দ্ধক্যজনিত কাৰণত নিজ ঠাই হাউলিলৈ প্ৰত্যাৱৰ্তন কৰে (১৯৫৩ চনত)। তেখেত যোৱাৰ পিছত স্থানীয় জাঁজী জৰাবাৰীৰ স্বৰ্গীয় জীৱকান্ত ব্যাকৰণ শাস্ত্ৰী মহোদয়ে টোলৰ অধ্যাপকৰ দায়িত্ব গ্ৰহণ কৰে।

জাঁজীত সংস্কৃত শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সেই সময়ৰ বহু জন বিদ্যানুৰাগী, জ্ঞানী-গুণী পুৰুষ কায়িক আৰু আৰ্থিক অৱদান আছিল। ১৯২৫ চনত জাঁজী সংস্কৃত টোলে লোকে ব'ৰ্ড আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ সাহাৰ্য লাভ কৰে। ঠিক তাৰ আগতে গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী প্ৰভুৱে জাঁজী গড়মূৰত এখন সংস্কৃত টোল প্ৰতিষ্ঠা কৰি পণ্ডিত গোপীকান্ত পূজাৰী বেদান্ততীৰ্থ মহাশয়ক অধ্যাপক নিযুক্তি দিয়ে। সত্ৰাধিকাৰ প্ৰভুৱে নিজৰ শিক্ষাবৰ্গক সহযোগ কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে অধ্যাপকৰ প্ৰাপ্য দৰমহাৰ বাবেও অৰ্থৰ সহায় কৰিছিল। উল্লেখ্য যে গড়মূৰত টোলৰ গৃহ নিৰ্মাণৰ নিমিত্তে চাৰিঙৰ স্বৰ্গীয় ৰাধাকান্ত ফুকনদেৱ আৰু শিমলুগুৰি মৌজাৰ তদানীন্তন মৌজাদাৰ স্বৰ্গীয় ডিম্বেশ্বৰ বৰুৱাদেৱে (বামুণপুখুৰী) বিশেষভাৱে উদ্যোগ গ্ৰহণ কৰিছিল। উক্ত গোপীকান্ত পূজাৰ বেদান্ততীৰ্থদেৱে টোলৰ অধ্যাপকৰ দায়িত্ব স্বৰ্গীয় সুৰেন্দ্ৰনাথ কটকী ব্যাকৰণ শাস্ত্ৰী মহাশয়ৰ ওপৰত ন্যস্ত কৰি অৱসৰ গ্ৰহণ কৰে। কিছুদিন পিছত উক্ত কটকী মহাশয়ে হাইস্কুলৰ চাকৰি লৈ স্থানান্তৰিত হোৱাত গড়মূৰৰ টোলখন প্ৰায় বন্ধ হৈ পৰে। ইয়াৰ পিছতে আগতে উল্লেখ কৰি জাঁজী জামুগুৰিৰ টোলৰ অধ্যায় আৰম্ভ হয়।

প্ৰাপ্ত তথ্যমতে প্ৰথম অৱস্থাত শিৱসাগৰ আৰু যোৰহাট জিলাৰ উপৰি ডিব্ৰুগড় আৰু লক্ষীমপুৰ জিলাৰ পৰা আহি বিদ্যাৰ্থীসকলে জাঁজীত সংস্কৃত অধ্যয়ন কৰিছিল। সেইসকল ছাত্ৰৰ বহুতেই সুখ্যাতিৰে শাস্ত্ৰী উপাধি গ্ৰহণ কৰি বিভিন্ন বিদ্যালয়ত শিক্ষক হিচাপে সংস্থাপিত হৈ আহিছে। জাঁজীত শিক্ষালব্ধ এনে বিদ্যাৰ্থীসকলৰ ভিতৰত — ফণীন্দ্ৰনাথ ভট্টাচাৰ্য ব্যাকৰণতীৰ্থ, জনাৰ্দ্দন আচাৰ্য কাব্যতীৰ্থ, সুৰেন্দ্ৰনাথ কটকী ব্যাকৰণ শাস্ত্ৰী, গোলাপ চন্দ্ৰ গোস্বামী, মথুৰ বৰকটকী, লক্ষ্মীনাথ বৰঠাকুৰ, জগন্নাথ বৰঠাকুৰ, নোমল ৰাজগুৰু, লক্ষ্মীপ্ৰসাদ খাউণ্ড, গৌৰীকান্ত দেৱগোস্বামী (সত্ৰাধিকাৰ, শ্ৰীশ্ৰীজৰাবাৰী সত্ৰ), চিদানন্দ বৰঠাকুৰ আদিৰ নাম উল্লেখযোগ্য। সি যি কি নহওক, জাঁজী জামুগুৰি সংস্কৃত টোলৰ পৰিচালনা সমিতিৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি সেৱা আগবঢ়োৱা স্বৰ্গীয় দীননাথ আচাৰ্য,

স্বৰ্গীয় হেমনাথ শৰ্মা, স্বৰ্গীয় ডম্বৰুধৰ খাউণ্ড, স্বৰ্গীয় মহেন্দ্ৰ কুমাৰ বৰুৱা আদি বৰেণ্য ব্যক্তিসকলৰ ত্যাগ আৰু কৰ্মনিষ্ঠা চিৰস্মৰণীয় হৈ ৰ'ব।

পৰৱৰ্তী সময়ত 'অসম সংস্কৃত সমিতি' গঠনৰ মাজেৰে টোলৰ সংস্কৃত শিক্ষাৰ উন্নতি সাধনকল্পে ৰজাঘৰৰ (চৰকাৰৰ) তৰফে গুৰুত্ব আৰোপ কৰা হ'ল। পাঠ্যক্ৰমৰ কিছু সংশোধন ঘটাই পূৰ্বৰ কেৱল সংস্কৃত শিক্ষাৰ লগতে প্ৰাৰম্ভিক শ্ৰেণীত হাইস্কুলৰ মেট্ৰিক বৰ্তমানৰ পৰ্যায়ৰ পাঠ্যক্ৰম (ইংৰাজীসহ)ৰ সংযোজন ঘটোৱা হ'ল। আগতে টোলৰ পৰা শাস্ত্ৰী বা তীৰ্থ উপাধি লোৱা একোজন পণ্ডিতে উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰোঁতে ইংৰাজী বিষয়ৰ লগত সম্পৰ্ক নথকাত শিক্ষাদানত অসুবিধা পাইছিল। বিশেষকৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত (১৯৬৩ চনলৈকে) থাকোতে মাতৃভাষা অসমীয়া বাদ দি বাকী ভূগোল, বুৰঞ্জী, সংস্কৃত আদি সকলো বিষয়ৰ প্ৰশ্ন কাকত ইংৰাজীতহে প্ৰস্তুত কৰা হৈছিল। গতিকে পৰৱৰ্তী সময়ত টোলৰ সংস্কৃত শিক্ষাৰ সংশোধন ঘটাই চৰকাৰে যি পৰিৱৰ্তন আনিলে সি সকলোকে উপকৃত কৰিলে। সংস্কৃত শিক্ষাৰ সংস্থাপন হোৱাত সহায় হ'ল আৰু টোলৰ সংস্কৃত শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহো বৃদ্ধি পালে।

এনেদৰে পৰিৱৰ্তনৰ লগত হাত মিলাই জাঁজীৰ সংস্কৃত টোলেও অধ্যাপক জীৱকান্ত শাস্ত্ৰীদেৱে নেতৃত্ব লোৱাৰ সময়ৰ পৰা নতুন ৰূপ পাবলৈ সক্ষম হ'ল। তেখেতৰ লগতে নলবাৰীৰ পৰা অহা পণ্ডিত কৈলাশচন্দ্ৰ শৰ্মা শাস্ত্ৰী মহোদয়ৰ (পিছলৈ তেখেতে অধ্যক্ষৰ দায়িত্বও বহন কৰিছিল) জাঁজী জামুগুৰি টোলৰ প্ৰতি থকা অৱদান বিশেষ উল্লেখযোগ্য আছিল। আগতে উল্লেখ কৰি অহাৰ দৰে টোলৰ পাঠ্যক্ৰমত বিষয়বোৰ যুক্ত হোৱাৰ নিমিত্তে সাধাৰণ স্নাতক শিক্ষকৰো প্ৰয়োজন হ'ল। এনে কাৰণতে স্থানীয় ব্ৰাহ্মণ গাঁৱৰ শিক্ষক শ্ৰী বিনন্দ চন্দ্ৰ আচাৰ্য, বি.এ. দেৱক নিযুক্তি দিয়া হয়। আচাৰ্যদেৱে কাৰ্যালয়ৰ কিছুমান কাম সম্পাদন কৰাতো অধ্যাপক শৰ্মাদেৱক সহায় কৰিছিল। পৰৱৰ্তী সময়ত বিজ্ঞান আৰু অংক বিষয়ৰ পাঠদানৰ নিমিত্তে বিজ্ঞানৰ স্নাতক শ্ৰী প্ৰদীপ বৰ্মন, বি.এচ.চি. দেৱকো (নলবাৰীৰ) নিযুক্তি দিয়া হ'ল। এইখিনি ঠিক সত্তৰ আৰু আশীৰ দশকৰ কথা। টোলৰ অধ্যাপক কৈলাশ চন্দ্ৰ শৰ্মা শাস্ত্ৰী মানুহজন নিজে বিদ্যানুৰাগী লোক আছিল, তেখেতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগাইছিল। যি সময়ত জামগুৰি টোলত কেৱল ব্যাকৰণ শাখাটোহে চলি আছিল তেনে সময়তে ১৯৮০ চনত এই নিবন্ধ লিখকে অধ্যাপক শৰ্মাদেৱৰ উৎসাহতে এইখন টোলৰ পৰাই প্ৰ-পত্ৰ পূৰণ কৰি কাব্য শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হৈ (যোৰহাট পৰীক্ষা কেন্দ্ৰত) সন্তুষ্টিৰ 'কাব্য-শাস্ত্ৰী' উপাধি লাভ কৰিবলৈ সক্ষম হৈছিলোঁ।

বিংশ শতিকাৰ সত্তৰ আৰু আশীৰ দশক কেইটা জাঁজী সংস্কৃত টোলৰ সোণালী যুগ আছিল বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। ১৯৭৮ খ্ৰীষ্টাব্দৰ ২৭, ২৮ আৰু ২৯ জানুৱাৰীত তিনিদিনীয়া কাৰ্যসূচীৰে জাঁজীত মহাপয়োভৰেৰে 'অসম উচ্চ সংস্কৃত অধ্যাপক সন্মিলন'ৰ নৱম বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত হয়। সমগ্ৰ অসমৰ ধুবুৰী, শিলচৰ, হাইলাকান্দি, নলবাৰী, গুৱাহাটী, নগাঁও, দেৰগাঁও, গোলাঘাট, যোৰহাট (বালিগাঁও) আৰু উজনিৰ শদিয়া পৰ্যন্ত ঠাইৰ পণ্ডিত প্ৰবৰ সংস্কৃত অধ্যাপক প্ৰতিনিধিসকল আহি জাঁজীত

সমবেত হৈছিল। আলোচনা চক্ৰ আৰু মুকলি অধিবেশনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক আন্তৰ্জাতিক খ্যাতিসম্পন্ন বৈদিক পণ্ডিত ড° প্ৰিয়াংশু প্ৰবল উপাধ্যায়, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সত্যেন্দ্ৰনাথ শৰ্মা, অসমৰ বৰেণ্য পণ্ডিত, বুৰঞ্জীবিদ বেণুধৰ শৰ্মা, অধ্যাপক ভৱকৃষ্ণ মিশ্ৰ, ডিম্বেশ্বৰ দয়াল শৰ্মা, ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, পণ্ডিত গংগেশ্বৰ মহন্ত, শ্ৰীশ্ৰীজৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু গৌৰীকান্ত দেৱগোস্বামী, শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু আৰু অনেক গণ্যমান্য সুধীজনৰ সমাবেশে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। সাংস্কৃতিক সন্ধ্যাত গীত, স্তোত্ৰ, দশাৱতাৰ নৃত্য (শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ ভকত-বৈষ্ণৱ শিল্পীবৃন্দৰ সৌজন্যত) আদি প্ৰদৰ্শনৰ উপৰি মুকলি অধিবেশনৰ সন্ধ্যা মহাভাৰত মহাকাব্যৰ কুৰুক্ষেত্ৰ মহাসমৰৰ কাহিনীৰ আধাৰত ৰচিত সংস্কৃত নাট্যকাৰ ভট্টনাৰায়ণৰ বিখ্যাত 'বেণীসংহাৰম্' নাটকখন সফলতাৰে উপস্থাপন কৰা হয়। উক্ত নাটকত এই লিখকে নায়ক ভীমসেনৰ চৰিত্ৰ ৰূপায়ণ কৰাৰ উপৰি নাটকৰ পৰিচালকৰ দায়িত্বও ল'ব লগীয়া হৈছিল। নাটকখনৰ অন্যান্য চৰিত্ৰৰ ভিতৰত দুৰ্যোধনৰ চৰিত্ৰত জাঁজীৰ অন্যতম সংস্কৃত পণ্ডিত ৰামকুমাৰ ভট্টাচাৰ্য, অশ্বত্থমাৰ চৰিত্ৰত ধীৰেণ আচাৰ্য, কৃপাচাৰ্যৰ চৰিত্ৰত বিনন্দচন্দ্ৰ আচাৰ্য, কৰ্ণৰ চৰিত্ৰত নৱকুমাৰ বৰুৱা, সহদেৱৰ চৰিত্ৰত সুৰেণ বৰুৱা, ৰুধিৰ প্ৰিয় (ৰাক্ষস)ৰ চৰিত্ৰত অধ্যাপক ৰজনী গোস্বামী, কঞ্চুকীৰ চৰিত্ৰত বুধিন্দ্ৰনাথ বৰঠাকুৰ, পাৰিপাৰ্শ্বিকৰ চৰিত্ৰত ভবেন্দ্ৰনাথ বৰুৱা, সূত্ৰধাৰ আৰু নৃত্য পৰিচালনাত অধ্যাপক জগন্নাথ মহন্ত আদিয়ে সুন্দৰ অভিনয় প্ৰদৰ্শন কৰে। অন্যহাতে স্ত্ৰী চৰিত্ৰৰ ভিতৰত দ্ৰৌপদীৰ ভাৱত মালবিকা কটকী, চোটিৰ ভাৱত বুলবুল দেৱী, ৰসাগন্ধ (ৰাক্ষসী)ৰ ভাৱত ৰুণুমী বৰুৱাই সফল অভিনয় কৰে। লগতে নাটকৰ প্ৰস্তাৱনাত অধ্যাপক জগন্নাথ মহন্তদেৱৰ সুদক্ষ পৰিচালনাত এটি নৰ্ত্তকীৰ দলে সুন্দৰ নৃত্য প্ৰদৰ্শন কৰি সহৃদয় দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ মহাৰথী কৰ্ণ আৰু অশ্বত্থমাৰ বাকযুদ্ধ; ৰাক্ষস-ৰাক্ষসীৰ দ্বাৰা (যুদ্ধত নিহত বীৰৰ) মেদ-মাংস ভক্ষণত যি বীভৎস ৰসৰ প্ৰকাশ; জয়দ্ৰথ বধৰ আগমুহূৰ্তত উৰুত চাপৰ মাৰি দুৰ্যোধনে দেখুওৱা অহংকাৰ; দুৰ্যোধনৰ ৰথৰ ধ্বজা মণিমুক্তা খচিত চকৰীসহ ঘূৰ্ণি বতাহে (যাক ভীম বোলা হয়) ভূমিত নিপতিত কৰাৰ সংবাদৰ মাজেৰে কঞ্চুকীৰ দ্বাৰা যি ব্যঙ্গাত্মক হাস্যৰসৰ সৃষ্টি; প্ৰথম দৃশ্য আৰু তৃতীয় অংকত (নাটকৰ গৰ্ভ সন্ধিত) হাতত দুৰ্জয় গদা আৰু পৰশু লৈ নায়ক ভীমসেনৰ দ্বাৰা দুঃশাসনৰ ৰক্তপানৰ দৃশ্যত যি ৰৌদ্ৰৰসৰ প্ৰকাশ সেইখিনি আকৰ্ষণীয় আৰু উপভোগ্য আছিল বুলি দৰ্শকৰ পৰা মন্তব্য শুনা গৈছিল। অৱশ্যে উক্ত নাট্যাভিনয়ৰ যি সফলতা সেয়া শিল্পীসকলৰ দলীয়, ঐক্য, দলীয় সহযোগিতা আৰু দলীয় প্ৰচেষ্টাৰে সুফল আছিল বুলি আমি গণ্য কৰো। উল্লেখ্য যে নাটক অভিনয়ৰ বিষয়ত সমবেত সংস্কৃত পণ্ডিত প্ৰতিনিধি দৰ্শকসকলৰ দ্বাৰা অনুষ্ঠানৰ গুৰি ধৰোতা, অভ্যৰ্থনা সমিতিৰ সম্পাদক মহেন্দ্ৰ কুমাৰ বৰুৱাদেৱৰ আগত কৰা মন্তব্য আছিল এনেধৰণৰ — 'অসমৰ কথা বাদেই, ভাৰতবৰ্ষৰ কোন ঠাইত এনে সফলতাৰে সংস্কৃত নাটক অভিনয় কৰা হৈছে (অৰ্থাৎ ক'তো হোৱা নাই)? সংস্কৃত নাটক এখন সকলোৰে সহযোগিতাত অভিনয় কৰাৰ বাসনা আমাৰ বহুদিনৰ

পৰা আছিল। গতিকে বিখ্যাত 'বেণীসংহাৰ' নাটকৰ অভিনয় সফল হোৱা বুলি বিজ্ঞ পণ্ডিত দৰ্শক মণ্ডলীৰ পৰা জানিব পাৰি আমি তৃপ্ত হ'লো, আনন্দ পালো, যি তৃপ্তি, আনন্দ আমাৰ আমৰণ ৰৈ যাব। স্মৰ্তব্য যে ভট্ট নাৰায়ণৰ উক্ত 'বেণীসংহাৰম' নাটকখন তদানীন্তন স্নাতক সন্মানৰ পাঠ্যপুথি আছিল, যি কাৰণে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক আমাৰ একালৰ শ্ৰদ্ধেয়া শিক্ষা আচাৰ্যা বিশিষ্ট লেখিকা কেশদা মহন্ত বাইদেৱেও নাটকখন কৰাত আমাক উৎসাহ যোগাইছিল। শ্ৰদ্ধেয়া মহন্ত বাইদেউৰ ওচৰত আমি কৃতজ্ঞ হৈ ৰ'লো।

আনহাতে উক্ত অসম উচ্চ সংস্কৃত সন্মিলনৰ নৱম বাৰ্ষিক জাঁজী অধিবেশনৰ উপলক্ষ্যত প্ৰকাশিত 'স্মৃতি পত্ৰিকা'খনক জাঁজীত সংস্কৃত চৰ্চা স্বাক্ষৰ বাহক অন্যতম দলিল আখ্যা দিব পৰা যায়। স্মৃতি পত্ৰিকাখনৰ সম্পাদনাৰ দায়িত্বত আমাৰ লগতে বন্ধুবৰ অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ সহঃসম্পাদক হিচাপে আছিল। প্ৰথমতে কিছু বহল পৰিসৰত স্মৃতিগ্ৰন্থখন প্ৰস্তুতিৰে সংস্কৃত বিষয়ৰ লগত ৰজিতা খুৱাই গ্ৰন্থখনিৰ নাম দিবলৈ বিচৰা হৈছিল 'জাঁজী যত্ৰ প্ৰবহতি'। অৰ্থব্যঞ্জক পত্ৰিকাৰ বেটুপাতৰ চিত্ৰ অংকন কৰি দিছিল বন্ধুবৰ (সন্দিকৈদেৱৰো বন্ধু) বিশিষ্ট লেখক, চিত্ৰকৰ ভবানী প্ৰসাদ অধিকাৰীদেৱে। কিন্তু সম্পাদনা সমিতিয়ে অনুমোদন দিব নোৱাৰাত (ব্যয় বহুলতাৰ সম্ভাৱনাৰ নিমিত্তে) উক্ত নামকৰণ আৰু বেটুপাত পৰিহাৰ কৰা হ'ল আৰু গ্ৰন্থৰ কলেৱৰৰ প্ৰতি লক্ষ্য ৰাখি স্মৃতিগ্ৰন্থৰ ঠাইত 'স্মৃতি পত্ৰিকা' কৰা হ'ল। সেয়ে হ'লেও ভালেকেইগৰাকী প্ৰথিতযশা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিতৰ নিবন্ধৰে স্মৃতি পত্ৰিকাখন এখন 'সুৱৰ্ণ সফুঁৰা'ৰ ৰূপত সজোৱা হ'ল। উক্ত পণ্ডিতবৰ্গৰ ভিতৰত ডক্টৰ মুকুন্দমাধৱ শৰ্মা, ডক্টৰ অশোক কুমাৰ গোস্বামী, কেশদা মহন্ত, গংগেশ্বৰ মহন্ত, ডক্টৰ মহেশ্বৰ নেওগ, ফণীন্দ্ৰনাথ ভট্টাচাৰ্য আদিৰ নাম উল্লেখযোগ্য। যি নহওক, উক্ত তত্ত্বগধুৰ নিবন্ধৰাজিৰ পৰা আমাৰ জিজ্ঞাসু বিদ্যাৰ্থীসকল নিশ্চয় উপকৃত, অনুপ্ৰাণিত হ'ল।

এচাম বিদ্যানুৰাগী ব্যক্তিৰ উদ্যোগত ১৯৬৪ চনৰ ইংৰাজী ২৫ জুলাইৰ এক পবিত্ৰ ক্ষণত জাঁজী মহাবিদ্যালয়ে (পিছত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়) প্ৰতিষ্ঠা লাভ কৰে। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ লগে লগে বৃহত্তৰ জাঁজী অঞ্চলৰ উচ্চ শৈক্ষিক-সাংস্কৃতিক ইতিহাসত অন্য এক মূল্যবান অধ্যায়ৰ সংযোজন ঘটিল। স্মৰ্তব্য যে উক্ত বিদ্যামন্দিৰ অক্ষয়বন্তি প্ৰজ্বলন কৰি বৈদিক পুষ্কল মন্ত্ৰ উচ্চাৰণেৰে আধাৰশিলা স্থাপন কৰিছিল আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিদগ্ধ (বৈদিক) পণ্ডিত ডক্টৰ যোগীৰাজ বসু মহোদয়ে। জাঁজী কলেজৰ উদ্যোক্তাসকলৰ দ্বাৰা সম্পাদিত এনে কাৰ্যই নিশ্চিতভাৱে সংস্কৃত-সংস্কৃতিপ্ৰেমী মানসিকতাৰ কথাকে সূচায়। বিশেষ উল্লেখ্য যে কলেজৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰাই অৰ্থনীতি, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান আদি বিষয়ৰ লগতে (বিভাগসমূহৰ লগতে) সংস্কৃত বিভাগটোও খোলা হয়। সম্প্ৰতি জাঁজী কলেজৰ সংস্কৃত বিভাগটোৱে এক জাতিষ্কাৰ ৰূপ পাবলৈ সক্ষম হৈছে। বিশেষ মন কৰিবলগীয়া কথা এয়ে যে বৰ্তমান সময়তো পূৰ্বৰ অবিভক্ত শিৱসাগৰ জিলাৰ শিৱসাগৰ মহকুমা তথা বৰ্তমান সমগ্ৰ শিৱসাগৰ জিলাৰ মহাবিদ্যালয়সমূহৰ ভিতৰত কেৱল জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়তহে সংস্কৃত বিভাগটো আছে। লগতে স্মৰ্তব্য যে সমগ্ৰ উজনি অসমৰ সংস্কৃত

বিভাগ থকা মহাবিদ্যালয়সমূহৰ ভিতৰত (জে.বি., ডি.চি.বি., কটন মহাবিদ্যালয় পৰ্যন্ত সামৰি) কেৱল জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়তহে সংস্কৃত বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সন্তোষজনক। পূৰ্বতে উল্লেখ কৰি অহা 'অসম উচ্চ সংস্কৃত অধ্যাপক সন্মিলন'ৰ নৱম জাঁজী অধিবেশনৰ প্ৰসঙ্গত জাঁজী কলেজৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা উক্ত অনুষ্ঠানত যোগদান কৰাৰ বিষয়ে কৈ অহা হৈছে।

জাঁজী কলেজৰ সংস্কৃত বিভাগত প্ৰথম অৱস্থাত সুদূৰ নামনি অসমৰ পৰা আহি হৰিধন দেৱনাথ, তৰুণ মিশ্ৰ ভাগৱতী আদি সংস্কৃত অনুৰাগী লোকসকলে অধ্যাপনা কৰিছিল অশেষ ত্যাগৰ মাজেৰে। ইয়াৰ পিছত শিৱসাগৰ চাৰিঙৰ যাদৱ চলিহা দেৱে অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। এনে এক সময়তে অধ্যাপিকা স্বৰ্ণছায়া শইকীয়া (যোৰহাট ঢেঁকীয়াখোৱাৰ) আৰু স্থানীয় অধ্যাপক কৃষ্ণকান্ত সন্দিকৈদেৱে কলেজত যোগদান কৰে। অধ্যাপিকা স্বৰ্ণছায়া শইকীয়াই জাঁজী কলেজ এৰি যোৱাৰ পিছত উক্ত খালি পদত এই নিবন্ধ লিখকে ১৯৭২ চনৰ ১১ ছেপ্তেম্বৰ তাৰিখে যোগদান কৰে। আচলতে সেই সময়ৰ পৰাহে কলেজৰ সংস্কৃত বিভাগত শিক্ষকৰ পাঠদানৰ সেৱাৰ এক সুস্থিৰ অৱস্থা আছে। কিয়নো পূৰ্বতে উল্লেখ কৰি অহাৰ দৰে ইয়াৰ আগতে ভালে কেইগৰাকী শিক্ষকে যোগদান কৰিছিল যদিও বিভিন্ন কাৰণত কলেজ এৰি যাবলগীয়া হৈছিল। অধ্যাপক ড° সন্দিকৈদেৱে চাকৰিৰ পৰা অৱসৰ কাল পৰ্যন্ত সংস্কৃত বিভাগত ত্যাগ আৰু নিষ্ঠাৰে সেৱা আগবঢ়ালে। অৱশ্যে আমি সুদীৰ্ঘ ২৮ বছৰ কাল (৭২-২০০০ চনলৈ) এই কলেজত অধ্যাপনা কৰাৰ পিচত ২০০০ চনৰ ১ এপ্ৰিল তাৰিখে কাকজান মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিবলগীয়া হ'ল। জাঁজী কলেজত আমি যোগদান কৰাৰ ঠিক আঢ়ৈ বছৰৰ পিছত অধ্যাপক ড° প্ৰদীপ কুমাৰ গগৈয়ে যোগদান কৰে। ইয়াৰ পিছত ক্ৰমে অধ্যাপিকা অনুপমা মহন্ত (বৰ্তমান বিভাগীয় মুৰব্বী অধ্যাপিকা ডক্টৰ অনুপমা মহন্ত), অধ্যাপিকা জেউতী বৰুৱা আৰু অধ্যাপক ৰাজীৱ শৰ্মা আদিয়ে সংস্কৃত বিভাগলৈ সফলতাৰে সেৱা আগবঢ়াই আহিছে। প্ৰসঙ্গতঃ গৌৰৱেৰে উল্লেখ্য যে বৰ্তমানৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা ডক্টৰ অনুপমা মহন্ত আৰু সহঃঅধ্যাপিকা জেউতী বৰুৱা জাঁজী কলেজৰ সংস্কৃত বিভাগৰ প্ৰাক্তন কৃতী ছাত্ৰী।

জাঁজী কলেজৰ প্ৰতিষ্ঠা কালৰে পৰা যিসকল মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্বৰে স্নাতক উপাধি লাভ কৰিবলৈ সক্ষম হৈছিল, সেইসকলৰ ভিতৰত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ অন্য বিষয়ৰ লগতে সংস্কৃত বিষয়তো সন্তোষজনক নম্বৰ লাভ কৰি গৈছে। অৱশ্যে আমাৰ এই ক্ষুদ্ৰ নিবন্ধৰ পৰিসৰত সকলোৰে নাম সন্নিবিষ্ট কৰাটো সম্ভৱ নহ'ব আৰু লগতে আমাৰ দৰে বিস্মৃতিৰ গৰাহত পৰা লোকৰ বাবে সেয়া সহজসাধ্য নহয়। তথাপি উদাহৰণস্বৰূপে সংক্ষেপে কেইগৰাকীমানৰ বিষয়ে উল্লেখ কৰা চেষ্টা কৰা হ'ল। ১৯৭৩ চনত যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্নাতক চূড়ান্ত পৰীক্ষাত বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল সেইসকলৰ ভিতৰত শ্ৰী প্ৰণৱ খাউণ্ড (জাঁজী ব্ৰাহ্মণ গাঁৱৰ) আৰু জয়ন্ত মাধৱ শৰ্মা (আমগুৰিৰ) অন্যতম। এওঁলোকে দুয়োজনে ডিষ্টিংচন লৈ স্নাতক উত্তীৰ্ণ হৈছিল। জয়ন্ত মাধৱ শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম আৰু প্ৰণৱ খাউণ্ড তৃতীয় স্থান লাভ কৰি মহাবিদ্যালয় তথা সমগ্ৰ

অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। দুয়ো গৰাকী ছাত্ৰই অন্য বিষয়ৰ লগতে সংস্কৃত বিষয়ত ভাল নম্বৰ লাভ কৰিছিল। উল্লেখ্য যে শ্ৰী প্ৰণৱ খাউণ্ডে (তেওঁ জাঁজীৰ বিশিষ্ট শিক্ষাবিদ স্বৰ্গীয় লক্ষ্যপ্ৰসাদ খাউণ্ডদেৱৰ কনিষ্ঠ পুত্ৰ) সংস্কৃত বিষয়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰীও লাভ কৰে।

১৯৭৪ চনত কলেজৰ ইংৰাজী আৰু সংস্কৃত বিভাগত স্নাতক মহলাত সন্মান (তেতিয়া) অৱতীৰ্ণ কৰা হয়। সংস্কৃতত সন্মান পাঠ্যক্ৰম লোৱা পাঁচ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত (মোৰ মনত পৰা মতে) আটাইকেইগৰাকীয়ে চূড়ান্ত পৰীক্ষাত সন্মানসহ উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। এইচাম ছাত্ৰ-ছাত্ৰীৰ ভিতৰত আছিল - মুকুল হাজৰিকা (বৰ্তমান যোৰহাট বাল্যভৱনৰ কৃতী শিক্ষক তথা বিশিষ্ট লেখক, সকলোৰে পৰিচিত ডক্টৰ মুকুল হাজৰিকা), তৰুণ বৰা, সুমিত্ৰা বৰা (দুয়ো বৰ্তমান জাঁজী বালিকা উচ্চ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী), যোগেন শৰ্মা (তেওঁ ঘৰ শিৱসাগৰৰ বিহুবৰ ফালে আছিল) আদি। সংস্কৃতত সন্মানসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা দ্বিতীয়চাম ছাত্ৰ-ছাত্ৰীৰ ভিতৰত অনুপমা মহন্ত (বৰ্তমান বিভাগীয় মুৰব্বী ডক্টৰ অনুপমা মহন্ত), শ্ৰী ঋষেশ্বৰ শৰ্মা, এম.এ. (ডবল), বি.এড (যিজন ডক্টৰ অনুপমা মহন্তৰ স্বামী আৰু বৰ্তমান বামুণপুখুৰী হাইস্কুলৰ কৃতী প্ৰধান শিক্ষক)। এইসকলৰ মাজৰে অন্য এগৰাকী ছাত্ৰী জ্যোৎস্না মহন্ত এগৰাকী সত্ৰীয়া সংস্কৃতিৰো বিশিষ্ট শিল্পী তথা যোৰহাটৰ এখন উচ্চ-মাধ্যমিক বিদ্যালয়ৰ সংস্কৃত বিষয়ৰ সফল শিক্ষয়িত্ৰী। সেই সময়ৰ ডিম্বেশ্বৰ হাজৰিকাই পিছৰ বছৰত পৰীক্ষা দি সন্মানসহ স্নাতক হয় আৰু শিক্ষকতাৰ চাকৰিত ব্ৰতী হয়।

এই লেখকে জাঁজী কলেজৰ সংস্কৃত বিভাগত অধ্যাপনা কৰাৰ কালছোৱাত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সন্মানসহ স্নাতক হৈ অথবা কোনো কোনোৱে সন্মান অবিহনে স্নাতক হৈও বিভিন্ন বিদ্যালয়ত সংস্কৃত বিষয়ৰ শিক্ষক হিচাপে সেৱা আগবঢ়াই আছে। ইয়াৰ উপৰি কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত সুখ্যাতিৰে স্নাতকোত্তৰ উপাধি লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানত অধ্যাপনাৰ যোগেদি সেৱা আগবঢ়াই আহিছে। অৱশ্যে, এইখিনিতে প্ৰকাশ্য আৰু আমাৰ তৰফে স্বীকাৰ্য যে সকলো ছাত্ৰ-ছাত্ৰীৰে নাম, উত্তীৰ্ণৰ বৰ্ষ, কৰ্মসংস্থান আদিৰ বিতং তথ্য আমাৰ স্মৰণত নাই। গতিকে ক'ৰবাত তথ্যৰ ইফাল-সিফাল হ'লে অৰ্থাৎ তথ্য বিভ্ৰাট ঘটিলে সংশ্লিষ্ট ব্যক্তি আৰু মন্ত্ৰদয় পাঠক সমাজে সেয়া আমাৰ ইচ্ছাকৃত ত্ৰুটী বুলি নধৰি স্মৃতি বিভ্ৰাট বুলি গণ্য কৰিলে আমি কৃতাৰ্থ হওঁ। অৱশ্যে তথ্য উপস্থাপনত আমাৰ তৰফে যথাশক্তি সাৱধানতা অৱলম্বন কৰা হৈছে। যি নহওক, আমি জনাত উচ্চ শিক্ষানুষ্ঠানত কৰ্মৰতসকলৰ ভিতৰত ড° মীৰা বৰুৱা দুৱৰা (মুৰব্বী অধ্যাপিকা, নগাঁও বালিকা মহাবিদ্যালয়), ড° দীপা গোস্বামী ভট্টাচাৰ্য (মুৰব্বী অধ্যাপিকা, ডি.চি.বি. গাৰ্লচ কলেজ, যোৰহাট) আৰু মধুমিতা গোস্বামী বৰঠাকুৰ (মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, ডিব্ৰুগড় মহাবিদ্যালয়)। এইসকলৰ উপৰি অসমৰ বিভিন্ন উচ্চ মাধ্যমিক তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰি থকা সকলৰ ভিতৰত — বেদনা গগৈ (বৰহাট উচ্চতৰ মাধ্যমিক

বিদ্যালয়), জননী বৰগোহাঞি (কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়), নিৰু নেওগ (শিৱসাগৰ ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়), ৰুণু নেওগ (দিখৌমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়), নৰকুমাৰ বৰুৱা (জাঁজী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়), পদ্মেশ্বৰ ডেকা (এওঁলোকৰ চামৰ ছাত্ৰ আৰু মৰিয়নি উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক), ডিম্বেশ্বৰ শৰ্মা (ৰবিগাঁও), মনোৰঞ্জন শইকীয়া (জ্যোতি বিদ্যাপীঠ, টীয়ক), মিনাক্ষী গগৈ (হাঁহচৰা হাইস্কুল, শিৱসাগৰ), মামু দুৱৰা, জাৰ্জিনা শইকীয়া (নামতিপুল হাইস্কুল) ৰমেন দত্ত, এম.এ. (বৰ্তমান প্ৰয়াত), আভাৰাণী বৰুৱা (চেলেংহাট বালিকা উচ্চ মাধ্যমিক বিদ্যালয়), দীপালী গগৈ (আমগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়), অমিয়া ডেকা (এওঁ আগৰ চামৰ, বৰ্তমান জাঁজী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়), মৃদুলা দেৱী (জৰাবাৰী হাইস্কুল)। অন্যহাতে দিলীপ বৰুৱা, বলীন বৰকটকী, নীৰেণ পূজাৰী (এওঁলোক আগৰ চামৰ ছাত্ৰ) আদিয়ে সংস্কৃতসহ স্নাতক উপাধি লৈ নিজ নিজ কৰ্মক্ষেত্ৰত কাৰ্যনিৰ্বাহ কৰি আছে। এই লেখকে ১৯৭২ চনতে সৌমাৰ বিদ্যাপীঠ, ডিগবৈত এৰি অহা খালি পদত জাঁজী কলেজৰ পৰা সংস্কৃত বিষয়সহ স্নাতক উপাধি প্ৰাপ্ত শ্ৰী দিলীপ ভট্টাচাৰ্যই সফলতাৰে শিক্ষকতা কৰি আহিছে।

এইসকলৰ উপৰি অন্য কেইগৰাকীমান ছাত্ৰ-ছাত্ৰী কৰ্মৰত অৱস্থাত থকা বুলি জনা গৈছে যদিও তেওঁলোকৰ কৰ্মক্ষেত্ৰৰ নাম ঠিকনাৰ বিষয়ে অৱগত নহওঁ। সেইসকল হ'ল — শ্ৰী নিৰঞ্জন ভট্টাচাৰ্য, মালবিকা কটকী, ৰেখা দত্ত, কল্যাণী দত্ত, বুলবুল দেৱী, ৰুণুমী বৰুৱা, ৰঞ্জিতা বৰুৱা, অচিন্ত্য মহন্ত, জ্যোতি গগৈ আদি। পিছৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত বৰ্ণালী বৰঠাকুৰ (এওঁ জাঁজী কলেজৰ প্ৰাক্তন ছাত্ৰ, ব্ৰাহ্মণ গাঁও নিবাসী শ্ৰী বলীন বৰঠাকুৰৰ কন্যা) আৰু পল্লৱী দত্তই (জাঁজী খাটোৱালৰ) সুখ্যাতিৰে উচ্চ শিক্ষা গ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগত অধ্যাপনা কৰা বুলি জানিব পৰা গৈছে। প্ৰসঙ্গতঃ উল্লেখ্য যে জাঁজী কলেজৰ পৰা সংস্কৃতত সন্মানসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰাক্তন কৃতী ছাত্ৰ শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ সু-সন্তান শ্যামকানু মহন্ত বৰ্তমান এজন দক্ষ বিষয়া। এয়া নিশ্চয় আমাৰ সকলোৰে পৰম গৌৰৱৰ বিষয়। যি নহওক, যি সময়ত সংস্কৃত ভাষা সাহিত্যক 'মৃত ভাষা' আখ্যা দিয়া হৈছে, বিশেষকৈ অসম ৰাজ্যত যি সময়ত সংস্কৃত চৰ্চাৰ ক্ৰমে অৱক্ষয় আৰম্ভ হৈছে তেনে সময়ত অসমীয়া ভাষা সাহিত্যৰ (সমস্ত উত্তৰ ভাৰতৰ আঞ্চলিক ভাষাৰ) মাতৃ স্বৰূপ সংস্কৃত ভাষা সাহিত্যৰ প্ৰসাৰ আৰু উৎকৰ্ষ সাধনত জাঁজী সংস্কৃতপ্ৰেমী ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যজুৰি যি ভূমিকা গ্ৰহণ কৰি আহিছে সেয়া নিশ্চয় প্ৰশংসনীয় আৰু গুৰুত্বপূৰ্ণ বিবেচিত হ'ব।

অতীতৰে পৰা যে বৃহত্তৰ জাঁজী অঞ্চলত সংস্কৃত চৰ্চাৰ এখন সাৰুৱা ক্ষেত্ৰ তথা এক সুস্থ বাতাবৰণ আছিল সেই বিষয়ত বাহ্য আৰু আভ্যন্তৰীণ বিভিন্ন তথ্যই স্বাক্ষৰ বহন কৰে। সূক্ষ্ম দৃষ্টিৰে এনে তথ্যৰ পম খেদিলে, অথবা সীৰলুৰ সন্ধান কৰিলে অনেক সম্ভাৰ পোহৰলৈ আহে। প্ৰথম কথা, এই অঞ্চলৰ সংস্কৃতপ্ৰেমী বহু স্মাৰ্ত্য আৰু প্ৰাচীন্য উভয় মাৰ্গৰ পণ্ডিত লোকৰ ঘৰত এতিয়াও সাঁচিপাতত লিখা গীতা, আয়ুৰ্বেদ শাস্ত্ৰ (নিনাদ) শ্ৰুতি, স্মৃতি, তন্দ্ৰ, চণ্ডী আদি সংস্কৃত পুথি সংৰক্ষিত হৈ আছে। দ্বিতীয়তে বিস্তাৰিত জাঁজী অঞ্চলত কেইবাখনো পবিত্ৰ সত্ৰসভা আছে। সেইখিনিৰ ভিতৰত শ্ৰীশ্ৰীজৰাবাৰী সত্ৰ, টকৌবাৰী,

দেওপানী গজলা, মেধিজন গজলা, মৰিজাঁজী চেঁচা সত্ৰ, ৰত্নাকৰ আদি সত্ৰৰ নাম উল্লেখ্য। উক্ত সত্ৰসমূহত বহুতো সাঁচিপতীয়া পুৰণি পুথি থকাৰ লগতে সংস্কৃত চৰ্চা কৰোতা অনেক সন্ত-মহন্ত লোক থকাৰ বিষয়ে জানিব পৰা যায়।

শংকৰী যুগৰ পৰাই অসমৰ সত্ৰসমূহত অংকীয়া নাট ভাওনাৰ প্ৰদৰ্শন এক অপৰিহাৰ্য অনুষ্ঠান ৰূপে চিহ্নিত হৈ আহিছে। মহাপুৰুষ শংকৰদেৱ আৰু তেৰাৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱৰ পৰৱৰ্তী কালতো এনে এক সত্ৰীয়া পৰম্পৰা প্ৰচলিত হৈ আহিছে যে কোনো সত্ৰৰ মহন্তই সত্ৰাধিকাৰৰ নিৰ্মালি গ্ৰহণ কৰিবৰ নিমিত্তে (অৰ্থাৎ সত্ৰাধিকাৰ ৰূপে দায়িত্ব ভাৰ ল'বৰ নিমিত্তে) অন্ততঃ এখন স্বৰচিত নাট অভিনয় কৰিব লাগিব। আচলতে সত্ৰাধিকাৰ গৰাকীৰ নিৰ্মালি লোৱা পবিত্ৰ পৰ্ব বা অনুষ্ঠানতে উক্ত নাট অভিনয় কৰাটো নিয়ম। মহাপুৰুষ শংকৰদেৱ গুৰুজনাৰ অংকীয়া নাটৰ আৰ্হিত ৰচিত এখন নাটত সাধাৰণতে সংস্কৃত শ্লোক, গীত, নৃত্য, ভটিমা, সংলাপ (বচন) আদি নাট্য অঙ্গৰ সমাহাৰ ঘটে। গতিকে এগৰাকী নাট্যকাৰে নাটৰ প্ৰথমৰ পৰা শেষলৈকে প্ৰয়োজন মতে অৰ্থব্যঞ্জক সংস্কৃত শ্লোকৰাজি সন্নিবিষ্ট কৰিব পাৰিব লাগিব। গতিকে আমাৰ সত্ৰীয়া সন্ত-মহন্ত-ভকত-বৈষ্ণৱসকলৰ মাজত এনে অনুশীলন, চৰ্চা আজিও অব্যাহত আছে।

শ্ৰীশ্ৰীজৰাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ গৌৰীকান্ত দেৱগোস্বামী প্ৰভু এগৰাকী ভাল নাট্যকাৰ, অভিনেতা আৰু গীত-বাদ্য-নৃত্যৰ সুদক্ষ শিল্পী আছিল। তেখেতে নিজে ৰচনা কৰা 'দ্ৰৌপদী স্বয়ম্বৰ' নাটখন স্থানীয় শিল্পী আৰু জাঁজী কলেজৰ ভালে কেইগৰাকী অধ্যাপকৰ সহযোগত তেখেতৰ পৰিচালনাতে সত্ৰৰ নামঘৰত অভিনয় কৰা হৈছিল। অন্যহাতে সত্ৰাধিকাৰগৰাকী নিজেও টোলৰ উপাধিধাৰী সংস্কৃত পণ্ডিত আছিল বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। জৰাবাৰী সত্ৰৰ সু-সন্তান, জাঁজী কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত (প্ৰয়াত) ড° জগন্নাথ মহন্ত যে সত্ৰীয়া সংস্কৃতিৰ এগৰাকী সাধক আৰু বিশিষ্ট পণ্ডিত আছিল এই বিষয়ে কাকো নতুনকৈ জনোৱাৰ প্ৰয়োজন নাই। আমি জনাত ড° মহন্তৰ সংস্কৃত ভাষা সাহিত্যৰ প্ৰতি অনুৰাগ আৰু ইয়াৰ ওপৰত ভাল দখল আছিল। তেখেতৰ পিতৃদেৱৰো সংস্কৃত শিক্ষাৰ টোলীয় উপাধি আছিল বুলি জানিব পাৰিছিলো। বিশেষভাৱে উল্লেখ্য যে জৰাবাৰী সত্ৰত সাঁচিপাতত লিখা প্ৰায় এঘাৰহাত দৈৰ্ঘ্যৰ এখন সংস্কৃত ব্যাকৰণ পুথি আৰু লগতে 'পঞ্চতন্ত্ৰৰ মিত্ৰলাভ' পুথি সংৰক্ষিত হৈ আছে। এইখিনিতে নিশ্চিতভাৱে সত্ৰখনত একালত সংস্কৃত চৰ্চাৰ এক সুস্থ-সবল পৰিৱেশ, পৰম্পৰা থকাৰে প্ৰমাণ দিয়ে।

জাঁজী গড়মূৰৰ পৰা দক্ষিণে নাতিদূৰত জাঁজী নদীৰ পাৰত অৱস্থিত শ্ৰীশ্ৰী গজলা সত্ৰতো (মেধিজান গজলা) সংস্কৃত চৰ্চা কৰা লোক আছিল। এই সত্ৰৰে স্বৰ্গীয় মাণিক চন্দ্ৰ মহন্তদেৱ সংস্কৃত বিষয়ত পণ্ডিত আছিল আৰু টীয়ক হাইস্কুলত (যাঠিৰ দশকত) এই লেখকৰো শ্ৰদ্ধেয় শিক্ষাগুৰু আছিল। আমি জনাত তেখেতে বেনাৰসত অধ্যয়ন কৰি সংস্কৃতত উপাধি লৈছিল আৰু প্ৰথমে টীয়ক হাইস্কুলত শিক্ষকতাৰ জীৱন আৰম্ভ কৰি শেষত বামুণপুখুৰী হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। মহন্ত ছাৰৰ ইংৰাজী বিষয়ত বিশেষ শিক্ষা নাছিল যদিও সংস্কৃতৰ, বিশেষকৈ ব্যাকৰণত বিদগ্ধ পণ্ডিত আছিল। বাকী সত্ৰ-সভাসমূহতো অনেক অংকীয়া নাট থকাৰ

লগতে সংস্কৃত অনুৰাগী লোক থকা বিষয়ে জনা যায়। খনামুখৰ দেওপানী গজলা সত্ৰত কাল সংহতিৰ এশখনৰো অধিক সাঁচিপতীয়া পুথি আছিল আৰু সেইখিনি এসময়ত অধ্যাপক ড° কৃষ্ণকান্ত দেৱৰ সহযোগত স্বৰ্গীয় ড° লীলা গগৈদেৱে সংগ্ৰহ কৰা বুলিও জনা যায়। উক্ত সত্ৰৰ সত্ৰাধিকাৰ মহেন্দ্ৰ মহন্তদেৱৰ সংস্কৃতিৰ বিশেষ উপাধি নাছিল যদিও সংস্কৃতানুৰাগী লোক আছিল। গতিকে জাঁজীৰ সংস্কৃত চৰ্চাৰ ক্ষেত্ৰখনলৈ সত্ৰসভাসমূহৰ অৱদানো নুই কৰিব নোৱাৰি।

আন্তৰ্জাতিক খ্যাতিসম্পন্ন, প্ৰথিতযশা পণ্ডিত স্বৰ্গীয় ড° সত্যেন্দ্ৰনাথ শৰ্মা, তীৰ্থনাথ শৰ্মা, মূলতঃ এইখন জাঁজীৰে সুসন্তান। এইসকল বিশেষভাৱে অসমীয়া ভাষা সাহিত্যৰ পণ্ডিত আছিল যদিও সংস্কৃত ভাষাৰ ওপৰতো দখল আছিল। আমাৰ শ্ৰদ্ধেয় শিক্ষাগুৰু স্বৰ্গীয় ড° মুকুন্দ মাধৱ শৰ্মা ছাৰৰ পৰা জানিব পৰা মতে স্বৰ্গীয় ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে 'তুলনামূলক ভাৰতীয় আঞ্চলিক ভাষা সাহিত্য'ৰো অধ্যয়নৰ ধাৰা অব্যাহত ৰাখিছিল। অন্যহাতে দৰ্শন বিষয়ত অধ্যয়ন কৰা বিদ্যাৰ্থীসকলেও সংস্কৃত ভাষা সাহিত্যৰ লগত বিশেষভাৱে সম্পৰ্ক ৰাখিবলগীয়া হয়। যাৰ ফলত সংস্কৃত ভাষা কম-বেছি পৰিমাণে আয়ত্ব হয়। জাঁজী অঞ্চলত লগ পোৱা তেনে দুই-চাৰি ব্যক্তিৰ নাম উদাহৰণস্বৰূপে উল্লেখ কৰিব পৰা যায়। সেইসকল হ'ল — ড° অঞ্জনা চলিহা বৰুৱা (তেখেত বামুণপুখুৰী জীয়ৰী আৰু জে.বি. কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা), অধ্যাপক ভবেন বৰুৱা (মূলতঃ জাঁজী মৰাণ গাঁৱৰ আৰু ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ) আদি।

একেদৰে যিসকল ব্যক্তিয়ে জ্যোতিৰ্ষ চৰ্চা কৰে, গ্ৰহৰ প্ৰভাৱ আদি বিচাৰ কৰি সুঁৰৰণি, কোষ্ঠি আদি প্ৰস্তুতিৰ কাম সম্পন্ন কৰে সেইসকলেও কম-বেছি পৰিমাণে সংস্কৃতৰ সংস্পৰ্শলৈ আহিবলগীয়া হয়। দৈবজ্ঞ ব্ৰাহ্মণ সকল বিশেষভাৱে এই কৰ্মৰ লগত যুক্ত। জাঁজী অঞ্চলত, বিশেষকৈ মৰিজাঁজী দ-গাঁৱত (অৱসৰপ্ৰাপ্ত মাননীয় অধ্যক্ষ শিৱনাথ শৰ্মাদেৱৰ জন্মস্থানত) এনে জ্যোতিৰ্বিদ্যা বিশাৰদ বহু ব্যক্তি আছিল বুলি জনা যায়। জামুগুৰিৰ ব্ৰাহ্মণ গাঁৱৰ শ্ৰী বিনন্দ আচাৰ্য (শংকৰি সংস্কৃত টোলৰ প্ৰধান শিক্ষক) ও এজন দক্ষ জ্যোতিষ পণ্ডিত। আমি আগতে উল্লেখ কৰি অহা শ্ৰী ঋষেশ্বৰ শৰ্মা উক্ত মৰিজাঁজীৰে (বৰ্তমান টীয়ক নিবাসী) এজন জ্যোতিষ শাস্ত্ৰ পাৰঙ্গত পণ্ডিত। অন্যহাতে লাহোৱাল অঞ্চলত পূৰ্বতে পূজা-পাৰ্বণৰ লগত জড়িত ব্ৰাহ্মণ আৰু কায়স্থ পৰিয়ালৰ লোক (স্বৰ্গীয় মহেশ্বৰ হাজৰিকা, সুশীল হাজৰিকাৰ পৰিয়াল..) আজিও আছে।

মন কৰিবলগীয়া যে জাঁজী অঞ্চল পুৰণি ধৰ্মশাস্ত্ৰ অধ্যয়নৰ লগত যুক্ত। আধ্যাত্মিক চিন্তা-চৰ্চাৰ, সজাগতাৰ সংগঠন আজিও বৰ্তি আছে। এই প্ৰসঙ্গত পুৰণি চেউনীৰ কাষৰ (জৰাবাৰী পূব দিশৰ) অঞ্চলত প্ৰতিষ্ঠা হোৱা 'গীতাচক্ৰ' নামৰ আধ্যাত্মিক সচেতনতাৰ অনুষ্ঠানটিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। শ্ৰীযুত বিপুল শৰ্মা প্ৰমুখ্যে (সকলোৰে নাম বৰ্তমান মনত নাই) কেইগৰাকীমান আধ্যাত্মিক চিন্তাসম্পন্ন ব্যক্তিয়ে উক্ত 'গীতাচক্ৰ' অনুষ্ঠানটো স্থাপন কৰি সময়ে সময়ে কেইবাদিনীয়াকৈ শ্ৰীমদ্ভগদগীতাৰ (মূল গীতাৰ) অধ্যায়সমূহৰ পাঠ আৰু ব্যাখ্যাৰ ব্যৱস্থা কৰি আহিছে। এবাৰ এনে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত

উদ্যোক্তাসকলৰ নিমন্ত্রণ ক্রমে এই লেখকৰো সহযোগ কৰাৰ সৌভাগ্য ঘটিছিল। ইয়াত আমি মূল গীতা শাস্ত্রৰ একাদশ অধ্যায় (বিশ্বৰূপ দর্শন যোগ) আৰু দ্বাদশ অধ্যায় (ভক্তি যোগ)ৰ পাঠ আৰু ব্যাখ্যা আগবঢ়াব লগীয়া হৈছিল। সেইদিনাৰ আমাৰ লগত অন্য দুগৰাকী পাঠক আৰু ব্যাখ্যাকাৰ (বেলেগ অধ্যায়ৰ) আছিল ক্রমে শ্রীযুত উমা শর্মাদেৱ (অৱসৰপ্রাপ্ত অধ্যক্ষ, কৃষ্ণকান্ত সন্দিকৈ সংস্কৃত মহাবিদ্যালয়, গুৱাহাটী) আৰু লক্ষীমপুৰৰ ড° তৰুণচন্দ্র শর্মা (অৱসৰপ্রাপ্ত অধ্যক্ষ, মাজুলী কলেজ)। উদ্যোক্তাসকলৰ আন্তৰিক আদৰ, অভ্যর্থনা, দর্শক-শ্রোতাসকলৰ একাগ্র শ্রদ্ধা আৰু পয়োভৰে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিছিল। যি নহওক, যি সময়ত অসম তথা সমগ্র দেশৰ (বিশ্বৰো) চৌদিশে হিংসা, হত্যা, লুণ্ঠন, দুর্নীতি, অনাচাৰ, ব্যভিচাৰে সমাজখন অশান্ত কৰি তুলিছে, শ্বাসৰুদ্ধ পৰিৱেশত নৱপ্রজন্ম বিপথগামী হৈছে। তেনে সময়ত নৈতিক চিন্তা আৰু আধ্যাত্মিক সচেতনতাৰ এনে অনুষ্ঠান নিশ্চয় অতীৱ প্রাসঙ্গিক হ'ব।

জাঁজী হেমনাথ শর্মা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ তৰফে সময়ে সময়ে বিশেষ পাঠদান, ভাষা শিক্ষাৰ কর্মশালা আদি অনুষ্ঠিত কৰাৰ বিষয়ে জনা যায়, যিখিনি কথা বিভাগীয় প্রতিবেদনত হয়তো সন্নিবিষ্ট হ'ব। এইখিনি প্রশংসনীয়। সেয়ে হ'লেও যিহেতু সাম্প্রতিক সময়ত অসম ব্যাপি সংস্কৃত চর্চাৰ অৱক্ষয় ঘটিছে, তাৰ সুদূৰপ্রসাৰী কু-প্রভাৱ যিহেতু আমাৰ অসমীয়া ভাষা সাহিত্যত প্রত্যক্ষ বা পৰোক্ষভাৱে পৰিছে সেয়ে ইমানতে সকলো সজাগ হ'বৰ হ'ল। আজি দূৰদর্শনৰ সংবাদ মাধ্যম, অনাতাঁৰ মাধ্যম, বাতৰি কাকত, গ্রন্থ-আলোচনী সর্বত্র প্রায়ে ভাষা প্রয়োগৰ বিভ্রাট, বিসঙ্গতি লক্ষ্য কৰা যায়। অৱশ্যে, তাৰ মাজতে বিজ্ঞ আৰু সচেতনসকলৰ কথা সুকীয়া।

উপসংহাৰত আমি আশাকৰো যে অসমত সংস্কৃত চর্চাৰ সাম্প্রতিক অৱক্ষয়ৰ গতিৰোধ আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সঠিক সংৰক্ষণৰ বৃহত্তৰ স্বার্থৰ প্রতি লক্ষ্য ৰাখি সংগঠন গঠিত হওক আৰু ইয়াৰ আঁৰিয়া ধৰক জাঁজী কলেজকে কেন্দ্র কৰি সংস্কৃত-সংস্কৃতিপ্রেমী উদ্যোগী ব্যক্তিসকলে। আগবাঢ়ি আহক সাহিত্য সুহৃদ যুৱচাম। কিয়নো সংস্কৃত সংস্কৃতিৰ গুৰুত্ব মহৎ। আধুনিক বিদ্বৎ সমাজৰ সাম্প্রতিক উক্তি এনে ধৰণৰ —

'সংস্কৃতং সংস্কৃতি' জ্ঞেয়া সংস্কৃতে সকলাঃ কলা।
সাংস্কৃতে সকলা বিদ্যাঃ সংস্কৃতে কিং ন বিদ্যতে।।

অর্থাৎ — 'সংস্কৃতকে সংস্কৃতি বুলি জানিবলগীয়া, সংস্কৃততে সকলো কলা নিহিত আছে, সংস্কৃততনো বাৰু নাই কি? অর্থাৎ সকলো আছে।

ওঁ জয়তু সুৰভাৰতী।

❖❖❖

*লেখক জাঁজী হেমনাথ শর্মা মহাবিদ্যালয়ৰ প্রাক্তন অধ্যাপক*
*তথা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষ*

# ইতিহাসৰ বাটেদি ঃ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

**শিৱনাথ শৰ্মা**

এই প্ৰবন্ধ গুগুত কৰোতে মহাবিদ্যালয়ৰ অন্যতম উদ্যোক্তা, প্ৰতিষ্ঠাপক আৰু পৰিচালন সমিতিৰ প্ৰাক্তন সম্পাদক শ্ৰীমহেন্দ্ৰ কুমাৰ বৰুৱাই স্মৃতিগ্ৰন্থ সমিতিয়ে মহাবিদ্যালয়ৰ আদিস্তৰৰ ইতিবৃত্ত লিখিবলৈ অনুৰোধ কৰাত তেখেতসকলে যিখিনি সমল প্ৰেৰণ কৰিছিল সেইখিনিৰ সহায় লোৱা হৈছে।

জাঁজীৰ একে নামৰ ব্ৰহ্মপুত্ৰৰ উপনদীৰ দুয়োপাৰৰ এক সুবিস্তীৰ্ণ অৱবাহিকা অঞ্চলৰ নাম। অসমৰ ৰাজনৈতিক শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ জাঁজীৰ বৰঙনি উল্লেখযোগ্য। ইন্দ্ৰবংশী আহোম স্বৰ্গদেউসকলৰ দিনৰ বিভিন্ন স্মৃতিচিহ্নৰে পৰিবেষ্টিত, এই অঞ্চলত প্ৰাক স্বাধীনতা কালৰে পৰা নানান অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ জৰিয়তে এক শৈক্ষিক পৰিৱেশ গঢ়াৰ আদৰ্শনীয় পৰম্পৰা সৃষ্টিৰ প্ৰচেষ্টা চলোৱা হয়। একালৰ জাঁজী কলেজ আৰু বৰ্তমানৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় এক শুভ প্ৰচেষ্টাৰ ফলশ্ৰুতি।

জাঁজীত মহাবিদ্যালয় এখন স্থাপন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল ১৯৫৮ চনৰ অক্টোবৰ মাহৰ ২৬ তাৰিখে। সেই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল অসমৰ অন্যতম প্ৰাচীন শিক্ষানুষ্ঠান জাঁজী হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱৰ শেষৰ দিনাৰ ৰাজহুৱা সভাত। সেই সময়ত পৰিৱেশ অনুকূল নোহোৱাত আহ্বায়ক সমিতিয়ে কামত আগবাঢ়িব নোৱাৰিলে।

১৯৬২ চনত "জাঁজী উন্নয়ন সমিতি" নামৰ সংগঠন এটি আৰম্ভ কৰা হয়। এই উন্নয়ন সমিতিয়ে জাঁজীৰ সামগ্ৰিক উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ ভিতৰত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ আঁচনিও অন্তৰ্ভুক্ত হৈছিল। এই আঁচনি বাস্তৱত ৰূপায়ন কৰিবৰ বাবে ১৯৬৩ চনৰ নৱেম্বৰ মাহত ২৬ তাৰিখে জাঁজী উন্নয়ন সমিতিৰ উদ্যোগত জাঁজী পাব্লিক হ'ল প্ৰাংগনত সদৌ জাঁজী আৰু জাঁজীৰ উপকণ্ঠ অঞ্চলৰ ৰাইজৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। শ্ৰী মাখন চন্দ্ৰ শৰ্মাই সভাপতিত্ব কৰা এই সভাত জাঁজীত ১৯৬৪ চনত শিক্ষা বছৰৰ পৰাই বিজ্ঞান, কলা আৰু বাণিজ্য শাখাযুক্ত এখন কলেজ আৰম্ভ কৰিবৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

**ৰাজহুৱা সভা-২৬/১১/৬৩ ঃ** ১ম প্ৰস্তাৱ যেহেতু জাঁজী, জকাইচুক মৰাবজাৰ, গধূলি বজাৰ, শিমলুগুৰি আৰু লাহিং মৌজাৰ কেন্দ্ৰস্থল, যিহেতু জাঁজীৰ আশে-পাশে ৭/৮ মাইল ব্যাসাৰ্দ্ধৰ ভিতৰত ১৯খন হাইস্কুল প্ৰতিষ্ঠিত, যিহেতু জাঁজী এখন ঐতিহ্যপূৰ্ণ সাংস্কৃতিক বিষয়ত আগবঢ়া অঞ্চল, যিহেতু অৰ্থনৈতিক অসুবিধাৰ বাবেই বহু ছাত্ৰ-ছাত্ৰীয়ে আঁতৰত গৈ উচ্চশিক্ষা লাভ কৰিবলৈ সমৰ্থ নহয়, যিহেতে অসমৰ নগৰ আৰু চহৰ

অঞ্চলত স্থাপিত হোৱা কলেজসমূহে ৰাইজৰ চাহিদা অনুযায়ী শিক্ষাৰ বহুল ব্যৱস্থা কৰিব পৰা নাই, যিহেতু শিৱসাগৰ আৰু জগন্নাথ বৰুৱা কলেজৰ বাহিৰে বিজ্ঞান শিক্ষাৰ সুবিধা অন্যান্য কলেজসমূহত নথকা বাবে জাঁজীত এখন বিজ্ঞান, কলা আৰু বাণিজ্য শাখাযুক্ত কলেজ অহা ১৯৬৪ চনৰ পৰাই আৰম্ভ কৰিবৰ বাবে আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে।

প্ৰস্তাৱক— **শ্ৰীখগেশ্বৰ বৰঠাকুৰ**

সমৰ্থক— **শ্ৰীঅমৰ শৰ্মা**

এই সভাৰ ২ নং প্ৰস্তাৱ যোগে কলেজ স্থাপনৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিবৰ বাবে তেতিয়াৰ শিৱসাগৰ জিলাৰ উপায়ুক্ত শ্ৰী আৰ.ডি.লিংড', আই.এ.এছ.ক সভাপতি, শ্ৰীৰাম প্ৰসাদ খাউণ্ডক উপ-সভাপতি, শ্ৰী অনিল ৰতন বৰঠাকুৰক সাধাৰণ সম্পাদক আৰু শ্ৰী মহন্দ্ৰে কুমাৰ বৰুৱা আৰু শ্ৰী মাখন চন্দ্ৰ শৰ্মাক যুটীয়া সম্পাদক হিচাপে হৈল জাঁজী কলেজ কমিটি নামৰ এখন ৩৮-জনীয়া কমিটি গঠন কৰা হয়। স্থানীয়ভাৱে থাকি কাম কৰাৰ সুবিধাৰ বাবে সাধাৰণ সম্পাদকে যুটীয়া সম্পাদক শ্ৰী মহেন্দ্ৰ কুমাৰ বৰুৱাক লিখিতভাৱে সাধাৰণ সম্পাদকৰ সকলো দায়িত্ব পালন কৰিবলৈ দিয়ে। তেখেতে পৰৱৰ্তী কালছোৱাত কলেজখনৰ সৰ্বাংঙ্গীন উন্নতিৰ কাৰণে সকলো প্ৰকাৰৰ প্ৰচেষ্টা কৰে। তেওঁলোকৰ অগ্ৰগতিত তেখেতৰ বৰঙনি প্ৰশংসনীয়। সেই সভাই কলেজত স্থান নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে, কলেজৰ কাম পৰিচালনা কৰিবৰ বাবে জাঁজী কলাভৱন কৰ্তৃপক্ষক অনুৰোধ কৰি কলেজৰ পুঁজি গঠনৰ বাবে মুক্তহস্তে দান-বৰঙণি দিবৰ বাবে ৰাইজক অনুৰোধ জনাই যথাক্ৰমে ৩,৪ আৰু ৫ নং প্ৰস্তাৱ গ্ৰহণ কৰে।

যদিও ৰাজহুৱা সভাই ১৯৬৪ চনৰ পৰা কলা, বিজ্ঞান আৰু বাণিজ্য শাখাযুক্ত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লৈছিল তথাপি ১৯৬৪ চনৰ জুলাই মাহৰ ২৫ তাৰিখে প্ৰাক্তন সংসদী সদস্য ঁপ্ৰফুল্ল কুমাৰ বৰুৱাদেৱৰ সভাপতিত্বত বহা ৰাজহুৱা সভাত প্ৰাচ্যতত্ববিদ পণ্ডিত ড° যোগীৰাজ বসুদেৱে বন্তি প্ৰজ্বলন কৰি কলা আৰু বিজ্ঞান শাখাৰ প্ৰাক্ স্নাতক শ্ৰেণীৰহে কলেজৰ শুভাৰম্ভ কৰে। কলেজৰ বাণিজ্য শাখা আৰম্ভ হয় ১৯৭২ চনৰ পৰা। প্ৰথম বছৰ কলা শাখাত ৭১ জন আৰু বিজ্ঞান শাখাত ২৪ জন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে। প্ৰাক্ স্নাতক বাণিজ্য শাখাৰ প্ৰথম বছৰৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪২ জন। প্ৰত্যেক শাখাৰ প্ৰাক্ স্নাতকৰ প্ৰথম দলৰ ছাত্ৰ-ছাত্ৰীৰ তালিকা উল্লেখ কৰা হ'ল।

**প্ৰাক্ স্নাতক কল শাখা ১৯৬৪ ছাত্ৰ-ছাত্ৰীসকলৰ নাম ঃ** গোলাপ চন্দ্ৰ বৰুৱা, অৰুণ চন্দ্ৰ দত্ত, দুৰ্গেশ্বৰ দত্ত, কুমাৰী সাদৰী বালা দত্ত, নীৰু বৰগোহাঞি, পদ্মকান্ত বৰুৱা, মহন্দ্ৰে খনিকৰ, ভোলানাথ দত্ত, ধৰ্মানন্দ দত্ত, যোগেন বৰুৱা, সৰুমন গগৈ, হৰেণ বৰুৱা, তিলেশ্বৰ দত্ত, বসন্ত দত্ত, যোগানন্দ বৰুৱা, ইন্দ্ৰনাথ গগৈ, লক্ষেশ্বৰ গগৈ, কুমাৰী জুনু বৰুৱা, চন্দ্ৰধৰ বড়া, প্ৰদীপ কুমাৰ গগৈ, যজ্ঞেশ্বৰ গগৈ, হীতেশ গগৈ, কুমাৰী হেমলতা বৰুৱা, যজ্ঞেশ্বৰ দুৱৰা, ধনীৰাম বৰুৱা, গণেশ ৰাজগুৰু, কুমাৰী কনকলতা গগৈ, গোপাল সন্দিকৈ, ডিম্বেশ্বৰ ৰিচাং, গিৰিধৰ গগৈ, বকুল গগৈ, দেৱকান্ত হাজৰিকা, কুমাৰী তিলোত্তমা গগৈ, চেনীৰাম গগৈ, প্ৰফুল্ল দুৱৰা, কুমাৰী হিৰণ্যপ্ৰভা শইকীয়া, অৰুণা শইকীয়া, কুমাৰী ৰুণু বৰুৱা, উমানন্দ বৰুৱা, লক্ষী দত্ত, কুমাৰী অনমাই দত্ত, কৰুণা দত্ত, মহেন্দ্ৰ নাথ গগৈ, লীলা বড়া,

প্ৰফুল্ল খণ্ডীয়া, শিৱনাথ দোলাকাযৰীয়া, ৰাজেন্দ্ৰ নাথ শৰ্মা, ঠগীৰাম চুতীয়া, নীলনাথ বৰঠাকুৰ, কৃষ্ণকান্ত মহন্ত, হৰেন্দ্ৰ প্ৰসাদ দত্ত, ভৰত চন্দ্ৰ খাউণ্ড, কুমাৰী ভদ্ৰা গগৈ, অৰুণাপ্ৰিয়া গগৈ, পদ্ম কান্ত বড়া, নিৰমাই ডেকা, কুমাৰী কণমাই দত্ত, স্নেহলতা ফুকন, বিমল কটকী, আনন্দ ৰাম দত্ত, কুমাৰী লিলিমাই বড়া, মৃণালী বৰঠাকুৰ, জীৱন চন্দ্ৰ বৰুৱা, মুহী চন্দ্ৰ ফুকন, লীলাকান্ত ফুকন, গিৰিশ চন্দ্ৰ নেওগ, কুমাৰী বুলুমণি দেৱী, হাস্না বেগম, পদ্মধৰ নেওগ, পূৰ্ণানন্দ গগৈ।

**প্ৰাক্ স্নাতক বিজ্ঞান শাখা ১৯৬৪ ঃ** মাখন চন্দ্ৰ দত্ত, বীৰেন্দ্ৰ নাথ বৰুৱা, ননী বৰুৱা, প্ৰবীণ কুমাৰ গগৈ, অনিল কুমাৰ বৰঠাকুৰ, ৰসেশ্বৰ বড়া, কুমাৰী চন্দ্ৰপ্ৰভা হাজৰিকা, বিশ্বনাথ শইকীয়া, কুমাৰী শৈল্য বৰুৱা, সৰ্বানন্দ শৰ্মা, ৰজনীকান্ত বড়া, ত্ৰৈলোক্য নাথ বড়া, নোমল চন্দ্ৰ দত্ত, প্ৰসন্ন কুমাৰ গোস্বামী, জীতেন্দ্ৰ নাথ বৰুৱা, গোপাল চুতীয়া, ৰুদ্ৰেশ্বৰ কোঁৱৰ, সমুদ্ৰ কুমাৰ বৰঠাকুৰ, মুকুল চন্দ্ৰ বৰুৱা, দিলীপ কুমাৰ বৰুৱা, বলৰাম বড়া, ভীমকান্ত সন্দিকৈ, সুৰেন্দ্ৰ নাথ গগৈ, সুৰজিৎ মুখাৰ্জী, প্ৰবীণ গগৈ।

**প্ৰাক্ স্নাতক বাণিজ্য শাখা ১৯৭২ ঃ** মাধৱ চন্দ্ৰ নেওঁগ, আনন্দ গগৈ, দিলীপ কুমাৰ চেতিয়া, প্ৰবীণ কুমাৰ ফুকন, সৰ্বেশ্বৰ গগৈ, কমলেশ্বৰ গগৈ, প্ৰবীণ হাজৰিকা, ধৰ্মেশ্বৰ শইকীয়া, উপেন গগৈ, অতুল চন্দ্ৰ বড়া, মুহী কান্ত গগৈ, পদ্মকান্ত চুতীয়া, মাণিক ভড়ালী, বিপিন নেওঁগ, তৰুণ চন্দ্ৰ বৰদলৈ, ভূপেন চন্দ্ৰ বড়া, তৰুণ চন্দ্ৰ ৰাজখোৱা, বিনন্দ চন্দ্ৰ বৰুৱা, প্ৰসন্ন বৰঠাকুৰ, চেনীৰাম গগৈ, জগত চন্দ্ৰ বড়া, দেবেন চন্দ্ৰ বড়া, বিদ্যাধৰ ৰাজখোৱা, তনুৰাম খনিকৰ, মৃগেন শৰ্মা, যুগকান্ত দত্ত, ৰমাকান্ত খনিকৰ, অতুল চন্দ্ৰ দত্ত, দ্বিজেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, লক্ষেশ্বৰ গগৈ, প্ৰণীল প্ৰসাদ কটকী, আল্লাউদ্দিন আহমেদ, বীৰেণ শইকীয়া, নাজিৰুদ্দিন আহমেদ, প্ৰভাত বড়া, হৰেন চন্দ্ৰ আৰন্ধৰা, চবীন চন্দ্ৰ গগৈ, হেম দুৱৰা, গোবিন্দ শইকীয়া, বিপিন চন্দ্ৰ দত্ত, দেবেন্দ্ৰে নাথ বৰুৱা, মানিক চন্দ্ৰ শৰ্মা।

কিন্তু ১৯৬৫ চনত উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰী নোপোৱাত আৰু প্ৰয়োজনীয় সংখ্যক ছাত্ৰীয়ে নামভৰ্তি নকৰাৰ বাবে পৰিচালনা সমিতিয়ে অনিচ্ছা স্বত্বেও বিজ্ঞান শাখা বন্ধ কৰিবলগা হয়।

প্ৰতিষ্ঠাৰক ষষ্ঠ বছৰত অৰ্থাৎ ১৯৬১ চনৰ ডিচেম্বৰ মাহৰ ১৪ ডিচেম্বৰ তাৰিখে স্বনামধন্য ব্যক্তি, জাঁজী অঞ্চলত উচচ শিক্ষাৰ বন্তি জ্বলাওঁতা স্বৰ্গীয় হেমনাথ শৰ্মাৰ পৱিত্ৰ স্মৃতিত জাঁজী মহাবিদ্যালয় উছৰ্গা কৰি এই মহাবিদ্যালয়ৰ নাম ৰখা হয় জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়। বিৰল ব্যক্তিত্বসম্পন্ন শৰ্মাদেৱৰ, তেখেতে সমাজৰ প্ৰতি দি যোৱা অৱদানৰ স্বীকৃতি স্বৰূপে তেখেতৰ স্মৃতি ৰক্ষাৰ্থে তেখেতৰ মৃত্যুৰ পিছত ঁককা নীলমণি ফুকনৰ সভাপতিত্বত বহা সভাই কৰা সিদ্ধান্তই যেন ১৯৬৯ চনত কাৰ্যকৰী ৰূপ লাভ কৰে। উল্লেখযোগ্য যে, আৰম্ভণিতে জাঁজী উন্নয়ন সমিতি আৰু স্থানীয় মহেন্দ্ৰ শৰ্মাই বহুখিনি আচবাব দি সহায় কৰিছিল। নামকৰণৰ উক্ত সভাত সভাপতিত্ব কৰে শিক্ষাবিদ সীতাংশু মোহন মজুমদাৰে।

সময়ৰ অগ্ৰগতিৰ লগে লগে প্ৰাক্ স্নাতক শাখা স্নাতক শাখালৈ উন্নীত কৰা হয়। কলা আৰু বাণিজ্য উভয় শাখাতে সাধাৰণ পাঠ্যক্ৰমৰ লগে লগে সন্মান পাঠ্যক্ৰমৰ শিক্ষাদান কৰাৰ ব্যৱস্থা কৰা হয়। বৰ্তমান কলা শাখাত ইংৰাজী, অসমীয়া, সংস্কৃত, শিক্ষাতত্ব, আৰু অৰ্থনীতিত আৰু বাণিজ্য

শাখাত হিচাব বিদ্যাত সন্মান পাঠ্যক্রমৰ পাঠদান কৰা হয়। ১৯৮৯-৯০ শিক্ষা বছৰৰ পৰা কলা শাখাত "বুৰঞ্জী" আৰু বাণিজ্য শাখাত "বাণিজ্য আৰু উদ্যোগ পৰিচালনা" বিষয়ত সন্মান পাঠ্যক্রম আৰম্ভ কৰিবলৈ ডিব্রুগড় বিশ্ববিদ্যালয়ে অনুমতি দিছে। মহাবিদ্যা লয়ৰ শিক্ষায়তনিক দিশটো যিহেতু বিশ্ববিদ্যালয়ে নিয়ন্ত্রণ কৰে সেয়ে আৰম্ভণিৰে পৰা বৰ্তমানলৈকে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিদৰ্শকসকলে মহাবিদ্যালয় পৰিদৰ্শন কৰি ইয়াৰ অগ্ৰগতিৰ পথ সুগম কৰি দিয়ে। মহাবিদ্যালয় আৰম্ভ কৰোঁতে ১৯-০৫-১৯৬৪ আৰু ১৪-০৬-১৯৬৪ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সম্পৰ্কে মহাবিদ্যালয় পৰিদৰ্শন কৰি কলা আৰু বিজ্ঞান শাখা আৰম্ভ কৰিবৰ বাবে অনুমতি প্ৰদান কৰে।

ডিব্রুগড় বিশ্ববিদ্যালয় প্রতিষ্ঠা হোৱাৰ পাছত এই বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক সকলৰ পৰিদৰ্শন প্রতিবেদনৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী সভাই মহাবিদ্যালয়খনৰ স্নাতক পৰ্যায়লৈকে সন্মান পাঠ্যক্রম সহ-সমিতিভুক্ত কৰে।

স্নাতক কলা প্রথম খণ্ডক সমিতিভুক্ত কৰা হয়— ১৯৬৫-৬৬ চনৰ পৰা স্নাতক কলা দ্বিতীয় খণ্ডক ১৯৭১-৭২ চনৰ পৰা আৰু স্নাতক বাণিজ্য শাখাক ১৯৮২-৮৩ চনৰ পৰা সমিতিভুক্ত কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ ক্ৰমানুগতকি বৰ্দ্ধিত সংখ্যা আৰু পৰীক্ষাৰ সন্তোষজনক ফলাফলে মহাবিদ্যালয়খনৰ স্থিতি নিকপকপীয়া কৰি আনিছে। বৰ্ত্তমান শিক্ষাবছৰত বিভিন্ন শ্ৰেণীৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৯৪০ জন।

এই মহাবিদ্যালয়ৰ পৰা প্ৰথমবাৰৰ বাবে স্নাতক উপাধি লাভ কৰা ৬ জন ছাত্ৰ-ছাত্ৰী, বিভিন্ন বিষয়ত সন্মানসহ স্নাতক উপাধি লাভ কৰা সকলো ছাত্ৰ-ছাত্ৰীৰ, পৰীক্ষাত আৰু অন্যান্য সহযোগী পাঠ্যক্রমত কৃতিত্ব প্রদর্শন কৰা ছাত্র-ছাত্ৰীৰ নাম তালিকা স্থানান্তৰত প্ৰকাশ কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্রী আৰু অন্যান্য কৰ্মচাৰীসকলৰ কথা উল্লেখ নিশ্চয় কৰিব লাগিব। কলেজ আৰম্ভণিৰ পৰা ১৯৬৭ চনৰ ছেপ্তেম্বৰৰ ২১ তাৰিখলৈকে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক যদুনাথ শৰ্মা সিদ্ধান্তই অবৈতনিক অধ্যক্ষৰ দায়িত্ব লৈ মহাবিদ্যালয়খন এখন যৰ্থাৰ্থ উচ্চ শিক্ষাৰ অনুষ্ঠান ৰূপে গঢ় দিয়ে। তেখেতে যি সৎ পৰম্পৰা সৃষ্টি কৰি থৈ গ'ল সেয়া পৰৱৰ্তী কালছোৱাত ৰক্ষা কৰিবৰ কাৰণে কৰ্তৃপক্ষ, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়ত এক উমৈহতীয়া প্ৰচেষ্টা চলোৱা হৈছে। তেখেতৰ পিছত এই প্ৰৱন্ধৰ লিখকে ১৯৬৭ চনৰ ২২ ছেপ্তেম্বৰত অধ্যক্ষৰ দায়িত্ব লৈ বৰ্তমানলৈকে কাৰ্যনিৰ্বাহ কৰি আছে। সকলো পৰ্যায়ৰ কৰ্মচাৰীৰ অনুষ্ঠানটোৰ প্ৰতি থকা আপোনভাবে ইয়াৰ অগ্ৰগতিত সহায় কৰিছে। বৰ্তমানে কাম কৰি থকা শিক্ষক-শিক্ষয়িত্রী আৰু অন্যান্য কৰ্মচাৰীৰ বাহিৰেও বিভিন্ন সময়ত বিভিন্ন প্রবক্তাই শিক্ষাদান কৰিছিলে। এইসকলৰ ভিতৰত ইতিমধ্যে কেইজনমান দেহান্তৰ হৈছে।

শিক্ষক-শিক্ষয়িত্রী আৰু অন্যান্য কৰ্মচাৰীৰ নাম তালিকা ঃ বৰ্তমান যিসকলে কাৰ্যনিৰ্বাহ কৰি আছে—

**অসমীয়া বিভাগ ঃ**

১। চিত্ৰলতা ফুকন— মুৰব্বী প্ৰবক্তা
২। যতীন বৰা— প্ৰবক্তা
৩। ভবানী কুমাৰ বৰুৱা— প্ৰবক্তা

৪। জগন্নাথ মহন্ত— প্ৰবক্তা
৫। চন্দন দত্ত— প্ৰবক্তা

**ইংৰাজী বিভাগ ঃ**
১। হৰেণ বৰুৱা— মুৰব্বী প্ৰবক্তা
২। শোভন চন্দ্ৰ বৰুৱা— প্ৰবক্তা
৩। ভাস্কৰজ্যোতি মহন্ত— প্ৰবক্তা
৪। পঙ্কজ কুমাৰ গগৈ— প্ৰবক্তা

**বুৰঞ্জী বিভাগ ঃ**
১। গুণ বৰুৱা— মুৰব্বী প্ৰবক্তা
২। ৰবীন চন্দ্ৰ বৰঠাকুৰ— প্ৰবক্তা

**ৰাজনীতি বিভাগ ঃ**
১। উমেশ চন্দ্ৰ ঠাকুৰ— উপাধ্যক্ষ আৰু মুৰব্বী প্ৰবক্তা
২। বদন চন্দ্ৰ কোঁৱৰ— প্ৰবক্তা

**সংস্কৃত বিভাগ ঃ**
১। কৃষ্ণকান্ত সন্দিকৈ— মুৰব্বী প্ৰবক্তা
২। ড° প্ৰদীপ কুমাৰ গগৈ— প্ৰবক্তা
৩। ড° অৰুণ শইকীয়া— প্ৰবক্তা
৪। অনুপমা মহন্ত— প্ৰবক্তা

**অৰ্থনীতি বিভাগ ঃ**
১। হৰিনাৰায়ণ আগৰৱালা— মুৰব্বী প্ৰবক্তা
২। বীৰেশ্বৰ নেওগ— প্ৰবক্তা
৩। মীৰা বৰা— প্ৰবক্তা
৪। দেবেশ্বৰ বৰা— প্ৰবক্তা

**শিক্ষা বিভাগ ঃ**
১। ৰজনীকান্ত গোস্বামী— মুৰব্বী প্ৰবক্তা
২। ড° সবিতা ঠাকুৰ— প্ৰবক্তা
৩। মামনি বৰগোহাঁই— প্ৰবক্তা
৪। বন্দনা খাৰঘৰীয়া— প্ৰবক্তা
৫। ৰাজু ৰাণী গোস্বামী— প্ৰবক্তা

**সমাজ বিদ্যা বিভাগ ঃ**
১। প্ৰভাত বৰঠাকুৰ— মুৰব্বী প্ৰবক্তা
২। কুন্দিল কুমাৰ মুদৈ— প্ৰবক্তা

**বাণিজ্য বিভাগ ঃ**
১। অনিল কুমাৰ গগৈ— মুৰব্বী প্ৰবক্তা
২। আব্দুল আজিম— প্ৰবক্তা
৩। বিচিত্ৰ দত্ত— প্ৰবক্তা
৪। জ্যোতিপ্ৰসাদ গগৈ— প্ৰবক্তা
৫। জীৱন চন্দ্ৰ শৰ্মা— প্ৰবক্তা
৬। দীপাঙ্কৰ বৰা— প্ৰবক্তা

**কাৰ্যালয় কৰ্মচাৰী ঃ**
১। তাৰাপ্ৰসাদ বৰপূজাৰী— উচ্চ বৰ্গৰ সহায়ক
২। হীতেশ গগৈ— নিম্নবৰ্গৰ সহায়ক
৩। বাপুৰাম গগৈ— নিম্মবৰ্গৰ সহায়ক
৪। প্ৰভাত চন্দ্ৰ শইকীয়া— নিম্ন বৰ্গৰ সহায়ক
৫। ইন্দ্ৰেশ্বৰ বৰুৱা— চকীদাৰ
৬। মনেশ্বৰ বাইলুং— চকীদাৰ
৭। খগেন্দ্ৰনাথ চেতিয়া— চকীদাৰ

**গ্ৰন্থাগাৰ কৰ্মচাৰী ঃ**
১। উমানন্দ বৰুৱা— গ্ৰন্থাগাৰিক
২। ৰামচন্দ্ৰ বড়া— নিম্নবৰ্গৰ সহায়ক
৩। টংকেশ্বৰ দুৱৰা— চকীদাৰ

**ছাত্ৰীনিবাসৰ কৰ্মচাৰী ঃ**
১। চন্দ্ৰ গোৱালা— ৰান্ধনি ও চকীদাৰ
২। মাখন চন্দ্ৰ বৰা— ৰান্ধনি ও চকীদাৰ

**পূৰ্বতে কাৰ্যনিৰ্বাহ কৰা কৰ্মচাৰীসকল ঃ**
১। তৰুণ চন্দ্ৰ বৰুৱা— উপাধ্যক্ষ
২। কীৰ্তিচন্দ্ৰ দত্ত— মুৰব্বী প্ৰবক্তা
৩। কৰুণ কুমাৰ শৰ্মা— মুৰব্বী প্ৰবক্তা
৪। সৰুমতী হাজৰিকা— মুৰব্বী প্ৰবক্তা
৫। ৰমা দত্ত— প্ৰবক্তা
৬। হাৰাধন দেবনাথ— প্ৰবক্তা
৭। ৰাজীৱলোচন শৰ্মা— প্ৰবক্তা
৮। বীৰেণ বৰুৱা— প্ৰবক্তা

৯। নবীন গগৈ— প্ৰবক্তা
১০। যোগেন দত্ত— প্ৰবক্তা
১১। ঈশ্বৰ প্ৰসাদ বৰুৱা— প্ৰবক্তা
১২। ভাৰত বৰা — প্ৰবক্তা
১৩। ইমৰান হুছেইন— প্ৰবক্তা
১৪। তৰুণ মিশ্ৰ ভাগৱতী— প্ৰবক্তা
১৫। বিশ্বজিৎ মজুমদাৰ — প্ৰবক্তা
১৬। স্বৰ্ণছায়া শইকীয়া— প্ৰবক্তা
১৭। বাসন্তী চুতীয়া— প্ৰবক্তা
১৮। প্ৰসন্ন বৰুৱা — প্ৰবক্তা
১৯। যাদৱ চন্দ্ৰ চলিহা — প্ৰবক্তা
২০। পহল থাপা— প্ৰবক্তা
২১। কামিনীকান্ত গগৈ — প্ৰবক্তা
২২। দীপ্তি দত্ত — প্ৰবক্তা
২৩। বেণু গোস্বামী — প্ৰবক্তা
২৪। আনন্দৰাম বৰুৱা — প্ৰবক্তা
২৫। আৰতি শৰ্মা — প্ৰবক্তা
২৬। নুৰুল ইছলাম বৰা — প্ৰবক্তা
২৭। চেনীৰাম বৰা — প্ৰবক্তা
২৮। সোনেশ্বৰ বৰা — প্ৰবক্তা
২৯। বন্তী শইকীয়া — প্ৰবক্তা
৩০। উত্তম বৰদলৈ — প্ৰবক্তা
৩১। শান্তনু বৰঠাকুৰ — প্ৰবক্তা
৩২। উষাৰাণী বৰুৱা — প্ৰবক্তা
৩৩। সত্য ফুকন — প্ৰবক্তা
৩৪। গিৰিন্দ্ৰ নাথ স্বৰ্ণকাৰ — প্ৰবক্তা
৩৫। মুনিন গগৈ — প্ৰবক্তা
৩৬। অনন্ত চক্ৰৱৰ্তী — প্ৰবক্তা
৩৭। ইনামুল মুজিদ — প্ৰবক্তা
৩৮। ধীৰেণ কলিতা — প্ৰবক্তা
৩৯। প্ৰদীপ কোঁৱৰ — প্ৰবক্তা
৪০। কৰবী দত্ত — প্ৰবক্তা
৪১। তিলোত্তমা গগৈ— তত্ত্বাবধায়িকা ছাত্ৰী নিবাস
৪২। বুবুল তাঁতী— গ্ৰন্থাগাৰ সহায়ক
৪৩। বীৰেন গগৈ— কাৰ্যালয় সহায়ক
৪৪। দুৰ্গা বৰঠাকুৰ— কাৰ্যালয় সহায়ক
৪৫। ঘনকান্ত চুতীয়া— চকীদাৰ
৪৬। কোশল মুৰী— চকীদাৰ
৪৭। ৰামপদ শৰ্মা — চকীদাৰ
৪৮। পৰমা বড়া — ৰান্ধনি
৪৯। চন্দ্ৰ খনিকৰ — ৰান্ধনি
৫০। উমা চেতিয়া — চকীদাৰ
৫১। কনকেশ্বৰ নেওগ— চকীদাৰ।

**যিসকল আজি আমাৰ মাজত নাই ঃ**

১। তৰুণ চন্দ্ৰ বৰুৱা— উপাধ্যক্ষ ও মুৰব্বী বুৰঞ্জী বিভাগ
২। কৰুণা কুমাৰ শৰ্মা— মুৰব্বী ইংৰাজী বিভাগ
৩। সৰুমতী হাজৰিকা— মুৰব্বী, সমাজবিদ্যা বিভাগ
৪। যোগেন দত্ত— প্ৰবক্তা, বুৰঞ্জী বিভাগ
৫। চন্দ্ৰ খনিকৰ— ৰান্ধনি, ছাত্ৰী নিবাস
(তেখেত সকলৰ আত্মাই চিৰশান্তি লাভ কৰক)

শিক্ষাদানৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন বিষয়ত চিন্তা-চৰ্চা আৰু গৱেষণা কৰি আৰু বেলেগ বেলেগ বিষয়ত প্ৰশিক্ষণ লৈ শৈক্ষিক গতিধাৰা অব্যাহত ৰাখিছে। গৌৰৱৰ কথা এই মহাবিদ্যালয়ৰ তিনিগৰাকী প্ৰবক্তাই ইতিমধ্যে বিভিন্ন বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছে। তেখেতসকল হ'ল—

১। ড° সবিতা ঠাকুৰ— শিক্ষা বিভাগ
২। ড° প্ৰদীপ কুমাৰ গগৈ— সংস্কৃত বিভাগ
৩। ড° অকণ চন্দ্ৰ শইকীয়া— সংস্কৃত বিভাগ

উচ্চ বৰ্গৰ সহায়ক তাৰা বৰপূজাৰীয়ে আৰম্ভণি অৱস্থাত সকলো কাম অকলশৰেই সম্পাদন কৰিছিল। মহাবিদ্যালয়ৰ অপৰিহাৰ্য অঙ্গ ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ একতা সভাৰ বিভিন্ন শাখাৰ জৰিয়তে সহযোগী পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ৰ অভ্যাসন কৰিছে। ১৯৬৮ চনত মহাবিদ্যালয় ছাত্ৰ একতা সভা গঠন হয়। ইয়াৰ পৰা সাধাৰণ সম্পাদক অমৰজিৎ শইকীয়া। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই মহাবিদ্যালয়ৰ ১৯৭২-৭৩ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ললিত চন্দ্ৰ ৰাজখোৱাই অসমৰ অস্তিত্ব ৰক্ষাৰ সুদীৰ্ঘ আন্দোলনত মুখ্য ভূমিকা গ্ৰহণ কৰি ৰাজ্য মন্ত্ৰী পদত অধিষ্ঠিত হৈছিল। বৰ পৰিতাপৰ কথা যোৱা ২০ জানুৱাৰী তাৰিখে তেওঁৰ পথ দুৰ্ঘটনাত অকাল বিয়োগ ঘটে। তেওঁৰ উপৰিও আৰু কেইজনমান ছাত্ৰ-ছাত্ৰীৰ দেহান্তৰ হয়। তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক।

মহাবিদ্যালয়ৰ দহ হাজাৰতকৈ অধিক গ্ৰন্থ সম্বলিত এটি পুথিভঁৰাল আছে। এই পুথি ভঁৰালৰ গ্ৰন্থসমূহ বিশ্ববিদ্যালয় অনুদান আয়োগ, অসম ৰাজ্যৰ শিক্ষা বিভাগ, ছাত্ৰ-ছাত্ৰীৰ মাচুল আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ আৰ্থিক সাহাৰ্যৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ গ্ৰন্থ দানেৰে ক্ৰয় আৰু সংগ্ৰহ কৰা হৈছে। ইয়াৰ ভিতৰত কলেজৰ অন্যতম প্ৰতিষ্ঠাতা মহেন্দ্ৰ কুমাৰ বৰুৱা, ঁপ্ৰিয় নাথ বৰুৱা, ড° সত্যেন্দ্ৰনাথ শৰ্মা, লক্ষী প্ৰসাদ খাউণ্ড ডাঙৰীয়াই দিয়া গ্ৰন্থৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আৰ্থিক সাহাৰ্যৰে কিনা বিশ্বকোষৰ এলানি গ্ৰন্থৰ কথা উল্লেখ কৰিব লাগিব।

১৯৭৬ চনত হোৱা প্ৰলয়ংকাৰী বানপানীয়ে এই পুথিভঁৰালৰ বহু হাজাৰ মূল্যৰ গ্ৰন্থ নষ্ট কৰিলে।

মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ এটি শাখা আছিল। ঁতৰুণ চন্দ্ৰ বৰুৱাৰ যত্নত এই বাহিনীয়ে বহুত সমাজ সেৱা কাৰ্য সম্পাদন কৰিছিল। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলৰ সমাজ সেৱাৰ কাৰ্যত যথেষ্ট বৰঙনি আগবঢ়াইছে। এই বাহিনীৰ প্ৰথম ভাৰপ্ৰাপ্ত প্ৰবক্তা আছিল কীৰ্তি চন্দ্ৰ দত্ত। এই দুয়োটা বাহিনীৰ কেইবাজনো ছাত্ৰই সৰ্বভাৰতীয় শিবিৰত যোগদান কৰিছিল। তেওঁলোকৰ নাম স্থানান্তৰত প্ৰকাশ পাইছে।

মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে গঠন কৰি লোৱা অসম ৰাজ্যিক সংগঠনৰ অন্তৰ্ভুক্ত জাঁজী হেমনাথ শৰ্মা শিক্ষক গোট আৰু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ কৰ্মচাৰী গোট এই মহাবিদ্যালয়ত আছে। অসম কলেজ গ্ৰন্থাগাৰিক সন্মিলনৰ সদস্যও এই মহাবিদ্যালয়ত আছে। তাৰ উপৰি কৰ্মচাৰী বিলাকৰ দুখন সমবায় সমিতিও আছে। এই সকলো সংগঠনে নিজৰ নিজৰ সদস্যসকলক প্ৰয়োজন সাধন কৰাৰ উপৰিও মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ হকে কাম কৰি আহিছে। ইয়াৰ ভিতৰত শিক্ষক গোটে উপাধ্যক্ষ তৰুণ চন্দ্ৰ বৰুৱাৰ স্মৃতিত নিৰ্মাণ কৰিবলৈ লোৱা প্ৰেক্ষাগৃহৰ কথা নিশ্চয় উল্লেখ কৰিব লাগিব।

সময়ৰ গতিত বহুখিনি এটা দিশত আগবাঢ়ি আহিছে যদিও বহুকেইটা দিশৰ বাবে পুনৰ পশ্চাত গতি অৱলম্বন কৰিব লাগিব। এতিয়াৰ পৰা পচিশ বছৰৰ আগতে যেতিয়া জাঁজীত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ লোৱা হৈছিল, তেতিয়া ইয়াৰ উদ্যোক্তাসকলৰ হাতত মাটি, ভেঁটি, ঘৰ-দুৱাৰ আৰু টকা-কড়ি একো নাছিল। আছিল মাথো এটা সৎ উদ্দেস্য কাৰ্যত

পৰিণত কৰাৰ প্ৰবল আশা। তথাপি আৰম্ভ কৰা হৈছিল এই উচ্চ শিক্ষাৰ অনুষ্ঠান। প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ নিজা ঘৰ-দুৱাৰ নথকাত শ্ৰেণীসমূহ পুৰা বেলা জাঁজী বালিকা উচ্চ ইংৰাজী বিদ্যালয়ত বহুৱাব লগা হৈছিল। জাঁজী পাব্লিক হল কলা ভৱনত কাৰ্যালয় আৰু বিজ্ঞানাগাৰৰ কাম চলোৱা হৈছিল। আজিও সেই অনুষ্ঠানে ৰূপালী জয়ন্তীৰ সভা, আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠান, ভাওনা আদি অনুষ্ঠিত কৰিবলৈ সুবিধা দি পশিচ বছৰীয়া ইতিহাস পৰম্পৰা ৰক্ষা কৰি আমাক কৃতাৰ্থ কৰিছে। তাৰ পাছত পূৰ্বৰ জাঁজী আঞ্চলিক পঞ্চায়তৰ নামত থকা প্ৰায় দুবিঘা মাটিও কলেজৰ কাৰণে পোৱা হয় আৰু তাতে মাখন শৰ্মাই নিজা প্ৰচেষ্টাত নিজৰ অৰ্থেৰে ৮০′x২০′-৮′ বাৰাণ্ডাসহ এটা আসাম টাইপ ঘৰ নিৰ্মাণ কৰাই দিলে। ১৯৬৬ চনত এটা প্ৰৱল ধুমুহাই কলেজৰ নতুনকৈ নিৰ্মাণ কৰা ঘৰৰ চাল সম্পূৰ্ণ উৰাই নিয়ে আৰু পাব্লিক হলটোৰ অশেষ ক্ষতি কৰে। সেইখিনি পুনৰ মেৰামতি কৰাই আৰু তাৰ লগতে অস্থায়ী ঘৰ সাজি মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজ চলেৱা হয়। বৰ্তমান অধ্যক্ষই কামত যোগ দিয়াৰ আগত আৰু পাছত মহা বিদ্যালয়ৰ কাৰণে অধিক মাটি ক্ৰয় কৰা হয়। আৰু স্থায়ী ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হয়। ইয়াৰ ভিতৰত স্বৰ্গীয় হেমনাথ শৰ্মাৰ পুত্ৰসকলে নিৰ্মাণ কৰাই দিয়া ১০০x২০′ আৰু ৬৪′x১৬′-৮′ বাৰাণ্ডা সহ এটা স্থায়ী ঘৰ উল্লেখনীয়। ইয়াৰ বাকী থকা কাম সম্পূৰ্ণ কৰিবলৈ লোৱা হৈছে। তাৰ উপৰি অসম চৰকাৰৰ অনুদান আৰু মহাবিদ্যালয়ৰ নিজা পুঁজিৰে ১১০′x২৬′-৮′ বাৰাণ্ডাৰ স্থায়ী ভৱনৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হওঁ হওঁ। ইতিপূৰ্বে উল্লেখ কৰা শিক্ষক গোটৰ দ্বাৰা নিৰ্মাণ কৰি থকা প্ৰেক্ষাগৃহ আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পৰা সাম্প্ৰতিক পোৱা বিত্তীয় সাহাৰ্যৰে ১০০′x২০′-৮′ বাৰাণ্ডাৰ গ্ৰন্থাগাৰ আৰু অধ্যয়ন কক্ষৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। এই অনুদানৰ প্ৰাপ্তিৰ ক্ষেত্ৰত মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ ভূমিকা উল্লেখ কৰিব লাগিব। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহাৰ্যৰে নিৰ্মাণ কৰা বৰ্তমান ৫ জন প্ৰবক্তা পৰিয়ালসহ থকা শিক্ষক নিবাসো পৰৱৰ্তী স্তৰৰ নিৰ্মাণ কাৰ্যসূচীৰ ভিতৰত পৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এসময়ৰ সুখ্যাতি সম্পন্ন চিকিৎসক আৰু মহাবিদ্যালয়ৰ গুৰি ধৰোঁতা সকলৰ অনত্যম, পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য ডাঃ নীলকান্ত বৰুৱাৰ পৰিয়ালে মহাবিদ্যালয়ৰ প্ৰৱেশ পথত এখন স্থায়ী তোৰণ নিৰ্মাণ কৰিবলৈ দিয়া প্ৰস্তাৱৰ প্ৰতি সন্মতি জনাইছে। আৰম্ভণিৰ পৰ্যায়ৰ পৰা ঘৰে ঘৰে সংগ্ৰহ কৰি অস্থায়ী গৃহ নিৰ্মাণ কৰাৰ পৰম্পৰা (ঘৰে ঘৰে যোৱাৰ দিশটো এৰি) আজিও অব্যাহত আছে। এতিয়াও মহাবিদ্যালয়ৰ ছাত্ৰাবাস নিৰ্মাণ কৰিব পৰা হোৱা নাই। অস্থায়ী ঘৰত ছাত্ৰীসকল ৰাখিবলগা হৈছে আৰু শ্ৰেণীকোঠা, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা অস্থায়ী ঘৰত ৰাখিব লগা হৈছে। মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাতা পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক মহেন্দ্ৰ কুমাৰ বৰুৱা ডাঙৰীয়াৰ পৰা জনামতে এইবোৰ ঘৰ-দুৱাৰ হোৱাৰ আগতে আৰম্ভণি কালত প্ৰবক্তাসকলক জাঁজী শিপিনী উপনিবেশ, জাঁজী পশু চিকিৎসালয় আৰু তেখেতৰ নিজৰ ঘৰতো ৰখা হৈছিল।

উচ্চ শিক্ষাৰ এটা অনুষ্ঠানৰ উন্নতিৰ লগত ইয়াৰ অৰ্থকাৰী দিশটো সবাৰো ওপৰত। আমি পূৰ্বতে উল্লেখ কৰিছো যে যিমান জমা হয় নিৰ্দ্ধাৰিত এটা পুজি লৈ মহাবিদ্যালয়খন আৰম্ভ

কৰা হোৱা নাছিল। মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰিবলৈ লোৱা হৈছিল এই কথা ৰাইজক জনাব লগা হৈছিল। তাৰ কাৰণে উদ্যোক্তাসকলে লোৱা প্ৰাৰম্ভিক ব্যৱস্থা এনে ধৰণৰ— ০১-০২-৬৪ তাৰিখৰ পৰা ১৫-০২-৬৪ তাৰিখলৈকে কলেজ পযেক পাতি ০৭-০২-৬৪ তাং ভগামুখ, ১০-০২-৬৪ তাৰিখে খনামুখ আৰু ১১-০২-৬৪ তাৰিখে মৰিজাঁজী ১২-০২-৬৪ তাং তামুলীছিগা, ১৩-০২-৬৪ তাং দেওৰজা মৈদাম, ১৪-০২-৬৪ তাৰিখ বামুনপুখুৰী আদি অঞ্চলৰ উপৰিও বনাই, গৌৰীসাগৰ আদি অঞ্চলতো অৱগত কৰোৱা হয়। ... ১৩-০২-৬৪ আৰু ১৫-০২-৬৪ তাৰিখে দুটা শোভাযাত্ৰা ট্ৰাক মটৰ গাড়ীয়ে আমগুৰি, নামতি, ম'ৰাবজাৰ, চাৰিং, গৌৰীসাগৰ, দিখৌমুখ, বামুণপুখুৰী, বনাই আদি ভ্ৰমণ কৰি এটা জাগৰণ অনা হৈছিল। তাৰ উপৰি ডাঙৰ ডাঙৰ প'ষ্টাৰ লিখা হৈছিল।

কলেজ প্ৰতিষ্ঠা হোৱাত ৰাইজে সন্তোষ প্ৰকাশ কৰিছিল। ৰাইজৰ পৰা পোৱা আৰ্থিক বৰঙণিৰে কলেজৰ প্ৰয়োজন সাধন কৰাটো জটিল হৈছিল। মাখন শৰ্মাদেৱে গা পাতি আগ নবঢ়া হেঁতেন কলেজ হৈউঠা অসম্ভৱ হ'লহেঁতেন। ক্ৰমবৰ্দ্ধমান ব্যয় আৰু সীমিত পুঁজি এই পৰস্পৰ বিৰোধী এই দুই অৱস্থাৰ ৰজ্জু সংগ্ৰামৰ পৰা মহাবিদ্যালয় আজিও মুক্ত নহয়। শৰ্মা পৰিয়ালে দুটা স্থায়ী ঘৰ কৰাই দিয়া, বৰ্তমানৰ অধ্যক্ষই কামত যোগদান কৰাৰ আগতে শিক্ষক শিক্ষয়িত্ৰী আৰু অন্যান্য কৰ্মচাৰীৰ দৰমহাৰ ঘাটী অংশ এই অধ্যক্ষই কামত যোগদান কৰাৰ পিছত মহাবিদ্যালয়ৰ সংৰক্ষিত পুঁজিৰ বাবে দিয়া ২৫,০০০.০০ টকাৰ বাবেও চাৰিবাৰ লটাৰী খেলি, শিক্ষক-কৰ্মচাৰীয়ে নাট্যাভিনয় কৰি আৰু বাহিৰৰ ৰাইজৰ পৰা কৰা অৰ্থ সংগ্ৰহে মহাবিদ্যালয়খনৰ আৰ্থিক দিশতো কিছু অংশ জোৰা মাৰিছে। ইয়াৰ পিছতে ১৯৬৭ চনৰ পৰা চৰকাৰে আৰ্থিক সাহাৰ্য দিয়াৰ ব্যৱস্থা কৰে।

১৯৬৭ চনৰ জুলাই মাহৰ পৰা ১৯৭৫ চনৰ নৱেম্বৰ মাহলৈকে তদৰ্থ মঞ্জুৰী আৰু ১৯৭৫ চনৰ ডিচেম্বৰ মাহৰ পৰা ঘাটী মঞ্জুৰী দিয়া হয়। বৰ্তমান বছৰত মহাবিদ্যালয়ৰ বাণিজ্য শাখাটো সম্পূৰ্ণ সুকীয়াকৈ ঘাটী মঞ্জুৰীৰ শিতান অন্তৰ্ভুক্ত কৰিবলৈ আবেদন কৰা হৈছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক প্ৰদীপ হাজৰিকাৰ প্ৰচেষ্টা উল্লেখ কৰিব লাগিব। ঘাটী মঞ্জুৰীৰ উপৰিও গৃহ নিৰ্মাণৰ বাবে চৰকাৰে অপৌনপুনিক মঞ্জুৰী হিচাবে কিছু টকা দিয়াৰ ব্যৱস্থা কৰে। ইয়াৰ ভিতৰত তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ হোৱাৰ পিছত ১৯৮৭-৮৮ চনত দিয়া ৫০,০০০.০০ টকাৰ মঞ্জুৰী উল্লেখযোগ্য।

তথাপিও অমঞ্জুৰীপ্ৰাপ্ত পদবী শিক্ষক-কৰ্মচাৰীৰ দৰমহাৰ ব্যয়ে আৰু অন্যান্য প্ৰয়োজনীয় ব্যয়ে ১৯৮০-৮২ চনত হোৱা বিত্তীয় ঘাটীৰ বাবে চৰকাৰৰ পৰিপূৰক মঞ্জুৰী নোপোৱাৰ বাবে মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থাটো এতিয়াও স্বনিৰ্ভৰশীল হোৱাৰ পৰা বিৰত আছে।

আমি আগতে উল্লেখ কৰিছোঁ যে এই মহাবিদ্যালয়ৰ কাৰ্য সম্পাদন কৰিবৰ বাবে প্ৰথমতে এখন কলেজ কমিটি গঠন কৰি লোৱা হৈছিল। তাৰ পিছতে এখন তদৰ্থ পৰিচালনা সমিতি গঠন কৰা হয় ৭-৫-৬৪ তাৰিখে। ইয়াৰ সভাপতি আছিল আৰ.ডি.লিংড'— আই.এ.এছ্। তাৰ পাছত অসম ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বিধি অনুযায়ী পৰিচালনা সমিতি গঠন কৰি দিয়ে— তেতিয়াৰ পৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে দায়িত্ব

পালন কৰি আহিছে।

**পৰিচালনা সমিতিৰ সভাপতিসকল ঃ**

১। আৰ.ডি.লিংড।

২। ৰাম প্ৰসাদ খাউণ্ড।

৩। পুষ্পধৰ চলিহা।

৪। চৈয়দ আব্দুল মালিক।

৫। মহেন্দ্ৰ কুমাৰ বৰুৱা।

৬। খগেন্দ্ৰ নাথ গগৈ।

বৰ্তমান পৰিচালনা সমিতি ঃ

সভাপতি— খগেন্দ্ৰ নাথ গগৈ

সম্পাদক— শিৱনাথ শৰ্মা

সদস্য— উমেশ চন্দ্ৰ ঠাকুৰ, টংকেশ্বৰ নেওগ, প্ৰভাত বড়া, মাইজান গগৈ, ৰজনীকান্ত গোস্বামী, অনিল কুমাৰ গগৈ, মঃ আব্দুল জব্বৰ, স্বাস্থ্য বিষয়া, জাঁজী ৰাজ্যিক চিকিৎসালয়, দেবেন্দ্ৰ নাথ শৰ্মা, মাখন চন্দ্ৰ শৰ্মা

বিগত বছৰবোৰত মহাবিদ্যালয়ৰ ওপৰেদি কেইবাটাও প্ৰাকৃতিক আৰু অন্যান্য দুৰ্যোগ পাৰ হৈ গৈছে। ১৯৬৬ চন আৰু ১৯৭৬ চনৰ প্ৰলয়ংকাৰী বানপানীৰ উপৰিও আজিকালি প্ৰতিবছৰে হৈ থকা বানপানীয়ে মহাবিদ্যালয়ৰ ঘৰ-দুৱাৰ, আচবাব, নথি-পত্ৰ, কিতাপ-পত্ৰ আদি নষ্ট কৰি আহিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তলত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ১৯৭৯ চনত পৰীক্ষা বৰ্জন কৰোঁতে এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক প্ৰহৃত হৈছিল আৰু স্থানীয় ৰাইজৰ সহযোগত সেই বিপদৰ পৰা ৰক্ষা পোৱা হৈছিল।

এইবিলাক প্ৰমুখ্যে কাৰ্য পৰিক্ৰমাৰ লগে মহাবিদ্যালয়ৰ এখন পতাকা আৰু এটি সমবেত সঙ্গীত গ্ৰহণ আৰু ৰচনা হৈছিল। মহাবিদ্যালয়ৰ প্ৰতীকটো বৰ্তমানৰ ৰূপ দিয়াত ড° লতিকা শৰ্মাৰ নাম উল্লেখ কৰিব লাগিব। কালৈকো অপেক্ষা নকৰি সময় আপোন বাটে গৈ আছে। নিজৰ ছাত্ৰ হৰেণ বৰুৱা, উমা বৰুৱা, হীতেশ গগৈ, জ্যোতিপ্ৰসাদ গগৈ, অনুপমা মহন্ত আৰু প্ৰভাত শইকীয়াক সহকৰ্মী হিচাবে পোৱাৰ আনন্দ আৰু মহাবিদ্যালয়খনৰ লগত সদায় জড়িত ৰখা অনেক জনৰ লগতে কমলেশ্বৰ গগৈ, ইন্দ্ৰেশ্বৰ ডেকা, ড° নীলকান্ত বৰুৱা, মুহী গগৈ, তনুৰাম বৰুৱা চিৰদিনলৈ গুচিযোৱাৰ বেদনাত মহাবিদ্যালয়ৰ ইতিহাসে সামৰি লৈছে। অনাগত ভৱিষ্যতত নতুন ইতিহাসৰ আশাৰে ইয়াতে ৰৈছোঁ।

Some work of noble note,
may yet be done
Not the be coming men
that strove with Gods,
Come my friends
It is not too late to seek
a neutal world

Alfred Lord Tennyson.

❖❖❖

*প্ৰয়াত শিৱনাথ শৰ্মা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ*

# জাঁজীৰ সোঁৱৰণত

**ধ্বনিকবি ড° বিনন্দ চন্দ্ৰ বৰুৱা**

অসমীয়া সভ্যতাৰ কঠিয়াতলী স্বৰূপ, বুৰঞ্জীয়ে গৰকা অঞ্চলসমূহৰ অন্যতম জাঁজী পাঁচোটা মৌজাৰ সমষ্টিৰ উপৰিও আশে-পাশে বহুতলকৈ জুৰি থকা অঞ্চলটো বৰ্তমান শিৱসাগৰ আৰু যোৰহাট জিলাৰ ভালেখিনিৰ ঠাই লৈ গঠিত সৌভাগ্যক্ৰমে একৰকম আকস্মিকভাৱে, অসমত সম্পূৰ্ণভাৱে গাঁৱলীয়া ৰাইজে প্ৰতিষ্ঠা কৰা প্ৰথম উচ্চ মাধ্যমিক বিদ্যালয়টিৰ শিক্ষক ৰূপে সোমাই পৰো। এইদৰে বিশেষ নভভা-নিচিন্তাকৈ সোমাই পৰাটো মোৰপক্ষে একৰকম আকস্মিকেই বুলিব পাৰি। এখন ঐতিহ্যপূৰ্ণ সমাজৰ কেন্দ্ৰ স্বৰূপ বিদ্যালয়টি, মোৰ উপযুক্ত ঠাই বুলিয়েই যেন, সুখে-শান্তিৰে থাকিবলৈকে ঈশ্বৰৰ ইচ্ছাতেই সোমাই পৰিলো। কলিকতাৰ পৰা আহি আন বিশেষ চেষ্টা নকৰি গাঁৱলীয়া বেচৰকাৰী বিদ্যালয়ত সোমাই পৰাত মোৰ আত্মীয়-স্বজন বহুতে ভালপোৱা নাছিল যদিও মই নিজে বেয়া পোৱা নাছিলো। বিদ্যালয়ৰ পৰিচালক সমিতিয়ে স্নাতকৰ কাৰণে প্ৰথম সহকাৰী শিক্ষক স্বৰূপে সৃষ্টিকৰা পদত মোক তিনিকুৰি দহটকা দৰমহাত নিযুক্তি দিলে। মোৰ শুভাকাঙ্খী, সেই সময়ৰ স্কুল পৰিদৰ্শক, পৰম শ্ৰদ্ধাভাজন ঁশৰৎচন্দ্ৰ গোস্বামীয়ে মোক সেই কামতে থাকিবলৈ ক'লে। গোস্বামী খুৰা মোৰ দদাইদেউ, সেই সময়ৰ অসমৰ উনৈশজন মাষ্টাৰ ডিগ্ৰী লাভ কৰা সকলৰ ভিতৰত ঁবিষ্ণু চন্দ্ৰ বৰুৱা এম.এ., বি.এল দেৱৰ সহপাঠী আৰু অন্তৰংগ বন্ধু আছিল। তেখেত আহি প্ৰথমতে আমাৰ যোৰহাটৰ ঘৰতে আছিলহি। তেখেতৰ উপদেশ আনন্দেৰে শিৰোধাৰ্য্য কৰি ল'লো। প্ৰথমতে আহিয়েই যাক প্ৰধান শিক্ষকৰূপে পালোহি, তেখেত আধুনিক জাঁজীৰ গঢ় দিওঁতা, গুৰিয়াল সকলৰ অন্যতম সৰ্বজনপ্ৰিয় ঋষিতুল্য শিক্ষাব্ৰতী ঁহেমনাথ শৰ্মা। গুৱাহাটীত পঢ়ি থাকোঁতে অসমৰ সুদৰ্শন ঋষিতুল্য পুৰুষৰ সান্নিধ্য লাভ কৰিবলৈ সৌভাগ্য ঘটিছিল; সেইজন অসমৰ স্মৰণীয় পুৰুষ ঁজ্ঞানদাভিৰাম বৰুৱা গুৱাহাটী আৰ্ল ল কলেজৰ লোকপ্ৰিয় অধ্যক্ষ। সেই পুৰুষজনৰ পিছতে মই জাঁজীত আহি তেখেতৰ দৰেই এজন পুৰুষ ঁহেমনাথ শৰ্মাৰ সান্নিধ্য লাভ কৰিলোঁ। তেখেত সম্বন্ধত মোৰ মোমায়েই আছিল। মোমাই ভাগিনৰ মৰমৰ সম্বন্ধটোও সাধাৰণ নহয়। পোনেই আহিয়েই বিদ্যালয়ৰ যিসকল শিক্ষকক লগ পালো, তেখেতসকলৰ সমাজখনত মোক যিটো মৰমেৰে সুমাই ল'লে, তাক এতিয়াও পাহৰা নাই। মই যি, সহজ-সৰল অনাড়ম্বৰ শান্তিপূৰ্ণ সমাজ এখনৰ প্ৰয়াসী, তেনে সমাজকে পাই নিজকে ভাগ্যবান

বুলিয়েই ভাবিলো। আন প্রলোভনে মোক এই সমাজৰ পৰা আঁতৰাব নোৱাৰিলে; এইবলাকৰ উপৰিও মই মোৰ ঘৰখনো ওচৰতে পালো। সেই সময়ত সৰ্বসাধাৰণ ৰাইজৰ মাজত শিক্ষকসকলৰ সন্মান অটুত আছিল। কোনোবাই কেতিয়াবা কিবাকিবি বিষয়ত উপদেশ বিচাৰি শিক্ষকসকলৰ ওচৰলৈকে আহিছিল। মই প্ৰথমতে আহি লগপোৱা শিক্ষকসকল, একেবাৰেই শিক্ষকেই আছিল। বেলেগ বিষয়ৰ শিক্ষকসকলে যথেষ্ট অধ্যনপুষ্ট হৈ ছাত্ৰক শিক্ষা দিছিল। জাঁজীৰ হাইস্কুল খনত প্ৰাচীন কালৰ ঋষি সকলৰ ছাত্ৰ শিষ্য সকলৰ সৈতে থকা আশ্ৰমৰ ছাপ এটা থকা যেন লাগিছিল। শিক্ষকসকলৰ প্ৰত্যেকজনেই সাধাৰণ গুণৰ একোটা বিশেষ গুণৰ অধিকাৰী আছিল। শাস্ত্ৰজ্ঞ পণ্ডিত, সাহিত্যিক, নাট্যপ্ৰেমী, আদৰ্শ কৃষক, সমাজ সেৱী আদি গুণৰ অধিকাৰী আছিল। সেইকাৰণেই শিক্ষকসকল ৰাইজৰ যথেষ্ট সন্মানৰ পাত্ৰ হ'ব পাৰিছিল। এইবিলাক কাৰণতে জাঁজীৰ উচ্চ মাধ্যমিক বিদ্যালয়খন সকলো সজ কামৰে কেন্দ্ৰ স্বৰূপ আছিল। শিক্ষক সকলৰ ভিতৰত, পাৰস্পৰিক কোনো বেয়া ভাৱ নাছিল।

মই প্ৰথমতে গৈয়েই জাঁজী, গড়মূৰৰ গড়মূৰ সত্ৰৰ চৌহদত ঁচন্দ্ৰকমল বেজবৰুৱাৰ সভাপতিত্বত আমাৰ সহপাঠী বন্ধু ঁপ্ৰিয়নাথ বৰুৱা, ঁকন্থিৰাম খণ্ডীয়া আৰু মহী গগৈ আদিৰ যত্নত পতা লাচিত সোঁৱৰণী সভা এখনত উপস্থিত হৈছিলো। তাতে জাঁজীত প্ৰতিবছৰে এখন লাচিত মেলা পাতিবলৈ প্ৰস্তাৱ দিছিলোঁ। সেই প্ৰস্তাৱ ঁভ্ৰমৰ চন্দ্ৰ শইকীয়াই সমৰ্থন, ঁসুকোমল গগৈ আৰু ঁখগেশ্বৰ বৰঠাকুৰে একোটি উপযোগী বক্তৃতাৰে সমৰ্থন কৰিছিল। ৰাইজে এই প্ৰস্তাৱ বৰ আগ্ৰহেৰে সমৰ্থন কৰাত, এটা নিৰ্দিষ্ট দিনত জাঁজী হাইস্কুলতে এখন ৰাজহুৱা সভা পাতিবলৈ থিৰ কৰিলে। সেই প্ৰস্তাৱ অনুসৰি স্থানীয় বয়োবৃদ্ধ সমাজ সেৱী ঁডিম্বেশ্বৰ বৰুৱাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা পতা হয়। সেই সভাতেই ঁহেমনাথ শৰ্মাদেৱৰ সভাপতিত্বত, জাঁজীৰ চৌদিশে থকা প্ৰতিনিধিমূলক লোকেৰে এখন কাৰ্যনিৰ্বাহক সভা পতা হ'ল। এই সভায়েই ১৯৩০ চনৰ মাঘী পূৰ্ণিমাত লাচিত মেলা পাতিবলৈ থিৰ কৰিলে। অসমৰ বাহিৰৰ অন্য ঠাইত স্মৰণীয় পুৰুষসকলৰ নামত পতা মেলাৰ কথা জানিবলৈ পাই সেই বিষয়ে, আৱশ্যকীয় বা বাতৰি লৈ অসমতো তেনে মেলা পাতিবৰ কাৰণে মই লেখা লেখি কৰিছিলোঁ, উত্তৰ গুৱাহাটীত ঁআনন্দৰাম বৰুৱাৰ নামত আনন্দ বৰুৱা মেলা পাতিবলৈ আমাৰ সহপাঠী জনচেৰেকে থিৰ কৰিও পাতিব নোৱাৰিলে। ময়ো উজনি অসমৰ কোনোবা এঠাইত 'লাচিত বৰফুকন' নামত মেলা পাতিবলৈ বৰ আশা কৰিছিলোঁ। জাঁজীতে এই দৰে স্বৰাজ আন্দোলনৰ সময়তে মেলা পাতিবলৈ লৈ বেঁকা বাটেদি ৰাইজৰ মনত দেশ-প্ৰেম জগাবলৈ সুবিধা পাই বৰ ভাল পালোঁ। মেলা প্ৰায় দহবছৰ বিয়াল্লিছৰ আন্দোলনলৈকে আশাতীত ভাৱে, বৰ পয়োভৰেৰেই চলিল, তাৰ পিছৰ পৰাই, নানা কাৰণত ক্ৰমে এৰা-ধৰা অৱস্থাত পৰিলগৈ। বছৰ চেৰেকৰ পিছত পুনৰ আৰম্ভ কৰিবলৈ যত্ন কৰিছিল যদিও কামত হৈ নুঠিল। যেইহক জাঁজীকে অনুসৰণ কৰি, বহুততে লাচিত উৎসৱ পতাৰ বাতৰি পাই আছোঁ। জাঁজীৰ উদীয়মান দেশপ্ৰেমিক ডেকাসকলে, আগৰ দৰে ৰাজ্যৰ ভিত্তিত জাঁজীত উপযুক্ত পয়োভৰেৰে লাচিত মেলা আৰম্ভ কৰিব বুলি আশা কৰি আছো। উজনি অসমত প্ৰথমে অনুষ্ঠিত ১৯৩৬ চনত জাঁজীৰ মহাবিষ্ণু যজ্ঞ কুৰি শতিকাৰ এটি স্মৰণীয় অনুষ্ঠান। তিনি-চাৰিদিন,

দিন-ৰাতি একে কৰি পতা এই অনুষ্ঠানে, জাঁজীত এটি নতুন সমন্বয়ৰ যুগ প্ৰৱৰ্তন কৰিলে; হেজাৰ হেজাৰ লোকৰ সমাবেশত জামুগুৰি চাপৰিয়ে জন সমাৰেশত জামুগুৰি চাপৰিয়ে জন সমাৰেশৰ অভিলেখ স্থাপন কৰিলে। আমি বহুতে এই উৎসৱত সহায় কৰিবলৈ পাই ধন্য মানিছিলোঁ। জাঁজীত যজ্ঞ উপলক্ষে যিসকল ধৰ্মপ্ৰাণ পণ্ডিতলোক সমবেত হৈছিল, সি অভাৱনীয়। জাঁজীৰ উদ্যোগী ধৰ্মপ্ৰাণ ডেকাসকলে, সেই যজ্ঞৰ আঁত ধৰি বছৰি বিষ্ণুযজ্ঞ অনুষ্ঠিত কৰাৰ উপৰিও, এই ধৰ্মীয় কাৰ্য স্থায়ী কৰি যজ্ঞ মন্দিৰ নিৰ্মাণ কৰিবলৈ লোৱাটো প্ৰশংসনীয় কাৰ্য। সম্প্ৰদায় নিৰ্বিশেষে সনাতন বৈদিক ধৰ্মৰ এনে অনুষ্ঠানে ৰাইজৰ মাজলৈ সুখ-শান্তি আৰু সকলো বিষয়তে কৰ্ম তৎপৰতা অনাত নিশ্চয় সহায় কৰিব। এই কাৰ্যই বৰ্তমান যি অগ্ৰগতি লাভ কৰিছে, তালৈ চাই জাঁজী অচিৰে উজনি অসমৰ এখন তীৰ্থ ক্ষেত্ৰত পৰিণত হ'ব।

জাঁজীৰ অনেক দিনৰ পৰা চলি অহা নাট্য চৰ্চাই কুৰি শতিকাৰ মাজভাগত ঠন ধৰি উঠি, মাজতে এৰাধৰা অৱস্থাত থাকি, পুনৰ আগবঢ়াৰ আশা দিয়া বৰ সন্তোষৰ বিষয় হৈ উঠিছে। এই নাট্য চৰ্চাৰ কাৰণেই আমি জাঁজীত এখন ৰসাল সমাজ পাইছিলো। সঘনে হোৱা অভিনয় আদিৰ কাৰণেই মই কেবাখনো নাটক আৰু প্ৰহসন প্ৰকাশিত আৰু অপ্ৰকাশিত ভাৱে ৰচনা কৰিবলৈ অনুপ্ৰেৰণা পাইছিলোঁ। আন বয়োজ্যেষ্ঠ সন্মানিত লোকসকলৰ লগতে ময়ো, জনাই নজনাই অভিনেতা হৈ পৰিছিলোঁ। এনে উদ্যোগৰ প্ৰেৰণাতে জাঁজীত ছাত্ৰ সভা, সাহিত্য সভা সুন্দৰকৈ চলি আছিল। মোৰ সাহিত্যৰ প্ৰতি থকা ভাৱটো, সামান্য ভাৱে হ'লেও ফুটাই তোলাত, জাঁজীৰ আদৰ্শ সমাজখনে যথেষ্ট সহায় কৰিলে। মই জাঁজীতেই থাকি ১৯৩০ চনৰ পৰা অসম সাহিত্য সভাৰ সক্ৰিয় সভ্য হৈ থাকিবলৈ সুবিধা পাইছিলোঁ, আৰু প্ৰধান সম্পাদক, চাৰিবাৰ উপ-সভাপতি, পিছত সভাপতি হৈ, বিশেষ অসুবিধা নোহোৱাকৈ সভাৰ কাম, যতদূৰ সম্ভৱ নিখুঁতভাৱে চলাব পাৰিছিলো। এই ছেগতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ নগৰ আৰু গাঁও বিলাকলৈ যাব পাৰিছিলোঁ। সন্তোষৰ বিষয়, সাহিত্যসভাৰ কাম কৰিবৰ কাৰণে এদিনো স্কুলখতি নোহোৱাকৈ সুবিধা কৰি ল'ব পাৰিছিলোঁ। এনে বিলাক কাৰণত জীৱনৰ সৰহভাগ সময় জাঁজীত সুখে-সন্তোষে কটাব পাৰিছিলোঁ। জাঁজীতে জনচেৰেকৰ পৰামৰ্শ কৰি মই মনত ভাবি থকা দৰে বছেৰেকীয়া আলোচনী 'বৰদৈচিলা' ৰূপায়িত কৰিবৰ কাৰণে চেষ্টা কৰিছিলো। নীৰৱ আৰু আশাশুধীয়া সাহিত্যিক ঁভ্ৰমৰ চন্দ্ৰ শইকীয়াৰ সৈতে সোণোৱাল চাহ কোম্পানীৰ প্ৰধান সহায়ক অধ্যয়নপুষ্ট সাহিত্য প্ৰেমী ঁকমল চন্দ্ৰ বৰুৱা দদাইদেউক মৰিয়নীত লগধৰি 'বৰদৈচিলা' সম্পাদনা আৰু প্ৰকাশ কৰিবলৈ অনুৰোধ কৰাত তেখেতে ভাবিচিন্তি আমাৰ ঘৰৰ দুই-চাৰিৰ লগত আলোচনা কৰি সোনকালেই সন্মতি দিলে। আমিও তেখেতক আৱশ্যকীয় সকলো ৰকম সহায় কৰাত আগবাঢ়িলোঁ। ১৯৩১ চনৰ ব'হাগ বিহুৰ লগে লগে 'বৰদৈচিলা' প্ৰথম সংখ্যা প্ৰকাশ হ'ল। বৰ আনন্দৰ বিষয় তেতিয়াৰ পৰাই, বহুত বছৰলৈকে ৰাইজে নতুন পঞ্জিকা কিনাৰ লগতে বৰ আগ্ৰহেৰে একোখন 'বৰদৈচিলা' কিনিছিল। দেশৰ নানা কাৰণত হোৱা হুলস্থূলৰ কাৰণে মাজতে বন্ধ হোৱাৰ উপক্ৰম কৰি বৰদৈচিলা পুনৰ আগতকৈও উন্নত হিচাপে সু-সাহিত্যিক শ্ৰীমান শিৱপ্ৰসাদ বৰুৱাৰ সম্পাদনাত যথেষ্ট বৃহৎ

আকাৰত গুৱাহাটীৰ পৰা প্ৰকাশ হৈছে।

১৯৫৭ চনত জাঁজী হাইস্কুলৰ জুবিলীৰ উৎসৱ সভাত লোৱা প্ৰস্তাৱ অনুসৰি জাঁজী অঞ্চলত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ ৰাইজ আগবাঢ়ি অহাৰ ফলস্বৰূপে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় স্থাপিত হয়। এই ঋষিতুল্য আজীৱন স কৰ্মত ব্ৰতী পুৰুষজনৰ নামত প্ৰতিষ্ঠিত হোৱাত জাঁজী মহাবিদ্যালয়ৰ গাম্ভীৰ্য যথেষ্ট বৃদ্ধি পালে। মহাবিদ্যালয়খনৰ কাৰণে, তেখেতৰ উপযুক্ত পুত্ৰই দিয়া ৰাজোচিত দানে, বিদ্যালয়খনি অনুষ্ঠিত কৰাত যি সহায় কৰিলে তাৰ তুলনা নাই। এনে দান দিয়া লোৱা সকলোৱেই ভাগ্যবান। আজিকালি সঘনে বিদ্যালয় বিলাকত চলি থকা খেলি-মেলি বিলাকৰ কথা সঘনে কাণত পৰে। এনে খেলিমেলি শুনিবলৈ নোপোৱা, কম সংখ্যক বিদ্যালয়ৰ ভিতৰত অন্যতম জাঁজীৰ মহাবিদ্যালয়। ইয়াৰ স্বনামধন্য লোকপ্ৰিয় সুবক্তা অধ্যক্ষ প্ৰমুখ্যে, অনুষ্ঠানটিৰ সৰ্বতোপ্ৰকাৰ মঙ্গলৰ কাৰণে কৰা অধ্যাপক সকললৈ সকলোৰে স্নেহ শ্ৰদ্ধা নিশ্চয় থাকিব আৰু জাঁজীৰ মহাবিদ্যালয় উন্নতিৰ পথত আগবাঢ়ি যাব।

মই ১৯২৯ চনৰ ছেপ্তেম্বৰ মাহত জাঁজী হাইস্কুলত সহকাৰী শিক্ষক স্বৰূপে সোমাই, প্ৰথমতে লাহিঙত থকা মোৰ ভনীৰ ঘৰৰ পৰা স্কুললৈ অহা-যোৱা কৰিছিলোঁ। লাহিঙৰ ক'মলা নাৰ্শৰীৰ মালিক ঁসোমনাথ ফুকন মোৰ ভনী জোঁৱাই। তাত ডেৰ বছৰমান থকা কালছোৱাত সেই অঞ্চলৰ সকলোৰে লগত চিনা-পৰিচয় হ'বলৈ সুবিধা পাইছিলোঁ। বৰ্তমান চলি থকা হাঁহচৰা উচ্চ মাধ্যমিক বিদ্যালয়খনি মাধ্যমিক অৱস্থাত ময়ে উদ্বোধন কৰিছিলোঁ। সেই অঞ্চলৰ স্কুল আৰু গাঁৱৰ সভা-সমিতিত যোগ দিছিলোঁ। সেই সময়তে বামুণপুখুৰী ছাত্ৰ সন্মিলনৰো সভাপতি হ'ব লগাত পৰিছিলোঁ। এনে সভা-সমিতিৰ জৰিয়তে জাঁজী অঞ্চলৰ বহুতৰ লগত চিনা-জনা হৈ পৰিছিলোঁ। লাহিঙত থকা ডেৰবছৰমান পিছত, জাঁজী হাইস্কুল পৰিচালক সমিতিয়ে, স্কুলৰ খেলপথাৰৰ দাঁতিতে জামুগুৰি চাপৰিত ঠাই এডোখৰ নিৰ্দিষ্ট কৰি দিয়াত, তাতে সুবিধাকৈ ৰাষ্ট্ৰীয় পথৰ দাঁতিতে এখন সৰু বাৰী পাতি ঘৰ সজাই লৈ থাকিবলৈ ল'লোঁ। মোৰ এই ঘৰবাৰী পতাত ঁসোমনাথ ফুকনে সহায় দিছিল। ঘৰ লোৱাৰ পিছত ওচৰতে থকা চাপৰি চুক গাঁৱৰ ঁৰঙাই গগৈ (লাহন)ৰ পৰিয়ালটোৰ সকলো সম্ভৱপৰ সহায়ৰ কথা পাহৰিব নোৱাৰোঁ। মই তাত থাকিবলৈ লোৱাৰ পৰা অহালৈকে তেওঁবিলাকে মোক মই নথকাছোৱাত ঘৰবাৰীৰ তত্ত্বাৱধান কৰাৰ পৰা সকলো বিষয়তে নিজৰ ঘৰ হিচাপে ৰাখিছিল। ঁৰঙাই গগৈ মোৰ অভিভাৱক যেনো হৈ পৰিল। এই পৰিয়ালটো এতিয়া নিতাইপুখুৰীৰ ওচৰত ডিব্ৰুগড় জিলাৰ ভিতৰত এডোখৰ ঠাইত এটি বিশেষ উন্নত পৰিয়াল হিচাপে সুখে-সন্তোষে থাকিবলৈ লৈছে।

মই জাঁজীলৈ যোৱাৰ সময়ত জাঁজীতেই মাথোন উচ্চ মাধ্যমিক স্কুল প্ৰতিষ্ঠা হৈছিল। কাকজানৰ পৰা চাৰিওলৈকে সকলোতে ক্ৰমে মধ্য ইংৰাজী স্কুল আৰম্ভ হৈছিল। সেই সকলোবিলাক উচ্চ মাধ্যমিক স্কুল হোৱাত যথেষ্ট পলম হৈছিল। এতিয়া চাৰিওপিনে কলেজেই প্ৰতিষ্ঠিত হৈছে। সেই সময়ৰ মাইনৰ স্কুল বিলাকৰ পৰা উত্তীৰ্ণ হৈ অহা ছাত্ৰ সকলৰ সৰহভাগেই জাঁজীত পঢ়িবলৈ আহিছিল। এই ছাত্ৰসকলে জামুগুৰিৰে আশে-পাশে থকা শিক্ষকসকলৰ চৌহদত বহা সাজি থাকিবলৈ লৈছিল। মোৰ চৌহদতো চামে চামে অহা-যোৱা কৰি, দহ-বাৰজন ছাত্ৰ সদায় আছিল।

মোৰ নিজৰ ঘৰৰ আৰু আপোন দুই-এক ছাত্ৰ মোৰ লগতে আছিল। মোৰ ঘৰত থকা ছাত্ৰসকলে পালে পালে আমাৰ ভাত-পানীৰ যোগাৰ কৰিছিল। মাছ, গাখীৰ, চাউল-পাত আদি কোনো বস্তুৰে অভাৱ নাছিল। ৰাইজৰ মাজত আজিকালিৰ দৰে সকলো বিষয়তে অসন্তোষ ভাৱ বৰ বেছিকৈ দেখা নগৈছিল। গীতিকবি— সাহিত্যিক ঁপদ্মধৰ চলিহাৰ 'সন্তোষীয়া সৰল চহাৰ বিনন্দীয়া প্ৰাণৰ পথাৰ' কবিতাফাঁকিলৈ মনত পৰে। জামুগুৰিত মোৰ চৌহদত থকা ছাত্ৰাবাসকে কেন্দ্ৰ কৰি ওচৰে-পাজৰে থকা এটা গোষ্ঠীত পৰিণত হৈছিল। এই ছাত্ৰসকলৰ স্বভাৱ-চৰিত্ৰৰ বিপক্ষে কোনো কথা শুনিবলৈ নাপাইছিলোঁ। এই গোষ্ঠীটোৰ মাজতে এজন সুদৰ্শন পণ্ডিত আছিল। তেখেত জামুগুৰিতে থকা টোলৰ অধ্যাপক আৰু যজ্ঞ মন্দিৰৰ তত্ত্বাৱধায়ক ঁআদ্যনাথ ভট্টাচাৰ্য। তেখেতৰ নীতি-নিয়ম, আধ্যাত্মিক গুণ আৰু সাধাৰণ মানৱীয় গুণৰ কাৰণে ছাত্ৰসকলে তেখেতৰ সান্নিধ্য লাভ কৰি ভাল পাইছিল। তেখেতৰ নেতৃত্বত ছাত্ৰসকলে মাজে মাজে যজ্ঞ মন্দিৰত নাম কীৰ্ত্তন কৰিছিল। তেখেতে ছাত্ৰসকলৰ কিবা কিবি চোৱা-চিতা কামো কৰিছিল। আমাৰ সান্নিধ্যত থকা এই ছাত্ৰসকলৰ বৰ্তমান অৱস্থা ভাল বুলিয়েই শুনিবলৈ পাওঁ। অসমৰ য'তে ত'তে জাঁজী স্কুলৰ এই ছাত্ৰসকলক লগ পাইছিলোঁ। মই যোৱা গম পালে তেওঁবিলাকে মোক বিচাৰি আহে। স্কুলত কোনো বিপদৰ সন্মুখীন নোহোৱাকৈ প্ৰথমতে বছৰ চেৰেক সহকাৰী শিক্ষক, তাৰ পিছত বছৰচেৰেক সহকাৰী প্ৰধান শিক্ষক আৰু পিছত সোতৰ বছৰ প্ৰধান শিক্ষকৰূপে থাকি অৱসৰ লওঁ। আমাৰ পৰম শ্ৰদ্ধাভাজন প্ৰধান শিক্ষক মহোদয়েও বিশেষ অসুবিধা নোহোৱাকৈ নিয়াৰিকৈ কৰ্তব্য পালন কৰিলে। শেষৰ সময়ত কলিংহাম চাৰ্কোলাৰ আৰু বাছ সম্পৰ্কীয় বিষয়ত স্কুলৰ ছাত্ৰ জড়িত থকা বুলি কেইবাজনো ছাত্ৰক পুলিচে অত্যাচাৰ কৰা আৰু প্ৰধান শিক্ষক প্ৰমুখ্যে দুই-চাৰিজন শিক্ষককো জড়িত কৰিবলৈ চেষ্টা কৰাৰ কাৰণে তেখেত কিছু অসুবিধাত পৰি চিন্তান্বিত হ'বলগীয়া হৈছিল যদিও পিছত সোনকালেই দুইটাৰে সু সমাধান হ'ল। ময়ো মোৰ শুভাকাংক্ষী শিক্ষকসকলৰ সহায়ত এই প্ৰাচীন বিদ্যালয়টি বিশেষ অসুবিধা নোহোৱাকৈ চলাব পাৰিছিলোঁ। এই সময়ছোৱাত বিশিষ্ট গুণী ডেকা শিক্ষক আহি অস্থায়ীভাৱে শিক্ষকতা কৰি আন ঠাইলৈ গৈ সুনাম অৰ্জন কৰি উন্নতি কৰি অৱস্থাপন্ন হোৱাৰ বাতৰি পাই সন্তোষ পাইছোঁ। কেবাজনেও এইখন স্কুলতে থাকি অৱসৰ লৈছে। মই প্ৰথমতে আহি লগ পোৱা শিক্ষৰকসকলৰ ভিতৰত সম্বন্ধত মোমাই আৰু সমনীয়া শ্ৰীমানিক চন্দ্ৰ বৰুৱাই স্থায়ীভাৱে ঘৰবাৰী লৈ প্ৰায় নব্বৈ বছৰীয়া হৈ জাঁজীতে আছে।

মই বিয়াল্লিছৰ আন্দোলনৰ পিছতেই জাঁজীৰ ঘৰবাৰী এৰি আহিবলগীয়া হ'ল। এতিয়া মোৰ বাৰী থকা ঠাইতে জাঁজীৰ নাট্য মন্দিৰ প্ৰতিষ্ঠা হৈছে। তেতিয়াৰ পৰাই মই চাইকেলেৰে ঘৰৰ পৰা প্ৰতিদিন স্কুললৈ যোল্লমাইল পোন্ধৰ বছৰ অহা-যোৱা কৰিলো। এইদৰে অহা-যোৱা কৰোঁতে ঈশ্বৰৰ কৃপাত কোনো অসুখ অশান্তি নহ'ল। এদিন মাত্ৰ হঠাৎ আলিলৈ লৰি-ঢাপৰি অহা গৰু এজাকৰ মাজত সোমাই অলপ দুখ পালো। দূৰণি বাটৰ কাৰণে মোৰ এদিনো স্কুল খতি নহ'ল, স্কুলত উপস্থিত হোৱাও পলম নহ'ল, গা বেয়া লাগি থাকিলেও চাইকেলত উঠিলেই ভাল লাগে। অহা-যোৱা কৰোঁতে এছোৱা বাট, একেবাটে অহা-যোৱা কৰা শিক্ষককেইজনৰ লগত

নানা ৰকমৰ কথা বাৰ্তা পাতি খোজ কাঢ়ো। মই আঠ মাইল বাট ৰাষ্ট্ৰীয় পথেদি অহা যোৱা কৰোঁতে গুৱাহাটী-ডিব্ৰুগড় আদিৰ পৰা অহা-যোৱা কৰা বন্ধু-বান্ধৱ বহুতক লগপাই দেশৰ খবৰ সোনকাৰে থোৰতে পাওঁ। মটৰগাড়ীত অহা সকলে মোক দেখিলেই গাড়ী ৰখাই, কেতিয়াবা চমুকৈ কেতিয়াবা দীঘলীয়াকৈ কথা পাতে। কেতিয়াবা চকুৰ চাৱনি আৰু মিচিকিয়া হাঁহিৰেই কথা হয়। স্কুললৈ যাওঁতে দীঘলীয়া কথা পাতিবলৈ মোৰ সময় নহয়, স্কুলৰ পৰা আহোঁতে মোৰ একো অসুবিধা নহয়। মোৰ স্কুললৈ যোৱাৰ সময়টো আলি দাঁতিৰ ৰাইজৰ সময় নিৰ্দ্ধাৰক আছিল। কোনোৱে কোৱা শুনো 'হেৰ' গৰু মেল, চাৰ আহিল' ইত্যাদি। আলিৰ দাঁতিত সৰু ল'ৰা-ছোৱালীবোৰে ঘূৰি আহোঁতে সদায় পাওঁ, সিহঁতে কয় 'চাৰ কি আনিছা দিয়া।' মই কেতিয়াবা সুমথিৰা টেঙা, কেতিয়াবা লিচু, কেতিয়াবা কল আদি আনি দিওঁ। সিহঁতে বৰ ভাল পায়। আজিকালি সিহঁত ডেকা-গাভৰু হ'ল। কেতিয়াবা দুই একক লগপালে কয়। 'চাৰ আজিকালি আমাৰ ল'ৰা-ছোৱালীক আগৰ নিচিনাকৈ দিয়া কোনো নাই।' মই ঘৰৰ পৰা প্ৰায় ন মান বজাতে আহোঁ। লাহে লাহে চাইকেল চলাওঁ। ডাক্তৰসকলে কোৱামতে নিয়মীয়াকৈ চলাওঁ, ঘণ্টাত আঠ মাইল। মই ভাবো চাইকেলতকৈ ভাল আৰু উপকাৰী বাহন একো হ'ব নোৱাৰে। মই চাৰিকুৰি আঠ বছৰলৈকে চাইকেল চলালো, আলিবাটত ৰাইজৰ সমাগম বেছি হোৱাৰ কাৰণে ঘৰৰ ল'ৰাহঁতে মোৰ চাইকেলৰ ভ্ৰমণ বাদ দিয়ালে। স্কুলত কাম কৰাৰ শেষৰ প্ৰায় পাঁচ বছৰ পুৱা সাত বজাৰ পৰা দুঘণ্টামান অসমীয়া প্ৰবক্তা হিচাপে টীয়ক কলেজত সোমাই আহিবলগীয়া হোৱাত ঘৰৰ পৰা সোনকালে আহিবলগীয়া হয়। কলেজ খোলা থকাৰ দিনত প্ৰায়েই পুৱাৰ সাজ ভাত ৰাহি হয়।

জীৱনৰ সৰহছোৱা আৰু ভাল ছোৱাকাল জাঁজীতেই কটালোঁ; যি কৰিলোঁ, সেইছোৱা সময়তে বেছি ভাগ কৰিলোঁ। প্ৰায় দুকুৰি বছৰ জাঁজীত কটোৱাৰ কাৰণে জাঁজী মোৰ আপোন হৈ পৰিল। এতিয়াও টীয়কত থাকিও জাঁজীলৈ সদায় মনত পৰি থাকে। জাঁজীৰ মহাবিদ্যালয়কে মুখ্য কৰি সকলো সজ অনুষ্ঠানৰ সদায় উন্নতি কামনা কৰি আছো। জাঁজীৰ সৰ্বতোপ্ৰকাৰে উন্নতিৰ কাৰণে চেষ্টা কৰা সকললৈ আন্তৰিক শুভইচ্ছা জনালো।❖❖❖

*লেখক ধ্বনিকবি ৰূপে খ্যাত বিনন্দ চন্দ্ৰ বৰুৱা জাঁজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি*

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় প্ৰতিষ্ঠা আৰু প্ৰথমগৰাকী অধ্যক্ষ প্ৰয়াত যদুনাথ শৰ্মা সিদ্ধান্ত

**হৰেন বৰুৱা**

জাঁজী এটি বৃহৎ কৃষিপ্ৰধান অঞ্চল। জকাইচুক, ম'ৰাবজাৰ, গধূলিবজাৰ, শিমলুগুৰি আৰু লাহিং মৌজাৰ কেন্দ্ৰস্থল এই অঞ্চলটি মহাবাহু ব্ৰহ্মপুত্ৰৰ জাঁজী নামৰ এখনি উপনৈৰ বিস্তিৰ্ণ অৱবাহিকা। অঞ্চলটি অতি প্ৰাচীন কালৰ পৰাই শিক্ষা আৰু সংস্কৃতি বিষয়ত আগবঢ়া আছিল। এই অঞ্চলটিৰ চাৰিওকাষে অৱস্থিত গাঁৰসমূহত অতি পুৰণি দিনৰ পৰাই শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়া বিষয়ৰ চৰ্চা চলি আহিছে। চাৰিও কাষৰ গাঁও বিলাকত ঊনৈশ শতিকাৰ শেষৰ ফালে ভালেকেইখন পাঠশালা প্ৰতিষ্ঠা কৰা হয়। বিংশ শতাব্দীৰ প্ৰথম দশকতে, অৰ্থাৎ ১৯০৭ চনত প্ৰতিষ্ঠা হয় জাঁজী হাইস্কুল। শিক্ষানুৰাগী, সু-সংস্কৃত অনেক স্বনামধন্য ব্যক্তিৰ বাসস্থান এই অঞ্চলটিত উচ্চ শিক্ষাৰ এটি প্ৰতিষ্ঠান গঢ় দিয়াৰ বাবে উদ্যোগী ব্যক্তিৰ অভাৱ নাছিল। তথাপি বিশেষকৈ অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণে তেনে এখনি অনুষ্ঠান গঢ় দিয়াটো সম্ভৱ হোৱা নাছিল।

এই মহৎ উদ্দেশ্য আগত ৰাখি জাঁজীত এখনি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ প্ৰথম প্ৰচেষ্টা চলোৱা হৈছিল ১৯৫৮ চনৰ ২৬ অক্টোবৰ তাৰিখে। সেইদিনা অনুষ্ঠিত হৈছিল জাঁজী হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱৰ মূল সভা। উক্ত সভাত এই বৃহৎ অঞ্চলটিৰ কেন্দ্ৰবিন্দু জাঁজীত এখনি মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কিন্তু এখনি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবৰ বাবে প্ৰয়োজনীয় অনুকূল পৰিৱেশ সৃষ্টি কৰিব নোৱাৰা কাৰণে উদ্যোক্তাসকল কামত আগবাঢ়ি যোৱাতো সম্ভৱ নহ'ল। এই অঞ্চলৰ কেইজনমান উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাত ১৯৬২ চনত 'জাঁজী উন্নয়ন সমিতি' নামৰ এটি সংগঠন জন্ম হয়। এই সমিতিয়ে অঞ্চলটি আগবঢ়াই নিবৰ বাবে হাতত লোৱা ভালেকেইটি আঁচনিৰ ভিতৰত জাঁজীত এখনি কলেজ প্ৰতিষ্ঠা কৰাৰ আঁচনি অন্যতম আছিল। এই মহৎ উদ্দেশ্য আগত ৰাখি ১৯৬৩ চনৰ নৱেম্বৰ মাহৰ ২৬ তাৰিখে জাঁজী উন্নয়ন সমিতিৰ উদ্যোগত, বৃহত্তৰ জাঁজী অঞ্চল আৰু হাঁহচৰা, বামুণপুখুৰী, খনামুখ, গৌৰীসাগৰ, দেওৰজা আদি দাঁতিকাষৰীয়া এলেকাৰ উন্নতিকামী সমাজহিতৈষী ব্যক্তিসকলৰ এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ স্থান আছিল জাঁজী নাট্য সমাজ কলা ভৱন। শ্ৰী মাখন চন্দ্ৰ শৰ্মাই সভাপতিত্ব কৰা এই সভাখনিত ১৯৬৪ চনৰ শিক্ষাবৰ্ষৰ পৰাই জাঁজীত

কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰে এখনি কলেজ প্ৰতিষ্ঠা কৰিবৰ বাবে স্বৰ্গীয় খগেশ্বৰ বৰঠাকুৰৰ প্ৰস্তাৱ আৰু স্বৰ্গীয় অমৰ শৰ্মাৰ সমৰ্থনেৰে সিদ্ধান্ত গ্ৰহণ কৰা হয়।

উক্ত সভাৰ সিদ্ধান্ত অনুসৰি অনুষ্ঠানটি প্ৰতিষ্ঠা কৰিবৰ বাবে শিৱসাগৰ জিলাৰ উপায়ুক্ত আৰ.ডি.লিৱড আই এ এছ্-ক সভাপতি, ৰামপ্ৰসাদ খাউণ্ডক উপ-সভাপতি, অনিল ৰতন বৰঠাকুৰক সাধাৰণ সম্পাদক, মহেন্দ্ৰ কুমাৰ বৰুৱা আৰু মাখন চন্দ্ৰ শৰ্মাক যুটীয়া সম্পাদক ৰূপে লৈ 'জাঁজী কলেজ কমিটি' নামৰ ৩৮ জনীয়া এখনি সমিতি গঠন কৰা হয়। (প্ৰস্তাৱ নং ২, প্ৰস্তাৱক - তনুশ্যাম গোহাঁই বৰুৱা, সমৰ্থক - ঘনশ্যাম গগৈ) সভাৰ সিদ্ধান্ত অনুযায়ী স্থানীয়ভাৱে কাম-কাজ কৰিবৰ বাবে মহেন্দ্ৰ কুমাৰ বৰুৱাক লিখিতভাৱে দায়িত্ব অৰ্পণ কৰে। উক্ত সভাতে কলেজ স্থাপনৰ বাবে স্থান নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে, সাময়িকভাৱে কলেজৰ কৰ্তৃপক্ষক অনুৰোধ জনাই আৰু কলেজৰ পুঁজি গঠনৰ বাবে মুক্তহস্তে দান-বৰঙণি দিবলৈ ৰাইজক অনুৰোধ জনাই যথাক্ৰমে ৩, ৪ আৰু ৫ নং প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

প্ৰস্তাৱ নং ৩ -
প্ৰস্তাৱক - নিত্যানন্দ বৰুৱা
সমৰ্থক - ঘনশ্যাম গগৈ।
প্ৰস্তাৱ নং ৪ -
প্ৰস্তাৱক - মহেন্দ্ৰ কুমাৰ বৰুৱা
সমৰ্থক - ডাঃ নীলকান্ত বৰুৱা
প্ৰস্তাৱ নং ৫ -
প্ৰস্তাৱক - দেবেন্দ্ৰ নাথ শৰ্মা
সমৰ্থক - ভৱানীচৰণ বৰুৱা।

উপৰোক্ত সভাৰ সিদ্ধান্ত অনুসৰি ১৯৬৪ চনৰ শিক্ষাবৰ্ষৰ পৰাই জাঁজীত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰে প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীসমূহ আৰম্ভ কৰাৰ কথা আছিল যদিও সেই বছৰত কলা আৰু বিজ্ঞান শাখাৰ শ্ৰেণীসমূহহে আৰম্ভ কৰা হয়। ১৯৬৪ চনৰ ২৫ জুলাইৰ দিনা প্ৰাক্তন সাংসদ প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত জাঁজী নাট্য সমাজ কলা ভৱনৰ বাকৰিত বহা ৰাজহুৱা সভাত প্ৰাচ্যতত্ববিদ বিদগ্ধ পণ্ডিত ড° যোগীৰাজ বসু ডাঙৰীয়াই বন্তি প্ৰজ্বলন কৰি কলা আৰু বিজ্ঞান শাখাৰ শ্ৰেণীসমূহৰ শুভাৰম্ভ কৰে। প্ৰথম শিক্ষাবৰ্ষত কলা শাখাত ৭০ জন আৰু বিজ্ঞান শাখাত ২৫ জন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰে। বাণিজ্য শাখাৰ প্ৰাক-স্নাতক শ্ৰেণীসমূহ ৪২ জন ছাত্ৰৰে আৰম্ভ হয় ১৯৭২ চনত। তিনিওটা শাখাৰে প্ৰথম বছৰত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকল আছিল —

ক) কলা শাখা ঃ

গোপালচন্দ্ৰ বৰুৱা, অৰুণচন্দ্ৰ দত্ত, দুৰ্গেশ্বৰ দত্ত, সাদৰীবালা দত্ত, নীৰু বৰগোহাঞি, পদ্মকান্ত বৰুৱা, মহেন্দ্ৰ খনিকৰ, ভোলানাথ দত্ত, ধৰ্মানন্দ দত্ত, যোগেন বৰুৱা, সৰুমন গগৈ, হৰেণ বৰুৱা, তিলেশ্বৰ দত্ত, বসন্ত দত্ত, যোগানন্দ বৰুৱা, ইন্দ্ৰনাথ গগৈ, লক্ষেশ্বৰ গগৈ, জুনু বৰুৱা, চন্দ্ৰধৰ বড়া, প্ৰদীপকুমাৰ গগৈ, যজ্ঞেশ্বৰ গগৈ, হীতেশ গগৈ, হেমলতা বৰুৱা, যজ্ঞেশ্বৰ দুৱৰা, ধনীৰাম বৰুৱা, গণেশ ৰাজগুৰু, কনকলতা গগৈ, গোপাল সন্দিকৈ, ডিম্বেশ্বৰ ৰিচাং, গিৰিধৰ গগৈ, বকুল গগৈ, ভৱকান্ত হাজৰিকা, তিলোত্তমা গগৈ, চেনীৰাম গগৈ, প্ৰফুল্ল দুৱৰা, হিৰণ্যপ্ৰভা শইকীয়া, অৰুণা শইকীয়া, ৰুণু বৰুৱা, উমানন্দ বৰুৱা, লক্ষ্মী দত্ত,

অনুমাই দত্ত, কৰুণা দত্ত, মহেন্দ্ৰনাথ গগৈ, লীলা বড়া, প্ৰফুল্ল খঙীয়া, শিৱনাথ দোলাকাষৰীয়া, ৰাজেন্দ্ৰনাথ শৰ্মা, ঠগীৰাম চুতীয়া, নীলনাথ বৰঠাকুৰ, কৃষ্ণকান্ত মহন্ত, হৰেন্দ্ৰপ্ৰসাদ দত্ত, ভৰতচন্দ্ৰ খাউণ্ড, ভদ্ৰা গগৈ, অৰুণা প্ৰিয়া গগৈ, পদ্মকান্ত বড়া, নিৰাময় ডেকা, কনমাই দত্ত, স্নেহলতা ফুকন, বিমল কটকী, আনন্দৰাম দত্ত, নিলিমাই দত্ত, মৃণালিনী বৰঠাকুৰ, জীৱন চন্দ্ৰ বৰুৱা, মুহীচন্দ্ৰ ফুকন, লীলাকান্ত ফুকন, গিৰিশচন্দ্ৰ নেওগ, বুলুমণি দেৱী, হাস্না বেগম, পদ্মধৰ নেওগ, পূৰ্ণানন্দ গগৈ।

**খ) বিজ্ঞান শাখা ঃ**

মাখন চন্দৰ দত্ত, বীৰেন্দ্ৰনাথ বৰুৱা, ননী বৰুৱা, প্ৰবীন কুমাৰ গগৈ, অনিল কুমাৰ বৰঠাকুৰ, ৰমেশ্বৰ বড়া, চন্দ্ৰপ্ৰভা হাজৰিকা, বিশ্বনাথ শইকীয়া, শৈল বৰুৱা, সৰ্বানন্দ শৰ্মা, ৰজনীকান্ত বড়া, ত্ৰৈলোক্যনাথ বড়া, নোমল চন্দ্ৰ দত্ত, প্ৰসন্নকুমাৰ গোস্বামী, জীতেন্দ্ৰনাথ বৰুৱা, গোলাপ চুতীয়া, ৰুদ্ৰেশ্বৰ কোঁৱৰ, সমুদ্ৰকুমাৰ বৰঠাকুৰ, মুকুলচন্দ্ৰ বৰুৱা, দিলীপ কুমাৰ বৰুৱা, বলৰাম বড়া, ভীমকান্ত সন্দিকৈ, সুৰেন্দ্ৰনাথ গগৈ, সুৰজিত মুৰ্খাজী, প্ৰবীণ গগৈ।

**গ) প্ৰাক-স্নাতক বাণিজ্য শাখা ১৯৭২**

মাধৱ চন্দ্ৰ নেওগ, আনন্দ গগৈ, দিলীপ কুমাৰ চেতিয়া, প্ৰবীণ কুমাৰ ফুকন, সৰ্বেশ্বৰ গগৈ, কমলেশ্বৰ গগৈ, প্ৰবীণ হাজৰিকা, ধৰ্মেশ্বৰ শইকীয়া, উপেন গগৈ, অতুল চন্দ্ৰ বড়া, মুহীকান্ত গগৈ, পদ্মকান্ত চুতীয়া, মাণিক ভড়ালী, বিপিন নেওগ, তৰুণচন্দ্ৰ বৰদলৈ, ভূপেনচন্দ্ৰ বড়া, তৰুণচন্দ্ৰ ৰাজখোৱা, বিনন্দচন্দ্ৰ বৰুৱা, প্ৰসন্ন বৰঠাকুৰ, চেনীৰাম গগৈ, জগতচন্দ্ৰ বড়া, দেবেন চন্দ্ৰ বড়া, বিদ্যাধৰ ৰাজখোৱা, তনুৰাম খনিকৰ, মৃগেন শৰ্মা, যুগকান্ত দত্ত, ৰমাকান্ত খনিকৰ, অতুলচন্দ্ৰ দত্ত, দ্বিজেন কুমাৰ ভট্টাচাৰ্য, লক্ষেশ্বৰ গগৈ, প্ৰবীন প্ৰসাদ কটকী, আল্লাউদ্দিন আহমেদ, বীৰেণ শইকীয়া, নজিৰুদ্দিন আহমেদ, প্ৰভাত বড়া, হৰেণচন্দ্ৰ আৰন্ধৰা, চবীন চন্দ্ৰ গগৈ, হেম দুৱৰা, গোবিন্দ শইকীয়া, বিপিন চন্দ্ৰ দত্ত, দেবেন্দ্ৰ নাথ বৰুৱা, মাণিকচন্দ্ৰ শৰ্মা।

প্ৰথম বছৰত নিয়োগ লাভ কৰা মাননীয় শিক্ষক-শিক্ষয়িত্ৰীসকল আছিল — স্বৰ্গীয় যদুনাথ শৰ্মা সিদ্ধান্ত (অধ্যক্ষ), তৰুণচন্দ্ৰ বৰুৱা (উপাধ্যক্ষ), চিত্ৰলতা ফুকন, উমেশ চন্দ্ৰ ঠাকুৰ, কীৰ্তিচন্দ্ৰ দত্ত, বীৰেণ বৰুৱা, হাৰাধন দেৱনাথ, শিৱনাথ শৰ্মা, নবীনচন্দ্ৰ গগৈ, ৰমা দত্ত, ৰাজীৱলোচন শৰ্মা, ঈশ্বৰপ্ৰসাদ বৰুৱা আৰু যোগেন দত্ত। কিন্তু ১৯৬৫ চনত উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ আৰু প্ৰয়োজনীয় সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি নকৰাত পৰিচালনা সমিতিৰ সিদ্ধান্তমৰ্মে বিজ্ঞান শাখা বন্ধ কৰিব লগা হয়। প্ৰথম পৰ্যায়ত নিয়োজিত শিক্ষকসকলৰ পাছত ৰজনীকান্ত গোস্বামী, তৰুণমিশ্ৰ ভাগৱতী, গুণ বৰুৱা, হৰিনাৰায়ণ আগৰৱালা, যতীন্দ্ৰ বড়া, বদনচন্দ্ৰ কোঁৱৰ আদিয়ে যোগদান কৰে। ১৯৭২ চনত আৰম্ভ কৰা বাণিজ্য শাখাৰ শিক্ষকসকল আছিল চেনীৰাম বড়া, নুৰুল ইছলাম বড়া, সোমেশ্বৰ বড়া, ইনামুল মুজিদ আদি। ইয়াৰ পিছৰ পৰ্যায়ত বাণিজ্য শাখাত সত্য ফুকন, অনন্ত চক্ৰৱৰ্তী, শান্তনু ঠাকুৰ, মুনীন গগৈ, ৰূপক দত্ত, মণিৰাম লাহন, দীপাংকৰ বড়া, ড° ভাৰত বৰা আদিয়ে পাঠদান কৰিছিল। আৰম্ভণিৰ পৰাই কাৰ্যালয়ৰ কৰ্মচাৰী হিচাপে শ্ৰী তাৰা প্ৰসাদ বৰপূজাৰী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল শ্ৰী ঘনকান্ত শইকীয়া। কাৰ্যালয়ৰ কামত জাঁজী ছোৱালী হাইস্কুলৰ শ্ৰী

প্ৰফুল্ল বৰুৱাই সহায় কৰিছিল। ইয়াৰ পিছৰ পৰ্যায়ত কাৰ্যালয় সহকাৰী শ্ৰী হিতেশ গগৈ আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে স্বৰ্গীয় ইন্দ্ৰেশ্বৰ বৰুৱাই নিযুক্তি পায়।

পূৰ্বতে উল্লেখ কৰি অহা হৈছে যে মহাবিদ্যালয়ৰ সাংগঠনিক আৰু প্ৰশাসনিক কাম-কাজসমূহ পৰিচালনা কৰিবৰ বাবে প্ৰথমতে এখন কলেজ পৰিচালনা সমিতি গঠন কৰি লোৱা হৈছিল। ইয়াৰ পিছত ৭-৫-১৯৬৪ তাৰিখে আৰ ডি লিংড আই এ এছক সভাপতি আৰু যদুনাথ শৰ্মা সিদ্ধান্তক সম্পাদক হিচাবে লৈ এখনি তদৰ্থ পৰিচালনা সমিতি গঠন কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ বিধি অনুযায়ী পৰিচালনা সমিতি গঠন কৰি দিয়ে। তেতিয়াৰ পৰাই মহাবিদ্যালয় পৰিচালনা সমিতিসমূহে সু-সংহতভাৱে কাৰ্যনিৰ্বাহ কৰি আহিছে।

১৯৬৪ চনত জন্ম লাভ কৰা এই শিক্ষানুষ্ঠানটিৰ প্ৰতিষ্ঠাৰ ষষ্ঠ বছৰত ১৯৬৯ চনৰ ডিচেম্বৰ মাহৰ ১৪ তাৰিখে জাঁজী অঞ্চলত উচ্চ শিক্ষাৰ বাটকটীয়া স্বৰ্গীয় হেমনাথ শৰ্মাৰ পবিত্ৰ স্মৃতিত তেতিয়াৰ জাঁজী কলেজ উছৰ্গা কৰি নামকৰণ কৰা হয় 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়'। মহাবিদ্যালয়ৰ নতুনকৈ নামকৰণ হোৱা উক্ত সভাখনত সভাপতিত্ব কৰিছিল শিক্ষাবিদ মাননীয় সীতাবলু মোহন মজুমদাৰ। প্ৰতিষ্ঠাৰ সময়ত মহাবিদ্যালয়ৰ নিজা ঘৰ-দুৱাৰ নথকাত শ্ৰেণীসমূহ পুৰাবেলা জাঁজী বালিকা উচ্চ বিদ্যালয়ত চলোৱা হৈছিল তাৰ পিছত জাঁজী আঞ্চলিক পঞ্চায়তৰ নামত থকা প্ৰায় দুবিঘা মাটি কলেজৰ কাৰণে পোৱা হয় আৰু তাতে দাতা পৰিয়াল শ্ৰী মাখন চন্দ্ৰ শৰ্মাই নিজা প্ৰচেষ্টাত এটি আসাম টাইপৰ ঘৰ নিৰ্মাণ কৰাই দিয়ে। পুনৰ দাতা পৰিয়ালৰ সদস্যসকলে ১১০ ফুট দীঘল, ২৬ ফুট বহল আৰু ৮ ফুট বহল বাৰাণ্ডাৰ এটি ঘৰ নিৰ্মাণ কৰাই দিয়ে। প্ৰথম অৱস্থাত শিক্ষকসকল বাস কৰিবৰ বাবে ফুলপানীছিগাত থকা জাঁজী বোৱা-কটা সমবায় সমিতি আৰু জাঁজী পশু চিকিৎসালয়ৰ বাসগৃহসমূহ ব্যৱহাৰ কৰিছিল। ছাত্ৰীসকলৰ বাবে প্ৰথম অৱস্থাতে অস্থায়ীভাৱে ছাত্ৰী নিবাহ নিৰ্মাণ কৰা হয়।

উপাধ্যক্ষ স্বৰ্গীয় তৰুণচন্দ্ৰ বৰুৱাৰ তত্ত্বাৱধানত প্ৰথম বছৰৰ পৰাই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (N.C.C.) শাখা খোলা হয়। কিন্তু পৰৱৰ্তী সময়ত সংশ্লিষ্ট বেটেলিয়ানটো শিৱসাগৰৰ পৰা উঠি যোৱা মহাবিদ্যালয়ৰ গোটটো বন্ধ হৈ যায়। অন্য এগৰাকী শিক্ষক স্বৰ্গীয় কীৰ্তিচন্দ্ৰ দত্তৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয় সেৱা বাহিনী (N.S.S.) আৰম্ভ কৰা হয়। উপৰোক্ত দুয়োটা শাখাতে মহাবিদ্যালয়ৰ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সৰ্বভাৰতীয় বিৰত অংশ লৈ অনুষ্ঠানলৈ গৌৰৱ কঢ়িয়াই আনিছে।

মহাবিদ্যালয়ৰ সমবেত সঙ্গীত 'অভিযাত্ৰী আমি অসীমৰ' ৰচনা কৰে প্ৰাক্তন উপাধ্যক্ষ শ্ৰী শিৱনাথ শৰ্মাই আৰু ইয়াৰ সুৰ সংযোজন কৰে উপাধ্যক্ষ শ্ৰী উমেশ চন্দ্ৰ ঠাকুৰে। মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংগ 'কলেজ লাইব্ৰেৰী' প্ৰতিষ্ঠাৰ প্ৰথম বছৰতে আৰম্ভ হৈছিল। ইয়াৰ বাবে গ্ৰন্থসমূহ বিশ্ববিদ্যালয় অনুদান আয়োগ, ৰাজ্যিক শিক্ষা বিভাগ, ছাত্ৰ-ছাত্ৰীৰ মাচুল আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আৰ্থিক সাহাৰ্যৰ উপৰি কেইবাজনো মহানুভৱ ব্যক্তিৰ দানেৰে ক্ৰয় আৰু আহৰণ কৰা হৈছিল। মহাবিদ্যালয়ৰ শিক্ষকসকলৰ আৰ্থিক সাহাৰ্যৰে Encyclopaedia Britanicaৰ এলানি গ্ৰন্থৰে আৰম্ভণি পৰ্যায়তে গ্ৰন্থাগাৰটি সমৃদ্ধ

হৈছিল। মহাবিদ্যালয়ৰ প্ৰতীকপট (Emblem) অংকন কৰে ডাঃ লতিকা শৰ্মাই। মহাবিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ-ছাত্ৰীসকলৰ মুঠ ৬ জনে ১৯৬৮ চনত স্নাতক ডিগ্ৰী লাভ কৰে। তেখেতসকল হ'ল অৰুণা শইকীয়া, কমলাবালা নেওগ, ললিত চন্দ্ৰ গগৈ, প্ৰফুল্ল খণ্ডীয়া, ৰুণু বৰুৱা আৰু উমানন্দ বৰুৱা। মহাবিদ্যালয়ৰ প্ৰথম ছাত্ৰ একতা সভা গঠন হয় ১৯৬৮ চনত। প্ৰথম সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হয় গোপাল চন্দ্ৰ বৰুৱা। তাৰ পিছৰ পৰা প্ৰতি বছৰে ছাত্ৰ একতা সভাৰ নিৰ্বাচন হৈ আহিছে। মহাবিদ্যালয়ৰ মুখপত্ৰ 'অভিযাত্ৰী' প্ৰথম প্ৰকাশ হয় ১৯৭১-৭২ চনত দেবব্ৰত মহন্তৰ সম্পাদনাত। ১৯৬৭ চনত মহাবিদ্যালয়ত অসম কলেজ শিক্ষক সংস্থাৰ অন্তৰ্গত 'জাঁজী কলেজ শিক্ষক গোট' আৰম্ভ কৰা হয়। এই শিক্ষক গোটৰ প্ৰচেষ্টাত উপাধ্যক্ষ স্বৰ্গীয় তৰুণ চন্দ্ৰ বৰুৱাৰ স্মৃতি মঞ্চগৃহ নিৰ্মাণ কৰি উলিওৱা হয়।

মহাবিদ্যালয়ৰ প্ৰথমজনা মাননীয় অধ্যক্ষ হিচাবে স্বৰ্গীয় যদুনাথ শৰ্মা সিদ্ধান্তই দায়িত্ব গ্ৰহণ কৰিছিল ১৯৬৪ চনৰ ১ জুলাই তাৰিখে। তেখেতৰ জন্ম হৈছিল ১৯৩৭ চনৰ ৩০ অক্টোবৰত। তেখেতৰ পিতৃৰ নাম আছিল স্বৰ্গীয় কেশৰ চন্দ্ৰ শৰ্মা সিদ্ধান্ত আৰু মাতৃৰ নাম আছিল স্বৰ্গীয়া স্বৰ্ণলতা দেৱী। যোৰহাট ২ নং প্ৰেষ্টিটিং স্কুলত স্বৰ্গীয় সিদ্ধান্তদেৱে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পিছত তেখেতে যোৰহাট বালক বিদ্যালয়ৰ পৰা ১৯৫৩ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯৫৩-৫৫ শিক্ষাবৰ্ষত যোৰহাট জগন্নাথ বৰুৱা কলেজ আই এ শ্ৰেণীত নামভৰ্তি কৰে আৰু ১৯৫৫ চনত ইণ্টাৰমেডিয়েট পৰীক্ষাত উত্তীৰ্ণ হয়। স্নাতক মহলা অধ্যয়নৰ বাবে তেখেত ১৯৫৫ চনত বেনাৰসলৈ যায় আৰু ১৯৫৭ চনত স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৫৭-৫৯ চনত বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অধ্যয়ন আৰু ১৯৫৯ চনত ইংৰাজী বিভাগত ডিগ্ৰী লাভ কৰে। ১৯৫৯ চনৰ ১৪ জুলাই তাৰিখে তেখেতে জগন্নাথ বৰুৱা কলেজত ইংৰাজীৰ অধ্যাপক হিচাবে যোগদান কৰে। মাননীয় সিদ্ধান্ত ছাৰে জাঁজী কলেজত অবৈতনিক অধ্যক্ষ হিচাবে যোগদান কৰে। এই কলেজত তেখেতে চাৰি বছৰ অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ কৰি ১৯৬৭ চনৰ ২১ ছেপ্তেম্বৰলৈকে আছিল। পুনৰ তেখেতে যোৰহাট জগন্নাথ বৰুৱা কলেজত যোগদান কৰে আৰু ১৯৯৭ চনত কলেজৰ উপাধ্যক্ষ হিচাবে অৱসৰ গ্ৰহণ কৰে।

অতি আকৰ্ষণীয় ব্যক্তিত্ব আৰু দৃষ্টিনন্দন শাৰীৰিক অৱয়বৰে স্বৰ্গীয় সিদ্ধান্ত ছাৰে অতি সহজতে আনক আকৰ্ষণ কৰিব পাৰিছিল। তেখেতে অধ্যক্ষৰ দায়িত্বৰ উপৰি ইংৰাজী বিষয়ত পাঠদান কৰিছিল। আমি কলেজ আৰম্ভণিৰ বছৰতে (১৯৬৪ চন) প্ৰাক-বিশ্ববিদ্যালয় কলা শাখাত নামভৰ্তি কৰিছিলো। শ্ৰেণীসমূহত উপস্থিত হৈ আমি তেখেতৰ মোহনীয় ব্যক্তিত্ব, কথনভংগী, শ্ৰেণীকোঠাত পাঠদানৰ প্ৰতি অতিকৈ আকৰ্ষণ অনুভৱ কৰিছিলো। ইংৰাজী বিষয়ৰ পাঠদান কাৰ্য তেখেতে অতিকৈ মনোগ্ৰাহী কৰি তুলিব পাৰিছিল। আমাৰ মনত পৰে, সেই সময়ত প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ ইংৰাজী পাঠ্যক্ৰমত Jerome K.Jerome নাম লেখকজনৰ 'Uncle Podger Hargs & Picture' নামৰ পাঠটিৰ স্বৰ্গীয় সিদ্ধান্ত ছাৰে আগবঢ়োৱা পাঠদান। মনত পৰে, ছাৰে পাঠদানৰ সময়ত কেতিয়াও আসনত নবহিছিল। সেই পূৰ্বে উল্লেখিত খুহুতীয়া পাঠটিৰ মূল চৰিত্ৰটিয়ে (Uncle Podger) বেৰত এটা গজাঁল মাৰিবলৈ যাওঁতে,

নিজৰ আঙুলিত হাতুৰীৰে কোব মাৰি দিয়া দৃশ্য ছাৰে নিজৰ দৈহিক সঞ্চালনেৰে প্ৰকাশ কৰিছিল। কলেজৰ প্ৰশাসনিক কাম-কাজ তেখেতে সু-পৰিচালনা কৰিব পাৰিছিল। যদিও অতি কম দিনৰ বাবেহে ছাৰে জাঁজী কলেজত কাৰ্যনিৰ্বাহ কৰিছিল, তথাপি সেই সময়তে তেখেতে কলেজখনত এটি সুস্থ পৰম্পৰা সৃষ্টি কৰিবলৈ সমৰ্থ হয়। তেখেতৰ সবল নেতৃত্বই কলেজখনক ভৱিষ্যতৰ পথত দৃঢ়ভাৱে খোজ দিবলৈ সক্ষম ৰূপত আগবঢ়াই দিলে।

সামাজিক জীৱনত সিদ্ধান্ত ছাৰ এজন সফল ব্যক্তি আছিল। শিক্ষকতাৰ উপৰি তেখেতে নানা ধৰণৰ সামাজিক কাম-কাজত নিজকে নিয়োজিত কৰিছিল। সংগীতৰ প্ৰতি তেখেতৰ গভীৰ আকৰ্ষণ আছিল। তেখেত আছিল এজন দক্ষ তবলাবাদক। কম বয়সত তেখেতে নিজে গান গাইছিল, কিন্তু টনচিল হোৱাৰ পাছত গান গাবলৈ এৰি দিছিল। তেখেতে নিজৰ সৰু জীয়াৰী শ্ৰী গাৰ্গী সিদ্ধান্তৰ লগত তবলা সংগত কৰিছিল। যোৰহাট সংগীত বিদ্যালয়ৰ সম্পাদকৰ দৰে গধূৰ দায়িত্ব পালন কৰিছিল। অনেক কৰ্মব্যস্ততাৰ মাজতো তেখেতে আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড় কেন্দ্ৰত নিয়মীয়াভাৱে বিভিন্ন বিষয়ত কথিকা আগবঢ়াইছিল। Spic Macay (Society for the Promotion of Indian Classical Music and Culture Amongst Youth) নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাটোৰ যোৰহাট কেন্দ্ৰৰ তেখেত প্ৰতিষ্ঠাপক সদস্য আছিল।

এইজনা মহান শিক্ষক আৰু সংগীতপ্ৰেমীৰ ২০০১ চনৰ ২১ জুন তাৰিখে পৰলোকপ্ৰাপ্তি হয়। মৃত্যুৰ সময়ত তেখেতে পত্নী মাননীয়া শ্ৰীযুতা বিদ্যুৎ সিদ্ধান্ত আৰু দুগৰাকী সফল কন্যা সন্তানক এৰি থৈ গৈছে। প্ৰথমগৰাকী শ্ৰী গায়ত্ৰী সিদ্ধান্ত বৰ্তমান নিউইয়ৰ্ক মহানগৰীৰ এখন কলেজৰ অধ্যাপিকা হিচাবে কৰ্মৰত আৰু আনগৰাকী শ্ৰী গাৰ্গী সিদ্ধান্ত প্ৰতিষ্ঠিত সংগীতজ্ঞ। তেখেতৰ মৃত্যু তেখেতৰ অনুৰাগীসকলৰ বাবে আছিল অপূৰণীয় ক্ষতি। যিসকলে তেখেতক জানিছিল সেইসকলৰ বাবে তেখেতৰ মৃত্যু আছিল সত্য আৰু আদৰ্শৰ পৰা হেৰাই যাব খোজা শেষ আঁতডাল ছিগি যোৱাৰ দৰে। কাৰণ শ্ৰদ্ধেয় সিদ্ধান্ত ছাৰ আছিল সু-সংহত চিন্তাৰাজি, নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা আৰু পৰ্বতপ্ৰমাণ পাণ্ডিত্যৰ মূৰ্ত্ত প্ৰকাশ। মাননীয় সিদ্ধান্তদেৱ আছিল এজন প্ৰকৃত শিক্ষক যিজনে শিক্ষকতাৰ লগত জড়িত প্ৰকৃত মূল্যবোধক চিনাক্ত কৰিব পাৰিছিল। সেই কাৰণে তেখেতে তেখেতৰ সংগৃহীত জ্ঞান ভাণ্ডাৰৰ অংশ আনক বিলাই দিবলৈ ভাল পাইছিল। কিন্তু তেখেতৰ আচৰণ আছিল প্ৰকৃত জ্ঞানী ব্যক্তিৰ দৰে, তেখেতে কাহানিও জ্ঞানৰ জাহিৰ কৰি ফুৰিব নুখুজিছিল। বিৰল ব্যক্তিত্বৰ অধিকাৰী শ্ৰদ্ধেয় সিদ্ধান্ত ছাৰ আছিল এজন প্ৰকৃত মানৱদৰদী। মানুহৰ প্ৰতি গভীৰ ভালপোৱা তেখেতৰ চৰিত্ৰ আৰু কাৰ্যাৱলীৰ মাজেদি সুন্দৰকৈ প্ৰতিভাত হৈছিল। পাৰিবাৰিক জীৱনত শ্ৰদ্ধেয় সিদ্ধান্ত ছাৰ অতিশয় কৃতকাৰ্য ব্যক্তি আছিল। তেখেত আছিল এজন সফল সহৃদয় স্বামী আৰু পিতৃ। দুয়োগৰাকী কন্যা সন্তানক তেখেতে সঠিকভাৱে গঢ় দিয়াত গভীৰ ভাৱে মনোযোগ দিছিল। অলেখ কৰ্মব্যস্ততাৰ মাজতো তেখেতে ঘৰুৱা কাম-কাজত সহায়-সহযোগ আগবঢ়াইছিল। তেখেতে গৰু পুহি বৰ আনন্দ পাইছিল। শ্ৰীযুতা বাইদেউৱে আমাক জনাইছে যে তেখেতে প্ৰতি বছৰে গৰু বিহুৰ দিনা ডাঙৰ কেৰাহীত পানী গৰম কৰি বৰ আয়োজনেৰে

নিজে গৰু গা ধুৱাইছিল। নিজৰ বাৰীত শাক-পাচলি কৰাত তেখেতৰ বৰ চখ আছিল। বিভিন্ন ধৰণৰ ফুল আনি নিজৰ বাৰীত ৰোপন কৰি তেখেতে বৰ আনন্দ পাইছিল। পাকঘৰত পত্নীক সহায় কৰি ভাল পাইছিল। ঘৰখনৰ সকলো কামতে তেখেতে সকলোকে সহযোগ আগবঢ়াইছিল। শ্ৰদ্ধেয় সিদ্ধান্ত ছাৰে অতি পৰিপাটী সাজপাৰ পিন্ধি সুন্দৰকৈ থাকিব জানিছিল আৰু আনেও তেনেকৈ থকাটি বিছাৰিছিল। তেখেত আছিল সকলো কামতে চিজিল।

১৯৬৪ চনৰ জুলাই মাহৰ ২৫ তাৰিখে প্ৰতিষ্ঠা লাভ কৰা 'জাঁজী কলেজে' ১৯৬৯ চনত 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়' নামেৰে পৰিচয় লৈ এতিয়ালৈকে ৮ জন মাননীয় অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকল, দলে দলে যোগদান কৰা ছাত্ৰ-ছাত্ৰীসকল, মহামান্য পৰিচালনা সমিতিসমূহৰ উপৰি শুভাকাংক্ষী ৰাইজৰ সহযোগ আৰু সংগঠনৰ প্ৰচেষ্টাৰ মাজেদি বিভিন্ন স্তৰ অতিক্ৰম কৰি ১৯৯০ চনত ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰি ২০০৩ চনত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদৰ উপযুক্তভাৱে সন্মুখীন হৈ ২০১৪ চনত সোণালী জয়ন্তী বৰ্ষত ভৰি দিলেহি। আমাৰ একান্ত কামনা অনাগত ভৱিষ্যতত মহাবিদ্যালয়খনিয়ে পূৰ্বৰ গৌৰৱোজ্জ্বল ইতিহাস অক্ষুন্ন ৰাখি নতুন যুগত বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ সমৰ্থ হ'ব।

কৃতজ্ঞতা স্বীকাৰ ঃ
১। শ্ৰী শিৱনাথ শৰ্মা, (স্মৰণিকা, ৰূপালী জয়ন্তী উৎসৱ, ১৯৯০)
২। শ্ৰী উমেশচন্দ্ৰ ঠাকুৰ (যোৰহাট)
৩। শ্ৰী ৰোহিনী বৰুৱা (যোৰহাট)
৪। শ্ৰীযুতা বিদ্যুৎ সিদ্ধান্ত (যোৰহাট)
৫। ড° মুকুল হাজৰিকা (যোৰহাট)
৬। Proceeding of College Governing Body

❖❖❖

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক*

# ইতিহাসৰ দৃশ্যপটত জাঁজী

**খগেন গগৈ**

জাঁজী আৰু জামুগুৰি দুটা নাম। এটা ভূগোলৰ জাঁজী আনটো বুৰঞ্জীৰ জামুগুৰি। জাঁজী এখন নৈ। এই নৈক ভিত্তি কৰিয়েই এটা বিৰাট অঞ্চলৰ নাম জাঁজী হ'ল। জামুগুৰি চাপৰিত ৰণুৱা ৰঙামুৱাই মানৰ লগত যুঁজ কৰি ইতিহাস ৰচিলে। এজোপা প্ৰকাণ্ড বৰজামু গছ চাপৰিৰ মাজত মাছ-খোৱা গড়ৰ কাষত আছিল বাবেই হয়তো জামুগুৰি চাপৰি হ'ল। এই জামুগছক কেন্দ্ৰ কৰিয়েই আহোম সৈন্যৰ লগত যুঁজ কৰিছিল। অতীতৰ সেই জামু গছ বুঢ়া হৈ মৰিল, কিন্তু জামুগুৰি চাপৰিৰ স্মৃতিক জীয়াই ৰাখিবলৈ সেই গছৰ গুৰিতে আন এজোপা জামু গছ গ'ল। সেই জোপাও ধুমুহাত বাগৰি পৰিল।

ৰাজপাটত স্বৰ্গদেউ চন্দ্ৰধ্বজ সিংহ আৰু ঘাই ডাঙৰীয়া আতন বুঢ়াগোহাঁই। আতন বুঢ়াগোহাঁইৰ তত্ত্বাৱধানত বন্ধোৱা মাছখোৱা গড় জাঁজীৰ মাজেদি গৈ জাঁজী নৈৰ ওচৰত শেষ হৈছে। সেয়ে গড়মূৰ, আজিও জাঁজী গড়মূৰ।

জাঁজী এখন নৈ— হিমালয়ৰ ঠেঙুলি নগাপাহাৰৰ পৰা ওলাই আহি বৰনৈত পৰিছেহি। নৈয়ে গতি সলায়— জাঁজীয়েও কেইবাবাৰো গতিপথ সলনি কৰিছে। শিৱসাগৰ আৰু যোৰহাট সীমা নিৰ্ধাৰণ কৰা জাঁজীখন আজি বৈ থকা জাঁজীৰ অন্য সুঁতি। উৎসৰ পৰা তামুলীছিগালৈ জাঁজীৰ গতিপথ বদলি হোৱা নাই।

জাঁজী নৈ ভূগোলত চিহ্নিত হ'ল। কিন্তু বুৰঞ্জীয়ে জাঁজীৰ ইতিহাস ক'ব নোখোজে। তেৰ শতিকাৰ আগছোৱাতে পাটকাই পাৰ হৈ আহোম স্বৰ্গদেউৰ আদিজনা চুকাফা সৌমাৰ খণ্ডত উপস্থিত হোৱা দিনত এই জাঁজীৰ অনতিদূৰত চাৰিং নামৰ এখন নৈ আছিল। স্বৰ্গদেউ চুকাফা নাৱেৰে দিখৌ নৈয়ে ভটিয়াই আহি চাৰিং নৈ পাইছিল আৰু পুনৰ চাৰিং নৈয়েদি উজাই আহোঁতে অসংখ্য পানীখোৱা ঘাট পাইছিল। নৈখন বৰাহী ৰাজ্যৰ ভিতৰত আছিল। পিছত চাৰিং নৈৰ অৱবাহিকা এটা সমতল ভূমিৰ অঞ্চলত পৰিণত হ'ল। আজিৰ চাৰিং এটা জনবসতি প্ৰধান অঞ্চল। চাৰিঙৰ এই ৰূপান্তৰ কেতিয়া হ'ল বুৰঞ্জীত পাবলৈ নাই।

মাছখোৱা গড়ৰ কাষতে সেয়া হাতীঘূলি। কিম্বদন্তিয়ে কয়— নগাপাহাৰ আৰু ইয়াৰ নামনি অঞ্চলৰ অটব্য অৰণ্যত বনৰীয়া হাতীয়ে পালপাতি ভৈয়ামলৈ নামে— চৰিবলৈ বিহাৰ কৰিবলৈ। জকাইচুক মৌজাৰ এটা বিৰাট অঞ্চলত তৰানি-বিপিনানি-জলাশয় আছিল। তালৈকে নামি আহিছিল হাতীৰ জাক। হাতীৰ জাক অহা-যোৱা কৰা

পটিয়েদি বাৰিষা হয়নো পানী বৈ আহিছিল।

আজিৰ জাঁজী নৈৰ উৎস অতীজৰে চাৰিং নৈৰ উৎসৰ সৈতে একে আছিল। কোনোবা এটা দিশত প্ৰাকৃতিক দুৰ্যোগৰ কাৰণেই হয়তো চাৰিং নৈৰ মূল সুঁতিত ভেটা পৰিল। পানীৰ সোঁতে নতুন গতি পথ বিচাৰিলে। সেই নতুন সুঁতিয়ে হয়তো হাতী অহা-যোৱা কৰা পটিটো বিচাৰি পালে। এখন নতুন নৈৰ সৃষ্টি হ'ল। নতুন বানত উটুৱাই অনা জাঁজী-জাজৰিৰ কাৰণেই হয়তো নৈয়ে জাঁজী নাম পালে। আজিৰ জাঁজী নৈ জন্ম হ'ল আৰু ক্ৰমে চাৰিঙৰ উৎসৰ সুতিবোৰ নতুন নৈয়ে গ্ৰাস কৰিলে। চাৰিং শুকাই গ'ল আৰু ক্ৰমে পোত গৈ সমতল ভূমিত পৰিণত হ'ল— চাৰিং হেৰাই গ'ল। পিছৰ কালত চাৰিং চহৰ হ'ল। জনবসতি গঢ়ি উঠিল। কিন্তু এই ৰূপান্তৰৰ সময় সীমা পাবলৈ নাই।

স্বৰ্গদেউ চুহুংমুঙৰ দিনত নামদাঙৰ পৰা নগা পাহাৰৰ নামনিলৈকে বন্ধোৱা নগা আলি চাৰিং সমতল ভূমিয়েদি যোৱাৰ কথাই তেখেতৰ ৰাজত্বৰ বহুদিনৰ আগতেই চাৰিং নদীৰ অস্তিত্ব বিলোপ হোৱাৰ কথাই সূচায়। নগা পাহাৰৰ পৰা বৰনৈ লৈ ব্যাপি থকা জাঁজী নৈৰ অৱবাহিকা এটা বিৰাট অঞ্চল। এই বিৰাট অঞ্চলটোক জাঁজী নৈয়ে শস্যে-মৎস্যে নদন-বদন কৰি ৰাখিছে। নদীক কেন্দ্ৰ কৰি জনবসতি গঢ় লোৱা ভাৰতীয় ঐতিহ্যক এই জাঁজী অঞ্চলটোৰ স্থিতিয়ে পুনৰ সূচনা কৰে।

এয়া জামুগুৰি চাপৰি। চাপৰিৰ মাজেদি বৈ আহিছে ৰঙাজান মানৰ লগত হোৱা যুদ্ধৰ ভয়াৱহতাৰ স্মৃতিক সাৱটি হয়তো ই আজিও বৈ আছে। ৰণুৱাৰ তেজৰ সোঁতত জানৰ পানী ৰাঙলী হোৱাৰ বাবেই হয়তো ই ৰঙাজান হ'ল। ৰঙাজানৰ পাৰৰ ৰাঙলী বুঢ়ীৰ ৰণুৱা পুতেক ৰঙামুৱাৰ স্মৃতিক বুকুত লৈয়ে হয়তো ই বৈ থাকিব।

জামুগুৰি চাপৰিয়ে সাৱটি লৈছে বলমীয়া গাঁও। ৰাজপাটত স্বৰ্গদেউ কমলেশ্বৰ সিংহ আৰু ঘাই ডাঙৰীয়া পূৰ্ণানন্দ বুঢ়াগোহাঁই। ১৮০৩ খ্ৰীঃত পানীমুৱা প্ৰমুখ্যে আন আন অৰীতিয়া পন্থৰ লোকে বুঢ়াগোহাঁই ডাঙৰীয়াৰ অহিত চিন্তি যোগ সাধনৰ ব্যৱস্থা কৰিছিল। বুৰঞ্জীয়ে উল্লেখ কৰা পানীমুৱা খবৰত কোনোবা গজলা মহন্তৰ নামো আছে। পন্থৰ ৰীতিৰ মতে এজন মূলত বহে তেৰেঁ সাধু। সাধুৰ সোঁৱে-বাঁৱে পৰিষদ বহে। সন্মুখত ৰস— ঘৰতে তৈয়াৰ কৰা চাউলৰ পৰা হোৱা সাজ। পৰম্পৰা অনুসৰি গীতমাতৰ সাধন কৰে, এটা নিৰিবিলি পৰিৱেশ সৃষ্টি হয়। সাধুজন পদ্ম আসনত বহে। গোটেই অনুষ্ঠানৰ তেওঁৱেই মুৰব্বী সকাম, শেষ নোহোৱালৈকে তেওঁ আসন এৰিব নোৱাৰে।

ৰাজনীতিত চৰিয়া-ৰিপুৱা নহ'লে নচলে। ৰজা ঘৰীয়াই এনে ষড়যন্ত্ৰৰ খবৰ পালে। ৰাজকীয় সৈন্যই ঘেৰাও কৰিলে। পানীমুৱা মূল আসনত বহাৰ কাৰণে পলাব নোৱাৰিলে। ধৰা পৰিল। গজলা মহন্তও ধৰা পৰিল। গজলা মহন্তক দেশান্তৰী কৰিলে, পানীমুৱাক বন্দীশালত থলে।

তেতিয়াৰ ৰাজধানী ৰংপুৰ। দিখৌৰ কিনাৰত মেটেকাত কাৰাগাৰ। এতিয়াৰ চিপাহী গাঁৱতে বন্দীশাল আছিল। বন্দীশালত পানীমুৱা মূল ফাটেকত চন্তৰী বলমী চাউদাং। নিশা হঠাতেই বন্দীশালৰ দুৱাৰ খোল খাই যায়। পানীমুৱা নীৰৱে বন্দীশালৰ পৰা ওলাই যায়। লগে লগে বন্দীশালৰ দুৱাৰ আপোনা-আপুনি বন্ধ হৈ যায়। চন্তৰীৰ চকুত পৰে কিন্তু দুৱাৰ আগৰ দৰেই বন্ধ হৈ থকাত চকুৰ ভ্ৰম বুলিহে ভাবি লয়। কেইবাদিনো

এনে হোৱাত চন্তৰীৰ সন্দেহ উপজে। এদিনাখন আচল ঘটনা উদ্‌ঘাটন হ'ল। বন্দী পানীমুৰা বন্দীশালৰ পৰা ওলাই যোৱা চন্তৰীয়ে দেখা পালে। চন্তৰীয়ে ভয় আৰু আতংকত বন্দীৰ পিছ ল'লে। -

বন্দী দিখৌৰ কাষ পালেগৈ পিছে পিছে চন্তৰী। ফেনেফুটুকাৰে দিখৌৰ পানী বাঢ়িছে। বাৰিষা বতৰ। পানীমুৰাই নদীৰ পাৰৰ কলপাত ছিঙি আনি তাকে নাও কৰি নদী পাৰ হৈ গ'ল। চন্তৰীয়ে বিস্ময় মানিলে। আতংকিত চন্তৰীয়েও পানীমুৰাৰ দৰে কলপাতক নাও কৰি পানীমুৰাৰ চিন্তা কৰি নদীত পাৰি দিলে। নদী পাৰ হৈ লালিম গাঁও পালেগৈ, পানীমুৰা যি ঘৰত সোমাল, তাতেই উপস্থিত হ'লগৈ।

সেইঘৰ মানুহ পানীমুৰাৰ পন্থৰ লোক। তাতেই সিদিনা 'সেৱাৰ' যোগাৰ হৈছিল। পানীমুৰাই সেৱাৰ আসন লোৱাৰ পিছতে চন্তৰী উপস্থিত হৈছিল। পানীমুৰাই চন্তৰীকো সকামত বহুৱালে। সকাম শেষ কৰি দুয়ো বন্দী আৰু চন্তৰী পুনৰ বন্দীশাল পালেহি। বন্দীশালৰ দুৱাৰ মুখত পানীমুৰা উপস্থিত হোৱাৰ লগে লগে কপাট মুকলি হ'ল। বন্দী ভিতৰ সোমাল।

চন্তৰীৰ ভাবান্তৰ ঘটিল। পানীমুৰাৰ সান্নিধ্যলৈ আহি নতুন বহুত কথা শিকিলে। চন্তৰীয়ে পানীমুৰাৰ পন্থ ল'বলৈ বিচাৰিলে কিন্তু সেইটো সময় অনুকূল নহ'ব বুলি পানীমুৰাই এটা দিনলৈ বাট চাবলৈ চন্তৰীক পৰামৰ্শ দিলে। পানীমুৰাৰ বিচাৰ হ'ল, মৃত্যুদণ্ডৰে দণ্ডিত হ'ল। পানীমুৰাৰ মৃত্যুৰ পিছত চন্তৰী কামৰ পৰা ওলাই আহিল। বলমী চাউদাং কামৰ পৰা ওলাই আহি জাঁজীৰে জামুগুৰি অঞ্চলত থিতাপি ল'লেহি আৰু পানীমুৰাৰ নিৰ্দেশমতে নিৰ্দিষ্ট দিনলৈ বাট চালে। নাম কথা লাভৰ দিনটোলৈ। গৃহস্থী হৈ পৰিয়ালসহ জামুগুৰিত বলমী চাউদাং স্থায়ী হৈ বহিল।

পানীমুৰাৰ নিৰ্দেশিত সময়ত জাঁজী নৈয়েদি উজাই অহা এজন সাধুৱে বলমী চাউদাঙক নাম-কথা দিলে। বলমী সাধু হ'ল। পৰম্পৰা অনুসৰি আচাৰ-অনুষ্ঠান পালিত হ'ল। জীৱনৰ শেষ প্ৰান্তত উপস্থিত হ'লহি। মৃত্যুৰ দিন অনুভৱ কৰি পুতেকক শ্ৰাদ্ধৰ কাৰণে গাখীৰ যোগাৰ কৰিবলৈ নিৰ্দেশ দিলে।

ইতিমধ্যে বৰপুতেকক নিজৰ সকলো গুণ-মন্ত্ৰ অৰ্পণ কৰিছিল আৰু তেওঁৰ পিছত সেই পন্থৰ সাধু হ'বলৈ আজ্ঞা দিছিল। পুতেকে বাপেকৰ পৰা গুণ মন্ত্ৰ লাভ কৰি তাৰ চৰ্চাৰে নিজকে উপযোগী কৰি লৈছিল। গাখীৰ বিচাৰি ম'হৰ খুটিলৈ যাওঁতে মৰা ম'হ পোৱালি এটা বিৰিণাৰ মাজত পেলাই যোৱা পাই মৃতসঞ্জীৱনী মন্ত্ৰৰ প্ৰয়োগ কৰি চাবলৈ এওঁৰ ইচ্ছা হ'ল। মৰা ম'হ পোৱালিটোৰ ওচৰতে আসন পাতি যোগ সাধনাত বহিল। খন্তেক পিছতে মৰা পোৱালি জপিয়াই উঠি দৌৰ মাৰিলে। কিন্তু পুনৰ মৃত্যু হ'ল। খন্তেকলৈ হ'লেও লব্ধ গুণ-মন্ত্ৰৰ প্ৰভাৱ দেখিলে। গাখীৰৰ বন্দৰস্ত কৰি পুতেক ঘৰ পালেহি। কিন্তু বলমী বুঢ়াই পুতেকৰ এই দুষ্কাৰ্যক ভাল নাপালে। বন্দৰস্ত হোৱা গাখীৰৰ কথা বাপেকক কোৱাত বাপেকে পুতেকৰ 'তিলনী'ৰ কাৰণেহে এই গাখীৰ হ'ব বুলি পুতেকক শাপ দিলে। পুতেকৰ মৃত্যু হ'ল। মৃত্যুৰ সময়ত বোৱাৰীয়েক সগৰ্ভা আছিল। সেই বোৱাৰীয়েকক খৰিভাৰী মৰাণৰ এজন লোকে বিয়া কৰায়। তাতেই এটা ল'ৰা সন্তান জন্ম হয়। সেই সন্তান খৰিভাৰী মৰাণৰ বংশত ডাঙৰ-দীঘল হৈ তাৰ সতি-সন্ততি আজিও মৰাণৰ বংশত মিহলি হৈ আছে। বলমী বুঢ়াৰ পাই এতিয়াৰ

বলমীয়া চাউদাং গাঁও হ'ল বুলি কিম্বদন্তীয়ে কয়। বলমীয়া গাঁৱত বলমী বুঢ়াৰ জীয়েকৰ ফালৰ লোক আজিও আছে বুলি বংশ পৰম্পৰাত উল্লেখ আছে। বলমী বুঢাৰ পৰা উদ্ভৱ হোৱা এই পন্থটোক বলমী পন্থ বুলি আজিও চলি থকা দেখা যায়। এই পন্থৰ সাধুৱে সকামত আশীৰ্বাদ দিওঁতে এনেদৰে মোখনি মাৰে— ৰামকানু, বলমী কানু, পূৰ্ণকানু বুলি।

চৰিত পুথিত শংকৰ পুৰুষৰ আজ্ঞাপৰ কোনোবা এজন আচাৰ্যৰ বলমী সত্ৰ এখনৰ উল্লেখ আছে। এই সত্ৰ লক্ষীমপুৰৰ কোনো এঠাইত আছিল বৰনৈৰ উত্তৰ পাৰে। সেই সত্ৰ অৰীতিয়া পন্থৰ আছিল। সেই বলমী সত্ৰৰ কোনোবা এজন সন্তই হয়তো এই জাঁজী জামুগুৰি অঞ্চলত ভকতি প্ৰচাৰ কৰিবলৈ আহি বলমী চাউদাঙক ভকত কৰিছিলহি। সেই পন্থটোক লখিমপুৰীয়া পন্থ বোলে। লখিমপুৰীয়া পন্থা আৰু বলমী পন্থাৰ মাজত বিশেষ পাৰ্থক্য নাই। গোপাল আটাই এই উজনিত ধৰ্ম বিলাবলৈ আহি ইয়াৰ লোকাচাৰত বিশেষ হস্তক্ষেপ নকৰি শংকৰ-মাধৱৰ মত এজন ঈশ্বৰত কৃষ্ণত ভকতি কৰাটোলৈহে দৃষ্টি ৰাখিছিল। (১) এই দুয়োটা পন্থই কৃষ্ণকহে ভজনা কৰে। কোনো দেৱ-দেৱীৰ ভজনা নকৰে। এওঁলোকৰ উঠন-পূৰণ ভকতে দেৱী পূজাৰ ছাঁটো ভৰি নিদিয়ে। জামুগুৰি চাপৰিৰ কেন্দ্ৰভূমি এই বলমীয়া গাঁৱে আজিও অতীতৰ এই স্মৃতি সাৱটি ৰাখিছে।

এওঁলোকৰ এটা বিচাৰ গীতত আছে ঃ

পূৰ্ণ শংকৰ পূৰ্ণ মাধৱ
পূৰ্ণ পুৰুষোত্তম।
পূৰ্ণৰ চৰণত শৰণে পশিলো
অধমক কৰা উত্তম।।

আকৌ

আদিতে বলমী মধ্যত মায়ামৰা
অন্তত কাটনীপাৰ।।

আৱহমান কালৰ পৰাই নদীক ভিত্তি কৰিয়ে সভ্যতা সংস্কৃতিয়ে গঢ় লৈছিল। সিন্ধু-গঙ্গা, ব্ৰহ্মপুত্ৰই কৃষি সভ্যতাৰ পাতনি মেলিছিল। জীয়াই থকাৰ যুঁজত মানুহে প্ৰথমে আহাৰৰ কথাই ভাবিছিল। নদীৰ পাৰত উৰ্বৰা ভূমিত সহজে শস্য উৎপাদন কৰিব পাৰিছিল। সেয়েহে নদীৰ পাৰতেই জনপদে গঢ় লৈছিল। আদিম কালত নদীয়েদি যাতায়াতৰ সূচল হোৱাত ইঠাইৰ পৰা সিঠাইলৈ বস্তুৰ সৰবৰাহ সহজে কৰিব পাৰিছিল। জাঁজী নৈয়েও এই পৰম্পৰা ৰক্ষা কৰিছিল। উৰ্বৰা মাটিত শস্য নদন-বদন হৈছিল। মাছ-পুঠিও উভৈনদী আছিল। বসতি সেৰেঙা হোৱাৰ কাৰণে খোৱা মুঠি আহৰণ কৰাত কোনো অসুবিধা হোৱা নাছিল। প্ৰয়োজনীয় সকলো বস্তু নিজে উৎপাদন কৰি ল'ব পাৰিছিল। প্ৰয়োজনৰ অতিৰিক্তখিনিহে বেচা-কিনা কাৰণে বাহিৰলৈ গৈছিল

জাঁজী অঞ্চলটোত ধান খেতিৰ উপৰিও মুগা-এড়ি, পাট-পলুৰ খেতি হৈছিল। চোম গছৰ পাত খুৱাই মুগা খেতি কৰিছিল। এড়া আৰু কেচেৰু গছৰ পাত খুৱাই এড়ি পলু পুহিছিল। নুনী গছৰ পাত খুৱাই পাটপলু পুহিছিল। তাৰোপৰি মেজাঙ্কৰী পাতৰে চোমপতীয়া মুগা পুহিছিল। চোমনি প্ৰত্যেক ঘৰতে আছিল। মুগা নিজে পুহিছিল অথবা সেই গছত আন লোকে মুগা পুহিছিল। কতীয়া আৰু ভদীয়া মুগা বেছিকৈ পুহিছিল। জেঠুৱা মুগাৰ খোলা পাতল কিন্তু কতীয়া মুগাৰ খোলা ডাঠ হয়। ভদীয়া মুগা সঁচৰ কাৰণে বেছিকৈ পোহা হয়। স্থানীয়ভাৱে সঁচ

নিজৰ কাৰণে বেছিকৈ নাৰাখি আনঠাইৰ পৰা সঁচ আহৰণ কৰিছিল। মুগাৰ সঁচ বিচাৰি ইয়াৰ মুগা খেতিয়কে উজনি নামনি তহিলং কৰিছিল. তেনেদৰেই আন ঠাইৰ পৰাও ইয়ালৈ সঁচ বিচাৰি মুগা খেতিয়ক আহিছিল।

প্ৰত্যেক ঘৰৰ লোকে মুগা সূতা নিজে কাটি উলিয়াই লৈছিল, কাপোৰ বৈ লৈছিল। এনে বিশ্বাসো ৰাখিছিল— মুগা খেতি ফলিয়াবলৈ ল'ৰাক প্ৰথম কাপোৰ পিন্ধিবলৈ মুগা কাপোৰ দিছিল। তেতিয়াৰ দিনত পলাশবাৰী-শুৱালকুচিত মুগা কটাৰ ব্যৱস্থা নাছিল। স্থানীয়ভাৱেই সূতাৰ যোগান হৈছিল। মুগা-এড়ি-পাট কাপোৰ ঘৰতে তৈয়াৰ কৰি লৈছিল। এনে কাপোৰ বা সূতা বিক্ৰীৰ কাৰণে বাহিৰলৈ নিছিল। গাঁৱৰ প্ৰত্যেকজনী ছোৱালীয়ে তাঁত বব জানিছিল, সূতা কাটিব পাৰিছিল। ছাঁতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ ব'ব পাৰিছিল।

চাপৰি মাটি যথেষ্ট থকাৰ কাৰণে কুঁহিয়াৰ খেতি কৰি গুৰ উৎপাদন কৰি লৈছিল। নাৱেৰে বেপাৰলৈ গুৰ নিছিল। কুঁহিয়াৰ উৎপাদন নোহোৱা ঠাইৰ চাহিদা ইয়াৰ বেপাৰীয়ে পূৰণ কৰিছিল। প্ৰত্যেক ঘৰৰ বাৰীত তামোল আছিল। গুটি জলকীয়া আছিল। তামোলৰ বেপাৰলৈ এই অঞ্চলৰ লোক নাৱেৰে গৈছিল। আন এটা লাভজনক বেপাৰ আছিল সৰুদৈয়া জাঁপি। ওচৰৰ জাপিসজীয়া গাঁৱৰ পৰা জাপি কিনি নি অঞ্চলভেদে ঠাইতে ফুলাম জাপি সাজি দিছিলগৈ। আজিও সমাজৰ সৰুদৈয়া জাপিয়ে বহা কোঠাৰ (ড্ৰয়িং ৰূম)ৰ শোভা বৰ্দ্ধন কৰিছে। তেতিয়া কিন্তু ন ছোৱালীৰ সৰুদৈয়া জাপি সম্ভ্ৰান্ত ঘৰৰ বোৱাৰীৰ অপৰিহাৰ্য বস্তু আছিল।

নদীৰ বানে মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰিছিল। বৰনৈৰ বানে খেতিয়কক আমনিও কৰিছিল। জনসাধাৰণৰ সুবিধাও কৰি দিছিল। ঘৰে ঘৰে থলুৱা নাও আছিল। বানৰ সময়ত নিৰাপদ ঠাইলৈ গুচি যাব পাৰিছিল। অঞ্চলটোৰ জান-বিলবোৰত মাছে উভৈনদী হৈ পৰিছিল। মাহ-সৰিয়হ বছৰ জোৰাকৈ ঘৰে ঘৰে কৰিব পাৰিছিল। ঘৰুৱাভাৱে তৈয়াৰ কৰা সৰিয়হৰ পকা তেলৰহে প্ৰচলন আছিল। আজিৰ দৰে দোকানৰ 'কেচাতেল' ব্যৱহাৰ নকৰিছিল। তেলীশাল বেটেৰী আদি যাদুঘৰৰ সম্পদ হৈ পৰিল। পকাতেলৰ মুখ দেখিবলৈ নাই। মুঠতে সেইদিনত এই অঞ্চলৰ মানুহখিনিৰ আকালো নাছিল ভঁৰালো নাছিল। সহজ-সৰল জীৱন-যাপন কৰি শান্তিত বাস কৰিব পাৰিছিল। ওচৰ চুবুৰীয়াক সহায়-সহযোগৰ মাজেদি সম্প্ৰীতিৰ জীৱন-যাপন কৰিছিল।

মান ভগনৰ পিছত অঞ্চলটোত বিৰাজ কৰা শান্তি আৰু নিৰাপত্তাই ইয়াৰ ডা-ডাঙৰীয়াসকলক সংস্কৃতিৰ নতুন গঢ় দিবলৈ প্ৰেৰণা দিলে। অঞ্চলটোত ডা-ডাঙৰীয়া বসতি সম্বন্ধে জকাইচুকৰ মাজৰ মৈদামবোৰ আৰু গড়মূৰৰ জাঁজী নৈৰ কিনাৰৰ মৈদামবোৰে সোঁৱৰাই দিয়ে। তাৰোপৰি আহোম স্বৰ্গদেউসকলৰ ৰাজধানী ৰংপুৰ আৰু যোৰহাটৰ মাজ মজিয়াত জাঁজী হোৱা বাবে আৰু মাছখোৱা গড় আৰু চেউনী আলিয়ে দুয়োখন নগৰ সংযোগ কৰাৰ বাবেও ইয়াত ডা-ডাঙৰীয়াসকলৰ প্ৰভাৱ পৰাটো স্বাভাৱিক আছিল। তেতিয়াৰ দিনৰ পৰা জাঁজী উন্নতশীল ঠাই আছিল। সেয়েহে ভূগোলত উল্লেখ হৈছিল; জাঁজী এখন উন্নতশীল ঠাই। বহুত ভদ্ৰলোকৰ বসতি। সেই কাৰণেই হয়তো নগৰ কিখনৰ

বাহিৰে গ্ৰামাঞ্চলত এই জাঁজীতেই শিক্ষাৰ পোহৰ পেলাবলৈ চেষ্টা কৰা হৈছিল। ঊনবিংশ শতিকাৰ শেহৰ ফালে আধুনিক শিক্ষাৰ ব্যৱস্থা কৰিবলৈ প্ৰয়াস কৰি আহিছিল। কুৰি শতিকাৰ প্ৰাক্ কালতে জাঁজীত ইংৰাজী শিক্ষাৰ পাতনি মেলিছিল। ১৯০৭ চনত জামুগুৰিত স্থাপিত হোৱা মধ্য ইংৰাজী স্কুলখনেই ক্ৰমে পৰিবৰ্দ্ধন হৈ জাঁজী হাইস্কুলৰূপে খ্যাত হ'ল। শিৱসাগৰ আৰু যোৰহাটৰ মাজবাটত স্থাপিত হোৱা এই জাঁজী হাইস্কুলখনেই কুৰি শতিকাৰ চতুৰ্থ দশকলৈ উচ্চ শিক্ষাৰ একমাত্ৰ কেন্দ্ৰ হৈ আহিছে। গৌৰীসাগৰ, নামতি, কাকজান আদিৰ ছাত্ৰই এই স্কুলতে শিক্ষা গ্ৰহণ কৰি পিছত তেওঁলোকে নিজ নিজ ঠাইত শিক্ষাৰ পোহৰ বিলাইছিলগৈ। আমগুৰি, চেলেং, তামুলীছিগা, চাৰিং, গৌৰীসাগৰ আদিৰ হাইস্কুলবোৰ জাঁজী হাইস্কুলৰ পৰা শিক্ষা গ্ৰহণ কৰি যোৱা ছাত্ৰসকলেই গুৰি ধৰিছিলগৈ।

জাঁজী হাইস্কুলে অঞ্চলটোত বিস্তাৰ কৰা প্ৰভাৱে সামাজিক, অৰ্থনৈতিক পৰিৱৰ্তনৰ বৰঙনি যোগাইছিল। শিক্ষাই পোহৰ বিস্তাৰ কৰে আৰু সেই পোহৰে সামাজিক মানদণ্ড উন্নত কৰি তোলে। "দেশতকৈ মোমাই ডাঙৰ নহয়" উক্তিৰ স্ৰষ্টা শৰাইঘাটৰ বীৰ লাচিত বৰফুকনৰ সোঁৱৰণিত পোন প্ৰথমে অসমত লাচিত মেলা এই জাঁজীতেই উদ্‌যাপিত হয় চন ১৯৩৪। এই লাচিত মেলাই জনসাধাৰণলৈ এক নতুন উদ্দীপনা আনি দিছিল। সভা-শোভাযাত্ৰা, প্ৰদৰ্শনী খেলা-ধূলাই জাঁজীবাসীক কেইবাদিনীয়াকৈ বাউল কৰি ৰাখিছিল। কৃষি-শিল্প প্ৰদৰ্শনীয়ে জনসাধাৰণৰ চকুলৈ এখন নতুন ছবিৰ দৃশ্যপট কঢ়িয়াই আনিছিল। সাহিত্য সভা, মহিলা সভাই এটা জন-জাগৰণৰ সৃষ্টি কৰিছিল। ১৯৩৫ চনত হোৱা বিষ্ণু যজ্ঞয়ো তেনে এটা ধৰ্মীয় অনুভূতি জনসাধাৰণৰ মনত সঞ্চাৰ কৰিছিল। লাচিত মেলাৰ জৰিয়তে খেলা-ধূলাতো নতুন প্ৰাণৰ সঞ্চাৰ হৈছিল।

শিক্ষাকেন্দ্ৰই আন আন আনুষংগিক বিষয়বোৰৰ উৎকৰ্ষ সাধন কৰে। ঊনবিংশ শতিকাৰ শেহৰ পিনে জাঁজীত নাট্যকলা চৰ্চাৰ বীজ ৰোপিত হয়। কুৰি শতিকাৰ আৰম্ভণিৰে পৰা জাঁজীত নাটশাল স্থাপিত হৈ ধাৰাবাহিকভাৱে নাট্যানুষ্ঠানৰ ব্যৱস্থা কৰা হৈছিল। ১৯২৩ চন মানলৈকে অস্থায়ী ৰঙ্গমঞ্চতে নাট্যানুষ্ঠান অনুষ্ঠিত হৈছিল। এই চনতে স্থায়ীভাৱে ৰঙ্গমঞ্চ নিৰ্মাণৰ ব্যৱস্থা কৰা হয়। ১৯৪১ চন মানলৈকে জাঁজী নাট্য সমাজৰ জৰিয়তে পৌৰাণিক, সামাজিক আৰু বুৰঞ্জীমূলক নাটৰ অভিনয় কৰা হৈছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত খুব সম্ভৱ ১৯৪৩ চনত ৰাজহুৱা পূজা ঘৰ আৰু নাটশালত জুই লাগি ভষ্মীভূত হয়। স্থানীয় ডেকাসকলে নাটমঞ্চ আৰু পাব্লিক হলৰ অভাৱ অনুভৱ কৰিৰ ১৯৪৫ চনত নতুন ঘৰৰ ভেটি স্থাপন কৰি ১৯৫০ চন মানত ৰঙ্গমঞ্চৰ ঘৰ সম্পূৰ্ণ হয়। ১৯৫৯ চনত জাঁজী নাট্য সমাজ কলা ভৱন নামেৰে নকৈ নামকৰণ কৰি 'চচাইটি এক্ট' মতে পঞ্জীয়ন কৰা হয়। নানান ঘাত-প্ৰতিঘাত আৰু উত্থান-পতনৰ মাজেদি আজি পুনৰ জাঁজী নাট্যসমাজ কলা ভৱনৰ স্থায়ী ঘৰে মূৰ দাঙি উঠিবলৈ কাৰবাৰ কৰিছে। নাট্য সমাজ কলা ভৱনৰ সংবিধান সন্নিৱিষ্ট কাৰ্যাৱলী ৰূপায়িত কৰি উত্তৰ পুৰুষে অঞ্চলটোক আৰু এখোজ আগুৱাই নিব পাৰিব।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ আৰম্ভণিৰ পৰা জাঁজীবাসীয়ে আন্দোলনৰ প্ৰতি সঁহাৰি জনাই আহিছিল। মহাত্মা গান্ধীয়ে কংগ্ৰেছ অনুষ্ঠানৰ গুৰি ধৰি ১৯১৯ চনত কলিকতাত বহা নিখিল ভাৰত

কংগ্ৰেছ কমিটিৰ মুকলি অধিৱেশনত ইংৰাজ চৰকাৰৰ লগত অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰোৱায়। ২১ চনলৈকে চলা এই অসহযোগ আন্দোলনত জাঁজী বাসীয়েও অংশগ্ৰহণ কৰিছিল। এই আন্দোলনৰ আহ্বানত জাঁজীৰ কেইবাজনো ছাত্ৰই কলেজ বৰ্জন কৰি আহি কংগ্ৰেছত যোগ দিয়েহি। ১৯৩০ চনৰ আইন ভঙ্গ আন্দোলনতো জাঁজীয়ে সঁহাৰি নিদিয়াকৈ থকা নাছিল। জাঁজীৰ নৰনাথ শৰ্মাই লোন আইন ভঙ্গ কৰিবলৈ লোৱা 'দণ্ডি যাত্ৰা'ত ভাগ লৈ গান্ধীৰ সহগামী হৈছিল। নিজে তৈয়াৰ কৰা লোন আনি জাঁজী পোৱাইছিলহি। ১৯৪২ চনৰ গণ আন্দোলনৰ বেলা জাঁজীৰ প্ৰিয়নাথ বৰুৱাই মহকুমাটোৰ দ্বিতীয় ডিক্টেটৰ হৈ আন্দোলন পৰিচালনা কৰিছিল। সেই সময়ত কংগ্ৰেছৰ নেতৃস্থানীয় লোকসকল কাৰাৰুদ্ধ হোৱাত নতুন কৰ্মী বিশেষভাৱে ওলোৱা নাছিল বাবে জাঁজীত যেন আন্দোলন সেমেকি গৈছিল। আন্দোলনৰ সময়ত বেলেগ বেলেগ অজুহাটত চৰকাৰে পাইকাৰী জৰিমনা আদায় কৰোৱাত মানুহ আতংকিত হৈছিল। এনে অৱস্থাত আন্দোলন সজীৱ কৰি ৰাখিবৰ কাৰণেও টেলিগ্ৰাফৰ তাৰ কটা, চৰকাৰী ঘৰ জ্বলাই দিয়া কামৰ আঁচনি লোৱা হৈছিল। তেনে অজুহাটতে জাঁজীৰ পূজাঘৰ আৰু হলঘৰ ভস্মীভূত হৈছিল। জাঁজীৰ ডাকবংলা জ্বলিছিল। জাঁজী আৰু ৰজাবাৰীৰ কৰ্মীসকল লগ হৈ কৰুণা কান্ত গগৈৰ নেতৃত্বত ১৯৪৩ চনৰ ২৬ জানুৱাৰীৰ নিশা চক্ৰাইত ৰেল বগৰোৱা হৈছিল। কৰুণাকান্ত গগৈ শিৱসাগৰৰ তৃতীয় ডিক্টেটৰ আছিল। মুঠতে জাঁজীয়ে ১৯৪২ চনৰ গণ আন্দোলনত পূৰ্ণ সহযোগ দিছিল। কিন্তু যিসকল কৰ্মীয়ে নেতাসকলৰ অনুপস্থিতিত আন্দোলনটো জীয়াই ৰাখিছিল তেওঁলোকৰ বহুতে স্বীকৃতি নাপালে। পিছৰ কালত গোলাঘাটৰ শঙ্কৰ বৰুৱাৰ নেতৃত্বত উজনি অসম কংগ্ৰেছ নামৰ অনুষ্ঠানৰ জৰিয়তে জাঁজীৰ ভালেকেইজন কৰ্মীয়ে আন্দোলনটো সজীৱ কৰি ৰখাত আগভাগ লৈছিল। যোৱা ছবছৰীয়া অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত জাঁজীবাসীয়ে সক্ৰিয়ভাৱে সহযোগ কৰিছিল। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, মোৰাৰজী দেশায় আদি দেশৰ নেতৃবৃন্দৰ অসম ভ্ৰমণৰ সময়ত জামুগুৰি চাপৰিত ক্ষন্তেক পৰ হ'লেও ৰৈ জাঁজীবাসীৰ আদৰ অভ্যৰ্থনা গ্ৰহণ কৰিছিল।

ইতিহাসৰ দৃশ্যপটত জাঁজীৰ এখন নিজা ছবি সংযোগ কৰিবলৈ জাঁজীবাসীয়ে আপ্ৰাণ চেষ্টা চলাই আহিছে। শিক্ষা জগতত পুনৰ সংযোজনা হ'ল— জাঁজী কলেজ প্ৰতিষ্ঠাপনত। ১৯৬৪ চনত জাঁজী মহাবিদ্যালয় স্থাপিত হ'ল। জাঁজী মহাবিদ্যালয়ৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়লৈ ৰূপান্তৰিত হ'ল জাঁজীৰ এজন খ্যাতিমান ব্যক্তি জাঁজীৰ শিক্ষাজগতলৈ গোটেই জীৱন উছৰ্গা কৰি জাঁজী হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰা হেমনাথ শৰ্মাদেৱৰ নামত। মহাবিদ্যালয়েও জাঁজীৰ ঐতিহ্য ৰক্ষা কৰিবলৈ সক্ষম হৈ উঠিছে।

**উপসংহাৰ ঃ** দেশ স্বাধীন হ'ল। স্বাধীনতা আন্দোলনৰ সময়ত স্বাধীন দেশৰ যিখন ছবি জনতাৰ আগত দাঙি ধৰা হৈছিল, স্বাধীনতা লাভৰ চাৰিটা দশক পাৰ হৈ যোৱাৰ পিছতো সি স্পষ্ট ৰূপ পোৱা নাই। সাতোটা পঞ্চ বাৰ্ষিক পৰিকল্পনায়ো দেশবাসীৰ মৌলিক সমস্যাবোৰ সমাধান কৰিব পৰা নাই। সেইবোৰ সমস্যাত জাঁজীবাসীয়ো জৰ্জৰিত নোহোৱাকৈ থকা নাই। শিক্ষাৰ ক্ষেত্ৰত জাঁজী আগবঢ়া হ'লেও অৰ্থনৈতিক দিশত এখোজো যেন আগবাঢ়িব পৰা নাই।

জাঁজী অৰ্থনীতি কৃষিভিত্তিক। আজি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। কিন্তু জাঁজীৰ অৰ্থনীতিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই কোনো ধৰণৰ প্ৰভাৱান্বিত কৰিব পৰা নাই। পুৰণিকলীয়া পদ্ধতিকে সাৰোগত কৰি শোষণ নীতিৰ মানসিকতাৰে আজিও কৃষি কাৰ্য সম্পাদন কৰি আহিছে। ব্যৱসায়িক ভিত্তিত খেতি কৰিবলৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক কামত লগোৱা নাই। সৰহখিনি খেতিয়কৰ অৰ্থনীতিসন্মত (Economic houlding) খেতিৰ মাটি নোহোৱা বাবে আৰু সমবায় বা সমূহীয়াভাৱে খেতি কৰাৰ মানসিকতাৰ অভাৱত বিজ্ঞানক খেতিৰ কামত প্ৰয়োগ কৰিব পৰা হোৱা নাই। তাতোকৈ ডাঙৰ কথা হ'ল আজিৰ শিক্ষিত চামে খেতিৰ বাবে অনীহা প্ৰকাশ কৰি চাকৰিমুখী হৈ পৰিল। শিল্প উদ্যোগ গঢ়লৈ নুঠাত চাকৰিমুখী শিক্ষিত চামৰ বাবে কৰ্মসংস্থানৰ অভাৱ ঘটিল। শিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়িবলৈ ধৰিছে। কৃষিভিত্তিক শিল্পৰ কাৰণে জাঁজীত সম্ভাৱনা নোহোৱা নহয় কিন্তু তাৰ কাৰণে প্ৰয়োজন হোৱা মূলধনৰ অভাৱৰ বাবে নাইবা সফলতাৰ অনিশ্চয়তাৰ কাৰণে হয়তো কোনেও তেনে প্ৰচেষ্টা হাতত ল'বলৈ আগবাঢ়ি অহা নাই। চৰকাৰৰ তৰফৰ পৰাও তেনে ধৰণৰ কোনো প্ৰকল্প জাঁজীত গঢ়ি উঠা নাই।

জাঁজীৰ অৰ্থনীতিক স্বচ্ছল কৰাৰ সম্ভাৱনা নোহোৱা নহয়। সংগঠিতভাৱে কৃষি ভিত্তিক শিল্প গঢ় দিব পাৰিলে খেতিয়কৰ উৎপাদিত সামগ্ৰীয়ে বজাৰ পাব আৰু খেতিৰ উৎপাদন বঢ়াবলৈও খেতিয়কে প্ৰেৰণা পাব। জাঁজী অঞ্চলত এড়ি-পাট-মুগা উৎপাদন যথেষ্ট হয়। ৰেচম শিল্প কাৰণে সংগঠিতভাৱে প্ৰচেষ্টা চলাব পাৰি। নাহৰগুটি-এড়াগুটিৰ তেল উলিওৱাৰ শিল্প গঢ়ি তুলিব পাৰি। আমলখি, আম, বেলদইৰা আদি সংৰক্ষণৰ কাৰণে শিল্প গঢ়িব পাৰি। ইমানবোৰ সম্ভাৱনীয়তা থকা স্বত্বেও জাঁজীয়ে অৰ্থনৈতিক অনগ্ৰসৰতাৰ ৰোগী হৈ পৰি আছে।

❖❖❖

---

*প্ৰয়াত খগেন গগৈ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য*

# সৃষ্টিৰ বৰ্ণিল জীৱন পথিক চিত্ৰলতা ফুকন

**যোগেশ কিশোৰ ফুকন**

আধুনিক বাংলা সাহিত্যৰ প্ৰসিদ্ধ কবি জীৱনানন্দ দাসে চিৰপ্ৰবাহিত নদীৰ ছন্দময় গতি আৰু মানৱ জীৱনৰ অবিৰাম যাত্ৰাক একে বুলি ভাবে। ঋতুৱে ঋতুৱে বৰণ সলায় বৈ থাকে নদী, গৈ থাকে জীৱন। একেজন কবিয়েই আন এঠাইত কৈছে যে জীৱন এক প্ৰাৰ্থনা সংগীত — 'জীৱন হয়েছে এক প্ৰাৰ্থনাৰ গানের মতন।' কুৰি শতিকাৰ পহিলা দশকত পাশ্চাত্যৰ চিন্তা জগতত নতুন তৰংগ সৃষ্টিকাৰী এমাৰছনে জীৱন সম্পৰ্কে মন্তব্য দিছিল এইদৰে — 'এজন মানুহৰ ব্যক্তিগত জীৱন বুৰঞ্জী বৃহৎ সাম্ৰাজ্য এখনতকৈও শক্তিশালী ৰূপত গঢ়ি ল'ব পাৰে।' আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী লেখিকা চিত্ৰলতা ফুকনে নিজস্ব জীৱন ছন্দেৰে, প্ৰাৰ্থনাৰে গঢ়ি তুলিছিল এখন জীৱন সাম্ৰাজ্য। সামাজিকভাৱে সেই সাম্ৰাজ্য গৰিমাময় আৰু অৰ্থপূৰ্ণ। সেই ফালৰ পৰা শ্ৰীময়ী অসমীৰ শীতল কোলাত জনমধৰা কেইগৰাকীমান বিশিষ্টা মহিলাৰ ভিতৰত চিত্ৰলতা ফুকন এটি সৌন্দৰ্যময় নাৰীপুষ্প।

চুকাফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজত্বত দেওধাইসকল আছিল ৰাজপুৰোহিত। সেই ৰাজপুৰোহিত ম'ছাইটাও ফৈদত ১৯৩৬ চনত চিত্ৰলতা ফুকনে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ সমাজহিতৈষী, স্বাধীনতা সংগ্ৰামী কুলাই চন্দ্ৰ ফুকন। প্ৰকৃতিৰ গছ-বন, ফুল-পাত, নৈ-বিল, পথাৰৰ বিনন্দীয়া ৰূপৰ মাজত ডাঙৰ হৈছিল চিত্ৰলতা। যি প্ৰকৃতিৰ বন্দিত ৰূপে জিনি আছে ৱৰ্ডদৱৰ্থ অথবা ৰঘুনাথ চৌধাৰীৰ কাব্যজগত, সেই গৰিমাময় প্ৰকৃতিৰ উদ্দীপনাৰে তেওঁৰ বৰ্দ্ধিষ্ণু জীৱন। ফুটফুটীয়া ফ্ৰক পিন্ধা ধুনীয়া ছোৱালী চিত্ৰলতাক প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰ প্ৰশংসাৰে ৰচিত বিবিধ কবিতাই, প্ৰকৃতিৰ বন্য সান্নিধ্যই কৰিলে অনুৰক্তা।

'আইকণ' তেওঁৰ স্নেহসিক্ত ঘৰুৱা নাম। ভাবিলে আচৰিত লাগে যে আজিৰ পৰা অৰ্দ্ধশতিকাৰ আগতেই তেওঁ এখন ভিতৰুৱা অঞ্চলৰ পৰা গৈ উচ্চশিক্ষা গ্ৰহণ কৰি প্ৰতিষ্ঠা কৰিছিল নিজক। সেই সময়ত নাৰী শিক্ষা ইমানেই পিছপৰা আছিল যে তেওঁ প্ৰাইমেৰী আৰু এম ই স্কুলৰ শ্ৰেণীকোঠাত আছিল একমাত্ৰ ছাত্ৰী। অসমৰ এজন স্বনামধন্য কৃতি শিক্ষক নীলকান্ত গগৈক শিক্ষক হিচাবে পোৱা চিত্ৰলতাই বৃত্তি লাভ কৰি উত্তীৰ্ণ হৈছিল। এম ই পাছ কৰাৰ প্ৰমাণ পত্ৰত তেওঁৰ বয়স আছিল এঘাৰ বছৰ দহমাহ। সেই বয়সতেই তেওঁ এখন প্ৰাইমেৰী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰূপে শিশু শিক্ষাৰ গুৰি ধৰে। বোধকৰো তেওঁ অসমৰ প্ৰথমগৰাকী কমবয়সীয়া প্ৰধান শিক্ষয়িত্ৰী। ছাত্ৰী অৱস্থাতে তেওঁ শিক্ষকতা

কৰিছিল কেইবা ঠাইতো অব্যাহত ৰাখিছিল অধ্যয়ন। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধৰ অশনি সংকেত বাজি উঠিছিল। তেনে সময়তে দানবীৰ ৰাধাকান্ত সন্দিকৈদেৱৰ সৌজন্যত গুৱাহাটীত প্ৰতিষ্ঠা হয় অসমৰ নাৰী শিক্ষাৰ উচ্চ প্ৰতিষ্ঠান সন্দিকৈ ছোৱালী কলেজ। সেই সময়ত যাতায়াতৰ অসুবিধাৰ মাজতো গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত শিৰস্তান পিন্ধি জিলিকি উঠা সন্দিকৈ কলেজত পঢ়িবলৈ গৈছিল নৱ যৌৱনৰ ৰঙেৰে আৰক্ত চিত্ৰলতা ফুকন। তাৰ পৰা সন্মানসহ স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ষাঠিৰ দশকত তেওঁ গুৱাহাটীত পঢ়িবলৈ যাত্ৰা কৰাৰ সময়ত যাতায়াতৰ ব্যৱস্থা আছিল ৰে'লগাড়ী। আগদিনা যোৱা ৰে'ল কেতিয়াবা পাছদিনাও গুৱাহাটী নাপায়গৈ, ষ্টেচনবোৰত ৰে'লে বহুপৰ ভাগৰ মাৰে। কেতিয়াবা টোপনি যায়। তথাপি দীঘলীয়া বন্ধত ৰে'লেৰে ঘৰলৈ অহাত ৰোমাঞ্চ আছিল, আনন্দ আছিল। ১৯৬৫ চনত স্থাপিত হৈছিল জামুগুৰি চাপৰিত জাঁজী মহাবিদ্যালয়। এসময়ত মান সেনাই গিৰ্জনি মৰা জামগুৰি চাপৰিত স্থাপিত জাঁজী মহাবিদ্যালয়ত তেওঁ যোগ দিলেহি। তাৰ পৰাই শিক্ষকতা, সমাজসেৱা, সাহিত্য চৰ্চা আদি সব্যসাচীৰ দৰে অব্যাহত ৰাখি উপাধ্যক্ষা হিচাপে অৱসৰ গ্ৰহণ কৰা ফুকনৰ জীৱন সৃষ্টিবৰ্ণিল, বৈচিত্ৰ্যময়। আটাইতকৈ উল্লেখযোগ্য যে শিক্ষয়িত্ৰী ফুকনৰ এক আদৰ্শৰঞ্জিত সামাজিক জীৱন আছিল। সমাজৰ মংগলৰ হকে তেওঁ ওৰে জীৱন কাম কৰিলে; সম্বল মাথো সাহস আৰু দৃঢ় প্ৰত্যয়। বিশেষকৈ দুখ-দুৰ্দশাৰে ভৰা গাঁও অঞ্চলৰ মানুহৰ দুখত তেওঁ ব্যথিত হৈছিল। তেওঁ গৈছিল গাঁৱৰ সেইবোৰ মানুহৰ কাষলৈ যাৰ দুখ মোচনৰ সম্বল মুঠেই নাছিল। পঞ্চাশ-ষাঠি দশকত ক'লাজ্বৰত আক্ৰান্ত হৈছিল গাঁৱৰ মানুহ। নীৰৱ হৈ ৰৈ থাকিব নোৱাৰিলে একৈশ বছৰীয়া যুৱতী চিত্ৰলতা। গাঁৱে গাঁৱে সংগঠনৰ নেতৃত্ব দি ৰোগীৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিল, ঔষধ আনিছিল, ডাক্তৰ মাতিছিল। গাঁৱৰ শিক্ষিতৰ সংখ্যা, নিবনুৱাৰ সংখ্যা, নিৰক্ষৰৰ সংখ্যা পিয়ল কৰি উলিয়াইছিল তেওঁ। মইনা পাৰিজাতৰ নেত্ৰী হৈছিল, শিশুক দিছিল বাহিৰৰ পৃথিৱীৰ খবৰ। গতিকে মানৱ কল্যাণৰ হাবিয়াস কম বয়সতে অংকুৰণ হৈছিল তেওঁৰ মনত। পাছৰ দিনবোৰত তেওঁৰ সামাজিক কৰ্মই শতধা মন্দাকিনীৰ ৰূপ লৈ অবিৰাম গতিত ব'বলৈ ধৰে।

অসম লেখিকা সন্থাৰ দৰে ৰাজ্যিক সংগঠনৰ সম্পাদিকাৰ গুৰু দায়িত্ব বহন কৰি তেওঁ সংগঠিত কৰে সমগ্ৰ অসমৰ লেখিকাসকলক। পৰৱৰ্তী সময়ত তেওঁ এই সংগঠনৰ সভানেত্ৰী আৰু উপদেষ্টা ৰূপে কাৰ্যনিৰ্বাহ কৰে। চিত্ৰলতা ফুকনৰ সামাজিক কৰ্মৰ প্ৰকাশ ঘটে ভালেমান গুৰুত্বপূৰ্ণ সংগঠন যোগেদি। সিবিলাক হৈছে — ১) উপ-সভানেত্ৰী, অসম মহিলা সংঘ, ২) শিৱসাগৰ জিলা অসম মহিলা সংঘ, ৩) সভানেত্ৰী, শিৱসাগৰ জিলা নাৰী নিৰ্যাতন প্ৰতিবাদী মঞ্চ, ৪) সদস্য, মহিলা আয়োগ, শিৱসাগৰ জিলা, ৫) কাৰ্যকৰী সদস্যা, অসম সাহিত্য সভা, ৬) সদস্যা, অসম কলেজ শিক্ষক সন্থা আদি। অসম মহিলা সংঘ আৰু নাৰী নিৰ্যাতন প্ৰতিবাদী মঞ্চ হৈছে মহিলাৰ নিৰ্যাতন আৰু অবিচাৰৰ বিৰুদ্ধে শক্তিশালী আৱাজ। ইয়াৰ যোগেদি বিভিন্ন সমস্যা সমাধান কৰোতে তেওঁ সন্মুখীন হোৱা বাধা আৰু ভাবুকিৰো অন্ত নাছিল। তথাপি আৰ্ণেষ্ট হেমিংৱেৰ অমৰ সৃষ্টি চান্তিয়াগোৰ দৰে তেওঁ ধৈৰ্যৰ ম্যাদ বঢ়াই ৰুদ্ধহীন গতিৰে দুৰ্ভগীয়া মহিলাৰ কাহিনী শুনিছে, দুৰন্ত

কঠিন সময়ৰ মুখামুখী হৈছে, সময় সাপেক্ষে ব্যৱস্থা লৈছে।

চিত্ৰলতা ফুকনৰ ৰক্তত মিহলি হৈ আছে মানৱ কল্যাণৰ আদৰ্শ। যি বৈপ্লৱিক ৰাজনৈতিক মতবাদৰ কাৰণে ১৮৪৫ চনত ফ্ৰান্সৰ পৰা বহিষ্কাৰ হৈছিল ডাচ কেপিটেলৰ স্ৰষ্টা কাৰ্লমাৰ্ক্স, সেই একে আদৰ্শৰ স্থিৰ নক্ষত্ৰ হৈ ১৮৪৮ চনত 'কমিউনিষ্ট মেনিফেষ্ট' প্ৰকাশ কৰি মাৰ্ক্সে ঘোষণা কৰিছিল সেই অমৰ উক্তি — 'কমিউনিষ্ট বিপ্লৱত কঁপি উঠক শাসক শ্ৰেণী। শিকলিডালৰ বাহিৰে শ্ৰমিকৰ হেৰুৱাবলৈ একো নাই, কিন্তু জয় কৰিবলৈ আছে এখন পৃথিৱী।' কমিউনিষ্ট মতবাদত বিশ্বাসী ফুকন একাধিকবাৰ থিয় হৈছে বিচাৰৰ কাঠগড়াত, কিন্তু কমিউনিষ্ট বুলি নহয়, নিৰ্যাতিতা নাৰীৰ হকে মাত মতাৰ বাবে কাঠগড়াত উঠি ভাৰতীয় নাৰী চিত্ৰলতাই গীতা স্পৰ্শ কৰি ক'ব লগা হৈছিল — 'ধৰ্মাৱতাৰ যি কম সঁচা কম।' সত্যৰ সমান পৃথিৱীত ডাঙৰ একো নাই, সত্যৰ অনুসন্ধানেই হৈছে আলোকিত পথৰো সন্ধান। গতিকে মানৱ কল্যাণৰ ব্ৰতধাৰিণী চিত্ৰলতা ফুকন সাম্প্ৰতিক অসমৰ এক অনন্য নাৰী আত্মা।

বৈষম্যমূলক নীতিয়ে যাৰ বিবেকক অহৰহ সঞ্চালিত কৰে তেঁৱেই সাহিত্যিক চিত্ৰলতা ফুকন। এদিন এগৰাকী কলেজীয়া ছাত্ৰীয়ে এটা 'কথা কবিতা' লেখিছিল। 'মাজনিশাৰ সপোন' নামৰ সেই কবিতাটো কলেজৰ বাৰ্ষিক সপ্তাহৰ প্ৰতিযোগিতাত পুৰস্কৃত হৈছিল। বিভাগীয় উপদেষ্টা অধ্যাপক, স্বনামধন্য বীৰেন বৰকটকী ছাৰ সন্তুষ্ট হৈছিল, ছাত্ৰী গৰাকীক মাতি আনি প্ৰশংসাৰে প্ৰেৰণা যাঁচিছিল। কলেজৰ ছাত্ৰবোৰে এই বুলি জোকাইছিল — 'আমি জানিব পাৰোনে ফুকনেনো মাজনিশা কি সপোন দেখিলে?' লাজত ছাত্ৰীগৰাকী বিব্ৰত হৈছিল যদিও সিবিলাকৰ মাজেদি লাভ কৰিছিল এখ সুখময় প্ৰেৰণা। কলেজৰ আলোচনীত 'মাজনিশাৰ সপোন' প্ৰকাশ হৈছিল। ছাৰ জেমছ জৰ্জ ফ্ৰেচাৰৰ 'দ্যা গল্ডেন কাউ' (সোণালী শাখা) নামৰ প্ৰখ্যাত গ্ৰন্থখনৰ মতে নেমি হ্ৰদৰ পাৰৰ সোণালী শাখা যিয়ে ভাঙিব পাৰে তেৱেঁ ৰজা হ'ব পাৰে। সেই ছাত্ৰীগৰাকীয়ে বুৰঞ্জীবুলীয়া জয়সাগৰৰ পাৰত সেইদিনা 'সোণালী শাখা' ভাঙিছিল, প্ৰজ্ঞাৰ ৰাণী হ'বলৈ বাট চাইছিল। সেই অষ্টাদশী ছাত্ৰীগৰাকীয়েই পাছলৈ আধুনিক অসমীয়া সাহিত্য জগতত আলোকি উঠি প্ৰবীণা শইকীয়া বঁটা, বাসন্তী বৰদলৈ বঁটা, মূলাগাভৰু বঁটাকে ধৰি বহু সন্মানৰ অধিকাৰী হ'ল। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে— উপন্যাস-অশ্ৰুকন্যা অৰুন্ধতী, আলোকিত পথৰ সন্ধানত, বন আমলখি, পোনাকণ আৰু মই। গল্প - চন্দনধূপৰ ধোঁৱা, কণকচম্পা, বিষণ্ণ ৰাতিৰ জোন, সোণালী কন্যা। নাটক - মিথিলা, ৰাতি আৰু নুপুৰালে, নীড়ভঙা পখীৰ অৰণ্য। সম্পাদিত গ্ৰন্থ— অসমীয়া সাহিত্য আৰু লেখিকা। কবিতা - হৃদয় বিচাৰি হৃদয়। আত্মজীৱনী - হৃদয় নদীৰ পানচৈ।

সাহিত্য যদি বাস্তৱৰ অভিজ্ঞতাৰ প্ৰকাশ, তেনেহ'লে ফুকনৰ সাহিত্য সেই অৰ্থত সাহিত্য। যি সাহিত্য জীৱন আৰু জগতৰ সঁচা অভিজ্ঞতাৰে দেদীপ্যমান সেই সাহিত্যই কালজয়ী ৰূপত স্থায়ী হৈ থাকে। পাৰ্ল বাৰ্ক, আশাপূৰ্ণা দেৱী, অমৃতা প্ৰীতম আদিৰ দৰে দেশীয় ঐতিহ্য, সংস্কৃতি আৰু পৰম্পৰাৰ ভেটিত গঢ়ি উঠিল ফুকনৰ সাহিত্যৰ শিল্পৰূপ। তাৰ মাজতে 'অশ্ৰুকন্যা'ৰ পৰা 'আলোকিত পথৰ সন্ধানত'লৈকে লেখিকাৰ এক উত্তৰণ লক্ষ্য কৰা যায়। 'অশ্ৰুকন্যা' যদি পৰম্পৰাগত ৰীতিৰ সমৰ্থক, তেনেহ'লে অৰুন্ধতী,

আলোকিত পথৰ সন্ধানত বিবেকৰ প্ৰবাহ প্ৰতিফলিত কৰা যুগ সচেতন আধুনিক পৰম্পৰাৰ উপন্যাস ৰূপে চিহ্নিত হৈছে। অৰুন্ধতী উপন্যাসৰ প্ৰধান চৰিত্ৰ (protagonist) অৰুন্ধতী প্ৰতিকূল পৰিস্থিতিৰ লগত মনে মনে সংগ্ৰাম কৰি সাহসেৰে থিয় দিব পৰা নাৰী। জীৱনলৈ অহা ধুমুহাৰ অন্তত নাৰীৰ মহত্বই ঘোষিত হৈছে ইয়াত। তুমুল মানসিক শক্তিৰে নিষ্ঠুৰ পৰিস্থিতিৰ মুখামুখী হৈ জীয়াই থকা অৰুন্ধতীৰ জীৱনৰ অৱসান বা মৃত্যুক যিদৰে দেখুওৱা হৈছে তাত ফুটি উঠিছে লেখিকাৰ কলা সাধনাৰ সফলতা। 'আলোকিত পথৰ সন্ধান'ত প্ৰতিফলন ঘটিছে লেখিকাৰ স্বকীয় দৰ্শন। চিলিৰ প্ৰখ্যাত কবি পাবলো নেৰুদাৰ আদৰ্শত বিশ্বাসী ঔপন্যাসিক ফুকনে পঞ্চাশৰ দশকৰ কমিউনিষ্ট আন্দোলনক ঐতিহাসিক জাগৰণ বুলি প্ৰক্ষেপ কৰিছে। ডব্লিউ বি লঙে কৈছে 'Give me a book and I shall tell the whole history of that Nation.' ভাৰতৰ ঐতিহাসিক স্বাধীনতা আন্দোলন, কমিউনিষ্ট আন্দোলনক ধৰি ৰখা এই উপন্যাসে দেখুৱাই দিয়ে পঞ্চাশৰ দশকৰ অসমৰ সমাজ, ৰাজনীতি তথা সাংস্কৃতিক জীৱনৰ বৰ্ণময় ছবি।

চেমনীয়াৰ উপযোগী উপন্যাস 'বন আমলখি, পোনাকণ আৰু মই' (১৯৯০)। এইখনক আমি জাৰ্মান আৰু ইংলেণ্ডৰ বিল্ডিংচ ৰোমান অৰ্থাৎ বিকাশমান উপন্যাস (Novel of development) বুলিব পাৰো। উপন্যাসখনত সমাজৰ দৰিদ্ৰ পীড়িত, অবহেলিত শিশুসকলৰ চিত্ৰ পৰম সহানুভূতিৰে আঁকি উলিয়াইছে। জীৱনৰ বাটত আগ বাঢ়োতে শিশুৰ মানসিক বিকাশো আগবাঢ়ে। ডিকেন্সৰ 'ডেভিদ কপাৰফিল্ড', জেইমছ জয়েচৰ 'এ পোট্ৰেইনত অব দি আৰ্টিষ্ট এজ এ ইয়ং মেন' ইয়াৰ উদাহৰণ। শিশুসকলৰ মাজত আছে প্ৰতিভা, কিন্তু প্ৰতিভাক নিদাৰুণ দৰিদ্ৰতাই মষিমূৰ কৰাৰ নিষ্ঠুৰ কাহিনী নায়ক পোনাকণৰ মাজেদি উদ্ভাসিত হৈছে। ইয়াত আছে শৈশৱ-কৈশোৰৰ স্বৰ্ণখচিত ভাবানুভূতিৰ স্বচ্ছন্দ প্ৰকাশ, আছে প্ৰকৃতিৰ প্ৰতি শিশুৰ ধাৰণাৰ অন্তৰ্মুখিতা (introverted)। এই ক্ষেত্ৰত আমেৰিকান লেখক মাৰ্ক টৱেইনৰ 'হাকালবেৰি ফিন'ৰ কাহিনীৰে লেখিকাক প্ৰভাবিত কৰা যেন লাগে। তাৰ মাজতে লেখিকাৰ নিজা দৃষ্টিভংগী পৰিস্ফুট হৈ মানৱীয় লক্ষ্যত উপনীত হৈছে। এই পুথিখন কেমব্ৰিজ ইণ্ডিয়াই ইংৰাজীত প্ৰকাশ কৰি বিদ্যালয়ৰ দ্ৰুত পাঠৰ বাবে অনুমোদন কৰাতো গৌৰৱৰ খবৰ।

জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ শৌৰ্যৰে পৰিপুষ্ট চিত্ৰলতা ফুকনৰ গল্প। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই 'অসমীয়া চুটিগল্পৰ অধ্যয়ন' নামৰ গৱেষণামূলক গ্ৰন্থত চিত্ৰলতা ফুকনৰ গল্প সাহিত্যৰ বিস্তৃত বিশ্লেষণ দাঙি ধৰি এইদৰে কৈছে — 'চিত্ৰলতা ফুকনৰ গল্পৰ আটাইতকৈ মোহনীয় ছবিখন হ'ল দৰিদ্ৰপীড়িত সমাজৰ ছবি। দৰিদ্ৰ মানুহৰ ছবি অংকন কৰোতে লেখিকাগৰাকীৰ অন্তৰাত্মা যে দৰিদ্ৰসকলৰ অন্তৰাত্মাৰ সৈতে বিলীন হৈ গৈছে, এইযাৰ কথা সহজে উপলব্ধি কৰিব পাৰি। ... চৰিত্ৰক স্বতন্ত্ৰতা দান কৰি পৰোক্ষ নীতি গ্ৰহণ কৰাৰ বাবেই ফুকনৰ গল্প শিল্পগুণসম্পন্ন হৈ উঠিছে।' ড° হীৰেণ গোহাঁইৰ পাছত ড° প্ৰহ্লাদ বৰুৱাই তেওঁৰ গল্পৰ খুব সঠিক বিচাৰ আৰু পৰ্যবেক্ষণ কৰা যেন লাগে। 'ৰামধেনু' আলোচনীয়ে ৰেঙণি ছটিয়াই যোৱা অসমীয়া সাহিত্যৰ নৱউদ্ভাসিত জগতত ফুকনৰ গল্পই শিল্পৰূপত পল্লৱিত হৈ উঠিছিল। বিষণ্ণ ৰাতিৰ জোন, শত নক্ষত্ৰৰ পোহৰ, ঝুৰে নয়নৰ নীৰ, চকী, বীতস্পৃহ

সূৰ্য্যমুখী, আঁহত গছৰ ছাঁ, পগলাদিয়াৰ ভূত, চিলঙৰ নাৰ্জিফুল আদি গল্পত প্ৰখৰ সমাজ চেতনা বলিষ্ঠ কথনভংগীৰ মাজত দীপ্তমান। ড° বৰুৱাই কোৱাৰ দৰে তেওঁৰ হাতত চুটি গল্পই বহু গুণবিশিষ্টতাৰে সমুজ্জ্বল হৈছে। 'শিশু শত-সহস্ৰ বৎসৰ পূৰ্বে যেমন ছিল আজিও তেমনি আছে।' (ৰবীন্দ্ৰনাথ) শিশুৰ মন মধুৰ ভাব কল্পনা, চিৰশাশ্বত 'ত্ৰিদিৱৰ পবিত্ৰ সংগীত' অনুধাৰণ কৰা হৈছে 'সোণালী কন্যা'ৰ প্ৰতিটো গল্পত। তেওঁৰ গল্প হিন্দী, বঙালী, ইংৰাজী ভাষালৈ অনুবাদ হৈছে।

মিথিলা, ৰাতি আৰু নুপুৰালে, নীড়হাৰা পখীৰ অৰণ্য এইকেইখন অনাতাঁৰ নাটকে ফুকনৰ সাহিত্য ক্ষেত্ৰ যে বহুমুখী তাক প্ৰমাণ কৰে। আকৌ 'অসমীয়া সাহিত্য আৰু লেখিকা' নামৰ মূল্যবান গ্ৰন্থখন তেওঁ সম্পাদনা কৰিছে। এইখন গ্ৰন্থ লেখিকাসকলৰ বহুদিনীয়া অভাৱ পূৰণ কৰা কৰ্ম্মৰূপে সমাদৃত।

অনুভৱৰ মুক্ত বাতায়নেদি ঔপন্যাসিক, গল্পকাৰ, সৃষ্টিশীল প্ৰবন্ধ লেখিকা চিত্ৰলতা ফুকনে কিমান দূৰলৈ বাৰু দৃষ্টি প্ৰসাৰিত কৰে? তেওঁ নিজে কয় যে তেওঁ কবি নহয়। কিন্তু তেওঁ 'হৃদয় বিচাৰি হৃদয়' নাম দি এখন কাব্যপুথি প্ৰকাশ কৰিছিল। কবিতাৰ ৰাজ্যত থকা গঠন (Structure) আৰু শব্দৰ বিন্যাসে (texture) ফুকনক কবি বুলি প্ৰমাণ কৰে। এলেন টেইটে নিজেই প্ৰশ্ন কৰি নিজেই উত্তৰত কৈছে - কবি কাৰ ওচৰত দায়বদ্ধ? শব্দৰ ওচৰত। সঁচা কথা যে ফুকনে কবিতাৰ মাজত বৰ বেছি বিচৰণ কৰা নাই, তথাপি তেওঁ শব্দচয়ন কবিতাৰ স্বাৰ্থত যোগ্যবান হৈ আমাৰ আত্মাক সচকিত কৰে। তেওঁৰ কবিতা বাংলা সাহিত্যিক সনত বন্দোপাধ্যায়ে 'প্ৰতিবেশী সহোদৰ' গ্ৰন্থত বাংলা ভাষালৈ অনুবাদ কৰিছে। 'চিৰন্তন' নামৰ সেই কবিতাটোত এগৰাকী বুঢ়ী আইতাৰ অতীত ৰোমন্থনৰ মাজেদি কবিয়ে সঞ্চাৰিত কৰিছে প্ৰতিক্ৰিয়া —

'ফুলপানীছিগাত ঢোলত চাপৰ পৰে
মনৰ শিলাত পৰে হাতুৰিৰ কোব
লাখুঁটি কঁপাই পৃথিৱীৰ ছাঁ পৰে,
দীঘলীয়া ছাঁ উৰি যায় নীড়মুখী
এজাক পাহাৰী চৰাই।'

একেদৰে 'দীৰ্ণ দীৰ্ঘশ্বাস' নামৰ কবিতাটোৰ ভাববস্তুৰ কথা ক'ব পাৰি —

'শৈশৱৰ জালিকটা সোণালী দুৱাৰ খুলি
মুগ্ধ হয় দৃষ্টি মোৰ সুমথিৰা গাভৰু দেহত
মেঘক'লা কেশদাম কপৌফুলেৰে ঢকা
সোণালী মুগাৰ ৰিহা গাত।
জোনবিৰি, সাতসৰী, কণ্ঠ শোভিত হাৰ
কঁপালত সূৰ্যদীপ্ত প্ৰথম পুৱাৰ।'

টি.এছ. ইলিয়টে আধুনিক যান্ত্ৰিক জীৱনৰ যন্ত্ৰণাৰ ধ্বনি আধুনিক মানুহৰ কাণত বজাই শুনোৱাৰ দৰে ফুকনৰ কিছুমান কবিতা যে আত্মাৰ লগত আত্মাৰ সহযোগহে। আমি ভাবিব পাৰো তেওঁৰ জীৱনেই সাহিত্য, সাহিত্যই জীৱন। ২০০২ আৰু ২০০৩ চনত ক্ৰমে বাসন্তী বৰদলৈ আৰু প্ৰবীণা শইকীয়া বঁটা লাভ কৰা ফুকনক ২০১৩ চনত মূলাগাভৰু বঁটাৰে সন্মানিত কৰা হ'ল। ইয়াৰ মূলতে তেওঁৰ আছিল সেই মহান গুণ মানুহৰ প্ৰতি অসীম দৰদ। মানৱীয় গুণৰ হীৰকমণ্ডলত তেওঁ হ'ল জাতিষ্কাৰ, যাত্ৰা তেওঁৰ সততাৰ সাহসত বিঘিণিশূন্য।❖❖❖

*লেখক বিশিষ্ট কবি তথা জাঁজী হেমনাথ শৰ্মা মহবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ*

# যি তিনিজন সহকৰ্মীক আমি হেৰুৱালোঁ

**ভৱানী কুমাৰ বৰুৱা**

পাৰ হৈ যোৱা একুৰি পাঁচোটা বছৰত আমি আমাৰ মাজৰ পৰা ভালেকেইজন মৰমৰ ছাত্ৰ-ছাত্ৰী, সহকৰ্মী আৰু মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰা তথা ইয়াৰ প্ৰগতিৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ থকা সন্মানীয় ব্যক্তিক হেৰুৱাইছোঁ। সেইসকলৰ পূণ্যাত্মাৰ প্ৰতি পুনৰবাৰ শ্ৰদ্ধা নিবেদন কৰি আমি আজি এই আনন্দ উৎসৱৰ মুহূৰ্তত আমাৰ নিৰ্দিষ্ট তিনিজন প্ৰয়াত সহকৰ্মীক পৰম শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ হ'ল ঁতৰুণ চন্দ্ৰ বৰুৱা। আমি কেইবাজনে তৰণ কাকাইদেউ বুলি মাতিছিলোঁ। সততে বগা পেণ্ট-চাৰ্ট পিন্ধা, তৰ্জনী আৰু মধ্যমা আঙুলিৰ মাজত জ্বলন্ত চিগাৰেট এটা ধৰি থকা, মুখত চূণে-ধপাতে এখন তামোল (যদিও তামোল দি চিটিকা পাতিলে এই লিখকহে তাতলাগি ধৰাৰ আশংকা প্ৰকাশ কৰে) আৰু ওঁঠত হাঁহি— এইজনেই তৰুণ চন্দ্ৰ বৰুৱা। এটা ৰূপ আছিল, মনত ভাঁহি থকা ৰূপ (Lieu-tenant) NCC Officer হিচাপে campটোৰ সৈতে সম্পূৰ্ণ সামৰিক পোছাকত, চকুত ৰঙীন চশমা আৰু হাতত ষ্টিকডাল লৈ পেৰেড গ্ৰাউণ্ডত প্ৰৱেশ কৰা ৰূপ। সংসাৰী হোৱাৰ পিছত আৰু ল'ৰা-ছোৱালীহালক লৈ সদায় জামুগুৰিলৈ ওলাই আহিছিল। অঞ্চলটোৰ বিভিন্নজনৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। যিকোনো ধৰণৰ সামাজিক অনুষ্ঠান আৰু খেলপথাৰত হোৱা যিকোনো খেল ধেমালিত সপৰিয়ালে উপস্থিত আছিল। অঞ্চলটোৰ সকলো শ্ৰেণীৰ মানুহক আমাতকৈ বেছিকৈ চিনি পাইছিল।

উপাধ্যক্ষ হিচাপে মহাবিদ্যালয়ৰ বহুবোৰ দায়িত্ব মূৰ পাতি গ্ৰহণ কৰিছিল। পুৱা ৯ বজাৰ পৰা আবেলি ৪ বজালৈকে মহাবিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত থকা মানুহজন আছিল (চকীদাৰ কেইজনৰ বাদে) ঁতৰুণ চন্দ্ৰ বৰুৱা। আনুষ্ঠানিক আৰু সামাজিক দায়িত্ব পালন কৰিও তেখেতৰ শ্ৰেণীসমূহ নিয়মীয়াকৈ কৰিছিল। নিয়মানুৱৰ্তিতাৰ বেলিকা তেখেতৰ মাজত এন.চি.চি.ৰ অফিচাৰজনেই প্ৰত্যক্ষ হৈছিল। উচ্ছৃংখলতা কোনো ক্ষেত্ৰতে সহ্য নকৰিছিল। আনকি পৰীক্ষা বা হিচাপ পাতিৰ দৰে গুৰুত্বপূৰ্ণ কাম কৰি থকা পাতি থাকিলে তেখেতে সহকৰ্মীসকলকো ভেকাহি মাৰি দিছিল।

নিজে এজন খেলুৱৈ আছিল বাবে ক্ৰীড়া সন্থাৰ সভাপতিৰ দায়িত্বও এসময়ত বহন কৰিছিল। জাঁজীত ক্ৰিকেট খেলৰ প্ৰচলন কামত কাৰ্যকৰীভাৱে অগ্ৰসৰ হৈছিল. এবাৰ পূজাৰবন্ধত মহাবিদ্যালয়ত

নিৰ্বাচিত ছাত্ৰ, বিশেষকৈ এন.চি.চি. কেডেটসকলক লৈ চাইকেল লৈ গুৱাহাটী যোৱাৰ পৰিকল্পনা কৰিছিল।

চিকিৎসা কৰাবলৈ যোৱাৰ আগদিনালৈকে তেখেতে কলেজৰ কামকে কৰিলে। নিজে সম্পাদকৰ দায়িত্ব লৈ পতা শেষ লটাৰীখনৰ পইচাকেইটালৈকে হিচাপ কৰি সামৰিহে (ব্যক্তিগত জীৱনতো তেখেত অতি হিচাবী আছিল) অসুস্থ দেহা দেখুৱাবলৈ আমাৰ মাজলৈ আকৌ ঘূৰি নাহিল।

দ্বিতীয়জন— যাক সকলোৱে কৰুণা শৰ্মা বুলিহে জানে, তেখেতৰ সম্পূৰ্ণ নাম আছিল কৰুণা কুমাৰ শৰ্মাহে। নামে-কামে মিলি বাহ্যিক চেহেৰাত বা আচাৰ ব্যৱহাৰত প্ৰকাশ নাপালেও কৰুণা শৰ্মাৰ অন্তৰত কিন্তু কিবা এক কাৰুণ্যৰ উপলব্ধি, কিবা বুজিব নোৱাৰা একাকীত্ববোধ, শূন্যতাবোধ উমি উমি আছিল। মাজে মাজে কথাৰে বা লেখি-মেলিও তেখেতে সেই ভাব প্ৰকাশ কৰিছিল। মৃত্যুৰ কথা সঘনে কৈছিল। মুখেলেৰ ডাঙৰ ডাঙৰ বেমাৰৰ নাম সেইবুলিয়েই কৰুণা শৰ্মাই মৃত্যু কামনা কৰিছিল জানোঁ? শেহবাৰৰ ভেলোৰলৈ যোৱাৰ কিছুদিনৰ আগত যেতিয়া যোৰহাটৰ ঘৰত সহকৰ্মীসকলৰ সৈতে লগ কৰিছিলোঁ তেতিয়াই তেখেতৰ পূৰ্বৰ স্বাস্থ্যৰ চিন মোকাম নাই। শৰীৰ দুৰ্বল। কিন্তু আশা-আকাংক্ষা তেতিয়াও অদম্য। আগৰ দৰেই অনৰ্গল কথা কৈ গৈছে। আমাক বৰকে কথা ক'বলৈকে দিয়া নাই।

এইজন কৰুণা শৰ্মা আমাৰ লগৰ পৰা কেইবছৰমানৰ আগতেই লক্ষীমপুৰৰ আজাদ কলেজলৈ অধ্যক্ষৰ দায়িত্ব লৈ আঁতৰি গৈছিল। নিজৰ আদৰ্শৰে, নিজে গুৰি ধৰি নিজৰ কল্পনাৰ এখন কলেজ বাস্তৱত গঢ় দিব এই আশা। গৈয়ে তেনেকৈ কামত ধৰিছিলোঁ। মাজে মাজে আহোঁতে কলেজৰ অগ্ৰগতিৰ কথা কৈছিল। অধ্যক্ষ হৈ গৈ পইচা-পাতিৰ দিশত তেখেতে ঘাটি খাইছিল, কিন্তু কাম কৰি তৃপ্তি পাইছিল। পিন্ধন-উৰণত চখ নথকা শৰ্মাই আৰু খুৱাই তৃপ্তি পাইছিল। জিভাৰ জুতি লগাই নিজে ৰান্ধিব জানিছিল। আৰু এটা কথাত শৰ্মা আমাৰ পৰা ব্যতিক্ৰম আছিল— ছাত্ৰ-ছাত্ৰীসকলক প্ৰায়ে আপোনা-আপুনিকৈ মাতিছিল। নিজক অপদাৰ্থ বুলি কোৱাৰ এটা ঢং আছিল. আনকো জোকাই, বিশেষকৈ অধ্যাপিকা আৰু ছাত্ৰী বিশেষৰ ঢং দেখুৱাই হতুৱাইছিল।

শৰ্মাৰ দুটা গুণ মই শ্ৰদ্ধাৰে সোঁৱৰো। সেয়া হ'ল তেখেতৰ অধ্যয়নশীলতা আৰু মেধা। সাহিত্যৰ ছাত্ৰ শৰ্মাই যিকোনো বিষয়ৰে কিতাপ পঢ়িছিল— বিজ্ঞান, দৰ্শন, জ্যোতিষ যিকোনো প্ৰয়োজনতে য'তে-ত'তে যিকোনো বিষয়ৰে প্ৰসঙ্গ উদ্ধৃতি দিব পাৰিছিল। কিতাপ বিচাৰি বিচাৰি পঢ়িছিল। এতিয়া আৰু কৰুণা শৰ্মাই কিতাপ নিবিচাৰে, নপঢ়ে।

বিয়াৰ পিছত বুঢ়াগোহাঁই হ'লেও সৰমতী হাজৰিকাক আমি হাজৰিকা বুলিহে মাতিছিলোঁ। নিৰ্ভীক, স্পষ্টবাদী, নীতি-নিষ্ঠ আৰু সাহসী এইগৰাকী মহিলাই জীৱনৰ অন্তিম মুহূৰ্তলৈকে অতি সাহসেৰে তিল তিল মৃত্যুৰ সৈতে সমুখ সমৰত যি যুঁজ দিলে সি অবিস্মৰণীয়। সহকৰ্মী বন্ধু উমানন্দ বৰুৱাক মৃত্যুৰ এমাহৰ আগতো বোলে কৈছিল— এনেকৈ থাকিলেতো নহ'ব। ভাল হ'ব লাগিব। কলেজলৈ যাব লাগিব। নিশ্চিত মৰণক পৰাভূত কৰাৰ সাহস, দৃঢ়তা শেহলৈকে বুকুত বান্ধি তেওঁ যুঁজিছিল। তেওঁ স্পষ্টবাদী আছিল। কাৰোবাৰ কিবা কথাত বেয়া

পাইছে, লগে লগে সন্মুখতে, দৃঢ়তাৰে তেওঁ প্ৰতিবাদ কৰিছে। খং উজাৰি দিছে। উদাহৰণ আছে, দিব নোৱাৰি। তেওঁ পিছত কথা নকৈছিল। বেক ফিটিং নকৰিছিল। এই কাৰণেই সৰুমতী হাজৰিকাৰ চৰিত্ৰত মই প্ৰকৃত আহোম ৰমণীৰ বৈশিষ্ট্য দেখা পাইছিলোঁ। নীতিৰ ক্ষেত্ৰত তেওঁ আছিল অবিচলিত। কলেজ শিক্ষকৰ পৰীক্ষা বৰ্জন আন্দোলনৰ সময়ত তেওঁৰ স্বামী সুন্দৰ বুঢ়াগোহাঁই চৰকাৰী পক্ষৰ ঘনিষ্ঠ লোক হ'লেও চৰকাৰে আন্দোলন মষিমূৰ কৰাৰ চেষ্টা কৰিলেও, আমাৰ বহু শিক্ষকে প্ৰলোভিত বা ভীতিগ্ৰস্ত হৈ আন্দোলন ত্যাগ কৰিলেও হাজৰিকা আন্দোলনকাৰীৰ পক্ষতে শেষলৈকে থাকি গৈছিল। বুঢ়াগোহাঁইকো ধন্যবাদ যে তেখেতে আমাৰ সহকৰ্মীগৰাকীক এগৰাকী অধ্যাপিকাৰ প্ৰাপ্য মৰ্যদা দিছিল, নিজৰ দৃষ্টিভংগীৰে প্ৰভাৱান্বিত কৰিবলৈ চেষ্টা নকৰিছিল। প্ৰবল আত্মবিশ্বাসী হাজৰিকাই আনৰ সমালোচনা, বক্ৰোক্তি গ্ৰাহ্য নকৰিছিল।

এইগৰাকী গুণী সহকৰ্মীৰ এটা কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। মৃত্যুৰ তিনিমাহৰ আগৰ কথা। বছৰ বিয়পি যুঁজি জীৱন-মৰণৰ ৰণত তেওঁৰ স্বাস্থ্য ইতিমধ্যে ভাঙি পৰিছে। আধামিনিট সময় পোন হৈ থিয় হৈথাকিব নোৱাৰে। অসম মেডিকেল কলেজলৈ চেক্‌আপৰ বাবে গৈছে। মোৰ ডাঙৰ ছোৱালীজনীৰ টনচিলৰ অপাৰেচন কৰাবলৈ যোৱা বুলি দেওৰেক এজনৰ পৰা গম পাই গৈছে। সেয়েহে, নিজৰ কামখিনি কৰি, বিচাৰি বিচাৰি ৱাৰ্ডত মোৰ ছোৱালীজনী উলিয়াই খবৰ লৈছে। থিয় হৈ থাকিব পৰা নাই। বহিবলৈ মুঢ়া এটা উলিয়াই দিছো। বহি পৰিছে। অথচ খবৰ লৈছে।

মৃত্যুৰ বাতৰি পাই বাইদেউ চিত্ৰলতা ফুকনে কান্দি কান্দি কৈছিল— 'কিমানেই বা বয়স হৈছে। লগৰ ক্লাছ ফ্ৰেণ্ড এজনীৰ আগদিনা মাত্ৰ বিয়া হৈছে। বাইদেউৰ কথাষাৰ শুনি মোৰ মনলৈ ভাৱ আহিছিল— সৰুমতী হাজৰিকাৰো নিশ্চয় মিলনেই হৈছে। এই জীৱনত সুন্দৰ বুঢ়াগোহাঁইৰ সৈতে মিলন হোৱা গুণী শিক্ষয়িত্ৰী, আন্তৰিক সৌন্দৰ্যৰে সৌন্দৰ্যময়ী সৰুমতী হাজৰিকা পৰজনমলৈ গৈছে। বোধহয় চিৰসুন্দৰৰ সৈতে মিলিত হ'বলৈকে।

❖❖❖

*লেখক জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ*

# স্মৃতিচাৰণ-১

**যদুনাথ শৰ্মা সিদ্ধান্ত**

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় জাঁজী উন্নয়ন সমিতিয়ে প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বৰ যি প্ৰস্তুতি তাৰ লগতটো মোৰ সম্বন্ধ নিচেই ক্ষীণ। আৰু যিকণ আছিল সেইকণো একেবাৰে ঘৰুৱা। সি যি কি নহওক ১৯৬৪ চনত যেতিয়া মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বাবে সিদ্ধান্ত কৰা হ'ল, তেতিয়া এই অভাজনে জাঁজীবাসী ৰাইজৰ এই আকাংক্ষাৰ লগত জড়িত হৈ পৰিল।

জাঁজী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত সমূহ ৰাইজৰে কায়িক, মানসিক আৰু আৰ্থিক সকলো ধৰণৰ বৰঙনিৰ কথা দোহৰা নিষ্প্ৰয়োজন। শিক্ষা-সংস্কৃতিত গ্ৰামাঞ্চলত জাঁজীয়ে এক বিশেষ স্থান অধিকাৰ কৰি আছে। ১৯০৭ চনতে মাধ্যমিক শিক্ষাৰ অনুষ্ঠান গঢ়ি উঠা ৰাইজৰ সহাৰি মহাবিদ্যালয় স্থাপনৰো ক্ষেত্ৰত সেয়ে আছিল অকুণ্ঠ। ৰাইজে নখ জোকাৰিবৰ বাবে একত্ৰিত আৰু জাগৃত কৰি তুলিবৰ বাবে প্ৰয়োজন ব্যক্তি বিশেষৰ। জাঁজী মহাবিদ্যালয় স্থাপনৰ কালত যিসকলে বিশেষভাৱে অৰিহণা যোগালে সেইসকলৰ সকলোৰে নাম লোৱাটো এই ক্ষুদ্ৰ স্মৃতি চাৰণত সম্ভৱপৰ নহয়। মাত্ৰ তাৰ মাজতে যি কেইজনে বিশেষ অৰিহণা যোগালে সেইকিজন হ'ল সৰ্বশ্ৰী ৰামপ্ৰসাদ খাউণ্ড, মহেন্দ্ৰ বৰুৱা আৰু মাখনচন্দ্ৰ শৰ্মা। অভিজ্ঞতাপুষ্ট ৰামপ্ৰসাদ খাউণ্ডৰ ব্যক্তিত্ব আৰু সজ পৰামৰ্শ, আজীৱন শিক্ষাব্ৰতী, সমাজকৰ্মী মহেন্দ্ৰ বৰুৱাৰ অক্লান্ত পৰিশ্ৰম আৰু মাখন শৰ্মাৰ দান-বৰঙনি সংগ্ৰহৰ সামৰ্থৰ ভেটীৰ ওপৰতে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে (তেতিয়াৰ জাঁজী মহাবিদ্যালয়ে গা কৰি উঠিল বুলি ক'লে অত্যুক্তি কৰা নহ'ব বুলিয়েই আমাৰ ধাৰণা।

ষাঠিৰ দশকত অসমত বহু সংখ্যক মহাবিদ্যালয়ৰ জন্ম হ'ল। তাৰে সৰহ সংখ্যক গ্ৰামাঞ্চলত। সেইয়ে জাঁজীত যেতিয়া মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত কৰা হ'ল তেতিয়া আমাৰ সকলোৰে উদ্দেশ্য আছিল জাঁজীত কেৱল মাত্ৰ এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাই নহয়, স্বকীয় বৈশিষ্ট্যপূৰ্ণ এখন মহাবিদ্যালয় গঢ়ি তোলা। ইংৰাজীত ক'ব লাগিলে Not to have just another college. সেয়ে আমি সকলোৰে বদ্ধপৰিকৰ হৈছিলোঁ বিজ্ঞান শাখা খোলাত, খোলাও হৈছিল অনেক বাধা-বিঘিনি অতিক্ৰম কৰি। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ চেষ্টা আৰু শ্ৰমে এই ক্ষেত্ৰত সাৰ্থকতা লাভ কৰিব নোৱাৰিলে। বিজ্ঞান শাখা জীয়াই ৰখাত প্ৰধান অন্তৰায় হৈ দেখা দিলে অৰ্হতাপূৰ্ণ শিক্ষকৰ

অভাৱে। অসমৰ বাহিৰতো বিজ্ঞাপন দি অধিক বেতনৰ ব্যৱস্থা কৰিও এই অন্তৰায় আমি দূৰ কৰিব নোৱাৰিলোঁ। জাঁজী মহাবিদ্যালয়ত আজি বাণিজ্য শাখা খোলা হৈছে। কিন্তু আমি আশা ৰাখিছোঁ অদূৰ ভৱিষ্যতে এই মহাবিদ্যালয়ত বিজ্ঞান শাখা পুনৰ মুকলি হ'ব। আমাৰ এই শাখা Wishful thinking নহয়। কিয়নো এই বিদ্যালয়ৰ জন্মলগ্নত আমি গঢ়ি তুলিব খোজা স্বকীয় বৈশিষ্ট্যৰ এখন অনুষ্ঠানৰ আংশিক ৰূপায়ন হ'লেও আজি এই মহাবিদ্যালয়ে দিব পাৰিছে। পৰীক্ষাত কৃতকাৰ্যতা, মহাবিদ্যালয়ৰ সকলো স্তৰতে বিৰাজিত শৃংখলা আৰু উত্তৰোত্তৰ উন্নতিয়ে জানো তাকে নুসূচায়?

মহাবিদ্যালয়খন স্থাপনৰ ক্ষেত্ৰত যিদৰে ৰাইজে অৰিহণা যোগালে, ঠিক সেই ধৰণে মহাবিদ্যালয়ৰ দৈনন্দিন কাৰ্যকলাপসমূহ পৰিচালনা কৰাত সৰ্বতোপ্ৰকাৰে অৰদান দিলে নিঃস্বাৰ্থভাৱে অনেক অসুবিধাৰ মাজতো অধ্যাপনা কৰিবলৈ অহা শিক্ষক-শিক্ষয়িত্ৰীবৃন্দই। অনুষ্ঠানখনৰ প্ৰতি তেখেতসকলৰ চেনেহৰ প্ৰমাণ তেখেতসকলৰ সকলোখিনিয়েই জাঁজীক নিজৰ কৰি সৰ্বতোপ্ৰকাৰে ইয়াৰ উন্নতিকল্পে কাম কৰাটোৱেই নহয়জানো? তেখেতসকল সকলোৰে পোৱা সহায়-সহানুভূতিয়ে আমাৰ সকলোকে এটা একান্নবৰ্তী পৰিয়ালৰ দৰে কাম কৰাত অৰদান যোগালে। জাঁজী মহাবিদ্যালয়ত কটোৱা এই কালছোৱাৰ স্মৃতি মোৰ স্মৃতিৰ মণিকোঠাত উজ্জ্বল হৈ ৰ'ব।

শেষৰ সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে দু-আষাৰ নক'লে মোৰ স্মৃতিচাৰণ অসম্পূৰ্ণ হৈ ৰ'ব। প্ৰথম যি কেইচাম ছাত্ৰ-ছাত্ৰীৰ লগত আমাৰ সম্বন্ধ স্থাপিত হৈছিল— (ইয়াৰে কেইবাজনো এতিয়াও এই মহাবিদ্যালয়ৰ ভিন ভিন কাৰ্য্যত নিয়োজিত) সেইয়া আছিল সৌহাদ্যপূৰ্ণ। তেওঁলোকেও নৱপ্ৰতিষ্ঠিত অনুষ্ঠানখনিক নিজৰ বুলি আকোঁৱালি লৈ ইয়াত এক সুস্থ-সবল পৰম্পৰা গঢ়ি তোলাৰ কাৰ্যত আন সকলোৰে লগত ব্ৰতী হৈ পৰিছিল। মহাবিদ্যালয়ৰ বুৰঞ্জীৰ লগত জড়িত সকলো ব্যক্তিয়েই পিছৰ কালছোৱাত ঘটা দুই-চাৰিটা ঘটনাৰ পৰা ইয়াৰ পটন্তৰ দিব পাৰিব।

ব্যক্তিগত কাৰণবশত এই মহাবিদ্যালয়ৰ অধ্যক্ষৰ গুৰুভাৰ আমি এৰি দিব লগা হ'ল। কিন্তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সুযোগ্য গুৰিয়াল আৰু নাৱৰীয়া পাইছে। এখেত সকলৰ উমৈহতীয়া প্ৰচেষ্টাত অনুষ্ঠানখনি আগবাঢ়িছে। ইয়াৰ সৌষ্ঠৱ বৃদ্ধি পাইছে। আমি আশা কৰিব নোৱাৰোনে যে যে সুদূৰ ভৱিষ্যতত এই মহাবিদ্যালয়ৰ আধাৰতে কোনোবাদিন প্ৰতিষ্ঠা হ'ব এক গ্ৰাম্য বিশ্ববিদ্যালয়। ইয়াৰ বাবে লগা আশা-আকাংক্ষা, উৎসাহ আৰু কৰ্মক্ষমতা এই সকলোবোৰ অনুদানেই জাঁজীত আছে। উত্তৰ পুৰুষে ইয়াক কামত লগাব এই আশাৰে। কিম্ অধিকমিতি।

❖❖❖

*প্ৰয়াত যদুনাথ শৰ্মা সিদ্ধান্ত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ*

# স্মৃতিচাৰণ-২

**উমেশ চন্দ্ৰ ঠাকুৰ**

পচিশ জুলাই, উনেশ চৌষষ্ঠী। জাঁজীৰ বাবে এক স্মৰণীয় দিন, পণ্ডিত প্ৰৱৰ ড° যোগীৰাজ বসুদেৱে (সেই সময়ৰ ডিব্ৰুগড় কানৈ কলেজৰ অধ্যক্ষ আৰু পিছলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী হৈছিল।) এক চমু পাণ্ডিত্যপূৰ্ণ ভাষণ আৰু পবিত্ৰ স্ত্ৰোতমেৰে জাঁজী কলেজৰ শুভ উদ্বোধন কৰিলে। ইতিমধ্যে শ্বিলঙৰ চৰকাৰী চাকৰি এৰি ময়ো এই কলেজৰ চাকৰিৰ বাবে জাঁজীলৈ আহিছোঁ। উদ্বোধনী অনুষ্ঠানৰ উপস্থিত থকাৰ সৌভাগ্য মোৰো হৈছিল।

এক সাত্বিক আৰু আনন্দমুখৰ পৰিৱেশত জাঁজীত এখন কলেজ প্ৰতিষ্ঠা হ'ল। যদুনাথ শৰ্মা সিদ্ধান্ত আছিল প্ৰথম অধ্যক্ষ। সেই বছৰে পহিলা আগষ্টৰ চাকৰিত যোগদান কৰিলোঁ।

জাঁজীত এখন কলেজ প্ৰতিষ্ঠা হোৱাত এই অঞ্চলৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক অভাৱ পূৰ্ণ হ'ল। কলেজ এখন নথকাৰ বাবে আৰ্থিক বা অন্যান্য হেঙাৰ নেওচি বাহিৰৰ কলেজত পঢ়িবলৈ যাব নোৱৰাসকল অতদিনে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ আছিল। এইখিনিতে এটা উদাহৰণ দাঙি ধৰিব খুজিছো। কলেজখনৰ প্ৰথম চাম ছাত্ৰৰ লগতে সেই সময়ৰ জাঁজী বালিকা বিদ্যালয়ৰ শিক্ষক ঁগোলাপ চন্দ্ৰ বৰুৱাদেৱেও এই কলেজৰ প্ৰথম বাৰ্ষিকত নাম লগাইছিল। চল্লিশৰ দশকৰ মেট্ৰিক পাছ কৰি বিশ বছৰতকৈ বেছি সময়ৰ পিছত ঘৰ-সংসাৰ চলাই, চাকৰি কৰি (কলেজৰ শ্ৰেণীসমূহ পুৱাৰ ভাগত হৈছিল) ঁ বৰুৱাদেৱে প্ৰমাণ কৰি দেখুৱালে যে বয়স আৰু সময়ে উচ্চ শিক্ষা লভিব খোজা মনটোক পৰাস্ত কৰিব নোৱাৰে। আজি ৰূপালী জয়ন্তী উৎসৱৰ সময়ত ঁবৰুৱাদেৱক শ্ৰদ্ধা আৰু স্নেহেৰে সুঁৱৰিছোঁ। শুভাকাংক্ষী ৰাইজৰ সহায়-সহযোগ আৰু কেইবাজনো সমাজসেৱী ব্যক্তিৰ প্ৰচেষ্টাত জাঁজী কলেজখন প্ৰতিষ্ঠা হৈ উচ্চ শিক্ষা আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ মনলৈ আনিলে এক নতুন আশা।

আমি প্ৰথমে আহি লগপোৱা কলেজখনৰ বাবে দেহে-কেহে লাগি থকা ব্যক্তিসকলৰ ভিতৰত শ্ৰীযুত মহেন্দ্ৰ কুমাৰ বৰুৱা আৰু শ্ৰদ্ধেয় ঁডাঃ নীলকান্ত বৰুৱাদেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এই দুজন ব্যক্তিৰ শাৰীৰিক আৰু মানসিক কঠোৰ পৰিশ্ৰম আছিল কলেজখনৰ বুনিয়াদ স্বৰূপ। মোৰ বৰ্তমান মনত থকা অন্যান্য মাননীয় ব্যক্তিসকলৰ ভিতৰত ঁপ্ৰিয়নাথ বৰুৱা, ঁদুৰ্গেশ্বৰ বৰুৱা, ঁমুক্তানাথ ৰাজগুৰু, ঁমুহীচন্দ্ৰ গগৈ, ঁকমলেশ্বৰ গগৈ, ঁইন্দ্ৰেশ্বৰ ডেকা, ঁতনুৰাম বৰুৱা, ঁখগেশ্বৰ বৰঠাকুৰ, ৰামপ্ৰসাদ খাউণ্ড, চন্দ্ৰধৰ গগৈ,

দেবেন শৰ্মা, ঘনশ্যাম গগৈ আদি ব্যক্তিৰ নাম উল্লেখযোগ্য। সেই সময়ৰ জাঁজীৰ উদ্যোগী ব্যক্তি মাখন শৰ্মা আৰু তেখেতৰ ভাতৃসকলে নামৰূপ আৰু অন্যান্য ঠাইত ব্যৱসায় কৰিছিল। কলেজখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এইসকল বিশেষকৈ মাখন শৰ্মাদেৱৰ আৰ্থিক সাহাৰ্য লেখত ল'বলগীয়া। বাহিৰত অৰ্থ সংগ্ৰহৰ ক্ষেত্ৰত (নামৰূপ আদি ঠাইত) অমৰ শৰ্মা, জীৱন শৰ্মাদেৱে সহায় কৰি দিছিল। পৰিচালনা সমিতিৰ সদস্যসকলৰ সৈতে আমিও ধন সংগ্ৰহৰ বাবে নামৰূপ আদি ঠাইলৈ গৈছিলোঁ। শ্ৰীযুত মহেন্দ্ৰ শৰ্মাদেৱে (জামুগুৰিত এখেতৰ ফাৰ্নিচাৰ দোকান আছিল) আৰম্ভণিতে কাঠৰ আচবাব দি ভালেখিনি সহায় কৰিছিল। পিছত স্থানীয় শিক্ষাবিদ ঁহেমনাথ শৰ্মাদেৱৰ নামেৰে কলেজখনৰ নামকৰণ কৰা হয়।

বৰ্তমানৰ তুলনাত প্ৰথম অৱস্থাত কলেজত ছাত্ৰ-ছাত্ৰীৰ, শিক্ষক-কৰ্মচাৰীৰ সংখ্যা তেনেই কম আছিল। তথাপিও কলেজৰ প্ৰতিটো অনুষ্ঠান অত্যন্ত জাকজমককতাৰে উদ্‌যাপন কৰা হৈছিল। সভা-সমিতি, খেল-ধেমালি, বিচিত্ৰানুষ্ঠান আদিৰ মানদণ্ড যাতে উচ্চখাপৰ হয় তাৰবাবে সকলোৱে যত্ন কৰিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ 'ৰিজাল্ট' যাতে ভাল হয় তাৰ বাবে ছাত্ৰ শিক্ষক উভয়েই বিশেষ যত্ন লৈছিল। এতিয়াও সেই চেষ্টা অব্যাহত আছে। উল্লেখযোগ্য যে গৰমৰ বন্ধত এতিয়াও প্ৰয়োজন অনুসৰি অধ্যক্ষ মহোদয় আৰু কেইবাজনো শিক্ষকে বিশেষ শ্ৰেণী লয়। প্ৰথম অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালৰ অধীনত আৰু পিছলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ পিছত এই বিশ্ববিদ্যালয়ৰ পৰীক্ষাত আমাৰ কলেজে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। নিয়মানুৱৰ্তিতা এই কলেজৰ অলংকাৰ স্বৰূপ। কলেজৰ প্ৰথম অধ্যক্ষ যদুনাথ শৰ্মা সিদ্ধান্তদেৱে প্ৰথম অৱস্থাতেই ওপৰত উল্লেখ কৰা সকলো দিশত বিশেষকৈ নিয়মানুৱৰ্তিতাৰ প্ৰতি বিশেষ গুৰুত্ব দি কাৰ্য পৰিচালনা কৰিছিল। বৰ্তমান অধ্যক্ষ শিৱনাথ শৰ্মাদেৱেও এই পৰম্পৰা অটুত ৰাখিবলৈ আৰম্ভণিৰে পৰা আৰু ছাত্ৰ-ছাত্ৰীসকলেও সজাগ দৃষ্টি ৰাখে। ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ প্ৰগতিত সদায়েই সহযোগ আগবঢ়াই আহিছে। এওঁলোক আমাৰ গৌৰৱৰ স্থল।

কলেজৰ প্ৰথম সময়ছোৱাত অনুষ্ঠিত হোৱা সভা-সমিতি আদি সকলোবোৰ অনুষ্ঠানৰ প্ৰধান বৈশিষ্ট্য আছিল নিৰ্দ্ধাৰিত সময়ত কাৰ্যসূচী আৰম্ভ হোৱাটো। কলেজ-সপ্তাহৰ কাৰ্যসূচীসমূহ তৈয়াৰ কৰোঁতেও এই সংকল্প লৈয়েই সময়সূচী নিৰ্দ্ধাৰণ কৰা হৈছিল। এবাৰ কলেজ-সপ্তাহৰ সঙ্গীত সন্ধিয়াৰ কাৰ্যসূচীৰ প্ৰথম অনুষ্ঠান 'সমবেত গীত'ৰ ছাত্ৰ-ছাত্ৰী, শিল্পীসকল কেইবাজনো সময়মতে মঞ্চত উপস্থিত নোহোৱাত সেই অনুষ্ঠান বাতিল কৰা হৈছিল। সেই সময়ত প্ৰতিটো অনুষ্ঠানৰ বহুদিন 'ৰিহাচল' হৈছিল। গতিকে কেইমিনিটমান পলম হোৱাৰ বাবে উক্ত 'সমবেত গীত'ৰ অনুষ্ঠান বাতিল কৰি আমাৰো মন ভাল লগা নাছিল। সময়ানুৱৰ্তিতাৰ বাবেই এনে কৰিব লগা হৈছিল। কাৰ্যসূচী বাতিলৰ বাবে কোনেও আপত্তি নকৰি অনুতপ্তহে হৈছিল। পিছলৈ এনে নহ'বলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল।

কলেজৰ সেই সময়ৰ অনুষ্ঠান বিলাকৰ আন এটা বৈশিষ্ট্য আছিল কম অৰ্থব্যয়। প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ একতা সভা নাছিল। অনুষ্ঠানসমূহৰ বাবে নিজৰ ভিতৰত ধন তুলি খৰচ কৰা হৈছিল। প্ৰতিযোগিতাৰ পুৰস্কাৰৰ কিছু পুৰস্কাৰ শিক্ষকসকলে আগবঢ়াইছিল। মোৰ এটা

কথা এতিয়াও মনত আছে। ১৯৬৬ চনত কলেজৰ শ্ৰেষ্ঠ সমাজ সেৱক হীতেশ গগৈক (বৰ্তমান এই কলেজৰ কৰ্মচাৰী) মই এখন গৰম মাফ্লাৰ বঁটা বিতৰণী সভাত ডিঙিত মেৰিয়াই দিছিলোঁ। 'কলেজ সপ্তাহ'ত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক কৰ্মচাৰীসকলকো ভাগ ল'বলৈ বাধ্য কৰিছিল। এই সকলৰ মাজতো বিভিন্ন প্ৰতিযোগিতা পাতি পুৰস্কাৰ দিছিল। কাৰোবাৰ ভাগ্যত এযোৰ কাণফুলি, দুটা মৰটন, দুটা জুইশলা ইত্যাদি। পুৰস্কাৰসমূহ আটোমটোকাৰিকৈ সজাই-পৰাই দিছিল। কলেজ সপ্তাহৰ শেষৰ ৰাতি 'কেম্পফায়াৰ' অনুষ্ঠান হৈছিল। একুৰা জুই জ্বলাই ইয়াৰ চাৰিওকাষে বহি সকলোৰে না-না গীত-অভিনয়, কৌতুক, আদি প্ৰদৰ্শন কৰি আমোদ কৰিছিল। এই কাৰ্যসূচীত পৰিচালনা সমিতিৰ মাননীয় সদস্য প্ৰমুখ্যে সকলোৰে মুকলিকৈ ৰং-ধেমালি কৰিছিল। 'কেম্প ফায়াৰ' অনুষ্ঠানত কবিতা আবৃত্তি কৰি প্ৰকাণ্ড খোলাহাঁহি মৰা এই কলেজৰ কৰ্মচাৰী তাৰা পূজাৰীৰ অভিনয় আকৌ চাবৰ মন যায়। আৰু কত কথা মনলৈ আহিছে লিখি শেষ কৰিব নোৱাৰি।

**প্ৰীতি ফুটবল খেল ঃ** কালেজ আৰম্ভ হোৱাৰে পৰা বহু বছৰ ধৰি প্ৰতিবছৰে এখন প্ৰীতি ফুটবল খেল ঘাইকৈ জামুগুৰিৰ স্কুলকেইখনৰ শিক্ষক-কৰ্মচাৰী আৰু কলেজৰ শিক্ষক-কৰ্মচাৰীৰ দ্বাৰা গঠিত দলৰ মাজত অনুষ্ঠিত হৈছিল। আজি এই উৎসৱমুখৰ পৰিৱেশত সেই খেলখনত আগভাগ লোৱা কলেজ দলৰ অধিনায়ক বন্ধু ঁতৰুণ চন্দ্ৰ বৰুৱাৰ কথা বাৰে বাৰে মনলৈ আহিছে, লগতে মূৰত ৰুমাল মাৰি ডাঙৰ হাফপেণ্ট পিন্ধি হাঁহি হাঁহি ফিল্ডত নমা ঁকৰুণা শৰ্মাৰ চেহেৰা চকুৰ আগত জিলিকি উঠিছে। শিক্ষক বিষ্ণু দত্তৰ খেলৰ চলন্ত বিৱৰণী, পাৰ্বতী বৰঠাকুৰৰ বল নিয়ন্ত্ৰন, প্ৰতিজন খেলুৱৈৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলত দৰ্শকৰ উৎসাহমূলক ধ্বনিত ৰেফাৰী নৰেন বৰঠাকুৰ হুইছেলৰ শব্দ কেতিয়াবা শুনাই নগৈছিল। সেই সময়ৰ বয়োজ্যেষ্ঠ শিক্ষক লক্ষ্মীপ্ৰসাদ খাউণ্ড ডাঙৰীয়াকে মুখ্য কৰি কলেজ আৰু স্কুলৰ শিক্ষক কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰা এই খেলখন বছৰটোৰ এক আকৰ্ষণীয় কাৰ্যসূচী হৈ উঠিছে।

আৰম্ভণিতে কেইবছৰমান কলেজৰ শিক্ষক-কৰ্মচাৰী আৰু স্থানীয় অভিনেতা-অভিনেত্ৰীসকলৰ সহযোগত নিয়মীয়াকৈ কেইখনমান থিয়েটাৰ কৰা হৈছিল। সেই বিলাকৰ ভিতৰত 'ফিঙ্গাৰ প্ৰিণ্ট' শেষ সংবাদ, 'যমপুৰী' আদি নাটকৰ মঞ্চৰূপে স্থানীয় দৰ্শকৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ দ্বাৰা অভিনীত 'যমপুৰী' নাটকৰ একমাত্ৰ স্ত্ৰী চৰিত্ৰত অৱতীৰ্ণ হৈছিল স্বৰ্গীয় সৰুমতী হাজৰিকা। সহ অভিনয়ত অংশ গ্ৰহণ কৰা প্ৰথম মহিলা শিক্ষয়িত্ৰীৰূপে স্বৰ্গীয়া হাজৰিকাৰ নাম জাঁজী হেমনাথ শৰ্মা কলেজৰ সাংস্কৃতিক ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

**ফুলপানীছিগাৰ মেছৰ দিনবোৰ ঃ** কলেজত যোগদান কৰাৰ পিছত কলেজ পৰিচালনা সমিতিময়ে আমাৰ শিক্ষকসকল থাকিবৰ বাবে ফুলপানীছিগাত শিপিনীসকলৰ বাবে সাজি উলিওৱা ঘৰ দুটামান ঠিক কৰি দিছিল। সেই সময়ত ঘৰবোৰ প্ৰায় খালী হৈ থকাত পৰিচালনা সমিতিয়ে আমাৰ থকাৰ সুবিধা কৰি দিছিল। ঁতৰুণ চন্দ্ৰ বৰুৱা, চন্দ্ৰ বৰুৱা, কীৰ্তি দত্ত, হাৰাধন দেৱনাথ, বিজিত দে, ৰাজীৱ লোচন শৰ্মা, বীৰেণ বৰুৱা আৰু মই 'কলোনী'ত (শিপিনীসকলৰ বাবে তৈয়াৰ

কৰা এই কেন্দ্ৰক চমুকৈ ‘কলোনী’ বোলা হৈছিল) একেলগে আছিলোঁ। নবীন গগৈ দেও জাঁজীৰ নিজ ঘৰৰ পৰা অহা-যোৱা কৰিছিল। তেখেতে যোৰহাটৰ জে.বি. কলেজত কাম কৰিছিল আৰু এই নতুন কলেজখনলৈ সেৱা আগবঢ়াইছিল। বৰ্তমান যোৰহাটৰ ‘প্ৰিন্স অৱ ৱেলচৰ অংকৰ অধ্যাপক যোগেন দত্ত জাঁজীৰে ব্যক্তি। তেখেতেও এই কলেজলৈ সেৱা আগবঢ়াইছিল। ৰাম দত্ত (বৰ্তমান তিনিচুকীয়া কলেজৰ ফিজিক্স’ৰ প্ৰৱক্তা) তেখেতে গৌৰীসাগৰৰ ঘৰৰ পৰা অহাযোৱা কৰিছিল। চিত্ৰলতা ফুকনে ম’ৰাবজাৰৰ নিজ ঘৰৰ পৰা অহাযোৱা কৰিছিল।

ফুলপানীছিগাৰ কলোনীত থকা দিনকেইটাৰ কথা জীৱনত কাহানিও পাহৰিব নোৱাৰিম। এয়া আমাৰ কেৱল বাসস্থানেই নাছিল, আছিল এক ৰিক্ৰেচন চেণ্টাৰ কলেজৰ সময়খিনি বাদ দি আমি ইয়াত খেলা-ধূলা কৰি আনন্দত আছিলোঁ। বেড্‌মিণ্টন, ডবা, কেৰম সকলো যোগাৰ কৰি লৈছিলোঁ। কেতিয়াবা আকৌ বহুমাইল জুৰি চাইকেলে ভ্ৰমণৰ কৰিছিলো। এদিন এইদৰে চাইকেল ভ্ৰমণৰ পৰা ওভটোতে সন্ধ্যা পাৰ হৈ গৈছিল। আন্ধাৰে মুধাৰে কলিকতাৰ ডেকা সৰলমনা হাৰাধন দেৱনাথে মানুহ এজনক খুন্দা মাৰিলে। দুয়োজন পৰিল যদিও এজনেও বেছি আঘাট নাপালে। ‘মেছ’লৈ আহি ভঙা ভঙা অসমীয়াৰে দেৱনাথে কোৱা কথা কেইটা আজিও মনত আছে। ‘তৰুণ বৰুৱা, কীৰ্তি দত্ত আৰু মোক উদ্দেশ্যি তেওঁ কৈছিল, মই আৰু তহঁতৰ লগত চাইকেলত নাযাম। সেই সময়ত কলেজীয়া শিক্ষাৰ মাধ্যম ইংৰাজী আছিল দেৱনাথ আছিল সংস্কৃতৰ প্ৰৱক্তা। অতি অমায়িক যুৱক। কলোনীত আমাৰ এটা নিয়ম আছিল। একেলগে বন্ধ বাৰত নিজ নিজ ঘৰলৈ যাব নোৱাৰিছিল। পাল পাতি এজনে ঘৰ ৰখিবলগীয়া হৈছিল। ঁতৰুণ বৰুৱা সাহসী ডেকা আছিল। তেওঁ অকলে অনায়াসে থাকিব পাৰিছিল। সেই সময়ত বিজুলী বাতিৰ ব্যৱস্থা নাছিল। অকলশৰে থকাৰ পাল পৰিলেই মই কোনোবা এজনক যেনে-তেনে ৰাখিছিলোঁ। এদিন পিছে অকলে থকাৰ পাল পৰিল। সকলোবোৰ বন্ধৰ দুটা দিনৰ বাবে যোৰহাট-ডিব্ৰুগড় আদিলৈ গ’ল। লাহে লাহে সন্ধ্যা নামি আহিল। আন্ধাৰ অলপ বেছি হোৱাৰ লগে লগে প্ৰকাণ্ড কলোনীখনত থকাৰ কথা ভাবি ভয় লাগিল। লৰালৰিকৈ দুৱাৰকত তলা লগাই চেউনী আলিত গাড়ী এখন ৰখাই শিৱসাগৰ পালোগৈ। পিছদিনা আনবোৰ অহাৰ আগতেই কলোনী আহি পালোহি। পিছে কথাটো এদিনৰ পিছতে সকলোৰে গম পালে।

আগতেই উল্লেখ কৰিছো ফুলপানীছিগাৰ আমাৰ বাসস্থান এক আমোদ কেন্দ্ৰ আছিল। কলেজৰ প্ৰথম বছৰৰ কেইবাজনো ছাত্ৰই ইয়াত আহি খেলা-ধূলা কৰিছিলহি আৰু আমাৰ ইটো-সিটো কামত সহায় কৰি দিছিল। কেৱল ছাত্ৰসকলেই নহয়, স্থানীয় কেইবাজনো যুৱক তথা ব্যক্তিয়ে আমাৰ খা-খবৰ কৰিছিল। ড° নীলকান্ত বৰুৱা আৰু মহেন্দ্ৰ কুমাৰ বৰুৱাদেৰে প্ৰায়ে খা-খবৰ লৈছিল। কলোনীৰ কাষৰে নিবাসী ঁকালীপ্ৰসাদ বৰুৱাৰ বৰশীৰ মাছ ধৰাৰ বৰ চখ আছিল। বৰশীত পোৱা মাছৰ ভাগ আমাকো দিছিল। আজিও তেখেতৰ কথাবোৰ আৰু হাঁহিটো মনত মচিব নোৱাৰাকৈ সাঁচ খাই আছে। ৰামচন্দ্ৰ ভট্টাচাৰ্যদেৱ আহি কেতিয়াবা গধুৰ আৰু কেতিয়াবা লঘূ বিষয়ৰ ওপৰত আলোচনা কৰি ৰস সৃষ্টি কৰিছিল। প্ৰায় প্ৰতিদিনে আমাৰ খা-খবৰ কৰা সকলৰ ভিতৰত উমানন্দ বৰুৱা (বৰ্তমান কলেজৰ

লাইব্ৰেৰীয়ান), জীৱন চুতীয়া (বৰ্তমান চৰকাৰী চাকৰিয়াল) ভৰত খাউণ্ড (বৰ্তমান জাঁজী স্কুলৰ শিক্ষক), হিতেশ গগৈ হৰেণ বৰুৱা আদিৰ নাম উল্লেখযোগ্য। জামুগুৰিত চাহৰ দোকান, পাণ-তামোলৰ দোকানৰ ব্যৱসায় থকা যজ্ঞোৰাম শইকীয়া আৰু শূলধৰ চেতিয়াৰ সা-সহায় সদায় মনত থাকিব। লক্ষী শৰ্মা, অকণ বৰুৱাও (দুয়োগৰাকী জামুগুৰিৰ ব্যৱসায়ী) এতিয়াৰ দৰে তেতিয়াও আপদে-বিপদে আমাৰ খবৰ লৈছিল। ফুলপানীছিগাত থকা সময়ছোৱাতৈ সেই অঞ্চলত অনুষ্ঠিত ৰাজহুৱা উৎসৱত (বিশেষকৈ ৰাস উৎসৱৰ 'ভাওনা'ৰ কথা আজিও মনত আছে। প্ৰায়ে উপস্থিত আছিলো। কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু স্থানীয় ৰাইজৰ মাজত গঢ়ি উঠিছিল এক মধুৰ সম্পৰ্ক।

কেইজনমান শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা কলেজখন বৰ্তমান পূৰ্ণাংগ কলেজ। আমি অহাৰ পিছৰ বছৰতে ক্ৰমে ৰজনীকান্ত গোস্বামী, যতীন বৰা আদি এজন এজনকৈ আহি বৰ্তমান আমাৰ সংখ্যা ত্ৰিশতকৈও অধিক হ'লহি। প্ৰতিজনেই কলেজখনৰ প্ৰগতিত নিজ নিজ বৰঙণি যোগাই আহিছে। সুখৰ কথা বৰ্তমানলৈকে অহা নতুন সহকৰ্মী সকলেও পুৰণি সকলৰ লগতে নিজকে মিলাই আমাৰ 'শিক্ষক কমনৰুম'টোৰ পৰিৱেশ সজীৱ কৰি তুলিছে। 'কমন ৰুম'টোৱেই আমাৰ শিক্ষক পৰিয়ালটোৰ ঘৰ, সুখ-দুখ প্ৰকাশৰ স্থান। আমাৰ মাজত মাতৰ অমিল হ'লেও মনৰ হ'লে অমিল নাই। আমাৰ এই সম্প্ৰীতি আমাৰ কৰ্মৰ অনুপ্ৰেৰণা। অধ্যক্ষ প্ৰমুখ্যে সকলো শিক্ষক-কৰ্মচাৰী আমি এটা পৰিয়ালৰ লোকৰ দৰে চলি আহিছোঁ। কলেজৰ শ্ৰেণীলৈ আমি কোনোবা শিক্ষক কেতিয়াবা যোৱাত পলম কৰিলে আমাৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ইন্দ্ৰেশ্বৰ বৰুৱাই সোঁৱৰাই দিয়েহি, আমি ভাল পাওঁ। এওঁৰ লগৰে কৰ্মচাৰী সৰ্বশ্ৰী মনেশ্বৰ বাইলুং, টংকেশ্বৰ দুৱৰা আৰু খগেন গগৈও সমানেই কৰ্তব্যপৰায়ণ আৰু পৰিশ্ৰমী কৰ্মী। কলেজৰ ছাত্ৰ-ছাত্ৰীসকল শৃংখলাবদ্ধ। স্থাপিত হোৱাৰে পৰা ছাত্ৰ একতা সভায়ো কলেজৰ উন্নতিৰ কাৰণে কলেজ কৰ্তৃপক্ষৰ লগত সহযোগ কৰি আহিছে। আমাৰ কলেজৰ ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক অতি মধুৰ।

এয়া ৰূপালী জয়ন্তী উৎসৱৰ বছৰ। কলেজখনৰ কায়িক উন্নতি আশা কৰা মতে আজিও হৈ উঠা নাই। বৰ্তমান শ্ৰেণীৰ সংখ্যা আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যোৱাৰ তুলনাত অন্য বাদ দিয়ো শ্ৰেণীকোঠাৰেই অভাৱ হৈছে। ছাত্ৰ-ছাত্ৰীৰ ৰিডিং ৰুমৰ ব্যৱস্থাও অস্থায়ী। ৰূপালী জয়ন্তী উৎসৱৰ পৱিত্ৰ ক্ষণত আমি আশা কৰিছো কলেজ পৰিচালনা সমিতি, দাতাসকল আৰু ৰাইজৰ সহায়-সহযোগত শীঘ্ৰে এই অসুবিধাসমূহ আঁতৰ হ'ব। গ্ৰাম্য অঞ্চলৰ পূৰ্ণাংগ কলেজ এখনৰ বিকাশত চৰকাৰেও বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো।

ৰূপালী জয়ন্তী পবিত্ৰ ক্ষণত বাৰে বাৰে মনত পৰিছে এই কলেজৰ প্ৰাক্তন উপাধ্যক্ষ, খেলুৱৈ, এন.চি.চি.অফিচৰ কলেজখনৰ বাবে মন আৰু দেহাৰে খটা সহকৰ্মী বন্ধু তৰুণ বৰুৱালৈ মনত পৰিছে কমন ৰুমৰ সজীৱ কৰি ৰখা প্ৰকাণ্ড মাতেৰে শ্ৰেণী কোঠা তলবলাই থকা, অতিথিক আপ্যায়িত কৰি আনন্দ পোৱা প্ৰিয় সহকৰ্মী কৰুণা শৰ্মালৈ। মনত পৰিছে জয়ন্তী উৎসৱৰ মাত্ৰ কেইদিনমানৰ আগতে আমাক চিৰকালৰ বাবে এৰি যোৱা সৰবৰহী, মিঠামুখীয়া ভগ্নীসম সৰুমতী হাজৰিকালৈ। এই কেওজন সহকৰ্মীৰ পুণ্যাত্মাৰ

প্রতি শ্রদ্ধা নিবেদন কৰিলোঁ। আমাৰ অতি মৰমৰ ছাত্র, এই কলেজৰ অন্যতম সৎ, নির্ভীক প্রাক্তন সাধাৰণ সম্পাদক ললিত চন্দ্র ৰাজখোৱাৰ আকস্মিক আৰু অকাল বিয়োগত এই কলেজৰ শিক্ষক-কর্মচাৰী, ছাত্র-ছাত্রীসকল বেজাৰত ম্রিয়মান। জয়ন্তী-উৎসৱৰ আগমুহূর্তত এওঁৰ বিয়োগত মর্মাহত হৈছো। পৰমেশ্বৰৰ ইচ্ছাত আমাৰ হাত নাই। ঁললিত চন্দ্র ৰাজখোৱা আৰু যোৱা পঁচিশ বছৰৰ কালছোৱাত অকালতে আমাক এৰি যোৱা মৰমৰ ছাত্র-ছাত্রীসকলৰ পূণ্যাত্মাৰ শান্তি কামনা কৰি পৰম পিতাৰ ওচৰত প্রার্থনা জনাইছোঁ। কলেজখনৰ স্থাপন আৰু বিকাশত বৰঙনি যোগোৱা যিসকল ব্যক্তিৰ পৰলোক প্রাপ্তি ঘটিল আজি ৰূপালী জয়ন্তী পৱিত্র ক্ষণত সেইসকলৰ পূণ্যাত্মাৰ প্রতি শ্রদ্ধা নিবেদন কৰি আমাৰ এই লিখা সামৰিলো।

জয়তু জাঁজী হেমনাথ শর্মা কলেজ।

❖❖❖

---

*প্ৰয়াত উমেশ চন্দ্ৰ ঠাকুৰ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ*

# স্মৃতিচাৰণ-৩

**চিত্ৰলতা ফুকন**

১৯৬৪ চনৰ ২৫ জুলাই তাৰিখে শিক্ষাবিদ স্বৰ্গীয় ড° যোগীৰাজ বসুৱে বন্তি প্ৰজ্বলন কৰা জাঁজী কলেজৰ শুভাৰমভ কৰিছিল। আগষ্ট মাহৰ একৈশ তাৰিখে এটি পাতল কুঁৱলী আচ্ছন্ন ৰাতিপুৱা মই জাঁজী কলেজত উপস্থিত হলোহি। সেই সময়ৰ অধ্যক্ষ যদুনাথ শৰ্মা সিদ্ধান্তদেৱে আমাক সাদৰ সম্ভাষণ জনালে। অনুষ্ঠানটোৰ কাৰণে অশেষ ত্যাগ স্বীকাৰ কৰি কাম কৰি থকা মহেন্দ্ৰ কুমাৰ বৰুৱাদেৱে মোৰ এম.এ.ফাইনেল পৰীক্ষাৰ কিছু দিনৰ আগতেই জাঁজী কলেজত কাম কৰিবলৈ দৰ্খাস্ত লিখাই লৈছিল। সেয়ে ফাইনেল পৰীক্ষা দি চৈধ্য আগষ্টত আহি ঘৰ পোৱাৰ লগে লগেই তেখেতে মোক যোল্ল আগষ্টত জইন কৰিবলৈ ক'লে। ফাইনেল পৰীক্ষা দি আহি অনেক কাল্পনিক কথাৰে মন ভাৰক্ৰান্ত কৰি মই পাঁচদিন জিৰাই একৈশ তাৰিখে জইন কৰিলো টিউটৰ হিচাবে। ইংৰাজী বিভাগত মোৰ লগত একেদিনাই জইন কৰিছিল বীৰেণ বৰুৱাই। তেখেত এতিয়া শিৱসাগৰ কলেজত চাকৰি কৰে। পৰীক্ষা দি উঠি গুৱাহাটীৰ এখন বাতৰি কাগজত চাকৰি পাইছিলোঁ। তদুপৰি পৰীক্ষাৰ আগতেই কামৰূপৰ দুই-এখন কলেজলে খবৰো কৰিছিল। জাঁজী কলেজত জইন কৰাৰ পাছত লাহে লাহে এই অঞ্চলত গঢ় লৈ উঠিব খোজা উচ্চ শিক্ষাৰ অনুষ্ঠানটোৰ প্ৰতি মোৰ কৰ্তব্য আৰু দায়িত্ব উপলব্ধি কৰি আহিবলৈ ধৰিলোঁ। সেই সময়ত আমাৰ শ্ৰেণীবোৰ বহিছিল জাঁজী ছোৱালী হাইস্কুলৰ হল ঘৰত। অধ্যক্ষ যদুনাথ শৰ্মা সিদ্ধান্তদেৱ সপ্তাহত দুদিন কলেজলৈ আহিছিল। প্ৰথম প্ৰতিষ্ঠাৰ দিনাই জইন কৰিছিল স্বৰ্গীয় তৰুণ চন্দ্ৰ বৰুৱাই। তেখেতৰ লগত জইন কৰিছিল তাৰাপ্ৰসাদ পূজাৰীয়ে। পূজাৰীক অফিচৰ কামত সহায় কৰি দিছিল জাঁজী ছোৱালী হাইস্কুলৰ প্ৰশাসনিক সহায়ক প্ৰফুল্ল বৰুৱাই। অনেক দিন ধৰি পূজাৰীয়ে জাঁজী কলেজৰ পুথিভঁৰালৰ পৰা অফিচলৈ সকলো কাম অকলেই কৰিছিল। শান্ত সমাহিত সুন্দৰ ৰাতিপুৱাবোৰত আমি ক্লাছ কৰিলো। আজিৰ পৰা পশিচ বছৰৰ আগৰ এই অঞ্চলৰ যি আৰ্থ সামাজিক পৰিৱেশ তাৰ বৰ্ণনা দিয়া এই প্ৰবন্ধৰ উদ্দেশ্য নহয়, কিম্বা এয়া কোনো তথ্য গধুৰ প্ৰবন্ধও নহয়। এয়া ৰূপালী জয়ন্তী উপলক্ষে এগৰাকী প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰীৰ 'স্মৃতিকথা' মাথোন। সেয়ে ইয়াত কিছু ব্যক্তিগত কাম-কাজো উল্লেখ থাকিব নিশ্চয়। পাঠকৰ ওচৰত মোৰ ত্ৰুটি মাৰ্জনাৰ প্ৰাৰ্থনা জনালোঁ।

১৯৬৪ চনৰ অক্টোবৰ মাহৰ দহ নে এঘাৰ তাৰিখে আমাৰ এম.এ. ফাইনেল পৰীক্ষাৰ

ৰিজাল্ট ওলাইছিল। ৰিজাল্ট পাই বীৰেণ বৰুৱা আৰু মই কলা আৰু বিজ্ঞান শাখাৰ প্ৰায় ৯২ জন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী লগলাগি আমি এটা ভোজ খাইছিলোঁ। ভোজৰ দিনা মৰমৰ ছাত্ৰ উমা বৰুৱাই গছ এজোপাত ওলোমাই ছাগলীটো চেলোৱাৰ দৃশ্য মোৰ স্মৃতিপটত চিৰকাল জাঁহি থাকিব। বৰ উলহ-মালহেৰে ভোজৰ সামৰণি পৰিছিল। কিমান যে আনন্দৰ দিন আছিল সেইবোৰ।

মোতকৈ বিশ দিনৰ আগতে মানে এক আগষ্ট তাৰিখে একেলগে জইন কৰিছিল মৰমৰ সহকৰ্মী বন্ধু উমেশ ঠাকুৰ আৰু কীৰ্তি দত্তই। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাবে কলেজখনৰ বাহিৰ ভিতৰৰ তত্বাৱধানত আছিল ঘনকান্ত শইকীয়া। তেওঁৰ পাছতেই ইন্দ্ৰেশ্বৰ বৰুৱাই জইন কৰে। বিজ্ঞান আৰু ক'লা শাখাত প্ৰথম বছৰৰ সহ কৰ্মীসকলৰ ভিতৰত ভালেমান কেইজন সহকৰ্মী বন্ধুৰেই বৰ্তমান নাই। গ্ৰাম্য অঞ্চলৰ কলেজ হিচাবে তাতে প্ৰাইভেট কলেজ হৈ থকা বাবে বিজ্ঞান শাখাটো পৰিচালনা সমিতিয়ে বন্ধ কৰি দিয়ে। এই দুয়োটা শাখাতে কাম কৰিবৰ বাবে কাছাৰৰ পৰা কলিকতালৈকে ভালেকেইজন শিক্ষক আহিছিল। কলিকতাৰ পৰা সংস্কৃত পঢ়াবলৈ সাৰধন দেৱনাথ, কাছাৰৰ পৰা বিজিত দে, ৰাম দত্ত, যোগেন দত্ত, শ্ৰী বেনাৰ্জী, ৰাজীৱলোচন শৰ্মা, নবীন গগৈ, তৰুণ মিশ্ৰ ভাগৱতী আদিয়ে প্ৰথম অৱস্থাত এই কলেজত কাম কৰিছিল। এই বিৰাট অঞ্চলটোৰ সকলো দিশৰ পৰাই ছাত্ৰ-ছাত্ৰীসকল ইয়াত পঢ়িবলৈ আহিছিল। অনেক প্ৰতিভাশালী দুখীয়া ছাত্ৰ-ছাত্ৰী এই গ্ৰাম্য অঞ্চলৰ প্ৰাইভেট কলেজখনৰ পৰা সুখ্যাতিৰে পাছ কৰি ওলাই গৈছিল। তেওঁলোক এতিয়া অসমৰ বিভিন্ন ঠাইত ভিন্ন ভিন্ন পদমৰ্যদাত অধিষ্ঠিত হৈ আছে। প্ৰশাসনত, শিক্ষা বিভাগত, ৰাজনীতি, সাহিত্য-সংস্কৃতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সুনাম ৰক্ষা কৰি কাম পৰিচালনা কৰি আছে।

উল্লেখ নকৰি নোৱাৰি যে সেই সময়ত ছোৱালী হাইস্কুলত শিক্ষকতা কৰি থকা স্বৰ্গীয় গোলাপচন্দ্ৰ বৰুৱাই আমাৰ কলেজত নামভৰ্তি কৰি পঢ়িছিলহি। তেখেত একালত আমাৰ সহকৰ্মীও আছিল, কাৰণ এম.এ. পঢ়িবলৈ যোৱাৰ আগতে আমি দুবছৰ ছোৱালী হাইস্কুলত কাম কৰিছিলোঁ। তেখেত জাঁজী কলেজৰ প্ৰতিষ্ঠা বছৰৰ ছাত্ৰ হোৱা কথাটোৱে সকলোৰে মনত শিক্ষাৰ প্ৰতি প্ৰবল ধাউতিৰ ভাৱ জগাইছিল।

১৯৬৫ চনত জাঁজী কলেজৰ শ্ৰেণীসমূহ বৰ্তমান থকা ঠাইত অৱস্থিত কলেজ গৃহলৈ অনা হয়। ১৯৬৫ চনতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এক্সপাৰ্ট কমিটিৰ এটি দল সেই সময়ৰ ৰেক্টৰ স্বৰ্গীয় লক্ষী দত্তৰ সৈতে আমাৰ কলেজ পৰিদৰ্শন কৰিবলৈ আহে। তেতিয়া সমাজকৰ্মী স্বৰ্গীয় কমলেশ্বৰ গগৈৰ মাটিত ছোৱালী হোষ্টেলখন আছিল। হোষ্টেলৰ তত্বাবধায়ক আছিল স্বৰ্গীয় তৰুণ চন্দ্ৰ বৰুৱা। এক্সপাৰ্ট কমিটিৰ ৰিপৰ্টমতে ছোৱালী হোষ্টেল এগৰাকী শিক্ষয়িত্ৰীৰ তত্বাৱধানত থাকিব লাগে। সেই সময়ত পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্যসকল ৰাম প্ৰসাদ খাউণ্ড, দেবেন্দ্ৰনাথ শৰ্মা, নীলকান্ত বৰুৱা, লক্ষী প্ৰসাদ খাউণ্ড, মহেন্দ্ৰ কুমাৰ বৰুৱা, অমৰ শৰ্মা আদি মাননীয় ব্যক্তিসকলৰ অনুৰোধক্ৰমে আমাৰ অনিচ্ছা স্বত্বেও ছোৱালী হোষ্টেলৰ দায়িত্ব বহন কৰিব লগা হ'ল। প্ৰায় সাত বছৰ কাল মই সেই দায়িত্বত থাকিলো। কাৰণ, কেইবাবছৰলৈ মোৰ পাছত ইয়াত শিক্ষয়িত্ৰী

নাছিল। তাৰ পিছত ইয়ালৈ আহিছিল অধ্যাপিকা হিচাবে স্বৰ্ণছায়া শইকীয়া, বাসন্তী চুতীয়া, আৰতি বৰঠাকুৰ, ৰেণু গোস্বামী, দীপ্তি দত্ত আদি। তেওঁলোকে কাৰ্যক্ষেত্ৰ সলনি কৰিছে।

১৯৬৭ চনত শিৱনাথ শৰ্মাদেৱে এই কলেজত অধ্যক্ষ হিচাবে জইন কৰে। সেইদিন ধৰি তেখেতে কলেজৰ বাবে নিস্বাৰ্থ সেৱা আগবঢ়াই আহিছে।

১৯৬৮ চনত এই কলেজৰ ছাত্ৰ ইউনিয়ন প্ৰতিষ্ঠা হয়। এই ছাত্ৰ ইউনিয়নৰ প্ৰথম প্ৰধান সম্পাদক আছিল গোলাপ চন্দ্ৰ বৰুৱা। তেওঁ এজন সাহসী সম্পাদক আছিল।

১৯৭৯ চনৰ চৈধ্য ডিচেম্বৰ তাৰিখে বহা ৰাজহুৱা সভাৰ প্ৰস্তাৱক্ৰমে এই কলেজৰ নাম শিক্ষাবিদ স্বৰ্গীয় হেমনাথ শৰ্মাদেৱৰ স্মৃতিত "জাঁজী হেমনাথ শৰ্মা কলেজ" নামেৰে নামকৰণ কৰা হয়। সেই দিনাৰ পৰাই জাঁজী কলেজৰ নাম জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় হ'ল। এই পচিশ বছৰীয়া কৰ্ম জীৱনত খ্যাত, অখ্যাত কিম্বা প্ৰতিভাশালী অনেক ছাত্ৰ-ছাত্ৰীক লগ পাইছিলো। তেওঁলোকৰ কোনোবাই ৰাজনীতিত মৰ্যদাপূৰ্ণ আসনত, কোনোবাই প্ৰশাসনত, কোনোবাই শিক্ষা জগতত নিজৰ নাম প্ৰতিষ্ঠা কৰিছে। খ্যাত-অখ্যাত অনেকজনৰ সহযোগত আজিৰ জাঁজী হেমনাথ শৰ্মা কলেজ আগবাঢ়ি গৈছে। প্ৰথম বছৰৰ ছাত্ৰ-ছাত্ৰীসকৰ মাজতেই আমি তেনে প্ৰতিভাৰ সন্ধান পাইছিলো। দুৰ্গেশ্বৰ দত্ত আৰু প্ৰফুল্ল খড়ীয়াই সুন্দৰ কবিতা লিখিছিল। দুৰ্গেশ্বৰ দত্তই এতিয়া গুৱাহাটীৰ পৰা এখন কাব্য আলোচনী নিয়মিতভাৱে নিজে সম্পাদনা কৰি উলিয়াইছে। এখন কবিতা আলোচনী দীৰ্ঘ দিন ধৰি চলাই থাকিব পৰাটো কম সৌভাগ্যৰ কথা নহয়। জীৱন বৰুৱা, ধৰণী বৰুৱাহঁতে সুন্দৰকৈ খেলিব পাৰিছিল। উমা বৰুৱা, হৰেণ বৰুৱা, ৰুণু বৰুৱা, খাউণ্ড, মৃণালিনী বৰঠাকুৰ, মায়া বৰঠাকুৰ, চাজিদা বেগম, হাচনা বেগম, শৈল বৰুৱা আদিয়ে সুন্দৰকৈ কবিতা আবৃত্তিও কৰিছিল। হিতেশ গগৈ, ননী বৰুৱা, প্ৰিয়লতা শইকীয়া, চন্দ্ৰপ্ৰভা হাজৰিকা, কমলা নেওগ, কৰুণা দত্ত, গোলাপ শইকীয়া আদি ছাত্ৰ-ছাত্ৰীসকলে সকলোৰে সহযোগিতা আগবঢ়াইছিল। তেতিয়াৰ দিনত আমি ইংৰাজী, বঙালী, সংস্কৃত আৰু অসমীয়া কবিতাৰ আবৃত্তি কৰাইছিলোঁ। ছোৱালীবিলাকৰ কাৰণে কেতিয়াবা আমি নিজে নাটক লিখিও অভিনয় কৰাইছিলোঁ। প্ৰথমবাৰ তেওঁলোকে 'ছকুৰি বুকুৰ একুৰি' নামৰ নাটকখনো অভিনয় কৰিছিল। সেই নাটকৰ ছাত্ৰীসকলৰক কাজিয়া লগা দৃশ্যটো মোৰ আজিও চকুৰ আগত ভাঁহি থাকে। ছাত্ৰসকলৰ অভিনয় সম্পৰ্কে অনেক কাহিনীও আছে। আগতে ছাত্ৰ-ছাত্ৰীসকলে সকলোৰে মিলিজুলি কাম-কাজ কৰি কলেজ সপ্তাহবোৰ পাতিছিল। প্ৰথম বছৰৰ কথা। ছাত্ৰসকলে দিনৰ দিনটো কাম-কাজ কৰি থাকোঁতে নাটকৰ সংলাপ মুখস্থ কৰিবলৈ সময় পোৱা নাই। মই নাটকৰ বচনবোৰ পাচফালৰ পৰা কৈ আছিলোঁ। আৰু শেষৰফালে অভিনয় চমু কৰি অনাৰ চিন্তা কৰি মঞ্চৰ স্ক্ৰীণ টানিবলৈ নিৰ্দ্দেশ দিলো। উমাকান্ত বৰুৱাই স্ক্ৰীণ টনাৰ ঠাইত ধুনীয়াকৈ দৰ্শকৰ ফালে চাই ক'বলৈ ধৰিলে, 'চিন্তা নাই, চিন্তা নাই'। দৰ্শকে কিন্তু এই সংলাপৰ একো অৰ্থ বুজিব নোৱাৰিলে।

ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত সম্পৰ্ক আছিল অতি মধুৰ। কেম্পফায়াৰ বিলাকৰ কিম্বা কলেজ সপ্তাহৰ শেষৰ দিনাৰ অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰিব লগা হৈছিল বাধ্য হৈ। এবাৰ এটা কেম্পফায়াৰত

মোক এটা বিয়া নাম গাবলৈ কৈছিল। মোৰ বিয়া নামৰ সুৰ শুনি কি যে হাঁহিৰ ৰোল নুঠিছিল। এবাৰ কলেজ সপ্তাহৰ অনুষ্ঠানত মাইকত ছাত্রসকলে ঘোষণা কৰিলে 'চিত্রলতা বাইদেৱে গান গাব।'কথাটো শুনি মোৰ বুকু কঁপি গ'ল। অ'ত-ত'ত জুমপাতি থকা সকলো দর্শক শ্রোতা হুৰমুৰকৈ হলঘৰলৈ সোমাই আহিল। নিৰুপাই হৈ মই মঞ্চত উঠিলোঁ। কিন্তু কি আচৰিত মোক সহায় কৰিবলৈ লগে লগেই মঞ্চলৈ উঠি আহিল মৰম ছাত্রী বিনু শইকীয়া আৰু মঞ্জুলা শইকীয়া। আমি লগাই দিলো এটা বঙালী গানৰ কলি 'নিঝুম সন্ধ্যায় পান্থপাখীৰাই...' আমাৰ শিক্ষকসকলে গোটখাই প্রায়ে কাৱালি গাইছিল। এই কাৱালিৰ দলপতি আছিল উমেশ ঠাকুৰ। ছাত্র-ছাত্রীসকলে তেওঁলোকৰ লগতে আমাৰ কাৰণেও প্রতিযোগিতা পাতিছিল। বিক্রমাদিত্যৰ ৰাজসিংহাসত গৰখীয়া ল'ৰাৰ বিছাৰৰ দৰে তেওঁলোক আমাৰ বিচাৰক হৈছিল। মনত আছে, এবাৰ এটা আকস্মিক বক্তৃতা প্রতিযোগিতাত আমাক অংশগ্রহণ কৰাইছিল। সেই প্রতিযোগিতাত আমি প্রথম আৰু উমেশ ঠাকুৰ দ্বিতীয় হৈছিল। আমাৰ বিষয়বস্তু আছিল তুলা আৰু ঠাকুৰৰ কাণফুলি। ছাত্র-ছাত্রীয়ে আমাক প্রাইজ দিছিল অকণমান তুলা আৰু ঠাকুৰক এযোৰ কাণফুলি।

সেইদৰে পুৰুষৰ দৌৰ প্রতিযোগিতাত ঠাকুৰ প্রথম হৈছিল আৰু মহিলা প্রতিযোগিতাত আমি। মহিলা মুঠেই আছিলো তিনিগৰাকী, স্বর্ণছাঁয়া শইকীয়া, বাসন্তী চুতীয়া আৰু আমি। তেওঁলোকে মোক প্রাইজ দিলে দুটামান চাহপাত আৰু এখন চেকনী। মই বোলে আলহীক খুউব চাহপানী খুৱাওঁ। এনেকুৱা অনেক মধুৰ কাহিনীৰে আমাৰ স্মৃতিৰ চন্দুক ভৰি আছে। কি যে মধুৰ দিন আছিল সেইবোৰ। আমাৰ শিক্ষকসকলৰ মাজত ফুটবল খেলৰ প্রতিযোগিতাও হৈছিল। ঁতপন বৰুৱা, উমেশ ঠাকুৰ, কীর্তি দত্ত, যতীন বৰা, ৰজনী গোস্বামী, গুণ বৰুৱা, কৰুণা শর্মা, হৰি নাৰায়ণ আগৰৱালা, বদন কোঁৱৰ আদিয়ে এইবোৰ খেলত যোগ দিছিল। যতীন বৰা খুব ভাল গলকীপাৰ আছিল। আৰু কীর্তি দত্তই সুন্দৰকৈ গল দিব পাৰিছিল। ঁতৰুণ বৰুৱা, উমেশ ঠাকুৰ, ৰজনী গোস্বামী, কুৰণা শর্মা আদিয়ে ফুটবল সুন্দৰকৈ খেলিছিল। কাষৰীয়া কেওটা অনুষ্ঠানৰ শিক্ষকসকলৰ মাজত প্রায়ে প্রতিযোগিতা অনুষ্ঠিত হৈছিল। ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রীসকলৰ মাজৰ মধুৰ সম্পর্কৰ কথা ক'বলৈ গ'লে অনেক কথাই ক'বলগীয়া হয়। কেতিয়াবা ছাত্র-ছাত্রীসকল জড়িত হৈ পৰা দেখা যায়। ১৯৭১ চনৰ বিশ্ববিদ্যালৰ পৰীক্ষা বর্জন আন্দোলনৰ সময়ত কেৱল শিক্ষক-শিক্ষয়িত্রীয়েই নহয়, এই অঞ্চলৰ সকলো ৰাইজ জড়িত হৈ পৰিছিল।

তেনেকৈ ১৯৭৫ চনৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ আন্দোলনৰ লগত জড়িত হৈ পৰিছিল ছাত্র-ছাত্রীসকল আৰু এই অঞ্চলৰ ৰাইজ। এই আন্দোলনৰ বাবে নৱকুমাৰ বৰুৱা, যতীন চেতিয়া, অনন্ত কাকতিকে ধৰি ১৮জন ছাত্র-ছাত্রীয়ে জীৱনৰ এটা মূল্যবান বছৰ হেৰুৱাব লগা হৈছিল।

এই কলেজৰ প্রতিষ্ঠা দিনৰ পৰাই পৰীক্ষাগৃহৰ নিয়ম-শৃংখলাৰ পৰা সকলো ক্ষেত্রতে এটা পৰম্পৰা গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্রীসকলে আপ্রাণ চেষ্টা কৰি আহিছিল। তাৰবাবে শিক্ষক-শিক্ষয়িত্রীসকলে মাজে মাজে কঠিন সমস্যাৰো সন্মুখীন হ'বলগা হৈছে। তদুপৰি শিক্ষক-শিক্ষয়িত্রীসকলে শিক্ষাদানৰ ক্ষেত্রত দিয়া

শিক্ষা আহৰণৰ সকলো দিশত ছাত্ৰ-ছাত্ৰীসকলক সাহাৰ্য আগবঢ়াবলৈ কুণ্ঠাবোধ নকৰে। ছাত্ৰ-ছাত্ৰীসকলেও এই অনুষ্ঠানটোৰ উন্নতিৰ দিশত নানান ধৰণৰ বৰঙনি আগবঢ়াইছে। মনত পৰে হিতেশ গগৈ, বীৰেণ দত্ত, কুল বৰা, দেবেশ্বৰ কলিতা, তাৰা সিংহ আদিয়ে কেনেকৈ মূৰত মাটি কঢ়িয়াই ৰাজপথৰ পৰা কলেজলৈ বাটটো বান্ধিছিল। ভালেকেইজন ছাত্ৰ এতিয়া অনুষ্ঠানতে চাকৰি কৰি আকৌ তেওঁলোকৰ বৰঙণি এই অনুষ্ঠানলৈ আগবঢ়াইছে। আমাৰ শিক্ষানুষ্ঠানত শিক্ষক-কৰ্মচাৰী হোৱা এই ছাত্ৰ-ছাত্ৰীকেইজন হ'ল— হৰেণ বৰুৱা, আব্দুল আজিম, জ্যোতিপ্ৰসাদ গগৈ, দেবেশ্বৰ বৰা, অনু মহন্ত, পুথিভঁড়ালৰ দায়িত্বত আছে উমা বৰুৱা, ৰাম দত্ত, অফিচত আছে হিতেশ গগৈ, প্ৰভাত শইকীয়া কেতিয়াবা সহকৰ্মীসকলক, কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলক চিৰদিনৰ কাৰণে হেৰুৱাই অকুণ্ঠ বেদনাও পান কৰিছো। মৰমৰ ছাত্ৰ ঁললিতচন্দ্ৰ ৰাজখোৱাক হেৰুৱাই আমি মৰ্মাহত হৈছো। তেওঁ আমাৰ কলেজৰ ছাত্ৰ ইউনিয়নৰ এজন সুদক্ষ সাধাৰণ সম্পাদক আছিল।

ঠিক একেদৰেই খ্যাত-অখ্যাত এনেকজনৰ স্মৃতি বুকুত লৈ এই অনুষ্ঠানে পশিচ বছৰীয়া ইতিহাস অতিক্ৰম কৰিছে।

পশিচ বছৰৰ আগৰ সেই পৰিৱেশৰ লগত আজিৰ পৰিৱেশৰ বিৰাট পাৰ্থক্য আছে। এই দীৰ্ঘদিনৰ ভিতৰতে জীৱনৰ মূল্যবোধ সলনি হৈছে, ৰাজনৈতিক আদৰ্শৰ সংঘাত বাঢ়িছে, এশ-এবুৰি সমস্যাই ছাত্ৰ-ছাত্ৰীসকলৰ মনত অস্থিৰতা বঢ়াই তুলিছে। জীয়াই থকাৰ শান্ত নিৰিবিলি সেই পৰিৱেশ আজি সুদূৰ পৰাহত। এনে এটা অৱস্থাত পশিচ বছৰৰ আগৰ কলেজৰ সেই শান্ত-সমাহিত পৰিৱেশ আমাৰ কাৰণে এটি মধুৰ সোঁৱৰণী মাথোন।

গ্ৰামাঞ্চলত এই উচ্চ শিক্ষাৰ অনুষ্ঠানটি গঢ়ি তোলাত মহেন্দ্ৰ কুমাৰ বৰুৱাদেৱে আৰু শ্ৰদ্ধেয় ডাঃ নীলকান্ত বৰুৱাই যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। সততে তেখেতৰ সহযোগী আছিল অনিল ৰতন বৰঠাকুৰ, ৰাম প্ৰসাদ খাউণ্ড, লক্ষী প্ৰসাদ খাউণ্ড, দেবেন শৰ্মা, অমৰ শৰ্মা, জীৱন শৰ্মা, মাখন শৰ্মা আদি ব্যক্তিসকল স্বৰ্গীয় খগেশ্বৰ বৰঠাকুৰ, ঁপ্ৰিয়নাথ বৰুৱা, ঁতনুশ্যাম গোহাঁই বৰুৱা, ঁতনুৰাম বৰুৱা, ঘনশ্যাম গগৈ, চন্দ্ৰনাথ গগৈ, ভদ্ৰনাথ ভট্টাচাৰ্য, হুকুম গগৈ, ঁমুহি গগৈ আদি ব্যক্তিসকলে এই অনুষ্ঠানলৈ সততে সকলো দিশতে সহযোগিতা আগবঢ়াইছিল। ৰাইজৰ আন্তৰিক সহযোগ পৰিচালনা সমিতিৰ মূলধন আছিল। উল্লেখ কৰিবলগীয়া অনকে ত্যাগী ব্যক্তিৰ নাম হয়তো অনিচ্ছাকৃতভাৱে থাকি গৈছে। অনেকজন উল্লেখ কৰিবলগীয়া মৰমৰ ছাত্ৰ-ছাত্ৰীৰ নামো এই চুটি প্ৰবন্ধত ঠাইৰ অভাৱত উল্লেখ কৰিব পৰা নাই। অসন্তোষ নাৰাখিবলৈ সেই সকলৰ প্ৰতি মোৰ অনুৰোধ থাকিল। সততে এই অঞ্চলৰ ৰাইজ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সুখ-দুখৰ সমভাগী হৈছিল। প্ৰতিষ্ঠাপক অধ্যাপক ঁতৰুণ চন্দ্ৰ বৰুৱাই এই অনুষ্ঠানৰ বাবে অকুণ্ঠ সেৱা আগবঢ়াইছিল। শিক্ষক-শিক্ষয়িত্ৰীসকলে সেৱাৰ মনোভাৱেৰে কষ্ট স্বীকাৰ কৰি দায়িত্ব পালন কৰিছিল। গোটেই মঞ্জুৰী পোৱাৰ আগলৈকে এই কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল আছিল অধ্যাপক উমেশ ঠাকুৰ, চিত্ৰলতা ফুকন, ৰজনী গোস্বামী, যতীন বৰা, গুণ বৰুৱা, বদন কোঁৱৰ, হৰিনাৰায়ণ আগৰৱালা, ভবানী কুমাৰ বৰুৱা,

শোভন চন্দ্ৰ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, হুচেন বৰুৱা, জগন্নাথ মহন্ত, অৰুণ শইকীয়া, সৰুমতী হাজৰিকা, ড° সবিতা ঠাকুৰ, ড° প্ৰদীপ কুমাৰ গগৈ, প্ৰভাত বৰঠাকুৰ, অনিল কুমাৰ গগৈ। অফিচ আৰু পুথিভঁৰালৰ বিভিন্ন পদত আছি সৰ্বশ্ৰী তাৰা বৰপূজাৰী, বাপুৰাম গগৈ, হিতেশ গগৈ, উমা বৰুৱা। ঘাটি মঞ্জুৰী নোপোৱাৰ দিনৰে পৰা কাম কৰি এই কলেজৰ বাবে ত্যাগ এৰি থৈ যোৱা আমাৰ অতি মৰমৰ সহকৰ্মী স্বৰ্গীয় সৰুমতী হাজৰিকা (গোহাঁই) এই চনৰ ২১ জানুৱাৰী তাৰিখে চিৰকালৰ বাবে আমাক এৰি গুচি গৈছে। তেওঁৰ এই অকাল বিয়োগে আমাক মৰ্মাহত কৰিছে। মনত পৰিছে এবাৰ তেওঁ 'কেৰিমেৰি' ভাওত অভিনয় কৰিছিল। কিমান যে হুহুঁৱাইছিল আমাক। এতিয়া ভালেমান কেইজন তজবজীয়া ডেকা অধ্যাপক অধ্যাপিকা আমাৰ মাজলৈ আহিছে।

মোৰ মৰমৰ ছাত্ৰ, কবি, সাংবাদিক অনন্ত নাৰয়ণ বৰঠাকুৰে এটি সাক্ষাৎকাৰত মোক প্ৰশ্ন কৰিছিল— "বুৰঞ্জীপ্ৰসিদ্ধ জামুগুৰি চাপৰিত অৱস্থিত এই মহাবিদ্যালয়খনে অঞ্চলটোৰ সামগ্ৰিক উন্নয়ণত কেনে ভূমিকা গ্ৰহণ কৰিছে বুলি আপুনি ভাবে?"

তেওঁ এটা সুন্দৰ যথোপযুক্ত প্ৰশ্নৰ অৱতাৰণা কৰিছিল। অনেক বীৰৰ তেজেৰে নৈ বৈ যোৱা ৰাঙলীজানৰ পাৰৰ জামুগুৰি চাপৰিত অৱস্থিত এই উচ্চ শিক্ষাৰ অনুষ্ঠানটিৰ ভূমিকা এই অঞ্চলটোৰ ৰাইজৰ কাৰণে গুৰুত্বপূৰ্ণ। কাৰণ, সকলো ছাত্ৰ-ছাত্ৰীয়েই গ্ৰামাঞ্চলৰ পৰা আহে। উপযুক্ত ঘৰুৱা পৰিৱেশ, গ্ৰামাঞ্চলত উপযুক্ত পুথি ভঁৰালৰ অভাৱ স্বত্বেও তেওঁলোকে দূৰণিৰ বাট অতিক্ৰম কৰি কষ্টেৰে পঢ়া-শুনা কৰে। অনেক প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰী অভিভাৱকসকলৰ অভাৱ গ্ৰস্ততাৰ কাৰণে দূৰণিত গৈ পঢ়া-শুনা কৰিব নোৱাৰিলেহেঁতেন। তেনে ছাত্ৰ-ছাত্ৰীসকল এই অনুষ্ঠানৰ পৰা উপকৃত হৈছে, শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি পাইছে। সুখ্যাতিৰে পাছ কৰি ওলাই যোৱা অসমৰ চুকে-কোণে ভিন্ন ভিন্ন পদমৰ্যদালৈ সিঁচৰতি হৈ আছে। ৰঙামুৱা বীৰৰ তেজে ধুৱা মাটি ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস। অঞ্চলটোৰ সামগ্ৰিক উন্নয়নত সেয়ে এই অনুষ্ঠানটিৰ অৱস্থিতিও তাৎপৰ্যপূৰ্ণ। যিজন শিক্ষাব্ৰতী স্বনামধন্য পুৰুষৰ নামত এই কলেজ নামকৰণ হৈছে আৰু যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমেৰে এই অনুষ্ঠানটি গঢ় লৈ উঠিছে তেখেতসকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

পশিচবছৰীয়া কৰ্মজীৱনৰ অভিজ্ঞতা সামৰি লৈ গতিসীল সময়ৰ বুকুত আমি উটি গৈছো। অনেক পৰিৱৰ্তন, জীৱনৰ অনেক মূল্যবোধৰ সংঘৰ্ষৰ মাজেদি পাৰহৈ আহি অতীতৰ ফালে এবাৰ ঘূৰি চাই কেৱল কবিৰ ভাষাতে ক'ব পাৰি—

"ফুটা নব ফুলচয় উঠা নব কিশলয়
নবীন বসন্ত আয় নিয়ে।
যে যায় সে চলে যাক— সব তাৰ নিয়ে যাক
নাম তাৰ যাক মুছে দিয়ে।"

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

❖❖❖

*প্ৰয়াত চিত্ৰলতা ফুকন জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ*

# পৰিশিষ্ট

## LIST OF PRESIDENTS OF GOVERNING BODIES OF JHANJI HEMNATH SARMA COLLEGE SINCE 1964

| Sl. No. | Name | Time period |
|---|---|---|
| 1 | R. V. Lyngdoh (DC) | From 07-06-1964 to 24-01-1965 |
| 2 | Ram Prasad Khound | From 25-01-1965 to 30-07-1977 |
| 3 | C. L. Rama (ADC) | From 31-07-1977 to 08-01-1982 |
| 4 | Puspadhar Chaliha | From 09-01-1982 to 17-08-1986 |
| 5 | Syed Abdul Malik | From 18-08-1986 to 26-10-1991 |
| 6 | Khagendra Nath Gogoi | From 27-10-1991 to 29-06-1993 |
| 7 | Md. Nurul Haque | From 30-06-1993 to 21-07-1993 |
| 8 | Gautom Ganguly (ADC) | From 22-07-1993 to 24-01-1997 |
| 9 | Anjan Dutta | From 25-01-1997 to 21-04-2002 |
| 10 | Pradip Hazarika | From 22-04-2002 to 21-06-2005 |
| 11 | Durlov Ch. Boruah | From 22-06-2005 to 02-06-2008 |
| 12 | Dulal Boruah | From 03-06-2008 to 20-12-2009 |
| 13 | Anjan Dutta | From 21-12-2009 to 08-04-2010 |
| 14 | Rajani Kanta Goswami | From 09-04-2010 to 15-07-2010 |
| 15 | Md. Giasuddin Ahmed | From 16-07-2010 to 14-05-2015 |
| 16 | Purujit Mahanta | From 15-05-2015 to 30-10-2018 |
| 17 | Bhabani Kumar Baruah | From 31-10-2018 to 08-01-2024 |
| 18 | Dr. Anil Kumar Gogoi | From 09-01-2024 to till date |

## LIST OF PRINCIPALS OF JHANJI HEMNATH SARMA COLLEGE SINCE 1964

| Sl. No. | Name | Time Period |
|---|---|---|
| 1 | J. N. Sarma Sidhanta | From 01-01-1964 to 21-09-1967 |
| 2 | S. N. Sarma | From 22-09-1967 to 28-02-1994 |
| 3 | U. C. Thakur I/C | From 01-03-1994 to 20-09-1997 |
| 4 | R. K. Goswami I/C | From 21-09-1997 to 30-11-2002 |
| 5 | B.K. Baruah I/C | From 01-12-2002 to 03-08-2004 |
| 6 | Dr. A. K. Gogoi | From 04-08-2004 to 31-01-2012 |
| 7 | B. S. Neog I/C | From 01-02-2012 to 04-04-2012 |
| 8 | Dr. Manjit Gogoi | From 05-04-2012 to till date |

# LIST OF HEAD ASSISTANTS, JHANJI HEMNATH SARMA COLLEGE since 1964

| Sl. No. | Name | Time Period |
|---|---|---|
| 1 | Lt. Taraprasad Borpujari | From 01-01-1964 to 31-11-1998 |
| 2 | Lt. Hitesh Gogoi | From 09-04-1999 to 28-02-2007 |
| 3 | Prabhat Chandra Saikia | From 08-11-2007 to 30-09-2014 |
| 4 | Birinchi Chetia | From 21-02-2015 to 30-06-2021 |
| 5 | Md. Abul Kasim | From 06-12-2021 to 31-03-2023 |
| 6 | Jiten Chandra Borah | From 11-12-2023 to till date |

# LIST OF LIBRARIANS, JHANJI HEMNATH SARMA COLLEGE since 1964

| Sl. No. | Name | Time Period |
|---|---|---|
| 1 | Umananda Baruah | From 01-08-1969 to 31-07-2005 |
| 2 | Rumi Das | From 01-06-2007 to 01-07-2008 |
| 3 | Suraj Gogoi | From 02-01-2009 to 25-04-2010 |
| 4 | Rashmi Rekha Gohain | From 07-01-2011 to 22-05-2014 |
| 5 | Rituraj Borkakoti | From 16-11-2018 to till date |

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ
প্ৰতীকপট প্ৰস্তুত কৰোঁতা
বৰ্তমান ইংলেণ্ড নিবাসী
যোৰহাটৰ সন্তান ডাঃ লতিকা শৰ্মা।



# হীৰক জয়ন্তী সমাৰোহ আয়োজক সমিতি

**কৰ্ণধাৰ সমিতি**

উপদেষ্টা ঃ সমূহ অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী
সভাপতি ঃ ড° অনিল কুমাৰ গগৈ
কাৰ্যকৰী সভাপতিঃ হিমাদ্ৰিজ্যোতি দত্ত
সাধাৰণ সম্পাদক ঃ ড° মানজিৎ গগৈ
সহ-সম্পাদক ঃ ৰাজীৱ শৰ্মা
কোষাধ্যক্ষ ঃ বিদ্যাধৰ বৰুৱা
হিচাপ পৰীক্ষক ঃ মিনতি গগৈ
সদস্য-সদস্যা ঃ পুষ্পধৰ নেওগ, ৰবীন বৰুৱা, পুলকেশ গগৈ, শান্তনু নেওগ, পাৰ্থ বৰুৱা, জীৱমণি নাথ, ড° ৰাজীৱ গগৈ, উপেম চন্দ্ৰ দাস, বিদিশা শৰ্মা, নিৰ্মালী বৰকাকতী, ৰবিশংকৰ গগৈ, দিগন্ত গগৈ, অনন্যা শইকীয়া গগৈ

**উপ-সমিতিসমূহ**

**অভ্যৰ্থনা উপ-সমিতি**

সভাপতি ঃ ননী ৰাজখোৱা
সম্পাদক ঃ তীৰ্থ বৰুৱা (সভাপতি, শিক্ষক গোট)
সহকাৰী সম্পাদকঃ ড° মৃদুস্মিতা দেৱী (আহ্বায়িকা, মহিলা কোষ)
সদস্য/সদস্যা ঃ অলংকৃতা মহিলা সমাজ, জাঁজী জামুগুৰি
ছাত্ৰ একতা সভা, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়
লখিমী বৰুৱা, অনন্ত কাকতি

**খাদ্য উপ-সমিতি**

সভাপতি ঃ তৰুণ ফুকন
যুটীয়া সম্পাদক ঃ সুনন্দ দাস, উপেন চন্দ্ৰ দাস
সদস্যবৃন্দ ঃ মনোৰিমা ভাগৱতী, ঋতুৰাজ বৰকাকতি, ইন্দ্ৰ দাস, অনিল শইকীয়া, অনুপম গগৈ, ৰূপজ্যোতি বৰুৱা, মণ্টু শইকীয়া, জয়ন্ত বড়া, লুকু দুৱৰা, পুৰবী গগৈ, শিল্পী গগৈ

**সাংস্কৃতিক উপ-সমিতি**

সভাপতি ঃ চন্দন দত্ত

উপ-সভাপতি ঃ ললিত শৰ্মা, প্ৰধান আচাৰ্য, চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু নিকেতন

যুটীয়া সম্পাদক ঃ জীৱমণি নাথ, ড° সান্ত্বনা দত্ত

সদস্য/সদস্যা ঃ প্ৰাঞ্জল প্ৰতিম বড়া, চান্দিনী সোণোৱাল, মৃণাল বৰুৱা, মধুস্মিতা বৰুৱা, হিমাশ্ৰী বড়া, ড° কস্তুৰী গগৈ, শশাংক নাথ, মণ্টু শইকীয়া, দণ্ডেশ্বৰ পাংগিং আৰু ছাত্ৰ একতা সভাৰ সদস্যসকল

**ব্যৱস্থাপনা উপ-সমিতি**

সভাপতি ঃ নৱনীতা বৰা

সম্পাদক ঃ ছাজিদুল হক বৰবৰা

সহকাৰী সম্পাদকঃ ড° মণ্টু কুমাৰ বড়া

সদস্য/সদস্যা ঃ ননী ৰাজখোৱা, মনোৰিমা ভাগৱতী, ড° মৃদুস্মিতা দেৱী, তুলিকা বৰুৱা, জ্যোতিষ্মান লাহন, তীব্ৰজ্যোতি হাজৰিকা, ভবানী দুৱৰা

ছাত্ৰ সদস্য ঃ সঞ্জীৱ দত্ত, সোণমণি দত্ত, অৰবিন্দ দাস, উজ্জ্বল নেওগ, অঙ্কিতা বৰা, ভাৰ্গৱজ্যোতি বৰা

**স্মৃতিগ্ৰন্থ উপ-সমিতি**

সভাপতি ঃ ভৱানী কুমাৰ বৰুৱা

উপ-সভানেত্ৰী ঃ ড° অনুপমা মহন্ত

যুটীয়া সম্পাদক ঃ ড° মানজিৎ গগৈ, ৰাজীৱ দত্ত

সদস্য/সদস্যা ঃ বীণা বৰুৱা, প্ৰতাপ কুমাৰ বৰুৱা, ড° ৰঞ্জিত বৰুৱা, মঞ্জুমালা শৰ্মা, বিকাশ চলিহা, ড° বসন্ত সন্দিকৈ, ড° পৰাগ ৰাজখোৱা, ইন্দ্ৰসেন বড়ো, ড° মণ্টু কুমাৰ বড়া, ড° প্ৰিয়ংকা হাজৰীকা, ৰাতুল বড়া, দেৱজিৎ নেওগ

**প্ৰচাৰ আৰু যোগাযোগ উপ-সমিতি**

সভাপতি ঃ ড° ৰণজিৎ কুমাৰ বৰুৱা

কাৰ্যকৰী সভাপতিঃ ভবেন চেতিয়া

সম্পাদক ঃ ড° বসন্ত সন্দিকৈ, ড° ৰাজীৱ গগৈ

সদস্য ঃ জাঁজী প্ৰেছ ক্লাৱ, ড° পল্লৱী শইকীয়া, দেৱজিৎ নেওঁগ, ৰাজীৱ গগৈ, মধুস্মিতা বৰুৱা, ইন্দ্ৰ দাস, নীলোৎপল শইকীয়া, অনিল শইকীয়া, অনুপম গগৈ

**স্বেচ্ছাসেৱক উপ-সমিতি**

সভাপতি ঃ ড° প্ৰমোদ চন্দ্ৰ দাস

সম্পাদক ঃ তীৰ্থ বৰুৱা, ৰবিশংকৰ গগৈ, সমন্বয়ক (এন.চি.চি.)

সদস্য/সদস্যা ঃ ৰবিনা ছেত্ৰী, সমন্বয়ক (এন.এছ.এছ.), মণিষা বুঢ়াগোহাঁই, জিতেন চন্দ্ৰ বৰা, ৰূপজ্যোতি বৰুৱা, অনিল শইকীয়া, ছাত্ৰ একতা সভা, এন.চি.চি. কেডেট, এন.এছ.এছ. স্বেচ্ছাসেৱক

**প্ৰাক্তন ছাত্ৰ উপ-সমিতি**

সভাপতি ঃ ড° অনুপমা মহন্ত

উপ-সভাপতি ঃ মঃ আব্দুল আজিম

যুটীয়া সম্পাদক ঃ ড° ৰাজীৱ গগৈ, নিলোৎপল শইকীয়া

সদস্য/সদস্যা ঃ ড° জেউতি বৰুৱা, ইন্দ্ৰ দাস, গীতৰাজ, ৰিম্পী নাথ, অনুপম গগৈ, শান্তনু নেওগ, লাকী গগৈ, বুতম দত্ত, প্ৰদ্যুম্ন দত্ত

**পতাকা উত্তোলন আৰু মঞ্চসজ্জা উপ-সমিতি**

সভাপতি ঃ প্ৰতাপ কুমাৰ বৰুৱা

উপ-সভাপতি ঃ জীৱমণি নাথ

যুটীয়া সম্পাদক ঃ মৃণাল বৰুৱা, ৰাতুল বড়া

সদস্য/সদস্যা ঃ ড° জেউতি বৰুৱা, চান্দিনী সোণোৱাল, ড° প্ৰিয়ংকা হাজৰিকা, কুশল দত্ত, জ্যোতিস্মান লাহন, ড° কস্তুৰি গগৈ, ইন্দ্ৰ দাস, নিলোৎপল শইকীয়া, তীব্ৰজ্যোতি হাজৰিকা, ৰিম্পী নাথ, চন্দ্ৰ গোৱালা, দণ্ডেশ্বৰ পাংগিং, অনুপম গগৈ, ঋতুমণি শইকীয়া, পাৰ্থপ্ৰতীম কোঁৱৰ, বুতম দত্ত, প্ৰদ্যুম্ন দত্ত, অংকুৰ গগৈ, সঞ্জীৱ দত্ত, দেৱাশিষ গগৈ, লাকীমণি গগৈ, অৰবিন্দ দাস, কস্তুৰী গগৈ, প্ৰণামিকা নেওগ, গৌৰীপ্ৰিয়া বৰুৱা, নিশিতা বৰুৱা, অংকিতা বড়া, লখিমী নেওগ, অংকিতা দত্ত, সনৎ হাজৰিকা, মৃন্ময় দত্ত, অভিজ্ঞান বৰুৱা, মনোৰঞ্জন শইকীয়া, আকাশজ্যোতি শেনছোৱা, মৃগাংক ডেকা

# বাতৰি কাকতৰ পৃষ্ঠাত হীৰক জয়ন্তী উদযাপন সম্পৰ্কীয় সংবাদ

## ২৫-২৬ জুলাইত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰো

**আমাৰ খবৰ, জাঁজী, ১৪ জুলাই ঃ** শিৱসাগৰ জিলাত ১৯৬৪ চনতে প্ৰতিষ্ঠা কৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে ৬০ বছৰ অতিক্ৰম কৰি হীৰক জয়ন্তী বৰ্ষত পৰ্দাপন কৰিলে। ইতিমধ্যে বৰ্ষযোৰা বিভিন্ন ধৰণৰ শৈক্ষিক কৰ্মসূচীৰে হীৰক জয়ন্তীৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি আহিছে মহাবিদ্যালয়খনে। সমান্তৰালভাৱে অঞ্চলটোৰ বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে মহাবিদ্যালয়খনৰ ৬০ বছৰীয়া শৈক্ষিক যাত্ৰাৰ বৰ্ণাঢ্য অতীত স্মৰণৰ উদ্দেশ্যে আৰু উচ্চ শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যতৰ আকাংক্ষাৰে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা কৰ্মৰত পৰিয়ালবৰ্গ, শুভাকাংক্ষী ৰাইজ একত্ৰিত হৈ হীৰক জয়ন্তী বৰ্ষৰ সমাৰোহ অহা ২৫-২৬ জুলাইত পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কাৰ্যসূচী অনুসৰি, ২৫ জুলাইৰ পুৱা ৯ বজাত মহাবিদ্যালয়খনৰ মূল পতাকা আৰু হীৰক জয়ন্তী বৰ্ষৰ ৬০ খন পতাকা উত্তোলন কৰা হ'ব। তাৰ পাছতেই স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত গুৰু প্ৰণাম অনুষ্ঠান অনুষ্ঠিত কৰিব। দিনৰ ১১-৩০ বজাৰ পৰা হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাখন উদ্বোধন কৰিব অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তই। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব সাহিত্যিক তথা অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়া ড° নন্দ সিং বৰকলাই। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। উক্ত অনুষ্ঠানতেই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় ড° জ্যোতিপ্ৰসাদ শইকীয়া, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈ। বিয়লি ৩ বজাৰ পৰা মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব। ২৬ জুলাইৰ পুৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চনপ্ৰাপক জাঁজীৰ ঘনকান্ত দত্তই। দিনৰ ১[...] ৩০ বজাৰ পৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সমা[...] আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন [...] তথা নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁইয়ে। [...] কলেজখনৰ হীৰক জয়ন্তী অনুষ্ঠান সাফল্যমণ্ডিত কৰিবলৈ হীৰক জয়ন্তী সমাৰোহৰ আয়োজক সমিতিৰ সভাপতি ড° অনিল গগৈ, সম্পাদক ড[...] মানজিত গগৈ, কাৰ্যকৰী সভাপতি হিমাদ্ৰিজ্যোতি[...] দত্ত, সাংস্কৃতিক সমিতিৰ জীৱমণি নাথ, সান্ত্বনা দ[...] কলেজখনৰ প্ৰতিষ্ঠা দিনৰে পৰা বৰ্তমানলৈকে বিভিন্নপ্ৰকাৰে জড়িত হৈ থকা প্ৰতিগৰাকী লোক[...] লগতে শিক্ষাৰ্থীসকলৰ পিতৃ-মাতৃ, অভিভাৱক [...] শুভাকাংক্ষীসকলৰ সহায়-সহযোগিতা আৰু উপস্থিতি দুয়োদিনতে কামনা কৰিছে উদ্যোক্তাই।

## জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত সংবাদ মেল

### হীৰক জয়ন্তী সমাৰোহৰ আয়োজন, উন্মোচন হব দহখনকৈ গ্ৰন্থ

**অসম বাৰ্তা, জাঁজী, ১৮ জুলাইঃ** ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে সগৌৰৱে ৬০ টা বছৰ অতিক্ৰম কৰি হীৰক জয়ন্তী বৰ্ষত ভৰি দিলে। ইতিমধ্যে বৰ্ষযোৰা বিভিন্ন ধৰণৰ শৈক্ষিক কৰ্ম সূচীৰে হীৰক জয়ন্তীৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি অহা হৈছে মহাবিদ্যালয় খনত। সমান্তৰাল ভাৱে বৃহত্তৰ অঞ্চলৰ বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে ঐতিহ্যমণ্ডিত মহাবিদ্যালয় খনিৰ ৬০ বছৰীয়া শৈক্ষিক যাত্ৰাৰ বৰ্ণাঢ্য অতীত স্মৰণৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা কৰ্মৰত পৰিয়াল বৰ্গ, স্থানীয় ৰাইজ একত্ৰিত হৈ হীৰকজয়ন্তী বৰ্ষৰ সমাৰোহ অহা ২৫ আৰু ২৬ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই লৈ আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজক সমিতিয়ে এখন সংবাদ মেল অনুষ্ঠিত কৰে। জাঁজী প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্তই আঁত ধৰা সংবাদ মেলত আয়োজক সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, সম্পাদক ড° মানজিৎ গগৈ আৰু বিদ্যাধৰ বৰুৱা উপস্থিত থাকি কাৰ্যসূচী সন্দৰ্ভত বক্তব্য দাঙি ধৰে। প্ৰথম দিনা পুৱা মহাবিদ্যালয়ৰ মূল পতাকা আৰু হীৰকজয়ন্তী বৰ্ষৰ ৬০ খন পতাকা উত্তোলন কৰা হব। ইয়াৰ পাছত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভৱানী কুমাৰ বৰুৱাই স্মৃতি তৰ্পণ কৰিব। আনহাতে বৃক্ষ ৰোপণ কাৰ্যসূচি ৰূপায়ণ কৰিব ক্ৰমে বিপুল চন্দ্ৰ বৰকটকী, ৰূপন চন্দ্ৰ গগৈ, হৰেণ বৰুৱা, মুহিকান্ত নাথ আৰু গোপাল বৰুৱাই। ইয়াৰ পাছত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ উদ্যোগত গুৰু প্ৰণাম অনুষ্ঠানৰ পাছত মুকলি সভা অনুষ্ঠিত হ'ব। হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক তথা অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়া ড° নন্দ সিং বৰকলা। সভাখন উদ্বোধন কৰিব গড়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। অনুষ্ঠানত স্মৃতি গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। এই অনুষ্ঠানতেই মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ দ্বাৰা দহখনকৈ গ্ৰন্থ উন্মোচন কৰা হ'ব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় তথা অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়া, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰ বিধান সমষ্টিৰ বিধায়ক অখিল গগৈ। বিয়লি মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ ছাত্ৰী সকলৰ দ্বাৰাই সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হব। সামৰণি দিনা বাৰেৰহনিয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক জাঁজী মৰাণ গাঁৱৰ ঘনকান্ত দত্তই। ইয়াৰ পাছতেই প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ অনুষ্ঠিত হ'ব আৰু অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ তথা নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁইয়ে। বিয়লি আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দুয়োটা দিনৰ অনুষ্ঠানত আয়োজক সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, সম্পাদক ড° মানজিত গগৈ, কাৰ্যকৰী সভাপতি হিমাদ্ৰী জ্যোতি দত্তই সকলোৰে সহযোগিতা কামনা কৰিছে।

## জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ বনাঢ্য আয়োজন ঃ প্ৰকাশ পাব স্মৃতিগ্ৰন্থ

**অসম বাৰ্তা, জাঁজী, ১৩ জুলাই ঃ** শিৱসাগৰ জিলাৰ ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে সগৌৰৱে ৬০ টা বসন্ত অতিক্ৰম কৰি হীৰক জয়ন্তী বৰ্ষত পৰ্দাপন কৰিলে। ইতিমধ্যে বৰ্ষযোৰা বিভিন্ন ধৰণৰ শৈক্ষিক কৰ্ম সূচীৰে হীৰক জয়ন্তীৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি অহা হৈছে মহাবিদ্যালয় খনিয়ে। সমান্তৰাল ভাবে বৃহত্তৰ অঞ্চলৰ বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে ঐতিহ্যমণ্ডিত মহাবিদ্যালয় খনিৰ ৬০ বছৰীয়া শৈক্ষিক যাত্ৰাৰ বৰ্ণাঢ্য অতীত স্মৰণৰ উদ্দেশ্যে আৰু উচ্চ শিক্ষানুষ্ঠানতিৰ উজ্জ্বল ভৱিষ্যতৰ আকাংক্ষাৰে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা কৰ্মৰত পৰিয়াল বৰ্গ ,শুভাকাংখী ৰাইজ একত্ৰিত হৈ হীৰকজয়ন্তী বৰ্ষৰ সমাৰোহ অহা ২৫ আৰু ২৬ জুলাইত দুদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কাৰ্য্যসূচী অনুসৰি ২৫ জুলাইত পুৱা ৯ বজাত মহাবিদ্যালয়ৰ মূল পতাকা আৰু হীৰকজয়ন্তী বৰ্ষৰ ৬০ খন পতাকা উত্তোলন কৰা হব। আৰু তাৰ পাছতেই স্মৃতি তৰ্পণ ,বৃক্ষ ৰোপণ, লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীৰ উদ্যোগত গুৰু প্ৰণাম অনুষ্ঠান অনুষ্ঠিত হব । দিনৰ ১১-৩০ বজাৰ পৰা হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড০ অনিল কুমাৰ গগৈৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হব ।উক্ত মুকলি সভা উদ্বোধন কৰিব অসম কলেজ অধ্যক্ষ পৰিসদৰ সভাপতি ড০ সৌমাৰ জ্যোতি মহন্তই। আনহাতে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক তথা অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়া ড° নন্দ সিং বৰকলা। অনুষ্ঠানত স্মৃতি গ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড০ বসন্ত কুমাৰ গোস্বামীয়ে। ইয়াৰোপৰি এই অনুষ্ঠানতেই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় তথা অধ্যাপক ড০ জ্যোতিপ্ৰসাদ শইকীয়া ,যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰ বিধান সমষ্টিৰ বিধায়ক অখিল গগৈ । আনহাতে বিয়লি ৩ বজাৰ পৰা মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ ছাত্ৰী সকলৰ দ্বাৰাই সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হব। ইয়াৰোপৰি ২৬ জুলাইত বাৰেৰহনিয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক জাঁজীৰ ঘন কান্ত দত্তই। উলেক্ষ যে দিনৰ ১১-৩০ বজাৰ পৰা প্ৰাক্তন ছাত্ৰ ছাত্ৰী সমাৰোহ আৰু সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ তথা নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁইয়ে। সেয়েহে এই বৃহৎ অনুষ্ঠান ভাগি সাফল্য মণ্ডিত কৰিবলৈ হীৰক জয়ন্তী সমাৰোহৰ আয়োজক সমিতিৰ সভাপতি ড° অনিল গগৈ, সম্পাদক ড০ মানজিত গগৈ, কাৰ্য্যকৰি সভাপতি হিমাদ্ৰি জ্যোতি দত্ত, আৰু সাংস্কৃতিক সমিতিৰ জীৱমণি নাথ,আৰু সান্তনা দত্তই সকলোৰে সহযোগিতা কামনা কৰিছে।

যোৰহাট, বৃহস্পতিবাৰ, ২ শাওণ, ১৯৪৬ শক

দৈনিক জনমভূমি

প্ৰকাশ পাব দহখনকৈ গ্ৰন্থ

আঞ্চলিক

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহ

**জাঁজী** ঃ নিজা প্ৰতিবেদক, ১৭ জুলাইঃ ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে সগৌৰৱে ৬০টা বছৰ অতিক্ৰম কৰি হীৰক জয়ন্তী বৰ্ষত ভৰি দিলে। ইতিমধ্যে বৰ্ষজোৰা বিভিন্নধৰণৰ শৈক্ষিক কৰ্মসূচীৰে হীৰক জয়ন্তীৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি অহা হৈছে মহাবিদ্যালয়খনত। সমান্তৰালভাৱে বৃহত্তৰ অঞ্চলৰ বৌদ্ধিক বিকাশৰ কেন্দ্ৰ হিচাপে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ৬০ বছৰীয়া শৈক্ষিক যাত্ৰাৰ বৰ্ণাঢ্য অতীত স্মৰণৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা কৰ্মৰত পৰিয়ালবৰ্গ, স্থানীয় ৰাইজ একত্ৰিত হৈ হীৰক জয়ন্তী বৰ্ষৰ সমাৰোহ অহা ২৫ আৰু ২৬ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই লৈ আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজক সমিতিয়ে এখন সংবাদমেল অনুষ্ঠিত কৰে। জাঁজী প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্তই আঁত ধৰা সংবাদমেলত আয়োজক সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, সম্পাদক ড° মানজিৎ গগৈ আৰু বিদ্যাধৰ বৰুৱা উপস্থিত থাকি কাৰ্যসূচী সন্দৰ্ভত বক্তব্য আগবঢ়ায়। প্ৰথম দিনা পুৱা মহাবিদ্যালয়ৰ মূল পতাকা আৰু হীৰক জয়ন্তী বৰ্ষৰ ৬০ খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পাছত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভৱানী কুমাৰ বৰুৱাই স্মৃতি তৰ্পণ কৰিব। আনহাতে, গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব ক্ৰমে বিপুল চন্দ্ৰ বৰকটকী, ৰূপন চন্দ্ৰ গগৈ, হৰেন বৰুৱা, মুহিকান্ত নাথ আৰু গোপাল বৰুৱাই। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক তথা অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়া ড° নন্দ সিং বৰকলা। সভাখন উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। এই অনুষ্ঠানতেই মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ দ্বাৰা দহখনকৈ গ্ৰন্থ উন্মোচন কৰা হ'ব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় তথা অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়া, যোৰহাট লোক সভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰ বিধান সমষ্টিৰ বিধায়ক অখিল গগৈ। বিয়লি মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰাই সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সামৰণিৰ দিনা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব শিল্পী পেঞ্চন প্ৰাপক জাঁজী মৰাণ গাঁৱৰ ঘনকান্ত দত্তই। ইয়াৰ পাছতেই প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ অনুষ্ঠিত হ'ব আৰু অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ তথা নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁয়ে। বিয়লি আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দুয়োটা দিনৰ অনুষ্ঠানত আয়োজক সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, সম্পাদক ড° মানজিত গগৈ, কাৰ্যকৰী সভাপতি হিমাদ্ৰী জ্যোতি দত্তই সকলোৰে সহযোগিতা কামনা কৰিছে।

---

**২৫-২৬ জুলাইত বৰ্ণাঢ্য কাৰ্যসূচী ঃ প্ৰস্তুতি সন্দৰ্ভত সংবাদ মেল উদ্‌যাপন সমিতিৰ**

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহৰ আয়োজন

নিয়মীয়া বাৰ্তা, গৌৰীসাগৰ, ১৭ জুলাই ঃ ১৯৬৪ চনৰ ২৫ জুলাইত প্ৰতিষ্ঠা কৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়খনে সগৌৰৱে ৬০টা বৰ্ষত ভৰি দিলে। বিশিষ্ট শিক্ষাবিদ, বৰেণ্য ব্যক্তি হেমনাথ শৰ্মাৰ নামত প্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানখনে এই উপলক্ষে অহা ২৫ আৰু ২৬ জুলাইত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হীৰক জয়ন্তী সমাৰোহ উদ্‌যাপন কৰিবলৈ লোৱাৰ লগতে প্ৰস্তুতিৰ সন্দৰ্ভত উদ্‌যাপন সমিতিয়ে আজি এখন সংবাদ মেলৰ জৰিয়তে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সংবাদ মেলখনত হীৰক জয়ন্তীৰ উদ্‌যাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, সম্পাদক তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মানজিৎ গগৈ, উপাধ্যক্ষ বিদ্যাধৰ বৰুৱা, স্মৃতিগ্ৰন্থ উপ-সমিতিৰ সম্পাদক তথা সাংবাদিক ৰাজীৱ দত্ত উপস্থিত থাকে। সংবাদ মেলখন সম্বোধি মহাবিদ্যালয় কৰ্তৃপক্ষ, স্থানীয় ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগত অনুষ্ঠিত কৰিবলৈ লোৱা হীৰক জয়ন্তী অনুষ্ঠানৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হোৱাৰ লগতে ৰাজ্যৰ লগতে জিলাখনত হোৱা বানপানী দুৰ্যোগৰ বাবে সমাৰোহৰ কাৰ্যসূচী সীমিত কৰা বুলি ব্যক্ত কৰে। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা মহাবিদ্যালয়ৰ মূল পতাকাৰ লগতে শিক্ষানুষ্ঠানখনৰ ৬০বছৰ পূৰ্তি উপলক্ষে প্ৰতীকী ৰূপত ৬০খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভৱানী কুমাৰ বৰুৱাই স্মৃতি তৰ্পণ অনুষ্ঠানটো ৰূপায়ণ কৰিব। আনহাতে গছপুলি ৰোপণ অনুষ্ঠানটো সমাপন কৰিব ক্ৰমে বিপুল চন্দ্ৰ বৰকটকী, ৰূপন চন্দ্ৰ গগৈ, হৰেন বৰুৱা, মুহিকান্ত নাথ আৰু গোপাল বৰুৱাই। আনহাতে দিনৰ এঘাৰ বজাত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত অনুষ্ঠিত হ'ব গুৰু প্ৰণাম অনুষ্ঠান। ইয়াৰপাছতে হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা মুকলি সভাখনত ৰাজ্যৰ বিশিষ্ট সাহিত্যিক, উচ্চ পদস্থ আৰক্ষী বিষয়া ড° নন্দ সিং বৰকলা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সভাখন উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। এই সভাতেই মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশ হ'ব লগা স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে। ইয়াৰ উপৰি এই সভাতেই আন দহখন গ্ৰন্থ উন্মোচন কৰা হ'ব। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা, শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়া। বিয়লি তিনি বজাত মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। সামৰণীৰ দিনা পুৱা অঞ্চলটোৰ মাজেদি এটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰাটো উদ্বোধন কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক ঘনকান্ত দত্তই। ইয়াৰ পিছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ আৰু সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হ'ব। অনুষ্ঠানটো উদ্বোধন কৰিব মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটীস্থিত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক চমুকৈ নাবাৰ্ডৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁয়ে। বিয়লি চাৰে তিনি বজাত আমন্ত্ৰিত শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান। ইয়াৰ উপৰি সংবাদ মেলখনত উদ্‌যাপন সমিতিৰ সম্পাদক তথা অধ্যক্ষ ড° মানজিৎ গগৈয়ে হীৰক জয়ন্তী বৰ্ষৰ বাবে মহাবিদ্যালয়খনৰ উচ্চতৰ মাধ্যমিক বৰ্ষৰ আৰু স্নাতক প্ৰথম সাম্মাষিকৰ আৰ্থিকভাৱে পিছপৰা ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়খনৰ তৰফৰ পৰা বিনামূলীয়াকৈ ইউনিফৰ্ম যোগান ধৰা বুলিও কয়। আনহাতে দুদিনীয়াকৈ আয়োজন কৰা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহত উদ্‌যাপন সমিতিৰ সভাপতি ড° অনিল কুমাৰ গগৈ, কাৰ্যকৰী সভাপতি হিমাদ্ৰিজ্যোতি দত্ত আৰু সম্পাদক তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, শুভাকাংক্ষী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।



---

# ৬০ বছৰত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়, সমাৰোহৰ আয়োজন

নিজা বাতৰি দিওঁতা

**আমগুৰি, ১৭ জুলাই ঃ** ১৯৬৪ চনৰ ২৫ জুলাইত জাঁজীৰ বিশিষ্ট শিক্ষাবিদ, বৰেণ্য ব্যক্তি হেমনাথ শৰ্মাৰ নামত প্ৰতিষ্ঠা কৰা শিৱসাগৰ জিলাৰ জাঁজী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে চলিত বছৰত সগৌৰৱে ৬০ বছৰত ভৰি দিলে। এই উপলক্ষে মহাবিদ্যালয় কৰ্তৃপক্ষ, স্থানীয় ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগত ২৫ আৰু ২৬ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। আজি মহাবিদ্যালয়ৰ প্ৰাংগনত উদ্‌যাপন সমিতি আৰু মহাবিদ্যালয় কৰ্তৃপক্ষই এখন সংবাদমেল সম্বোধন কৰে। জ্যেষ্ঠ সাংবাদিক ৰাজীৱ দত্তই আঁত ধৰা আৰু উদ্‌যাপন সমিতিৰ সভাপতি ডঃ অনিল কুমাৰ গগৈয়ে সঞ্চালনা কৰা সংবাদমেলত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মানজিৎ গগৈ, উপাধ্যক্ষ বিদ্যাধৰ বৰুৱা উপস্থিত থাকে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা মহাবিদ্যালয়ৰ মূল পতাকাৰ লগতে শিক্ষানুষ্ঠানখনৰ ৬০ বছৰ পূৰ্তি উপলক্ষে প্ৰতীকী ৰূপত ৬০খন পতাকা উত্তোলন কৰা হ'ব। তাৰ পাছত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভৱানী কুমাৰ বৰুৱাই স্মৃতি তৰ্পণ অনুষ্ঠান ৰূপায়ণ কৰিব। আনহাতে, গছপুলি ৰোপণ কৰিব ক্ৰমে বিপুল চন্দ্ৰ বৰকটকী, ৰূপন চন্দ্ৰ গগৈ, হৰেন বৰুৱা, মুহিকান্ত নাথ আৰু গোপাল বৰুৱাই। দিনৰ এঘাৰ বজাত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত সম্পন্ন হ'ব গুৰু প্ৰণাম অনুষ্ঠান। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ডঃ অনিল কুমাৰ গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা মুকলি সভাত বিশিষ্ট সাহিত্যিক তথা আৰক্ষী বিষয়া ডঃ নন্দ সিং বৰকলাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সভাখন উদ্বোধন কৰিব গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তই। এই সভাতেই মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ডঃ বসন্ত কুমাৰ গোস্বামীয়ে। এই সভাতেই আন দহখন গ্ৰন্থও উন্মোচন কৰা হ'ব। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাঃ জ্যোতিপ্ৰসাদ শইকীয়া, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকা আৰু শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ। বিয়লি তিনি বজাত মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰদ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সামৰণিৰ দিনা পুৱা অঞ্চলটোৰ মাজেদি এটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰা উদ্বোধন কৰিব অসম চৰকাৰৰ শিল্পী পেন্সনপ্ৰাপক ঘনকান্ত দত্তই। তাৰ পাছত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ আৰু সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হ'ব। অনুষ্ঠানটো উদ্বোধন কৰিব মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটীৰ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাবাৰ্ড)ৰ সহকাৰী প্ৰবন্ধক যতীন গোহাঁয়ে। চাৰে তিনি বজাত দেৱজিৎ বৰাৰ সাংস্কৃতিক অনুষ্ঠান। দুদিনীয়াকৈ আয়োজন কৰা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহত উদ্‌যাপন সমিতিৰ সভাপতি ডঃ অনিল কুমাৰ গগৈ, কাৰ্যকৰী সভাপতি হিমাদ্ৰিজ্যোতি দত্ত আৰু সম্পাদক তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মানজিৎ গগৈয়ে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী অভিভাৱক, শুভাকাংক্ষী ৰাইজৰ উপস্থিতি সহযোগিতা কামনা কৰিছে।

11

---

**জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন**

# হীৰক জয়ন্তীৰ শুভাৰম্ভ, গৱেষণা পত্ৰিকা 'একাডেমীয়া' উন্মোচন

**প্ৰতিদিন সেৱা, জাঁজী, ২৫ জুলাই ঃ** যুগৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব নোৱাৰিলে আৰু সমাজৰ সৈতে সংযোগ ৰক্ষা কৰিব নোৱাৰিলে শিক্ষানুষ্ঠানসমূহ আগবাঢ়ি যাব নোৱাৰে। শিক্ষানুষ্ঠানসমূহে বাস্তৱ পৰিকল্পনা আৰু প্ৰস্তুতিৰে নতুন ৰূপত সামূহিক অগ্ৰগতিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। এই মন্তব্য বিশিষ্ট শিক্ষাবিদ, চাৰিং ছুহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তুৰাৰাম থনিকৰৰ। শিৱসাগৰ জিলাৰ অগ্ৰণীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভ হিচাপে বন্তি প্ৰজ্বলন কৰি থনিকৰে অনুষ্ঠান এটি যুগসাপেক্ষে আগবঢ়াই নিয়াত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সহযোগিতা অনন্য বুলি উল্লেখ কৰে। দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপিত প্ৰতিষ্ঠা দিৱসৰ পুৱা অধ্যক্ষ ড° মানজিৎ গগৈয়ে পতাকা উত্তোলন কৰাৰ পাচতেই অৱসৰপ্ৰাপ্ত অধ্যাপক হৰেন বৰুৱা আৰু প্ৰাক্তন ছাত্ৰ বিমল গগৈয়ে স্মৃতি তৰ্পণ অনুষ্ঠানটো ৰূপায়ণ কৰে মহাবিদ্যালয়ৰ সমবেত সংগীতেৰে শুভাৰম্ভ কৰা মূল সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি ভৱানী কুমাৰ বৰুৱাই। সহকাৰী অধ্যাপক জীৱমণি নাথে আঁত ধৰা মূল সভাখন উদ্বোধন কৰে বাণিজ্য বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা অসম কলেজ শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি জ্যোতিপ্ৰসাদ গগৈয়ে। আনহাতে, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে অভ্যাগতসকলক আদৰণি জনায়। প্ৰতিষ্ঠা দিৱস উপলক্ষে শিক্ষানুষ্ঠানখনৰ লগত জড়িত আৰু স্থানীয় সমাজ জীৱনৰ প্ৰতি অৱদান আগবঢ়োৱা সভাৰাম গগৈ, প্ৰদীপ দত্ত, ভোলা নাথ বৰা, বিপুল বৰকটকী, দুৰ্লভ বৰুৱা আৰু ৰূপন গগৈক মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত ব্যক্তিসকলে জাঁজী অঞ্চলৰ শৈক্ষিক, সামাজিক জীৱনৰ বিভিন্ন কথা সুঁৱৰি বক্তব্য দাঙি ধৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক দেৱ হাজৰিকাই কয় যে প্ৰতিষ্ঠা দিৱসটো অনুষ্ঠানটিৰ আয়ুসৰ লগত সম্পৰ্কিত। প্ৰতিষ্ঠা দিৱসত পণ ল'ব লাগিব অনুষ্ঠানৰ সু-স্বাস্থ্য অক্ষুণ্ণ ৰখাৰ, যাৰ দ্বাৰা অনুষ্ঠানৰ আয়ুস দীঘলীয়া কৰিব পাৰিম। অনুষ্ঠান একোটাৰ শিক্ষা নীতি বা শিক্ষা ব্যৱস্থাক তিনিটা উধানৰ ওপৰত বহুৱাই থোৱা হয়। সেয়া হ'ল ছাত্ৰ-ছাত্ৰী, শিক্ষক-প্ৰশাসন আৰু আন্তঃগাঁথনি। এই তিনিটা উধানৰ গুৰুত্ব অপৰিসীম। প্ৰতিষ্ঠা দিৱসৰ উৎসৱৰ আনন্দৰ মাজতে এই গুৰুত্ব আলোচনা কৰি অনুষ্ঠানটোৰ আয়ুস দীঘলীয়া কৰাৰ বাবে সংকল্প ল'ব লাগিব।' অনুষ্ঠানৰ লগত সংগতি ৰক্ষা কৰি মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ পৰা প্ৰকাশিত আৰু সহকাৰী অধ্যাপিকা ড° জেউতি বৰুৱাৰ দ্বাৰা সম্পাদিত গৱেষণা পত্ৰিকা 'একাডেমীয়া'ৰ অষ্টম সংখ্যা উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল কুমাৰ গগৈয়ে। সভাত হাতীঘুলি গাঁও পঞ্চায়তৰ সভাপতি অপৰূপা শইকীয়াই সমজুৱাৰ হৈ বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে ১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে এই বৰ্ষ গৌৰৱোজ্জ্বল হীৰক জয়ন্তী বৰ্ষৰ ব্যাপক কাৰ্যসূচীৰ পৰিকল্পনা কৰিছে। সন্ধিয়া মহাবিদ্যালয় চৌহদত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সামৰণি পৰে।





কোহিনূৰ

| | | |
|---|---|---|
| | ঃ | শ্ৰীযুত গৌৰৱ গগৈ, মাননীয় সাংসদ, যোৰহাট লোকসভা সমষ্টি। |
| | ঃ | শ্ৰীযুত প্ৰদীপ হাজৰিকা, মাননীয় বিধায়ক, আমগুৰি বিধান সভা সমষ্টি। |
| | ঃ | শ্ৰীযুত অখিল গগৈ, মাননীয় বিধায়ক, শিৱসাগৰ বিধান সভা সমষ্টি। |
| বিয়লি ২.৩০ বজাত | ঃ | আহাৰ গ্ৰহণ। |
| বিয়লি ৩.০০ বজাত | ঃ | মহাবিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান। |
| সন্ধ্যা ৬.০০ বজাত | ঃ | বন্তি প্ৰজ্বলন (মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৌজন্যত।) |

২৬ জুলাই, ২০২৪ (শুক্ৰবাৰ)

| | | |
|---|---|---|
| পুৱা ৯.০০ বজাত | ঃ | বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা। |
| উদ্বোধক | ঃ | শ্ৰীযুত ঘনকান্ত দত্ত, অসম চৰকাৰৰ শিল্পী পেঞ্চণ প্ৰাপক, জাঁজী জামুগুৰি। |
| দিনৰ ১১.৩০ বজাত | ঃ | প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ আৰু সাংস্কৃতিক অনুষ্ঠান। |
| উদ্বোধক | ঃ | শ্ৰীযুত যতীন গোহাঁই, প্ৰাক্তন ছাত্ৰ, সহকাৰী প্ৰবন্ধক, নাবাৰ্ড, গুৱাহাটী। |
| বিয়লি ২.৩০ বজাত | ঃ | আহাৰ গ্ৰহণ। |
| বিয়লি ৩.৩০ বজাত | ঃ | আমন্ত্ৰিত অতিথি শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান। |
| সন্ধ্যা ৫.৩০ বজাত | ঃ | অসম সংগীত পৰিৱেশন। |
| সন্ধ্যা ৫.৪৫ বজাত | ঃ | পতাকা সম্বৰণ। |

বিনায়ক অফচেট, শিৱসাগৰ, ৯৮৫৪০ ৩২৮১৪

# হীৰক জয়ন্তী সমাৰোহ

## জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

জাঁজী-জামুগুৰি, শিৱসাগৰ

২৫ আৰু ২৬ জুলাই, ২০২৪




প্ৰতি,

শ্ৰীযুত/শ্ৰীযুতা.............................................................



## নিমন্ত্ৰণী পত্ৰ

শ্ৰদ্ধাস্পদেষু,

জয়জয়তে আমাৰ আন্তৰিক সম্ভাষণ গ্ৰহণ কৰিব। আপোনাক/ আপোনালোকক অৱগত কৰিবলৈ পাই আমি পৰম আহ্লাদিত হৈছোঁ যে, ইতিহাসৰ বা-মাৰলিয়ে কোবাই যোৱা বিভিন্ন সময়স্ৰোতৰ স্বাক্ষৰ বহনকাৰী জাঁজী জামুগুৰি চাপৰিত জ্ঞান অন্বেষণৰ স্বপ্ন সাৰোগত কৰি অঞ্চলটোৰ ভালে কেইগৰাকী শিক্ষানুৰাগী তথা দূৰদৰ্শী ব্যক্তিৰ নিৰলস প্ৰচেষ্টাত ১৯৬৪ চনৰ এক মাহেন্দ্ৰ ক্ষণত প্ৰতিষ্ঠা লাভ কৰা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়খনিয়ে সগৌৰৱে ৬০ টা বসন্ত অতিক্ৰমি হীৰক জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিলে।

বৰ্ষজোৰা বিভিন্ন শৈক্ষিক কৰ্মসূচীৰে হীৰক জয়ন্তীৰ কাৰ্যক্ৰম ৰূপায়ণ কৰি অহা হৈছে। বৃহত্তৰ অঞ্চলটিৰ বৌদ্ধিক বিকাশৰ কেন্দ্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিৰ ৬০ বছৰীয়া বিদ্যায়তনিক যাত্ৰাৰ বৰ্ণাঢ্য অতীত স্মৰণ বন্দনৰ উদ্দেশ্যে আৰু উচ্চ শিক্ষানুষ্ঠানটিৰ উজ্জ্বল ভৱিষ্যতৰ আকাংক্ষাৰে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা কৰ্মৰত পৰিয়ালবৰ্গ, শুভাকাংক্ষী ৰাইজ একত্ৰিত হৈ হীৰক জয়ন্তী বৰ্ষৰ সমাৰোহ উৎসৱ অহা ২৫ আৰু ২৬ জুলাই, ২০২৪ তাৰিখ বৃহস্পতি আৰু শুক্ৰবাৰে সিপিঠিত দিয়া দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

তদুপলক্ষে দুয়োদিনৰ কাৰ্যসূচীৰ সফল ৰূপায়ণত আপোনাৰ/ আপোনাসবৰ উপস্থিতি আৰু সহযোগিতা আমি আন্তৰিকতাৰে আশা কৰি নিমন্ত্ৰণী শৰাই আগবঢ়ালোঁ।

বিনীত

| ড° অনিল কুমাৰ গগৈ | শ্ৰী হিমাদ্ৰি জ্যোতি দত্ত | ড° মানজিৎ গগৈ |
|---|---|---|
| সভাপতি | কাৰ্যকৰী সভাপতি | সম্পাদক |

হীৰক জয়ন্তী সমাৰোহ আয়োজক সমিতি, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়

## কাৰ্যসূচী

২৫ জুলাই, ২০২৪ (বৃহস্পতিবাৰ)

| | | |
|---|---|---|
| পুৱা ৯.০০ বজাত | ঃ | মহাবিদ্যালয়ৰ মূল পতাকা আৰু হীৰকজয়ন্তী বৰ্ষৰ ৬০খন পতাকা উত্তোলন। |
| পুৱা ৯.৩০ বজাত | ঃ | স্মৃতি তৰ্পন। |
| তৰ্পক | ঃ | শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়। |
| পুৱা ৯.৪৫ বজাত | ঃ | গছপুলি ৰোপণ। |
| ৰোপক | ঃ | শ্ৰীযুত বিপুল চন্দ্ৰ বৰকটকী |
| | ঃ | শ্ৰীযুত ৰূপণ চন্দ্ৰ গগৈ |
| | ঃ | শ্ৰীযুত হৰেন বৰুৱা |
| | ঃ | শ্ৰীযুত মুহিকান্ত নাথ |
| | ঃ | শ্ৰীযুত গোপাল বৰুৱা |
| দিনৰ ১১.০০ বজাত | ঃ | গুৰু প্ৰণাম অনুষ্ঠান (মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উদ্যোগত)। |
| দিনৰ ১১.৩০ বজাত | ঃ | মুকলি সভা। |
| সভাপতি | ঃ | ড° অনিল কুমাৰ গগৈ, সভাপতি, হীৰক জয়ন্তী উদ্‌যাপন সমিতি। |
| উদ্বোধক | ঃ | ড° সব্যসাচী মহন্ত, অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়। |
| মুখ্য অতিথি | ঃ | ড° নন্দ সিং বৰকলা, বিশিষ্ট সাহিত্যিক তথা অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়া। |
| স্মৃতিগ্ৰন্থ উন্মোচক | ঃ | ড° বসন্ত কুমাৰ গোস্বামী, প্ৰাক্তন প্ৰধান সম্পাদক, অসম সাহিত্য সভা। |
| | | (স্মৃতিগ্ৰন্থৰ লগতে মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশ কৰা গ্ৰন্থ উন্মোচন)। |
| বিশিষ্ট অতিথি | ঃ | ড° জ্যোতি প্ৰসাদ শইকীয়া, প্ৰাক্তন উপাচাৰ্য, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় তথা অধ্যাপক ডিব্ৰুগড় বিশ্ববিদ্যালয়। |